PGAS S3 04 (Lit)

সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ

তৃতীয় ষাণ্মাসিক

অসমীয়া



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° খগেশ সেন ডেকা, (অৱসৰপ্রাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা যোগাইছে
১-৫	ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৬-১০	ড° ইন্দিৰা শইকীয়া বৰা, প্রাগজ্যোতিষ মহাবিদ্যালয়
১১, ১২,১৩	ড° সুধেন্দু মোহন ভদ্র, কটন মহাবিদ্যালয়
১৪	ড° সুৰেশ চন্দ্র বৰা, কটন মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ভাৰতী গোস্বামী, সহযোগী তথা মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, বি বৰুৱা কলেজ (৫,৬,৭,৮,৯,১০,১৪)

অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় (১,২,৩, ৪, ১১,১২,১৩)

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ জুলাই, ২০১৮; দ্বিতীয় প্রকাশ ঃ চেপ্তেম্বৰ, ২০১৯; তৃতীয় প্রকাশ ঃ চেপ্তেম্বৰ, ২০২১

ISBN :

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭

নগৰ কার্য্যালয় ঃ ৰেছম নগৰ, ৰাষ্ট্রীয় ঘাইপথ নং-৩৭, খানাপাৰা (বড়োলেণ্ড গেষ্ট হাউছৰ সমীপত), গুৱাহাটী-৭৮১ ০২২

Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন দ্বাদশ পাঠ্যবিষয়। ইয়াত শিক্ষার্থীৰ সন্মুখত সংস্কৃত সাহিত্যৰ বহুমূলীয়া মাণিক খচিত সম্পদসমূহ উন্মুক্ত কৰি দিয়া হৈছে। এই পাঠ্যবিষয়টিত সর্বমুঠ ১৪ টা অধ্যায় আছে। ইয়াতে আপুনি সংস্কৃত সাহিত্যৰ কিছুমান উল্লেখযোগ্য বিষয়ৰ লগত অৱগত হ'ব পাৰিব। এই পাঠ্য বিষ ?টিৰ নাম হৈছে সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ। পাঠ্যবিষয়ৰ অধ্যায়সমূহ হ'ল—

অধ্যায় ১ ঃ সংস্কৃত কাব্য সাহিত্য

অধ্যায় ২ ঃ সংস্কৃত মহাকাব্য

অধ্যায় ৩ ঃ সংস্কৃত নাট্য সাহিত্য

অধ্যায় ৪ ঃ চম্পূকাব্য, গীতিকাব্য আৰু ঐতিহাসিক কাব্য

অধ্যায় ৫ ঃ পুৰাণ সাহিত্য

অধ্যায় ৬ ঃ গদ্যকাব্য

অধ্যায় ৭ ঃ গল্পসাহিত্য

অধ্যায় ৮ ঃ শতককাব্য

অধ্যায় ৯ ঃ বিজ্ঞান ভিত্তিক সাহিত্য (Scientific Literature) আয়ুর্বেদ, বাস্তুবিদ্যা বা বাস্তুশাস্ত্র

অধ্যায় ১০ ঃ বিজ্ঞানভিত্তিক সাহিত্য (Scientific Literature) জ্যোতির্বিদ্যা, গণিতবিদ্যা

অধ্যায় ১১ ঃ কালিদাস ঃ *ৰঘুবংশম্* (প্রথম আৰু দ্বিতীয় সর্গৰ আলোচনা)

অধ্যায় ১২ ঃ কালিদাসৰ *অভিজ্ঞানশকুন্তলম্*

অধ্যায় ১৩ ঃ শূদ্রক ঃ *মৃচ্ছকটিকম্*

অধ্যায় ১৪ ঃ অসমত সংস্কৃত-চর্চা (প্রাচীন যুগৰ পৰা শংকৰদেৱলৈকে)

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে বিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান আৰ্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ সংস্কৃত কাব্য সাহিত্য ৭-২৫

সংস্কৃত কাব্য সাহিত্যৰ আৰম্ভণি; আদি কাব্য *ৰামায়ণ ঃ ৰামায়ণৰ* ৰচনাকাল, *ৰামায়ণৰ* বিষয়বস্তু, *ৰামায়ণৰ* সামাজিক চিত্রণ, *ৰামায়ণৰ* বিকাশ, *ৰামায়ণৰ* মহত্ত্ব, *ৰামায়ণৰ* প্রভাৱ; *মহাভাৰত ঃ মহাভাৰতৰ* ক্রমবিকাশ, *মহাভাৰতৰ* বিষয়বস্তু, *মহাভাৰতৰ* ৰচনাকাল, *মহাভাৰতৰ* প্রভাৱ, *মহাভাৰতৰ* সামাজিক চিত্রণ; *ৰামায়ণ* আৰু *মহাভাৰতৰ* তুলনা।

অধ্যায় ২ ঃ সংস্কৃত মহাকাব্য ২৬-৪৩

সংস্কৃত মহাকাব্যৰ লক্ষণ; প্রাক্-কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য ঃ *বুদ্ধচৰিত, সৌন্দৰানন্দ,* অশ্বঘোষৰ অন্যান্য গ্রন্থ; কালিদাস আৰু কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য ঃ *কুমাৰসম্ভৱম্, ৰঘুবংশম্, সেতুবন্ধম্, জানকীহৰণম্;* কালিদাসোত্তৰ যুগৰ মহাকবি আৰু মহাকাব্য ঃ *কিৰাতার্জুনীয়ম্; ৰাৱণবধম্; শিশুপালবধম্; নৈষধচৰিতম্।*

অধ্যায় ৩ ঃ সংস্কৃত নাট্য সাহিত্য ৪৪-৬০

সংস্কৃত নাটকৰ উৎপত্তি; সংস্কৃত নাটকৰ লক্ষণ; সংস্কৃত নাটকৰ বৈশিষ্ট্য; সংস্কৃত নাটকৰ বিকাশ ঃ কালিদাসৰ পূৰ্বৰ যুগৰ নাটক, কালিদাসৰ যুগৰ নাটক, কালিদাসোত্তৰ যুগৰ নাটক।

অধ্যায় ৪ ঃ চম্পূকাব্য, গীতিকাব্য আৰু ঐতিহাসিক কাব্য ৬১-৭৬

চম্পূকাব্য ঃ চম্পূকাব্যৰ উৎস, *চম্পূকাব্যৰ* বৈশিষ্ট্য, বিভিন্ন *চম্পূকাব্যৰ* উল্লেখ; *গীতিকাব্য ঃ গীতিকাব্যৰ* উৎস, *গীতিকাব্যৰ* ভাগসমূহ, বিভিন্ন *গীতিকাব্যৰ* উল্লেখ; ঐতিহাসিক কাব্য আৰু ইয়াৰ উৎস ঃ বিভিন্ন ঐতিহাসিক কাব্যৰ উল্লেখ।

অধ্যায় ৫ ঃ পুৰাণ সাহিত্য ৭৭-৮৮

পুৰাণ শব্দৰ অর্থ আৰু উৎস; পুৰাণৰ ৰচক আৰু কাল; পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্য; মহাপুৰাণ আৰু উপপুৰাণৰ সংখ্যা ঃ বিভিন্ন মহাপুৰাণৰ বর্ণনা; পুৰাণৰ প্রভাৱ।

অধ্যায় ৬ ঃ গদ্যকাব্য ৮৯-১০৪

গদ্যকাব্যৰ পৰিচয় ঃ গদ্যকাব্যৰ লক্ষণ, গদ্যকাব্যৰ ভাগ, গদ্যকাব্যৰ উৎস বা প্রাচীনতা; সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গদ্যকাব্যৰ উল্লেখ ঃ সুৰন্ধু আৰু

তেওঁৰ প্ৰতিভা, দণ্ডি আৰু তেওঁৰ প্ৰতিভা, বাণ আৰু তেওঁৰ প্ৰতিভা; শব্দাৰ্থ তালিকা।

অধ্যায় ৭ ঃ গল্পসাহিত্য **১০৫-১১৭**

গল্পসাহিত্যৰ পৰিচয় ঃ গল্পসাহিত্যৰ লক্ষণ, গল্পসাহিত্যৰ উৎস, গল্পসাহিত্যৰ ৰচনাৰ উদ্দেশ্য, গল্পসাহিত্যৰ ভাগ; সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গল্পসাহিত্যৰ উল্লেখ; শব্দাৰ্থ তালিকা।

অধ্যায় ৮ ঃ শতককাব্য **১১৮-১২৭**

শতককাব্যৰ পৰিচয় ঃ শতককাব্যৰ লক্ষণ, শতককাব্য ৰচনাৰ উদ্দেশ্য, শতককাব্যৰ উৎস, শতককাব্যৰ ভাগ; সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন শতককাব্যৰ উল্লেখ।

অধ্যায় ৯ ঃ বিজ্ঞান ভিত্তিক সাহিত্য (Scientific Literature) **আয়ুৰ্বেদ, বাস্তুবিদ্যা বা বাস্তুশাস্ত্ৰ** **১২৮-১৪২**

আয়ুৰ্বেদ বা চিকিৎসা শাস্ত্ৰ ঃ আয়ুৰ্বেদ শাস্ত্ৰৰ উদ্দেশ্য আৰু ভাগ, আয়ুৰ্বেদ শাস্ত্ৰৰ উৎস, বিভিন্ন আয়ুৰ্বেদ শাস্ত্ৰৰ উল্লেখ; বাস্তুশাস্ত্ৰৰ পৰিচয় ঃ বাস্তুশাস্ত্ৰৰ উৎস, বিভিন্ন বাস্তুশাস্ত্ৰৰ উল্লেখ, শব্দাৰ্থ তালিকা।

অধ্যায় ১০ ঃ বিজ্ঞানভিত্তিক সাহিত্য (Scientific Literature) **জ্যোতিৰ্বিদ্যা, গণিতবিদ্যা** **১৪৩-১৫৭**

জ্যোতিৰ্বিদ্যাৰ পৰিচয় ঃ জ্যোতিৰ্বিদ্যাশাস্ত্ৰ চৰ্চ্চাৰ উদ্দেশ্য আৰু ভাগ, জ্যোতিৰ্বিদ্যাশাস্ত্ৰৰ উৎস, বিভিন্ন জ্যোতিৰ্বিদ্যাশাস্ত্ৰৰ উল্লেখ; শব্দাৰ্থ তালিকা; গণিতবিদ্যা/গণিতশাস্ত্ৰৰ পৰিচয় ঃ গণিতবিদ্যাৰ উৎস, বিভিন্ন গণিতশাস্ত্ৰৰ উল্লেখ।

অধ্যায় ১১ ঃ কালিদাস ঃ *ৰঘুবংশম্* (প্ৰথম আৰু দ্বিতীয় সৰ্গৰ আলোচনা) **১৫৮-১৭৬**

মহাকবি কালিদাস; ৰঘুবংশম্ ঃ মহাকাব্য হিচাপে *ৰঘুবংশম্*, *ৰঘুবংশ*মহাকাব্যৰ আধাৰ গ্ৰন্থ, মহাকাব্যখনৰ নামকৰণ, *ৰঘুবংশৰ* প্ৰথম সৰ্গৰ প্ৰত্যেকটি শ্লোকৰ বিষয়বস্তুৰ আভাস, *ৰঘুবংশৰ* দ্বিতীয় সৰ্গৰ প্ৰত্যেকটি শ্লোকৰ বিষয়বস্তুৰ আভাস, *ৰঘুবংশৰ* প্ৰথম সৰ্গৰ সাৰাংশ, *ৰঘুবংশৰ* দ্বিতীয় সৰ্গৰ সাৰাংশ, *ৰঘুবংশৰ* প্ৰথম আৰু দ্বিতীয় সৰ্গৰ নামকৰণ, *ৰঘুবংশৰ* কাব্যিক সৌন্দৰ্য, *ৰঘুবংশত* চিত্ৰিত হোৱা মনোমোহা প্ৰকৃতি; ৰঘুবংশীয় ৰজাসকলৰ সাধাৰণ গুণাৱলী ঃ দিলীপৰ চৰিত্ৰ বিশ্লেষণ, সিংহ আৰু দিলীপৰ কথোপকথনত প্ৰকাশিত দিলীপৰ কৰ্তব্যপৰায়ণতা।

অধ্যায় ১২ ঃ কালিদাসৰ *অভিজ্ঞানশকুন্তলম্* **১৭৭-১৯৮**

মহাকবি কালিদাসৰ পৰিচয় ঃ কালিদাসৰ ৰচনাৱলী; নাটকৰ লক্ষণ; *অভিজ্ঞানশকুন্তলম্* নাটকৰ নামকৰণৰ তাৎপৰ্য; *অভিজ্ঞানশকুন্তলম্* নাটকৰ

কথাবস্তু ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ বিষয়বস্তুৰ উৎস, নাটকখনৰ প্ৰস্তাৱনা আৰু প্ৰত্যেক অংকৰ সাৰাংশ, *অভিজ্ঞানশকুন্তলম*ৰ চৰিত্ৰ চিত্ৰণ, *অভিজ্ঞানশকুন্তলম* নাটকৰ প্ৰকৃতি চিত্ৰণ।

অধ্যায় ১৩ ঃ শূদ্রক ঃ *মৃচ্ছকটিকম্* **১৯৯-২৩০**

শূদ্রকঃ শূদ্রকৰ জীৱন, শূদ্রকৰ কাব্য প্ৰতিভা; ৰূপক আৰু তাৰ শ্ৰেণীবিভাগ ঃ প্ৰকৰণৰ সাধাৰণ লক্ষণ, প্ৰকৰণ হিচাপে *মৃচ্ছকটিক*; *মৃচ্ছকটিক*ৰ সাধাৰণ আলোচনা ঃ *মৃচ্ছকটিক*ৰ নামকৰণ, *মৃচ্ছকটিক*ৰ কথাবস্তু, *মৃচ্ছকটিক*ৰ প্ৰতিটো অংকৰ বিষয়বস্তু, *মৃচ্ছকটিক*ৰ চৰিত্ৰ চিত্ৰণ, *মৃচ্ছকটিক*ত উপস্থাপিত সমাজ, *মৃচ্ছকটিক*ৰ ৰস।

অধ্যায় ১৪ ঃ অসমত সংস্কৃত-চৰ্চা (প্ৰাচীন যুগৰ পৰা শংকৰদেৱলৈকে) **২৩১-২৪৪**

অসম সংস্কৃত চৰ্চাৰ ইতিহাস; শাসনাৱলী; তন্ত্ৰাদি নানা শাস্ত্ৰ আৰু টীকা ভাষ্য; প্ৰাক্ শংকৰী যুগত সংস্কৃত চৰ্চা; মহাপুৰুষ শ্ৰীমন্ত শংকৰৱেৰ সংস্কৃত চৰ্চা; শংকৰদেৱৰ সংস্কৃত ৰচনাৱলী; শংকৰদেৱৰ সমগ্ৰ ৰচনাৱলীৰ এটি পৰিচয়।

প্ৰসঙ্গ পুথিঃ (পাঠ্য বিষয়ৰ আটাইকেইটা অধ্যায়ৰ বাবে)

অধ্যায় ১ ঃ সংস্কৃত কাব্য সাহিত্য

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ সংস্কৃত কাব্য সাহিত্যৰ আৰম্ভণি

১.৪ আদি কাব্য *ৰামায়ণ*

- ১.৪.১ *ৰামায়ণৰ* ৰচনাকাল
- ১.৪.২ *ৰামায়ণৰ* বিষয়বস্তু
- ১.৪.৩ *ৰামায়ণৰ* সামাজিক চিত্রণ
- ১.৪.৪ *ৰামায়ণৰ* বিকাশ
- ১.৪.৫ *ৰামায়ণৰ* মহত্ত্ব
- ১.৪.৬ *ৰামায়ণৰ* প্রভাৱ

১.৫ *মহাভাৰত*

- ১.৫.১ *মহাভাৰতৰ* ক্রমবিকাশ
- ১.৫.২ *মহাভাৰতৰ* বিষয়বস্তু
- ১.৫.৩ *মহাভাৰতৰ* ৰচনাকাল
- ১.৫.৪ *মহাভাৰতৰ* প্রভাৱ
- ১.৫.৫ *মহাভাৰতৰ* সামাজিক চিত্রণ

১.৬ *ৰামায়ণ* আৰু *মহাভাৰতৰ* তুলনা

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- সংস্কৃত কাব্য-সাহিত্যৰ আৰম্ভণিৰ বিষয়ে জানিব পাৰিব
- আদি কাব্য *ৰামায়ণৰ* ৰচনাকাল আৰু বিষয়বস্তুৰ বিষয়ে আভাস পাব
- *ৰামায়ণৰ* প্রভাৱ আৰু বিকাশৰ বিষয়েও জানিব পাৰিব
- *মহাভাৰতৰ* ক্রমবিকাশ আৰু বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব
- *ৰামায়ণ* আৰু *মহাভাৰতৰ* তুলনামূলক আলোচনাৰ বিষয়েও এই অধ্যায়ত অধ্যয়ন কৰিব পাৰিব।

১.২ পৰিচয়

তৃতীয় ষান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা 'সংস্কৃত সাহিত্যৰ নির্বাচিত পাঠ' শিৰোনামৰ পাঠ্যবিষয়ৰ অন্তর্গত এইটো প্রথম অধ্যায়। ইয়াৰ শিৰোনাম 'সংস্কৃত কাব্য সাহিত্য'। ইয়াত সংস্কৃত কাব্য সাহিত্যৰ বিষয়ে আলোচনা কৰা হ'ব। পালি-প্রাকৃতকে আদি কৰি সমগ্র প্রাচীন সংস্কৃত সাহিত্য প্রধানতঃ দুই ভাগত বিভক্ত— বৈদিক আৰু লৌকিক। *ঋগ্বেদৰ* পৰা আৰম্ভ কৰি *বেদাংগ* (বেদৰ অংগকে *বেদাংগ* বোলা হয়) সাহিত্যৰ সময়লৈকে বৈদিক কাল ধৰা হয়। আকৌ *ৰামায়ণ-মহাভাৰত-পুৰাণৰ* সময়ৰ পৰা লৌকিক সাহিত্যৰ কাল আৰম্ভ হোৱা বুলি কোৱা হয়।

এই অধ্যায়টোত সংস্কৃত কাব্য-সাহিত্য কেতিয়া আৰম্ভ হৈছিল সেইবিষয়ে আলোচনা কৰা হৈছে। আদিকাব্য *ৰামায়ণৰ* ৰচনাৰ সময়সীমা তথা ইয়াৰ বিকাশৰ বিষয়েও আলোকপাত কৰা হৈছে। *ৰামায়ণৰ* বিষয়বস্তু আৰু *ৰামায়ণৰ* প্রভাৱ সংস্কৃত সাহিত্যৰ অন্যান্য ৰচনাৱলীৰ ওপৰত কেনেদৰে পৰিছে, সেই বিষয়ে এই অধ্যায়ত আলোচনা কৰা হৈছে। এই অধ্যায়টিত সর্বসাধাৰণ মানুহৰ মাজত থকা *ৰামায়ণৰ* মহত্ত্ব তথা *ৰামায়ণৰ* সামাজিক চিত্রণৰ বিষয়েও এটি আলোচনা আগবঢ়োৱা হ'ল।

সংস্কৃত আলংকাৰিকসকলে *মহাভাৰতক* শ্রেষ্ঠ মহাকাব্য বুলি গণ্য কৰে। এই অধ্যায় অধ্যয়ন কৰি আপুনি *মহাভাৰতৰ* ৰচনাকাল, পৰৱর্তী সাহিত্যত *মহাভাৰতৰ* প্রভাৱ তথা *ৰামায়ণ* আৰু *মহাভাৰতৰ* তুলনামূলক অধ্যয়নৰ বিষয়ে অৱগত হ'ব।

১.৩ সংস্কৃত কাব্য-সাহিত্যৰ আৰম্ভণি

এতিয়া আপুনি সংস্কৃত কাব্য-সাহিত্যৰ আৰম্ভণিৰ বিষয়ে জানিব পাৰিব। সংস্কৃত কাব্যৰ আৰম্ভণি কেতিয়া আৰু কেনেকুৱা অৱস্থাৰ মাজত হৈছিল সেই বিষয়ে যদিও সঠিকভাৱে ক'ব পৰা নাযায়, তথাপি পণ্ডিতসকলে মত পোষণ কৰে যে প্রাচীন বৈদিক সাহিত্যসমূহতেই কাব্যৰ সূত্রপাত হৈছিল। মহর্ষি সৌনকৰ দ্বাৰা ৰচিত *বৃহদ্দেৱতা* গ্রন্থখনত *ঋগ্বেদৰ* মন্ত্রসমূহৰ শ্রেণীবিভাজন কৰা হৈছে। এই শ্রেণীবিভাগৰ ভিতৰত সংবাদসূক্ত, আখ্যানসূক্ত, দানস্তুতি আৰু নাৰাশংসী এই চাৰি শ্রেণীৰ মন্ত্র অন্যতম। *ঋগ্বেদৰ* এই চাৰি প্রকাৰৰ মন্ত্র আৰু *অথর্ববেদৰ* কুন্তাপ সূক্তবোৰেই সংস্কৃত কাব্যৰ বীজ বুলি কোৱা হয়। বিশেষভাৱে *ঋগ্বেদৰ* সংবাদসূক্তসমূহেই হৈছে পৰৱর্তী সময়ৰ নাটক আৰু মহাকাব্যৰ মূল উৎস। সংহিতাৰ পৰৱর্তী পর্যায়ৰ যিসমূহ ব্রাহ্মণ সাহিত্য আমি দেখা পাওঁ সেইবোৰৰ ভিতৰত আখ্যান, উপাখ্যান, ইতিহাস, পুৰাণ, গাথা, শ্লোক, নাৰাশংসী আদি বিভিন্ন প্রকাৰৰ ৰচনাৱলীৰ নিদর্শন দেখা পোৱা যায়। বৈদিক যুগত শ্রৌত আৰু গৃহ্য অনুষ্ঠানবোৰত কাহিনী অথবা আখ্যান পঠন আৰু শ্রৱণ কৰাটো এক অপৰিহার্য অংগৰূপে বিবেচিত হৈছিল। বৈদিক যুগৰ অন্তিম পর্যায়ত যিসমূহ কাহিনী বা আখ্যান ৰচিত হৈছিল সেইসমূহ হৈছে সংস্কৃত কাব্যৰ আদিৰূপ। সেইফালৰ পৰা চালে মহর্ষি বাল্মীকিয়ে ৰচনা কৰা *ৰামায়ণকে* প্রথম কাব্য বা আদিকাব্য ৰূপে স্বীকাৰ কৰাৰ ক্ষেত্রত যথেষ্ট যুক্তি আছে।



জানি থোৱা ভাল

- *বৃহদ্দেৱতা* গ্ৰন্থখনত আঠটা অধ্যায় তথা বাৱশটা শ্লোক আছে। ইয়াত *ঋগ্বেদৰ* দেৱতাৰ বিষয়ে উল্লেখ আছে। তাৰ লগতে গ্ৰন্থখনত ঋষি আৰু দেৱতাবিষয়ক ৪০টা বৈদিক আখ্যানো বৰ্ণিত আছে।
- সংবাদসূক্তসমূহক আখ্যানসূক্ত বুলিও ক'ব পাৰি। যিবিলাক সূক্তত সাধাৰণতে কথোপকথনৰ মাজেদি কোনো কাহিনী বা আখ্যান বৰ্ণিত হয়, সেইবোৰেই সংবাদসূক্ত বা আখ্যানসূক্ত নামে জনাজাত। *ঋগ্বেদত* প্ৰায় বিশটামান এনে সূক্তৰ উল্লেখ দেখা যায়। সেইবোৰৰ ভিতৰত কেইটামান উল্লেখযোগ্য সূক্ত হ'ল লোপামুদ্ৰাসংবাদ, যম-যমী সংবাদ, উৰ্বশী-পুৰূৱৱা সংবাদ, সৰমা-পণিসংবাদ ইত্যাদি।
- শ্ৰৌত অনুষ্ঠানবোৰত মূলতঃ পাঁচ প্ৰকাৰৰ যজ্ঞ অনুষ্ঠিত হয়। সেইবোৰ হ'ল— হোম, ইষ্টি, পশু, সোম আৰু সত্ৰ। এই কৰ্মত সোমৰসৰো ব্যৱহাৰ হয়।
- গৃহ্যকৰ্মসাধনত গাৰ্হপত্য অগ্নিৰ ভূমিকা মহত্ত্বপূৰ্ণ। এই কৰ্মসমূহত একাধিক ঋত্বিক বা পুৰোহিতৰ আৱশ্যক নহয়। গৃহপতি, গৃহস্থ, পিতৃস্থানীয় ব্যক্তিবিশেষে গৃহ্যকৰ্ম অনুষ্ঠান সম্পাদন কৰিব পাৰে। প্ৰকৃততে গাৰ্হস্থ্য জীৱন বিষয়ক যিবোৰ ধাৰ্মিক বিধি-বিধান আছে, সেইবোৰ গৃহ্যকৰ্মৰে অংশবিশেষ। গৰ্ভাধানৰে পৰা আৰম্ভ কৰি গৃহস্থৰ সকলো সংস্কাৰ, পঞ্চমহাযজ্ঞ, গৃহনিৰ্মাণ, পশুপালন, কৃষি আদি সকলো কৰ্ম গৃহ্যকৰ্মসমূহৰেই ভাগ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সংস্কৃত কাব্য-সাহিত্যৰ আৰম্ভণিৰ বিষয়ে চমুকৈ লিখক। (১০০টা শব্দৰ ভিতৰত)

১.৪ আদিকাব্য *ৰামায়ণ*

ৰামায়ণ হৈছে সৰ্বজনবিদিত 'আদিকাব্য' আৰু ইয়াৰ ৰচক বাল্মীকিক 'আদিকবি' বুলি কোৱা হয়। *পুৰাণত* কোৱা আছে যে বাল্মীকি ভৃগুৰ বংশধৰ। এদিনাখন বাল্মীকিয়ে তমসা নদীত স্নান কৰি উভতি আহোতে গছৰ ডালত আনন্দমনেৰে ক্ৰীড়া কৰি থকা ক্ৰৌঞ্চ যুগলৰ এটাক ব্যাধৰ শৰত বিদ্ধ হোৱা দেখা পায় আৰু সংগীবিহীন আন চৰাইটোৰ কৰুণ বিলাপে বাল্মীকিৰ হৃদয় আৰ্দ্ৰ কৰি তোলে। তেতিয়া তেওঁৰ মুখৰ পৰা এফাঁকি শ্লোক নিগৰি আহিল। সেই শ্লোকটো হ'ল—

"মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ।
যৎ ক্ৰৌঞ্চমিথুনাদেকমবধীঃ কামমোহিতম্।।

এনেদৰে শোকত ম্ৰিয়মান হৈ থকা অৱস্থাত ব্ৰহ্মাৰ আদেশ মতে বাল্মীকিয়ে *ৰামায়ণ* ৰচনা কৰিবলৈ আৰম্ভ কৰে। *ৰামায়ণত* মুঠ সাতটা কাণ্ড আৰু পাঁচশটা অধ্যায় আছে।

এতিয়া আপুনি পৰ্যায়ক্ৰমে এই অধ্যায়টিত *ৰামায়ণৰ* বিষয়বস্তু, ৰচনাকাল, ইয়াৰ বিকাশ, *ৰামায়ণ* কালীন সামাজিক ব্যৱস্থা, অন্যান্য ৰচনাৱলীৰ ওপৰত *ৰামায়ণৰ* প্ৰভাৱ, ইত্যাদি বিভিন্ন বিষয়ৰ লগত পৰিচিত হ'ব পাৰিব।

১.৪.১ *ৰামায়ণৰ* ৰচনাকাল

আপুনি এতিয়া *ৰামায়ণৰ* ৰচনাকালৰ বিষয়ে জানিব। অপৌৰুষেয় *বেদৰ* পিছত *ৰামায়ণ* ৰচনা হয় বুলি জনা যায়। *ৰামায়ণৰ* ৰচনা *মহাভাৰতৰ* আগতে হৈছিল বুলি স্বীকাৰ কৰা হয়। কাৰণ *মহাভাৰতৰ* বনপৰ্বত (সৰ্গ ২৫৮ - ২৮৩) ৰামৰ উল্লেখ আছে। অকল ৰামৰেই নহয় *ৰামায়ণৰ* আন ভালেমান চৰিত্ৰৰ উল্লেখ *মহাভাৰতত* পোৱা যায়। আনকি *ৰামায়ণৰ* দুটা শ্লোক *মহাভাৰতত* উদ্ধৃতও হৈছে। অন্যহাতে *মহাভাৰতৰ* কোনো বীৰৰ উল্লেখ *ৰামায়ণত* দেখা পোৱা নাযায়। গতিকে এই সকলোবোৰৰ পৰা *ৰামায়ণৰ* ৰচনা পূৰ্ববৰ্তী বুলি অনুমান কৰা হয়।

পালি ভাষাত ৰচিত *ত্ৰিপিটকৰ* অন্তৰ্গত জাতকগ্ৰন্থত বৰ্ণিত *দশৰথজাতকে ৰামায়ণৰ* প্ৰভাৱৰ কথা দাঙি ধৰে। *সামজাতকত* চিকাৰীৰ হাতত মুনিপুত্ৰৰ নিধন হোৱা ঘটনাটোৱে *ৰামায়ণত* বৰ্ণিত অন্ধকমুনিৰ পুত্ৰ শ্ৰৱণকুমাৰ ৰজা দশৰথৰ হাতত নিধন হোৱা কথাটোলৈ মনত পেলাই দিয়ে। গতিকে *ৰামায়ণৰ* ৰচনা বৌদ্ধধৰ্মৰ আবিৰ্ভাৱৰ আগৰ বুলি অনুমান কৰিব পাৰি। আকৌ *বৌদ্ধ ত্ৰিপিটকত ৰামচৰিত* সম্বন্ধীয় প্ৰাচীন কথা আছে, যিসমূহ ***চাৰণ***সকলে মুখে মুখে গাইছিল।



চাৰণ ঃ স্তুতি গায়ক।

ৰামায়ণত 'যৱন' শব্দটো দুবাৰ উল্লেখ হোৱা দেখি পণ্ডিত ৱেবাৰ মহোদয়ে *ৰামায়ণৰ* ওপৰত গ্ৰীক কবি হোমাৰৰ গ্ৰন্থৰ প্ৰভাৱ পৰিছে বুলি উল্লেখ কৰে। কিন্তু জ্যাকোবি নামৰ আন এজন পণ্ডিতে বেৰাৰৰ এই মত অগ্ৰাহ্য কৰি খ্ৰীষ্টপূৰ্ব ৩০০ৰ পাছত *ৰামায়ণ* প্ৰক্ষিপ্ত বুলি মতামত দিয়ে। এই যৱন শব্দটোৱে অকল গ্ৰীক সকলোকেই বুজোৱা নাই; উত্তৰ পশ্চিম ভা�ৰতত বিভিন্ন সময়ত যিবিলাক বিদেশীয়ে আক্ৰমণ চলাইছিল সেই আটাইবোৰ জাতিকে বুজাইছে। গ্ৰীক পৰিব্ৰাজক মেগেস্থেনিচৰ টোকাৰ পৰা পোৱা যায় যে খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাতে পাটলিপুত্ৰ নগৰ স্থাপিত হয়। এই নগৰ মগধৰ ৰাজধানী হিচাপে খ্ৰীষ্টপূৰ্ব ৩৫০তে পৰিগণিত হয়। যদিও পাটলিপুত্ৰৰ ওচৰে-পাঁজৰে থকা কিছুমান সৰু সৰু নগৰৰ উল্লেখ *ৰামায়ণত* আছে, কিন্তু এই পাটলিপুত্ৰৰ উল্লেখ *ৰামায়ণত* নাই। সেয়েহে পণ্ডিতসকলে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠিত হোৱাৰ আগতেই *ৰামায়ণ* ৰচিত হৈছিল বুলি মত পোষণ কৰে।

ৰামায়ণত "কৌশল" ৰাজ্যৰ ৰাজধানীৰ নাম 'অযোধ্যা' বুলি উল্লেখ আছে। বৌদ্ধযুগত ইয়াৰ নাম আছিল "সাকেত"। আনকি গ্ৰীকসকলে আৰু মহাভাষ্যৰ ৰচক

পতঞ্জলিয়েও কৌশলৰ ৰাজধানী সাকেত বুলিহে উল্লেখ কৰিছে। ইয়াৰ পৰাও এইটো অনুমান কৰিব পাৰি যে বৌদ্ধযুগৰ বহু আগতে *ৰামায়ণ* ৰচিত হৈছিল।

বুৰঞ্জীৰ তথ্য মতে খ্ৰীষ্টপূৰ্ব (অথবা তৃতীয়) শতিকাতে অশোকে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠা কৰিছিল। গ্ৰীক পৰিব্ৰাজক মেগেস্থেনিচৰ ভ্ৰমণৰ সময়তো পাটলিপুত্ৰতেই মগধৰ ৰাজধানী আছিল। এইটোও মন কৰিবলগীয়া যে এই নগৰৰ ওচৰে পাজৰে থকা কৌশাম্বী, কান্যকুব্জ আদি নগৰবোৰৰ নাম *ৰামায়ণত* পোৱা যায়। কিন্তু প্ৰসিদ্ধ পাটলিপুত্ৰ নগৰখনৰ নাম *ৰামায়ণৰ* কতো উল্লেখ নাই। সেয়ে পণ্ডিতসকলে মত পোষণ কৰিছে যে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠিত হোৱাৰ আগতেই *ৰামায়ণ* ৰচিত হৈছিল।

ৰামায়ণৰ বালকাণ্ডত মিথিলা আৰু বিশালা নামেৰে দুখন পৃথক নগৰৰ উল্লেখ আছে। তেতিয়া দুয়োখন নগৰতে দুজন শাসনকৰ্তা আছিল। কিন্তু বুদ্ধদেৱৰ সময়ছোৱাত দুয়োখন ৰাজ্য একত্ৰিত হৈ বৈশালী নাম লয়। ইয়াৰ পৰাও অনুমান কৰিব পাৰি যে *ৰামায়ণ* বৌদ্ধযুগৰ আগতেই ৰচিত হৈছিল।

১.৪.২ *ৰামায়ণৰ* বিষয়বস্তু

ৰামায়ণৰ ৰচনাকাল জনাৰ পিছত এতিয়া আপুনি *ৰামায়ণৰ* বিষয়বস্তু সম্পৰ্কে জানিব পাৰিব। আদিকবি বাল্মীকিৰচিত *ৰামায়ণ* মহাকাব্য প্ৰায় ২৪০০০ শ্লোকেৰে ৰচিত। *ৰামায়ণৰ* মূল পাঠ সাতটা কাণ্ডত ৰচিত। পৰম্পৰামতে *ৰামায়ণৰ* প্ৰতি হাজাৰ শ্লোক ***গায়ত্ৰী মন্ত্ৰৰ*** একোটা আখৰেৰে ক্ৰমশঃ আৰম্ভ হৈছে।

ৰামায়ণৰ প্ৰথম কাণ্ডটোৰ নাম বালকাণ্ড। এই কাণ্ডটোত দশৰথৰ পুত্ৰসমূহৰ জন্ম আৰু শৈশৱকাল বৰ্ণিত হৈছে। ইয়াৰ উপৰি বিশ্বামিত্ৰ ঋষিৰ আশ্ৰমত যজ্ঞসংৰক্ষণ, তাড়কাদি ৰাক্ষস বধ, ৰাম আৰু ভৰত আদি ভাতৃসকলৰ বিবাহ বৰ্ণনা কৰা হৈছে।

দ্বিতীয় কাণ্ডটোৰ নাম অযোধ্যাকাণ্ড। এই কাণ্ডটোত বৰ্ণিত বিষয়বস্তুসমূহ হ'ল অযোধ্যাৰ ৰাজসভা, ৰামৰ অভিষেক আয়োজন, বনবাস, পুত্ৰশোকত কাতৰ দশৰথৰ মৃত্যু, ভৰতৰদ্বাৰা ৰামক প্ৰত্যাৱৰ্তন কৰোৱাৰ বিফল প্ৰচেষ্টা আদি।

তৃতীয় কাণ্ডটোৰ নাম অৰণ্যকাণ্ড। দণ্ডকাৰণ্যত বনবাস পালন কৰি থকা ৰাম, লক্ষ্মণ আৰু সীতাৰ জীৱনযাপন, বিৰাধবধ, ৰামৰ পঞ্চৱটী নিবাস, ৰাৱণভগ্নী শূৰ্পণখাৰ সৈতে ৰাম-লক্ষ্মণৰ সাক্ষাৎ, খৰ দূষণাদি চৈধ্য হাজাৰ ৰাক্ষসৰ বধ তথা ৰাৱণৰ দ্বাৰা সীতাহৰণ আৰু তাৰ পিছত ৰামৰ বিলাপ আদি এই কাণ্ডটোত বৰ্ণিত হৈছে।

চতুৰ্থ কাণ্ডটো কিষ্কিন্ধাকাণ্ড নামেৰে জনাজাত। কাণ্ডটোত বালিবধ, বালিৰ ভাতৃ সুগ্ৰীবৰ সৈতে ৰামচন্দ্ৰৰ মিত্ৰতা, বান্দৰসকলক লগত লৈ হনুমানৰ সীতাৰ অন্বেষণ আদি বৰ্ণনা কৰা হৈছে।

পঞ্চম কাণ্ডটোৰ নাম সুন্দৰকাণ্ড। ইয়াত ৰাৱণৰ ৰাজপুৰীৰ সৌন্দৰ্য্য, হনুমানৰ সীতাৰ প্ৰতি সান্ত্বনা আৰু সীতাৰ বাৰ্তা লৈ হনুমানৰ ৰামৰ ওচৰলৈ প্ৰত্যাগমন আদি

গায়ত্ৰী মন্ত্ৰক সাবিত্ৰী মন্ত্ৰ বুলিও কোৱা হয়। এইটো ঋক্‌বেদৰ এটা বিখ্যাত মন্ত্ৰ। এই মন্ত্ৰটো সূৰ্য দেৱতাক উদ্দেশ্য কৰি গোৱা হয়।

বর্ণনা কৰা হৈছে।

ষষ্ঠ কাণ্ডটো হ'ল যুদ্ধ কাণ্ড। ইয়াত ৰাম ৰাৱণৰ দীঘলীয়া যুদ্ধৰ বর্ণনা তথা যুদ্ধৰ শেষত ৰামৰ দ্বাৰা ৰাৱণৰ বধ, সীতাক লৈ লংকাৰ পৰা ৰামৰ প্রত্যাগমন আৰু অযোধ্যাত ৰামৰ অভিষেক আদি বিষয় বর্ণনা কৰা হৈছে।

সপ্তম অর্থাৎ শেষৰ কাণ্ডটোৰ নাম হ'ল উত্তৰকাণ্ড। এই কাণ্ডটোত ৰামৰ ৰাজ্য শাসনৰ লগতে সীতাৰ লোকাপবাদৰ পৰিপ্রেক্ষিতত ৰামৰ দ্বাৰা সীতাৰ বিসর্জন, সীতাৰ বিলাপ, বাল্মীকিৰ আশ্রমত সীতাৰ আশ্রয়লাভ, লৱ কুশৰ জন্ম, অশ্বমেধ যজ্ঞ আদি ঘটনা বর্ণনা কৰা হৈছে। ইয়াৰ উপৰি অনেক আখ্যানৰ উল্লেখ ইয়াত পোৱা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ *ৰামায়ণৰ* বিষয়বস্তুৰ বিষয়ে এটি চমু আভাস দিয়ক। (১৫০টা শব্দৰ ভিতৰত)

১.৪.৩ *ৰামায়ণৰ* সামাজিক চিত্রণ

এতিয়া আপুনি *ৰামায়ণৰ* সামাজিক চিত্রণৰ বিষয়ে জানিব পাৰিব। *ৰামায়ণৰ* যুগত আর্যসকলৰ প্রধান জীৱিকা আছিল কৃষি, পশুপালন, বাণিজ্য আৰু কুটীৰ শিল্প। মাটি চহাৰ একমাত্র আহিলা আছিল নাঙল। গম, যৱ, ধান, তিল, মাহ আদি আছিল প্রধান শস্য। উৎপন্ন শস্যৰ এক ষষ্ঠাংশ ৰজাক ৰাজহ হিচাপে দিয়াৰ নিয়ম আছিল। পশুপালনো এটা ডাঙৰ বৃত্তি আছিল। কুটীৰ শিল্পৰ ভিতৰত সোণ ৰূপৰ অলংকাৰৰ কাম, কাঁহ-পিতলৰ কাম, কাঁচৰ কাম, বস্ত্রবয়ন আৰু চিলাই আদি উল্লেখযোগ্য।

সেই যুগত যাদুবিদ, গায়ক, সূত্রধাৰ, স্থপতি, বৈদ্য আদি বিভিন্ন বৃত্তিধাৰী লোক আছিল।

আর্যসকলে নিৰামিষ আৰু আমিষ দুয়োবিধ খাদ্যই ভক্ষণ কৰিছিল। আমিষৰ ভিতৰত হৰিণৰ মাংস আছিল অতি প্রিয় খাদ্য। সীতাৰ লগত বনবাসলৈ যোৱাৰ সময়ত ৰাম আৰু লক্ষ্মণে হৰিণ চিকাৰ কৰি মাংস ভক্ষণ কৰাৰ কথা *ৰামায়ণত* উল্লেখ আছে। মাছৰ ব্যৱসায় প্রচলিত আছিল। যৌন সম্ভোগ আৰু যুদ্ধক্ষেত্রত উত্তেজনা সৃষ্টিৰ বাবে সুৰাপান কৰাৰ প্রথা আছিল।

ৰামায়ণকালীন সমাজত ৰাজনৈতিক জীৱন আছিল যথেষ্ট উন্নত। ৰাজবংশৰ জ্যেষ্ঠ সন্তানজনে উত্তৰাধিকাৰী হিচাপে শাসনভাৰ গ্রহণ কৰিছিল। প্রজাসকলে ৰজাৰ আচৰণ অনুকৰণ কৰিছিল। ৰজাই জনমতক যথেষ্ট শ্রদ্ধা কৰিছিল। সীতাৰ প্রতি থকা অগাধ ভালপোৱাৰ বাবেই ৰামে ৰাৱণৰ হাতৰ পৰা সীতাক উদ্ধাৰ কৰি আনিলে, কিন্তু সেই সীতাকেই তেওঁ প্রজাক সন্তুষ্ট কৰিবৰ বাবে নির্বাসন দিলে। এয়া

প্রজানুৰঞ্জকত্বৰ এটি শক্তিশালী দৃষ্টান্ত।

পিতৃসত্য পালনৰ বাবে পুত্ৰৰ স্বেচ্ছাই বনবাস গ্ৰহণ, ভাতৃপ্ৰেমৰ বাবে বনবাসী অগ্ৰজৰ প্ৰতি আনুগত্য, ভাৰতীয় ৰমণীৰ একনিষ্ঠ পতিভক্তি আদি পাৰিবাৰিক ৰামায়ণ-কালীন সমাজৰ বাবে আদৰ্শসমূহ আছিল জীৱন্ত শক্তি। ৰাম আদৰ্শৰ প্ৰতীক আছিল।

*ৰামায়ণ*কালীন সমাজত অন্ধনীতি নিয়মৰ প্ৰচলন আছিল। *ৰামায়ণত* সমাজত প্ৰচলিত নানা লোকাচাৰৰ বৰ্ণনা আছে। উল্কাপাত আদিক অশুভসূচক ঘটনাৰ ইংগিত বুলি স্বীকাৰ কৰা হৈছিল।

১.৪.৪ *ৰামায়ণৰ* বিকাশ

এতিয়া আপুনি *ৰামায়ণৰ* বিকাশ পৰ্যায়ক্ৰমে কেনেদৰে হৈছিল, সেই বিষয়ে জানিব পাৰিব। জাৰ্মান পণ্ডিত জ্যাকোবি (Jacobi) *ৰামায়ণৰ* পাঠ্যাংশ বিশ্লেষণ কৰি মূল *ৰামায়ণ* পাঁচটা কাণ্ডত বিভক্ত আছিল বুলি মত প্ৰকাশ কৰিছে। এই মত অনুসৰি *ৰামায়ণৰ* মূল কথা অযোধ্যা কাণ্ডত আৰম্ভ হৈ যুদ্ধ কাণ্ডত শেষ হৈছে। বালকাণ্ড আৰু উত্তৰকাণ্ড, পিছত যথাক্ৰমে মূল কথাৰ আদিত আৰু অন্তত সংযোজিত হৈছে। এই মতামতৰ সমৰ্থনত কিছুমান যুক্তি আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

- যুক্তিমতে দশৰথ পুত্ৰ ৰামচন্দ্ৰৰ অভিষেকৰ পিছতেই ৰামকথা শেষ হৈছে। বৰ্তমানেও দেখা যায় যে ৰামকথাৰ আবৃত্তি আৰু প্ৰবচন ৰামৰ অভিষেকতে শেষ হৈছে। উত্তৰকাণ্ডত উল্লেখ থকা ঘটনাসমূহৰ লগত মূল ৰামকথাৰ সম্বন্ধ বেছি দেখা নাযায়। উত্তৰকাণ্ডত উল্লিখিত ৰামৰ উত্তৰ জীৱনৰ কথাবোৰে ৰামৰ বীৰোচিত চৰিত্ৰ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হোৱা নাই। তাত বহুতো উপাখ্যানৰ উল্লেখ পোৱা যায়।
- বালকাণ্ডত প্ৰথম আৰু তৃতীয় সৰ্গত *ৰামায়ণৰ* দুটি বিষয়সূচী পোৱা যায়। সেই বিষয়সূচীৰ এটিত বালকাণ্ড আৰু উত্তৰকাণ্ডৰ বিষয়বস্তুৰ উল্লেখ পোৱা নাযায়। কিন্তু প্ৰথম সূচীত সেইবোৰৰ উল্লেখ আছে। গতিকে দুটা সূচীয়ে *ৰামায়ণৰ* দুটা স্তৰকে সূচাইছে।
- দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম কাণ্ডসমূহৰ ভাষা আৰু ৰচনা শৈলীও প্ৰথম আৰু সপ্তম কাণ্ডৰ ভাষা তথা ৰচনা শৈলীতকৈ পৃথক।
- বালকাণ্ডত লক্ষ্মণক বিবাহিত বুলি কোৱাৰ বিপৰীতে অৰণ্যকাণ্ডত ৰামে লক্ষ্মণক অবিবাহিত বুলি উল্লেখ কৰিছে। গতিকে দুয়োটা কথাতে পাৰস্পৰিক বিৰোধিতা দেখা যায়।
- প্ৰথম আৰু সপ্তম কাণ্ডত ৰামক বিষ্ণুৰ অৱতাৰ বুলি কোৱা হৈছে যদিও আন পাঁচটা কাণ্ডত তেনে তথ্যৰ উল্লেখ পোৱা নাযায়।
- বালকাণ্ডত বাল্মীকিয়ে *ৰামায়ণ* ৰচনা কৰাৰ পটভূমি চিত্ৰিত কৰিছে। বালকাণ্ড আৰু উত্তৰকাণ্ডত বাল্মীকিৰ চৰিত্ৰও চিত্ৰিত হৈছে। এনে ক্ষেত্ৰত বাল্মীকিয়ে এই

দুই কাণ্ড নিজে ৰচনা কৰা কথাটো যুক্তিসঙ্গত নহয়।

➢ *ৰামায়ণৰ* বহুতো ঠাইত বহু অংশ প্ৰক্ষিপ্ত ৰূপে পোৱা যায়।

ৰামায়ণৰ প্ৰথম আৰু সপ্তম কাণ্ডৰ বৰ্ণনাৰ পৰা জনা যায় যে বাল্মীকিয়ে অযোধ্যাৰ ওচৰতে গংগাৰ পাৰত আশ্ৰম পাতি বাস কৰিছিল। সেয়ে তেওঁ ৰাম আৰু ৰামৰ পূৰ্বপুৰুষসকলৰ বিষয়ে জ্ঞাত আছিল। ৰামে সীতাক পৰিত্যাগ কৰাৰ পিছত বাল্মীকিয়ে সীতাক আশ্ৰমত থাকিবলৈ আশ্ৰয় দান কৰিছিল। বাল্মীকিৰ আশ্ৰমতে লৱ কুশৰ জন্ম হয় আৰু সিহঁত তাতে ডাঙৰ-দীঘলো হয়। বাল্মীকিয়ে এই ঘটনাসমূহৰ আলম লৈ *ৰামায়ণ* ৰচনা কৰে। পিছলৈ সেই গীতবোৰ ভ্ৰাম্যমান ***কুশীলৱ*** গায়ক শ্ৰেণীয়ে গাই ফুৰিছিল। লৱ-কুশে প্ৰথমতে ৰামকথা গাই প্ৰচাৰ কৰা বাবে তেনে গীতৰ গায়ক শ্ৰেণীয়ে 'কুশীলৱ' আখ্যা পায়। জনপ্ৰিয়তা বৃদ্ধি পোৱাত ৰামকথাৰ মাজত অন্য কথাও সংযোজিত হয়। কেই শতিকামানৰ পিছত ৰামকথাৰ আদি-অন্তত বালকাণ্ড আৰু উত্তৰকাণ্ড সংযোজিত হয়।



কুশীলৱ ঃ লৱ-কুশকেই অৰ্থগতভাৱে বুজাইছে।

১.৪.৫ *ৰামায়ণৰ* মহত্ত্ব

এতিয়া আপুনি *ৰামায়ণৰ* মহত্ত্বৰ বিষয়ে জানিব পাৰিব। বাল্মীকিকৃত *ৰামায়ণ* কেৱল প্ৰথম মহাকাব্য হিচাপেই জগতত প্ৰসিদ্ধ নহয়, ই হৈছে এনে এখন অতি জনপ্ৰিয় লৌকিক কাব্য, য'ত নিহিত শিক্ষাসমূহৰ এক ব্যৱহাৰিক প্ৰমূল্যও আছে। *ৰামায়ণত* থকা শিক্ষণীয় বিষয়বোৰ জনসাধাৰণৰ বাবে সহজবোধ্য তথ্য। ইয়াত থকা চৰিত্ৰসমূহ সমাজৰ প্ৰতিজন লোকৰ বাবে আদৰ্শস্বৰূপ। ৰাম যিদৰে পুৰুষৰ উত্তম আদৰ্শ, সীতা সেইদৰে নাৰীৰ আদৰ্শ, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্ন প্ৰভৃতি ভাতৃৰ আদৰ্শ, হনুমান ভক্তৰ (সেৱকৰ) আদৰ্শ, একেদৰে সুমিত্ৰা আৰু কৌশল্যা মাতৃসকলৰ বাবে আদৰ্শস্বৰূপ। অনুজ ভাতৃৰ বাবে ৰামৰ স্নেহ যিদৰে অতুলনীয়, সেইদৰে লক্ষ্মণৰো অগ্ৰজ ভাতৃলৈ শ্ৰদ্ধা আৰু প্ৰেম তুলনাবিহীন। মুঠতে *ৰামায়ণ* মহাকাব্যৰ প্ৰতিটো বাক্যত, প্ৰতিটো শব্দত নিহিত হৈ আছে উচ্চতম মানবাদৰ্শ আৰু নীতিজ্ঞানৰ ভাণ্ডাৰ। সেয়েহে *ৰামায়ণৰ* কাহিনী পুৰণি হৈও চিৰ নতুন হৈ আছে। সেই পুৰণি আদৰ্শই নৱতম পুৰুষকো অনুপ্ৰাণিত কৰি আহিছে। অৰ্থাৎ গৌৰৱময় অতীতে বৰ্তমান তথা ভৱিষ্যতৰ প্ৰজন্মৰ প্ৰেৰণা স্বৰূপ হৈ আছে। *ৰামায়ণ* প্ৰাচীন ভাৰতীয় সভ্যতা-সংস্কৃতিৰ আধাৰশিলাৰূপে স্মৰণীয় আৰু বৰণীয়। ইয়ে আমাক প্ৰাগৈতিহাসিক যুগৰ সমাজব্যৱস্থা, ৰাজনৈতিক আৰু ভৌগোলিক অৱস্থাৰ বিষয়ে জানিবলৈ আৰু বুজিবলৈ সহায় কৰে। গতিকে *ৰামায়ণৰ* মহত্ত্ব সদায়েই আমাৰ সমাজত বৰ্তি থাকিব।

১.৪.৬ *ৰামায়ণৰ* প্ৰভাৱ

ৰামায়ণৰ বিষয়বস্তু জনাৰ পিছত আপুনি এতিয়া *ৰামায়ণৰ* প্ৰভাৱ পৰবৰ্তী সাহিত্যৰ ওপৰত কেনেদৰে পৰিছে সেয়া জানিব পাৰিব। আদিকাব্য ৰামায়ণে সমগ্ৰ ভাৰতীয় জনমানস আৰু ভাৰতীয় সাহিত্য সংস্কৃতিৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাইছে। পৰৱৰ্তী বহুকেইখন কাব্য, নাটক আদি *ৰামায়ণৰ* কাহিনীক ভিত্তি কৰি ৰচিত হৈছে। আনকি *মহাভাৰতৰ* বনপৰ্বত (২৫৮-২৮৩ সৰ্গত) ৰামাখ্যানৰ বৰ্ণনা পোৱা যায়। *বিষ্ণু, ব্ৰহ্মাণ্ড, গৰুড়, অগ্নি, ভাগৱত* আদি পুৰাণতো ৰামকথাৰ উল্লেখ পোৱা যায়। সেইদৰে দেৱীভাগৱতত (তৃতীয় স্কন্ধ, ২৮-২৯ সৰ্গ) ৰামকথাৰ বৰ্ণনা আছে। *পালি ত্ৰিপিটকৰ* অন্তৰ্গত *দশৰথজাতকতো* ৰামকথাৰে বুদ্ধৰ পূৰ্বজন্মৰ কথা প্ৰচাৰ কৰা হৈছে। *ৰামায়ণৰ* আলমতে মহাকবি ভাসে *প্ৰতিমা* আৰু *অভিষেক* এই দুই নাটক ৰচনা কৰিছে। ভাসৰ অনুবৰ্তী মহাকবি কালিদাসেও *ৰামায়ণক* আলম কৰি ৰঘুবংশ মহাকাব্য ৰচনা কৰিছে। ইয়াৰ পিছৰ পৰ্যায়ত ভৱভূতিৰ *মহাবীৰচৰিত* আৰু *উত্তৰ ৰামচৰিত* নাটক দুখন *ৰামায়ণৰ* কাহিনীক ভিত্তি কৰি ৰচিত হৈছে। আকৌ প্ৰবৰসেনৰ *সেতুবন্ধ,* কুমাৰ দাসৰ *জানকীহৰণ,* মুৰাৰিৰ *অনৰ্ঘৰাঘৱ,* জয়দেৱৰ *প্ৰসন্নৰাঘৱ* ৰামকথাৰ আধাৰতে ৰচিত হৈছে। একেদৰে, *ৰামায়ণৰ* কথাৰ আলম লৈ ৰাজশেখৰে *বালৰামায়ণ,* ভোজে *ৰামায়ণচম্পূ* আৰু ক্ষেমেন্দ্ৰই *ৰামায়ণমঞ্জৰী* ৰচনা কৰে।

এইবোৰৰ উপৰিও বৌদ্ধ কবি অশ্বঘোষ, জৈন সন্ন্যাসী বিমলসূৰী (*পউম চৰিত*) প্ৰভৃতিৰ ৰচনাতো *ৰামায়ণৰ* প্ৰভাৱ দেখা যায়। বৌদ্ধগ্ৰন্থৰ তিব্বতীয় আৰু চীনা অনুবাদতো ৰামকথাৰ উল্লেখ পোৱা যায়। ইণ্ডোনেছিয়া, মালয়েছিয়া, ছিঙ্গাপুৰ, কম্বোদিয়া, থাইলেণ্ড আদি দেশৰ সাহিত্য সংস্কৃতি আৰু জনমানসত *ৰামায়ণৰ* চিৰস্থায়ী প্ৰভাৱ দেখা যায়।

মধ্যযুগীয় আৰু আধুনিক ভাৰতীয় সাহিত্যৰ ওপৰতো *ৰামায়ণৰ* সুদূৰপ্ৰসাৰী প্ৰভাৱ দেখা পোৱা যায়। ষোড়শ শতিকাৰ ভক্তিকবি তুলসী দাসৰ ৰচনা *ৰামচৰিত মানস,* অসমৰ মাধৱকন্দলি ৰচিত *অসমীয়া ৰামায়ণ* আৰু বংগদেশীয় *কৃত্তিবাসী ৰামায়ণে* পৰৱৰ্তী সময়ত বিপুল জনপ্ৰিয়তা অৰ্জন কৰে। অৱশ্যে *ৰামায়ণৰ* স্থায়িত্বৰ বিষয়ে বালকাণ্ডত (২/৩৬-৩৭) উল্লেখ আছে যে—

যাৱৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱদ্ ৰামায়ণকথা লোকেষু প্ৰচৰিষ্যতি।।

অৰ্থাৎ যেতিয়ালৈকে পৃথিৱীত পৰ্বত আৰু নৈ থাকিব, তেতিয়ালৈকে *ৰামায়ণকথা* লোকসমাজত চলি থাকিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *ৰামায়ণৰ* সামাজিক অৱস্থাৰ বিষয়ে চমুকৈ লিখক।
(১০০টা শব্দৰ ভিতৰত)



জানি থোৱা ভাল

কোৱা হয় যে যিদৰে পু�ৰণিকালত ৰামকথা মানুহৰ মুখে মুখে প্রচলিত আছিল, সেইদৰে বহুকাল ধৰি বাল্মীকি বিৰচিত *ৰামায়ণো* মুখে মুখে প্রচলিত আছিল। বাল্মীকিৰ দ্বাৰা ৰচিত *ৰামায়ণ* কাব্যৰ ৰূপত ৰচিত হোৱাৰ পিছত পোনপ্রথমে লৱ আৰু কুশে গীতৰূপে গাই সকলোকে শুনায় আৰু পিছত মানুহৰ আনন্দবর্ধনৰ বাবেই লৱ-কুশে মুখস্থ কৰি বহু বছৰলৈ ইয়াক মৌখিক ৰূপত জীৱিত কৰি ৰাখে। লৱ-কুশে গোৱা ৰামকথাৰ বর্ণনা *ৰামায়ণত* পোৱা যায়। *ৰামায়ণ* অধ্যয়ন কৰিলে দেখা যায় যে বাল্মীকি ৰচিত ৰামকথা পোন প্রথমে লৱ-কুশে গাইছিল।

১.৫ মহাভাৰত

সংস্কৃত আলংকাৰিকসকলে *মহাভাৰতক* শ্রেষ্ঠ মহাকাব্য বুলি গণ্য কৰে। প্রাচীন ভাৰতীয় ভৰত বংশীয় ৰাজর্ষিসকলক আলম কৰিয়েই এই কাব্য ৰচিত হৈছে। ইয়াত বহুতো আখ্যান আৰু উপাখ্যানৰ উল্লেখ পোৱা যায়। ইয়াত হিন্দুধর্মৰ সম্পূর্ণ ছবি দেখা পোৱা যায়। এই *মহাভাৰতক* এখন ধর্মগ্রন্থ হিচাপেও গণ্য কৰা হয়। হিন্দুসকলৰ পবিত্র ধর্মগ্রন্থ *শ্রীমদ্ভগবদ্গীতা মহাভাৰতৰেই* এটা অংশ। আকৌ *মহাভাৰতক* পঞ্চমবেদ নামেৰেও জনা যায়। *মহাভাৰতত* যিসমূহ উপাখ্যান আছে, সেইসমূহৰ ভিতৰত *শকুন্তলা উপাখ্যান, যযাতিৰ উপাখ্যান, নল আৰু দময়ন্তীৰ উপাখ্যান, ৰামোপাখ্যান, শিবি উপাখ্যান, সাবিত্রী উপাখ্যান* আদি উল্লেখযোগ্য। *মহাভাৰতৰ* উপাখ্যানক অৱলম্বন কৰি পৰৱর্তীকালত কবিসকলে কাব্য, নাটক, গদ্য, পদ্য, আখ্যায়িকা আদি সাহিত্যৰ সৃষ্টি কৰে। সমগ্র *মহাভাৰতখনতেই* নীতিশিক্ষা, ধর্মকথা আদি বিষয় আলোচিত হৈ আছে। ইয়াৰ উপৰিও *মহাভাৰতৰ* উপাখ্যানবোৰত ত্যাগ, বৈৰাগ্য, ক্ষমা, দয়া, দাক্ষিণ্য আদি গুণৰ যি উল্লেখ আমি পাওঁ, সেইবোৰ সঁচাই মহত্ত্বপূর্ণ। আচলতে *মহাভাৰতৰ* মহত্ত্ব কেৱল কৌৰৱ-পাণ্ডৱৰ যুদ্ধতেই সীমিত নহয়, বৰং ই ভাৰতীয় জীৱনৰ এখন সম্পূর্ণ বিশ্বকোষস্বৰূপ। ইয়াত ভাৰতীয় দর্শন, ধর্ম, পুৰাণ, ইতিহাস, স্মৃতি, কাব্য ইত্যাদি সকলো বিষয় সমাহিত হৈ আছে।

১.৫.১ *মহাভাৰতৰ* ক্রমবিকাশ

এতিয়া আপুনি *মহাভাৰতৰ* ক্রমবিকাশৰ বিষয়ে জানিব। *মহাভাৰতৰ* ৰচনা এটা নির্দিষ্ট সময়ত হোৱা নাই। সেয়ে ইয়াৰ ৰচকো এজন নহয় বুলি ক'ব পাৰি আৰু ইয়াৰ সমাপ্তিও ৰচনা আৰম্ভ হোৱাৰ বহু শতিকা পিছতহে হয়।

বেদব্যাস কৃষ্ণদ্বৈপায়নক *মহাভাৰতৰ* মুখ্য ৰচক হিচাপে ধৰা হয়। তেওঁ চন্দ্র বংশীয় প্রজাসকলৰ বিষয়ে লিখিবলৈ এই মূল গ্রন্থভাগ ৰচনা কৰে। কুৰু পাণ্ডৱৰ মাজত হোৱা যুদ্ধখনেই এই কাব্য ইতিহাসৰ প্রধান উপজীব্য বিষয়বস্তু। ব্যাসদেৱে ৰচনা কৰা মূল কাব্যখনক *জয়কাব্য* বুলি জনা যায়। সম্ভৱতঃ পাণ্ডৱসকলে কুৰুক্ষেত্র যুদ্ধত জয়লাভ কৰা বাবেই এই কাব্যৰ নাম *জয়কাব্য* হয়। এই কাব্যখনত ৮৮০০ টা মান শ্লোক থকা বুলি পণ্ডিত ***মেকডোনেলে*** অনুমান কৰে। *মহাভাৰতৰ* বিকাশ প্রধানকৈ তিনিটা স্তৰত হোৱা বুলি কোৱা হয়। ইয়াৰ ইঙ্গিত *মহাভাৰতৰ* আদি পর্বৰ (প্রথম পর্বৰ) শ্লোক এটিত পোৱা যায়—



মেক্‌ডোনেল ঃ বিখ্যাত সংস্কৃত পণ্ডিত। এওঁ জার্মানীৰ ব্যক্তি।

মন্বাদি ভাৰতং কেচিদাস্তীকাদি তথা পৰে।
তথোপৰিচৰাদন্যে বিপ্রাঃ সম্যগধীয়তে।। ১.১.৫২

বেদব্যাসে তেওঁৰ পাঁচজন শিষ্যৰ অন্যতম বৈশম্পায়নক মূল *জয়াখ্য* কাব্য প্রথম স্তৰত শিকাইছিল। এই কাব্যত বহুতো আখ্যান বা কাহিনীৰ বর্ণনা আছে। দ্বিতীয় স্তৰত বৈশম্পায়নে পৰিবর্ধিত ৰূপত *ভাৰতাখ্য* গ্রন্থ জন্মেজয় পৰীক্ষিতৰ সর্পযজ্ঞত আবৃত্তি কৰিছিল। আস্তিক আখ্যানেৰে তেওঁ এই গ্রন্থ আৰম্ভ কৰিছিল। তাত শ্লোকৰ সংখ্যা আছিল ২৪,০০০। তৃতীয় স্তৰত *মহাভাৰতাখ্য* গ্রন্থ সৌতি লোমহর্ষণে নৈমিষাৰণ্যৰ সত্রযজ্ঞত শৌনকাদি মুনিসকলৰ আগত আবৃত্তি কৰিছিল। ইয়াৰ শ্লোক সংখ্যা হ'ল এশ হাজাৰ বা এক লক্ষ (১০০,০০০)। এই কথাৰ উল্লেখ *মহাভাৰতত* এনেদৰে পোৱা যায়—



অস্মিংস্তু মানুষে লোকে বৈশম্পায়নউক্তবান্। (১.১.১০৮)
.....
একং শতসহস্রং তু ময়োক্তং বৈ নিবোধত। (১.১.১০৯)

সৌতিয়ে আবৃত্তি কৰা *মহাভাৰতখন* লাহে লাহে বিশ্বকোষৰ নিচিনা হৈ পৰে। কাৰণ তাত বিশ্বকোষৰ নিচিনা সকলো কথাই সন্নিবিষ্ট আছে। সেয়েহে ই বর্তমানে এখন ইতিহাস, পুৰাণ, ধর্মশাস্ত্র তথা মহাকাব্যত পৰিণত হৈছে। ভাৰতগ্রন্থ বিভিন্ন আখ্যান উপাখ্যানেৰে ভৰপূৰ। কিন্তু শেষত সৌতিয়ে যি কথা শৌনকাদি ঋষিসকলক শুনাইছিল তাত বিভিন্ন আখ্যান উপাখ্যান আৰু শেষত *হৰিবংশ* অংশ যোগ দিয়া হয়। ফলত ইয়াৰ আকাৰ বৃহৎ হৈ পৰে। সেইবাবে এই বৃহৎ গ্রন্থক *মহাভাৰত* নামেৰে অভিহিত কৰা হয়।

১.৫.২ *মহাভাৰতৰ* বিষয়বস্তু

মহাভাৰতৰ ক্রমবিকাশৰ পিছত এতিয়া আপুনি *মহাভাৰতৰ* বিষয়বস্তুৰ লগত পৰিচিত হ'ব। *মহাভাৰত* ওঠৰটা (১৮) পর্বত বিভক্ত। প্রতিটো ***পর্ব*** আকৌ কেইবাটাও সর্গত বিভক্ত। ওঠৰটা (১৮) পর্বৰ নাম পর্যায়ক্রমে তলত উল্লেখ কৰা হ'ল— ১। আদি, ২। সভা, ৩। বন, ৪। বিৰাট, ৫। উদ্যোগ, ৬। ভীষ্ম, ৭। দ্রোণ, ৮। কর্ণ, ৯। শল্য,

পর্ব ঃ অধ্যায়।

১০। সৌপ্তিক, ১১। স্ত্রী, ১২। শান্তি, ১৩। অনুশাসন, ১৪। অশ্বমেধিক, ১৫। আশ্রমিক, ১৬। মৌষল, ১৭। মহাপ্রস্থানিক আৰু ১৮। স্বর্গাৰোহণ।

এতিয়া তলত আপুনি পর্বসমূহৰ বিষয়বস্তুৰ সংক্ষিপ্ত বিৱৰণ পঢ়িবলৈ পাব—

আদিপর্বত চন্দ্রবংশৰ বিস্তৃত ইতিহাস তথা কৌৰৱ পাণ্ডৱসকলৰ বংশ পৰিচয়, জন্ম, শৈশৱ, কৈশোৰ, দ্রৌপদীৰ স্বয়ম্বৰ, কৃষ্ণৰ আগমনৰ বিৱৰণ পোৱা যায়।

সভাপর্বত পাণ্ডৱসকলৰ ইন্দ্রপ্রস্থত সভাগৃহ নিমার্ণকার্য, যজ্ঞৰ অনুষ্ঠান আদিৰ কথা আছে। দুর্যোধনৰ সৈতে যুধিষ্ঠিৰৰ দ্যূতক্রীড়াত যুধিষ্ঠিৰে পণ হিচাপে ৰাজ্য, ধন, অনুজ ভাতৃসকল সহ পত্নী দ্রৌপদীকো হেৰুৱায়। ফলত পাণ্ডৱসকলে বাৰবছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাসত থাকিবলৈ বাধ্য হয়। এই সকলোবোৰ বিষয়ৰ সবিশেষ বিৱৰণ এই পর্বত পোৱা যায়।

বন পর্বত পাণ্ডৱসকলে বাৰ বছৰ কাল কাম্যক নামৰ বনত জীৱন নির্বাহ কৰে। বিৰাট পর্বত মৎস্যৰাজ বিৰাটৰ ৰাজপ্রাসাদত পাণ্ডৱসকলে এবছৰ সময় কটোৱাৰ বিৱৰণ আছে। এই পর্বতেই পঞ্চপাণ্ডৱ আৰু দ্রৌপদীয়ে ৰাজভৃত্যৰূপে ছদ্মবেশ ধৰি উপনাম লৈ বিৰাট ৰজাৰ ৰাজপ্রসাদত এবছৰ কাল কটোৱাৰ বর্ণনা আছে।

উদ্যোগ পর্বত কুৰুক্ষেত্র যুদ্ধৰ আয়োজনৰ কথা বর্ণনা আছে। দুর্যোধনে কুশাগ্র পৰিমাণৰ ভূমিও বিনাযুদ্ধে যুধিষ্ঠিৰক এৰি দিবলৈ অস্বীকাৰ কৰে। এই পর্বটোৰ বিষয়বস্তু হৈছে পাঞ্চালৰাজ দ্রুপদ, মৎস্যৰাজ বিৰাট আৰু বার্ষ্ণেয় সাত্যকি প্রভৃতিৰ কথা মতে পাণ্ডৱসকলে নিজ ৰাজ্য উদ্ধাৰার্থে কৌৰৱসকলৰ সৈতে যুদ্ধ কৰিবলৈ কৰা আয়োজন।

উদ্যোগ পর্বৰ পিছৰ পাঁচটা পর্বত (ভীষ্ম, দ্রোণ, কর্ণ, শল্য আৰু সৌপ্তিক পর্বত) কুৰুক্ষেত্র যুদ্ধৰ সবিশেষ বিৱৰণ পোৱা যায়। ওঠৰদিনীয়া এই যুদ্ধত দুই দলৰ মুঠ ওঠৰ অক্ষৌহিণী (পাণ্ডৱৰ সাত অক্ষৌহিণী আৰু কৌৰৱৰ এঘাৰ অক্ষৌহিণী সৈন্য ভাগ লয়।

স্ত্রী পর্বত যুদ্ধত নিহত লোকসকলৰ শেষকৃত্যৰ বর্ণনা আছে।

পিছৰ দুটা পর্বত (শান্তি পর্ব আৰু অনুশাসন পর্ব) শৰশয্যাত শয়ন কৰি থকা ভীষ্মই ৰাজনীতি, সমাজনীতি, বর্ণাশ্রমধর্ম, ধমার্থ কামমোক্ষ চতুর্বর্গ, বৈষ্ণৱ-শৈৱাদি পন্থাৰ বিষয়ে যুধিষ্ঠিৰক জ্ঞান দিয়াৰ কথা পোৱা যায়।

আশ্বমেধিক পর্বত যুধিষ্ঠিৰৰ হস্তিনাপুৰপ্রৱেশ, ৰাজ্যাভিষেক আৰু অশ্বমেধ যজ্ঞানুষ্ঠান সম্পন্ন কৰাৰ সবিশেষ বিৱৰণ পোৱা যায়।

আশ্রমিক পর্বত ধৃতৰাষ্ট্র, গান্ধাৰী আদিৰ বানপ্রস্থাশ্রমত প্রৱেশ আৰু দাবাগ্নিত প্রাণনাশৰ বিৱৰণ আছে। মৌষল পর্বত যদুকুল নাশ আৰু যাদৱকুলৰ বংশধৰ বজ্রৰ মথুৰাৰ ৰজাৰূপে অভিষিক্ত হোৱাৰ বিৱৰণ আছে। মহাপ্রস্থানিক পর্বত পাণ্ডৱসকলৰ দ্বাৰা পৰীক্ষিতৰ অভিষেক আৰু পাণ্ডৱসকলৰ মহাপ্রস্থানৰ বর্ণনা আছে।

স্বর্গাৰোহণ পর্বত যুধিষ্ঠিৰৰ স্বর্গাৰোহণৰ সবিশেষ বিৱৰণ আছে।

জানি থোৱা ভাল

মহাভাৰত গ্ৰন্থখনক মহত্ত্ব আৰু গুৰুত্বৰ আধিক্য হেতুকেই *মহাভাৰত* বুলি জনা যায়।

মহত্বে চ গুৰুত্বে চ ধ্ৰিয়মানং যতোহধিকম্।
মহত্ত্বাদ্ ভাৰৱত্বাচ্চ *মহাভাৰত*মুচ্যতে।।


মহাভাৰত ১.১.২৭৫-৯.

মহাভাৰতক 'ইতিহাস' আৰু 'পুৰাণ' বুলিও কোৱা হয়। কাৰণ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চাৰিটা বৰ্গৰ উপদেশ সমন্বিত পূৰ্বতে ঘটিত ঘটনাবোৰৰ কাহিনীকে ইতিহাস বোলা হয়। সেইফালৰ পৰা *মহাভাৰতক* 'ইতিহাস' আখ্যা দিয়া যায়। আকৌ *পুৰাণত* যেনেদৰে ৰজাসকলৰ বংশানুকীৰ্তন পোৱা যায়, তেনেদৰে *মহাভাৰত*তো বিভিন্ন ৰজাৰ বৰ্ণনা আছে। সেয়েহে *মহাভাৰতক*ও 'পুৰাণ' আখ্যাও দিয়া হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ *মহাভাৰত*ৰ ক্ৰমবিকাশৰ বিষয়ে নিজৰ ভাষাত লিখক। (১৫০টা শব্দৰ ভিতৰত)



১.৫.৩ *মহাভাৰত*ৰ ৰচনাকাল

*মহাভাৰত*ৰ বিষয়বস্তুৰ পিছত এতিয়া আপুনি ৰচনাকালৰ বিষয়ে জানিব পাৰিব। *মহাভাৰত*ৰ ৰচনাকাল সম্বন্ধে পণ্ডিতসকলে বেলেগ বেলেগ মত পোষণ কৰে। কোনো এক নিৰ্দিষ্ট কালত ইয়াৰ ৰচনা আৰম্ভ হৈ শেষ হোৱা নাই। সাধাৰণতে ইয়াৰ ৰচনা ১০০০ খ্ৰীষ্টপূৰ্বৰ পৰা ৪০০ খ্ৰীষ্টাব্দ লৈকে এই সুদীৰ্ঘ কাল ধৰা হয়। সেই ফালৰ পৰা *মহাভাৰত*ৰ উচ্চতম আৰু নিম্নতম সময়সীমা তলত নিৰ্ধাৰণ কৰা হৈছে—

- গুপ্তকালত পোৱা এক শিলালিপিৰ পৰা জনা যায় যে *মহাভাৰত* একলাখ শ্লোকৰ সমষ্টি। সেয়েহে *মহাভাৰত*ৰ ৰচনাকাল ইয়াতকৈ (শিলালিপিতকৈ)বহুত আগৰ বুলি ধাৰণা কৰা হয়।
- খ্ৰীষ্টিয় ষষ্ঠ শতিকাত বিদেশত *মহাভাৰত* জাভা আৰু বালিদ্বীপৰ কবিভাষালৈ অনূদিত হ'লে নিশ্চয় তাতকৈ বহুকাল আগতে ভাৰতবৰ্ষত উক্ত গ্ৰন্থ ৰচিত হ'ব লাগিব।
- খ্ৰীষ্টিয় তৃতীয় শতিকামানতে পণ্ডিতসকলৰ মতে *মহাভাৰত* চীনত প্ৰচাৰ হয়। গতিকে তাৰ আগতেই নিশ্চয় *মহাভাৰত* ভাৰতবৰ্ষত ৰচিত হয়।
- খ্ৰীষ্টিয় প্ৰথম শতিকাৰ বৌদ্ধ কবি অশ্বঘোষকৃত বজ্ৰসূচিকোপনিষদতো *মহাভাৰত*ৰ

শ্লোকৰ উল্লেখ আছে।

- খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ প্ৰসিদ্ধ ব্যাকৰণবিদ পাণিনিয়ে তেওঁৰ *অষ্টাধ্যায়ীত* কৰা ভীষ্ম, যুধিষ্ঠিৰ, বিদুৰ প্ৰভৃতি চৰিত্ৰসহ *মহাভাৰতৰ* উল্লেখলৈ চাই *মহাভাৰতৰ* ৰচনাকাল পঞ্চম শতিকাৰ আগতেই হোৱা বুলি অনুমান কৰিব পাৰি।
- ভাসে (খ্ৰীষ্টপূৰ্ব ৩০০ - ৪০০ খ্ৰীষ্টাব্দত) তেওঁৰ সাতখন ক্ষুদ্ৰ নাটক *মহাভাৰতৰ* বিভিন্ন ঘটনাৰ আলমত ৰচনা কৰিছে। গতিকে সেইফালৰ পৰা *মহাভাৰততৰ* ৰচনা ভাসৰ সময়ৰ আগতেই হোৱা বুলি ক'ব পাৰি।
- সূত্ৰ সাহিত্যৰ অন্তৰ্গত *আশ্বলায়ন গৃহ্যসূত্ৰ, শাংখায়ন শ্ৰৌতসূত্ৰ, বৌধায়ন ধৰ্মসূত্ৰ* আদিত *মহাভাৰতৰ* যুদ্ধৰ কিছু বৰ্ণনা পোৱা যায়। ৰামগোপাল আদি পণ্ডিতৰ মতে *কল্পসূত্ৰ*বোৰৰ ৰচনা কাল খ্ৰীষ্টপূৰ্ব ৮০০-৫০০ খ্ৰীষ্টাব্দৰ ভিতৰত। এনেবোৰ প্ৰমাণৰ পৰা *মহাভাৰতৰ* ৰচনাৰ উচ্চতম সীমা খ্ৰীষ্টপূৰ্ব দশম শতিকা বুলি ক'ব পাৰি।
- সপ্তম শতিকাৰ গদ্যকাৰ সুৰন্ধুয়ে তেওঁৰ *বাসৱদত্তা* গ্ৰন্থত *মহাভাৰতৰ* উল্লেখ কৰিছে।
- সপ্তম শতিকাৰ আন এজন দাৰ্শনিক কবি কুমাৰিলভট্টই নিজ গ্ৰন্থত *মহাভাৰতৰ* উদ্ধৃতি দিছে।
- গদ্যকাৰ বাণভট্টই (৬৫০ খ্ৰীষ্টাব্দ) তেওঁৰ *কাদম্বৰী*গ্ৰন্থত মহাকাল মন্দিৰৰ বৰ্ণনা প্ৰসংগত *মহাভাৰতৰ* কথা উল্লেখ কৰিছে।
- ৫০০ খ্ৰীষ্টাব্দৰ দানপাত্ৰ কিছুমানত *মহাভাৰতৰ* উল্লেখ পোৱা যায়।
- বিভিন্ন পণ্ডিতে *মহাভাৰতৰ* ৰচনা বিভিন্ন ধৰণে নিৰ্ধাৰণ কৰিছে। কিছুমানৰ মতে অন্তিমসীমা খ্ৰীষ্টপূৰ্ব ৫০০ খ্ৰীষ্টাব্দ আৰু কিছুমানৰ মতে এই বিশাল গ্ৰন্থখন খ্ৰীষ্টপূৰ্ব ৩৫০ৰ পৰা ৩২০ খ্ৰীষ্টাব্দৰ মাজত ৰচিত।

১.৫.৪ *মহাভাৰতৰ* প্ৰভাৱ

মহাভাৰতৰ ৰচনাকালৰ পিছত এতিয়া আপুনি *মহাভাৰতৰ* প্ৰভাৱ পৰৱৰ্তী সাহিত্যৰ ওপৰত কেনেদৰে পৰিছে, সেই বিষয়ে গম পাব। ভাৰতীয় সাহিত্যৰ ওপৰত *মহাভাৰতৰ* প্ৰভাৱ অপৰিসীম। *মহাভাৰতৰ* পাতত থকা বিভিন্ন নীতিকথা, ধৰ্মকথাসমূহ পৰৱৰ্তী সাহিত্যত নানাধৰণে প্ৰকাশ পাইছে।

শ্ৰীমদ্ভগবদ্‌গীতা, বিষ্ণুসহস্ৰনাম, অনুগীতা, ভীষ্মস্তৱৰাজ আৰু *গজেন্দ্ৰমোক্ষ* নামৰ পাঁচখন গ্ৰন্থ *মহাভাৰতৰ* বুকুৰ পৰাই প্ৰকাশ পাইছে। *মহাভাৰতৰ* আধাৰত বিভিন্ন মহাকাব্য, কাব্য, নাটক, কথাসাহিত্য আদি ৰচিত হৈছে। মহাকবি ভাস, কালিদাস, মাঘ, ভট্টনাৰায়ণ, ভাৰবি, শ্ৰীহৰ্ষ, ৰাজশেখৰ, ক্ষেমেন্দ্ৰ আদি কবিসকলে *মহাভাৰতৰ* আলমতে বিভিন্ন গ্ৰন্থ ৰচনা কৰি থৈ গৈছে।

মহাকবি ভাসৰ ছখন নাটক *(পঞ্চৰাত্ৰ, দূতকাব্য, দূতঘটোৎকচ, উৰুভংগ, কৰ্ণভাৰ, মধ্যমব্যায়োগ) মহাভাৰতৰ* বিভিন্ন কাহিনীক আশ্ৰয় কৰি ৰচিত হৈছে।

মহাকবি কালিদাসৰ *অভিজ্ঞানশকুন্তলম্* নাটকখন *মহাভাৰতৰ* আদিপৰ্বত থকা শকুন্তলোপাখ্যানক অবলম্বন কৰি ৰচিত হৈছে।

ভট্টনাৰায়ণৰ *বেণীসংহাৰ* নাটক *মহাভাৰতৰ* কাহিনীৰ আধাৰতেই ৰচিত হৈছে। শ্রীহর্ষৰচিত *নৈষধচৰিত* মহাকাব্য *মহাভাৰতৰ নলোপাখ্যানৰ* আধাৰত ৰচিত হৈছে। ইয়াৰ উপৰিও মাঘৰ *শিশুপালবধ* মহাকাব্যখন *মহাভাৰতত* বর্ণিত শিশুপালৰ কাহিনীক লৈ ৰচিত হৈছে। ভাৰবিৰ *কিৰাতার্জুনীয়ম্* মহাকাব্যখন *মহাভাৰতত* বর্ণিত শিৱ আৰু অর্জুনৰ সংবাদ লৈ ৰচিত। ঠিক তেনেদৰে ত্রিবিক্রমভট্টৰ *নলচম্পূ* নামৰ *চম্পূকাব্যখন মহাভাৰতৰ নলোপাখ্যানক* অৱলম্বন কৰি ৰচিত হৈছে। ক্ষেমেন্দ্রৰ *ভাৰতমঞ্জৰীখন মহাভাৰতৰ* সাৰাংশ অনুসৰণ কৰিয়েই ৰচিত হৈছে। ইয়াৰ উপৰিও বহুতো প্রাচীন সংস্কৃত গ্রন্থ তথা আধুনিক ভাৰতীয় ভাষাবোৰতো ৰচিত নানা গ্রন্থ *মহাভাৰতক* উৎস হিচাপে লোৱা দেখা যায়।

১.৫.৫ *মহাভাৰতৰ* সামাজিক চিত্রণ

আমি সকলোৱে *মহাভাৰতক* একাধাৰে ভাৰতবর্ষৰ জাতীয় মহাকাব্য, হিন্দুসকলৰ পবিত্র ধর্মগ্রন্থ তথা ভাৰতৰ সামাজিক ইতিহাস বুলি গণ্য কৰো। *মহাভাৰতৰ* বিষয়বস্তু মূলতঃ ৰাজনৈতিক আৰু পাৰিবাৰিক বিষয়ৰ ওপৰত আধাৰিত। ভাৰতীয় সমাজ ব্যৱস্থাত যি চাৰি বর্ণাশ্রমৰ গুৰুত্ব আছে, সেয়া *মহাভাৰতত* সম্পূর্ণৰূপে দেখা পোৱা যায়। ভাৰতীয় সমাজ ব্যৱস্থাত ব্রাহ্মণৰ স্থান অতি উচ্চ। *মহাভাৰততো* আমি দেখিবলৈ পাওঁ যে ব্রাহ্মণসকলে সমাজত এক সন্মানিত স্থানত অধিষ্ঠিত আছিল। তলৰ উদাহৰণটিৰ পৰা এই কথা সত্য প্রমাণিত হৈছে—

'ব্রাহ্মণানাং গৱাং চৈৱ মহাত্ম্যং যত্র কীর্ত্যতে।।'

(*মহাভাৰত*, আদিপর্ব ৬২/৩৫)

অর্থাৎ, যি *মহাভাৰতত* গো আৰু ব্রাহ্মণৰ মাহাত্ম্য কীর্তিত হৈছে, সেই *মহাভাৰত* বেদৰ দৰে, গতিকে ধার্মিকসকলে ইয়াক শ্রৱণ কৰাটো উচিত।

মহাভাৰতকালীন সমাজত ব্রাহ্মণসকলে ৰজাৰ পৰা আর্থিক সাহায্যও লাভ কৰিছিল। কিন্তু এই ব্রাহ্মণত্ব বংশানুক্রমিক নাছিল। গুণ আৰু কর্ম অনুসাৰেহে ব্যক্তিয়ে ব্রাহ্মণত্ব লাভ কৰিব পাৰিছিল। সেই সময়ত ক্ষত্রিয়সকলেও ব্রাহ্মণসকলৰ লগত বেদ অধ্যয়ন কৰিছিল।

ৰজাই শাসন কার্য চলাইছিল যদিও তেওঁ কেতিয়াও স্বৈৰাচাৰী নাছিল। ৰজা আৰু প্রজাৰ মাজত সদায় এক সুসম্পর্ক আছিল। প্রজাসকল মূলতঃ কৃষিজীৱী আছিল। প্রজাসকল কিছু পৰিমাণে অন্ধবিশ্বাসীও আছিল। সমাজত বহুবিবাহৰ প্রচলন আছিল।

ভাৰতৰ জাতীয় জীৱন গঠনত তথা সামাজিক মূল্যবোধ নিয়ন্ত্রণৰ ক্ষেত্রত *মহাভাৰতৰ* অৱদান অতি উল্লেখযোগ্য। এই *মহাভাৰতকালীন* সমাজতে আমি একলব্যৰ

গুৰুভক্তি, যুধিষ্ঠিৰৰ সত্যনিষ্ঠা, অর্জুনৰ বীৰত্ব, অভিমন্যুৰ দুঃসাহস, সাবিত্রীৰ পাতিব্রত্য আদি মহান আদর্শ দেখা পাওঁ। এই আদর্শবোৰে ভাৰতীয় সামাজিক জীৱনত এক গুৰুত্বপূর্ণ প্রভাৱ পেলাই আহিছে।

১.৬ *ৰামায়ণ* আৰু *মহাভাৰতৰ* তুলনা

এতিয়া আপুনি *ৰামায়ণ* আৰু *মহাভাৰতৰ* পার্থক্য জানিব পাৰিব। *ৰামায়ণ* বা *মহাভাৰত* এই দুয়োখন মহাকাব্যই ভাৰতীয় সভ্যতা সংস্কৃতি, ৰীতি নীতি আৰু সাহিত্যৰ ওপৰত অপৰিসীম প্রভাৱ পেলাইছে। দুয়োখন গ্রন্থই ভাৰতীয় সাহিত্যৰ দুটা ভিন্ন যুগক প্রতিনিধিত্ব কৰিছে। তলত দুয়োখন গ্রন্থৰ তুলনা দাঙি ধৰা হ'ল—

- *ৰামায়ণৰ* ৰচক হৈছে আদিকবি বাল্মীকি আৰু *মহাভাৰতৰ* ৰচক হৈছে পৰাশৰৰ পুত্র মহামুনি কৃষ্ণ দ্বৈপায়ন বেদব্যাস।
- *ৰামায়ণৰ* মূল কথা হৈছে ৰাম-ৰাৱণৰ যুদ্ধ। আনহাতে *মহাভাৰতৰ* প্রধান বিষয়বস্তু হৈছে কৌৰৱ আৰু পাণ্ডৱসকলৰ মাজত হোৱা যুদ্ধ।
- *ৰামায়ণ* সাতটা কাণ্ডত বিভক্ত আৰু প্রতিটো কাণ্ড বিভিন্ন সর্গত বিভক্ত। *মহাভাৰত* আকৌ ওঠৰ (১৮) টা পর্বত বিভক্ত। প্রতিটো পর্ব অনেক অধ্যায়ত বিভক্ত।
- বিস্তৃতিৰ ফালৰ পৰা দেখা যায় যে *ৰামায়ণ* *মহাভাৰতৰ* এক চতুর্থাংশ মাত্র। *ৰামায়ণৰ* শ্লোকসংখ্যা ২৪০০০। অন্যহাতে *মহাভাৰত* প্রায় এক লাখ শ্লোকৰ সমষ্টি।
- *মহাভাৰতৰ* ৰচনা *ৰামায়ণতকৈ* পিছৰ। কাৰণ *মহাভাৰতৰ* বনপর্বত *ৰামোপাখ্যানৰ* বর্ণনা পোৱা যায়।
- *ৰামায়ণৰ* ভাষা *মহাভাৰতৰ* তুলনাত অধিক বিশুদ্ধ। চৰিত্র চিত্রণ, ছন্দ, অলংকাৰ, ৰসাদিৰ প্রয়োগৰ ক্ষেত্রত *ৰামায়ণৰ* উৎকৃষ্টতা সহজে চকুত পৰে।
- *ৰামায়ণত* সতীদাহৰ উল্লেখ পোৱা নাযায়; কিন্তু *মহাভাৰতত* এই প্রথাৰ উল্লেখ আছে। উদাহৰণস্বৰূপে মাদ্রীৰ সহমৰণৰ কথা উল্লেখ কৰিব পাৰি।
- *মহাভাৰতৰ* নাৰী দ্রৌপদী প্রতিশোধপৰায়ণা, কিন্তু *ৰামায়ণৰ* সীতা ধীৰ স্থিৰ।
- *মহাভাৰতৰ* যুদ্ধৰ বর্ণনাত *ৰামায়ণতকৈ* অধিক বাহুল্য দেখা যায়। ৰণনীতিৰ কৌশলগত দিশত *মহাভাৰতৰ* যোদ্ধাসকল বেছি আগৰণুৱা। আনহাতে *ৰামায়ণত* শিল লৈ বান্দৰ-ৰাক্ষসসকলে যুদ্ধ কৰা দেখা যায়।
- *ৰামায়ণৰ* সমাজ আদর্শবাদৰ ওপৰত প্রতিষ্ঠিত। *মহাভাৰতৰ* সামাজিক ব্যৱস্থাত আদর্শবাদৰ গুৰুত্ব কম বুলি অনুভৱ কৰা যায়।
- *ৰামায়ণৰ* নায়িকা সীতা আৰু *মহাভাৰতৰ* নায়িকা দ্রৌপদীৰ জন্ম অলৌকিকভাৱে হোৱা দেখা যায়। দুয়োজনী নায়িকাৰ বিবাহ স্বয়ম্বৰৰ জৰিয়তে সম্পন্ন হৈছে। *ৰামায়ণত* যি ধৰণে সিংহাসনৰ উত্তৰাধিকাৰিত্বলৈ ৰামৰ বনবাস হৈছে, ঠিক তেনে ধৰণে যুধিষ্ঠিৰাদি পঞ্চপাণ্ডৱৰো সিংহাসন লৈ বনবাস হৈছে।

এনে ধৰণে বিশ্লেষণ কৰিলে দেখা যায় যে *ৰামায়ণ* আৰু *মহাভাৰতৰ* বৰ্ণনীয় বিষয়ৰ মাজত অমিলৰ পৰিমাণেই বেছি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ *মহাভাৰতৰ* সামাজিক অৱস্থাৰ বিষয়ে নিজৰ ভাষাত লিখক। (১৫০টা শব্দৰ ভিতৰত)

জানি থোৱা ভাল



হৰিবংশক মহাভাৰতৰ 'খিলপর্ব' বা পৰিশিষ্ট বুলি জনা যায়। এই অংশটো হৰিবংশপর্ব, বিষ্ণুপর্ব আৰু ভৱিষ্যৎপর্ব নামেৰে তিনিটা অধ্যায়ত বিভক্ত। প্রথম পর্বত বিষ্ণুৰে কৃষ্ণৰূপে পৃথিৱীত অৱতৰণ কৰা বৃত্তান্তকে আদি কৰি বৃষ্ণিবংশৰ বিৱৰণ পোৱা যায়। দ্বিতীয় পর্বত ভগৱান কৃষ্ণৰ মাহাত্ম্যৰ বর্ণনা আৰু তৃতীয় পর্বত জনমেজয় পৰীক্ষিতৰ বংশৰ বর্ণনা পোৱা যায়।

মহাভাৰতত যিবিলাক উপাখ্যান আছে, তাৰ অধিকাংশই আদি, বন আৰু শান্তিপর্বত পোৱা যায়। সেইসমূহৰ ভিতৰত শকুন্তলা, যযাতি আদি উপাখ্যান আদিপর্বত, নল, ৰাম, সাবিত্রী আদিৰ উপাখ্যান বনপর্বত আৰু হয়গ্রীববধ, জামদগ্ন্য আদি উপাখ্যান শান্তিপর্বত আছে।

মহাভাৰতত অনেক নীতিশিক্ষামূলক সাধু কথাৰো উল্লেখ আছে। এই সাধু কথাবোৰৰ অধিকাংশই কথোপকথনৰ মাধ্যমেৰে উপস্থাপিত হৈছে।



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *ঋগ্বেদৰ* চাৰি প্রকাৰৰ মন্ত্র তথা *অথর্ববেদৰ* কুন্তাপ সূত্রবোৰেই সংস্কৃত কাব্যৰ বীজ। বৈদিক যুগৰ অন্তিম সময়ৰ আখ্যানসমূহো কাব্যৰ আদিৰূপ। কিন্তু *ৰামায়ণকে* প্রথম লৌকিক সংস্কৃত কাব্যৰূপে স্বীকাৰ কৰা হয়।
- *মহাভাৰতত ৰামায়ণৰ* উল্লেখ হোৱালৈ চাই *ৰামায়ণক মহাভাৰততকৈ* আগৰ বুলি অনুমান কৰা হয়। আকৌ *ৰামায়ণ* বৌদ্ধযুগৰ আগতেই ৰচিত বুলি অনুমান কৰা হয়।
- *ৰামায়ণ* মহাকাব্য সাতটা কাণ্ডত বিভক্ত। *ৰামায়ণৰ* কাহিনীৰ আলমতে পিছৰ কালত অনেক নাটক, মহাকাব্য ৰচিত হৈছে।
- *ৰামায়ণকালীন* সমাজত নানান লোকাচাৰৰ প্রচলন আছিল। সেই সময়ত মানুহবোৰে

কৃষি, পশুপালন, বাণিজ্য আৰু কুটীৰ শিল্প আদি বিভিন্ন ধৰণৰ বৃত্তিৰে জীৱিকা উপার্জন কৰিছিল।

- *মহাভাৰতৰ* ৰচনা এটা নির্দিষ্ট সময়ত হোৱা নাছিল। ইয়াৰ মুখ্য ৰচক হিচাপে বেদব্যাস কৃষ্ণদ্বৈপায়নকে স্বীকাৰ কৰা হয় আৰু তেওঁ ৰচনা কৰা মূল কাব্যখনক *জয়কাব্য* বুলি জনা যায়।
- ১৮টা পর্বত বিভক্ত *মহাভাৰতৰ* আলমত বিভিন্ন নাটক আৰু মহাকাব্য বিভিন্ন সময়ত ৰচিত হৈছে।
- *ৰামায়ণ* আৰু *মহাভাৰতৰ* তুলনামূলক অধ্যয়ন কৰিলে দেখা যায় যে দুয়োখন কাব্যৰ মাজত বৃহৎ অমিল আছে। *ৰামায়ণৰ* সমাজ আদর্শবাদৰ ওপৰত আধাৰিত কিন্তু *মহাভাৰতৰ* সামাজিক ব্যৱস্থাত আদর্শবাদৰ বিশেষ স্থান নাই।



১.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, হৰমোহন দেৰ (১৯৯২) ঃ *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী ঃ বুকলেণ্ড।

২) ভাগৱতী, কামাখ্যাচৰণ (২০০৩); *সংস্কৃত সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ গ্রন্থপীঠ।

ইংৰাজী গ্রন্থ ঃ

৩) Keith, A. B. (1973) : *A History of Sanskrit Literature*, Delhi : Oxford UP.

৪) Kale, M. R (Ed.) (1969) : *The Abhijnana Sakuntalam of Kalidasa*, Delhi : MBD, et al.

৫) Krishnamacharior (2004) : *History of Classical Sanskrit Literature*; Delhi : Motilal Banarsidass Publishers Pvt. Ltd.

১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বৈদিক সাহিত্যতে ... কাব্যৰ সূত্রপাত, ... কুন্তাপ সূক্তসমূহত, ... গৃহ্য আৰু শ্রৌত অনুষ্ঠানত তথা *ৰামায়ণক* আদি কাব্যৰূপে স্বীকাৰ কৰা হৈছে, ইত্যাদি সামগ্রিক আলোচনা।

২নং প্রশ্নৰ উত্তৰ ঃ *ৰামায়ণৰ* সাতটা কাণ্ডৰ বিষয়বস্তুৰ সামগ্রিক আলোচনা।

৩নং প্রশ্নৰ উত্তৰ ঃ *ৰামায়ণৰ* যুগৰ জীৱিকা, ৰাজহ ব্যৱস্থা, খাদ্যাভ্যাস, ৰাজনৈতিক জীৱন, অন্ধবিশ্বাস আদিৰ সামগ্রিক আলোচনা।

৪নং প্রশ্নৰ উত্তৰ ঃ *মহাভাৰতৰ* ৰচকৰ নাম, ইয়াৰ বিভিন্ন স্তৰ, আৰু শেষত 'হৰিবংশ' অংশটো সংযুক্ত হৈ *মহাভাৰত* সম্পূর্ণ হৈছে, ইত্যাদি সামগ্রিক আলোচনা।

৫নং প্রশ্নৰ উত্তৰ ঃ সেই সময়ত বর্ণাশ্রমৰ গুৰুত্ব, ৰজাৰ দায়িত্ব, সামাজিক মূল্যবোধ আদিৰ সামগ্রিক আলোচনা।



১.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *ৰামায়ণৰ* মহত্ত্ব কি?

প্রশ্ন ২ ঃ *ৰামায়ণৰ* প্রভাৱ পিচৰ কালত অন্য সাহিত্যৰ ওপৰত কেনেদৰে পৰিছে?

প্রশ্ন ৩ ঃ *মহাভাৰতৰ* প্রভাৱ পিচৰ কালৰ ৰচনাৱলীৰ ওপৰত কেনেধৰণেৰে পৰিছে লিখক।

প্রশ্ন ৪ ঃ *ৰামায়ণ* আৰু *মহাভাৰতৰ* তুলনামূলক অধ্যয়ন কৰক।

প্রশ্ন ৫ ঃ *ৰামায়ণৰ* ৰচনা কাল সম্বন্ধে উল্লেখ কৰি সমসাময়িক সমাজ জীৱনৰ চিত্র প্রস্তুত কৰক।

প্রশ্ন ৬ ঃ *মহাভাৰতৰ* ৰচনা কাল সম্বন্ধে উল্লেখ কৰি সমসাময়িক সমাজ জীৱনৰ চিত্র প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ২ ঃ সংস্কৃত মহাকাব্য

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ সংস্কৃত মহাকাব্যৰ লক্ষণ

২.৪ প্ৰাক্-কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য

২.৪.১ *বুদ্ধচৰিত*

২.৪.২ *সৌন্দৰানন্দ*

২.৪.৩ অশ্বঘোষৰ অন্যান্য গ্ৰন্থ

২.৫ কালিদাস আৰু কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য

২.৫.১ *কুমাৰসম্ভৱম্*

২.৫.২ *ৰঘুবংশম্*

২.৫.৩ *সেতুবন্ধম্*

২.৫.৪ *জানকীহৰণম্*

২.৬ কালিদাসোত্তৰ যুগৰ মহাকবি আৰু মহাকাব্য

২.৬.১ *কিৰাতাৰ্জুনীয়ম্*

২.৬.২ *ৰাৱণবধম্*

২.৬.৩ *শিশুপালবধম্*

২.৬.৪ *নৈষধচৰিতম্*

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.১০ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাক্-কালিদাসৰ যুগৰ অৰ্থাৎ অশ্বঘোষ আৰু তেওঁৰ দুখন মহাকাব্যৰ বিষয়ে জানিব পাৰিব
- কালিদাস ৰচিত দুখন মহাকাব্যৰ লগত অৱগত হ'ব পাৰিব
- কালিদাসৰ সমসাময়িক মহাকবি আৰু তেওঁলোকৰ দ্বাৰা ৰচিত মহাকাব্যৰ লগত পৰিচিত হ'ব
- কালিদাসৰ পিচৰ যুগত ৰচিত বিভিন্ন মহাকাব্যৰ বিষয়ে অৱগত হ'ব পাৰিব।

২.২ পৰিচয়

সংস্কৃত কাব্য-সাহিত্য প্ৰধানকৈ দুই ভাগত বিভক্ত— ১। দৃশ্যকাব্য আৰু ২। শ্ৰব্যকাব্য। শুনাৰ উপযোগী কাব্যক শ্ৰব্যকাব্য আৰু অভিনয়ৰ জৰিয়তে উপভোগ্য কাব্যক দৃশ্যকাব্য বোলা হয়। এই দুয়োবিধ কাব্যৰ আকৌ বহুতো ভাগ আছে। নাটক, ৰূপক আদি দৃশ্যকাব্য তথা গদ্য আৰু পদ্য আদি শ্ৰব্যকাব্য। গদ্যকাব্য দুই ভাগত বিভক্ত— কথা আৰু আখ্যায়িকা। আনহাতে পদ্যকাব্য প্ৰধানভাবে দুই ভাগত বিভক্ত— মহাকাব্য আৰু খণ্ডকাব্য। গদ্য আৰু পদ্যৰ মিশ্ৰণত গঢ়ি উঠা চম্পূকাব্য শ্ৰব্যকাব্যৰে এটি বিভাগ। এই সকলোবোৰ বিভাগৰ ভিতৰত মহাকাব্যক শ্ৰব্যকাব্যৰ প্ৰধান ভাগ বুলি ধৰা হয়।

আপুনি ইতিমধ্যে *ৰামায়ণ*ৰ বিষয়ে কিছু আভাস পাইছে। আকৌ বেদব্যাস ৰচিত *মহাভাৰত*ৰ লগতো পৰিচিত হৈছে। এতিয়া আপুনি এই অধ্যায়টোত প্ৰথমে প্ৰাক্-কালিদাসৰ যুগৰ মহাকাব্যৰ লগত পৰিচিত হ'ব। প্ৰাক্-কালিদাসৰ যুগৰ মহাকাব্য বুলি ক'লে মহাকবি অশ্বঘোষ ৰচিত *বুদ্ধচৰিত* আৰু *সৌন্দৰানন্দ* নামৰ দুখন মহাকাব্যক বুজায়। এই দুই কাব্যৰ বিষয়ে বৰ্তমান অধ্যায়টিত জানিব পাৰিব। ইয়াৰ পিচত কালিদাস ৰচিত *ৰঘুবংশম্* আৰু *কুমাৰসম্ভৱম্*— এই দুখন মহাকাব্যৰ বিষয়ে অৱগত হ'ব পাৰিব। কালিদাসৰ সমসাময়িক প্ৰৱৰসেন ৰচিত *সেতুবন্ধ* আৰু কুমাৰদাস ৰচিত *জানকীহৰণ* মহাকাব্যৰ বিষয়ে জানিব পাৰিব। সৰ্বশেষত, এই অধ্যায়টিৰ জৰিয়তে কালিদাসৰ পিচৰ যুগৰ চাৰিখন মহাকাব্যৰ বিষয়েও জানিব পাৰিব। সেই সমূহ হ'ল ভাৰবি বিৰচিত *কিৰাতাৰ্জুনীয়ম্* মহাকাব্য, ভট্টি বিৰচিত *ৰাৱণবধম্* মহাকাব্য, মাঘ বিৰচিত *শিশুপালবধ* মহাকাব্য আৰু শ্ৰীহৰ্ষ বিৰচিত *নৈষধচৰিতম্* মহাকাব্য।

২.৩ সংস্কৃত মহাকাব্যৰ লক্ষণ

আপুনি পদ্য কাক বোলে আৰু ইয়াৰ ভাগৰ বিষয়ে অধ্যয়ন কৰিলে। পদ্য যে শ্ৰব্যকাব্য তাকো জানিলে। এতিয়া ইয়াত আপুনি মহাকাব্যৰ কথা জানিবলৈ পাব।

মহাকাব্য শব্দটোৰ পৰাই আপুনি বুজিব পাৰিছে যে কাব্যতকৈ মহাকাব্য অলপ বেলেগ। আপুনি পদ্যৰ বিষয়ে অৱগত হৈছে। মহাকাব্যতো পদ্যৰ ব্যৱহাৰ যে অপৰিহাৰ্য সেইটো আপুনি ইতিমধ্যে জানিব পাৰিছে। মহাকাব্যত বিভিন্ন ছন্দত ৰচিত পদ্যৰ সমাবেশ ঘটে। মহাকাব্যত পদ্যৰ পৰিবেশন প্ৰণালী অলপ বেলেগ। মহাকাব্যৰ বিষয়বস্তু সাধাৰণ কাব্যতকৈ ডাঙৰ বা দীঘল হ'ব লাগে। তাত বৰ্ণনাৰ বিচিত্ৰতা, ৰস, গুণ, অলঙ্কাৰৰ প্ৰয়োগ আৰু নানা ধৰণৰ প্ৰাকৃতিক দৃশ্যৰ বিৱৰণ অতি মনোহৰ ৰূপত পোৱা যায়। সকলো ৰীতি (যি ঠাইত যেনেকুৱা শব্দৰ প্ৰয়োজন তেনেকুৱা শব্দ প্ৰয়োগক ৰীতি বোলা হয়), ৰস (শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত— এই নটাক কাব্যৰ ৰস বোলা হয়), গুণ (শ্লেষ, মাধুৰ্য, ওজঃ, সমতা, প্ৰসাদ, সুকুমাৰতা, অৰ্থব্যক্তি, উদাৰতা, কান্তি আৰু সমাধি— এই দহটাক কাব্যৰ গুণ বুলি কোৱা হয়। ইয়াৰ ভিতৰত মাধুৰ্য, ওজঃ আৰু প্ৰসাদেই প্ৰধান) আৰু অলঙ্কাৰ (উপমা, ৰূপক, উৎপ্ৰেক্ষা, অৰ্থান্তৰন্যাস আদিক কাব্যৰ অলংকাৰ বোলা হয়) আদিৰে শোভিত হ'লে



সাহিত্যদর্পণ ঃ বিশ্বনাথ কবিৰাজে ৰচনা কৰা অলঙ্কাৰ শাস্ত্ৰৰ গ্ৰন্থ। ইয়াত দহটা পৰিচ্ছেদ আছে। অলংকাৰ শাস্ত্ৰৰ বিভিন্ন বিষয় ইয়াত আলোচিত হৈছে।

তাক মহাকাব্য বোলা হয়। তেনেকুৱা মহাকাব্যৰ কবিক মহাকবি বুলি কোৱা হয়। ইয়াত ক'ব পাৰি যে মহাকাব্যও শ্ৰব্য কাব্য। ***সাহিত্যদর্পণত*** মহাকাব্যৰ লক্ষণ এনেদৰে নিৰ্ণয় কৰা হৈছে—

"সর্গবন্ধো মহাকাব্যং তত্রৈকো নায়কঃ শূৰঃ।
সদ্বংশঃ ক্ষত্রিয়ো বাপি ধীৰোদাত্তগুণান্বিতঃ
(ধীৰ-উদাত্ত-গুণ-অন্বিতঃ)।।
একবংশভৱা ভূপাঃ কুলজা বহৱোঽপি বা।
শৃঙ্গাৰবীৰশান্তানামেকোঽঙ্গীৰস (শৃঙ্গাৰ-বীৰ-শান্তানাম্ একঃ অঙ্গীৰসঃ) ইষ্যতে।।
আদৌ নমস্ক্রিয়াশীর্বা (নমঃ-ক্রিয়া আশীঃ বা) বস্তুনির্দেশ এৱ বা।।
ক্বচিন্নিন্দা খলাদীনাং সতাঞ্চ গুণকীর্ত্তনম্।
একবৃত্তময়ৈঃ পদ্যৈৰৱসানেঽন্যবৃত্তকৈঃ (পদ্যৈঃ অৱসানে অন্যবৃত্তকৈঃ)।।
নাতিস্বল্পা নাতিদীর্ঘাঃ সর্গা অষ্টাধিকা ইহ।
নানাবৃত্তময়ঃ ক্বাপি সর্গঃ কশ্চন দৃশ্যতে।।
সর্গান্তে ভাৱিসর্গস্য কথায়াঃ সূচনং ভৱেৎ।
সন্ধ্যাসূর্য্যেন্দুৰজনীপ্রদোষধ্বান্তবাসৰাঃ।।
প্রাতর্মধ্যাহ্নমৃগয়াশৈলর্তুবনসাগৰাঃ (প্রাতঃ-মধ্যাহ্ন-মৃগয়া-শৈল-ঋতু-ৱন-সাগৰাঃ)।
সম্ভোগবিপ্রলম্ভৌ চ মুনিস্বর্গপুৰাধ্বৰাঃ (মুনি স্বর্গপুৰ-অধ্বৰাঃ)।।
কৰ্ৱেৰ্বৃত্তস্য বা নাম্না নায়কস্যেতৰস্য (নায়কস্য ইতৰস্য) ৱা।
নামাস্য সর্গোপাদেয়কথয়া (সর্গ-উপাদেয় কথয়া) সর্গ নাম তু।।

ইয়াৰ অর্থ হ'ল মহাকাব্য সর্গত বিভক্ত হ'ব লাগে। তাৰ নায়কজন দেৱতা বা সৎ বংশত ওপজা ক্ষত্রিয়ও হ'ব পাৰে। নায়কজন ধীৰ আৰু উদাত্ত গুণ সম্পন্ন হ'ব লাগে (ধীৰোদাত্ত নায়ক স্বভাৱতে বৰ গম্ভীৰ, ন্যায়শীল, ক্ষমাশীল আৰু ধীৰ প্রকৃতিৰ হয়। তেনেকুৱা নায়ক সাধাৰণতে খং আৰু শোক আদিৰ বশীভূত নহয়) নাইবা একেটা বংশত ওপজা সদ্ বংশৰ ৰাজকুমাৰসকলো মহাকাব্যৰ নায়ক হ'ব পাৰে। মহাকাব্যত শৃঙ্গাৰ, বীৰ অথবা শান্ত প্রধান ৰস হিচাপে পৰিগণিত হয় আৰু আন ৰসবোৰো প্রধান ৰসৰ অঙ্গ হিচাপে থাকে। মহাকাব্যত প্রয়োজনীয় পাঁচটা সন্ধি থাকিব লাগে। মহাকাব্যৰ কাহিনী ইতিহাস প্রসিদ্ধ বা কোনো বিখ্যাত গ্রন্থৰ পৰা সংগৃহীত হ'ব লাগে। কেতিয়াবা কোনো বিখ্যাত লোকৰ জীৱন অৱলম্বন কৰিও মহাকাব্য ৰচিত হ'ব পাৰে। মহাকাব্যৰ বর্ণনা চাৰিটা বর্গত (ধর্ম, অর্থ, কাম আৰু মোক্ষ) বিভক্ত হ'ব লাগে। কিন্তু, মহাকাব্যৰ মুখ্য ফলৰ লগত সেইবোৰৰ সম্পর্ক থাকিব লাগে, অর্থাৎ চতুর্বর্গ বিভাজন কেতিয়াও মহাকাব্যৰ মুখ্য ফলৰ পৰা আঁতৰি গৈ অনাৱশ্যকভাৱে থাকিব নালাগে। মহাকাব্যৰ আৰম্ভণিতে স্তুতি বা আশীর্বাদমূলক কথা নাইবা বিষয়বস্তুৰ আভাসপূর্ণ কথা থাকিব লাগে। তাত দুষ্টৰ নিন্দা আৰু সৎলোকৰ গুণানুকীর্তন ঠাই বিশেষে থাকিব লাগে।

মহাকাব্যৰ সর্গৰ পদ্য একেটা ছন্দত ৰচিত হ'ব লাগে আৰু সর্গটোৰ শেষৰ ফালে ছন্দৰ পৰিবর্তন ঘটিব লাগে। মহাকাব্যত আঠটাতকৈ বেছি সর্গ থাকিব লাগে আৰু সর্গবোৰ খুব চুটি

নাইবা খুব দীঘলো হ'ব নালাগে। কেতিয়াবা কেতিয়াবা একেটা সর্গতেই নানা ছন্দত ৰচিত পদ্যও দেখা যায়। একোটা সর্গৰ শেষত পৰৱৰ্তী সর্গত বর্ণনা কৰিবলগীয়া বিষয়বস্তুৰ আভাস থাকিব লাগে অর্থাৎ একোটা সর্গৰ শেষত পাছৰ সর্গৰ বিষয়বস্তুৰ সংকেত থাকিব লাগে।

মহাকাব্যৰ বিৱৰণত সন্ধ্যা, চন্দ্ৰ, সূর্য, ৰাতি, গধূলি, অন্ধকাৰ, দিন, ৰাতিপুৱা, দুপৰীয়া, চিকাৰ, পর্বত, ঋতু, বন-উপবন, সাগৰ আদিৰ বর্ণনা থাকিব লাগে। মহাকাব্যত সম্ভোগ আৰু বিপ্ৰলম্ভ (মিলন আৰু বিচ্ছেদ) শৃঙ্গাৰ ৰসৰ বর্ণনা ঠাই বিশেষে থাকিব লাগে। মুনি-ঋষি, স্বর্গ, নগৰ, যজ্ঞ, যুদ্ধ, বিজয় অভিযান, বিবাহ, ৰাজপৰামর্শ, পুত্ৰৰ জন্ম আৰু এই ধৰণৰ আনুষঙ্গিক বর্ণনা মূল বিষয়বস্তুৰ লগত সঙ্গতিপূর্ণভাৱে পৰিৱেশিত হ'ব লাগে। মহাকাব্যৰ নামকৰণ সদায় তাৰ মূল কাহিনীৰ অৱলম্বনত হ'ব লাগে। কেতিয়াবা কবিৰ নাম অনুসৰি নাইবা নায়কৰ নাম অনুসৰিও মহাকাব্যৰ নাম হ'ব পাৰে। একোটা সর্গত বর্ণনা কৰা বিষয়বস্তুৰ আধাৰত সর্গৰ নাম ৰাখিব লাগে।

বিশ্বনাথ কৰিৰাজে বৃত্তিত আকৌ কৈছে যে সন্ধিৰ অঙ্গবোৰো যথাসম্ভৱ মহাকাব্যত ব্যৱহাৰ কৰিব লাগে। 'সাঙ্গোপাঙ্গ' বুলি কোৱাত জল-ক্ৰীড়া, সুৰাপান আদিৰ বর্ণনাও মহাকাব্যত থাকিব পাৰে বুলি কোৱা হৈছে।

নাটকৰ দৰে মহাকাব্যতো পাঁচটা সন্ধিৰ আৱশ্যক। পঞ্চসন্ধিয়ে মহাকাব্যৰ কাহিনীক ক্ৰমে পৰিণতিৰ পিনে আগু�ৱাই নিয়ে। মূল বিষয় মুখসন্ধিত আৰম্ভ হয় আৰু ই লাহে লাহে মুখ্য ফলৰ পিনে গতি কৰে। গর্ভসন্ধিত মুখ্য বিষয় পুষ্ট হয় আৰু পিছত কাহিনীৰ বর্ণনা ক্ৰমে কমিবলৈ ধৰে আৰু শেষত মুখ্য ফলৰ উদয়ত মহাকাব্যৰ সমাপ্তি ঘটে। অর্থপ্ৰকৃতিসমূহ প্ৰয়োজন সিদ্ধিৰ হেতু। অর্থপ্ৰকৃতি পাঁচটা। নায়ক আদিৰ কার্যবশতঃ পাঁচটা অৱস্থাৰ সৃষ্টি হয়। পাঁচটা অর্থ প্ৰকৃতি আৰু পাঁচটা অৱস্থাৰ মাজেৰে পাঁচটা সন্ধিৰ সৃষ্টি হয় আৰু কাহিনীক ক্ৰমে পৰিণতিৰ ফালে আগু�ৱাই নিয়ে।

২.৪ প্ৰাক্-কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য

এতিয়া আপুনি প্ৰাক্-কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্যৰ বিষয়ে জানিব পাৰিব। প্ৰাক্-কালিদাসৰ যুগৰ কবিসকলৰ ভিতৰত বৌদ্ধকবি অশ্বঘোষ অন্যতম। তেওঁৰ প্ৰকৃত নাম জনা নাযায়। তেওঁ আছিল অযোধ্যা নিবাসী এজন ব্ৰাহ্মণ । বৌদ্ধধর্মত দীক্ষিত হোৱাৰ পাছতহে তেওঁক অশ্বঘোষ নামেৰে জনা যায়। তেওঁৰ সময় খ্ৰীষ্টিয় প্ৰথম শতিকা বুলি ধৰা হয়। অশ্বঘোষৰ কবিত্ব প্ৰতিভা অসীম আছিল। তেওঁ একেৰাহে এজন কবি, অভিনেতা, গৱেষক, গায়ক, দার্শনিক আৰু ধার্মিক ব্যক্তি আছিল। অশ্বঘোষৰ দর্শন বিষয়ক আৰু অন্য গ্ৰন্থও চীন আৰু তিব্বতী ভাষাত সংৰক্ষিত হৈ আছে। তেওঁ অকল মহাৰাজ কণিষ্কৰ ৰাজকবিয়েই নাছিল, ৰাজগুৰুও আছিল। ডেকা বয়সতে অশ্বঘোষে মহাকবিৰূপে স্বীকৃতি লাভ কৰিছিল। তেওঁ লিখা প্ৰেমৰ কবিতা আবৃত্তি কৰি ডেকা সমাজে আনন্দ লাভ কৰিছিল। চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ মতে অশ্বঘোষে বৌদ্ধদর্শনৰ ওপৰত চাৰিখন গ্ৰন্থ লিখে। সেইসমূহ হ'ল—

১। *মহাযানশ্রদ্ধোৎপাদন সংগ্রহ*

২। *বজ্রসূচী*

৩। *গণ্ডীস্তোত্রব্যাখ্যা*

৪। *সূত্রালংকাৰ*

ইয়াৰ উপৰি তেওঁ দুখন মহাকাব্য ৰচনা কৰিছিল। সেই দুখন হ'ল—

১। *বুদ্ধচৰিত* আৰু

২। *সৌন্দৰানন্দ*।

জানি থোৱা ভাল

কোৱা হয় জন্মৰ সময়ত ঘোঁৰাশালৰ ঘোঁৰাবোৰে চিঞৰিছিল বাবে তেওঁৰ নাম অশ্বঘোষ ৰখা হৈছিল। আন এটা প্ৰবাদ অনুসৰি তেওঁৰ মুখত মধুৰ ধৰ্মবাণী শুনি ঘোঁৰাবোৰে আনন্দতে চিঞৰিছিল বুলি তেওঁৰ নাম অশ্বঘোষ হৈছিল। অশ্বঘোষৰ পিতৃৰ নাম জনা নাযায়। কিন্তু তেওঁৰ মাতৃৰ নাম "সুবৰ্ণাক্ষী" আছিল বুলি কোৱা হয়। অশ্বঘোষে বৌদ্ধ সন্ন্যাসী পাৰ্শ্বৰ হাতত তৰ্কত পৰাস্ত হৈ তেওঁৰ শিষ্যত্ব স্বীকাৰ কৰিছিল বুলি এটা মতবাদ আছে। সম্ৰাট কণিষ্কই অশ্বঘোষৰ ওচৰত শিষ্যত্ব গ্ৰহণ কৰিছিল। শুনা যায় অশ্বঘোষে নিজ জীৱনৰ অন্তিম কাললৈকে গান্ধাৰতে আছিল।

২.৪.১ বুদ্ধচৰিত

এতিয়া আপুনি অশ্বঘোষ ৰচিত *বুদ্ধচৰিতৰ* বিষয়ে জানিব পাৰিব। অশ্বঘোষ ৰচিত *বুদ্ধচৰিত* নামৰ মহাকাব্যখন ২৮টা সৰ্গত বিভক্ত। *বুদ্ধচৰিতত* গৌতম বুদ্ধৰ সমগ্ৰ জীৱনৰ বৰ্ণনা পোৱা যায়। লগতে তেওঁৰ উপদেশ আৰু সিদ্ধান্তসমূহৰো বৰ্ণনা পোৱা যায়। কিন্তু সংস্কৃতত ইয়াৰ ১৭টা সৰ্গৰ সংস্কৰণহে পোৱা গৈছে। ইয়াৰ শেষৰ চাৰিটা সৰ্গ অমৃতানন্দই নৱম শতিকাত যোগ দিয়ে। বাকীবোৰ সৰ্গ (১১টা) সংস্কৃতত সম্পূৰ্ণৰূপে পোৱা নাযায়। প্ৰথম পাঁচটা সৰ্গত (১-৫) বুদ্ধৰ জন্মৰপৰা আৰম্ভ কৰি অভিনিষ্ক্ৰমণলৈ কথাভাগৰ বৰ্ণনা পোৱা যায়। ছয় আৰু সাত সৰ্গত বুদ্ধই তপোবনত প্ৰৱেশ কৰাৰ কথা পোৱা যায়। অষ্টম সৰ্গত বুদ্ধৰ গৃহ ত্যাগত পত্নী যশোধৰাৰ বিলাপৰ বৰ্ণনা আছে তথা নৱম সৰ্গত সিদ্ধাৰ্থক (অৰ্থাৎ বুদ্ধক) বিচৰাৰ যি প্ৰচেষ্টা চলে, তাৰ বৰ্ণনা পোৱা যায়। দশম সৰ্গত বুদ্ধই বুদ্ধত্ব প্ৰাপ্ত হৈ (অৰ্থাৎ জীৱনৰ প্ৰকৃত সত্য লাভ কৰি) মগধলৈ যাত্ৰা কৰাৰ বৰ্ণনা আৰু ইয়াৰ পিচৰ তিনিটা সৰ্গত (১১-১৩) সাংসাৰিক মায়া-মোহৰ নিন্দা কৰা হৈছে। চতুৰ্দশ সৰ্গত (১৪ সৰ্গ) বুদ্ধদেৱৰ পূৰ্ণ বুদ্ধত্ব প্ৰাপ্তিৰ বৰ্ণনা আছে। শেষৰ সৰ্গসমূহত বুদ্ধৰ ধৰ্মপ্ৰচাৰ, বুদ্ধৰ শিক্ষা, উপদেশ আৰু সম্ৰাট অশোকৰ সময়লৈকে বৌদ্ধধৰ্মৰ প্ৰচলনৰ কথা বৰ্ণনা কৰা হৈছে।

ধর্মৰক্ষ নামৰ এজন ভাৰতীয় বৌদ্ধ ভিক্ষুই *বুদ্ধচৰিতক* ৪১৪-৪২১ খ্ৰীষ্টাব্দৰ ভিতৰত চীনা ভাষালৈ অনুবাদ কৰে। পাছত এই *বুদ্ধচৰিত* মহাকাব্যখন তিব্বতী ভাষালৈও অনূদিত হয়।

২.৪.২ *সৌন্দৰানন্দ*

বুদ্ধচৰিতৰ পিছত আপুনি এতিয়া অশ্বঘোষ ৰচিত *সৌন্দৰানন্দৰ* বিষয়ে জানিব পাৰিব। *সৌন্দৰানন্দ* মহাকাব্যখন অশ্বঘোষৰদ্বাৰা ৰচিত প্ৰথম মহাকাব্য বুলি কোৱা হয়। ইয়াত ১৮ টা সৰ্গ আছে। বুদ্ধদেৱৰ জীৱন কাহিনী আৰু তেওঁৰ বৈমাত্ৰেয় (মাহীমাকৰ পৰা জন্মা) ভাতৃ নন্দৰ বৌদ্ধধৰ্ম গ্ৰহণ তথা সুন্দৰী আৰু নন্দৰ প্ৰণয় কাহিনীয়েই এই মহাকাব্যৰ বিষয়বস্তু। মহাকাব্যখনৰ প্ৰথম তিনিটা সৰ্গত সিদ্ধাৰ্থৰ জন্মৰপৰা বুদ্ধত্ব প্ৰাপ্ত হৈ কপিলাবস্তুলৈ উভতি অহালৈকে সংঘটিত হোৱা ঘটনাসমূহৰ বৰ্ণনা আছে। চতুৰ্থ সৰ্গত বুদ্ধৰ ভাতৃ নন্দ আৰু সুন্দৰীৰ বিবাহোৎসৱৰ বৰ্ণনা পোৱা যায়। লগতে নৱ-বিবাহিত দম্পতীৰ পাৰস্পৰিক ভালপোৱা তথা ভিক্ষা কৰিবলৈ অহা বুদ্ধই নন্দৰ পদূলিমুখৰপৰা প্ৰত্যাবৰ্তন কৰা ঘটনাৰ বৰ্ণনা আছে। ইয়াৰ পিচত পঞ্চম সৰ্গত নন্দই কৰা অনুশোচনা আৰু বুদ্ধৰ ওচৰলৈ যোৱা কথাৰ উল্লেখ পোৱা যায়। লগতে বুদ্ধদেৱে নন্দক বৌদ্ধধৰ্মত দীক্ষা দিয়াৰ কথাও আছে। ষষ্ঠ সৰ্গত পতিৰ বিৰহত সুন্দৰীৰ বিলাপৰ বৰ্ণনা, সপ্তম সৰ্গত পত্নী সুন্দৰীৰ প্ৰতি নন্দৰ মনত আসক্তি ওপজা তথা পত্নীৰ ওচৰলৈ নন্দৰ উভতি যোৱাৰ ইচ্ছা বৰ্ণিত হৈছে। পিচৰ দুটা সৰ্গত অৰ্থাৎ অষ্টম আৰু নৱম সৰ্গত সহযোগী এজনে নন্দক উপদেশ দিয়াৰ বৰ্ণনা পোৱা যায়। দশম আৰু একাদশ সৰ্গত নন্দৰ মনৰপৰা পত্নীৰ প্ৰতি থকা আসক্তি দূৰ কৰিবলৈ বুদ্ধই যোগবিদ্যাৰ দ্বাৰা আকাশমাৰ্গেৰে নন্দক লৈ গৈ অপ্সৰাসকলক দেখুৱায়। অপ্সৰাসকলক দেখি নন্দৰ পত্নীবিয়োগৰ দুখ নাইকীয়া হয় আৰু অপ্সৰাসকলক পাবৰ বাবে বুদ্ধই নন্দক তপস্যা কৰিবলৈ উপদেশ দিয়াৰ বৰ্ণনা এই অংশত আছে। দ্বাদশ সৰ্গত এজন ভিক্ষুৱে নন্দক জানিবলৈ দিয়ে যে তেওঁৰ তপস্যাৰ উদ্দেশ্যই তেওঁক আনৰ হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে। ইয়াৰ পিচত নন্দৰ মন বুদ্ধত্ব প্ৰাপ্তিৰ বাবে ইচ্ছুক হৈ পৰে আৰু তেওঁ সকলো পৰিত্যাগ কৰি বুদ্ধৰ শৰণ লয়। ত্ৰয়োদশ সৰ্গৰ পৰা বাকী চাৰিটা সৰ্গলৈ (১৩-১৬) বুদ্ধক দিয়া উপদেশ আৰু জীৱনৰ প্ৰকৃত সত্যসমূহৰ বৰ্ণনা কৰা হৈছে। সপ্তদশ আৰু অষ্টাদশ সৰ্গত (১৭-১৮ সৰ্গত) পৰম শান্তিৰ বাবে নন্দৰ তপস্যা আৰু তেওঁৰ সমাধিস্থ স্বৰূপৰ বৰ্ণনা পোৱা যায়।

অশ্বঘোষে *সৌন্দৰানন্দ* নামৰ এই মহাকাব্যখন ৰচনা কৰাৰ প্ৰধান উদ্দেশ্যই হৈছে মনুষ্যক বৌদ্ধধৰ্মৰ পিনে আকৰ্ষিত কৰা।

২.৪.৩ অশ্বঘোষৰ অন্যান্য গ্ৰন্থ

মহাযানশ্ৰদ্ধোৎপাদকসংগ্ৰহ ঃ এই গ্ৰন্থখনত বৌদ্ধ দৰ্শন বিষয়ক কথাৰ বৰ্ণনা পোৱা যায়। গ্ৰন্থখনৰ ৰচকৰ নাম লৈ কিছু মতবিৰোধ আছে যদিও জাপানী পণ্ডিত টী সুজুকীয়ে অশ্বঘোষকেই এই গ্ৰন্থৰ ৰচয়িতা বুলি কয়। এই গ্ৰন্থখন চীন আৰু ইংৰাজী ভাষালৈও অনূদিত হৈছে।

বজ্ৰসূচী ঃ এই গ্ৰন্থখনত শ্ৰুতি, স্মৃতি আৰু *মহাভাৰতৰ* উদাহৰণ দাঙি ধৰি ভাৰতীয় বৰ্ণ ব্যৱস্থাৰ কঠোৰ সমালোচনা কৰা হৈছে। চীনাসকলে এই গ্ৰন্থৰ ৰচক হিচাপে অশ্বঘোষক স্বীকাৰ নকৰে। কিন্তু পণ্ডিত ৰাহুল সংকৃত্যায়নে এই গ্ৰন্থৰ ওপৰত অশ্বঘোষৰ কৰ্তৃত্ব দাবী কৰে।

সূত্ৰালংকাৰ ঃ এই সূত্ৰালংকাৰ গ্ৰন্থৰ কৰ্তৃত্বলৈও বিবাদ আছে। কিন্তু চীনা অনুবাদকৰ্তা কুমাৰজীৱই ইয়াক অশ্বঘোষৰ ৰচনা বুলি কৈছে। এই গ্ৰন্থ জাতক আৰু অৱদানৰ দৰে ধৰ্ম বিষয়ক উপাখ্যানৰ সমষ্টি।

গণ্ডীস্তোত্ৰগাথা ঃ এইখন এখন গীতিময় কাব্য। এই গ্ৰন্থত বৌদ্ধ বিহাৰবোৰত থকা 'গণ্ডী' নামৰ বাদ্যযন্ত্ৰত কোব মাৰিলে যি সুমধুৰ শব্দ হয় সেইবোৰৰ বিস্তৃত ধৰ্মমূলক ব্যাখ্যা দাঙি ধৰা হৈছে। ইয়াৰ উপৰিও 'গণ্ডী' বাদ্যযন্ত্ৰৰ প্ৰশংসাও কৰা হৈছে। এইখন গ্ৰন্থৰো ৰচক অশ্বঘোষ বুলি পণ্ডিত উইন্টাৰনিৎসে মত পোষণ কৰে।

শাৰিপুত্ৰপ্ৰকৰণ ঃ শাৰিপুত্ৰ গ্ৰন্থখন নটা অংকত বিভক্ত এখন প্ৰকৰণ। বৌদ্ধ ধৰ্মৰ লগত জড়িত কথাবস্তুৰ ওপৰত এই গ্ৰন্থখন ৰচিত। গ্ৰন্থখনৰ প্ৰমুখ চৰিত্ৰসমূহ হ'ল— সোমদত্ত, ৰাজকুমাৰ, দাস, দাসী, দুষ্ঠ, বিদূষক আৰু গণিকা। ইয়াত উল্লেখ আছে যে মৌদগল্যায়ন আৰু শাৰিপুত্ৰক বুদ্ধই দীক্ষা দি শিষ্য কৰি লয়। এই শাৰিপুত্ৰই প্ৰকৰণৰ প্ৰথম অংশত অশ্বজিতৰ সৈতে সাক্ষাৎ হোৱাৰ পিছত মিত্ৰ বিদূষকৰ লগত বুদ্ধ সম্বন্ধীয় কথা-বাৰ্তাত অংশ গ্ৰহণ কৰে। মৌদ্গল্যায়ন আৰু শাৰিপুত্ৰই বুদ্ধৰ ব্যক্তিত্ব মহানতাৰ দ্বাৰা প্ৰভাৱিত হৈ তেওঁৰ ওচৰত দীক্ষা গ্ৰহণ কৰে। প্ৰকৰণখনৰ সমাপ্তি শাৰিপুত্ৰ আৰু বুদ্ধৰ দাৰ্শনিক বাৰ্তালাপেৰে হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অশ্বঘোষ ৰচিত *সৌন্দৰানন্দ* মহাকাব্যৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ২ ঃ *বুদ্ধচৰিত* গ্ৰন্থৰ ৰচক কোন? গ্ৰন্থখনৰ ওপৰত চমু টোকা লিখক। (১০০টা শব্দৰ ভিতৰত)



জানি থোৱা ভাল

জাতকমালা আর্যশূৰৰ দ্বাৰা ৰচিত। এই সমূহ গদ্য আৰু পদ্য মিশ্রিত চম্পূকাব্যৰ দৰে ৰচিত। অশ্বঘোষৰ ৰচনাশৈলীৰ প্রভাৱ ইয়াত দেখা যায়। *জাতকমালাৰ* বহু ঘটনা অজন্তাৰ গুহাচিত্রত চিত্রিত হৈছে। *জাতকমালাক* বোধিসত্ত্বাবধান নামেৰেও জনাজাত।

পালিভাষাত ৰচিত *জাতকৰ* গল্পৰ অনুকৰণত সংস্কৃতত যি বৌদ্ধ গল্প-সাহিত্য ৰচিত হৈছে, অৱদান গ্রন্থৰাজি তাৰেই অন্তর্গত। *অৱদানশতক* এখন প্রাচীন অৱদান গ্রন্থ। অৱদান গ্রন্থখন প্রথম শতিকাৰ পৰা খ্রীষ্টিয় তৃতীয় শতিকাৰ ভিতৰত ৰচিত। নীতিশিক্ষামূলক এই গ্রন্থ দহটা অধ্যায়ত বিভক্ত।

২.৫ কালিদাস আৰু কালিদাসৰ যুগৰ মহাকবি

আপুনি ইতিমধ্যে কবি অশ্বঘোষৰ বিষয়ে অধ্যয়ন কৰিলে। এতিয়া অশ্বঘোষৰ পিচৰ যুগৰ মহাকবি কালিদাসৰ বিষয়ে জানিব পাৰিব। মহাকবি কালিদাসক ভাৰতীয় পণ্ডিত সমাজে 'কবিকুলগুৰু' বুলি স্বীকৃতি দিছে। পাশ্চাত্য পণ্ডিত উইলিয়াম্ জোন্সে কালিদাসৰ *অভিজ্ঞান শকুন্তলম্* নাটকৰ সৌন্দর্যত মুগ্ধ হৈ কবিজনক ভাৰতৰ ***শ্বেইক্সপীয়েৰ*** আখ্যা দিছে। এতিয়ালৈ কালিদাসৰ আৰির্ভাৰ কাল আৰু জীৱনী সম্বন্ধে কোনেও নিশ্চিন্ত সিদ্ধান্তত উপনীত হ'ব পৰা নাই। কিছুমান পণ্ডিতৰ মতে তেওঁৰ জন্মভূমি কাশ্মীৰ, কিছুমানৰ মতে বিদিশা নগৰী আৰু কিছুমানৰ মতে উজ্জয়িনী। কিন্তু সকলোবোৰ মতৰ ভিতৰত সর্বাধিক গ্রাহ্য মতটো হৈছে যে কালিদাসৰ জন্ম স্থান উজ্জয়িনী। আকৌ কালিদাসৰ সর্বাধিক গ্রহণযোগ্য আৰির্ভাৰ কাল খ্রীষ্টপূর্ব প্রথম শতিকা বুলি ধৰা হয়। মহাকবি কালিদাস এজন বিদগ্ধ পণ্ডিত আছিল। তেওঁ *বেদ-বেদান্ত-বেদাংগ, ধর্মশাস্ত্র, ৰামায়ণ-মহাভাৰত-পুৰাণ, নীতিশাস্ত্র, ব্যাকৰণ, আয়ুর্বেদ, জ্যোতিষ, দর্শনশাস্ত্র, চিত্রকলা, বাস্তুকলা* আদি সকলো শাস্ত্রতে পার্গত আছিল।

মহাকবি কালিদাসৰ নামত অনেক গ্রন্থ প্রচলিত হৈ থাকিলেও সাতখন গ্রন্থহে তেওঁৰ প্রকৃত ৰচনা বুলি ধৰা হয়। সেইসমূহ হৈছে— ১। *ঋতুসংহাৰম্,* ২। *মালৰিকাগ্নিমিত্রম্,* ৩। *কুমাৰসম্ভৰম্,* ৪। *বিক্রমোর্বশীয়ম্,* ৫। *মেঘদূতম্,* ৬। *অভিজ্ঞানশাকুন্তলম্* আৰু ৭। *ৰঘুবংশম্*। এই সমূহৰ ভিতৰত— *ঋতুসংহাৰ* আৰু *মেঘদূত* হৈছে খণ্ডকাব্য, *কুমাৰসম্ভৰ* আৰু *ৰঘুবংশ* হৈছে মহাকাব্য। *মালবিকাগ্নিমিত্র, বিক্রমোর্বশীয়* আৰু *অভিজ্ঞানশকুন্তলম্* এই তিনিখন হৈছে নাটক।

কালিদাসৰ যুগৰ সমসাময়িক কবিসকলৰ ভিতৰত *প্রৰৱসেন* অন্যতম। প্রৱৰসেন হৈছে *সেতুবন্ধ* নামৰ মহাকাব্যখনৰ ৰচক। প্রৱৰসেনৰ সময় ৪২০-৫০ খ্রীষ্টাব্দ। ভাৰতীয় ঐতিহাসিক পৰম্পৰাত বহুতো প্রৱৰসেনৰ নাম পোৱা যায়। তাৰে দুজন কাশ্মীৰৰ। কিন্তু তেওঁলোক *সেতুবন্ধৰ* ৰচক নহয়।



শ্বেইক্সপীয়েৰ ঃ শ্বেইক্সপীয়েৰ হৈছে এজন বিশ্ববিখ্যাত ইংৰাজ কবি আৰু নাট্যকাৰ। তেওঁৰ চাৰিখন বিখ্যাত নাটক হৈছে— *অথেলো, মেক্‌বেথ, কিংলিয়াৰ, হেমলেট*। তেওঁৰ কাল সম্বন্ধে সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নাযায়। তথাপি তেওঁৰ সময় ১৫৬৪-১৬১৬ খ্রীষ্টাব্দ বুলি ধৰা হয়।

কালিদাসৰ সমসাময়িক অন্য এজন প্ৰতিভাশালী কবি হৈছে কুমাৰদাস। কুমাৰ দাসৰ ব্যক্তিগত জীৱন আৰু আৱিৰ্ভাৰ কাল সম্বন্ধে সঠিকভাৱে একো গম পোৱা নাযায়। তেওঁৰ দ্বাৰা ৰচিত মহাকাব্যখনৰ নাম হ'ল— *জানকীহৰণম্*। এই কাব্যখনৰ অন্তিম শ্লোকৰ পৰা এইটো অনুমান কৰিব পাৰি যে কুমাৰদাস ৰজা কুমাৰমানৰ পুত্ৰ আছিল। কোৱা হয় কুমাৰমান যুদ্ধক্ষেত্ৰত নিহত হোৱা দিনতেই কুমাৰদাসৰ জন্ম হৈছিল। সেয়েহে তেওঁ দুজন মোমায়েকৰ হাততেই ডাঙৰ-দীঘল হয়। আন এক প্ৰবাদ অনুসৰি তেওঁ সিংহলৰ ৰজা আছিল আৰু মহাকবি কালিদাসৰ পৰমবন্ধু আছিল।

জানি থোৱা ভাল

কোৱা হয় ব্ৰাহ্মণকুলত জন্ম হৈও কালিদাসে গৰু চৰাই নিজৰ পেট প্ৰৱৰ্তন কৰিছিল। ঘটনা চক্ৰত পৰি তেওঁ এগৰাকী বিদুষী ৰাজকুঁৱৰীক বিবাহ কৰাইছিল। অজ্ঞানতাবশতঃ তেওঁ নৱবিৱাহিতা পত্নীৰ হাতত লাঞ্ছিত হৈ ঘৰৰপৰা ওলাই গৈ দেৱী কালিকাৰ উপাসনা কৰি দেৱীৰ আশীৰ্বাদত কাব্য প্ৰতিভাৰে প্ৰতিভাত হৈ নিজ গৃহলৈ প্ৰত্যাবৰ্তন কৰে। স্বগৃহত পত্নীয়ে কালিদাসক দেখি হেনো প্ৰশ্ন কৰিছিল এনেদৰে— "অস্তি কশ্চিদ্ বাগ্‌বিশেষঃ"? তেতিয়া হেনো কালিদাসে পত্নীয়ে কৰা প্ৰশ্নটোৰ প্ৰতিটো শব্দকে প্ৰতীক হিচাপে লৈ একোখন মনোমোহা কাব্য ৰচনা কৰে। 'অস্তি' শব্দৰে (অস্ত্যুত্তৰস্যাং দিশি দেৱতাত্মা হিমালয়ঃ) *কুমাৰসম্ভৱ মহাকাব্য*, 'কশ্চিৎ' শব্দেৰে (কশ্চিৎ কান্তাবিৰহগুৰুণা) *মেঘদূত* নামৰ খণ্ডকাব্য, বাক্ শব্দেৰে (বাগাৰ্থাবিৱ সম্পৃক্তৌ) *ৰঘুবংশ* মহাকাব্য আৰু 'বিশেষ' শব্দেৰে (বিশেষঃ সূৰ্যঃ স্পৃহনীয়ঃ চন্দ্ৰমা) *ঋতুসংহাৰ* নামৰ কাব্য ৰচনা কৰে।

২.৫.১ কুমাৰসম্ভৱম্

এতিয়া আপুনি কালিদাস ৰচিত *কুমাৰসম্ভৱম্* মহাকাব্যৰ বিষয়ে জানিব পাৰিব। মহাকবি কালিদাসে দুখন মহাকাব্য ৰচনা কৰিছিল। সেই দুখন হৈছে *কুমাৰসম্ভৱম্* আৰু *ৰঘুবংশম্*। ইয়াৰে ভিতৰত কুমাৰসম্ভৱকে কবিসমাজে *ৰঘুবংশত*কৈ আগৰ ৰচনা বুলি মন্তব্য কৰে। পৰম্পৰা অনুসৰি *কুমাৰসম্ভৱম্* মহাকাব্যখনত বাইশটা (২২) সৰ্গ থকা বুলি কোৱা হয়। কিন্তু বৰ্তমান কালত মহাকাব্যখনৰ পাণ্ডুলিপিত সপ্তদশ সৰ্গলৈহে পোৱা যায়। তাতকৈ বেছি সৰ্গৰ পাণ্ডুলিপি উপলব্ধ নহয়।

পণ্ডিতসমাজে মত পোষণ কৰে যে প্ৰথম আঠটা সৰ্গ নিশ্চিতভাৱে কালিদাসৰ নিজস্ব ৰচনা। নৱম আৰু দশম সৰ্গ দুটাও কবিজনাৰ দ্বাৰা ৰচিত বুলি ধাৰণা কৰা হয়। কিন্তু একাদশৰ পৰা বাকীসৰ্গসমূহ কালিদাসৰ দ্বাৰা ৰচিত হয় নে নহয় এই বিষয়ত সন্দেহ আছে।

কুমাৰসম্ভৱম্ মহাকাব্যৰ প্ৰথম সৰ্গটোত হিমালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু পাৰ্বতীৰ শাৰীৰিক সৌন্দৰ্য্যৰ বৰ্ণনা পোৱা যায়। দ্বিতীয় সৰ্গত পৰমপিতা ব্ৰহ্মাৰ বৰ্ণনা আৰু তাৰকাসুৰৰ অত্যাচাৰৰ বৰ্ণনা পোৱা যায়। তৃতীয় সৰ্গত বসন্তকালৰ বৰ্ণনা আৰু শিৱ-পাৰ্বতীৰ বৰ্ণনাও উপলব্ধ হয়। চতুৰ্থ সৰ্গটিত কামদহনৰ পিচত (শিৱৰ দ্বাৰা কামদেৱ ভস্মীভূত হয়) কামপত্নী ৰতিৰ বিলাপৰ দুখজনক বৰ্ণনা পোৱা যায়। পঞ্চম সৰ্গটিত হিমালয় কন্যা পাৰ্বতীৰ মহাদেৱ শিৱক পতিৰূপে পাবলৈ কৰা তপস্যা তথা শিৱৰ দ্বাৰা পাৰ্বতীৰ ভক্তিৰ পৰীক্ষা আৰু পিচত পাৰ্বতী বিজিত বুলি কৰা ঘোষণাৰ উল্লেখ পোৱা যায়। ষষ্ঠ সৰ্গত শিৱে পাৰ্বতীক পত্নীৰূপে গ্ৰহণ কৰাৰ ইচ্ছা প্ৰকাশ কৰি সপ্তৰ্ষিক পাৰ্বতীৰ পিতৃ হিমালয়ৰ ওচৰলৈ প্ৰেৰণ কৰাৰ বৰ্ণনা আছে। সপ্তম সৰ্গটিত শিৱ-পাৰ্বতীৰ বিবাহৰ সুন্দৰ বৰ্ণনা কৰা হৈছে। অষ্টম সৰ্গত মুখ্যভাৱে শিৱ-পাৰ্বতীৰ বিবাহৰ পিচত হোৱা সম্ভোগৰ বৰ্ণনাই স্থান পাইছে। ইয়াৰ পিছৰ নটা সৰ্গত উল্লেখ আছে যে বিয়াৰ পাছত শিৱ আৰু পাৰ্বতীয়ে সম্ভোগ ক্ৰীড়াত মগ্ন হৈ শ শ ঋতু অতিবাহিত কৰাত দেৱতাসকল অধৈৰ্য হৈ পৰিল। তেতিয়া দেৱতাসকলে অগ্নিক কপৌ চৰাইৰ ৰূপত শিৱ আৰু পাৰ্বতীৰ ওচৰলৈ ঘটনাৰ বুজ ল'বলৈ পঠিয়ালে। অগ্নিৰ আগমনত শিৱ পোনতে ক্ৰোধান্বিত হ'ল। কিন্তু অগ্নিয়ে শিৱৰ আগত ব্যক্ত কৰিলে যে তেওঁ দেৱতাসকলৰ অনুৰোধক্ৰমেহে শিৱ-পাৰ্বতীৰ ওচৰলৈ আহিছে। সেই কথা শুনি শিৱ সন্তুষ্ট হ'ল আৰু নিজৰ তেজোবিন্দু অগ্নিত নিক্ষেপ কৰিলে। অগ্নিয়ে সেই তেজ ধাৰণ কৰিবলৈ অসমৰ্থ হৈ ইন্দ্ৰক জনোৱাত দেৱতাসকলৰ ৰজা ইন্দ্ৰই আকাশীগংগাত সেই তেজ নিক্ষেপ কৰিবলৈ ক'লে। কিন্তু গংগাই সেই তেজ বহন কৰিবলৈ সমৰ্থ নহ'ল। তেতিয়া তেওঁ গংগাস্নান কৰিবলৈ অহা ছজনী ***কৃতিকা***ৰ শৰীৰত ন্যস্ত কৰিলে। ফলত কৃতিকাসকল গৰ্ভৱতী হ'ল। তেওঁলোকে সেই গুৰুভাৰ বহন কৰিবলৈ অসমৰ্থ হৈ গৰ্ভভাৰ ত্যাগ কৰি গুচি গ'ল। সেই সময়তে শিৱ আৰু পাৰ্বতীয়ে বিমানেৰে আকাশ ভ্ৰমণ কৰি থাকোতে শিশু এটিৰ ওপৰত তেওঁলোকৰ দৃষ্টি পৰিল। শিৱে সেই শিশুটি নিজ তেজৰপৰা উৎপন্ন বুলি গম পাই শিশুটিক তাৰপৰা তুলি ল'লে। সেই দেৱশিশুটো মাত্ৰ ছদিনতে পৈণত হ'ল আৰু সকলো অস্ত্ৰ-শস্ত্ৰত পাৰ্গত হৈ উঠিল। শিৱৰ নিজ দেহৰ বীৰ্যৰ পৰা উৎপন্ন হোৱা সেই শিশুটি কুমাৰ কাৰ্তিকেয় নামে জনাজাত হ'ল। ইন্দ্ৰাদি দেৱতাসকলৰ অনুৰোধক্ৰমে শিৱই তেওঁক (কুমাৰক) দেৱসেনাপতি পাতিলে আৰু সেই কুমাৰে তাৰকাসুৰক যুদ্ধত বধ কৰি ইন্দ্ৰ আদি অন্য দেৱতা সকলক ৰক্ষা কৰিলে।

গতিকে আপুনি গম পালে যে কুমাৰ কাৰ্তিকেয়ৰ জন্ম আৰু কাৰ্তিকেয়ৰ হাতত তাৰকাসুৰৰ বধেই হৈছে এই *কুমাৰসম্ভৱম্* মহাকাব্যৰ প্ৰধান বিষয়বস্তু।



কৃতিকা : ছজনী অপ্সৰা। তেওঁলোকে কাৰ্তিকেয়ক (শিৱপুত্ৰ) লালন-পালন কৰিছিল বুলি কোৱা হয়। 'কৃতিকা' বুলি নক্ষত্ৰপুঞ্জত ছয়টা তৰা আছে, সেই তৰাই ছয়টা অপ্সৰাৰ ৰূপ লৈছে বুলি শুনা যায়।

২.৫.২ *ৰঘুবংশম্*

এতিয়া আপুনি কালিদাস ৰচিত *ৰঘুবংশম্* মহাকাব্যৰ বিষয়ে জানিব পাৰিব। *ৰঘুবংশম্* মহাকাব্যখনক কালিদাসৰ অন্তিম আৰু শ্ৰেষ্ঠ কাব্য বুলি গণ্য কৰা হয়। এই মহাকাব্যখন উনৈশটা সৰ্গত (১৯) বিভক্ত। সৰ্গসমূহত ৰঘু তথা আন আন সূৰ্য্যবংশীয় ৰজাসকলৰ চৰিত্ৰ বৰ্ণনা কৰা হৈছে। ৰঘুবংশত জন্মা ৰজা দিলীপৰ পৰা আৰম্ভ কৰি অগ্নিবৰ্ণলৈ সূৰ্য্যবংশীয় ঊনত্ৰিশজন ৰজাৰ বৰ্ণনা এই সৰ্গসমূহত পোৱা যায়।

প্ৰথম সৰ্গত মূলতঃ ৰজা দিলীপৰ চৰিত্ৰৰ বৰ্ণনা পোৱা যায়। ৰজা দিলীপৰ পত্নীৰ নাম আছিল সুদক্ষিণা। তেওঁলোকৰ কোনো সতি-সন্ততি নথকাত এদিনাখন তেওঁলোকে কুলগুৰু বশিষ্ঠৰ আশ্ৰমলৈ প্ৰস্থান কৰিলে। বশিষ্ঠই পুত্ৰপ্ৰাপ্তিৰ বাবে তেওঁলোকক তেওঁৰ আশ্ৰমত থকা কামধেনু নন্দিনীক সেৱা কৰিবলৈ নিৰ্দেশ দিলে।

দ্বিতীয় সৰ্গত দিলীপ আৰু সুদক্ষিণাৰ গো-সেৱা ব্ৰত কৰাৰ বৰ্ণনা আছে।

তৃতীয় সৰ্গত নন্দিনীৰ বৰত ৰজা দিলীপ আৰু সুদক্ষিণাৰ গৰ্ভত ৰঘুৰ উৎপত্তি, সংস্কাৰ, শিক্ষাগ্ৰহণ, অভিষেক আৰু ৰজা দিলীপৰ অশ্বমেধ যজ্ঞৰ বৰ্ণনা আছে।

চতুৰ্থ সৰ্গত যজ্ঞ সমাপ্তিৰ পিছত ৰঘুক ৰজাৰূপে অভিষিক্ত কৰি সুদক্ষিণাৰ সৈতে ৰজা দিলীপে তপোবনলৈ গমন কৰাৰ বৰ্ণনা পোৱা যায়।

পঞ্চম সৰ্গত ৰঘুৰ দানশীলতাৰ বৰ্ণনা পোৱা যায়।

ষষ্ঠ আৰু সপ্তম সৰ্গত ইন্দুমতীৰ স্বয়ম্বৰ আৰু ৰঘুপুত্ৰ অজৰ সৈতে ইন্দুমতীৰ বিবাহৰ বৰ্ণনা পোৱা যায়।

অষ্টম সৰ্গত ৰঘুৱে অজৰ হাতত ৰাজ্যশাসনৰ ভাৰ অপৰ্ণ কৰা, ইন্দুমতীৰ আকস্মিক মৃত্যুত অজৰ বিলাপ আৰু বশিষ্ঠমুনিৰ দ্বাৰা অজক সান্ত্বনা প্ৰদান কৰাৰ উল্লেখ পোৱা যায়।

নৱম সৰ্গত দশৰথৰ ৰাজ্যশাসনৰ বৰ্ণনা পোৱা যায়। দশৰথে মৃগয়া কৰিবলৈ যাওঁতে অজ্ঞাতবশতঃ শ্ৰৱণকুমাৰক বধ কৰাৰ হৃদয় বিদাৰক বিৱৰণো এই সৰ্গত পোৱা যায়। নৱমৰ পৰা পঞ্চদশ (৯-১৫) সৰ্গলৈকে দশৰথৰ পুত্ৰ ৰামৰ বৰ্ণনা পোৱা যায়। ষোড়শ সৰ্গত (১৬) ৰামৰ পুত্ৰ কুশৰ ৰাজ্যশাসনৰ বৰ্ণনা বিশদভাৱে উল্লেখ কৰা হৈছে। সপ্তদশ সৰ্গত কুশৰ পুত্ৰ অতিথিৰ চৰিত্ৰ বৰ্ণনা কৰা হৈছে। অষ্টাদশ সৰ্গত ৰজা সুদৰ্শনৰে সৈতে একৈশজন ৰঘুবংশীয় ৰজাৰ উল্লেখ কৰা হৈছে। ঊনবিংশ সৰ্গত সুদৰ্শনপুত্ৰ ৰজা অগ্নিবৰ্ণৰ বৰ্ণনা পোৱা যায় আৰু তেওঁৰ শোকাবহ মৃত্যুতেই মহাকাব্যখনৰ সমাপ্তি ঘটিছে।

২.৫.৩ *সেতুবন্ধ*

এতিয়া আপুনি প্ৰৱৰসেনৰচিত *সেতুবন্ধৰ* বিষয়ে জানিব পাৰিব। *সেতুবন্ধ* মহাকাব্যখন প্ৰৱৰসেনৰ দ্বাৰা ৰচিত বুলি আপুনি গম পাইছে। এই কাব্যখন পোন্ধৰটা

সর্গত বিভক্ত। হনুমানে সাগৰ পাৰ হৈ লংকালৈ গৈ সীতাৰ বার্তা লৈ অহাৰেপৰা ৰাৱণবধলৈকে সকলোখিনি কথা *সেতুবন্ধ* মহাকাব্যত বর্ণিত হৈছে। *সেতুবন্ধন* অর্থাৎ সেতু ৰচনাই হৈছে এই কাব্যৰ প্রধান বিষয়বস্তু। ইয়াৰে প্রথম সর্গত শৰৎ কালৰ বর্ণনা পোৱা যায়। সীতাক উদ্ধাৰ কৰিবলৈ ৰামক আগত লৈ সুগ্রীৱে বানৰ সৈন্যসমূহৰ সৈতে সমুদ্রৰ তীৰলৈ যাত্রা কৰাৰ বর্ণনা এই সর্গত আছে। দ্বিতীয় সর্গত সমুদ্রৰ ঢৌ দেখি বানৰ সৈন্য নিতাল মাৰে। তৃতীয় সর্গত সুগ্রীৱে অনুসৰণকাৰীসকলক লংকালৈ যাবলৈ প্রেৰণা দিবলৈ উদাত্ত ভাষণ প্রদান কৰে। চতুর্থ সর্গত বানৰসকল সুগ্রীবৰ কথাত সন্মত হৈ লংকালৈ যাবলৈ সাজু হয়। পঞ্চম সর্গত ৰামে সাগৰ পাৰ হোৱাত সহযোগ কৰিবলৈ সাগৰক অনুৰোধ জনাই উপবাস খাটে। প্রথমে সমুদ্রই ৰামক কোনো সহাৰি নজনায়। ষষ্ঠ সর্গত ৰামৰ বাণৰ প্রহাৰত আহত সমুদ্রই পত্নী গংগা সহ ৰামক সাক্ষাৎ কৰে। তেতিয়া *সেতুবন্ধন* কৰিবলৈ সমুদ্রই ৰামক পৰামর্শ দিয়ে। সপ্তম আৰু অষ্টম সর্গত *সেতুবন্ধনৰ* আৰু সেই সেতুৰে গৈ লংকাত উপস্থিত হোৱাৰ বর্ণনা আছে। নৱম সর্গত বানৰসেনাৰ সুবেল পর্বত পোৱা আৰু সেই পর্বতৰ প্রাকৃতিক শোভাৰ উল্লেখ আছে। দশম সর্গত লংকা নগৰীৰ সন্ধ্যাকালীন জীৱনৰ চিত্র অংকিত হৈছে। একাদশ সর্গত লংকাধিপতি ৰাৱণে সীতাৰ মন জয় কৰিবলৈ প্রচেষ্টা চলায়। দ্বাদশ, ত্রয়োদশ আৰু চতুর্দশ সর্গত লংকা যুদ্ধৰ বিশদ বিৱৰণ পোৱা যায়। পঞ্চদশ সর্গত ৰাৱণভাতৃ কুম্ভকর্ণ আৰু মেঘনাদৰ যুদ্ধত মৃত্যুবৰণ কৰাৰ বর্ণনা পোৱা যায়। যুদ্ধত ৰামৰ হাতত ৰাৱণ নিহত হয় আৰু সীতাক লৈ ৰামচন্দ্রই অযোধ্যা নগৰীলৈ প্রত্যাগমন কৰে। এয়াই হৈছে *সেতুবন্ধ* মহাকাব্যৰ বিষয়বস্তু।

২.৫.৪ *জানকীহৰণ*

এতিয়া আপুনি কুমাৰদাস ৰচিত *জানকীহৰণ* মহাকাব্যখনৰ বিষয়ে জানিব পাৰিব। *জানকীহৰণ* মহাকাব্যখন কুমাৰদাসৰ দ্বাৰা ৰচিত। এই কাব্যখনত পচিশটা (২৫) সর্গ আছে আৰু ইয়াৰ কাহিনীভাগ *ৰামায়ণৰ* পৰা লোৱা হৈছে। কাব্যখনৰ প্রথম সর্গত অযোধ্যানগৰী, ৰজা দশৰথ আৰু তেওঁৰ ৰাণীসকলৰ বর্ণনা পোৱা যায়। দ্বিতীয় সর্গত ৰাৱণৰ চৰিত্রৰ বর্ণনা আছে। তৃতীয় সর্গত ৰজা দশৰথৰ জলক্রীড়া আৰু সন্ধ্যাবর্ণনা, চতুর্থ আৰু পঞ্চম সর্গত দশৰথৰ চাৰিপুত্রৰ জন্ম বৃত্তান্ত আৰু সেই পুত্রসকলৰ দ্বাৰা তাৰকা আদি বধৰ বাল্যলীলাৰ বর্ণনা পোৱা যায়। সপ্তম সর্গত ৰাম-সীতাৰ বিবাহৰ বর্ণনা আছে। অষ্টম সর্গত বিবাহৰ পিচত অনুষ্ঠিত হোৱা উৎসৱ-পার্বণৰ উল্লেখ আছে। নৱম সর্গত ৰামৰ অযোধ্যা প্রত্যাবর্তনৰ বর্ণনা পোৱা যায়। দশম সর্গত ৰামৰ অভিষেকৰ পৰা জানকী (সীতা) হৰণলৈকে বহুতো ঘটনাৰ বর্ণনা আছে। একাদশ সর্গত ৰাম আৰু হনুমানৰ মিত্রতা আৰু বালিবধ, দ্বাদশ সর্গত সীতা অন্বেষণ, ত্রয়োদশ সর্গত বানৰসেনা একত্রিত হোৱা, চতুর্দশ সর্গত সমুদ্রৰ ওপৰেৰে লংকালৈ ৰামৰ সৈন্যই সেতুৰচনা কৰা

আৰু শেষত সমুদ্ৰ পাৰ হোৱাৰ দৃশ্য বৰ্ণিত হৈছে। পঞ্চদশ সৰ্গ আৰু ষোড়শ সৰ্গত ৰামৰ দূত ৰূপে অংগদৰ ৰাৱণৰ সভাত উপস্থিত হোৱাৰ বাৰ্তা তথা ৰাক্ষস সকলৰ বিভিন্ন লীলাৰ বৰ্ণনা আছে। সপ্তদশৰ পৰা বিংশতি সৰ্গলৈ (১৭-২০) বানৰ আৰু ৰাক্ষসসৈন্যৰ যুদ্ধৰ উল্লেখ আছে। যুদ্ধৰ শেষত ৰামৰ হাতত ৰাৱণৰ বধ আৰু ৰামৰ বিজয় প্ৰাপ্তিতেই কাব্যখনৰ সমাপ্তি ঘটিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ *কুমাৰসম্ভৱ* মহাকাব্যখন কোনে ৰচনা কৰিছিল? কাব্যখনৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

২.৬ কালিদাসোত্তৰ যুগৰ মহাকবি আৰু মহাকাব্য

এতিয়া আপুনি কালিদাসৰ পিছৰ যুগৰ মহাকবি আৰু তেওঁলোকৰ দ্বাৰা ৰচিত মহাকাব্যসমূহৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব। কালিদাসৰ পিছৰ যুগৰ কবি বুলিলে 'ভাৰবিৰ' নামেই প্ৰথমে আহে। কোৱা হয় তেওঁ ৰজা ভোজৰ সমকালীন আছিল। ভাৰবিৰ পিতৃৰ নাম শ্ৰীধৰ আৰু মাতৃৰ নাম সুশীলা। ভাৰবিৰ প্ৰকৃত নাম আছিল দামোদৰ। ভাৰবিৰ কাল ৬০০ খ্ৰীষ্টাব্দ বুলি ধৰা হয়। সৰহভাগ পণ্ডিতৰ মতে তেওঁৰ জন্মস্থান দক্ষিণ ভাৰত। ভাৰবি এজন সুনিপুণ ব্যাকৰণবিদ আছিল।

সংস্কৃত সাহিত্যত উল্লেখ থকা পঞ্চমহাকাব্যৰ ভিতৰত ভাৰবি বিৰচিত *কিৰাতাৰ্জুনীয়ম্* মহাকাব্যখন অন্যতম বুলি আপুনি ইতিমধ্যে গম পাইছে।

কালিদাসৰ পৰবৰ্তী কবিসমূহৰ ভিতৰত ভট্টিৰ নাম অন্যতম। তেওঁ ব্যাকৰণ শাস্ত্ৰোপদেশী কবি আছিল। ব্যাকৰণৰ উপদেশ দিবলৈ ভট্টিয়ে *ৰাবণবধ* বা *ভট্টিকাব্য* ৰচনা কৰিছিল। ভট্টিৰ আবিৰ্ভাৱ কাল খ্ৰীষ্টিয় সপ্তম শতিকাৰ প্ৰথম ভাগ বুলি ধৰা হয়।

মহাকবি মাঘ হৈছে কালিদাসৰ পিচৰ যুগৰ অন্য এজন উল্লেখযোগ্য কবি। মাঘৰ আবিৰ্ভাৱকাল সপ্তম শতিকা। কোৱা হয় মাঘ আছিল ভোজ ৰজাৰ পৰমবন্ধু। মাঘ ৰাজনীতি, দৰ্শন, ব্যাকৰণ আদি বিভিন্ন বিষয়তে পাৰ্গত আছিল।

মাঘৰ সংস্কৃত ভাষা-সাহিত্যত অগাধ পাণ্ডিত্য আছিল। মাঘৰচিত *শিশুপালবধম্* মহাকাব্য সংস্কৃত সাহিত্যৰ অনন্য সম্পদ।

কালিদাসৰ পিচৰ যুগৰ কবিসকলৰ ভিতৰত শ্ৰীহৰ্ষ হৈছে অন্যতম কবি। শ্ৰীহৰ্ষ ৰচিত *নৈষধ চৰিতম্* মহাকাব্য সংস্কৃত সাহিত্যৰ সুবৃহৎ মহাকাব্য। শ্ৰীহৰ্ষৰ পিতৃৰ নাম শ্ৰীহৰি আৰু মাতৃৰ নাম মামল্লদেৱী। শ্ৰীহৰ্ষ কান্যকুব্জৰ ৰজা জয়চন্দ্ৰৰ ৰাজসভাৰ ৰাজকবি আছিল। ৰজাৰ প্ৰেৰণাতেই তেওঁ *নৈষধচৰিতম্* মহাকাব্য ৰচনা কৰিছিল বুলি কোৱা হয়। *নৈষধচৰিতম্*ৰ উপৰিও শ্ৰীহৰ্ষই কেবাখনো গ্ৰন্থ ৰচনা কৰিছিল। কবিজনাৰ আৰিৰ্ভাৱ কাল দ্বাদশ শতিকাৰ উত্তৰাৰ্ধ বুলি অনুমান কৰা হয়।



জানি থোৱা ভাল

শ্রীহর্ষই *নৈষধচৰিতম্*ৰ উপৰি যিবোৰ গ্রন্থ ৰচনা কৰিছিল, সেইবোৰ হৈছে— ১। *স্থৈর্য বিচাৰণ প্রকৰণ,* ২। *বিজয়-প্রশস্তি,* ৩। *অর্ণৱবর্ণন,* ৪। *শিৱশক্তি সিদ্ধি,* ৫। *খণ্ডন খণ্ড-খাদ্য,* ৬। *গৌড়োর্বীশকুল প্রশস্তি,* ৭। *ছন্দঃ প্রশস্তি,* ৮। *নৱসাহসাংক-চৰিতচম্পূ,* ৯। *ঈশ্বৰাভিসন্ধি*।

শ্রীহর্ষ ৰচিত দহখন গ্রন্থৰ ভিতৰত এতিয়া মাত্র *নৈষধ চৰিত* আৰু *খণ্ডনখণ্ডখাদ্য* এই দুখনহে পোৱা গৈছে। সকলোবোৰ গ্রন্থৰ সূচনা নৈষধচৰিতৰ পাততে পোৱা যায়।

২.৬.১ *কিৰাতার্জুনীয়ম্*

এতিয়া আপুনি ভাৰবি বিৰচিত *কিৰাতার্জুনীয়ম্* মহাকাব্যৰ বিষয়ে জানিব পাৰিব। ভাৰবি বিৰচিত *কিৰাতার্জুনীয়ম্* মহাকাব্যখন ১৮টা সর্গৰ সমষ্টি। ইয়াৰ কাহিনীভাগ *মহাভাৰতৰ* বনপর্বৰ পৰা লোৱা হৈছে। দেৱতাসকলৰ ৰজা ইন্দ্র আৰু শিৱক সন্তুষ্ট কৰি পাণ্ডৱ অর্জুনে কেনেদৰে পাশুপাত অস্ত্র লাভ কৰিছিল সেই কাহিনীকে আলম কৰি *কিৰাতার্জুনীয়ম্* মহাকাব্য ৰচিত হৈছে। পাশাখেলত কৌৰৱৰ হাতত পৰাজিত হৈ পাণ্ডৱসকলে দ্বৈতবনত বাস কৰাৰ পৰা মহাকাব্যখনৰ কাহিনীভাগ আৰম্ভ হৈছে। প্রথম আৰু দ্বিতীয় সর্গত পাশাখেলত পৰাজিত হোৱা পাণ্ডৱসকলক দ্বৈতবনত কবিয়ে উপস্থাপন কৰি দেখুৱাইছে। তৃতীয় সর্গত মহর্ষি ব্যাসৰ পৰামর্শ মতে মধ্যম পাণ্ডৱ অর্জুনে পাশুপাত অস্ত্র লাভৰ বাবে ইন্দ্রকীল পর্বতলৈ যোৱাৰ কথা বর্ণনা আছে। চতুর্থৰপৰা দ্বাদশ সর্গলৈ (৪-১২) অর্জুনৰ ঘোৰ তপস্যা, শিৱৰ কিৰাত ৰূপ ধাৰণৰ বর্ণনা আছে। ত্রয়োদশৰ পৰা পঞ্চদশ সর্গত (১৩-১৫) কিৰাত আৰু অর্জুনৰ যুদ্ধৰ বর্ণনা আছে। শেষৰ তিনিটা সর্গত অর্জুনৰ বীৰত্ব আৰু অর্জুনৰ কঠিন তপস্যাত প্রসন্ন হৈ ভগৱান শংকৰে তেওঁক পাশুপাত অস্ত্র প্রদান কৰা কাহিনীৰ বর্ণনা পোৱা যায়। অর্জুনে পাশুপাত অস্ত্র লৈ যুধিষ্ঠিৰৰ ওচৰলৈ প্রত্যাগমন কৰাৰ লগে লগে মহাকাব্যৰ সমাপ্তি ঘটে।

২.৬.২ *ৱাৱণবধম্*

এতিয়া *কিৰাতার্জুনীয়ম্* মহাকাব্যৰ পিছত আপুনি ভট্টি ৰচিত *ৱাৱণবধ* মহাকাব্যৰ বিষয়ে জানিব পাৰিব। ভট্টি ৰচিত *ৱাৱণবধ* মহাকাব্যখন *ভট্টিকাব্য* নামেৰেও জনাজাত। *ৰামায়ণৰ* কাহিনীৰ আধাৰত ৰচিত এই কাব্যখন ২২টা সর্গত বিভক্ত। কাব্যখনত ৰামচন্দ্রৰ জন্মৰে পৰা ৰাৱণবধৰ পিচত অযোধ্যাৰ ৰজা হিচাপে ৰামচন্দ্র অভিষিক্ত হোৱালৈ সকলোখিনি বর্ণিত হৈছে। ছাত্রক ব্যাকৰণ আৰু অলংকাৰৰ জ্ঞান দিবলৈ এই মহাকাব্যখন ৰচনা কৰা হৈছিল। কাব্যখন চাৰিটা কাণ্ডত বিভক্ত—

১। প্রকীর্ণ কাণ্ড (১-৫ সর্গলৈ)

২। অধিকাৰ কাণ্ড (৬-৯ সর্গলৈ)

৩। প্রসন্ন কাণ্ড (১০-১৩ সর্গলৈ)

৪। তিঙন্ত কাণ্ড (১৪-২২ সর্গলৈ)

প্রকীর্ণকাণ্ডত ৰামৰ জন্মৰপৰা বনবাসকালত সীতাহৰণ হোৱালৈ কাহিনীভাগ বর্ণিত হৈছে। এই কাণ্ডত প্রত্যয়ৰ বিষয়ে কোৱা হৈছে।

অধিকাৰ কাণ্ডত ব্যাকৰণৰ নিয়মসমূহ অতি সূক্ষ্মভাৱে বিচাৰ কৰা হৈছে। প্রসন্ন কাণ্ডত অলংকাৰৰ বিষয়ে কোৱা হৈছে। তিঙন্ত কাণ্ডত সংস্কৃত ব্যাকৰণৰ 'নবিধ লকাৰ'ৰ বিষয়ে কোৱা হৈছে। এনেদৰে মহাকবি ভট্টিয়ে কাব্যৰ মাজেৰে ব্যাকৰণৰ বিবিধ প্রয়োগৰ বিষয়ে আলোচনা কৰিছে।

২.৬.৩ *শিশুপালবধম্*

এতিয়া আপুনি মাঘ ৰচিত *শিশুপালবধ* মহাকাব্যৰ বিষয়ে জানিব পাৰিব। মাঘ ৰচিত *শিশুপালবধ* মহাকাব্যখন বিশটা (২০) সর্গত বিভক্ত। মহাকাব্যখনৰ কাহিনীভাগ *মহাভাৰত*ৰ সভাপর্ব আৰু *শ্রীমদ্ভাগৱতপুৰাণ*ৰ পৰা লোৱা হৈছে।

প্রথম সর্গত দেৱর্ষি নাৰদ আৰু শ্রীকৃষ্ণৰ মাজত শিশুপালক বধ কৰা বিষয় লৈ আলোচনা হয়।

দ্বিতীয় সর্গত বলৰাম, শ্রীকৃষ্ণ আৰু উদ্ধৱৰ মাজত ৰাজনীতি বিষয়ক কথাৰ আলোচনা হয়।


তৃতীয় সর্গৰ পৰা অষ্ঠম সর্গলৈ মুঠ ছটা সর্গত শ্রীকৃষ্ণই সৈন্যৰ সৈতে ইন্দ্রপ্রস্থলৈ যোৱাৰ বর্ণনা আছে। মাজৰ ষষ্ঠ সর্গত ঋতু বর্ণনা, সপ্তম সর্গত বনবিহাৰ বর্ণনা আৰু অষ্টম সর্গত জলক্রীড়াৰ বর্ণনা পোৱা যায়। নৱম আৰু দশম সর্গ দুটাত যদুকুলৰ দম্পতীসকলৰ মাজত হোৱা কাম-ক্রীড়া আৰু সৌন্দর্য, প্রসাধনাদিৰ বর্ণনা পোৱা যায়। একাদশ সর্গত ভগৱান শ্রীকৃষ্ণক নিদ্রাৰ পৰা জগাবলৈ ***বৈতালিক***সকলে প্রভাত বর্ণনাৰ গীত গায়। দ্বাদশ সর্গত শ্রীকৃষ্ণই সৈন্য-সামন্ত আৰু পৰিয়ালৰ সদস্যসকলৰ সৈতে যমুনা নদী পাৰ হোৱাৰ দৃশ্য বর্ণনা কৰা হৈছে। ত্রয়োদশ সর্গত পাণ্ডৱসকলে যমুনানদীৰ পাৰৰ পৰা শ্রীকৃষ্ণক আদৰি নিয়াৰ উল্লেখ আছে। চতুর্দশ সর্গত পিতামহ ভীষ্মৰ আজ্ঞামতে যুধিষ্ঠিৰে শ্রীকৃষ্ণলৈ যজ্ঞৰ আদ্যপূজা আগবঢ়ায় আৰু তেওঁলৈ প্রথম অর্ঘ প্রদান কৰে। পঞ্চদশ সর্গত শিশুপালৰ অত্যাচাৰিতা বর্ণিত হৈছে। ষোড়শ সর্গত দূতৰ মাধ্যমেৰে শিশুপালে ভগৱান শ্রীকৃষ্ণক তিৰস্কাৰ কৰাৰ কথা পোৱা যায়। সপ্তদশ সর্গত শিশুপালৰ বিপক্ষে কৃষ্ণৰ যুদ্ধযাত্রা আৰম্ভ হয়। শেষৰ তিনিটা সর্গত শ্রীকৃষ্ণ আৰু শিশুপালৰ সৈন্যৰ মাজত হোৱা যুদ্ধৰ বর্ণনা তথা শ্রীকৃষ্ণৰ সুদর্শন চক্রৰদ্বাৰা শিশুপালৰ মস্তক হৰণ হোৱাৰ দৃশ্য বর্ণিত হৈছে। এনেদৰে মাঘ ৰচিত *শিশুপালবধম্* মহাকাব্যৰ সমাপ্তি ঘটিছে।



বৈতালিক ঃ স্তুতি গায়ক।

২.৬.৪ *নৈষধচৰিতম্*

শিশুপালবধ মহাকাব্যৰ পিছত আপুনি এতিয়া *নৈষধচৰিতম্* মহাকাব্যৰ বিষয়ে জানিব। মহাকবি শ্রীহর্ষৰচিত *নৈষধচৰিতম্* মহাকাব্যখন *মহাভাৰতৰ* বনপর্বৰ নল-দময়ন্তী আখ্যানৰ আধাৰত ৰচিত হৈছে। মহাকাব্যখন বাইশটা সর্গত (২২) বিভক্ত। নিষাদদেশৰ ৰজা নল আৰু বিদর্ভৰ ৰজা ভীমৰ জীয়ৰী দময়ন্তীৰ প্রেম-কাহিনীয়েই কাব্যৰ প্রধান বিষয়বস্তু। মহাকাব্যখনৰ প্রথম সর্গত ৰজা নলৰ মৃগয়া বর্ণন, দ্বিতীয় সর্গত হংসৰ দ্বাৰা দময়ন্তীৰ সৌন্দর্যবর্ণন তথা নলৰ দ্বাৰা হংসক কুণ্ডিনপুৰীলৈ প্রেৰণ কৰাৰ বর্ণনা, তৃতীয় সর্গত দময়ন্তীৰ আগত হংসৰ দ্বাৰা নলৰ পুৰুষত্ব আৰু সৌন্দর্যৰ বর্ণনা, চতুর্থ সর্গত নলৰ দ্বাৰা দময়ন্তীৰ প্রতি থকা অনুৰাগৰ বর্ণনা, পঞ্চম সর্গত দময়ন্তীৰ স্বয়ম্বৰৰ আয়োজন আৰু ইন্দ্র, বৰুণ, অগ্নি তথা যমৰ দ্বাৰা ৰজা নলক অদৃশ্যভাৱে দূত হিচাপে দময়ন্তীৰ অন্তঃপুৰলৈ পঠোৱাৰ বর্ণনা, ষষ্ঠ সর্গৰ পৰা নৱম সর্গলৈ নলৰ দ্বাৰা দময়ন্তীৰ সম্মুখত চাৰিদেৱতাৰ (ইন্দ্র, বৰুণ, অগ্নি, যম) বাণী নিবেদন, দময়ন্তীৰ নলৰ প্রতি সদ্‌ভাৱ প্রদর্শন, দময়ন্তীৰ কান্দোন আৰু শেষত নলৰ দ্বাৰা দময়ন্তীৰ আগত আত্মপ্রকাশ, দশম সর্গত দময়ন্তীৰ স্বয়ম্বৰৰ বর্ণনা, দময়ন্তীৰ প্রসাধন আৰু সৌন্দর্যৰ সুন্দৰ বর্ণনা, একাদশ তথা দ্বাদশ সর্গত দময়ন্তীৰ স্বয়ম্বৰলৈ অহা ৰজাসকলৰ সুন্দৰ বর্ণনা, ত্রয়োদশ সর্গত স্বয়ম্বৰলৈ [illegible]ৰ ৰূপ ধাৰণ কৰি অহা চাৰিও দেৱতা আৰু নলৰ (সৰস্বতীৰ দ্বাৰা) বর্ণনা, চতুর্দশ [illegible]ত দময়ন্তীৰ নলৰ প্রতি থকা প্রেম দেখি চাৰি দেৱতাৰ প্রকৃত স্বৰূপ ধাৰণ আৰু [illegible]ত নলক দময়ন্তীৰ পতিৰূপে বৰণ, পঞ্চদশ সর্গত দৰা-কইনাৰ (নল-দময়ন্তীৰ) প্রসাধনৰ বর্ণনা, ষষ্ঠদশ সর্গত নল-দময়ন্তীৰ বিবাহ আৰু বিবাহকালীন ভোজৰ বর্ণনা।



সপ্তদশ সর্গত স্বর্গৰপৰা ঘূৰি অহা দেৱতাসকলৰ লগত কলিৰ কথোপকথন, অষ্টাদশ সর্গত নল-দময়ন্তীৰ প্রথম মিলনৰ সুন্দৰ বর্ণনা, তথা শেষৰ চাৰিটা সর্গত নল-দময়ন্তীৰ দৈনন্দিন ব্যৱহাৰিক জীৱন, দাম্পত্য প্রেম আদিৰ সুন্দৰ বর্ণনাৰে কাব্যখনৰ সমাপ্তি ঘটিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *ৰাৱণবধম্* কাব্য কোনে ৰচনা কৰিছিল ? কাব্যখনৰ বিষয়ে চমুকৈ লিখক (১৫০টা শব্দৰ ভিতৰত)

জানি থোৱা ভাল



কালিদাস, মাঘ, ভাৰবি, শ্রীহর্ষ আদি কবিৰ উপৰিও সংস্কৃত সাহিত্যত আৰু কিছু সংখ্যক কবি তথা তেওঁলোকৰ কীর্তিসমূহৰ বিষয়ে উল্লেখ পোৱা যায়। যেনে ঃ *পদ্মচূড়ামণি* নামৰ কাব্যৰ ৰচক বুদ্ধঘোষ, *ৰাৱণার্জুনীয়* কাব্যৰ

ৰচক ভীম, *হৰবিজয়* নামৰ মহাকাব্যৰ ৰচক ৰত্নাকৰ, *কপ্ফনাভ্যুদয়* গ্ৰন্থৰ ৰচক শিৱগোস্বামী, *ৰামচৰিত* আৰু *ভুবনাভ্যুদয়* নামৰ দুখন মহাকাব্যৰ ৰচক মহাকবি অভিনন্দ আৰু শংকুক, *হয়গ্ৰীববধ* কাব্যৰ ৰচক ভতৃমেঠ, *দশাৰতাৰচৰিত* কাব্যৰ ৰচক ক্ষেমেন্দ্ৰ, *শ্ৰীকণ্ঠ-চৰিতৰ* ৰচক মংখক *ধৰ্মশৰ্মাভ্যুদয়ৰ* ৰচক হৰিচন্দ্ৰ, *ত্ৰিষষ্ঠিশলাকাপুৰুষ চৰিতৰ* ৰচক হেমচন্দ্ৰ, *নেমিনিৰ্বাণৰ* ৰচক বাগ্ভট্ট, *ৰাঘৱপাণ্ডবীয়* আৰু *পাৰিজাতহৰণ* মহাকাব্যৰ ৰচক মাধৱভট্ট, *পৃথ্বিৰাজবিজয়* আৰু *শ্ৰীচিহ্ন* গ্ৰন্থৰ ৰচক ক্ৰমে চণ্ডিকবি আৰু বিল্বমংগল, *ৰামপালচৰিত* কাব্যৰ ৰচক সন্ধ্যাকৰনন্দী, *লিখনাৱলী*ৰ ৰচক বিদ্যাপতি, তথা চতুৰ্ভুজ নামৰ কবিৰ দ্বাৰা ৰচিত 'হৰিচৰিত' কাব্য উল্লেখযোগ্য।



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাক্-কালিদাসৰ যুগৰ কবি অশ্বঘোষে *বুদ্ধচৰিত* তথা *সৌন্দৰানন্দ* কাব্য ৰচনা কৰিছিল।
- অশ্বঘোষৰ পিচৰ যুগৰ মহাকবি কালিদাসে *কুমাৰসম্ভৱম্* আৰু *ৰঘুবংশম্* মহাকাব্য ৰচনা কৰিছিল।
- কালিদাসৰ সমসাময়িক মহাকবি প্ৰবৰসেনে *সেতুবন্ধ* আৰু কুমাৰদাসে *জানকীহৰণ* মহাকাব্য ৰচনা কৰিছিল।
- কালিদাসৰ পিচৰ যুগত চাৰিখন মহাকাব্যৰ ৰচনা হৈছিল। যেনে— ভাৰবিৰ *কিৰাতাৰ্জুনীয়ম্*, ভট্টিৰ *ৰাৱণবধ*, মাঘৰ *শিশুপালবধ* আৰু শ্ৰীহৰ্ষৰ *নৈষধচৰিত*।



২.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, হৰমোহন দেৰ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী, বুকলেণ্ড।

২) ভাগৱতী, কামাখ্যাচৰণ (২০০৩); *সংস্কৃত সাহিত্যৰ জিলিঙনি;* গুৱাহাটী গ্ৰন্থপীঠ।

ইংৰাজী গ্ৰন্থ ঃ

৩) Deka, I (2010) : *Sriharsha's Naisadhacaritam;* Delhi : New Bharatiy Book Corporation.

৪) Kale, M. R (1988) : *The Kiratarjumyam of Bharavi;* Delhi : Motilal Banarsidass Publishers Private Limited.

৫) Keith, A. B. (1973) : *A History of Sanskrit Literature*, Delhi : Oxford UP, et al.

৬) Krishnamacharior (2004) : *History of Classical Sanskrit Literature*; Delhi : Motilal Banarsidass Publishers Pvt. Ltd.

২.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ *সৌন্দৰানন্দ* কাব্যখন অশ্বঘোষৰ প্রথম মহাকাব্য... ...সর্গসমূহৰ বিষয়বস্তুৰ বর্ণনা, ইত্যাদি।

২নং প্রশ্নৰ উত্তৰ ঃ *বুদ্ধচৰিত* অশ্বঘোষৰ দ্বাৰা ৰচিত। ... ...সর্গসমূহৰ বিষয়বস্তুৰ বর্ণনা, ইত্যাদি।

৩নং প্রশ্নৰ উত্তৰ ঃ *কুমাৰসম্ভৱ* মহাকাব্যখন কালিদাসে ৰচনা কৰিছিল... ...সর্গসমূহৰ বিষয়বস্তুৰ বর্ণনা, ইত্যাদি।

৪নং প্রশ্নৰ উত্তৰ ঃ *ৰাৱণবধ* কাব্যখন ভট্টিয়ে ৰচনা কৰিছিল। ... ...সর্গসমূহৰ বিষয়বস্তুৰ বর্ণনা, ইত্যাদি।



২.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ প্রাক্-কালিদাসৰ মহাকবি আৰু মহাকাব্যৰ বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

প্রশ্ন ২ ঃ কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

প্রশ্ন ৩ ঃ কালিদাসোত্তৰ যুগৰ মহাকবি আৰু মহাকাব্যসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওঁক।

প্রশ্ন ৪ ঃ সংস্কৃত মহাকাব্যৰ লক্ষণসমূহৰ বিষয়ে নাতিদীর্ঘ আলোচনা আগবঢ়াওঁক।

প্রশ্ন ৫ ঃ *কিৰাতার্জুনীয়ম্* মহাকাব্যখন সংগ্রহ কৰি মহাকাব্যখনৰ কাহিনীভাগৰ চমু আলোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ চমুটোকা লিখক ঃ *সৌন্দৰানন্দ, কুমাৰসম্ভৱম্, সেতুবন্ধ, শিশুপালবধম্, নৈষধচৰিতম্।*

*** ***** ***

অধ্যায় ৩ ঃ সংস্কৃত নাট্য সাহিত্য

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ সংস্কৃত নাটকৰ উৎপত্তি

৩.৪ সংস্কৃত নাটকৰ লক্ষণ

৩.৫ সংস্কৃত নাটকৰ বৈশিষ্ট্য

৩.৬ সংস্কৃত নাটকৰ বিকাশ

৩.৬.১ কালিদাসৰ পূৰ্বৰ যুগৰ নাটক

৩.৬.২ কালিদাসৰ যুগৰ নাটক

৩.৬.৩ কালিদাসোত্তৰ যুগৰ নাটক

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত নাটকৰ উৎপত্তি সম্পর্কে জানিব পাৰিব
- সংস্কৃত নাটকৰ বিকাশৰ বিষয়ে অৱগত হ'ব পাৰিব
- কালিদাসৰ পূর্ব যুগ অর্থাৎ ভাসৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব
- কালিদাসৰ যুগৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব
- কালিদাসৰ পিছৰ যুগৰ নাটকসমূহৰ লগতো পৰিচিত হ'ব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ সাহিত্য শাখাৰ অন্তর্গত দ্বাদশ কাকতৰ এইটো তৃতীয় অধ্যায়। আপুনি ইতিমধ্যে সংস্কৃত কাব্য সাহিত্যৰ ভাগসমূহৰ বিষয়ে গম পালে। ইয়াৰ আগৰ অধ্যায়টিত কাব্য-সাহিত্যৰ এটি উল্লেখযোগ্য ভাগ মহাকাব্যৰ বিষয়েও সবিশেষ অধ্যয়ন কৰিলে। এতিয়া, এই অধ্যায়টিৰ জৰিয়তে আপুনি সংস্কৃত নাট্য সাহিত্যৰ লগত পৰিচিত হ'ব পাৰিব। অধ্যায়টিৰ শিৰোনাম 'সংস্কৃত নাট্য সাহিত্য'। প্রথমেই সংস্কৃত নাটকৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিব। তাৰ পিছত সংস্কৃত নাটকৰ বিকাশৰ ধাৰাৰ বিষয়ে জানিব। নাটকৰ বিকাশৰ ধাৰা

বুলিলে কালিদাসৰ পূৰ্বযুগ অৰ্থাৎ ভাসৰ নাটকসমূহৰ পৰা আৰম্ভ কৰি পিচৰ যুগৰ সংস্কৃত নাটকসমূহক বুজায়। ইয়াৰ পিছত কালিদাসৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব আৰু সৰ্বশেষত কালিদাসৰ পিছৰ যুগৰ নাট্যকাৰসকলৰ নাট্যকৃতিৰ সৈতেও পৰিচিত হ'ব পাৰিব।

৩.৩ সংস্কৃত নাটকৰ উৎপত্তি

এতিয়া প্ৰথমেই আপুনি সংস্কৃত নাটকৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিব। সংস্কৃত নাটকৰ উৎপত্তি বিষয়ে বিভিন্ন পণ্ডিতে বিভিন্ন মত পোষণ কৰিছে। পাশ্চাত্য পণ্ডিতসকলে ভাৰতীয় নাট্যকলাৰ উৎপত্তি বৈদিক যুগত হোৱা বুলি মন্তব্য কৰে। ভাৰতীয় পৰম্পৰা মতে এসময়ত দেৱগণৰ মনোৰঞ্জনৰ বাবে ব্ৰহ্মাই এক অভিনৱ নাট্যবেদৰ সৃষ্টি কৰে। ব্ৰহ্মাই নাট্যবেদ সৃষ্টি কৰাৰ সময়ত তেওঁক বিভিন্নজন দেৱতাই বিভিন্ন ধৰণেৰে সহায় কৰে আৰু স্বয়ং ব্ৰহ্মাইও চাৰিও বেদৰ পৰা ৰস সংগ্ৰহ কৰি *পঞ্চম* বেদ নাট্যৰ সৃষ্টি কৰে বুলি ভৰতমুনিৰ নাট্যশাস্ত্ৰত পোৱা যায়।

আন এজন পাশ্চাত্য পণ্ডিতৰ মতে মৃত বীৰসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ উদ্দেশ্যেৰে পতা অনুষ্ঠানত অভিনয় কৰা হৈছিল আৰু তাৰ মাধ্যমেৰে নাটকৰ উৎপত্তি হৈছিল।

আকৌ, আন এজন পণ্ডিতৰ মতে প্ৰাকৃতিক পৰিৱৰ্তন মানুহৰ সন্মুখত সজীৱৰূপে দেখুওৱাৰ অভিলাষেৰে নাটকৰ সৃষ্টি হৈছিল। আনহাতে, এজন জাৰ্মান পণ্ডিতৰ মতে পুতলা নাচৰপৰাই সংস্কৃত নাটকৰ উৎপত্তি হৈছিল।

কিছুমান পণ্ডিতৰ মতে নাটকৰ উৎপত্তিস্থল হৈছে ছায়া নাটক। কিন্তু এই মত সমীচীন নহয়। কাৰণ ছায়ানাটক, পুতলানাচ আদি প্ৰকৃত নাটক বা অভিনয়ৰ পূৰ্বে উৎপত্তি হোৱাটো সম্ভৱ নহয়। অৰ্থাৎ নাটক অবিহনে ছায়ানাটকৰ কথা ভাবিবই নোৱাৰি।

পশ্চিমীয়া দেশবোৰত মে' মাহত বৰ ধুমধামেৰে নৃত্য গীতৰ মাধ্যমেৰে মে' পোল উৎসৱ পালন কৰে। সেয়েহে কিছুমান পাশ্চাত্য পণ্ডিতে মত পোষণ কৰে যে 'মে'পোল' নামৰ লোকনৃত্যৰ পৰাই নাটকৰ উৎপত্তি হৈছে। এটি আখ্যান মতে ভাৰতৰ ইন্দ্ৰধ্বজ উৎসৱৰ সৈতে মে'পোল (Maypole) উৎসৱৰ মিল আছে বুলি কোৱা হয়। কিন্তু প্ৰকৃততে এনে ধৰণৰ ভুল সাদৃশ্যৰ ওপৰত ভিত্তি কৰি সংস্কৃত নাটকৰ উৎপত্তি হোৱা বুলি ক'ব নোৱাৰি।

আন এটা মতবাদ মতে কৃষ্ণলীলাক কেন্দ্ৰ কৰি সংস্কৃত নাটকৰ উৎপত্তি হৈছিল।

এজন জাৰ্মান পণ্ডিতৰ মতে সংস্কৃত নাটকত গ্ৰীক নাটকৰ প্ৰভাৱ আছে। সংস্কৃত নাটকত ব্যৱহাৰ হোৱা "যৱনী" আৰু "যৱনিকা" শব্দ দুটাৰপৰা ভাৰতীয় সংস্কৃত নাট্য-সাহিত্যত গ্ৰীকৰ প্ৰভাৱ পৰা বুলি ধাৰণা কৰা হয়। ৰংগমঞ্চ আৰু প্ৰসাধন কক্ষৰ মাজত আঁৰা কাপোৰখনৰ নামেই হৈছে "যৱনিকা"। কিন্তু গ্ৰীক নাটকৰ অভিনয়ৰ সময়ত মঞ্চৰ পিছৰ পিনে কোনো আঁৰ-কাপোৰ ব্যৱহাৰ নহয়। ইয়াৰ পৰাই প্ৰমাণিত হয় যে গ্ৰীক নাটকৰ প্ৰভাৱ ভাৰতীয় নাটকত দেখা নাযায়।

আচলতে দেখা যায় যে ভাৰতীয় সাহিত্যৰ মাজতেই সংস্কৃত নাটকৰ জন্ম হৈছিল। বৈদিক সাহিত্য আৰু ক্ৰিয়াকাণ্ডত নাটকৰ বীজ নিহিত হৈ আছিল আৰু পিছৰ কালত প্ৰতিভাসম্পন্ন নাট্যকাৰৰ প্ৰভাৱত ভাৰতীয় নাটক সমৃদ্ধ হৈছিল।

৩.৪ সংস্কৃত নাটকৰ লক্ষণ

ৰূপক, ৰূপকৰ সংখ্যা আৰু অভিনয়ৰ বিষয়ে অধ্যয়ন কৰাৰ পিছত আপুনি ইয়াত নাটকৰ লক্ষণৰ বিষয়ে অৱগত হ'ব। দহবিধ ৰূপকৰ ভিতৰত নাটকৰ নাম প্ৰথমতেই উল্লেখ কৰা হৈছে। নাটকৰ লক্ষণৰ বিষয়ে *সাহিত্যদৰ্পণত* কোৱা হৈছে—

"নাটকং খ্যাতবৃত্তং স্যাৎ পঞ্চসন্ধিসমন্বিতম্।
বিলাসৰ্দ্ধ্যাদি (বিলাস-ঋদ্ধি-আদি) গুণবদ্যুক্তং নানাবিভূতিভিঃ।।
সুখদুঃখসমুদ্ভূতি - নানাৰসনিৰন্তৰম্।
পঞ্চাদিকা দশপৰাস্তত্রাঙ্কাঃ পৰিকীৰ্ত্তিতাঃ।।
প্ৰখ্যাতৱংশো ৰাজৰ্ষিধীৰোদাত্তঃ প্ৰতাপৱান্।
দিব্যোহথ দিব্যাদিব্যো বা গুণৱান্ নায়কো মতঃ।
এক এব ভৱেদঙ্গী শৃঙ্গাৰো ৰীৰ এৱ ৱা।
অঙ্গমন্যে ৰসাঃ সৰ্বে কাৰ্য্যং নিৰ্বহণেহদ্ভুতম্।।
চত্বাৰঃ পঞ্চ ৱা মুখ্যাঃ কাৰ্য্যব্যাপৃত্পুৰুষাঃ।
গোপুচ্ছাগ্ৰসমগ্ৰন্তু বন্ধনং তত্ৰ কীৰ্ত্তিতম্।।

অৰ্থাৎ নাটকৰ কাহিনী প্ৰখ্যাত হ'ব লাগে। এই কাহিনী সদায় ইতিহাস, পুৰণি আখ্যান বা পুৰণি কাহিনীৰ পৰা গ্ৰহণ কৰিব লাগে। নাটকত পাঁচটা সন্ধিৰ প্ৰয়োগ অতি প্ৰয়োজনীয় (মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্শ আৰু উপসংহৃতি - এই পাঁচটা সন্ধি)। নাটক নানা ঐশ্বৰ্য্য আৰু ধীৰ দৃষ্টি আদিৰে পুষ্ট হব লাগে। নাটকৰ কাহিনী শৃঙ্গাৰকে (এবিধ ৰসৰ নাম) আদি কৰি নানা ৰস যুক্ত হব লাগে। নাটকত পাঁচটাৰ পৰা দহটা অঙ্ক (নাটকৰ একো একোটা খণ্ডক অঙ্ক বোলা হয়) থাকিব লাগে। নায়কজন সম্ভ্ৰান্ত বংশৰ ৰাজৰ্ষি (ঋষিৰ দৰে ৰজা) হ'ব লাগে আৰু তেওঁ *ধীৰোদাত্ত* (ধীৰ আৰু উদাত্ত) অৰ্থাৎ উদাৰ গুণসম্পন্ন হ'ব লাগে, নায়কজন প্ৰতাপশালী হ'ব লাগে। নায়কজন কেতিয়াবা দেৱতাও হ'ব পাৰে আকৌ কেতিয়াবা দেৱতা হৈয়ো মানুহৰ দৰে হ'ব পাৰে। নায়ক সদায় গুণৱান হ'ব লাগে। সংস্কৃত নাটকত শৃঙ্গাৰ বা বীৰ এই দুবিধ ৰসৰ ভিতৰত যি কোনো এটা ৰস প্ৰধান হ'ব লাগে আৰু আনবোৰ ৰস প্ৰধান ৰসৰ অঙ্গৰস (অৰ্থাৎ প্ৰধান ৰসৰ সহায়ক) হিচাপে থাকিব লাগে। নিৰ্বহণ সন্ধিত (নাটকৰ পঞ্চ সন্ধিত নিৰ্বহন সন্ধিটো পঞ্চম সন্ধি) অদ্ভুত ৰস থাকিব লাগে। নাটকৰ প্ৰধান কাহিনীৰ লগত চাৰি বা পাঁচজন পুৰুষ (চৰিত্ৰ) যুক্ত থাকিব লাগে। সন্ধিবোৰৰ আকাৰ ক্ৰমে গৰুৰ নেজডালৰ দৰে হ'ব লাগে অৰ্থাৎ গৰুৰ নেজডাল যিদৰে লাহে লাহে সৰু হৈ গৈ থাকে আৰু আগত কেৱল কিছুমান সৰু আৰু কিছুমান দীঘল চুলি থাকে সন্ধিৰ অৱস্থাটোও তেনেকুৱাই হ'ব লাগে (কিছুমান কাৰ্য মুখ সন্ধি আৰু কিছুমান কাৰ্য প্ৰতিমুখ সন্ধিতেই শেষ হ'ব লাগে আৰু বাকী সন্ধিবোৰতো কিছুমান নাটকীয় কাৰ্য সমাপ্ত হ'ব লাগে)। নায়কৰ চৰিত্ৰটো অতি স্পষ্ট হ'ব লাগে আৰু ৰস আৰু ৰস আদি (শৃঙ্গাৰ আদি ৰস) প্ৰকাশিত হ'ব লাগে। নায়কৰ বেলিকা কথাৰ কোনো গোপন অৰ্থ প্ৰকাশ পাব নালাগে আৰু নায়কৰ বচন সদায় চুটি সমাসযুক্ত হ'ব লাগে।

নাটকত অপ্রাসঙ্গিক অর্থ থাকিব নালাগে কিন্তু কিছুমান সৰু কথাৰ অর্থৰ ব্যাপকতা থাকিব লাগে (বিন্দু)। নায়কৰ চৰিত্র বহু কার্যৰ দ্বাৰা যুক্ত হ'ব নালাগে আৰু নাটকৰ মুখ্য বিষয় যাতে তেওঁৰ কার্য্যত প্রকাশ নাপায় তালৈ চকু ৰাখিব লাগে। তেওঁ বহুতো কার্যত যুক্ত হ'ব নালাগে আৰু তেওঁৰ সংলাপত (বচনত) বেছি পদ্য থাকিব নালাগে। নায়কৰ আৱশ্যক কর্ম্মত বিৰোধ থাকিব নালাগে। বহু দিনত সমাপ্ত হ'বলগীয়া বিষয়ৰ লগত নায়ক যুক্ত থাকিব নালাগে। নাটকত নায়কে সদায় তেওঁৰ ওচৰত থকা (অর্থাৎ নায়কে অনায়াসে পাব পাৰে তেনেকুৱা) তিনি বা চাৰিজনৰ লগতহে যুক্ত থাকিব লাগে।

৩.৫ সংস্কৃত নাটকৰ বৈশিষ্ট্য

আপুনি সংস্কৃত নাটকৰ লক্ষণ তথা উৎপত্তিৰ বিষয়ে গম পালে। এতিয়া সংস্কৃত নাটকৰ কিছু বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ব। সংস্কৃত নাটক সদায় মিলনান্তক হয় অর্থাৎ সংস্কৃত সাহিত্যত দুঃখান্তক নাটকৰ অভাৱ দেখা যায়।

সংস্কৃত নাটকত নান্দীৰ প্রয়োগ দেখা যায়। এই নান্দী পাঠৰ জৰিয়তে সূত্রধাৰৰ মুখেৰে নাট্যকাৰে নাটকৰ নির্বিঘ্ন অভিনয়ৰ পৰিসমাপ্তিৰ বাবে উপাস্য দেৱতালৈ প্রার্থনা জনায়। একে ধৰণেৰে নাটকৰ সমাপ্তিত মুখ্য পাত্রসমূহৰ, দেশ তথা দহৰ কল্যাণৰ বাবে প্রার্থনা কৰা হয়।

সংস্কৃত নাটকত উপস্থাপিত বিভিন্ন চৰিত্রসমূহৰ মুখত (উত্তম, মধ্যম আৰু নিম্ন চৰিত্র) বিভিন্ন ভাষা আৰোপ কৰা দেখা যায়। ৰজা, মন্ত্রী, দেৱ আদিৰ মুখত সংস্কৃত ভাষা আৰু স্ত্রী, শূদ্রাদিৰ মুখত প্রাকৃত ভাষা ব্যৱহাৰ হোৱা দেখা যায়।

সংস্কৃত নাটকত নটা ৰসৰ ভিতৰত শৃঙ্গাৰ বা বীৰক অংগী বা প্রধান ৰস হিচাপে আৰু অন্যান্য ৰসক অংগ ৰূপে পৰিবেশন কৰা হয়।

৩.৬ সংস্কৃত নাটকৰ বিকাশ

সংস্কৃত নাটকৰ বিকাশৰ ধাৰাক তিনিটা ভাগত ভগাব পাৰি। কালিদাসৰ পূর্বযুগ। কালিদাসৰ যুগ আৰু কালিদাসোত্তৰ যুগ। এতিয়া প্রথমেই আপুনি কালিদাসৰ পূর্বযুগৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব।

৩.৬.১ কালিদাসৰ পূর্বযুগৰ নাটক

কালিদাসৰ পূর্বযুগৰ নাটক বুলিলে ভাস ৰচিত নাটকসমুহকে বুজা যায়। ভাসে সর্বমুঠ তেৰখন নাটক ৰচনা কৰিছিল। সেইসমূহৰ নাম হ'ল— ১। *মধ্যমব্যায়োগ*, ২। *পঞ্চৰাত্র*, ৩। *দূতবাক্য*, ৪। *দূতঘটোৎকচ*, ৫। *কর্ণভাৰ*, ৬। *উৰুভংগ*, ৭। *প্রতিমা*, ৮। *অভিষেক*, ৯। *বালচৰিত*, ১০। *প্রতিজ্ঞাযৌগন্ধৰায়ণ*, ১১। *স্বপ্নবাসবদত্তা*, ১২। *অবিমাৰক* আৰু ১৩। *চাৰুদত্ত*।

এই নাটকসমূহৰ প্ৰথম ছয়খন *মহাভাৰতৰ* আধাৰত ৰচিত। *প্ৰতিমা* আৰু *অভিষেক ৰামায়ণৰ* আধাৰত ৰচিত। *বালচৰিতৰ* মূল আধাৰ *হৰিবংশ*। *প্ৰতিজ্ঞা যৌগন্ধৰায়ণ* আৰু *স্বপ্নবাসবদত্তা* বৃহৎ কথাৰ আধাৰত ৰচিত। *অবিমাৰক* আৰু *চাৰুদত্তৰ* বিষয়বস্তুৰ আধাৰ গ্ৰন্থ এতিয়ালৈ গম পোৱা নাযায়। ভাসৰ দ্বাৰা ৰচিত উক্ত নাটকসমূহৰ বিষয়ে জনসমাজ বহুদিনলৈ জ্ঞাত নাছিল। কিন্তু ১৯০৯ চনত মহামহোপাধ্যায় গণপতি শাস্ত্ৰীয়ে বৰ্তমানৰ কেৰালা ৰাজ্যৰ ত্ৰিবান্দ্ৰম নামৰ ঠাইত এই নাটকসমূহৰ ৩০০ বছৰ পুৰণি পাণ্ডুলিপি উদ্ধাৰ কৰে। গ্ৰন্থসমূহৰ সমালোচনাত্মক পৰীক্ষা কৰি তথা নাটক কেইখনৰ মাজত থকা বহুতো সাদৃশ্য দেখি শাস্ত্ৰী মহোদয়ে এই সিদ্ধান্তত উপনীত হয় যে এই তেৰখন গ্ৰন্থৰ ৰচক একেজনেই আৰু ৰচকজন হৈছে মহাকবি ভাস। পণ্ডিতসমাজে বিভিন্ন যুক্তিৰ আধাৰত ভাসৰ সময়ৰ উচ্চতম সীমা খ্ৰীষ্টপূৰ্ব ৪৫০ আৰু নূন্যতম সীমা খ্ৰীষ্টপূৰ্ব ৩৭০ চন বুলি ধাৰণা কৰে।

এতিয়া আপোনাক ভাস ৰচিত নাটকসমূহৰ বিষয়বস্তুৰ লগত অৱগত কৰাব বিচাৰিছো। প্ৰথমেই *মহাভাৰতৰ* আধাৰত ৰচিত এক অংকৰ *মধ্যমব্যায়োগ* নামৰ নাটকৰ বিষয়বস্তুলৈ আহিছো। নাটকত হিড়িম্বাপুত্ৰ ঘটোৎকচে মাকৰ আদেশ মতে ভোজনৰ বাবে এজন ব্ৰাহ্মণ সন্তানক বধ কৰিবলৈ উদ্যত হোৱা সময়তে দৈৱক্ৰমে মধ্যমপাণ্ডৱ ভীমৰ সৈতে ভেটা-ভেটি হয়। দুয়োৱে মাজত (ভীম আৰু ঘটোৎকচ) তুমুল যুদ্ধ হয় আৰু শেষত দুয়ো হিড়িম্বাৰ ওচৰ পায়। মাকে (হিড়িম্বাই) পিতা-পুত্ৰক (ভীম আৰু ঘটোৎকচক) চিনাকী কৰাই দিয়ে আৰু ব্ৰাহ্মণ সন্তানজন আসন্ন মৃত্যুৰ মুখৰপৰা ৰক্ষা পৰে। আচলতে ব্ৰাহ্মণ সন্তান হৰণৰ মাধ্যমেৰে হিড়িম্বা আৰু ভীমৰ মিলনেই হৈছে এই নাটকৰ মূল বিষয়বস্তু।

মহাভাৰতৰ বিৰাটপৰ্বৰ ঘটনাক আশ্ৰয় কৰি *পঞ্চৰাত্ৰ* নামৰ নাটকখন ৰচিত হৈছে। ঘটনা অনুসৰি দুৰ্যোধনে যজ্ঞ এটি সমাপন কৰি দ্ৰোণাচাৰ্যক দক্ষিণা দিবলৈ ইচ্ছা প্ৰকাশ কৰে। দ্ৰোণে এই সুযোগতে দক্ষিণা স্বৰূপে পাণ্ডৱসকলক আধা ৰাজ্য ঘূৰাই দিয়াৰ প্ৰস্তাৱ কৰে। পাঁচ ৰাতিৰ ভিতৰতে পাণ্ডৱসকলক বিচাৰি দিব পাৰিলে দুৰ্যোধনে দ্ৰোণৰ প্ৰস্তাৱ কাৰ্যত ৰূপায়িত কৰিব বুলি মান্তি হয়। দ্ৰোণে বহু যত্ন কৰি বিৰাট নগৰত পাণ্ডৱসকলৰ সন্ধান পালে আৰু চৰ্ত অনুসৰি ৰাজ্যৰ আধা অংশ দান কৰে। এনেদৰে তিনিটা অংকত বিভক্ত *পঞ্চৰাত্ৰ* নাটকৰ অন্ত পৰে।

মহাভাৰতৰ আধাৰত ৰচিত *দূতবাক্য* নাটকখন এটা অংকত ৰচিত। এই খনক ভাসৰ দ্বাৰা ৰচিত প্ৰথম নাটক বুলি কোৱা হয়। ঘটনাৰ বিষয়বস্তু অনুসৰি পঞ্চপাণ্ডৱে সন্ধিৰ প্ৰস্তাৱ আগবঢ়াই শ্ৰীকৃষ্ণক দূত হিচাপে কৌৰৱৰ ওচৰলৈ পঠায়। কৌৰৱৰ ৰাজসভাত শ্ৰীকৃষ্ণ আৰু দুৰ্যোধনৰ মাজত তৰ্ক-বিতৰ্ক হয় আৰু দুৰ্যোধনে শ্ৰীকৃষ্ণক বন্দী কৰিবলৈ চেষ্টা কৰাত তেওঁ বিশ্বৰূপ ধাৰণ কৰে। তেতিয়া ধৃতৰাষ্ট্ৰই শ্ৰীকৃষ্ণক স্তুতি কৰি শান্ত কৰিবলৈ সক্ষম হয়। এনেদৰে সন্ধিৰ প্ৰস্তাৱ সফল নোহোৱাত শ্ৰীকৃষ্ণ পাণ্ডৱ শিৰিৰলৈকে উভতি যায়।

*মহাভাৰত*ৰ কাহিনীৰ আধাৰত ৰচিত মহাকবি ভাসৰ আন এখন নাটক হৈছে *দূতঘটোৎকচ*। নাটকখনৰ বিষয়বস্তু অনুসৰি জয়দ্রথকে আদি কৰি সাতগৰাকী বীৰে অর্জুনপুত্র অভিমন্যুক অন্যায়ভাৱে বধ কৰাত তাৰ প্রতিশোধৰূপে অর্জুনে জয়দ্রথক বধ কৰিবলৈ প্রতিজ্ঞা কৰে। তেতিয়া শ্রীকৃষ্ণই হিড়িম্বাৰ পুত্র ঘটোৎকচক কৌৱৰসকলৰ আগন্তুক বিপদৰ কথা জনাবলৈ দূত হিচাপে কৌৱৰৰ ৰাজসভালৈ পঠায়। দুতৰ সৈতে কৌৱৰসকলৰ বাদানুবাদ হয় আৰু ঘটোৎকচে শ্রীকৃষ্ণৰ বাণী সকলোকে শুনাই প্রত্যাবর্তন কৰে।

*মহাভাৰত*ৰ কাহিনীৰ আধাৰত ৰচিত ভাসৰ *কর্ণভাৰম্* নামৰ নাটকখন এটা অংকত ৰচিত। এবাৰ কর্ণই পৰশুৰামৰ পৰা দিব্য কবচকুণ্ডল লাভ কৰে। কিন্তু পৰশুৰামে কর্ণক সকীয়াই থ'লে যে যথাসময়ত এই কবচকুণ্ডলে কাম নিদিব। অর্জুনে যি সময়ত যুদ্ধ কৰিবলৈ কর্ণৰ ওচৰ পায়, সেই সময়ত ইন্দ্রই ব্রাহ্মণৰ ৰূপ ধাৰণ কৰি কবচকুণ্ডল কর্ণৰ পৰা দান স্বৰূপে খুজিলে। কর্ণইও নিজৰ সর্বনাশ মাতি কবচকুণ্ডল ব্রাহ্মণৰূপী ইন্দ্রক দান কৰে। পিছতহে কর্ণই এজন দেৱদূতৰ পৰা ব্রাহ্মণৰূপী ইন্দ্রৰ প্রকৃত স্বৰূপ গম পায়।

*ঊৰুভংগ*নামৰ নাটকখনত ভীম আৰু দুর্যোধনৰ মাজত হোৱা ভয়ংকৰ গদাযুদ্ধৰ বর্ণনা পোৱা যায়। গদাযুদ্ধত দুর্যোধনৰ ঊৰুভংগ হৈ মৃত্যু ঘটে। নাটকত দুর্যোধনৰ পুত্র আৰু পত্নীৰ বিলাপৰ বর্ণনা আছে।

ভাসৰচিত *প্রতিমা* নাটকখন *ৰামায়ণ*ৰ কাহিনীৰ আধাৰত ৰচিত। ই সাতটা অংকত বিভক্ত। নাটকখনত ৰামৰ বনবাসৰপৰা আৰম্ভ কৰি ৰাৱণবধলৈকে ঘটনা প্রৱাহৰ বিৱৰণ আছে। নাটকখনৰ তৃতীয় অংকত ভৰতে মোমায়েকৰ ঘৰৰপৰা অযোধ্যা লৈ উভতি আহোঁতে অযোধ্যাৰ প্রতিমা মন্দিৰত পৰলোকগত পূর্বপুৰুষসকলৰ সৈতে পিতৃ দশৰথৰ প্রতিমাও দেখিবলৈ পায়। প্রতিমাৰ জৰিয়তে পিতৃ দশৰথৰ বিয়োগৰ কথা জনা বাবে নাটকখনৰ নাম *প্রতিমা* হয়। নাটকখনত ৰাৱণৰ সীতাহৰণ, ৰাৱণৰ অস্ত্রাঘাতত জটায়ুৰ মৃত্যু, সীতাক উদ্ধাৰ কৰাৰ বাবে ভৰতৰ ৰামলৈ সৈন্য-সামন্ত প্রেৰণ, ৰাম-ৰাৱণৰ যুদ্ধত ৰাৱণবধ, তথা ভৰতৰ দ্বাৰা ৰামৰ হাতত অযোধ্যাৰ ৰাজ্যভাৰ প্রদান আদি ঘটনাসমূহ বর্ণিত হৈছে।

ছয়টা অংকত বিভক্ত *অভিষেক* নাটকখনো *ৰামায়ণ*ৰ আধাৰত ৰচিত। নাটকখনত সীতা হৰণৰ পৰা ৰাৱণবধ তথা ৰামৰ অভিষেকলৈকে কথাবস্তু বর্ণিত হৈছে। নাটকখনত বালিবধ, হনুমানৰ লংকাত প্রৱেশ কৰি সীতাক সাক্ষাৎ, লংকাত হনুমানক বন্ধন, ৰাৱণক ৰামেৰে মিত্রতা কৰিবলৈ বিভীষণৰ উপদেশ প্রদান, বিভীষণৰ ৰামত শৰণ, ৰাম-ৰাৱণৰ যুদ্ধ, ৰাৱণৰ যুদ্ধত মৃত্যু, লংকাত বিভীষণৰ আৰু অযোধ্যাত ৰামৰ অভিষেক আদি বিষয় আলোচিত হৈছে।

বালচৰিত নাটকত শ্রীকৃষ্ণৰ জন্মৰ পৰা কংসবধলৈকে সংঘটিত ঘটনাৱলী বর্ণিত হৈছে। শ্রীকৃষ্ণৰ বাল্যলীলা, কৃষ্ণৰ দ্বাৰা কংসবধ, কংসবধৰ পিছত কংসৰ পিতৃ

উগ্রসেনৰ পুনৰাভিষেক, ইত্যাদি ঘটনাৰ পিছত কৃষ্ণৰ গুণানুকীর্তনেৰে নাটকখনৰ সমাপ্তি ঘটিছে।

প্রতিজ্ঞাযৌগন্ধৰায়ণ নাটকত বৎসৰাজ উদয়ন আৰু অৱন্তীকুমাৰী বাসৱদত্তাৰ প্রণয় কাহিনী বর্ণিত হৈছে। নাটকৰ বিষয়বস্তু অনুসৰি উদয়ন হ'ল এজন সুসংগীতজ্ঞ আৰু তেওঁ বাসবদত্তাক সংগীত শিক্ষা প্রদান কৰে। এনেদৰে দুয়োজনাৰ মাজত প্রেমভাব গঢ়ি উঠে আৰু এই কার্যত দুয়োকে মন্ত্রী যৌগন্ধৰায়ণে সহায় কৰে।

স্বপ্নবাসবদত্ত নাটকখন হৈছে ভাসৰ সর্বোৎকৃষ্ট নাটক। এইখন নাটকৰ বিষয়বস্তু *প্রতিজ্ঞাযৌগন্ধৰায়ণ* নাটকৰ পৰবর্তী ঘটনাৰ ওপৰত আধাৰিত। ৰজা উদয়ন মহাসেন কন্যা বাসবদত্তাৰ প্রেমত ইমানেই মতলীয়া হৈ পৰিছিল যে তেওঁ ৰাজ্যৰ কাম-কাজৰ প্রতি অমনোযোগী হৈ পৰে। ফলত তেওঁৰ ৰাজ্যৰ বহু অংশ আন শত্রু ৰজাৰ কবলত পৰে। তেতিয়া মহামন্ত্রী যৌগন্ধৰায়ণে হৃতৰাজ্য উদ্ধাৰৰ বাবে মগধৰাজ দর্শকৰ ভনীয়েক পদ্মাৱতীৰ সৈতে উদয়নৰ বিবাহ পাতি মগধৰ সৈন্যদলৰ সহায়ত উদয়নৰ হেৰোৱা ৰাজ্য উদ্ধাৰৰ বাবে যোজনা চলায়। এই কার্য্যৰ বাবে যৌগন্ধৰায়ণে ৰাণী বাসবদত্তাক নিজৰ বিশ্বাসত লৈ দুয়োজনেই (যৌগন্ধৰায়ণ আৰু বাসবদত্তা) লাবানকত অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰা বুলি উৰাবাতৰি প্রচাৰ কৰে। আনহাতে পৰিব্রাজকৰ বেশত যৌগন্ধৰায়ণে পদ্মাৱতীৰ ওচৰলৈ গৈ নিজৰ ভগ্নী বুলি পৰিচয় দি অবন্তিকাৰেশিনী বাসবদত্তাক ন্যাসৰূপে কিছুদিনৰ বাবে ৰাখিবলৈ পদ্মাৱতীক সন্মত কৰায়। ৰজা উদয়নৰ পদ্মাৱতীৰ লগত বিবাহৰ যো-জা চলে যদিও তেওঁ বাসবদত্তাৰ বিৰহত কাতৰ হৈ থাকে আৰু সেই কথা বাসবদত্তা আৰু পদ্মাৱতীয়েও গম পায়। এদিনাখন গধূলি ৰজা উদয়ন সমুদ্রগৃহৰ শয্যাত বিশ্রাম কৰি থাকোতে বাসবদত্তাই পদ্মাৱতীক বিচাৰি সেই ঠাই গৈ পায়। বাসবদত্তাই উদয়নক পদ্মাৱতী বুলি ভাবি তেওঁৰ শয্যাৰ ওচৰত শুই দিয়ে। সেই সময়তে ৰজাই সপোনত বাসবদত্তাক দেখি মাতে আৰু বাসবদত্তাইও ৰজাক সঁহাৰি জনায় আৰু ওলমি থকা হাতখন উঠাই দি তাৰ পৰা ওলাই যায়। ৰজাই সাৰ পাই বাসবদত্তাক বিচাৰে যদিও বসন্তকে তালৈ আহি ৰজাৰ ভ্রম দূৰ কৰিবলৈ চেষ্টা কৰে। ইফালে উদয়নৰ ৰাজ্য উদ্ধাৰ হয় আৰু ঘটনাৰ সকলো ৰহস্য দূৰ হয়। ফলত ৰজা আৰু বাসবদত্তাৰ পুনর্মিলন হয়। এয়াই হৈছে *স্বপ্নবাসবদত্তম্* নাটকৰ মূল বিষয়বস্তু।

ভাসৰ *অৰিমাৰক* নাটক লোককথাৰ আধাৰত ৰচিত। নাটকত মহাৰাজ কুন্তীভোজৰ কন্যা কুৰংগী আৰু মহাৰাজ সৌবীৰৰ ৰাজকুমাৰ অৰিমাৰকৰ প্রণয়কাহিনী বর্ণিত হৈছে। সৌবীৰ ৰজাই শাপভ্রষ্ট হৈ পৰিয়ালৰ সৈতে কুন্তীভোজৰ ৰাজ্যত আত্মগোপন কৰি থাকোঁতেই *অৰিমাৰক* নাটকৰ কথাবস্তু আৰম্ভ হয়। নায়ক অবিমাৰকে এটা হাতীৰ কবলৰ পৰা নায়িকা কুৰংগীক ৰক্ষা কৰে আৰু দুয়োজনৰে পাৰস্পৰিক প্রেমৰ সূচনা হয়। এবাৰ অবিমাৰকে কুন্তিভোজৰ হাতত ধৰা পৰিলত ৰজাই তেওঁক প্রাণদণ্ডৰ আদেশ দিয়ে। সেই সময়তে নাৰদে উপস্থিত হৈ ৰজাক সকলো কথা ভালদৰে বুজাই দিয়াত নাৰদৰ কথা অনুসৰি নাটকৰ নায়ক আৰু নায়িকাৰ বিবাহ সম্পন্ন হয়।

চাৰুদত্ত নাটকখন ভাসৰ অন্তিম ৰচনা বুলি কোৱা হয়। উজ্জয়িনীৰ ব্ৰাহ্মণ চাৰুদত্ত আৰু গণিকা বসন্তসেনাৰ প্ৰকৃত প্ৰেম কাহিনীয়েই এই নাটকৰ বিষয়বস্তু। বসন্তসেনাৰ শকাৰ নামৰ আন এজন প্ৰেমিক আছিল কিন্তু বসন্তসেনাই তেওঁৰ প্ৰতি অলপো আসক্ত নাছিল। দৰিদ্ৰ ব্ৰাহ্মণ চাৰুদত্তৰ লগত বসন্তসেনাৰ প্ৰেম বৰ সুন্দৰভাৱে নাটকখনত দেখুওৱা হৈছে। কোৱা হয় এই নাটকখন সম্পূৰ্ণ কৰাৰ আগতেই নাট্যকাৰ ভাসৰ পৰলোক প্ৰাপ্তি হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সংস্কৃত নাটকৰ বিকাশ কেনে ধৰণে হৈছে, সেই বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

৩.৬.২ কালিদাসৰ যুগৰ নাটক

আপুনি কালিদাসৰ আগৰ যুগৰ নাট্যকাৰ ভাসৰ নাটকসমূহৰ লগত পৰিচিত হ'ল। এতিয়া ভাসৰ পিছৰ যুগৰ মহান নাট্যকাৰ কালিদাসৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব। কালিদাস হৈছে সৰ্বকালৰ শ্ৰেষ্ঠ নাট্যকাৰ তথা কবি। কালিদাসে তিনিখন নাটক ৰচনা কৰিছিল। সেইসমূহ হৈছে— ১। *মালবিকাগ্নিমিত্ৰম্*, ২। *বিক্ৰমোৰ্বশীয়ম্* আৰু ৩। *অভিজ্ঞানশকুন্তলম্*। পণ্ডিতসমাজে কালিদাসৰ *মালবিকাগ্নিমিত্ৰম্* নাটকখনকেই তেওঁৰ প্ৰথম ৰচনা বুলি মানি লয়। আকৌ এইজনা নাট্যকাৰৰ *অভিজ্ঞানশকুন্তলম্* নাটকখনক সৰ্বাত্মকভাৱে শ্ৰেষ্ঠ ৰচনা বুলি গণ্য কৰে সুধী সমাজে।

মালবিকাগ্নিমিত্ৰম্ নাটকখন পাচঁটা অংকৰ সমষ্টি। নাটকখনৰ নায়ক অগ্নিমিত্ৰ আৰু নায়িকা মালবিকা। অগ্নিমিত্ৰ আছিল মৌৰ্যৰজা বৃহদ্ৰথৰ সেনাপতি পুষ্যমিত্ৰৰ পুত্ৰ। অগ্নিমিত্ৰ আৰু মালবিকাৰ প্ৰেমকাহিনী হৈছে এইখন নাটকৰ বিষয়বস্তু। মালবিকা আৰু অগ্নিমিত্ৰৰ বিবাহ সম্পন্ন হোৱাৰ লগে লগে নাটকৰ শুভ সমাপ্তি ঘটে।

মালবিকাগ্নিমিত্ৰম্ নাটকখনৰ প্ৰথম অংকত ৰজা অগ্নিমিত্ৰ আৰু বিদূষকৰ চৰিত্ৰৰ আবিৰ্ভাৱ দেখা যায়। বিদূষকে নাটকৰ নায়িকা মালবিকাৰ লগত ৰজাৰ কেনেদৰে মিলন সম্ভৱ হ'ব পাৰে সেই বিষয়ে আলোচনা কৰে। এই অংকত আন কিছুমান গুৰুত্বপূৰ্ণ কথাৰো সমাবেশ ঘটে। ৰজা অগ্নিমিত্ৰৰ পত্নীসকলৰ মাজত ঈৰ্ষা, ৰজাৰ কামপৰায়ণতা, প্ৰধানমহিষী ধাৰিণীৰ ধৈৰ্য তথা চতুৰতা আদি নানান বিষয় অতি সুন্দৰভাৱে নাটকখনত উপস্থাপিত হৈছে। মহাৰাণী ধাৰিণীয়ে যে ৰজাক মালবিকাৰ পৰা দূৰত ৰাখিবলৈ চেষ্টা চলাইছিল, সেই বিষয়টিও প্ৰথম অংকত স্পষ্ট হৈছে।

দ্বিতীয় অংকত নাটকৰ নায়িকা মালবিকাৰ নৃত্য-গীতৰ প্ৰদৰ্শন হয়। নৃত্য-গীতৰ মাজেৰে মালবিকাই ৰজাৰ প্ৰতি প্ৰণয়ভাৱ ব্যক্ত কৰে। মুঠতে দ্বিতীয় অংকত ৰজা আৰু মালবিকা পৰস্পৰে পৰস্পৰৰ প্ৰতি অনুৰক্ত হোৱা দেখা যায়।

তৃতীয় অংকত মালবিকাক উদ্যানত উদাসীন দেখা যায়। ৰজা অগ্নিমিত্রই বিদূষকৰ লগত উদ্যানত প্ৰবেশ কৰে আৰু মালবিকাৰ আগত নিজৰ প্ৰণয়ভাৱ ব্যক্ত কৰে। ইতিমধ্যে ৰজাৰ সৰুৰাণী ইৰাৱতীয়ে মালবিকা আৰু ৰজাৰ গোপন মিলনত বাধা প্ৰদান কৰে আৰু ৰজাই তিৰস্কাৰ কৰি গুচি যায়।

চতুৰ্থ অংকত মহাৰাণী ধাৰিণীয়ে ৰজাৰ লগত সম্পৰ্ক থকা বাবে মালবিকাক গুপ্ত কোঠাত বন্দী কৰি থয়। গুপ্ত কোঠাৰ পৰা মালবিকাক উদ্ধাৰ কৰিবলৈ বিদূষকে বুদ্ধি এটা সাজিলে। তেওঁক সৰ্পই দংশন কৰাৰ ভাও কৰি মহাৰাণী ধাৰিণীৰ পৰা বিষনাশক আঙঠিটো লৈ সেই আঙঠিৰে গুপ্ত কোঠা খুলি মালবিকাক উদ্ধাৰ কৰা হয়।

পঞ্চম অংকত মালবিকা আৰু ৰজা অগ্নিমিত্ৰৰ বিবাহ সম্পন্ন হয়। এই বিবাহত মহাৰাণী ধাৰিণীৰ সন্মতিও দেখা যায়। *মালবিকাগ্নিমিত্ৰ* নাটকৰ বিষয়বস্তু চালে দেখা যায় যে নাটকৰ বিভিন্ন পৰিবেশ আৰু পৰিস্থিতিয়ে অগ্নিমিত্ৰৰ প্ৰেম-সিদ্ধিৰ বাবে সংযোজিত হৈছে। নাট্যকাৰে কিন্তু নায়িকা মালবিকাৰ চৰিত্ৰৰ সুন্দৰ উপস্থাপনত ব্যৰ্থ হোৱা যেন অনুভৱ হয়। ৰজাৰ মালবিকাৰ প্ৰতি যি আকৰ্ষণ তাত দৈহিক প্ৰেমৰ চিত্ৰণহে নাটকত দেখা যায়, আদৰ্শ প্ৰেমৰ নহয়। বিদূষকৰ মধ্যস্থতাতে ৰজাৰ আৰু মালবিকাৰ মাজত মিলন সম্ভৱ হয়। নাটকীয় দিশৰ পৰা চালেও নাটকখন উচ্চ খাপৰ যেন অনুমান নহয়।

বিক্ৰমোৰ্ৱশীয়ম্ হৈছে কালিদাসৰ দ্বাৰা ৰচিত দ্বিতীয়খন নাটক। এইখন নাটকতো পাঁচটা অংক আছে। নাটকৰ নায়ক হৈছে পুৰূৰবা আৰু নায়িকা উৰ্বশী। চন্দ্ৰবংশীয় ৰজা পুৰূৰবা আৰু উৰ্বশীৰ প্ৰেম কাহিনীয়েই কালিদাসৰ এইখন নাটকৰ প্ৰধান বিষয়বস্তু।

বৈদিক আৰু লৌকিক সাহিত্যৰ বিভিন্ন গ্ৰন্থত উৰ্বশী পুৰূৰবাৰ প্ৰেমকাহিনী বৰ্ণিত হৈছে। *ঋগ্বেদ, শতপথ ব্ৰাহ্মণ* আৰু *পুৰাণত* এই কাহিনীৰ উল্লেখ আছে। নাটকৰ প্ৰথম অংকত দেখা যায় যে ভগৱান শংকৰক পূজা-অৰ্চনা কৰি নায়িকা (অপ্সৰা) উৰ্বশীয়ে কৈলাশ পৰ্বতৰ পৰা ইন্দ্ৰলোকলৈ উভতি আহে। উভতি আহোঁতে মাজবাটতে তেওঁক কেশী নামৰ এটা অসুৰে আক্ৰমণ কৰে। তেতিয়া উৰ্বশীয়ে চিঞৰ-বাখৰ কৰাত ৰজা পুৰূৰবাই শুনা পায় আৰু ৰজাই উৰ্বশীক দৈত্যৰ আক্ৰমণৰ পৰা মুক্ত কৰে। এই ঘটনাৰ পৰাই উৰ্বশী আৰু পুৰূৰবা পৰস্পৰে পৰস্পৰৰ প্ৰতি অনুৰক্ত হয় বুলি নাটকত উল্লেখ আছে।

দ্বিতীয় অংকত দেখিবলৈ পোৱা যায় যে ৰজাই উৰ্বশীৰ প্ৰতি থকা তেওঁৰ প্ৰণয়ভাৱৰ কথা বিদূষকক ব্যক্ত কৰে। এই কথাবোৰ উৰ্বশীয়ে তেওঁৰ বান্ধবীৰ সৈতে মনে মনে শুনি আছিল। ৰজাৰ মনৰ বাৰ্তা গম পাই উৰ্বশীয়ে গছৰ পাতত প্ৰেম-পত্ৰ লিখি ৰজালৈ বুলি দলিয়াই দিয়ে। কিন্তু পত্ৰখন ভুলবশতঃ ৰজালৈ নগৈ ৰজাৰ পাটমাদৈৰ ওচৰত পৰে।

তৃতীয় অংকত দেখা যায় যে ভৰতমুনিৰ নিৰ্দেশনাত এখন নাটক অভিনীত হয়। এই নাটকখনত উৰ্বশী নায়িকা আছিল। এই নাটকখন চলি থকা অৱস্থাত লক্ষ্মীৰ

চৰিত্রত অভিনয় কৰা নায়িকা উৰ্বশীয়ে অন্যমনস্ক হৈ পুৰুষোত্তমৰ ঠাইত ভুলবশতঃ ‘পুৰূৰবা’ৰনাম উচ্চাৰণ কৰে। এই লৈ মহামুনি ভৰত ক্রুদ্ধ হৈ উৰ্বশীক অভিশাপ দিলে। অভিশাপৰ ফলত উৰ্বশীয়ে পুৰূৰবাৰ ঔৰসত পুত্র সন্তান লাভ নকৰাকৈয়ে মৰ্ত্যলোকলৈ নামি আহিব লগা হয়। অৱশ্যে পিছত উৰ্বশী আৰু পুৰূৰবা প্রণয় পাশত আবদ্ধ হয়।

নাটকৰ চতুৰ্থ অংকত উৰ্বশীয়ে লতাৰ ৰূপ ধাৰণ কৰে। কাৰণ এদিন মন্দাকিনী নদীৰ তীৰত এগৰাকী বিদ্যাধৰ কুমাৰীৰ প্রতি পুৰূৰবা আকর্ষিত হয়। তেতিয়া উৰ্বশীয়ে দুখী মনেৰে গন্ধমাদন নামৰ পৰ্বতত থকা বনত প্রৱেশ কৰে। এই বনত যিয়ে প্রৱেশ কৰে তেওঁ লতালৈ ৰূপান্তৰিত হয়। সেয়ে উৰ্বশীও বনলৈ গৈ লতাত ৰূপান্তৰিত হ’ল। এই ঘটনাত পুৰূৰবা অত্যন্ত দুঃখিত হ’ল। এনেতে এদিন হঠাৎ দৈববাণী হ’ল আৰু দৈববাণীমতে পুৰূৰবাই সংগমনীয় মণি লগত লৈ লতাৰূপী উৰ্বশীক আলিংগন কৰে। ফলত পুৰূৰবাই পুনৰ উৰ্বশীক লাভ কৰিবলৈ সক্ষম হয়। পিছত ৰাজধানীলৈ আহি পোৱাত ৰজা আৰু উৰ্বশীৰ বিবাহ কার্য সম্পন্ন হয়।

পঞ্চম তথা অন্তিম অংকত এটা শেন চৰায়ে ৰজাৰ সংগমনীয় মণিটো থাপ মাৰি লৈ যাবলৈ চেষ্টা কৰে যদিও অকস্মাত এপাত শৰ আহি শেন চৰাইটোক বিদ্ধ কৰাত সি মাটিত বাগৰি পৰে। পিছত ৰজাই দেখা পালে যে সেই শৰপাতত এনেদৰে লিখা আছে— ‘পুৰূৰবাৰ পুত্র আয়ুস’। ৰজাই উৰ্বশীৰ পুত্র সন্তান জন্ম হোৱাটো গম পোৱা নাছিল। ইতিমধ্যে চ্যৱন মুনিৰ আশ্রমৰ পৰা এজনী তপস্বিনীয়ে এজন ল’ৰা লৈ ৰজাৰ ওচৰত উপস্থিত হয়। সেই ল’ৰাটো আছিল আয়ুস, অর্থাৎ উৰ্বশী আৰু পুৰূৰবাৰ পুত্র। এনেতে ইন্দ্রলোকৰ পৰা নাৰদমুনি আহি পুৰূৰবাক জনালে যে দেৱ-দানৱৰ যুদ্ধত পুৰূৰবাই দেৱতাসকলক সহায় কৰিব লাগিব আৰু তাৰ বিনিময়ত পুৰূৰবাই উৰ্বশীৰ লগত সদায় একেলগে থাকিবলৈ সক্ষম হ’ব। এনেদৰে নাটকৰ কাহিনীভাগত দেখা যায় যে পুৰূৰবা উৰ্বশীয়ে জীৱনৰ বাকীছোৱা কাল সুখেৰে থাকিল আৰু পুত্র আয়ুসক ইন্দ্রই যুৱৰাজ পদত অধিষ্ঠিত কৰে। এয়াই *বিক্রমোৰ্বশীয়* নাটকৰ মূল কাহিনী।

অভিজ্ঞানশকুন্তলম্ হৈছে কালিদাসৰ শ্রেষ্ঠ আৰু অন্তিম নাটক। নাটকখন সাতটা অংকত বিভক্ত। নাটকৰ নায়িকা হৈছে শকুন্তলা আৰু নায়ক ৰজা দুষ্যন্ত। দুয়োজনাৰ প্রেমকাহিনীয়েই হৈছে নাটকৰ বিষয়বস্তু। নাটকৰ কাহিনীভাগ *মহাভাৰতৰ* আদিপর্বৰ পৰা লোৱা হৈছে। নাটকৰ প্রথম অংকত মৃগয়ার্থী ৰজা দুষ্যন্তই কন্বমুনিৰ আশ্রমত প্রবেশ কৰি কন্বমুনিৰ অনুপস্থিতিত দুগৰাকী সমবয়সীয়া কিশোৰীৰ সৈতে অপৰূপা শকুন্তলাক দর্শন কৰে। তাৰ পিছত ৰজাই দ্বিতীয় অংকত ঋষিসকলৰ আমন্ত্রণক্রমে সাৰথিৰ সৈতে আশ্রমতে যজ্ঞৰক্ষার্থে থাকে। তৃতীয় অংকত ৰজা দুষ্যন্তৰ প্রতি থকা শকুন্তলাৰ প্রেমাসক্তিৰ উল্লেখ পোৱা যায়। ৰজা দুষ্যন্ত আৰু শকুন্তলাৰ প্রেম প্রণয়ৰ অগ্রগতিত শকুন্তলাৰ দুই সখী প্রিয়ম্বদা আৰু অনসূয়াই যথেষ্ট অৰিহণা যোগায়। ৰজাই শকুন্তলাৰ ওচৰত গান্ধর্ববিবাহৰ প্রস্তাৱ আগবঢ়ায়। চতুৰ্থ অংকত ৰজাই শকুন্তলাক

আশ্রমতে এৰি নিজ ৰাজ্যলৈ প্রত্যাবর্তন কৰে। লগতে তেওঁ শকুন্তলাকো সোনকালে নিজ ৰাজধানীলৈ লৈ যোৱাৰ প্রতিশ্রুতি দি নিজৰ নামাঙ্কিত আঙঠি প্রদান কৰি যায়। ইফালে দুষ্যন্তৰ প্রেমত নিমগ্ন শকুন্তলাই দুর্বাসাৰ (আশ্রমত) উপস্থিতি গম নাপায়। দুর্বাসাই শকুন্তলাৰ পৰা আতিথ্য লাভ নকৰি শকুন্তলাক অভিশাপ দিয়ে যে শকুন্তলাই যাৰ কথা ভাবি তেওঁক সমাদৰ কৰা নাই, সময়ত সেই ব্যক্তিয়েই তেওঁক পাহৰি যাব। ইতিমধ্যে কণ্ব তীর্থ ভ্রমণৰ পৰা উভতি আহি পালিতা কন্যা শকুন্তলা সন্তান সম্ভৱা বুলি গম পাই শকুন্তলাক পতি গৃহলৈ পঠিয়াবলৈ আয়োজন কৰে।

পঞ্চম অংকত শকুন্তলা আশ্রমবাসীসকলৰ সৈতে ৰজা দুষ্যন্তৰ ৰাজসভাত উপস্থিত হয়। কিন্তু দুর্বাসাৰ শাপৰ প্রভাৱত ৰজাই শকুন্তলাৰ কথা মনত পেলাবলৈ অসমর্থ হয়। শকুন্তলাই ৰজাৰ নামাঙ্কিত আঙঠিটো ৰজাক দেখুৱাব খুজি নিজৰ আঙুলিত আঙঠিটো নাপাই বিব্রতা হৈ পৰে।

ষষ্ঠ অংকত ৰজা দুষ্যন্তই মাছমৰীয়া এজনৰ হাতত তেওঁৰ নামাঙ্কিত আঙঠিটো পাই শকুন্তলাৰ কথা স্মৰণ কৰিবলৈ সক্ষম হয়। নাটকখনৰ শেষৰ অংকত ৰজা দুষ্যন্তই নিজ পুত্র সর্বদমনক নাটকীয়ভাৱে দেখা পায়। এই অংকতে শকুন্তলা আৰু ৰজা দুষ্যন্তৰ পুনর্মিলন হয় আৰু কাশ্যপ মুনিৰ অনুমতি লৈ ৰজা দুষ্যন্তই পত্নীপুত্রসহ হস্তিনাপুৰলৈ যাত্রা কৰে। ইয়াতেই নাটকৰ সমাপ্তি ঘটে।



জানি থোৱা ভাল

কিম্বদন্তী মতে মহাকবি কালিদাস বিক্রমাদিত্য নামৰ ৰজা এজনৰ সভাকবি আছিল। কোৱা হয় যে ৰজা বিক্রমাদিত্যৰ সভাত যি নজন (৯) ৰত্নতুল্য পণ্ডিত আছিল তাৰে ভিতৰত এজন হ'ল কালিদাস। এই অভিমতৰ সপক্ষে এটি সুপ্রচলিত শ্লোক সদায় উপস্থাপন কৰা হয়। সেই শ্লোকফাঁকি হ'ল—

ধন্বন্তৰি-ক্ষপণক-অমৰসিংহ-শংকু-বেতালভট্ট-ঘটকর্পৰ-কালিদাসাঃখ্যাতো বৰাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি ৰৈ বৰৰুচির্নব বিক্রমস্য।। কালিদাসৰ ৰচনাসমূহত প্রায়ে উজ্জয়িনীৰ বর্ণনা, মহাকাল মন্দিৰৰ বর্ণনা আদিৰ পৰা অনুমান কৰা হয় যে মহাকবিজনাৰ জন্মস্থান আছিল উজ্জয়িনী অথবা পৰৱর্তী সময়ত তেওঁ উজ্জয়িনীত বসবাস কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ মালবিকাগ্নিমিত্রম্ নাটকৰ কাহিনীৰ চমু আভাস দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

৩.৬.৩ কালিদাসোত্তৰ যুগৰ নাটক

কালিদাসোত্তৰ যুগৰ নাটক বুলিলে শূদ্রকৰচিত *মৃচ্ছকটিকম্* নামৰ নাটকখনৰ কথাই প্রথমে উল্লেখ কৰিব পাৰিব। এইখন এখন সুপ্রসিদ্ধ প্রকৰণ শ্রেণীৰ ৰূপক। (নাটকৰ নিচিনা এইখনো এখন ৰূপক)। নাটকৰ প্রস্তাৱনাত পোৱা বিৱৰণ মতে ৰজা শূদ্রক হস্তিশাস্ত্রত পাৰ্গত আছিল। কিন্তু ৰজা শূদ্রক আৰু নাট্যকাৰ শূদ্রক এজন ব্যক্তি নে দুজন ভিন্ ভিন্ ব্যক্তি, সেই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ আছে। একেদৰে শূদ্রকৰ স্থিতিকাল সম্বন্ধেও পণ্ডিতসকল একমত নহয়। *মৃচ্ছকটিকত* দহটা অংক আছে। ই ভাসৰ *চাৰুদত্ত* নাটকৰ আধাৰত ৰচিত। চাৰুদত্ত নামে এজন ব্রাহ্মণ আৰু বসন্তসেনা নামেৰে উজ্জয়িনীৰ ধনী বেশ্যা এজনীৰ প্রণয় কাহিনীয়েই এই প্রকৰণৰ উপজীব্য বিষয়।

মৃচ্ছকটিক নাটকৰ বিষয়বস্তু তৎকালীন জনজীৱনৰ এখন দাপোণ। যি যুগত নাটকখন ৰচিত হৈছিল সেই সময়ৰ ৰাজনৈতিক ব্যৱস্থা অতি শোচনীয় আছিল। দেশত অৰাজকতা আছিল আৰু ৰজাসকলৰ চাৰিত্রিক অধঃপতন হৈছিল। ৰাজ্যত গুপ্তচৰ বিভাগ আছিল আৰু বেপাৰ-বাণিজ্যও যথেষ্ট চলিছিল। সমাজত ব্রাহ্মণসকলক বৰ সন্মান কৰা হৈছিল। আকৌ সমাজত চো�ৰ, লম্পট, জুৱাৰী, ধূর্ত আদিৰ অৱস্থিতি আছিল। সমাজত দাসপ্রথাও প্রচলিত আছিল। *মৃচ্ছকটিক* নাটকত সংস্কৃত ভাষাৰ উপৰিও মাগধী প্রাকৃত আৰু চাণ্ডালী, শকাৰী, অৱন্তিকা, প্রাচ্যা আদি বিভিন্ন ভাষাৰ প্রয়োগ হোৱা দেখা যায়। ইয়াৰ পৰা এইটোও অনুমান কৰিব পাৰি যে ইয়াৰ ৰচনাকাল পঞ্চম-ষষ্ঠ শতিকা। প্রকৃততে যথার্থ নাটক হিচাপে *মৃচ্ছকটিকত* থকা প্রত্যেকটো চৰিত্রই শক্তিশালী। নাটকখনত নায়ক চাৰুদত্ত, নায়িকা বসন্তসেনা, শকাৰ, শার্বিলক, মৈত্রেয় (বিদূষক), মদনিকা, ৰদণিকা আদি অনেক চৰিত্র অংকিত হৈছে। এই চৰিত্রবোৰৰ মাজেৰে সমাজৰ প্রত্যেক স্তৰৰ সৎ আৰু অসৎ অথবা ভাল আৰু বেয়া দিশবোৰ উপস্থাপিত হৈছে। ব্রাহ্মণ, ধূর্ত, বেশ্যা, লম্পট, চো�ৰ, জুৱাৰী, পুলিচ আদি বিভিন্ন চৰিত্রই সেই সমাজৰ তৎকালীন চিত্র এখনি দাঙি ধৰিবলৈ সক্ষম হৈছে। নাটকখনৰ নায়ক চাৰুদত্ত যদিও ব্রাহ্মণ যুৱক তথাপি কর্মত তেওঁ বণিক। তেওঁৰ ব্যক্তিত্বত উদাৰতা, ধর্মভীৰু স্বভাৱ, আদর্শপৰায়ণতা আদি অনেক গুণ বিদ্যমান। যদিও তেওঁ এসময়ত উজ্জয়িনীৰ এজন চহকী ব্যক্তি আছিল, কালক্রমত তেওঁ দুর্ভাগ্যবশতঃ দৰিদ্রতাৰ কবলত পৰে। অন্যহাতে নাটকৰ নায়িকা বসন্তসেনা বেশ্যা হ'লেও আছিল সম্ভ্রান্ত, আত্মসন্মানযুক্ত তথা এজনী আদর্শ প্রেমিকা। তেওঁ আছিল উজ্জয়িনীৰ বিখ্যাত গণিকা। গণিকা হ'লেও তেওঁৰ কর্ম আৰু আচৰণ আছিল মনোগ্রাহী। বসন্তসেনাৰ সান্নিধ্যত চাৰুদত্তৰ দাৰিদ্র্য জর্জৰিত মনো সজীৱ হৈ উঠিছিল। চাৰুদত্তৰ দৰিদ্রতা যদিও সমগ্র প্রকৰণখনৰ কথাবস্তুৰ কেন্দ্রবিন্দু তথাপি চাৰুদত্তৰৰ প্রতি থকা বসন্তসেনাৰ প্রণয়ে ইয়াক (প্রকৰণখনক) ভাৱপূর্ণ কৰি তুলিছে।

কালিদাসোত্তৰ যুগত *প্ৰিয়দৰ্শিকা*, *ৰত্নাৱলী* আৰু *নাগানন্দ* এই তিনিখন গ্ৰন্থ হৰ্ষবৰ্দ্ধনে ৰচনা কৰিছিল। এই গ্ৰন্থ তিনিখনৰ প্ৰথম দুখন নাটিকা আৰু শেষৰখন নাটক। হৰ্ষবৰ্দ্ধন আছিল থানেশ্বৰৰ ৰজা প্ৰভাকৰবৰ্দ্ধনৰ দ্বিতীয় পুত্ৰ। জ্যেষ্ঠ ভাতৃৰ মৃত্যুৰ পিছত তেওঁ ৰাজ্যভাৰ গ্ৰহণ কৰে আৰু তেওঁৰ ৰাজত্বকাল ৬০৬ খ্ৰীষ্টাব্দৰ পৰা ৬৪৫ খ্ৰীষ্টাব্দলৈ। হৰ্ষবৰ্দ্ধনৰচিত *প্ৰিয়দৰ্শিকা* চাৰিটা অংকৰ নাটিকা। ইয়াৰ কথাবস্তু গুণাঢ্যৰ *বৃহৎকথাৰ* পৰা লোৱা। নাটিকাখনৰ ৰচনা-শৈলীত মহাকবি কালিদাসৰ ৰচনাশৈলীৰ প্ৰভাৱ পৰিছে। বৎসৰ ৰজা উদয়ন আৰু মহাৰাজ দৃঢ়বৰ্মাৰ দুহিতা প্ৰিয়দৰ্শিকাৰ প্ৰণয় কাহিনীয়ে নাটিকাখনৰ বিষয়বস্তু। নাট্যকাৰে নায়িকাৰ নাম অনুসৰি নাটিকাখনৰ নাম *প্ৰিয়দৰ্শিকা* ৰাখিছে।

হৰ্ষবৰ্দ্ধন ৰচিত *ৰত্নাৱলী* নামৰ নাটিকাখনো চাৰিটা অংকৰ সমষ্টি। এই নাটিকাখনৰ বিষয়বস্তু হৈছে সিংহলৰ ৰাজকুমাৰী ৰত্নাৱলী আৰু মহাৰাজ উদয়নৰ প্ৰেম কাহিনী।

হৰ্ষবৰ্দ্ধনৰ ৰচনাৱলী অধ্যয়ন কৰি দেখা যায় যে শাস্ত্ৰীয় সিদ্ধান্ত সম্পূৰ্ণৰূপে মানি চলা সংস্কৃত সাহিত্যৰ ভিতৰত *ৰত্নাৱলী* এখন সফল নাটিকা। এই নাটকখনৰ নায়ক হৈছে উদয়ন।

নাগানন্দ নামৰ নাটকখন পাঁচটা অংকৰ সমষ্টি। নাটকখন দুটা ভাগত বিভক্ত— পূৰ্বাৰ্দ্ধ আৰু উত্তৰাৰ্দ্ধ। নাটকৰ পূৰ্বাৰ্দ্ধত বিদ্যাধৰ কুমাৰ জীমূতবাহন আৰু সিদ্ধকন্যা মলয়াবতীৰ প্ৰেম-কাহিনীৰ বৰ্ণনা আছে আৰু উত্তৰাৰ্দ্ধত জীমূতবাহনৰ দ্বাৰা গৰুড়ৰ সৰ্পভক্ষণ ত্যাগৰ কথা বৰ্ণনা কৰা হৈছে।

কালিদাসোত্তৰ যুগৰ আন এখন উল্লেখযোগ্য নাটক হৈছে *মুদ্ৰাৰাক্ষস*। ইয়াৰ ৰচক বিশাখদত্ত। নাটকখন সাতটা অংকত বিভক্ত। এইখন এখন পুৰুষ প্ৰধান নাটক। ইয়াত নাৰী চৰিত্ৰৰ উল্লেখ নাই। ইয়াত কোনো ধৰণৰ প্ৰেমকথা, হাস্যৰস বা শৃংগাৰ ৰসৰ উল্লেখ নাই। ই এখন সম্পূৰ্ণ ৰাজনীতিমূলক নাটক।

চাণক্যৰ চৰিত্ৰটোৱেই হৈছে এই নাটকৰ প্ৰাণকেন্দ্ৰ। তেওঁ অৰ্থাৎ চাণক্যই নন্দবংশ নিৰ্মূ ল কৰি নিজৰ অনুগত চন্দ্ৰগুপ্ত মৌৰ্য্যক মগধৰ সিংহাসনত বহু�ৱায়। কিন্তু চাণক্যই নন্দবংশৰ শেষৰ অনুগত মন্ত্ৰী 'ৰাক্ষস'ক চন্দ্ৰগুপ্তৰ পক্ষলৈ আনিবলৈ নোৱাৰালৈকে শান্তিত থাকিব পৰা নাছিল। সেয়েহে বিভিন্ন কৌশলেৰে মন্ত্ৰী ৰাক্ষসক নিজৰ হাতৰ মুঠিলৈ আনিবলৈ চাণক্যই অতি সংঘাতপূৰ্ণ প্ৰচেষ্টা চলায়। চাণক্যই এই কাৰ্য্যত সফলো হয়। এয়াই হৈছে *মুদ্ৰাৰাক্ষস* নাটকৰ উপজীব্য বিষয়।

সংস্কৃত নাট্য-সাহিত্যত কালিদাসৰ পিচতে ভৱভূতিৰ স্থান বুলি কোৱা হয়। নাট্যকাৰ ভৱভূতিয়ে তিনিখন নাটক ৰচনা কৰে। সেইসমূহ হৈছে— ১। *মহাবীৰচৰিত*, ২। *মালতী-মাধৱ* আৰু ৩। *উত্তৰ ৰামচৰিত*।

মহাবীৰচৰিত নাটক সাতটা অংকত বিভক্ত। ইয়াৰ কাহিনী ভাগ *ৰামায়ণৰ* পৰা লোৱা হৈছে। নাটকখনত ৰামৰ বিবাহ, ৰামৰ বনবাস, সীতাহৰণ আৰু ৰাৱণবধৰ

পাছত ৰামৰ অভিষেক আদি ঘটনাসমূহ বর্ণিত হৈছে। *মহাবীৰচৰিত* নাটকখন ভৱভূতিৰ প্রথম সৃষ্টি আৰু ই ভৱভূতিৰ এখন উৎকৃষ্ট নাটক বুলি ধৰা হয়।

মালতীমাধৱ নাটক নাট্যকাৰ ভবভূতিৰ দ্বিতীয় সৃষ্টি। প্রকৃততে ই এখন প্রকৰণ প্রকৃতিৰ ৰূপক। প্রকৰণৰ কাহিনী কবিকল্পিত হয়। মালতীমাধৱৰ কাহিনীভাগ দহটা অংকত বিভক্ত। নায়িকা মালতী আৰু নায়ক মাধৱৰ প্রেমকাহিনীয়েই ইয়াৰ প্রধান আলোচ্য বিষয়।

উত্তৰৰামচৰিত নাটক ভৱভূতিৰ সর্বশ্রেষ্ঠ আৰু অন্তিম নাটক বুলি কোৱা হয়। নাটকখন সাতটা অংকত বিভক্ত। ইয়াৰ কাহিনীভাগৰ উৎস *ৰামায়ণ*ৰ উত্তৰকাণ্ড। ৰাৱণবধৰ পিছত অযোধ্যাৰ সিংহাসনত ৰামৰ অভিশেষৰ পৰা সীতাবিসর্জন, অশ্বমেধ যজ্ঞানুষ্ঠান, লৱ-কুশৰ বীৰত্ব আদিৰ বর্ণনাই নাটকৰ আলোচ্য বিষয়।

কালিদাসোত্তৰ যুগৰ নাটকসমূহৰ ভিতৰত ভট্টনাৰায়ণ ৰচিত *বেণীসংহাৰ* নাটকখন অন্যতম। এই নাটকখন ছয়টা অংকত বিভক্ত। ইয়াৰ কাহিনীভাগ *মহাভাৰত*ৰ আধাৰত ৰচিত। ভীম, দুর্যোধন, অশ্বত্থামা, যুধিষ্ঠিৰ আৰু শ্রীকৃষ্ণ এই নাটকৰ প্রমুখ পুৰুষ চৰিত্র আৰু দ্রৌপদী তথা ভানুমতী অন্যতম স্ত্রীচৰিত্র। কৌৰৱৰ সভাত দুঃশাসনৰ হাতত অপমানিত হোৱাত নিজ অপমানৰ প্রতিশোধ নোলোৱা পর্যন্ত দ্রৌপদীয়ে বেণী নাবান্ধো বুলি প্রতিজ্ঞা কৰে। স্বয়ং ভীমেও দ্রৌপদীৰ অপমানৰ পোতক তুলিবলৈ দুঃশাসন আৰু দুর্যোধনৰ বধৰ প্রতিজ্ঞা কৰে। ভীমে দুর্যোধনৰ উৰুভংগ কৰিহে ৰক্তাক্ত হাতেৰে দ্রৌপদীৰ বেণী সংহাৰ কৰে। সেই বাবেই এই নাটকখনৰ নাম *বেণীসংহাৰ* হয়।

এতিয়া কালিদাসোত্তৰ যুগৰ আন কিছুসংখ্যক নাটকৰ বিষয়ে আপুনি জানিব পাৰিব। *তাপসবৎসৰাজ* নামৰ নাটকখন অনংগহর্ষই ৰচনা কৰে। অনংগহর্ষৰ অন্য এটা নাম মাতৃৰাজ আৰু এওঁৰ আবির্ভাৱ কাল অষ্টম শতিকাৰ উত্তৰার্দ্ধ। *তাপসবৎসৰাজ* নাটকখন ছয়টা অংকৰ সমষ্টি। বৎসৰাজ বিষয়ক নাটকসমূহৰ ভিতৰত এই নাটকখনৰ স্থান অতি মহত্বপূর্ণ বুলি বিবেচিত। নাটকখনত সহজ আৰু সৰল ভাষাৰ প্রয়োগ দেখা যায়।

অনর্ঘৰাঘৱ নাটকৰ ৰচক হ'ল মুৰাৰি। মুৰাৰিৰ আবির্ভাৱ কাল অষ্টম শতিকাৰ উত্তৰার্দ্ধ। এওঁ বাল-বাল্মীকি উপাধিৰে সন্মানিত। *অনর্ঘৰাঘৱ* নাটকখন সাত অংকৰ সমষ্টি। এই নাটকখন ভৱভূতিবিৰচিত *মহাবীৰচৰিত* নাটকৰ আধাৰত ৰচিত।

প্রসন্নৰাঘৱ নাটকখন জয়দেৱে ৰচনা কৰে। জয়দেৱ অকল নাট্যকাৰেই নাছিল, তেওঁ আছিল ন্যায়শাস্ত্রবিদ আৰু আলংকাৰিক। তেওঁৰ আৰির্ভাৱ কাল চতুর্দশ শতিকা বুলি অনুমান কৰা হয়। *প্রসন্নৰাঘৱ* নাটকখন সাতটা অংকৰ সমষ্টি। নাটকখন অতি মধুৰ আৰু গীতবহুল। নাটকখনত *ৰামায়ণ*ৰ কথা অতি সুন্দৰভাৱে অংকিত হৈছে।

কর্ণসুন্দৰী নাটিকাখন বিল্হনে ৰচনা কৰে। আনহিলবাদৰ ৰজা কামদেৱ 'ত্রৈলোক্যমল্লৰ ৰাজকুমাৰী মিয়নল্লাদেৱীৰ বিবাহেই এই নাটিকাৰ মূল বিষয়বস্তু।

কৌমুদীমহোৎসৱ নামৰ পাঁচটা অংকৰ নাটকখন ৰিজ্জকা নামৰ এগৰাকী স্ত্রী কবিয়ে ৰচনা কৰিছিল বুলি কোৱা হয়। নাটকখন পাটলিপুত্রৰ ৰজা দেৱ কল্যাণবর্মাৰ নতুন ৰাজ্যপ্রাপ্তি উপলক্ষ্য কৰি ৰচিত হৈছিল।

দামোদৰ মিশ্র ৰচিত *হনুমান্নাটক* —এই মহানাটকখন চৈধ্যটা অংকৰ সমষ্টি। অধিক অংক থকা হেতুকে নাটকখনক মহানাটক আখ্যা দিয়া হৈছে।

আশ্চর্যচূড়ামণি নামৰ নাটকখন কেৰেলা নিবাসী শক্তিভদ্রই ৰচনা কৰে। শক্তিভদ্রৰ আবির্ভাৱকাল দশম শতিকা বুলি কোৱা হয়। *আশ্চর্যচূড়ামণি* নাটকখন সাতটা অংকৰ সমষ্টি। নাটকখনত ৰামৰ চৰিত্র এক নাটকীয় ৰূপত প্রকাশিত হৈছে। নাটকৰ ভাষা অতি সহজ আৰু সৰল। নাটকত কালিদাসৰ লিখনিৰ প্রভাৱ অতি স্পষ্ট।

পার্বতীপৰিণয় নামৰ নাটকখন বামনভট্টবানে ৰচনা কৰে। দক্ষিণ ভাৰতৰ নিবাসী এওঁৰ আবির্ভাৱ কাল ১৪২০ খ্রীষ্টাব্দ। পাঁচ অংকযুক্ত এই নাটকখনত শিৱ-পার্বতীৰ বিবাহৰ কথা বর্ণিত হৈছে।

চণ্ডকৌশিক আৰু *নৈষধানন্দ* নামে দুখন নাটক ক্ষেমীশ্বৰ নামৰ এজন কবিয়ে ৰচনা কৰে। ক্ষেমীশ্বৰ আছিল কনৌজৰ ৰজা মহীপালৰ (৯ম - ১০ শতিকা) সভাকবি। পাঁচ অংকযুক্ত *চণ্ডকৌশিক* নামৰ নাটকখন হৰিশ্চন্দ্র উপাখ্যানৰ আধাৰত ৰচিত। চণ্ডকৌশিক নামে খ্যাত ঋষি বিশ্বামিত্রৰ অভিশাপৰ কবলত পৰি ৰজা হৰিশ্চন্দ্রৰ জীৱনত কিদৰে দুর্দশা ঘটিছিল তাৰে বর্ণনা এই নাটকত পোৱা যায়। সাত অংকযুক্ত *নৈষধানন্দ* নাটকত নল-দময়ন্তীৰ কথা বর্ণিত হৈছে।

প্রতীকাত্মক নাটক *প্রবোধচন্দ্রোদয়*ৰ প্রণেতা হ'ল শ্রীকৃষ্ণমিশ্র। শ্রীকৃষ্ণমিশ্রৰ সময় একাদশ শতাব্দীৰ উত্তৰার্ধ বুলি কোৱা হয়। *প্রবোধচন্দ্রোদয়* নাটকখন ছয় অংকৰ সমষ্টি। নাটকৰ মাজেৰে নাট্যকাৰে অদ্বৈত বেদান্ত আৰু বিষ্ণুভক্তিৰ বিষয়ে ক'বলৈ বিচাৰিছে।

বালৰামায়ণ, বালমহাভাৰত, বিদ্ধশালভঞ্জিকা আৰু *কর্পূৰমঞ্জৰী*— এই চাৰিখন নাটক ৰাজশেখৰে ৰচনা কৰে। ৰাজশেখৰ মহাৰাষ্ট্রৰ ব্যক্তি আছিল। তেওঁ নিজকে 'কবিৰাজ' বুলি আখ্যা দিছে। ৰাজশেখৰৰ সময় নৱম শতিকাৰ মধ্যভাগ বা শেষ ভাগ বুলি কোৱা হয়। ৰাজশেখৰৰ বাল*ৰামায়ণ* আৰু *বালমহাভাৰত* নাটক দুখন ক্রমে *ৰামায়ণ* আৰু *মহাভাৰত*ৰ কাহিনীৰ আধাৰত ৰচিত। *বালৰামায়ণ* নাটকখন দহটা অংকৰ সমষ্টি। সেয়ে ইয়াক মহানাটক বুলি কোৱা হয়। সীতাৰ স্বয়ম্বৰৰপৰা আৰম্ভ কৰি ৰামে অযোধ্যালৈ উভতি অহা পর্যন্ত *ৰামায়ণ*ৰ কথাসমূহ *বালৰামায়ণত* সন্নিৱিষ্ট হৈছে। *ৰামায়ণ*ৰ আধাৰত ৰচিত হ'লেও নাট্যকাৰে নাটকীয় কথাৰ কিছু পৰিবর্তন কৰিছে। নাটকখনৰ জৰিয়তে নাট্যকাৰে নিজৰ ভৌগোলিক জ্ঞানৰো পৰিচয় দাঙি ধৰিছে।

কর্পূৰমঞ্জৰী ৰাজশেখৰৰ সর্বোৎকৃষ্ট নাটিকা ৰূপে পৰিগণিত। নাটিকাখন চাৰিটা অংকৰে সমাহিত। এই নাটিকাখন ৰাজশেখৰে নিজ পত্নী অবন্তীসুন্দৰীৰ ইচ্ছানুসৰিহে ৰচনা কৰিছিল বুলি জনা যায়।

এই নাটিকাখন কেৱল প্ৰাকৃত ভাষাত ৰচিত হৈছে, ইয়াত কোনো সংস্কৃত ভাষাৰ পাত্ৰ পাত্ৰী দেখা পোৱা নাযায়। ৰজা চন্দ্ৰপাল ইয়াৰ নায়ক আৰু নায়িকা হ'ল *কৰ্পূৰমঞ্জৰী*। নাটিকাখন শৃংগাৰৰসপূৰ্ণ। ঋতু আৰু প্ৰকৃতিৰ বৰ্ণনাই ইয়াত প্ৰাধান্য লাভ কৰিছে। নাটিকাখন গীতময় তথা প্ৰেমভাবেৰে পৰিপূৰ্ণ। সংস্কৃত সাহিত্যত এইখনেই একমাত্ৰ সম্পূৰ্ণ প্ৰাকৃত ভাষাত ৰচিত নাটিকা।

বিদ্ধশালভঞ্জিকা ৰাজশেখৰৰ দ্বিতীয় নাটিকা। এইখনো চাৰিটা অংকৰ সমষ্টি। এই নাটিকাখন কালিদাসৰ *মালবিকাগ্নিমিত্ৰ*, হৰ্ষবৰ্ধনৰ *ৰত্নাৱলী* আৰু ভাসৰ *স্বপ্নবাসবদত্তা*ৰ অবলম্বনত ৰচিত হৈছে। নাটিকাখনত বিদ্যাধৰমল্ল নামৰ ৰাজকুমাৰ আৰু মৃগাংকাৱলী তথা কুৱলয়মালা নামৰ দুজনী ৰাজকুমাৰীৰ প্ৰণয় কথা বৰ্ণিত হৈছে।



জানি থোৱা ভাল

*সাহিত্য দৰ্পণ*ত প্ৰকৰণ শ্ৰেণীৰ ৰূপকৰ লক্ষণ এনেদৰে দিয়া হৈছে—

ভৱেৎ প্ৰকৰণং বৃত্তং লৌকিকং কবিকল্পিতম্।
শৃংগাৰোহঙ্গী নায়কস্তু বিপ্ৰোহমাত্যোথবা বনিক্।
সাপায়ধৰ্মকামাৰ্থপৰো ধীৰপ্ৰশান্তকঃ।
নায়িকা কুলজা ক্বাপি বেশ্যা ক্বাপি দ্বয়ং ক্বচিৎ।

প্ৰকৰণৰ কাহিনীভাগ কবিকল্পিত হয়। তথা প্ৰকৰণ শৃংগাৰৰস প্ৰধান হয়। নায়কজন ব্ৰাহ্মণ, অমাত্য অথবা বনিক্ হয়। তেওঁ ধীৰ-প্ৰশান্ত প্ৰকৃতিৰ নায়ক হয়। নায়িকা কেতিয়াবা কুলজা, কেতিয়াবা বেশ্যা হ'ব পাৰে। কেতিয়াবা প্ৰকৰণত দুই ধৰণৰ নায়িকা থকাও দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ *মৃচ্ছকটিকম্* নাটকৰ ওপৰত এটি চমুটোকা লিখক। (১৫০টা শব্দৰ ভিতৰত)



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পাশ্চাত্য পণ্ডিতসকলে সংস্কৃত নাটকৰ উৎপত্তি বিভিন্ন ধৰণে হৈছিল বুলি মন্তব্য কৰিলেও প্ৰকৃততে ভাৰতীয় সাহিত্যৰ মাজতে সংস্কৃত নাটকৰ জন্ম হৈছিল।
- ভাসৰ তেৰখন নাটক হ'ল— ১। *মধ্যমব্যায়োগ*, ২। *পঞ্চৰাত্ৰ*, ৩। *দূতবাক্য*, ৪। *দূতঘটোৎকচ*, ৫। *কৰ্ণভাৰ*, ৬। *উৰুভংগ*, ৭। *প্ৰতিমা*, ৮। *অভিষেক*, ৯। *বালচৰিত*, ১০। *প্ৰতিজ্ঞাযৌগন্ধৰায়ণ*, ১১। *স্বপ্নবাসবদত্তা*, ১২। *অবিমাৰক* আৰু ১৩। *চাৰুদত্ত*।

- কালিদাস ৰচিত তিনিখন নাটক হ'ল, যেনে— *অভিজ্ঞানশকুন্তলম্, বিক্রমোর্বশীয়ম্, মালবিকাগ্নিমিত্রম্*।
- কালিদাসৰ পিছৰ যুগৰ বিভিন্ন নাট্যকাৰৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিলে, যেনে— *মৃচ্ছকটিকম্, মুদ্রাৰাক্ষস, মালতীমাধৱ* আদি।



৩.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, হৰমোহন দেৱ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ বুকলেণ্ড।

২) ভাগৱতী, কামাখ্যাচৰণ (২০০৩); *সংস্কৃত সাহিত্যৰ জিলিঙনি;* গুৱাহাটী ঃ গ্ৰন্থপীঠ।

ইংৰাজী গ্ৰন্থ ঃ

৩) Kale, M. R. (Ed.) (1969) : *The Abhijnana Sakuntalama of Kalidasa;* Delhi : MBD et al.

৪) Keith, A. B. (1973) : *A History of Sanskrit Literature*, Delhi : Oxford UP.

৫) Krishnamacharior (2004) : *History of Classical Sanskrit Literature*; Delhi : Motilal Banarsidass Publishers Pvt. Ltd.

৬) Radhakrishnan, C. S. (2005) : *Kalidasa New Perspective*; Delhi : New Bharatiya Book Corporation.



৩.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃত নাটকৰ বিকাশ যে তিনিটা ধাৰাৰে হৈছে— সেইবিষয়ে চমুকৈ লিখিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ কালিদাস বিৰচিত *মালবিকাগ্নিমিত্র*নাটকৰ চমু আভাস দিব লাগিব, যেনে— ইয়াৰ অংক, নায়ক, নায়িকা, ইত্যাদিৰ বিষয়ে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *মৃচ্ছকটিক* নাটকৰ বিষয়ে চমুকৈ লিখিব লাগিব, যেনে— নাটকৰ কথাবস্তু, নায়ক, নায়িকা, ইত্যাদিৰ বিষয়ে।



৩.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ কালিদাসৰ পূৰ্বযুগৰ নাটকৰ বিষয়ে চমু টোকা লিখক।

প্ৰশ্ন ২ঃ কালিদাসৰ যুগৰ নাটকৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ কালিদাসোত্তৰ যুগৰ নাটকৰ বিষয়ে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ৪ ঃ চম্পূকাব্য, গীতিকাব্য আৰু ঐতিহাসিক কাব্য

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ *চম্পূকাব্য*

- ৪.৩.১ *চম্পূকাব্যৰ* উৎস
- ৪.৩.২ *চম্পূকাব্যৰ* বৈশিষ্ট্য
- ৪.৩.৩ বিভিন্ন *চম্পূকাব্যৰ* উল্লেখ

৪.৪ *গীতিকাব্য*

- ৪.৪.১ *গীতিকাব্যৰ* উৎস
- ৪.৪.২ *গীতিকাব্যৰ* ভাগসমূহ
- ৪.৪.৩ বিভিন্ন *গীতিকাব্যৰ* উল্লেখ

৪.৫ ঐতিহাসিক কাব্য আৰু ইয়াৰ উৎস

- ৪.৫.১ বিভিন্ন ঐতিহাসিক কাব্যৰ উল্লেখ

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৭ অধিক জানিবলৈ

৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *চম্পূকাব্যৰ* লক্ষণ আৰু উৎসৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন *চম্পূকাব্যৰ* লগত পৰিচিত হ'ব পাৰিব
- *গীতিকাব্যৰ* লক্ষণ আৰু উৎসৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন *গীতিকাব্যৰ* বিষয়ে জানিব পাৰিব
- *গীতিকাব্যৰ* ভাগসমূহৰ বিষয়ে জানিব পাৰিব
- ঐতিহাসিক কাব্যৰ লক্ষণ, ইয়াৰ উৎস তথা বিভিন্ন ঐতিহাসিক কাব্যৰ বিষয়ে জানিব।


৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি সংস্কৃত সাহিত্যৰ নাটকৰ বিষয়ে কিছু আভাস পালে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সংস্কৃত কাব্য-সাহিত্যৰ অন্তৰ্ভুক্ত *চম্পূকাব্য* আৰু *গীতিকাব্যৰ* বিষয়ে সবিশেষ জ্ঞান লাভ কৰিব পাৰিব। ঐতিহাসিক কাব্য অধ্যয়নৰ জৰিয়তে আমি সেই

নির্দিষ্ট সময়ৰ ইতিহাসৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰো। ঐতিহাসিক কাব্য অধ্যয়নে আমাক কেতিয়াবা বহুখিনি অনুপ্রেৰণাও যোগায়।

এই অধ্যায়ত আপুনি ঐতিহাসিক কাব্যৰ লক্ষণৰ লগতে ইয়াৰ উৎসৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ কিছুসংখ্যক উল্লেখযোগ্য ঐতিহাসিক কাব্যৰ লগতো পৰিচিত হ'ব। আপুনি জানে যে সংস্কৃত কাব্য-সাহিত্য প্রধানকৈ দুই ভাগত বিভক্ত— ১। দৃশ্যকাব্য আৰু ২। শ্রব্যকাব্য। নাটক, ৰূপক আদি দৃশ্যকাব্যৰ অন্তর্ভুক্ত তথা গদ্য, পদ্য আৰু *চম্পূকাব্য* শ্রব্যকাব্যৰ অন্তর্ভুক্ত। নাটক (যেনে— কালিদাস বিৰচিত *অভিজ্ঞানশকুন্তলম্* আদি) এখন আমি মঞ্চস্থ কৰি চকুৰে উপভোগ কৰিব পাৰো, সেয়ে ই দৃশ্যকাব্য। শ্রব্যকাব্যৰ অন্তর্ভুক্ত গদ্যকাব্য দুই ভাগত বিভক্ত ১। কথা আৰু ২। আখ্যায়িকা। পদ্যকাব্য মূলতঃ দুটা ভাগত বিভক্ত— ১। মহাকাব্য আৰু ২। খণ্ডকাব্যষ। *গীতিকাব্য*সমূহক খণ্ডকাব্যৰ অন্তর্ভুক্ত বুলি ধৰা হয়। কিন্তু *চম্পূকাব্য*ৰ কোনো ভাগ নাই। ই গদ্য-পদ্য মিশ্রিত এক প্রকাৰ শ্রব্য কাব্য। আনহাতে ঐতিহাসিক কাব্য গদ্য আৰু পদ্য দুয়োবিধতে ৰচিত হয়। তলত দিয়া ধৰণেৰে সংস্কৃত কাব্য-সাহিত্যৰ ভাগসমূহ আপোনাৰ সুবিধাৰ বাবে সহজকৈ দেখুওৱা হ'ল—

চিত্র ৪.১ ঃ কাব্য-সাহিত্যৰ বিভাগ



৪.৩ *চম্পূকাব্য*

আপুনি এতিয়া *চম্পূকাব্য*ৰ লক্ষণৰ বিষয়ে জানিব পাৰিব। গদ্য আৰু পদ্যৰ সংমিশ্রণত ৰচিত কাব্যকে *চম্পূকাব্য* নামে জনা যায়। সংস্কৃত সাহিত্যৰ বিশিষ্ট আলংকাৰিক ***বিশ্বনাথে*** *চম্পূকাব্য*ৰ এক সহজলভ্য সংজ্ঞা এইদৰে দাঙি ধৰিছে— "গদ্যপদ্যময়ংকাব্যং চম্পূৰিত্যভিধীয়তে"। অর্থাৎ গদ্যপদ্যময়ী ভাষাত যি কাব্য ৰচনা কৰা হয়, সেয়ে *চম্পূকাব্য*। এই লক্ষণটো সর্বজনবিদিত আৰু সর্বাধিক জনপ্রিয়। ইয়াৰ আগতে বিশিষ্ট আলংকাৰিক দণ্ডীয়ে চম্পূক 'গদ্যপদ্যময়ী বাণী বুলি কৈছে। অৱশ্যে *চম্পূত* গদ্য-পদ্যৰ অংশ কিমান থাকিব লাগে, তাৰ কোনো ধৰাবন্ধা নিয়ম নাই। গদ্যকাব্যৰ লগত ইয়াৰ পার্থক্য এইখিনিয়েই যে গদ্যকাব্যত গদ্যই আখ্যান ভাগৰ মূল সাৰথি, কিন্তু *চম্পূত* আখ্যানসমূহ গদ্য আৰু পদ্যত বর্ণনা কৰা থাকে। *চম্পূ* ৰচনাৰ জৰিয়তে কবিয়ে কাব্যৰ বিষয়বস্তুৰ উপস্থাপনাত সহজে আগুৰাই যাব পাৰে। প্রকৃততে দশম (১০ম) শতিকাত *চম্পূকাব্য*ৰ ৰচনা বিস্তৃতভাৱে হোৱা দেখা যায়।

বিশ্বনাথ ঃ সাহিত্যদর্পণ নামৰ অলংকাৰ শাস্ত্রৰ ৰচক। সেয়ে তেওঁক আলংকাৰিক বুলি কোৱা হয়।

৪.৩.১ *চম্পূকাব্যৰ* উৎস

দুই প্ৰকাৰৰ লক্ষণৰ পিছত এতিয়া আপুনি *চম্পূকাব্যৰ* উৎস সম্পৰ্কে জানিব পাৰিব। বৈদিক সাহিত্যত অৰ্থাৎ *যজুৰ্বেদ* আৰু *অথৰ্ববেদ* সংহিতাত পোনতে গদ্য আৰু পদ্যৰ সংমিশ্ৰণ চকুত পৰে। *ব্ৰাহ্মণ* সাহিত্যতো এনে সংমিশ্ৰণ দেখা যায়। তথাপি পৌৰাণিক গল্প আৰু আখ্যানসমূহেই *চম্পূকাব্যৰ* মূল উৎস। মহাভাৰতৰ কাহিনীতো গদ্য আৰু পদ্যৰ সংমিশ্ৰণ দেখা যায়। একেদৰে *পঞ্চতন্ত্ৰ, হিতোপদেশ* আদিত *চম্পূকাব্যৰ* প্ৰভাৱ দেখা যায়।

৪.৩.২ *চম্পূকাব্যৰ* বৈশিষ্ট্য

১) *চম্পূকাব্য* গদ্য আৰু পদ্যৰ সংমিশ্ৰণত ৰচিত হয়।

২) *চম্পূকাব্যৰ* বিষয়বস্তুক অংক, উচ্ছ্বাস আদিত বিভক্ত কৰা হয়।

৩) *চম্পূকাব্যত* বাৰ্তালাপ নাথাকে (উক্তিপ্ৰত্যুক্তিৰহিতম *চম্পূকাব্যম্*)

৪) *চম্পূকাব্যত* বিষ্কম্ভ নাথাকে (বিষ্কম্ভশূন্য)

এই বৈশিষ্ট্যসমূহ লক্ষ্য কৰিলে দেখা যায় যে যদিও গদ্য আৰু পদ্যৰ সংমিশ্ৰণকেই *চম্পূকাব্য* বুলি কোৱা হয়, (গদ্যপদ্যময়তা) তথাপিও *চম্পূকাব্যৰ* এই লক্ষণ অতিব্যাপ্তিৰ পৰা মুক্ত নহয়। কাৰণ *ব্ৰাহ্মণ* সাহিত্যত আমি কেতিয়াবা গদ্য আৰু পদ্যৰ সংমিশ্ৰণ দেখা পাওঁ। যেনে— *ঐতৰেয় ব্ৰাহ্মণৰ* হৰিশ্চন্দ্ৰোপাখ্যান। (অধ্যায় ৩৩)

আকৌ সংস্কৃত সাহিত্যৰ ২৪৫খন *চম্পূকাব্যৰ* ভিতৰত মাত্ৰ *নলচম্পূ* আৰু *গংগাবতৰণচম্পূ* কাব্যহে অংকত বিভক্ত। ঠিক তেনেদৰে আমি দেখা পাওঁ যে ভোজৰ চম্পূৰামায়ণ কাণ্ডতহে বিভক্ত, উচ্ছ্বাসত নহয়। সোমদেবৰ *যশস্তিলকচম্পূ* আশ্বাস আৰু অচ্যুত শৰ্মাৰ *ভাগীৰথীচম্পূ* মনোৰথত বিভক্ত। যদিও *চম্পূকাব্যক* উক্তি প্ৰত্যুক্তিৰহিত বুলি কোৱা হয় তথাপিও আমি দেখা পাওঁ যে বিখ্যাত বিশ্বগুণাদৰ্শ *চম্পূকাব্যত* কৃষ্ণ আৰু বিশ্বাবসুৰ উক্তি প্ৰত্যুক্তিৰ উল্লেখ আছে। যিহেতু *চম্পূকাব্য* শ্ৰব্যকাব্যৰ অন্তৰ্গত গতিকে ইয়াত দৃশ্যকাব্যৰ নিচিনা কোনো সূত্ৰধাৰৰ প্ৰয়োজন নাই।

৪.৩.৩ বিভিন্ন *চম্পূকাব্যৰ* উল্লেখ

চম্পূকাব্যৰ লক্ষণ, বৈশিষ্ট্য আৰু উৎসৰ পিছত এতিয়া আপুনি বিভিন্ন *চম্পূকাব্যৰ* বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ উল্লেখযোগ্য *চম্পূকাব্যসমূহৰ* ভিতৰত ত্ৰিবিক্ৰমভট্ট বিৰচিত *নলচম্পূৰ* নাম প্ৰথমে ল'ব পাৰি। এই *চম্পূকাব্যখন* সাতটা অধ্যায়ত বিভক্ত। ইয়াত অধ্যায়সমূহক "উচ্ছ্বাস" বুলি কোৱা হয়। ইয়াত নিষাদৰাজ্যৰ ৰজা নল আৰু বিদৰ্ভৰাজকন্যা দময়ন্তীৰ প্ৰেম কাহিনী অতি মনোৰমভাৱে বৰ্ণনা কৰা হৈছে। ইয়াৰ কাহিনীভাগ *মহাভাৰতৰ* বনপৰ্বত বৰ্ণিত নলোপাখ্যানক উপজীব্য

কৰি ৰচিত হৈছে।

নলচম্পূৰ ৰচক ত্ৰিবিক্ৰমভট্ট আছিল শাণ্ডিল্য গোত্ৰীয় দেৱাদিত্য অথবা নেমাদিত্যৰ পুত্ৰ। তেওঁ আছিল ৰাষ্ট্ৰকূট বংশীয় দ্বিতীয় কৃষ্ণৰ নাতি আৰু ৩য় ইন্দ্ৰৰ ৰাজসভাৰ কবি। ত্ৰিবিক্ৰমভট্টই *নলচম্পূ* ৰচনা কৰা সম্পৰ্কত এক জনশ্ৰুতি আছে। সেই জনশ্ৰুতিমতে এবাৰ পিতৃ দেৱাদিত্যই অন্য কোনো কাৰ্যত ব্যস্ত থকা সময়তে কোনো এজন বিদ্বেষভাৱাপন্ন পণ্ডিতে ৰাজসভালৈ আহি দেবাদিত্যৰ প্ৰতিস্পৰ্ধী হৈ থিয় দিলে। তেতিয়া ৰজাই দেবাদিত্যৰ পুতেক ত্ৰিবিক্ৰমকে পিতৃৰ হৈ নিজৰ পাণ্ডিত্য প্ৰকাশ কৰিবলৈ আহ্বান জনালে। ত্ৰিবিক্ৰমভট্টই সৰস্বতীৰ পৰা বৰদান পাই ৰাজসভালৈ আহিল আৰু প্ৰতিদ্বন্দ্বী পণ্ডিতক পৰাস্ত কৰিলে। সেই কথাত ৰজাই ত্ৰিবিক্ৰমভট্টক যথেষ্ট আদৰ-সাদৰ কৰিলে। ইয়াৰ পিছতে তেওঁ *নলচম্পূ* ৰচনা কৰিবলৈ আৰম্ভ কৰিলে আৰু সপ্তম উচ্ছ্বাসলৈকে লিখিলে। কিন্তু সপ্তম উচ্ছ্বাস সমাপ্ত হোৱাৰ দিনা তেওঁ পিতৃৰ ঘৰলৈ উভতি আহিল আৰু লগে লগে তেওঁৰ কাব্যও অসম্পূৰ্ণ হৈ ৰ'ল।

জৈন আচাৰ্য সোমদেৱসূৰীয়ে জৈন নীতি আৰু ধৰ্মীয় মতবাদ প্ৰচাৰ কৰিবলৈ *যশস্তিলকচম্পূ* ৰচনা কৰিছিল। এই *চম্পূকাব্যখন* অবন্তী ৰাজ্যৰ ৰজা যশোধৰৰ জীৱন-কাহিনীৰ আধাৰত ৰচিত। ইয়াত বৰ্ণিত বিষয়বস্তুৰ বিষয়ে আপুনি জানেনে? ইয়াত বৰ্ণিত আছে ৰজা যশোধৰৰ ৰাজধানী উজ্জয়িনী, ৰাণীসকলৰ বিশ্বাসঘাতকতা আৰু ষড়যন্ত্ৰ, ৰজাৰ জৈন ধৰ্মগ্ৰহণ, হত্যা আৰু পুনৰ্জন্ম আদি ঘটনা। এই *চম্পূকাব্যখন* সাতটা অধ্যায়ত বিভক্ত আৰু অধ্যায়সমূহক "আশ্বাস" বুলি কোৱা হয়। ইয়াৰ শেষৰ তিনিটা আশ্বাসত জৈনধৰ্মৰ স্বৰূপ বৰ্ণনা কৰা হৈছে। পণ্ডিত-প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈয়ে এই *চম্পূকাব্যক* আলম কৰি তেওঁৰ বিখ্যাত গ্ৰন্থ *Yas'astilaka and Indian Culture* ৰচনা কৰি থৈ গৈছে। *চম্পূকাব্যৰ* জগতখনত সোমদেৱসূৰীৰ যশস্তিলক *চম্পূখনে* এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। গ্ৰন্থখন নীতিকথাৰ ভাণ্ডাৰস্বৰূপ। ইয়াৰ চতুৰ্থ আশ্বাসত কবিয়ে বিখ্যাত গদ্যকাৰ বাণৰ কথা উল্লেখ কৰিছে। ইয়াৰ পৰা এইটোও বুজা যায় যে সোমদেৱসূৰী বাণৰ পৰৱৰ্তী কালৰ কবি। বাণ হৈছে *কাদম্বৰী কথাকাব্য* আৰু হৰ্ষচৰিত আখ্যায়িকাৰ ৰচক। সোমদেৱসূৰীৰ যশস্তিলক গ্ৰন্থখন অধ্যয়ন কৰিলে দেখা যায় যে তেওঁ বাণৰ ৰচনাৰ দ্বাৰা যথেষ্ট অনুপ্ৰাণিত হৈছিল। *যশস্তিলক চম্পূকাব্যখন* সম্বন্ধে বিশ্ববিখ্যাত সংস্কৃতজ্ঞ কৃষ্ণকান্ত সন্দিকৈয়ে এইদৰে উল্লেখ কৰিছে ঃ "A part from its special characteristics as a prose narrative, *Yas'astilaka* combines features which bring it into relation with diverse branches of Sanskrit literature. It is not only a Jaina romance in prose and verse but a learned compendium of jaina and non-jaina philosophical and religious doctrines, a manual of state-craft and a great repository of kavya poetry, ancient tales, citations and

references, and numerous rare words of lexical interest, Somadeva's *Yas'astilaka* is a work of massive scholarship enlivened by occasional flashes of literary genius and poetic feeling."

আন এখন উল্লেখযোগ্য *চম্পূকাব্য* হ'ল *ৰামায়ণচম্পূ*। পৰমাৰ ৰাজবংশীয় ধাৰাপতি ভোজৰ দ্বাৰা এই কাব্যখন ৰচিত। ভোজে *ৰামায়ণকথাৰ* আধাৰত *ৰামায়ণচম্পূ* ৰচনা কৰিছে। এইখন এখন অতি জনপ্রিয় *চম্পূকাব্য*। ৰজা ভোজে *ৰামায়ণচম্পূৰ* কিষ্কিন্ধাকাণ্ডলৈকেহে ৰচনা কৰে, যুদ্ধকাণ্ডখিনি পৰৱৰ্তীকালত লক্ষ্মণ নামৰ কবিয়ে ৰচনা কৰে। *ৰামায়ণচম্পূত* কবিয়ে নিজৰ কাব্য-কৌশলৰ প্রকাশ কৰিছে। এই *চম্পূকাব্যখনত* প্রায় সকলো প্রকাৰ ছন্দৰ প্রয়োগ দেখা যায়। আকৌ গদ্যকাব্যৰ নিচিনা কাব্যখনৰ ভাষা দীর্ঘ সমাসবহুল। কিন্তু পদ্যসমূহ সৰল তথা বর্ণনাৰীতি সুন্দৰ।

কবি অনন্তভট্টৰ দ্বাৰা ৰচিত আন এখন উল্লেখযোগ্য চম্পূ হ'ল *ভাৰতচম্পূ*। এই *চম্পূকাব্যখন মহাভাৰতৰ* কাহিনীৰ আধাৰত ৰচিত হৈছে। কোৱা হয় অনন্তভট্ট অভিনৱ কালিদাস নামৰ কবিজনাৰ সমসাময়িক আছিল। *ভাৰতচম্পূত* বিভিন্ন শব্দৰ সমাহাৰ দেখা যায়। ইয়াৰ উপৰি কাব্যখনত অনেক অলংকাৰ আৰু ছন্দৰো প্রয়োগ হৈছে।

ভাগৱতচম্পূ নামৰ এখন *চম্পূকাব্য* অভিনৱ কালিদাসে ৰচনা কৰে। এই *চম্পূকাব্যখন* ছয়টা উচ্ছ্বাসত বিভক্ত।

পঞ্চ কল্যানচম্পূ কাব্যখন চিদাম্বৰ নামৰ কবি এজনে ৰচনা কৰে। কাব্যখনত কবিয়ে ভগৱান ৰাম, কৃষ্ণ, বিষ্ণু, শিৱ আদি ভগৱানৰ বিবাহৰ আখ্যানবোৰ সুন্দৰকৈ বর্ণনা কৰিছে।

নীলকণ্ঠ-বিজয় চম্পূকাব্যখন নীলকণ্ঠ দীক্ষিতে ১৬৩৭ খ্রীষ্টাব্দত ৰচনা কৰে। এই *চম্পূকাব্যখন* পাঁচটা (৫) অধ্যায়ত বিভক্ত তথা *চম্পূকাব্যখনত* সমুদ্রমন্থনত উঠি অহা হলাহল পান কৰি মহাদেৱে অন্য দেৱতাবোৰক ৰক্ষা কৰি নিজে 'নীলকণ্ঠ' নাম পোৱা ঘটনা বর্ণনা কৰা হৈছে। কাব্যখনত কবিৰ আবেগিক অনুভূতি তথা কল্পনাসুলভ গুণৰ সুন্দৰ উপস্থাপন ঘটিছে। ছন্দ আৰু অলংকাৰ প্রয়োগৰ ক্ষেত্রতো কবিয়ে নিজৰ পাণ্ডিত্য দেখুৱাইছে। একেদৰে দীর্ঘ সমাসবদ্ধ পদৰ ব্যৱহাৰো এই *চম্পূকাব্যখনত* বিদ্যমান।

বিশ্বগুণাদর্শচম্পূ কাব্যখনৰ ৰচক হ'ল বেংকটাচার্য বা বেঙ্কটাধ্বৰী। বেংকটাচার্যৰ সাহিত্যকর্ম নীলকণ্ঠৰ সমসাময়িক আছিল। এই কাব্যখন সপ্তদশ খ্রীষ্টাব্দৰ শেষৰফালে ৰচিত হৈছিল। এই *চম্পূকাব্যখনত* কোনো প্রকাৰৰ নিয়মীয়া কথাবস্তু বর্ণিত হোৱা নাই। কাব্যখনত কবিয়ে মানব জীৱনৰ সমালোচনা দাঙি ধৰিছে। গ্রন্থখনত দুজন গন্ধর্বৰ কথা বর্ণিত হৈছে। গন্ধর্ব দুজনে পৃথিৱীৰ ওপৰেৰে আকাশমার্গেৰে বিচৰণ কৰি থাকোতে তেওঁলোকৰ মনত বিভিন্ন গুৰুত্বপূর্ণ তীর্থস্থান, অনুষ্ঠান, বিদ্যাৰ বিভিন্ন শাখা-প্রশাখা আৰু গুণ আদিৰ বিষয়ে যিবোৰ ভাৱৰ উদয় হৈছিল তাকে কাব্যখনত প্রকাশ কৰিছে কবিয়ে। তেওঁলোকৰ এজনে সেইবোৰৰ নিন্দা কৰি ক'লে আৰু আনজনে আকৌ সেইবোৰৰ সুন্দৰ দিশটোৰ

ওপৰতহে মতামত দিলে। এনেদৰে কাব্যখনৰ মাধ্যমেৰে কবিজনাই তীর্থস্থান আদিৰ ভাল আৰু বেয়া দুয়োটি দিশ কথোপকথনৰ মাজেৰে উপস্থাপন কৰিছে। ৰচনাশৈলী, ৰীতি, ছন্দ আদি সর্বদিশৰ পৰা এইখন *চম্পূকাব্যক* এখন উত্তম কাব্য বুলি গণ্য কৰিব পাৰি।

উপৰোক্ত *চম্পূকাব্য*সমূহৰ বাহিৰেও আৰু অনেক *চম্পূকাব্য* সংস্কৃত সাহিত্যত আছে। যেনে— শেষকৃষ্ণৰ দ্বাৰা ৰচিত *পাৰিজাত হৰণচম্পূ*, মিত্রমিশ্রৰ দ্বাৰা ৰচিত *আনন্দকাণ্ডচম্পূ*, কেশৱভট্টৰ *নৃসিংহচম্পূ*, ইত্যাদি।

গতিকে আপুনি এই অংশটিৰ অধ্যয়নৰ পৰা সংস্কৃত সাহিত্যৰ বহুকেইখন উল্লেখযোগ্য *চম্পূকাব্যৰ* বিষয়ে থূলমূল আভাস লাভ কৰিবলৈ সক্ষম হ'ল।

জানি থোৱা ভাল

গদ্যকাৰ দণ্ডীয়ে সপ্তম-অষ্টম খ্রীষ্টাব্দত চম্পূৰ সংজ্ঞা ৰচনা কৰিলেও তেতিয়া ৰচনা কৰা চম্পূৰ কোনো নিদর্শন উপলব্ধ হোৱা নাই।

নলচম্পূৰ ৰচক ত্রিবিক্রমভট্ট শাণ্ডিল্যগোত্রীয় শ্রীধৰৰ পৌত্র আছিল। ত্রিবিক্রমভট্টই তেওঁৰ কাব্যত গদ্যকবি বাণভট্টৰ উল্লেখ কৰিছে আৰু ভোজে সৰস্বতীকণ্ঠাভৰণত ত্রিবিক্রমভট্টৰ নাম উল্লেখ কৰিছে।

জৈন নীতি-ধর্মৰ ওপৰত সোমসূৰীৰ বাহিৰেও হৰিশ্চন্দ্র নামৰ আন এজন কবিয়ে *জীৱন্ধৰ চম্পূ* ৰচনা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যশস্তিলকচম্পূৰ ওপৰত এটি টোকা লিখক। (১০০টা শব্দৰ ভিতৰত)

৪.৪ *গীতিকাব্য*

চম্পূকাব্যৰ পিছত এতিয়া আপুনি *গীতিকাব্যৰ* বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ পৰম ৰমণীয় অংগস্বৰূপ হৈছে *গীতিকাব্য*সমূহ। ইংৰাজীত এই শ্রেণীৰ কাব্যক *lyric poem* বুলি জনা যায়। অতিশয় আৱেগিক, অনুভূতিপূর্ণ আৰু সংবেদনশীল ভাৱযুক্ত অথচ মাধুর্য্যময় কবিতাক *গীতিকাব্য* আখ্যা দিয়া হয়। অর্থাৎ অতীৱ উৎকণ্ঠাপূর্ণ ভাৱানুভূতিৰে বিৰচিত কাব্যকে *গীতিকাব্য* বোলা হয়। সংস্কৃত সাহিত্যত এই শ্রেণীৰ মনোমোহা কাব্যক লঘু বা খণ্ডকাব্যৰ অন্তর্ভুক্ত কৰা হৈছে। শৃংগাৰ, বৈৰাগ্য, ৰমণীৰ সৌন্দর্য তথা প্রাকৃতিক দৃশ্যৰাজিৰ বহুল বর্ণনা *গীতিকাব্যত* দেখা যায়।

সেয়েহে পাঠকে এই শ্রেণীৰ কাব্য অধ্যয়ন কৰি নিজেই আনন্দত আত্মহাৰা হ'ব পাৰে। ভর্তৃহৰি আৰু অমৰুৰ শতক কাব্যসমূহেই হৈছে মুক্তককাব্যৰ উত্তম উদাহৰণ। প্রবন্ধাত্মক *গীতিকাব্যৰ* ভিতৰত মহাকবি কালিদাস ৰচিত মেঘদূত তথা ইয়াৰ অনুকৰণত ৰচিত *সন্দেহ কাব্য* বা *দূতকাব্য*সমূহেই উৎকৃষ্ট উদাহৰণ। *গীতিকাব্য*সমূহত বাহ্যিক তথা অন্তঃপ্রকৃতিৰ বৰ সুন্দৰ বর্ণনা

পোৱা যায়। সংস্কৃত সাহিত্যৰ এটি উল্লেখযোগ্য গীতিকাব্য হ'ল মহাকবি কালিদাসৰ *মেঘদূত কাব্য*।

৪.৪.১ *গীতিকাব্যৰ* উৎস

আপুনি *ঋগ্বেদৰ* কথা জানে। এই *ঋগ্বেদৰ* পাতত থকা উষাসূক্তত *গীতিকাব্যৰ* প্রথম চানেকি দেখা যায় বুলি পণ্ডিতসকলৰ ধাৰণা। আনকি ইতিহাস পুৰাণৰ যুগতো *ৰামায়ণ মহাভাৰত* তথা অনেক *পুৰাণৰ* অংশ বিশেষত *গীতিধর্মী* কাব্যৰ নিদর্শন পোৱা যায়। অৱশ্যে কালিদাসৰ যুগৰপৰা এই *গীতিকাব্যৰ* স্বতন্ত্র অস্তিত্ব দেখা পোৱা যায়। মহাকবিজনৰ *মেঘদূত* আৰু *ঋতুসংহাৰকে* এই শ্রেণীৰ কাব্যৰ প্রথম নিদর্শন বোলা হয়।

৪.৪.২ *গীতিকাব্যৰ* ভাগসমূহ

গীতিকাব্যৰ সংজ্ঞা জনাৰ পিছত আপুনি এতিয়া ইয়াৰ ভাগসমূহৰ বিষয়ে জানিব। *গীতিকাব্যক* প্রধানকৈ দুই ভাগত বিভক্ত কৰা হৈছে। ১। ভক্তি-মূলক *গীতিকাব্য* বা স্তোত্রকাব্য আৰু ২। শৃংগাৰ প্রধান *গীতিকাব্য* বা সন্দেশকাব্য।

যিবিলাক *গীতিকাব্যত* আধ্যাত্মিক ভাবনাৰ প্রাধান্য বেছি, সেইবিলাক ভক্তিকাব্যৰ অন্তর্গত তথা যিবিলাক *গীতিকাব্যত* শৃংগাৰ ভাবৰ প্রাধান্য বেছি, সেইবিলাক শৃংগাৰ বা সন্দেশ কাব্যৰ অন্তর্গত। সংস্কৃত কাব্যত শৃংগাৰপ্রধান *গীতিকাব্য* কেবা প্রকাৰৰ। তাৰ ভিতৰত *দূতকাব্যসমূহেই* প্রধান। এই *দূতকাব্যবোৰত* প্রেমিক নাইবা প্রেমিকাই কোনোবা দূতৰ জৰিয়তে নিজৰ প্রণয় বার্তা প্রেৰণ কৰে। মহাকবি কালিদাসৰ *মেঘদূত* খণ্ডকাব্যখন আৰু *ঋতুসংহাৰ* কাব্যখন শৃংগাৰ প্রধান *গীতিকাব্য* আৰু জয়দেৱৰ দ্বাৰা ৰচিত বিখ্যাত *গীতগোবিন্দ* পুথিখন ভক্তিমূলক *গীতিকাব্যৰ* অন্তর্গত।



জানি থোৱা ভাল

মহাকবি কালিদাসে যথাসম্ভৱ *ঋতুসংহাৰেৰে* নিজৰ কবি জীৱনৰ পাতনি মেলিছিল। তেওঁৰ *মেঘদূত* কাব্যখন ইংৰাজী, জার্মান, তিব্বতী তথা চীন আদি বহু ভাষালৈ অনূদিত হৈছে। *মেঘদূতৰ* প্রাচীনতম অনুবাদ ত্রয়োদশ শতিকাত তিব্বতী ভাষাত পোৱা যায়। এই অনুবাদৰ অবলম্বনত জার্মান পণ্ডিত এজনে মেঘদূত কাব্যখন জার্মান ভাষালৈ অনুবাদ কৰে। *মেঘদূত* খণ্ডকাব্যখনৰ ১১৫টা শ্লোক *মন্দাক্রান্তা* ছন্দত ৰচিত। বৌদ্ধ-স্তোত্র আৰু জৈন স্তোত্র এই দুখন স্তোত্র কাব্যও ভক্তিমূলক *গীতিকাব্যৰ* অন্তর্গত। দুয়োখন কাব্য ক্রমে বৌদ্ধ ধর্ম আৰু জৈনধর্ম প্রচাৰৰ আৰু প্রসাৰৰ বাবে ৰচিত হৈছিল।

৪.৪.৩ বিভিন্ন *গীতিকাব্যৰ* উল্লেখ

এতিয়া আপুনি বিভিন্ন *গীতিকাব্যৰ* বিষয়ে জানিব পাৰিব। মহাকবি কালিদাসৰ দ্বাৰা ৰচিত *ঋতুসংহাৰ* শৃংগাৰ প্রধান *গীতিকাব্যৰ* অন্তর্গত। এই খণ্ডকাব্যখনত ভাৰতবর্ষত

সততে দেখা পোৱা ছয় ঋতুৰ বর্ণনা ক্রমশঃ কবিজনে তুলি ধৰিছে। *ঋতুসংহাৰ* নামটোৱে ঋতুসমূহৰ সমাহাৰ বা সমষ্টিক বুজায়। ইয়াত কবিজনে ক্রমে গ্রীষ্ম, বর্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত এই ছয়ঋতুৰ সুন্দৰ বর্ণনা ১১৪ টা শ্লোকত প্রকাশ কৰিছে। ছয় ঋতু বর্ণনা কৰাৰ লগতে প্রত্যেক ঋতুৰ আগমনত বাহ্যিক জগত তথা মানৱ হৃদয়ত যি পৰিবর্তন দেখা যায় আৰু প্রেমিক-প্রেমিকাৰ অন্তৰত যি অপূর্ব ভাৱৰ সৃষ্টি হয়, সেইবোৰেই এই কাব্যৰ বর্ণনাৰ বিষয়।

এই কাব্যখন বসন্ত ঋতুৰ বর্ণনাৰে সমাপ্ত হৈছে। কালিদাসে ঋতুসমূহৰ বর্ণনা কৰোতে বাল্মীকিৰ *ৰামায়ণৰ* বর্ণনা সমুখত ৰখা যেন বোধ হয়। ভাৰতৰ কবিসম্রাট কালিদাসৰ দ্বাৰা মন্দাক্রান্তা ছন্দত বিৰচিত *মেঘদূত গীতিকাব্যৰ* আদি গ্রন্থ। এই কাব্যখন দুটা ভাগত বিভক্ত— পূর্বমেঘ আৰু উত্তৰমেঘ। বাল্মিকী ৰামায়ণত ৰামৰ সীতা বিৰহৰ যি ছাঁ, তাৰ অনুপ্রেৰণাতে কালিদাসে *মেঘদূত*ৰচনা কৰিছে যেন বোধ হয়। ইয়াৰ কাহিনীভাগ বৰ মর্মস্পর্শী বিষয়বস্তুৰ উপজীব্য কৰি ৰচনা কৰা হৈছে। প্রভু কুবেৰৰ আদেশ পালনত ব্যর্থ হৈ ৰামগিৰিনিবাসী যক্ষই আকাশত বাৰিষাৰ মেঘ দেখা দিয়াৰ লগে লগে অদম্য বাসনাত ব্যাকুল হৈ জড়চেতনৰ কথা পাহৰি মেঘখণ্ডক প্রিয়তমাৰ ওচৰলৈ বাতৰি নিবলৈ অনুৰোধ কৰিছে। কাব্যখনৰ পূর্বমেঘত বাহ্য প্রকৃতিৰ মনোৰম চিত্রাঙ্কন আৰু উত্তৰমেঘত অন্তঃপ্রকৃতিৰ বর্ণনা দেখা যায়। মেঘদূত কাব্যত নর্মদা নদী, বিদিশা নগৰী, বেত্রবতী নদী, অবন্তী ৰাজ্যৰ ৰাজধানী, উজ্জয়িনী আদিৰ বর্ণনা পোৱা যায়। উত্তৰ মেঘত অলকাপুৰীৰ বর্ণনাও আছে। খণ্ডকাব্যৰ আদ্য সৃষ্টিৰূপে এই কাব্যখন পিছলৈ *দূতকাব্য* নামৰ *গীতিকাব্য* সৃষ্টিৰ প্রেৰণাৰ স্থল হয়গৈ। *দূতকাব্যৰ* ভিতৰত নেমিদূত, পৱনদূত, হংসদূত আদি উল্লেখযোগ্য। আকৌ অমৰুৰ *অমৰুশতক*, বিল্হনৰ *চৌৰপঞ্চাশিকা* গোবর্ধনৰ *আর্যাসপ্তশতী* আদি *গীতিকাব্যৰ* অন্তর্ভুক্ত।

পার্শ্বাভ্যুদয় নামৰ *গীতিকাব্যখন* জৈন কবি জিনাসনে জৈন ভগবান্ পার্শ্বনাথৰ জীৱন-চৰিতৰ ওপৰত ৰচনা কৰে। এই কাব্যখন চাৰিটা সর্গত ৰচিত। কাব্যখনত থকা ৩৬৪টা শ্লোকৰ ভিতৰত প্রায় ১২০টা শ্লোক *মেঘদূত* কাব্যত পোৱা যায়।

ঘটকর্পৰ নামৰ *গীতিকাব্যখন* মেঘদূতৰ অনুপ্রেৰণাতে ৰচিত হৈছে। এই কাব্যখন মাত্র বাইশটা শ্লোকত ৰচিত। পৰম্পৰা মতে বিক্রমাদিত্য ৰজাৰ ৰাজসভাৰ পণ্ডিত এজনে মেঘদূত কাব্যৰ দ্বাৰা অনুপ্রাণিত হৈ এই কাব্যখন ৰচনা কৰিছিল।

কাব্যখনৰ কোনো কোনো পাণ্ডুলিপিত ৰচক হিচাপে মহাকবি কালিদাসৰ নামো পোৱা গৈছে। কাব্যশাস্ত্রৰ প্রসিদ্ধ আচার্য অভিনৱগুপ্তই এই *ঘটকর্পৰ গীতিকাব্যৰ* ওপৰত এটা টীকাও লিখে। মূলত বর্ষা ঋতুৰ আগমনত কোনো বিৰহী ৰমণীয়ে দূৰত থকা নিজৰ প্রেমিকলৈ মেঘৰ জৰিয়তে পঠোৱা এক বার্তাৰ আলম লৈ এই কাব্যখন ৰচনা কৰা হৈছে। সেই ফালৰ পৰা এই কাব্যখনক সম্পূর্ণভাৱে *মেঘদূতৰ* এক ক্ষুদ্র অনুকৰণ বুলি ক'ব পৰা যায়। *ঘটকর্পৰ* আৰু কালিদাসৰ ৰচনাই পৰৱর্তীকালৰ সংস্কৃত কাব্য-

সাহিত্যত যথেষ্ট প্রভাৱ বিস্তাৰ কৰে।

নেমিদূত কাব্যখন সপ্তদশ শতিকাত বিক্রম নামৰ এখন কবিয়ে ৰচনা কৰে। কাব্যখন কবিয়ে স্বামী নেমিনাথৰ জীৱনীৰ ওপৰত ৰচনা কৰে। ইয়াত *মেঘদূতৰ* ১২৫টা শ্লোক উদ্ধৃত হৈছে।

পৱনদূত নামৰ *গীতিকাব্যখন* ত্রয়োদশ খ্রীষ্টাব্দত ধোয়ীয়ে ৰচনা কৰে। এই *গীতিকাব্যখনো মেঘদূতক* আলম কৰি ৰচিত হৈছে। *পৱনদূত* কাব্যখনত ৰজা লক্ষ্মণসেন আৰু মলয় পর্বতৰ গন্ধর্বকন্যা কুৱলয়ৱতীৰ কাহিনী বর্ণিত হৈছে। ৰজা লক্ষ্মণসেনে দক্ষিণফালে দিগ্বিজয় কৰিবলৈ যোৱাত কুৱলয়ৱতীৰ প্রণয়পাশত আৱদ্ধ হয় আৰু দক্ষিণ-পূব বতাহক দূতৰূপে পঠায়। এইবোৰেই কাব্যখনৰ বর্ণনাৰ বিষয়বস্তু। ত্রয়োদশ খ্রীষ্টাব্দতে আব্দুল ৰহমান নামৰ এজন মুছলমান কবিয়ে *সন্দেশৰাসক* নামৰ এখন সুন্দৰ *দূতকাব্য* ৰচনা কৰে। ইয়াৰ পিছৰ পর্যায়ত পঞ্চদশ খ্রীষ্টাব্দতে বিষ্ণুদাস নামৰ এজন কবিয়ে *মনোদূত*, ষোড়শ খ্রীষ্টাব্দতে মাধৱ কবীন্দ্র ভট্টাচার্যই *উদ্ধৱদূত* আৰু সপ্তদশ খ্রীষ্টাব্দত গৌড়ীয় সম্প্রদায়ৰ কবি ৰূপগোস্বামীয়ে 'উদ্ধৱসন্দেশ' নামৰ কাব্যখন ৰচনা কৰে। *হংসদূত* নামৰ এখন দূতকাব্য ৰূপগোস্বামী নামৰ আন এজন কবিয়ে ৰচনা কৰে। ইয়াৰ উপৰিও *চাতকদূত*, *কোকিলদূত* আদি অনেক *দূতকাব্য* সংস্কৃত সাহিত্যত ৰচিত হৈছে।

প্রাচীন কালৰ পৰা প্রাকৃত ভাষাত গীতি-কাব্য ৰচিত হৈছে। সাতবাহন বংশীয় ৰজা হালে *গাথাসপ্তশতী*ত যিবোৰ গাথা সংকলিত কৰিছে, সেইবোৰ শৃংগাৰ ৰসেৰে পৰিপূর্ণ। এই কাব্যখন প্রথম খ্রীষ্টাব্দত প্রাকৃত ভাষাত ৰচিত হয়। গ্রাম্য জীৱনৰ সহজ সৰলতাৰ লগত এই গাথাবোৰৰ ওতঃপ্রোত সম্বন্ধ দেখা যায়। কবিয়ে ইয়াত মানৱ জীৱনৰ বিবিধ অৱস্থাৰ সজীৱ চিত্রণো দাঙি ধৰিছে।

ইয়াৰ পিছত হালৰ গাথা সপ্তশতীৰ আর্হিত গোবর্ধনে সংস্কৃতত আর্যাসপ্তশতী ৰচনা কৰে। তেওঁ আছিল বংগৰ ৰজা লক্ষ্মণসেনৰ সভাকবি তথা কবি জয়দেৱৰ সমকালীন।

অমৰুশতক নামৰ *গীতিকাব্যখন* কবি অমৰুৱে ৰচনা কৰিছিল। অমৰু নৱম খ্রীষ্টাব্দৰ পূর্বৰ কবি বুলি জনা যায়। অমৰুশতক কাব্যখন এশ শ্লোকৰ সমষ্টি। কাব্যখনৰ পদ্যসমূহ অতি মনোগ্রাহী। বিভিন্ন ছন্দৰ লগতে দীঘল দীঘল সমাসৰো সুন্দৰ সমাবেশ এই কাব্যখনত দেখা যায়। এই গীতি কাব্যখন শৃংগাৰ ৰসৰ সুন্দৰ নির্দশন। প্রবাদমতে ভগৱান আদি শংকৰাচার্যই মণ্ডনমিশ্রৰ পত্নী ভাৰতীৰ আগত ৰতিশাস্ত্র বিষয়ক প্রশ্নৰ যথাযথ উত্তৰ দিয়াত অসমর্থ হোৱাত অমৰু নামৰ এজন ৰজাৰ দেহত থাকি অন্তঃপুৰত ৰাণীৰ সৈতে বহুদিন বসবাস কৰি ৰতি সম্বন্ধে যথেষ্ট জ্ঞান লাভ কৰে আৰু সেই ৰতি সম্বন্ধীয় অভিজ্ঞতাৰে *অমৰুশতক গীতিকাব্যখন* ৰচনা কৰে। কাব্যখনত ভাষাৰ লালিত্য, প্রেমৰ গভীৰত্ব আদি সুন্দৰভাৱে প্রকাশ ঘটিছে।

চৌৰপঞ্চাশিকা নামৰ *গীতিকাব্যখন* একাদশ শতিকাত কাশ্মীৰি কবি বিল্হনে

ৰচনা কৰে। এই *গীতিকাব্য*খনত পঞ্চাশটা শ্লোক আছে। প্রতিটো শ্লোকত কবিয়ে প্রেমিক-প্রেমিকাৰ প্রণয়ৰ মধুৰ বর্ণনা দাঙি ধৰিছে। বর্ণনা মতে কবি বিল্‌হন গুজৰাটৰ ৰজা বীৰ সিংহৰ কন্যাৰ গৃহ শিক্ষকৰূপে নিযুক্ত হৈছিল। সময়ত বিল্‌হন আৰু ৰাজ কন্যাৰ মাজত গভীৰ প্রেম গঢ়ি উঠে। সেই কথা ৰজাৰ কাণত পৰিলত ৰজাই খণ্ডত অগ্নিশর্মা হৈ বিল্‌হনক মৃত্যুদণ্ডৰ আদেশ দিয়ে। এদিনাখন বিল্‌হনক মৃত্যুদণ্ডৰ বাবে বধ্যভূমিলৈ লৈ যোৱা হ'ল। সেই সময়ত বিল্‌হনে যাত্রাপথত প্রেমিকাক উদ্দেশ্য কৰি মুখে মুখে পঞ্চাশটা শ্লোক ৰচনা কৰি শেষৰ শ্লোকটো গাই থাকোতে ঘাতকে ৰজাৰ ওচৰলৈ গৈ সকলো কথা বিৱৰি কোৱাত ৰজাই বিল্‌হনক ক্ষমা কৰি বিধিমতে নিজ কন্যাক দান কৰে।

*গীতিকাব্য*ৰ অন্তর্গত স্তোত্র কাব্য বা ভক্তি কাব্যসমূহ ভক্তি-ভাৱসম্পন্ন আৰু সেইকাৰণে সমাজত অতি জনপ্রিয়। শৃংগাৰ ৰসাত্মক *গীতিকাব্য*ৰ লগে লগে এই ভক্তিমূলক *গীতিকাব্য*সমূহক সংস্কৃত কবিসকলে ধর্মীয় আৰু দার্শনিক অনুভূতিসম্পন্ন শ্রোতাসকলক উদ্দেশ্যি সৃষ্টি কৰিছিল। নিজৰ উপাস্য দেৱ-দেৱীৰ প্রতি কবিৰ হৃদয়ত উদ্ভাসিত হোৱা সংবেদনশীল ভাবৰ অনুভূতি এনেবোৰ কাব্যৰ যোগেদি প্রকাশিত হৈছে। এই ভক্তিগীতসমূহত কেতিয়াবা উপাস্য দেৱ-দেৱীৰ শাৰীৰিক সৌন্দর্যৰ প্রশংসাও কৰা হয়।

স্তোত্রকাব্য বা ভক্তি কাব্যসমূহৰ ভিতৰত কালিদাসৰ *শ্যামলা দণ্ডক* কাব্য অতি প্রাচীন। এই কাব্যখনৰ ৰচক কালিদাস বুলি কোৱা হয় যদিও, ই সম্পূর্ণ সত্য বুলি প্রমাণিত হোৱা নাই। কাব্যখনত দেৱী সৰস্বতীৰ স্তুতি বর্ণনা কৰা হৈছে।

গদ্যকবি বাণে সপ্তম শতিকাত *চণ্ডীশতক* নামে এখনি ভক্তিমূলক গীতিকাব্য ৰচনা কৰিছিল। কাব্যখনত এশ দুটা শ্লোক আছে। *মার্কণ্ডেয় পুৰাণত* বর্ণিত দেৱী মাহাত্ম্য এই কাব্যখনৰ উৎস। এইখন কাব্যত দেৱী চণ্ডীৰ স্তুতি অর্চনা কৰা হৈছে। কাব্যখনত দীঘল দীঘল সমাস আৰু বিভিন্ন অলংকাৰৰ সমাহাৰ দেখা যায়।

সূর্যশতক কাব্যখন ময়ূৰে ৰচনা কৰিছিল। কিম্বদন্তী মতে ময়ূৰ বাণৰ শহুৰেক আছিল। বাণ আৰু ময়ূৰ দুয়োজনেই সপ্তম শতিকাৰ পূর্বভাগৰ কবি আছিল। এই কাব্যখনত এশ এটা শ্লোকত সূর্যদেৱতাৰ স্তুতি কৰা হৈছে। ইয়াৰ উপৰি সূর্যদেৱতাৰ বিভিন্ন অংগ, ৰথ আৰু ঘোঁৰা আদিৰ বর্ণনাও কৰা হৈছে।

ভক্তামৰস্তোত্র কাব্যখন মানতুংগ নামৰ জৈন সম্প্রদায়ভুক্ত কবি এজনে ৰচনা কৰে। মানতুংগই জৈন মুনিক স্তুতি কৰি ৰোগমুক্ত হ'বলৈ এই কাব্যখন ৰচনা কৰিছিল। কবি মানতুংগ বাণভট্ট আৰু ময়ূৰৰ সমসাময়িক আছিল।

গাণ্ডীস্তোত্রগাথা নামৰ গীতিকাব্যখন প্রথম খ্রীষ্টাব্দত অশ্বঘোষে ৰচনা কৰে। অশ্বঘোষৰ পিছত ১০০ খ্রীষ্টাব্দত মাতৃচেতে *চতুঃশতক* আৰু *অৰ্ধশতক* নামৰ দুখন স্তুতি কাব্য ৰচনা কৰে। এই কাব্য দুখন তিব্বতী ভাষালৈ অনূদিত হৈছে। ঠিক একেদৰে *সুপ্রভাতস্তোত্র* আৰু *অষ্টকমহাশ্রীচৈত্যস্তোত্র* এই দুখন কাব্য ৰজা হর্ষণ (৭০০ খ্রীষ্টাব্দত) ৰচনা কৰে। কাব্যখনত বৌদ্ধ ধর্মৰ বিষয়ে লিখা হৈছে। *চতুঃস্তৱ* নামৰ এখন বৌদ্ধ-

স্তোত্ৰ আচার্য নাগার্জুনে ৰচনা কৰে। এই কাব্যখনো তিব্বতী ভাষালৈ অনূদিত হয়।

স্তোত্ৰৰত্ন নামৰ এখন *স্তোত্ৰকাব্য* যমুনাচার্যই দশম শতাব্দীত ৰচনা কৰে। এই কাব্যখন বৈষ্ণৱ ধর্মৰ উপদেশ প্ৰচাৰ কৰিবলৈ ৰচনা কৰা হৈছিল। *কৃষ্ণকর্ণামৃত* নামৰ স্তোত্ৰকাব্যখন লীলাশুকে ৰচনা কৰে। লীলাশুক অতিকৈ কৃষ্ণভক্ত আছিল। তাৰ প্ৰভাব এই কাব্যত দেখা যায়। বালকৃষ্ণৰ নানান লীলাৰ বর্ণনা থকা এই কাব্যখন ৩০০ শ্লোকৰ সমষ্টি। কাব্যখনত গোপবধুসকলৰ কৃষ্ণভক্তিৰ বর্ণনা পোৱা যায়। গ্ৰন্থখন তিনিটা আশ্বাসত বিভক্ত। এই কাব্যখনত ৰাসক্ৰীড়াৰ বর্ণনাও পোৱা যায়। পঞ্চদশ খ্ৰীষ্টাব্দত বংগত আবির্ভাব হোৱা শ্ৰীচৈতন্য আৰু অসমত আবির্ভাব হোৱা শ্ৰীমাধৱদেৱৰ ওপৰত *কৃষ্ণকর্ণামৃত*ৰ বহুখিনি প্ৰভাৱ দেখা পোৱা যায়।

লক্ষ্মী হস্র নামৰ ভক্তি কাব্যখন বৈষ্ণৱ কবি বেংকটাধ্বৰিয়ে ৰচনা কৰিছিল। মাদ্ৰাজ নিবাসী এই কবিজনাৰ আবির্ভাৱ কাল সপ্তদশ খ্ৰীষ্টাব্দ। এই সংস্কৃত কাব্যখনত কবিয়ে লক্ষ্মীৰ স্তুতি প্ৰশংসা এহেজাৰ শ্লোকত কৰিছে।

স্তুতিকুসুমাঞ্জলি কাব্যখন চতুর্দশ খ্ৰীষ্টাব্দত জগদ্ধৰ ভট্টই ৰচনা কৰে। কাব্যখনত ৩৮টা স্তোত্ৰ আৰু ২৪০০টা শ্লোক আছে। এই কাব্যখন কৰুণ ৰসযুক্ত আৰু কাব্যখনত বিভিন্ন অলংকাৰৰ সমাবেশ ঘটিছে।

মুকুন্দমালা নামৰ বৈষ্ণৱ স্তোত্ৰ কাব্যখন কুলশেখৰে ৰচনা কৰে। এই স্তোত্ৰকাব্যখনক বৈষ্ণৱ স্তোত্ৰসমূহৰ মুকুট মণি গণ্য কৰা হয়। ইয়াৰ শ্লোক সংখ্যা ৩৪টা।

শিৱমহিম্নঃ স্তোত্ৰ কাব্যখন ভগৱান শংকৰক স্তুতি কৰি ৰচনা কৰা হৈছে। এই কাব্যখন আচার্য পুষ্পদণ্ড নামৰ এজন ব্যক্তিয়ে ৰচনা কৰা বুলি জনা যায়। কবিজনাৰ আবির্ভাৱ কাল দশম খ্ৰীষ্টাব্দৰ আগৰ বুলি অনুমান কৰা হয়।

সৌন্দর্যলহৰী আৰু *শিৱানন্দলহৰী* এই দুখন স্তোত্ৰকাব্য শংকৰাচার্যই ৰচনা কৰে। বর্তমান কেৰালা ৰাজ্যৰ এখন ভিতৰুৱা গাঁৱত শংকাৰাচার্যৰ জন্ম হৈছিল। এওঁক ভগৱান শিৱৰ অৱতাৰ বুলি গণ্য কৰা হয়। বাল্যকালত সন্ন্যাস গ্ৰহণ কৰি মাত্ৰ ৩২ বছৰ বয়সতে তেওঁ অদ্বৈত বেদান্ত দর্শন প্ৰতিষ্ঠা কৰি বিখ্যাত হৈ পৰে। দহখন মুখ্য উপনিষদ, *ব্ৰহ্মসূত্ৰ* আৰু *শ্ৰীমদ্ভগবদ্ গীতা*ৰ ওপৰত ভাষ্য প্ৰস্তুত কৰি অদ্বৈত সিদ্ধান্ত প্ৰচাৰ কৰে। শংকৰাচার্য ৰচিত *সৌন্দর্যলহৰী* স্তোত্ৰকাব্যত এশটা শ্লোকত মহাদেৱী পার্বতীৰ অপৰিসীম সৌন্দর্যৰ বর্ণনা পোৱা যায়। একেদৰে *শিৱানন্দলহৰী* স্তোত্ৰ কাব্যখনত এশ শ্লোকত কবিজনে শিৱৰ স্তুতি কৰিছে।

মোহমুদ্গৰ বা *ভজগোবিন্দস্তোত্ৰত* কবিয়ে দার্শনিক সত্যৰ বর্ণনা দাঙি ধৰিছে। মানুহৰ মোহভংগ কৰাই এই কাব্যৰ উদ্দেশ্য। কাব্যখনৰ ভাষা অতি সহজ আৰু সৰল।

সংস্কৃত গীতিকা বা ভক্তিগীতৰ ইতিহাসত জয়দেৱ বিৰচিত *গীতগোবিন্দ* কাব্যৰ স্থান কালিদাস বিৰচিত *মেঘদূত* খণ্ডকাব্যৰ পিছতেই। এই *গীতিকাব্য*খন দ্বাদশ খ্ৰীষ্টাব্দৰ বংগদেশৰ ৰজা লক্ষ্মণসেনৰ ৰাজসভাৰ কবি জয়দেৱৰ দ্বাৰা ৰচিত। এই কাব্যখন ১২টা

সৰ্গৰ সমষ্টি তথা ইয়াত ৰাধাকৃষ্ণৰ লীলা বৰ্ণনা কৰা হৈছে।

গীতিকবি জয়দেৱে জীৱনৰ প্ৰথম সময়খিনি মথুৰা আৰু বৃন্দাবন পৰিভ্ৰমণ কৰি ৰাধাকৃষ্ণৰ বিষয়ে মনোমোহা গীত-মাত তথা কাহিনী শুনি বৰকৈ আপ্লুত হৈছিল। তাৰ পাছত তেওঁ পুৰীৰ জগন্নাথ ধাম দৰ্শন কৰিবলৈ যায়। তাত তেওঁ পদ্মাৱতী নামেৰে এগৰাকী নাৰীক বিয়া কৰায়। জয়দেৱ ৰজা লক্ষ্মণসেনৰ দ্বাৰাও সন্মানিত হৈছিল। আনকি তেওঁ ৰজাৰ ৰাজসভাৰ পঞ্চৰত্নৰ অন্যতমৰূপে বিৰাজ কৰিছিল। লক্ষ্মণসেনৰ ৰাজত্বকাল অনুসৰি জয়দেৱৰ আৰ্ৱিভাৰ কাল দ্বাদশ খ্ৰীষ্টাব্দৰ শেষভাগ বুলি কবি সমাজে কয়।

পণ্ডিত জগন্নাথ ৰচিত *গংগালহৰী, অমৃতলহৰী, কৰুণালহৰী, লক্ষ্মীলহৰী* আৰু *সুধালহৰী* এই পাঁচখন *গীতিকাব্যত* ভক্তিৰসৰ আমেজ পোৱা যায়।

এনে বহু ভক্তি গীত দেশৰ প্ৰান্তে প্ৰান্তে ৰচিত, পঠিত আৰু গীত হৈ আহিছে, সেই সকলোবোৰৰ উল্লেখ কৰা অসম্ভৱ।



জানি থোৱা ভাল

চম্পূকাব্য আৰু *গীতিকাব্য*সমূহৰ উপৰি সংস্কৃত সাহিত্যত ঐতিহাসিক কাব্যৰো উল্লেখ পোৱা যায়। ইতিহাসৰ বৰ্ণনা যি কাব্যত সন্নিবিষ্ট থাকে, সেইসমূহকে ঐতিহাসিক কাব্য বোলা হয়। অৱশ্যে প্ৰাচীন ভাৰতীয় কবিসকলে ৰাজসভাত উপস্থিত থাকি ৰজাৰ গুণানুকীৰ্তন কৰি কাব্য লিখিছিল। এই কাব্যবোৰক যুক্তিৰ ভিত্তিত লিখা ইতিহাস বুলি স্বীকাৰ কৰাটো অনুচিত। কাৰণ তাত ৰজাসকলৰ গুণানুকীৰ্তনৰ বাহিৰে আনকি চন, তাৰিখ আদিৰো উল্লেখ পোৱা নাযায়। *ঋগ্বেদৰ* পাতত থকা উপাখ্যানবোৰ ঐতিহাসিক কাব্যৰ উৎস। *ব্ৰাহ্মণ গ্ৰন্থ, বেদাংগ* সাহিত্যতো ঐতিহাসিক আখ্যানৰ উল্লেখ পোৱা যায়। সংস্কৃত সাহিত্যত বিভিন্ন ঐতিহাসিক কাব্যৰ উল্লেখ পোৱা যায়, যেনে— বাণভট্ট বিৰচিত *হৰ্ষচৰিত গ্ৰন্থ*, প্ৰৱৰসেন বিৰচিত *সেতুবন্ধ*, পদ্মগুপ্তৰ *নবসাহসাংকচৰিত*, বিল্‌হনৰ *বিক্ৰমাংকদেৱচৰিত*, কল্‌হনৰ *ৰাজতৰঙ্গিনী*, ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ বিষ্ণু ভক্তিৰ ওপৰত ৰচিত ভক্তিমূলক *গীতিকাব্যৰ* আভাস দাঙি ধৰক। (১০০টা শব্দৰ ভিতৰত)

৪.৫ ঐতিহাসিক কাব্য আৰু ইয়াৰ উৎস

ইতিহাসৰ বৰ্ণনা যি কাব্যত সন্নিবিষ্ট থাকে, সেই সমূহকে ঐতিহাসিক কাব্য বোলা হয়। ভাৰতীয় ঐতিহাসিক কাব্যসমূহত যুদ্ধ-বিগ্ৰহাদি ঘটনাৰ বৰ্ণনা দেখা পোৱা যায়। আকৌ আমাৰ জীৱন-যাত্ৰাৰ ভূল শুধৰণিৰ বাবে যিবোৰৰ আৱশ্যক সেই ৰোৱহে ভাৰতীয় ইতিহাসত সন্নিবেশ

কৰা হৈছে। জনসাধাৰণৰ মাজত এটা মহৎ আদর্শ দাঙি ধৰাটোৱেই হৈছে ভাৰতীয় ইতিহাসৰ ঘাই উদ্দেশ্য। ভাৰতীয় সাহিত্যৰ প্ৰাচীন অংশত বুৰঞ্জীমূলক কাব্যৰ পৰিমাণ অতি নগণ্য। ঐতিহাসিক তথ্যৰ প্ৰতি প্ৰাচীন কবিসকলৰ সজাগতাৰ অভাৱ আৰু দায়িত্বহীনতাই ইয়াৰ মূল কাৰণ। অৱশ্যে ব্ৰাহ্মণসকলে সমকালীন ৰজাসকলৰ মহানতাৰ প্ৰশংসাসূচক কথা লিপিবদ্ধ কৰি থৈ গৈছে।

আপুনি এতিয়া ঐতিহাসিক কাব্যৰ উৎস সম্পৰ্কে জানিব পাৰিব। ঋগ্বেদৰ পাতত থকা উপাখ্যানবোৰ ঐতিহাসিক কাব্যৰ উৎস। ব্ৰাহ্মণগ্ৰন্থসমূহতো ঐতিহাসিক তথ্য নিহিত আছে। বেদাংগ সাহিত্যতো ঐতিহাসিক আখ্যানৰ উল্লেখ পোৱা যায়। ৰামায়ণ-মহাভাৰতক ভাৰতীয় পৰম্পৰাত "ঐতিহাসিক মহাকাব্য" বুলি কোৱা হয়। পু�ৰাণসমূহত প্ৰাপ্ত বিভিন্ন বংশাৱলীবোৰ ইতিহাসৰ দ্যোতক। শিলালিপিবোৰ ঐতিহাসিক সাহিত্যৰ মাজতেই পৰে। ৰঘুবংশ, সেতুবন্ধ আদি কাব্যৰ মাজেৰেও ইতিহাসৰ উমান পোৱা যায়। কাৰণ ৰঘুবংশৰ পাতত আমি ঈক্ষ্বাকুবংশীয় ৰজাসকলৰ বর্ণনা পাওঁ। অৱশ্যে হর্ষচৰিত, নৱসাহসাংকচৰিত, বিক্ৰমাংকদেৱচৰিত, ৰাজতৰঙ্গিনী আদিহে ঐতিহাসিক কাব্যৰ প্ৰকৃত প্ৰতিনিধি বুলি কব পৰা যায়।

৪.৫.১ বিভিন্ন ঐতিহাসিক কাব্যৰ উল্লেখ

ঐতিহাসিক কাব্যৰ উৎসৰ পিছত আপুনি বিভিন্ন ঐতিহাসিক কাব্যৰ বিষয়ে এতিয়া জানিব পাৰিব। ঐতিহাসিক কাব্যৰ কথা মনলৈ আহিলে প্ৰথমেই হর্ষচৰিতৰ কথা আহে। বাণভট্ট বিৰচিত **হর্ষচৰিত** আখ্যায়িকাখনক এখন ঐতিহাসিক কাব্য বুলি ধৰা হয়। আগতেই উল্লেখ কৰা হৈছে যে আখ্যায়িকা হ'ল গদ্যকাব্যৰ এক ভাগ। এইখন আখ্যায়িকা আঠটা অধ্যায়ত বিভক্ত আৰু অধ্যায়সমূহক উচ্ছ্বাস বুলি কোৱা হয়। কাব্যখনৰ প্ৰথম তিনিটা অধ্যায়ত বাণৰ বংশোৎপত্তি আৰু তেওঁৰ পূৰ্বজসকলৰ তথা নিজৰ আগবয়সৰ "আত্মকথা" বর্ণিত হৈছে। বাকী পাঁচটা উচ্ছ্বাসত থানেশ্বৰৰ ৰজা হর্ষবর্ধনৰ আগজীৱনৰ কথা তথা পূৰ্বজসকলৰ কথা কথিত হৈছে। যদিও বাণে ৰচনাৰ কোনো চন-তাৰিখ ক'তো উল্লেখ কৰা নাই তথাপি হর্ষচৰিত গ্ৰন্থখনে ৰচক বাণৰ বিষয়ে ভালেখিনি তথ্য আমাক নিশ্চিতভাৱে জানিবলৈ দিছে। আকৌ বাণৰ পৃষ্ঠপোষক হর্ষবর্ধনৰ পূৰ্বপুৰুষ আৰু তেওঁৰ নিজৰ বিষয়ে অনেক ঐতিহাসিক তথ্য জনাত সহায় হৈছে।

সেতুবন্ধঃ সপ্তম শতাব্দীত কাশ্মীৰৰ ৰজা প্ৰৱৰসেনে "সেতুবন্ধ" নামৰ ঐতিহাসিক কাব্য এখন ৰচনা কৰে। এই কাব্যখন ৰাৱণবধ নামেৰেও জনাজাত। সেতুবন্ধ ১৫ টা আশ্বাসৰ সমষ্টি। ইয়াত বানৰ সেনাই সীতা উদ্ধাৰৰ বাবে তৈয়াৰ কৰা সেতুবন্ধনপৰা আৰম্ভ কৰি ৰাৱণবধলৈকে সকলো বর্ণনা কৰা আছে।

নৱসাহসাংক চৰিতঃ কবি পদ্মগুপ্ত বা পৰিমল গুপ্তই ১০ ম শতাব্দীত "নৱসাহসাংক- চৰিত" নামেৰে এখন ঐতিহাসিক কাব্য ৰচনা কৰে। ১৮ টা সর্গত এই কাব্যখন বিভক্ত। ইয়াত মালৱৰাজ সিন্ধুৰাজৰ ইতিহাস বর্ণিত হৈছে। কাব্যখনত নাগ-

ৰাজকুমাৰী শশীপ্রভাৰ লগত ধাৰাৰ প্রসিদ্ধ ৰজা ভোজৰ পিতৃ সিন্ধুৰাজৰ বিবাহ বর্ণনা কৰা আছে। ইয়াৰ সর্গত সিন্ধুৰাজৰ পূর্বৱর্তী আটাইবোৰ পৰমাৰবংশীয় ৰজাসকলৰ কালক্রম অনুসৰি বর্ণনা কৰা আছে। গতিকে এই কাব্যখন পৰমাৰবংশৰ ইতিহাস জনাৰ বাবে উপযোগী।

বিক্রমাংকদেৱচৰিতঃ কাশ্মীৰৰ মহাকবি বিল্হনে "বিক্রমাংকদেৱ চৰিত" ৰচনা কৰে। এই ঐতিহাসিক কাব্যখন ওঠৰটা সর্গত ৰচিত। দক্ষিণ ভাৰতৰ কল্যাণদেশৰ চালুক্য বংশীয় প্রসিদ্ধ ৰজা ষষ্ঠ বিক্রমাদিত্যৰ পৃষ্ঠপোষকতাত ১৮ টা সর্গত বিক্রমাদিত্যৰ গুণানুকীর্তন তথা তেওঁৰ বংশৰ বিস্তৃত বর্ণনা কৰি "বিক্রমাংকদেৱ-চৰিত" ৰচনা কৰে। গ্রন্থ দুখনত চালুক্য বংশীয় বিক্রমাদিত্যৰ পূর্বজ ৰজাসকলৰ বিক্ষিপ্ত বর্ণনা কৰাৰ পিছত বিক্রমৰ পিতৃৰ ৰাজ্যজয়ৰ বিৱৰণ পোৱা যায়। ইয়াৰ পাছত জ্যেষ্ঠ ভ্রাতা সোমেশ্বৰক সিংহাসনচ্যুত কৰি বিক্রমৰ সিংহাসন আৰোহণ আৰু কণিষ্ঠ ভ্রাতাৰে তেওঁৰ যুদ্ধৰ বর্ণনা কৰা হৈছে। কবিয়ে চোল সকলৰ বিপক্ষে বিক্রমে কৰা সমৰাভিযানৰ বর্ণনাও দিছে। কাব্যৰ অন্তত কবিয়ে নিজৰ বংশ পৰিচয় দাঙি ধৰিছে।


ৰাজতৰঙ্গিনীঃ ঐতিহাসিক কাব্য-পৰম্পৰাত লিখা আটাইবোৰৰ ভিতৰত বিজ্ঞানসম্মত গ্রন্থ হৈছে কল্হনৰ "ৰাজতৰঙ্গিনী"। ইয়াত কবিয়ে কাশ্মীৰৰ নৃপতিসকলৰ ইতিহাস বহুত প্রাচীন কালৰপৰা আৰম্ভ কৰি ১২ শতাব্দীলৈ বর্ণনা কৰিছে। কাব্যখন আঠটা অধ্যায়ত ৰচিত আৰু অধ্যায়সমূহক তৰংগ বুলি কোৱা হয়।



জানি থোৱা ভাল

প্রাচীন ভাৰতীয় কবিসকলে ৰাজসভাত উপস্থিত থাকি ৰজাৰ গুণানুকীর্তন কৰি কাব্য লিখিছিল। এই কাব্যবোৰক বৈজ্ঞানিক ভিত্তিত লিখা ইতিহাস বুলি স্বীকাৰ কৰাটো অনুচিত। কাৰণ তাত ৰজাসকলৰ গুণানুকীর্তনৰ বাহিৰে আনকি চন, তাৰিখ আদিবো উল্লেখ নাথাকে।

হর্ষচৰিত কাব্যখন অধ্যয়ন কৰিলে আমি গম পাওঁ যে সেই সময়ত হিন্দুধর্ম অনেক সম্প্রদায়ত বিভক্ত আছিল। কাব্যখনৰ চতুর্থ উচ্ছ্বাসত সেই সময়ৰ নানান বেশ-ভুষা, পোছাক-পৰিচ্ছেদ, কাপোৰ আদিৰ বিষয়ে কিছু তথ্য লাভ কৰিব পাৰো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ ৰাজতৰঙ্গিনী কাব্যখন কোনে ৰচনা কৰিছে?

.....

প্রশ্ন নং ৪ঃ অমৰুশতক কাব্যখন কি শ্রেণীৰ কাব্য?

(ক) গীতিকাব্য (খ) চম্পূকাব্য (গ) ঐতিহাসিক কাব্য।

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যৰ বিশিষ্ট আলংকাৰিক বিশ্বনাথে *চম্পূকাব্যৰ* এক সহজলভ্য সংজ্ঞা এইদৰে দাঙি ধৰিছে— "গদ্যপদ্যময়ং কাব্যং চম্পূৰিত্যভিধীয়তে"। অর্থাৎ গদ্যপদ্যময়ী ভাষাত যি কাব্য ৰচনা কৰা হয়, সেয়ে *চম্পূকাব্য*।
- বিভিন্ন *চম্পূকাব্যৰ* কথা জানিব পৰা গ'ল, যেনে— *নলচম্পূ* (ত্রিবিক্রমভট্ট বিৰচিত) *ৰামায়ণচম্পূ* (ভোজৰাজ বিৰচিত) ইত্যাদি, লগতে তাত বর্ণিত বিষয়বস্তুসমূহৰো কিছু চমু আভাস পোৱা গ'ল।
- সংস্কৃত সাহিত্যৰ পৰম ৰমনীয় অংগস্বৰূপ হৈছে *গীতিকাব্য*সমূহ। ইংৰাজীত এই শ্রেণীৰ কাব্যক *lyric poem* বুলি জনা যায়। অতিশয় আৱেগিক অনুভূতিপূর্ণ আৰু সংবেদনশীল ভাৱযুক্ত অথচ মাধুর্যময় কবিতাক *গীতিকাব্য* আখ্যা দিয়া হয়।
- *গীতিকাব্যক* প্রধানকৈ দুই ভাগত বিভক্ত কৰা হৈছে। ১। ভক্তি-মূলক গীতিকাব্য বা স্তোত্রকাব্য আৰু ২। শৃংগাৰ প্রধান গীতিকাব্য বা সন্দেশকাব্য।
- ইতিহাসৰ বর্ণনা যি কাব্যত সন্নিবিষ্ট থাকে, সেই সমূহকে ঐতিহাসিক কাব্য বোলা হয়। *ৰামায়ণ-মহাভাৰতক* ভাৰতীয় পৰম্পৰাত *ঐতিহাসিক মহাকাব্য* বুলি কোৱা হয়।



৪.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, হৰমোহন দেৰ (১৯৯২) ; *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ বুকলেণ্ড।

২) ভাগৱতী, কামাখ্যাচৰণ (২০০৩); *সংস্কৃত সাহিত্যৰ জিলিঙনি;* গুৱাহাটী ঃ গ্রন্থপীঠ।

ইংৰাজী গ্রন্থ ঃ

৩) Kale, M. R. (Ed.) (1969) : *The Abhijnana Sakuntalama of Kalidasa;* Delhi : MBD et al.

৪) Keith, A. B. (1973) : *A History of Sanskrit Literature*, Delhi : Oxford UP.

৫) Krishnamacharior (2004) : *History of Classical Sanskrit Literature*; Delhi : Motilal Banarsidass Publishers Pvt. Ltd.

৬) Radhakrishnan, C. S. (2005) : *Kalidasa New Perspective*; Delhi : New Bharatiya Book Corporation.

৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ *চম্পূকাব্যৰ* জগতখনত সোমদেৱসূৰীৰ *যশস্তিলকচম্পূয়ে* বিশেষ স্থান অধিকাৰ কৰিছে বুলি আৰম্ভ কৰি কাব্যখনৰ এটি চমু আভাস দাঙি ধৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ বিষ্ণু ভক্তিৰ ওপৰত ৰচিত গীতিকাব্য যেনে— *কৃষ্ণকর্ণামৃত* আদি কাব্যৰ চমু আভাস দিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ কল্‌হন।

৪নং প্রশ্নৰ উত্তৰ ঃ গীতিকাব্য।



৪.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সংস্কৃত সাহিত্যত থকা কিছুমান গুৰুত্বপূর্ণ *চম্পূকাব্যৰ* বিষয়ে লিখক।

প্রশ্ন ২ ঃ সংস্কৃত সাহিত্যত থকা বিভিন্ন প্রকাৰৰ *গীতিকাব্যৰ* বিষয়ে আভাস দাঙি ধৰক।

*** ***** ***

অধ্যায় ৫ ঃ পুৰাণ সাহিত্য

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পুৰাণ শব্দৰ অর্থ আৰু উৎস

৫.৪ পুৰাণৰ ৰচক আৰু কাল

৫.৫ পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্য

৫.৬ মহাপুৰাণ আৰু উপপুৰাণৰ সংখ্যা

৫.৬.১ বিভিন্ন মহাপুৰাণৰ বর্ণনা

৫.৭ পুৰাণৰ প্রভাৱ

৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৯ অধিক জানিবলৈ

৫.১০ অগ্রগতিৰ খতিয়ান

৫.১১ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পুৰাণ শব্দৰ অর্থ আৰু ইয়াৰ ৰচকৰ বিষয়ে জানিব
- পুৰাণৰ উৎস আৰু ইয়াৰ ৰচনাকালৰ বিষয়ে অৱগত হ'ব পাৰিব
- পুৰাণ সাহিত্যৰ বিষয়বস্তু আৰু বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন মহাপুৰাণ আৰু উপপুৰাণ সমূহৰ নাম জানিব পাৰিব
- পিছৰ কালৰ সাহিত্যত পুৰাণ সাহিত্যৰ প্রভাৱৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

আগৰ অধ্যায় দুটাত আপুনি ক্রমে ৰামায়ণ আৰু মহাভাৰতৰ বিষয়ে কিছু অধ্যয়ন কৰিলে। এতিয়া এই অধ্যায়ত আপুনি পুৰাণ সাহিত্যৰ বিষয়ে জানিব পাৰিব। প্রকৃততে ভাৰতীয় সভ্যতা সংস্কৃতি সর্বসাধাৰণৰ মাজত প্রচাৰ আৰু প্রসাৰৰ ক্ষেত্রত পুৰাণসমূহে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। পুৰাণসমূহ অধ্যয়ন কৰি বিভিন্ন সময় তথা পৰিৱেশ পৰিস্থিতিৰ, ভাৰতীয় সভ্যতা সংস্কৃতিৰ আভাস পাব পাৰি। সেইবাবেই পুৰাণৰ জ্ঞান আহৰণ অতিকৈ আৱশ্যক। পুৰাণ শব্দৰ অর্থই হৈছে পুৰণি আখ্যান।

ব্যাস, মহাভাৰতৰ ব্যাখ্যাকর্তাক পুৰাণৰ ৰচক বুলি গণ্য কৰা হয়। সংস্কৃত সাহিত্যত ১৮

খন উপপুৰাণ আছে। পুৰাণৰ কাহিনীসমূহ মুখে মুখে প্ৰথমে চলি আহিছিল পিছতহে ইয়াৰ লিখিতৰূপ পোৱা যায়। পুৰাণৰ উল্লেখ সৰ্বপ্ৰথমে ছান্দোগ্য উপনিষদত পোৱা যায়।

এই অধ্যায়ত আপুনি পুৰাণৰ বিভিন্ন দিশৰ লগত পৰিচিত হ'ব পাৰিব। যেনে— পুৰাণ শব্দৰ অৰ্থ, পুৰাণসমূহ কোনে ৰচনা কৰিছিল, পুৰাণৰ উৎস, পুৰাণসমূহৰ ৰচনাৰ সময়, ইয়াৰ বিভিন্ন মনোমোহা বিষয়বস্তু, পুৰাণৰ উল্লেখযোগ্য বৈশিষ্ট্য, বিভিন্ন মহাপুৰাণ তথা উপপুৰাণৰ সংখ্যা, সেইবোৰৰ নাম তথা সৰ্বশেষত পিছৰ কালৰ সাহিত্য আৰু সংস্কৃতিৰ ওপৰত পুৰাণ সাহিত্যৰ প্ৰভাৱ কেনেদৰে পৰিছে এই বিষয়ে জানিব পাৰিব।

৫.৩ পুৰাণ শব্দৰ অৰ্থ আৰু উৎস

এতিয়া আপুনি 'পুৰাণ' শব্দৰ অৰ্থ জানিব পাৰিব। পুৰাণ শব্দৰ সাধাৰণ অৰ্থ হৈছে 'পুৰাণমাখ্যানম্' অৰ্থাৎ 'পুৰণি আখ্যান'। পুৰাণ শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে পুৰাণঃ অথবা 'আগৰ'। পুৰাণ সাহিত্য বিশেষভাৱে বিভিন্ন দেৱ-দেৱীৰ নামেৰে নামকৰণ কৰা হৈছে। আকৌ পুৰাণ সাহিত্য বিভিন্ন বিষয়বস্তুৰে সমাদৃত হৈ আছে। ইয়াত বিভিন্ন দেৱ-দেৱী, ৰজা, নেতা, ঋষি, উপদেৱতা, লোকসাধু, ধৰ্মস্থান, মন্দিৰ, ঔষধি, জ্যোতিষ, ব্যাকৰণ, প্ৰেমৰ কাহিনী, দৰ্শন আদি বিভিন্ন বিষয়ৰ আখ্যান পোৱা যায়।

ওঠৰখন পুৰাণৰ উৎসৰ বিষয়ে বিষ্ণু পুৰাণত উল্লেখ আছে। মুখ্য ওঠৰ পুৰাণৰ উপৰিও ওঠৰখন উপ-পুৰাণৰ অৱস্থিতিৰ বিষয়ে গম পোৱা যায়।



জানি থোৱা ভাল

বৃহদাৰণ্যকোপনিষদত পুৰাণক 'পঞ্চম বেদ' বুলি আখ্যা দিয়া হৈছে— 'ইতিহাসপুৰাণম্ পঞ্চমং বেদানাম্'। উল্লেখযোগ্য যে মহাভাৰতখনকে বিখ্যাত ইতিহাসপুৰাণ বুলি গণ্য কৰা হয়। ইয়াৰ উল্লেখ অথৰ্ববেদতো পোৱা যায়।

৫.৪ পুৰাণৰ ৰচক আৰু কাল

সাধাৰণতে ব্যাস অৰ্থাৎ মহাভাৰতৰ ব্যাখ্যাকৰ্তাক পুৰাণৰ ৰচক বুলি গণ্য কৰা হয়। অন্যহাতে, বায়ু পুৰাণৰ এঠাইত ব্ৰহ্মাকে পুৰাণৰ ৰচক বুলি কোৱা হৈছে। এইখন পুৰাণৰে অন্য এঠাইত ভৰদ্বাজ মুনিকো পুৰাণৰ প্ৰবক্তা বুলি ধৰা হৈছে।

আকৌ বিষ্ণুপুৰাণত উল্লেখ আছে যে ভগৱান বেদব্যাসে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি আদিৰ লগে লগে পুৰাণ সংহিতাও ৰচনা কৰে। ইয়াৰ পিছত ব্যাসে সেইসমূহ তেওঁৰ প্ৰিয় শিষ্য 'লোমহৰ্ষণ'ক অধ্যয়ন কৰায়। 'লোমহৰ্ষণে' পুৰাণ অধ্যয়ন কৰি লাভ কৰা জ্ঞান তেওঁৰ শিষ্য অকৃতব্ৰণ সাবৰ্ণি আৰু শাংখপায়নক দান কৰে। তেওঁলোক তিনিজনে অৰ্থাৎ

লোমহর্ষণ. অকৃতব্রণ সাবর্ণি আৰু শাংখপায়নে লগ হৈ মুল সংহিতাৰ ওপৰত তিনিখন পুৰাণ সংহিতা ৰচনা কৰে। পিছত এই তিনিজনৰ শিষ্যসকলে ক্রমে ওঠৰখন মহাপুৰাণ আৰু অন্যান্য উপপুৰাণসমূহ ৰচনা কৰে।

মৎস্যপুৰাণত উল্লেখ আছে যে সর্বপ্রথমে এখনহে পুৰাণ-সংহিতা আছিল। বিষ্ণুপুৰাণত উল্লেখ থকাৰ দৰে, শিৱপুৰাণতো উল্লেখ আছে যে ব্যাসদেৱে পুৰাণৰ উত্থান তেওঁৰ শিষ্য লোমহর্ষণক দান কৰে। শিৱপুৰাণত এইটো উল্লেখ আছে যে কল্পৰ শেষত মাত্র এখনেই পুৰাণ আছিল আৰু তাক বেদৰ দৰে ব্রহ্মাই ঋষিসকলক কয়। আটাইবোৰ পুৰাণৰ প্রসংগৰ পৰা গম পোৱা যায় যে ব্রহ্মাই বেদৰ নিচিনাকৈ পুৰাণৰ কথা স্মৰণ কৰে আৰু এইটো ব্যাসদেৱলৈ প্রৱাহিত হৈ আছে।

পুৰাণৰ সময় বা কাল মহাভাৰতৰ ৰচনাৰ আগৰ বুলি ধৰা হয়। অর্থাৎ কিছুমানৰ মতে সপ্তম শতিকাৰ আগতে পুৰাণসাহিত্যৰ উল্লেখ পোৱা যায়। মহাভাৰতখনক কেৱল পুৰাণ বুলিয়েই গণ্য কৰা নহয়।

অপিতু মহাভাৰতখনো পুৰাণৰ নিচিনা একেধৰণে আৰম্ভ হৈছে। সূত লোমহর্ষণৰ পুত্র উগ্রশ্রবস হৈছে মহাভাৰত আৰু পুৰাণৰ সূত্রধাৰ। এই 'উগ্রশ্রবস' পুৰাণ সাহিত্যত পার্গত। মহাভাৰতত প্রায়ে 'এইটো পুৰাণত উল্লেখ আছে' এনেধৰণেৰে পুৰাণ শব্দৰ উল্লেখ পোৱা যায়। গৌতম ধর্মসূত্র, যিখনক আটাইতকৈ পুৰণি ধর্মগ্রন্থ বুলি গণ্য কৰা হয়, সেইখন ধর্মসূত্রত পুৰাণ সাহিত্যক বেদৰ লগত তুলনা কৰা হৈছে। অপস্তম্বীয় ধর্মসূত্র, যিখন ৪ বা ৫শতিকাত ৰচিত, তাতো পুৰাণৰ উল্লেখ আছে। প্রায় সকলো বেদ, ব্রাহ্মণ, আৰণ্যক, উপনিষদ তথা বৌদ্ধ সাহিত্যত পুৰাণৰ উল্লেখ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ পুৰাণ শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ২ঃ লোমহর্ষণ কোন আছিল?

.....

প্রশ্ন নং ৩ঃ কোনখন পুৰাণত উল্লেখ আছে যে সর্বপ্রথম এখনহে পুৰাণ সংহিতা আছিল?

.....

৫.৫ পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্য

পুৰাণৰ কাহিনীসমূহ সৃষ্টিৰ পাতনিৰে পৰা বর্তমানলৈ ক্রমবদ্ধৰূপত পোৱা যায়। **বুৰঞ্জীবিদ**সকলৰ মতে পুৰাণ সাহিত্যৰ মাজত প্রাচীন ভাৰতৰ যিমানবোৰ ঐতিহাসিক তথ্য পোৱা যায় আন কোনো গ্রন্থতে তেনেদৰে পোৱা নাযায়। পুৰাণ হৈছে মানৰ সমাজৰ এক সুপ্রসিদ্ধ ইতিহাস।

বুৰঞ্জীবিদ- বুৰঞ্জী বা ইতিহাস বিষয়ত পার্গত বা নিপুণ ব্যক্তিক বুৰঞ্জীবিদ বোলা হয়।

পুৰাণৰ বিষয়বস্তুক যথাক্রমে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি এই চাৰিভাগত ভগাব পাৰি। পিছৰ পর্যায়ত অৱশ্যে অনেক বিষয় পুৰাণ সাহিত্যৰ বিষয়সূচীত অন্তর্ভুক্ত হয়। মৎস্য পুৰাণত পুৰাণ সাহিত্যৰ পাঁচপ্রকাৰৰ বিষয়বস্তুৰ বিষয়ে এনেদৰে উল্লেখ আছে—

"সর্গশ্চ প্রতিসর্গশ্চ বশো মন্বন্তৰাণি চ
বংশানুচৰিত চৈৰ পুৰাণং পঞ্চলক্ষণম্।।"

অর্থাৎ (১) সর্গ বা সৃষ্টি, (২) প্রতিসর্গ অর্থাৎ সৃষ্টিৰ বিস্তাৰ, (৩) বংশ অর্থাৎ দেৱতা আৰু ঋষিসকলৰ বংশাৱলী, (৪) মন্বন্তৰ অর্থাৎ মনুৰ শাসন কালৰ বর্ণনা আৰু (৫) বংশানুচৰিত অর্থাৎ সূর্য্য আৰু চন্দ্রবংশীয় ৰজাসকলৰ বর্ণনা। প্রকৃততে এইবোৰেই হৈছে পুৰাণসমূহৰ বিষয়বস্তু। অৱশ্যে এইবোৰৰ বাহিৰেও অন্য অধিক বিষয়ৰ বর্ণনা পুৰাণসমূহত পোৱা যায়।



জানি থোৱা ভাল

বক্তা অথবা ৰচকে নিজে প্রত্যক্ষ কৰি দিয়া কোনো ঘটনাৰ বর্ণনাক আখ্যান বোলা হয়।

আকৌ বক্তাই শুনি দিয়া কথাৰ বর্ণনাক উপাখ্যান বোলে। সেইফালৰ পৰা বিবেচনা কৰিলে ৰামায়ণত বর্ণিত ৰামচৰিত আখ্যান আৰু তাৰ সৈতে জড়িত অধিক পুৰণি কথা বা পৰোক্ষ কথাৰ বর্ণনাসমূহ হৈছে উপাখ্যান।

একেদৰে বেদ-বেদাংগ, ইতিহাস পুৰাণ আদিত কিছুমান নাম নথকা ৰচকৰ পুৰণি শ্লোক বা পদ্য পোৱা যায়। ঋগ্বেদতো এনে কিছুমান ৰজা-মহাৰজাৰ বীৰত্বৰ প্রশংসা বা দানস্তুতি অথবা নাৰাশংসী নামেৰে বীৰগাথা পোৱা যায়। পুৰাণ ইতিহাস সাহিত্যত এনে অজ্ঞাত ৰচকৰ বহু পদ্য ৰচনা পোৱা যায়। এনেধৰণৰ গাথা বুলি সাধাৰণতে 'কল্প' শব্দই শ্রৌত, গৃহ্য, ধর্ম, সদাচাৰ আৰু সংস্কাৰ বিষয়ক কর্মবোৰকে বুজা যায়। পুৰাণসমূহে প্রথমতে আখ্যান-উপাখ্যান, গাথা আৰু কল্পশুদ্ধি বিষয়কে সামৰি লয়।

পুৰাণৰ ৰচনাশৈলীৰ এক বিশেষ বৈশিষ্ট্য আছে। কিছুমান মানুহে পুৰাণত উল্লেখ থকা কাহিনীবোৰ কাল্পনিক আৰু অবাস্তৱ বুলি গণ্য কৰে। অলংকাৰিক ভাষাত তথ্য কথন, ৰূপক কথন আৰু অতিশয়োক্তি কথন এই তিনি প্রকাৰৰ বিষয়বস্তুৰ অন্তর্ভুক্তিৰ বাবে পুৰাণৰ কাহিনীসমূহ কাল্পনিক আৰু অবাস্তৱ যেন অনুভৱ হয়। কোনো এটা বিষয়ৰ আচল ৰূপ উদঘাটন কৰাটোৱেই হৈছে 'তাৰ তথ্য কথন'। য'ত ৰূপক অলংকাৰক আশ্রয় কৰি কোনো কথা বর্ণনা কৰা হয় তেতিয়া তাৰ নাম 'ৰূপক কথন' বোলা হয়। ৰূপক কথনৰ উল্লেখ বৈদিক সাহিত্যতো পোৱা যায়। বেদত সূর্য্যৰ কিৰণত পোৱা সাত ৰঙক ৰঙ বুলি নকৈ ঘোঁৱা বুলি কল্পনা কৰিছে। পুৰাণত কোনো এটা বস্তু বর্ণনা কৰাৰ বাবে অতিশয়োক্তি অলংকাৰ প্রয়োগ কৰা হয়। পুৰাণৰ আন এটা বৈশিষ্ট্য হ'ল বেদৰ টান ভাষা শৈলীৰ সহজ সৰলভাৱে বর্ণনা কৰা। পুৰাণৰ অন্য এটা বৈশিষ্ট্য হ'ল ই সমাজৰ দাপোনস্বৰূপ। পুৰাণৰ পৰাই আমি প্রাচীন ভাৰতৰ ৰজা-মহাৰজা, ঋষিসকলৰ জীৱনবৃত্তান্ত, বিভিন্ন তীর্থস্থানৰ বিস্তৃত বর্ণনা পোৱা যায়।

পুৰাণ অধ্যয়নৰ পৰা আমি বিভিন্ন ভৌগোলিক বর্ণনাও লাভ কৰিব পাৰো। পুৰাণৰ পৰা আমি বিভিন্ন ঠাইৰ মহত্বৰ বিষয়ে জানিব পাৰো তথা সেইবোৰ অধ্যয়নে আমাৰ মনত শ্রদ্ধাভাৱ জগাই তোলে।

মানৱ ধর্মক সুদৃঢ় আৰু সুপ্রতিষ্ঠিত কৰাটো পুৰাণৰ অন্যতম বৈশিষ্ট্য। অজ্ঞানৰ পৰা জ্ঞানৰ পোহৰ, মৰণশীলতাৰ পৰা অবিনশতাৰ পিনে, অন্ধকাৰৰ পৰা পোহৰৰ পিনে প্রত্যেক মানুহৰ বুদ্ধি যাতে অগ্রসৰ হ'ব পাৰে পুৰাণ সাহিত্যই তাৰেই প্রয়াস কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ পুৰাণ সাহিত্যৰ বিষয়বস্তু কেইভাগত ভগাব পাৰি?

.....

প্রশ্ন নং ৫ঃ গাথা মানে কি?

.....

প্রশ্ন নং ৬ঃ আখ্যান বুলিলে কি বুজা যায়?

.....

প্রশ্ন নং ৭ঃ পুৰাণ সাহিত্যৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

.....

প্রশ্ন নং ৮ঃ বুৰঞ্জীবিদ বুলিলে কি বুজা যায়?

.....

৫.৬ মহাপুৰাণ আৰু উপপুৰাণৰ সংখ্যা

প্রথমতে পুৰাণ এখন বৃহৎ সংহিতা আছিল বুলি কোৱা হয়। সময় যোৱাৰ লগে লগে ইয়াৰ কলেবৰ আৰু আখ্যানবোৰ সলনি হৈ মহাপুৰাণ তথা উপপুৰাণৰ ৰূপত বৃদ্ধি প্রাপ্ত হয়। 'বিষ্ণু পুৰাণ'ত পুৰাণৰ সংখ্যা ওঠৰ বা অষ্টাদশ বুলি উল্লেখ আছে। সেইসমূহ হ'ল—

(১) ব্রহ্মা (২) পদ্ম (৩) বিষ্ণু (৪) শিব (৫) ভাগৱত (৬) নাৰদ (৭) মার্কণ্ডেয় (৮) অগ্নি (৯) ভৱিষ্য (১০) ব্রহ্মবৈৱর্ত (১১) লিংগ (১২) ববাহ (১৩) স্কন্দ (১৪) বামন (১৫) কূর্ম (১৬) মৎস (১৭) গৰুড় আৰু (১৮) ব্রহ্মাণ্ড।

পুৰাণসমূহ সাধাৰণতে গুণ অনুসৰি তিনি শ্রেণীত বিভক্ত। কিছুমান পুৰাণত বিষ্ণুৰ মহিমাই প্রাধান্য লাভ কৰে। যেনে— ভাগৱত, নাৰদীয়, পদ্ম, ববাহ, গৰুড় আৰু বিষ্ণুপুৰাণ। এইসমূহ পুৰাণ সাত্বিক পুৰাণৰ অন্তর্ভুক্ত হয়। কিছুমান পুৰাণত ব্রহ্মাৰ মাহাত্ম্য বেচিকৈ প্রকাশ কৰা হয়। সেই সমূহ পুৰাণ হ'ল— ব্রহ্মপুৰাণ, ব্রহ্মাণ্ডপুৰাণ, ব্রহ্মবৈৱর্তপুৰাণ, মার্কণ্ডেয় পুৰাণ, বামণপুৰাণ আৰু ভৱিষ্যপুৰাণ। এই সমূহ পুৰাণক ৰাজসিক পুৰাণ বোলা হয়।

যি সমূহ পুৰাণত শিৱৰ মাহাত্ম্য প্রচাৰ কৰা হয়, সেই সমূহক তামসিক বুলি কোৱা হয়।

সেই সমূহ পুৰাণ হ'ল— শিৱপুৰাণ, লিংগপুৰাণ, স্কন্দপুৰাণ, মৎস্যপুৰাণ আৰু কূৰ্মপুৰাণ আদি। দেৱী ভাগৱতত (১/৩/২১) আদি আখবেৰে অষ্টাদশ পুৰাণৰ নাম পোৱা যায়—

(১) মকাৰাদি দুই পুৰাণ — মৎস্য আৰু মার্কণ্ডেয়

(২) ভকাৰাদি দুই পুৰাণ— ভাগৱৎ আৰু ভৱিষ্য

(৩) ব্রকাৰাদি তিনিপুৰাণ— ব্রহ্ম, ব্রহ্মাণ্ড আৰু ব্রহ্মবৈৱৰ্ত্ত

(৪) বকৰাদি চাৰি পুৰাণ— বামণ, বিষ্ণু, বায়ু আৰু বৰাহ

(৫) অনাপৎ লিংগ— অগ্নি, নাৰদ, পদ্ম, লিংগ, গৰুড়, কূৰ্ম, স্কন্দ, বিষ্ণু আৰু ভাগৱৎ পুৰাণত এই ওঠৰখন পুৰাণৰ নাম বিশিষ্ট ক্রমানুসৰি এনেদৰে দিছে— ব্রহ্মপুৰাণ, পদ্মপুৰাণ, বিষ্ণুপুৰাণ, শিৱপুৰাণ, ভাগৱৎ পুৰাণ, নাৰদীয় পুৰাণ, মার্কণ্ডেয় পুৰাণ, অগ্নিপুৰাণ, ভৱিষ্যপুৰাণ, ব্রহ্মবৈৱৰ্তপুৰাণ, লিংগপুৰাণ, বৰাহপুৰাণ, স্কন্দপুৰাণ, বামণপুৰাণ, কূৰ্মপুৰাণ, মৎস্যপুৰাণ, গৰুড়পুৰাণ আৰু ব্রহ্মাণ্ড পুৰাণ।

যদিও মহাপুৰাণ ওঠৰখন আছে বুলি ধৰা হয়, বায়ু পুৰাণ আৰু দেৱীভাগৱতপুৰাণ মিলি পুৰাণৰ সংখ্যা বিশখন হয়। পণ্ডিতসকলৰ মতে উপপুৰাণসমূহ মহাপুৰাণৰ পিছত ৰচিত হৈছে। মহাপুৰাণৰ নিচিনা উপপুৰাণসমূহো সমানেই মহত্ত্বপূর্ণ।

৫.৬.১ বিভিন্ন মহাপুৰাণৰ বর্ণনা

এতিয়া আপুনি বিভিন্ন পুৰাণৰ বর্ণনা পঢ়িবলৈ পাব। প্রথমেই আপুনি ব্রহ্মপুৰাণৰ বিষয়ে কিছু জানিবলৈ পাব।

(১) ব্রহ্ম পুৰাণ ঃ ব্রহ্মপুৰাণখন 'আদি ব্রহ্ম' নামেৰেও জনাজাত। বিষ্ণুপুৰাণত উল্লেখ আছে যে ব্রহ্মপুৰাণেই সকলো পুৰাণৰ ভিতৰত প্রথম। ব্রহ্মাৰ বর্ণনাই এই পুৰাণত প্রাধান্য লাভ কৰিছে। সেইবাবে এই পুৰাণক ৰাজসিক শ্রেণীত অন্তর্ভুক্ত কৰা হৈছে।

ব্রহ্মপুৰাণত উল্লেখ আছে যে পৃথিৱীৰ ভিতৰত ভাৰতবর্ষই শ্রেষ্ঠ ভূমি, ভাৰতবর্ষৰ ভিতৰত আকৌ দণ্ডকাৰণ্য মুখ্য স্থান। আকৌ দণ্ডকাৰণ্যৰ মাজেদি যি গোদাবৰী নদী প্রৱাহিত হৈছে সেই নদীয়েই হৈছে সকলোবোৰ নদীৰ ভিতৰত শ্রেষ্ঠ নদী। এই গোদাবৰী নদীৰ পাৰত অৱস্থিত সকলো তীর্থস্থানৰ বর্ণনা এই ব্রহ্মপুৰাণত পোৱা যায়। ইয়াৰ উপৰিও এই পুৰাণত পুৰী, কোণার্ক, ভুৱনেশ্বৰ আদি ঠাইৰ বর্ণনা আছে।

ব্রহ্মপুৰাণত জগতৰ সৃষ্ঠিতত্ত্ব, সূর্যবংশ তথা চন্দ্রবংশৰ ৰজাসকলৰ কাহিনী, ভাৰতবর্ষৰ নদীৰ পাৰত অৱস্থিত বিভিন্ন তীর্থস্থানৰ বর্ণনাও পোৱা যায়। ভগৱান শিৱ আৰু দেৱী পার্বতীৰ বিষয়ে উপাখ্যানও আছে। ভগৱান শ্রীকৃষ্ণ তথা যদুবংশৰ বর্ণনা আছে। যেনে প্রথম অধ্যায়ৰ পৰা উনসত্তৰ অধ্যায়লৈ (১-৬৯) পুৰুষোত্তম ক্ষেত্র অর্থাৎ বর্তমান পুৰী, কোণার্ক, ভুৱনেশ্বৰ আদি উল্লেখযোগ্য স্থানৰ বর্ণনা

আছে। পুৰীৰ জগন্নাথৰ স্নানযাত্ৰাৰ বৰ্ণনাও আছে। ব্ৰহ্মপুৰাণৰ কিছুমান অধ্যায়ত নৰকৰ বৰ্ণনাও আছে। আনকি ইয়াত শ্ৰাদ্ধৰ কথা, সূৰ্যৰ মহিমা, ভৱিষ্যত যুগৰ কথা আৰু সাংখ্য তথা যোগদৰ্শনৰ কথাও ধৰ্মশাস্ত্ৰৰ উপযোগী অনেক তত্ত্বকথা, অন্নদানৰ মহিমা, বৰ্ণধৰ্মপ্ৰতিষ্ঠা, সদাচাৰ নিৰূপণ, ধৰ্মনিৰূপণ আদি বিষয়ৰ বৰ্ণনা পোৱা যায়। কিন্তু ব্ৰহ্মপুৰাণত 'গৌতমী মাহাত্ম্য'ই বেছিকৈ স্থান লাভ কৰিছে।

(২) **পদ্মপুৰাণ ঃ** পদ্মপুৰাণখন পাঁচটা খণ্ডত বিভক্ত। অৰ্থাৎ সেইসমূহ হ'ল - সৃষ্টিখণ্ড, ভূমিখণ্ড, স্বৰ্গখণ্ড, পাতালখণ্ড আৰু উত্তৰখণ্ড।

এইখন পুৰাণত বিভিন্ন ধৰ্মানুষ্ঠানৰ বৰ্ণনা আছে। শ্ৰীমদ্ভাগৱতগীতাৰ মাহাত্ম্যও ইয়াত বৰ্ণিত হৈছে।

এই পাঁচটা খণ্ডৰ বিষয়ে এনেদৰে পোৱা যায়—

প্ৰথমং সৃষ্টিখণ্ডং হি, ভূমি খণ্ডং দ্বিতীয়কম্।
তৃতীয় স্বৰ্গখণ্ডং চ পাতালং চ চতুৰ্থকম্।।
পঞ্চমং চোত্তৰং খণ্ডং সৰ্বপাপপ্ৰণাশনম্।

সৃষ্টিখণ্ডত সমুদ্ৰমন্থন, পৃথুৰ আখ্যান, পৌষ্কৰ আখ্যান, বৃত্ৰবধাখ্যান, বামনাৱতাৰ আখ্যান, মাৰ্কণ্ডেয়ৰ আখ্যান, কাৰ্তিকৰ আখ্যান, ৰামাখ্যান, তাৰকাসুৰৰ কাহিনী আদি বৰ্ণনা আছে।

ভূমিখণ্ডত যযাতি-মাতলিৰ আধ্যাত্মিক সংবাদ, চ্যাৱনচৰিত তথা শৈৱ আৰু বৈষ্ণৱবাদৰ বিভিন্ন কথা বৰ্ণনা আছে। শিৱ আৰু বিষ্ণুৰ অভেদত্ব কল্পনা কৰি পদ্মপুৰাণত এনেদৰে উল্লেখ আছে যে—

শিৱায় বিষ্ণুৰূপায় বিষ্ণৱে শিৱৰূপিণে।
শিৱস্য হৃদয়ে বিষ্ণুঃ বিষ্ণোশ্চ হৃদয়ে শিৱঃ।

আকৌ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ অভিন্নতা উল্লেখ কৰি পদ্মপুৰাণত এনেদৰে কোৱা হৈছে—

একমূৰ্তিস্ত্ৰয়োদেৱাঃ ব্ৰহ্মাবিষ্ণুমহেশ্বৰাঃ।
এয়ানামন্তৰং নাস্তি, গুণভেদাঃ প্ৰকীৰ্তিতাঃ।।

স্বৰ্গখণ্ডত দেৱ গন্ধৰ্ব, অপ্সৰা, যক্ষ আদি উৰ্ধলোকৰ বিষয়ে বৰ্ণনাৰ উপৰিও দুষ্যন্ত-শকুন্তলাৰ উপাখ্যানো বৰ্ণিত হৈছে। পাতাল খণ্ডত নাগলোকৰ বিষয়ে উল্লেখ আছে। উত্তৰখণ্ডত অন্যান্য আখ্যানৰ লগতে বিষ্ণুভক্তিৰ প্ৰশংসা কৰা হৈছে।

(৩) **বিষ্ণুপুৰাণ ঃ** বিষ্ণুপুৰাণ হৈছে বৈষ্ণৱ সম্প্ৰদায়ৰ এখন বিশুদ্ধ প্ৰামাণ্য গ্ৰন্থ। ইয়াৰ স্থান ভাগৱতপুৰাণৰ পাছতে। এইখন পুৰাণত শ্ৰীকৃষ্ণৰ জন্ম বৃত্তান্ত আৰু ৰাসলীলাই প্ৰধানকৈ বৰ্ণিত হৈছে। ইয়াৰ উপৰিও বিভিন্ন কাহিনী ইয়াত বৰ্ণিত হৈছে, যেনে— নৰকৰ বৰ্ণনা, বৰ্ণাশ্ৰম ধৰ্ম, আচাৰ-বিধি, শ্ৰাদ্ধকৰ্ম, যুগধৰ্ম, সৃষ্টি-

কাহিনী, দেৱতা আৰু ঋষিবংশৰ বর্ণনা, ধ্রুৱ-প্রহ্লাদ উপাখ্যান, শিশুনাগ-নন্দ-মৌর্যবংশৰ বিৱৰণ ইত্যাদি।

(৪) **বায়ুপুৰাণ ঃ** বায়ুপুৰাণক শিৱপুৰাণ বুলিও জনা যায়। শিৱৰ উপাসনাই এই পুৰাণৰ মুখ্য বিষয়। পুৰাণৰ পঞ্চলক্ষণ এই বায়ুপুৰাণত সুস্পষ্ট। ইয়াত বর্ণাশ্রম ধর্ম, প্রাচীন ভূগোল, শ্রাদ্ধকর্ম বিষয় আদি আলোচিত হৈছে। গুপ্তবংশৰ ৰজাসকলৰ শাসনকালৰ বর্ণনাও ইয়াত উল্লেখিত হৈছে। সেইফালৰ পৰা চাব গ'লে ভূগোল, বুৰঞ্জী আৰু সমাজতত্ত্বৰ ছাত্রৰ বাবেই এই পুৰাণ অতি মূল্যবান।

(৫) **ব্রহ্মাণ্ডপুৰাণ ঃ** ব্রহ্মাণ্ডপুৰাণত বিভিন্ন উপাখ্যানৰ উপৰিও তীর্থস্থানসমূহৰ বিৱৰণ উল্লেখিত হৈছে। ইয়াত ভগৱান শিৱ-পাৱর্তীৰ আৰু ৰামৰ বর্ণনাও পোৱা যায়।

(৬) **ভাগৱতপুৰাণ ঃ** পুৰাণসমূহৰ ভিতৰত ভাগৱতপুৰাণখন আটাইতকৈ জনপ্রিয় আৰু প্রসিদ্ধ পুৰাণ। বিষ্ণুপুৰাণৰ সৈতে ভাগৱত পুৰাণৰ বিষয়বস্তুৰ বহুখিনি মিল আছে। ভাগৱত পুৰাণত শ্রীকৃষ্ণৰ জীৱনৰ কাহিনী অতি সুন্দৰকৈ বর্ণিত হৈছে। ভাগৱতখন দ্বাদশ স্কন্ধত (অধ্যায়) ৰচিত। এইখন পুৰাণত ৰজা পৰিক্ষিতৰ কাহিনী, ধ্রুৱৰ কাহিনী, বৃত্রাসুৰৰ কাহিনী, বিষ্ণুভক্ত প্রহ্লাদৰ কাহিনী আদি বর্ণনা হৈছে। আটাইতকৈ উল্লেখযোগ্য বিষয়টো হ'ল ভাগৱতৰ দশম স্কন্ধত শ্রীকৃষ্ণৰ ৰাসলীলা বর্ণিত হৈছে। যদিও ভাগৱতপুৰাণত সৃষ্টিতত্ব তথা বিভিন্ন নীতি উপদেশমূলক কথা বর্ণিত হৈছে, তথাপি এইখন পুৰাণৰ মূল প্রাতিপাদ্য বিষয়টো হৈছে অকৃত্রিম সৰল কৃষ্ণভক্তি আৰু কৃষ্ণপ্রীতি। শ্রীকৃষ্ণৰ জীৱনকাহিনী বর্ণনাৰ উপৰিও এইখন পুৰাণৰ বিভিন্ন অংশত ব্রহ্মোৎপত্তি, সৃষ্টি, ৰুদ্র, মৰীচি, পৃথিৱী, সৰস্বতী আদি উৎপত্তি, মনুবংশ কথা, বৃত্রবধাখ্যান, প্রহ্লাদৰ চৰিত, মন্বন্তৰ কথা, গজেন্দ্র উপাখ্যান, সমুদ্রমন্থন, বামনাৱতাৰ, বলিৰ উপাখ্যান, মৎস্যাৱতাৰ, সোম আৰু সূর্য্যৰ বংশৰ বর্ণনা আদি অনেক বিষয় আলোচিত হৈছে।

(৭) **মৎস্যপুৰাণ ঃ** মৎস্যপুৰাণত ভগৱান বিষ্ণুৰ মৎস্য অৱতাৰৰ কথা বর্ণিত আছে। পৃথিৱী যেতিয়া প্রলয়কালত প্রৱল পানীৰ সোঁতত প্লাৱিত হৈছিল, তেতিয়া ভগৱান বিষ্ণুই মৎসৰূপ ধাৰণ কৰি নৌকাত উঠি থকা মনুক উদ্ধাৰ কৰি হিমালয়ৰ উচ্চতম শৃংগত নৌকাবন্ধন কৰি মনুক ৰক্ষা কৰিছিল। এই মনোমোহা কাহিনীৰ আশ্রয়তেই মৎস্যপুৰাণৰ কাহিনীৰ পাতনি হৈছে। প্রকৃততে মনু আৰু মৎস্যৰ কথা বার্তাই হৈছে এই বিশাল পুৰাণৰ প্রধান বিষয়বস্তু।

(৮) **নাৰদ পুৰাণ ঃ** বিষ্ণুভক্তিয়েই হৈছে নাৰদপুৰাণৰ মূল বিষয়বস্তু। এইখন পুৰাণত নাৰদ বিষ্ণুভক্তিৰ প্রচাৰক হিচাপে চিত্রিত হৈছে। কিছুসংখ্যক উপকথাৰ মাধ্যমেৰে বিষ্ণুপুজা তথা বিষ্ণুব্রতৰ মহিমা ইয়াত ব্যক্ত কৰা হৈছে। ইয়াৰ উপৰিও পাপ-পূণ্য, বর্ণাশ্রমৰ কথা, ভক্তি আৰু মুক্তিৰ কথা ইয়াত আলোচিত হৈছে।

(৯) **মার্কণ্ডেয় পুৰাণ ঃ** মার্কণ্ডেয় পুৰাণ শাক্ত ধর্মীসকলৰ এখন উপযুক্ত ধর্মপুথি।

এইখন পুৰাণত দেৱীশক্তিৰ মহামায়াৰ কাহিনী বর্ণিত হৈছে। মার্কণ্ডেয় পুৰাণৰ যিকেইটা অধ্যায়ত দেৱীৰ মাহাত্ম্য বর্ণিত হৈছে, সেইখিনি 'শ্রীশ্রীচণ্ডী'বা 'দেৱী-সপ্তশতী' গ্রন্থ হিচাপে বিখ্যাত। ইয়াত মহাদেৱীৰ দ্বাৰা মধুকৈটভ, মহিষাসুৰ বধ, শুম্ভ-নিশুম্ভ বধ, চণ্ডমুণ্ড আৰু ৰক্তবীজ বধ আদি কাহিনীৰ জৰিয়তে দেৱী মহামায়াৰ মহাশক্তিৰ বর্ণনা কৰা হৈছে। ইয়াৰ উপৰিও এই পুৰাণত ৰজা হৰিচন্দ্র, বিশ্বামিত্র, মদালসা, অত্রি-অনসূয়া, সোম-দত্তাত্রেয় দুর্বাসা আদিৰ বিভিন্ন আখ্যান বর্ণিত হৈছে। এইখন পুৰাণৰ কাব্যিক গুণো অপৰিসীম।

(১০) **অগ্নিপুৰাণ ঃ** অগ্নিপুৰাণক সম্পূর্ণ ভাৰতীয় বিদ্যাসমূহৰ চমু বিশ্বকোষ বুলি ধৰা হয়। এইখন পুৰাণত বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহৰ চমু বিৱৰণ তথা ৰামায়ণ মহাভাৰতৰ কাহিনীৰ উপৰিও গীতাৰ সাৰাংশ দাঙি ধৰা হৈছে। এইসমূহৰ উপৰিও জন্ম, পুনর্জন্ম, যোগ-যাগ, বিবাহ-বিধি, জ্যোতিষ, ভূগোল, আয়ুর্বেদ, তীর্থসমূহৰ মাহাত্ম্য, যুদ্ধবিদ্যা, ৰাজ-ধর্ম, ছন্দ-ব্যাকৰণ, অলংকাৰশাস্ত্র আদিত বিভিন্ন বিষয়সমূহ এইখন পুৰাণত ঠাই পাইছে। অগ্নিপুৰাণৰ ৰচনাকাল সম্বন্ধে পণ্ডিতসকল এতিয়ালৈ একমত নহয়।

(১১) **ভৱিষ্য পুৰাণ ঃ** ভৱিষ্যপুৰাণখন পাঁচটা-পর্বত ৰচিত হৈছে। সেই পাঁচটা পর্ব হ'ল— (১) ব্রহ্মপর্ব (২) বিষ্ণুপর্ব (৩) শিৱপর্ব (৪) সূর্যপর্ব আৰু (৫) প্রতিবর্গপর্ব। এইখন পুৰাণত সূর্য্য মাহাত্ম্য, ব্রহ্মা মাহাত্ম্য, শিৱমাহাত্ম্য, বিষ্ণুমাহাত্ম্য আদি বিষয় লিপিবদ্ধ হৈছে।

(১২) **ব্রহ্মবৈৱর্তপুৰাণ ঃ** ব্রহ্মবৈৱর্তপুৰাণ চাৰিটা খণ্ডত বিভক্ত। সেইসমূহ হৈছে (১) ব্রহ্মখণ্ড (২) প্রকৃতি খণ্ড (৩) গণপতি খণ্ড আৰু (৪) কৃষ্ণজন্মখণ্ড। ব্রহ্মখণ্ডত জগতৰ সৃষ্টি, প্রকৃতি খণ্ডত দুর্গা, লক্ষ্মী, সৰস্বতী, সাবিত্রী, ৰাধা আদি প্রকৃতি, গণপতিখণ্ডত গণেশ কার্তিকৰ জন্ম কাহিনী, কৃষ্ণজন্মখণ্ডত হৰিবংশ, ভাগৱত কৃষ্ণাৱতাৰৰ কাহিনীসমূহ বর্ণিত হৈছে।

(১৩) **লিংগ পুৰাণ ঃ** এইখন পুৰাণত ভগৱান শিৱৰ মাহাত্ম্য বর্ণিত হৈছে। শিৱলিংগৰ উপাসনা বর্ণিত হোৱা বাবে এই পুৰাণখন লিংগপুৰাণ নামে খ্যাত। এই পুৰাণখন পূর্বভাগ আৰু উত্তৰভাগ নামেৰে দুটা ভাগত বিভক্ত। ইয়াত সৃষ্টিৰ বর্ণনা, শৈৱব্রত তথা সূর্য্য আৰু চন্দ্রবংশৰ কাহিনী বর্ণিত হৈছে।

(১৪) **স্কন্দপুৰাণ ঃ** স্কন্দপুৰাণখন সাতটা খণ্ডত বিভক্ত। যেনে — (১) মহেশ্বৰখণ্ড (২) বৈষ্ণৱ খণ্ড, (৩) ব্রহ্মখণ্ড, (৪) কাশীখণ্ড ইত্যাদি। মহেশ্বৰখণ্ডত শিৱ-পার্ৱতীৰ বিচিত্র মহিমা বর্ণিত হৈছে। বৈষ্ণৱখণ্ডত ভগৱান জগন্নাথ মন্দিৰৰ বর্ণনা, পূজাবিধি, আৰু প্রতিষ্ঠাৰ বর্ণনা আছে। ব্রহ্মখণ্ডত উজ্জয়িনীৰ মহাকালৰ পূজা বিধি বর্ণিত হৈছে। ঠিক তেনেদৰে কাশীখণ্ডত কাশীনগৰীৰ বর্ণনা পোৱা যায়। এইখন পুৰাণৰ জৰিয়তে বিভিন্ন ঠাইৰ ঐতিহাসিক আৰু ভৌগোলিক

বিৱৰণো লাভ কৰা যায়।

(১৫) বৰাহপুৰাণ ঃ বৰাহপুৰাণখন এখন বৈষ্ণৱ পুৰাণ। বৰাহৰূপী ভগৱান বিষ্ণু এই পুৰাণৰ প্ৰবক্তা। এইখন পুৰাণত দেৱী গৌৰীৰ জন্ম কাহিনী, ভগাৱান শিৱ আৰু দেৱী দুৰ্গাৰ আখ্যান, যম আৰু নাচিকেতাৰ কাহিনী তথা বিবিধ ধৰ্ম কথাৰ উল্লেখ পোৱা যায়।

(১৬) বামন পুৰাণ ঃ বামন পুৰাণখনো এখন বৈষ্ণৱ পুৰাণ। বামণৰূপী ভগৱান বিষ্ণুৰ বৰ্ণনাই হৈছে এই পুৰাণৰ প্ৰধান প্ৰতিপাদ্য বিষয়। এইখন পুৰাণতো শিৱৰ মহিমা, দুৰ্গাৰ কাত্যায়নী ৰূপ, গণেশ আৰু কাৰ্তিকৰ উৎপত্তিৰ বৰ্ণনা কৰা হৈছে।

(১৭) গৰুড় পুৰাণ ঃ গৰুড়পুৰাণৰ কথা অংশ ভগৱান বিষ্ণুৱে গৰুড়পক্ষীক কৈ শুনাইছিল। এই পুৰাণখন দুটা ভাগত বিভক্ত। প্ৰথম ভাগত ভগৱান বিষ্ণুৰ মহিমা বৰ্ণনা কৰাৰ লগতে ৰত্নপৰীক্ষা, ৰাজনীতি, আয়ুৰ্বেদ, পশুচিকিৎসা, ছন্দশাস্ত্ৰ, সাংখ্যযোগ আৰু গীতাৰ সাৰাংশ বৰ্ণিত হৈছে, দ্বিতীয় খণ্ড প্ৰেতকল্প নামে জনাজাত। ইয়াত জীৱৰ অৱস্থা, নৰকাদি বিভিন্ন বিষয়ৰ কথা আলোচিত হৈছে।

(১৮) কূৰ্মপুৰাণ ঃ কূৰ্মৰূপী ভগৱান বিষ্ণুৰ কাহিনী কূৰ্মপুৰাণত বৰ্ণিত আছে। কূৰ্মপুৰাণ দুটা ভাগত বা খণ্ডত বিভক্ত। পূৰ্বভাগত মহাবৰাহৰ দ্বাৰা পৃথিৱী উদ্ধাৰ, দক্ষৰজাৰ যজ্ঞ আৰু বামণাৱতাৰ ইত্যাদি বিষয় আলোচিত হৈছে। উত্তৰখণ্ডত নানা বিধ তীৰ্থ স্থান আৰু উচ্চস্তৰৰ দাৰ্শনিক তত্ত্বৰ বিষয়ে বৰ্ণনা কৰা হৈছে। এনেদৰে আপুনি সৰ্বমুঠ ওঠৰখন পুৰাণৰ চমু বিৱৰণ জানিব পাৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ঃ উপপুৰাণ আৰু মহাপুৰাণৰ সংখ্যা কিমান?

.....

প্ৰশ্ন নং ১০ঃ পুৰাণসমূহ গুণ অনুসৰি কেই শ্ৰেণীত বিভক্ত?

.....

প্ৰশ্ন নং ১১ঃ বৈষ্ণৱ সম্প্ৰদায়ৰ এখন পুৰাণৰ নাম লিখক।

.....

প্ৰশ্ন নং ১২ঃ আটাইতকৈ জনপ্ৰিয় আৰু প্ৰসিদ্ধ পুৰাণখনৰ নাম লিখক।

.....

৫.৬ পুৰাণৰ প্ৰভাৱ

এতিয়া আপুনি পুৰাণ সাহিত্যৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব। পুৰাণৰ বৃহৎ সংস্কৃতিৰ প্ৰভাৱ হিন্দুসভ্যতাৰ ওপৰত উৎসৱ পাৰ্বণকে আদি কৰি বিভিন্ন কলা-সাহিত্যৰ মাজত দেখা যায়। ভাগৱত পুৰাণৰ পৰাই ভা�ৰত নৃত্যই অনুপ্ৰেৰণা লাভ কৰিছে। একেদৰে কাব্যত ৰাস-

লীলা পুৰাণ সাহিত্যৰ পৰা অনুপ্ৰাণিত হৈছে। ফাকুৱা, দেৱালী, দুৰ্গাপূজা আদি উৎসৱৰ উল্লেখ পুৰাণ সাহিত্যত দেখা যায়।

কৌটিল্যৰ অৰ্থশাস্ত্ৰত (1.5 (P.10) ত ইতিহাসৰ লক্ষণ বৰ্ণনাৰ সময়ত 'পুৰাণ' আৰু ইতিবৃত্ত'ক একেলগে ইতিহাসৰ শাৰীত ধৰা হৈছে।

পুৰাণ সাহিত্যত বৰ্ণিত বিভিন্ন দেৱতা, ঋষি, ৰজা, নেতাৰ কাহিনীৰ মানৰ সভ্যতাৰ ওপৰত শিক্ষামূলক প্ৰভাৱ পৰিছে।

জানি থোৱা ভাল

'ইতিবৃত্ত' বুলিলে 'ঐতিহাসিক ঘটনা'ক বুজা যায়। পুৰাণ বুলিলেও সম্ভৱত 'পৌৰাণিক কাহিনী' আৰু 'আখ্যান প্ৰসিদ্ধ কাহিনী'ক বুজা যায়। আগৰ কালৰ সাহিত্যত যেনে ব্ৰাহ্মণ উপনিষদ আৰু বৌদ্ধ সাহিত্যত ইতিহাসৰ লগত পুৰাণ শব্দৰ উল্লেখ পোৱা যায়। পুৰণি কালত ইতিহাস আৰু পুৰাণ অথবা 'ইতিহাস পুৰাণ'ৰ উল্লেখ বিভিন্ন ক্ষেত্ৰত সঘনাই হোৱা দেখা যায়।



৫.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পুৰাণ শব্দৰ অৰ্থ আৰু ইয়াৰ উৎসৰ বিষয়ে জানিলো
- পুৰাণৰ ৰচক আৰু ৰচনাকালৰ বিষয়ে জানিলো
- পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্যৰ বিষয়ে জানিলো
- মহাপুৰাণ আৰু উপপুৰাণৰ নামবোৰ জানিব পাৰিলো আৰু লগতে বিভিন্ন মহাপুৰাণৰ চমু আভাস পালো
- পুৰাণ সাহিত্যৰ প্ৰভাৱ অন্যান্য ক্ষেত্ৰত কেনেদৰে পৰিছে, সেইবিষয়ে জানিব পাৰিলো।



৫.৯ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) গোস্বামী, হৰমোহন দেৱ, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Krishna Machariar, M.History of classical sanskrit Literature, New Delhi : MLBD



৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ পুৰাণ শব্দৰ সাধাৰণ অর্থ হৈছে— 'পুৰাণমাখ্যাণম্' অর্থাৎ 'পুৰণি আখ্যান'।

২ নং প্রশ্নৰ উত্তৰঃ 'লোমহর্ষণ' ব্যাসদেৱৰ প্রিয় শিষ্য আছিল।

৩ নং প্রশ্নৰ উত্তৰঃ মৎস্যপুৰাণ।

৪ নং প্রশ্নৰ উত্তৰঃ চাৰিভাগত।

৫ নং প্রশ্নৰ উত্তৰঃ পুৰাণ আৰু ইতিহাস সাহিত্যত কিছুমান অজ্ঞাত ৰচকৰ বহু পদ্য পঢ়িবলৈ পোৱা যায়। এনে ধৰণৰ ৰচনাক গাথা বুলি জনা যায়।

৬ নং প্রশ্নৰ উত্তৰঃ বক্তা অথবা ৰচকে নিজে প্রত্যক্ষ কৰি দিয়া কোনো ঘটনাৰ বর্ণনাক আখ্যান বোলা হয়।

৭ নং প্রশ্নৰ উত্তৰঃ ১) পুৰাণৰ কাহিনীসমূহ কাল্পনিক।

২) অতিশয়োক্তি কথন দেখা যায়।

৩) বেদৰ টান ভাষা-শৈলীৰ সহজ-সৰলভাৱে বর্ণনা কৰাটো পুৰাণৰ বৈশিষ্ট্য।

৪) পুৰাণ সমাজৰ দাপোনস্বৰূপ।

৫) মানৱ-ধর্মক সুদৃঢ়-কৰাটো পুৰাণৰ বৈশিষ্ট্য।

৮ নং প্রশ্নৰ উত্তৰঃ বুৰঞ্জীবিদ বুলিলে বুৰঞ্জী বা ইতিহাস বিষয়ত পার্গত ব্যক্তিক বুজা যায়।

৯ নং প্রশ্নৰ উত্তৰঃ সর্বমুঠ ৩৬ খন।

১০ নং প্রশ্নৰ উত্তৰঃ তিনিভাগত।

১১ নং প্রশ্নৰ উত্তৰঃ বিষ্ণুপুৰাণ।

১২ নং প্রশ্নৰ উত্তৰঃ ভাগৱতপুৰাণ।



৫.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ পুৰাণ সাহিত্যৰ বিষয়বস্তুৰ বিষয়ে লিখক।

(খ) চুটি প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ পুৰাণৰ ৰচকৰ বিষয়ে এটি টোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ বৈষ্ণৱ ধর্মী পুৰাণ সমূহৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ঃ বিভিন্ন মহাপুৰাণৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৬ ঃ গদ্যকাব্য

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ গদ্যকাব্যৰ পৰিচয়

৬.৩.১ গদ্যকাব্যৰ লক্ষণ

৬.৩.২ গদ্যকাব্যৰ ভাগ

৬.৩.৩ গদ্যকাব্যৰ উৎস বা প্ৰাচীনতা

৬.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গদ্যকাব্যৰ উল্লেখ

৬.৪.১ সুৱন্ধু আৰু তেওঁৰ প্ৰতিভা

৬.৪.২ দণ্ডি আৰু তেওঁৰ প্ৰতিভা

৬.৪.৩ বাণ আৰু তেওঁৰ প্ৰতিভা

৬.৫ শব্দাৰ্থ তালিকা

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্ৰগতিৰ খতিয়ান

৮.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গদ্যকাব্যৰ পৰিচয় লাভ কৰিব পাৰিব
- গদ্যকাব্যৰ লক্ষণৰ বিষয়ে জানিব পাৰিব
- গদ্যকাব্যৰ ভাগসমূহৰ লগত অৱগত হ'ব পাৰিব
- গদ্যকাব্যৰ উৎস, প্ৰাচীনতা আৰু পৰম্পৰাৰ বিষয়ে জানিব পাৰিব
- গদ্যকাৰ সুৱন্ধুৰ বাসৱদত্তাৰ পৰিচয় পাব
- বাণভট্টৰ ৰচনা শৈলীৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- হৰ্ষচৰিত আৰু কাদম্বৰীৰ বিষয়ে জানিব পাৰিব
- দণ্ডীৰ গদ্যকাব্যৰ বিষয়ে জানিব পাৰিব।

৬.২ গদ্যকাব্যৰ পৰিচয়

আগৰ অধ্যায়ত আপুনি চম্পূকাব্য আৰু গীতিকাব্যৰ বিষয়ে কিছু আভাস পালে। এই অধ্যায় অধ্যয়ন কৰি আপুনি সংস্কৃত শ্ৰব্যকাব্যৰ অন্তৰ্গত গদ্যকাব্যৰ বিষয়ে জ্ঞান লাভ কৰিব

পাৰিব। আপুনি জানে যে সংস্কৃত কাব্যসাহিত্য প্ৰধানকৈ দুটা ভাগত বিভক্ত ১। দৃশ্য কাব্য আৰু ২। শ্ৰব্যকাব্য। দৃশ্যকাব্য অভিনয়ৰ যোগেদি দেখুওৱা হয়। যেনে ঃ নাটকাদি। উদাহৰণস্বৰূপে ভাস বা কালিদাসৰ নাটক স্বপ্নবাসৱদত্তা বা অভিজ্ঞানশকুন্তলম্ নাটক এখন মঞ্চস্থ কৰি উপভোগ কৰিব পাৰো। দৃশ্যকাব্যসমূহক 'ৰূপক' বুলিও কোৱা হয়। এজনৰ ৰূপ আন এজনৰ ওপৰত আৰোপ কৰা হয় বাবে ৰূপক বোলে।

শ্ৰব্যকাব্য সমূহ শ্ৰৱণৰ যোগ্য বা কাণেৰে শুনি উপভোগ কৰা হয়। এই শ্ৰব্যকাব্য গদ্য আৰু পদ্যৰূপে দুটা ভাগত ভগোৱা হৈছে। গদ্যকাব্য সমাসযুক্ত হয় আৰু পদ্যকাব্য ছন্দত ৰচনা কৰা হয়।

এতিয়া আপুনি এই অধ্যায়ত গদ্যকাব্যৰ স্বৰূপ বা লক্ষণ, ইয়াৰ উৎস, বিভিন্ন ভাগ তথা বিভিন্ন উল্লেখযোগ্য গদ্যকাৰ আৰু তেওঁলোকৰ ৰচনাসমূহৰ বিষয়ে জানিব পাৰিব।

৬.৩ গদ্যকাব্যৰ পৰিচয়

গদ্যকাব্য ঃ গদ্যকাব্য হৈছে সমাস বহুল ৰচনা

প্ৰথমতে আপুনি এতিয়া গদ্যকাব্যৰ বিষয়ে জানিব পাৰিব। বৈদিক যুগত পৰ্যাপ্ত পৰিমাণে গদ্যাত্মক ৰচনা আমাৰ দৃষ্টিগোচৰ হ'লেও বৈদিকোত্তৰ কালৰ প্ৰথম অৱস্থাত সকলো গ্ৰন্থতে পদ্যাত্মক ৰচনাহে প্ৰকাশ পাবলৈ ধৰে। আনকি ব্যাকৰণ, জ্যোতিষ, বিধি, চিকিৎসা আদি বিষয়তো ছন্দোবদ্ধ গ্ৰন্থৰ সৃষ্টি হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল পদ্য মনত ৰাখিবলৈ সহজ। সেইবোৰ কাৰণতে গদ্যই জনপ্ৰিয়তা হেৰুৱালে আৰু নীৰস তথা সাধাৰণ গদ্যই সমালোচকসকলৰ মন আকৰ্ষণ নকৰা হ'ল। ফলত গদ্যকাৰসকল তেওঁলোকৰ গদ্যৰচনাত এক বৈশিষ্ট্য সৃষ্টিৰ বাবে চেষ্টা কৰিবলৈ ধৰে। ছন্দোৱদ্ধ ৰচনাৰ সৈতে ফেৰ মাৰিব পৰাকৈ গদ্যৰচনাতে এক কাব্যিক চাৰুতাৰ সৃষ্টিৰ বাবে এক চেষ্টা আৰম্ভ হ'ল। আনুপ্ৰাসিক পদ আৰু দীৰ্ঘসমাসৰ ব্যৱহাৰেৰে গদ্য সৃষ্টিৰ প্ৰয়াস হ'ল। ছন্দক বাদদি আলঙ্কাৰিক কাব্যৰ সকলো বৈশিষ্ট্য গদ্যকাব্যৰো বৈশিষ্ট্য হৈ পৰিল। ইয়াৰ পৰিণতি স্বৰূপে গদ্যকাব্য নামেৰে এক অভিনৱ কাব্যধৰ্মী গদ্যাত্মক ৰচনাৰ সৃষ্টি হ'ল। এই ৰচনাৰাজিয়ে লোককথাসমূহৰ পৰা বিষয়বস্তু গ্ৰহণ কৰিলে আৰু অলঙ্কাৰবিশিষ্ট ছন্দোৱদ্ধ কাব্যৰ পৰা নিজাকৈ অলঙ্কাৰবহুল ৰূপ ল'লে। ছন্দবিহীন গদ্যত কাব্যিক কমনীয়তাৰ সৃষ্টি সহজসাধ্য নাছিল আৰু সেয়ে গদ্যকাৰসকলে কাব্যতত্ত্ববিদ সমালোচকসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ মনোৰম গদ্যৰচনাৰ বাবে অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰিবলগা হ'ল। সেয়ে পদ্যাত্মক ৰচনাতকৈ গদ্যাত্মক ৰচনাহে অধিক কষ্টকৰ বুলি সময়ত বিবেচিত হ'ল আৰু পণ্ডিতসকলে **গদ্য**কাব্যৰ বিষয়ে মন্তব্য দিলে— গদ্যং কবীনাং নিকষং বদন্তি। অৰ্থাৎ

দৃশ্য আৰু শ্ৰব্যভেদে কাব্যৰ দুটা প্ৰধান ভাগ আছে।

৬.৩.১ গদ্যকাব্যৰ লক্ষণ

গদ্যকাব্যৰ পৰিচয়ৰ পাছত আপুনি এতিয়া গদ্যকাব্যৰ লক্ষণৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ বিশিষ্ট আলঙ্কাৰিক বিশ্বনাথ কবিৰাজে গদ্যকাব্যৰ সংজ্ঞা

এইদৰে দাণ্ডি ধৰিছে— "বৃত্তগন্ধোজ্ঝিতং গদ্যম্"। অর্থাৎ ছন্দবিহীন ৰচনাকে গদ্যকাব্য বোলে। এই লক্ষণটো সর্বজনবিদিত আৰু আলঙ্কাৰিক সকলেও মানি লৈছে।

৬.৩.২ গদ্যকাব্যৰ ভাগ

আপুনি গদ্যকাব্যৰ বিষয়ে জনাৰ পিছত গদ্যকাব্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব। আলঙ্কাৰিক বিশ্বনাথ কবিৰাজে গদ্যকাব্যক চাৰিপ্রকাৰত ভাগ কৰিছে— ১) মুক্তক, ২) বৃত্তগন্ধি, ৩) উৎকলিকাপ্রায়, ৪) চূর্ণক। ১) মুক্তক— সমাসহীন গদ্যক মুক্তক বোলা হয়। ২) বৃত্তগন্ধি— য'ত আংশিকভাৱে ছন্দৰ সম্পর্ক থাকে সেয়ে বৃত্তগন্ধি গদ্য। ৩) উৎকলিকাপ্রায়— দীঘল সমাসযুক্ত পদৰ দ্বাৰা ৰচিত গদ্যক উৎকলিকাপ্রায় বোলে। ৪) চুটি চুটি সমাসযুক্ত পদৰ দ্বাৰা ৰচিত গদ্যৰ নাম চূর্ণক।

উক্ত গদ্যকাব্য সমূহক পুনৰ দুটা ভাগত ভাগ কৰিছে। সেয়া হৈছে— ১) কথা আৰু ২) আখ্যায়িকা। 'অগ্নিপুৰাণ'ত আকৌ গদ্যকাব্যক পাঁচ প্রকাৰ বুলি কৈছে—

আখ্যায়িকা কথা খণ্ডকথা পৰিকথা তথা।
কথানিকেতি মন্যন্তে গদকাব্যং চ পঞ্চধা।।

অর্থাৎ আখ্যায়িকা, কথা, খণ্ডকথা, পৰিকথা, কথানিকা এই পাঁচ প্রকাৰৰ গদ্যকাব্য আছে

কিন্তু দণ্ডীয়ে তেওঁৰ 'কাব্যাদর্শ' গ্রন্থত গদ্য সাহিত্যক দুই প্রকাৰৰ বুলি কৈছে— কথা আৰু আখ্যায়িকা। কবিৰ কল্পিত কাহিনীক আশ্রয় কৰি কথা ৰচিত হয় আৰু সত্য কাহিনী আখ্যায়িকাত বর্ণিত হয়। বাকী যিবিলাক গদ্যকাব্যৰ ভাগ দেখুৱাইছে সেই সকলোবোৰ কথা আৰু আখ্যায়িকাৰেই অন্তর্ভুক্ত। সেইবাবে দণ্ডীয়ে কৈছে— কথা আৰু আখ্যায়িকাই গদ্যসাহিত্যৰ দুটা প্রধান ভাগ।

অগ্নিপুৰাণ গ্রন্থত কথা আৰু আখ্যায়িকাৰ লক্ষণ উল্লেখ আছে যদিও 'সাহিত্যদর্পণ' গ্রন্থৰ ৰচয়িতা বিশ্বনাথ কবিৰাজেও কথা আৰু আখ্যায়িকাৰ লক্ষণ এনেদৰে দেখুৱাইছে।


১) **কথা ঃ** যি কাব্যত গদ্যৰ যোগেদি ইতিবৃত্ত মনোৰম আৰু মনোগ্রাহী কৰি তোলা হয় তাকে কথা বোলে। এই কথাৰ ভিতৰত মাজে মাজে আর্যা ছন্দৰ শ্লোক আৰু বক্ত্র বা অপবক্ত্র ছন্দত ৰচিত শ্লোকো থাকিব পাৰে। কথা কাব্যৰ আৰম্ভতে ছন্দোৱদ্ধ পদ্যময়, নমস্কাৰাত্মক মঙ্গলাচৰণ, দুষ্ট লোকৰ নিন্দা বা সজ্জনৰ প্রশংসা প্রকাশক বর্ণনা থাকিব লাগে। কথা কাব্যৰ উদাহৰণ, যেনে— 'কাদম্বৰী' আদি।

২) **আখ্যায়িকা ঃ** আখ্যায়িকা নামৰ গদ্যকাব্যও কথাৰ দৰেই কিন্তু ইয়াত কবিয়ে নিজৰ বংশৰ বর্ণনা কৰে আৰু ইয়াৰ কোনো কোনো ঠাইত অন্যান্য কবিৰ বিষয়েও আলোচনা থাকে। আখ্যায়িকাৰ মাজে মাজে পদ্যও থাকে।

আখ্যায়িকাৰ কথাংশ বা বিষয় বৰ্ণনাৰ বিভাগ বিলাকক আশ্বাস (উচ্ছ্বাস) বুলি উল্লেখ কৰা হয়। এই আশ্বাস বিলাকৰ আৰম্ভতে আর্যা, বক্ত্র বা অপবক্ত্র আদি ছন্দৰ যিকোনো ছন্দত ৰচিত পদ্যৰ দ্বাৰা বিষয়বস্তুৰ বৰ্ণনাৰ ছলেৰে বৰ্ণনীয় বিষয়ৰ সূচনা কৰা হয়। আখ্যায়িকাৰ উদাহৰণ— হর্ষচৰিত আদি।

কোনো কোনো পণ্ডিতে নায়কেই আখ্যায়িকা নামৰ গদ্যকাব্যৰ কথক হয় বুলি কয়। সেইকথা যুক্তিযুক্ত নহয়, কাৰণ, এই বিষয়ে আচার্য দণ্ডীয়ে কৈছে- আখ্যায়িকাত যে নায়কেই আখ্যান বর্ণনা কৰিব লাগে এনেকুৱা নিয়ম নাই, কাৰণ দেখা যায়— এনেকুৱা আখ্যায়িকাও আছে, য'ত নায়কৰ বাহিৰে আন পাত্রয়ো আখ্যানভাগ বর্ণনা কৰিছে।

নিম্নোক্ত ধৰণেৰে সংস্কৃত কাব্য সাহিত্যৰ ভাগসমূহ আপোনাৰ সুবিধাৰ বাবে সহজকৈ দেখুৱা হ'ল।



৬.৩.৩ গদ্যকাব্যৰ উৎস বা প্রাচীনতা

গদ্যকাব্যৰ ভাগসমূহৰ পিছত আপুনি এতিয়া গদ্যকাব্যৰ উৎস বা প্রাচীনতাৰ বিষয়ে জানিব পাৰিব—

সংস্কৃত গদ্য সাহিত্যৰ উৎস অতি প্রাচীন। ঋগ্বেদৰ নিগদাধ্যায়, কৃষ্ণযজুর্বেদৰ অন্তর্গত তৈত্তিৰীয় সংহিতা, কাঠকসংহিতা, মৈত্রায়ণী সংহিত আৰু অথর্ববেদৰ ব্রাত্যকাণ্ড আদিয়ে প্রাচীন গদ্যৰ উৎস। তদুপৰি সমস্ত ব্রাহ্মণ সাহিত্য, আৰণ্যক তথা উপনিষদ সমূহতো গদ্যৰ আভাস পোৱা যায়। কল্পসূত্রসমূহৰ শৈলীয়েও গদ্যৰ নতুন ধাৰাৰ

পৰিচয় দিয়ে। পতঞ্জলিৰ 'মহাভাষ্য'ত সৰল গদ্যৰ চানেকি দেখা যায়। মহাভাৰত মহাকাব্য আৰু বিষ্ণুপুৰাণৰ অংশ বিশেষতো সহজ-সৰল গদ্য দেখা যায়। প্ৰাচীন শিলালিপি, তাম্ৰলিপি, মীমাংসা সূত্ৰ আৰু দৰ্শনৰ বিভিন্ন টীকা ভাষ্য সমূহত সুন্দৰ গদ্য সাহিত্যৰ নিদৰ্শন দেখা যায়।

যজুৰ্বেদ, অথৰ্ববেদ আৰু ব্ৰাহ্মণৰ গদ্যৰীতি সৰল। সামগ্ৰিকভাবে বিচাৰ কৰিলে দেখা যায় বৈদিক গদ্য ৰীতি সৰল, সহজবোধ্য, বাক্যৰীতি সাৱলীল। পৰৱৰ্তী কালত বাণভট্ট ৰচিত 'কাদম্বৰী'ত দীৰ্ঘ সমাসযুত গদ্যৰচনা দেখা যায়।

বাৰ্ত্তিককাৰ কাত্যায়নে (৪০০ খৃঃপূঃ) আখ্যায়িকা ৰচনা কৰিছিল। পতঞ্জলিয়েও ২০০ খৃঃপূঃত আখ্যায়িকা ৰচনা কৰিছিল পতঞ্জলিয়েও ২০০ খৃঃপূঃত 'বাসৱদত্তা', 'সুমনোত্তৰা', 'ভৈমৰথী' প্ৰভৃতি আখ্যায়িকাৰ নাম উল্লেখ কৰিছে।

গদ্যকাৰ বাণভট্টই ভট্টাৰক হৰিশ্চন্দ্ৰক গদ্যলেখক হিচাবে গণ্য কৰিছে। তেনেদৰে জল্হন নামৰ আলঙ্কাৰিকে উল্লেখ কৰিছে যে বৰৰুচিৰ 'চাৰুমতী', ৰোমিল্ল-সৌমিল্লৰ বিৰচিত 'শূদ্ৰক কথা', শ্ৰীপালি নামৰ লেখকৰ 'তৰঙ্গৱতী কথা' আৰু সাতবাহন ৰজাসকলৰ দিনত ৰচিত 'শাতকর্ণিহৰণ' আৰু 'নমোৱন্তী কথা' আদি গদ্যবোৰে প্ৰাচীন সাহিত্যৰ পৰম্পৰাক সমৰ্থন কৰে।

৬.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গদ্যকাব্যৰ উল্লেখ

আপুনি ইতিমধ্যে সংস্কৃত গদ্যকাব্যৰ উৎস আৰু প্ৰাচীনতাৰ বিষয়ে জানিব পাৰিলে। এতিয়া আপুনি বিভিন্ন গদ্যকাব্যৰ বিষয়ে জানিব পাৰিব।

গদ্য সাহিত্য বুলিলে বিশেষকৈ সুৱন্ধু, দণ্ডী আৰু বাণভট্টৰ ৰচনাৰাজি উল্লেখ কৰিব পাৰি।

৬.৪.১ সৱন্ধু আৰু তেওঁৰ প্ৰতিভা

সুৱন্ধুৱে 'বাসৱদত্তা' নামৰ গদ্যকাব্যখন ৰচনা কৰিছিল। সুৱন্ধুৰ জন্মস্থান ক'ত আৰু আৱিৰ্ভাৰ কেতিয়া এই বিষয়লৈ পণ্ডিতসকল এতিয়াও নিশ্চিত নহয়। কিছুমান পণ্ডিতৰ মতে তেওঁ বাণভট্টৰ পূৰ্বৱৰ্ত্তী আৰু কিছুমানৰ মতে তেওঁ বাণৰ পৰৱৰ্তী। 'হৰ্ষচৰিত'ত বাণে 'বাসৱদত্তা'ৰ উল্লেখ কৰি কৈছে যে ৰচনাৰ উৎকৰ্ষতাৰে 'বাসৱদত্তা'ই কবিসকলৰ দৰ্পহৰণ কৰিছে। সুৱন্ধুৰ আৱিৰ্ভাৰকাল ষষ্ঠ শতাব্দীৰ শেষকাল বুলি পণ্ডিতসকলে অনুমান কৰিছে।

'সুৱন্ধু' ৰচিত 'বাসৱদত্তা'ৰ আখ্যানভাগ হৈছে— ৰজা চিন্তামণিৰ পুত্ৰ কন্দৰ্পকেতুৱে সপোনত এগৰাকী সুন্দৰী কন্যাক দেখি তেওঁৰ অনুসন্ধানত বন্ধু মকৰন্দক লগত লৈ গৃহ ত্যাগ কৰে। ৰাতি এজোপা গছৰ তলত বহি থাকোঁতে সেই গছত বাসকৰা এহাল ভাটৌ দম্পতীৰ পৰা জানিব পাৰিলে যে কুসুমপুৰৰ ৰজা শৃঙ্গাৰ

শেখৰৰ কন্যা বাসৱদত্তাই সপোনত এজন অপৰূপ যুৱকক দেখি তেওঁক সন্ধান কৰিবৰ বাবে সখী তমালিকাক প্ৰেৰণ কৰে। ৰাজকুমাৰীৰ স্বয়ম্বৰত বহুতো ৰাজকুমাৰ সমাগত কিন্তু ৰাজকুমাৰীয়ে স্বপ্নদৃষ্ট যুৱকৰ বাহিৰে আনক পতিবৰণ নকৰে। পিছত মকৰন্দ আৰু তমালিকাৰ লগালগি হয় আৰু তেওঁলোকৰ সহায়তে কন্দৰ্পকেতুৰ লগত বাসৱদত্তাৰ গোপনে মিলন হয়।

তাৰ পিছত তেওঁলোক দুয়ো পলাই গৈ এখন অৰণ্যত জিৰণি লোৱাত ভাগৰত বাসৱদত্তা আৰু কন্দৰ্পকেতু টোপনি যায়। পাছত টোপনি ভঙাত বাসৱদত্তাই ফল আহৰণ কৰিবলৈ যায়। তাৰ পিছত তেওঁৰ ৰূপত মুগ্ধ হৈ দুজন বনেচৰৰ মাজত তেওঁক স্ত্ৰীৰূপে পোৱাৰ কাৰণে দুয়োজনৰ মাজত যুদ্ধ হয় আৰু সেই যুদ্ধত দুয়োজনৰ মৃত্যু হয়। সেই অৰণ্য এজন ঋষিৰ তপোবন আছিল। ঋষিয়ে যেতিয়া জানিব পাৰিলে যে বাসৱদত্তাৰ বাবে তপোবনৰ শান্তিভঙ্গ হৈছে, সেয়ে বাসৱদত্তাক প্ৰস্তৰমূৰ্ত্তিত পৰিণত হ'বলৈ আশীৰ্বাদ দিয়ে। বাসবদত্তাই ঋষিক অনুৰোধ জনোৱাত তেতিয়া ঋষিয়ে কয় যে প্ৰেমিকৰ হাতৰ স্পৰ্শত পুনৰ জীৱন ঘূৰাই পাব।

ইফালে কন্দৰ্পকেতুৱে সাৰ পাই বাসৱদত্তাক বিচাৰি নাপাই আত্মহত্যা কৰিবলৈ উদ্যত হোৱাত দৈৱবাণীয়ে কয় যে প্ৰিয়াৰ সৈতে মিলন হ'ব। তাকে আশা কৰি ঘূৰি ফুৰোঁতে হঠাতে এটি প্ৰস্তৰ মূৰ্ত্তিত বাসৱদত্তাৰ সাদৃশ্য দেখি মূৰ্ত্তিটো সাৱটি ধৰে। লগে লগে মূৰ্ত্তিলৈ ৰূপান্তৰিত হোৱা বাসৱদত্তা জীৱন্ত হৈ পৰে আৰু কন্দৰ্পকেতুৱে বাসৱদত্তাক পুনৰ লাভ কৰে।

কবিত্ব প্ৰতিভা ঃ বাণৰ ৰচনাত যি অপাৰ শব্দ ভাণ্ডাৰ, অলঙ্কাৰ আৰু কল্পনাৰ অপূৰ্বসমাবেশ, বৰ্ণনাৰ তীক্ষ্ণ পৰ্যবেক্ষণ শক্তি, সঙ্গীতাত্মক ভাষা বিৰাজমান তেনেদৰে সু�ৰন্ধুৰ লেখনিত পোৱা নাযায়। সু�ৰন্ধুৰ কাব্য গৌড়ী-ৰীতি প্ৰধান। শ্লেষ তেওঁৰ ৰচনাৱলীৰ প্ৰাণস্বৰূপ। তেওঁৰ গ্ৰন্থত বক্ৰোক্তিৰ প্ৰাধান্য বৰ্তমান। কবিৰাজে 'ৰাঘৱপাণ্ডৱীয়' কাব্যত 'বাসৱদত্তা'ৰ প্ৰশংসা কৰি কৈছে—

'সুৰন্ধু বাণভট্টশ্চ কবিৰাজ ইতি ত্ৰয়ঃ'।
বক্ৰোক্তিমাৰ্গনিপুণাঃ চতুৰ্থো বিদ্যতে ন বা।।

(ৰাঘৱ পাণ্ডৱীয় ১/৪১)

সুৰন্ধুৰ ৰচনাত নতুন উন্মেষশালিনী প্ৰতিভাৰ পৰিচয় পোৱা নাযায়। কিন্তু তেওঁ অৰ্থগৌৰৱ প্ৰয়োগত সিদ্ধহস্ত আছিল। শ্লিষ্ট প্ৰয়োগত সুৰন্ধু অতি বিচক্ষণ। দুই এটা বৰ্ণনাৰ মাজত স্বভাৱোক্তি অলঙ্কাৰৰ ৰমণীয়তা দেখা যায়। কাব্যৰ মাজে মাজে কবিয়ে বক্ৰোক্তি প্ৰয়োগ কৰিছিল ফলত তেওঁৰ ৰচনাৱলী স্পষ্টৰূপে বুজা দুঃসাধ্য হৈ পৰে। সেই কাৰণে কবিয়ে অৰ্থ বুজিবলৈ পাঠকমণ্ডলীক পদে পদে অভিধান চাবলৈ সকিয়াই দিছে।



জানি থোৱা ভাল

১। 'সাহিত্যদর্পন'ৰ মতে ৰীতি চাৰিবিধ— বৈদর্ভী, গৌড়ী, পাঞ্চালী আৰু লাটী।

২। ওজগুণ প্রকাশক বর্ণৰ সমাবেশত সমাস বহুল, আড়ম্বৰপূর্ণ ৰচনাৰ নাম গৌড়ী ৰীতি।

৩। সাহিত্যদর্পনৰ মতে গুণ তিনি প্রকাৰৰ— (১) মাধুর্য্য, (২) ওজঃ আৰু (৩) প্রসাদ।

৪। চিত্তৰ বিস্তাৰ ৰূপ দীপ্ত অৱস্থাক ওজঃ গুণ বোলা হয়।

৫। আচার্য বামনৰ মতে গুণ দহবিধ। তাৰে এক প্রকাৰৰ গুণ হ'ল শ্রেয়। আনহাতে শ্রেয় এবিধ শব্দানংকাৰ।

৬। বক্রোক্তি হ'ল এবিধ অলংকাৰ।
শ্লেষ এবিধ থকানংকাৰ য'ত এটা শ্লিষ্ট পদৰ দ্বাৰা অনেকার্থৰ বোধ হয়।

৬.৪.২ দণ্ডি আৰু তেওঁৰ প্রতিভা

দণ্ডীৰ আৰির্ভাৰকালসম্পর্কে পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। দণ্ডীৰ পিতা-মাতা কাঞ্চীৰ অধিবাসী আছিল বুলি পণ্ডিতসকলে মত পোষণ কৰে। তেওঁৰ পিতৃৰ নাম আছিল বীৰদত্ত আৰু মাতৃৰ নাম গৌৰী। তেওঁলোক দাক্ষিণাত্যৰ কৌশিক গোত্রীয় ব্রাহ্মণ। বাল্যকালতেই দণ্ডীৰ পিতৃমাতৃৰ বিয়োগ হয়। সৰস্বতী আৰু শ্রুত নামে দুগৰাকী লোকে তেওঁক লালন-পালন কৰে। সেই কথা 'অৱন্তীসুন্দৰী কথাষাৰ' নামে এখন গ্রন্থত উল্লেখ আছে।

৬৫৫ খ্রীষ্টাব্দত চালুক্যৰাজ দ্বিতীয় বিক্রমাদিত্যই কাঞ্চী অধিকাৰ কৰাত দণ্ডীয়ে জন্মস্থান পৰিত্যাগ কৰি ভ্রমণৰ বাবে বাহিৰ হয়। পিছত ৰজা নৰসিংহবর্মাৰ দ্বাৰা কাঞ্চী প্রদেশ পুনৰ হস্তগত হোৱাত দণ্ডী নিজ দেশলৈ ঘূৰি আহে আৰু ৰাজসভাত উচ্চপদত নিযুক্ত হয়।

'কাব্যাদর্শ' নামৰ অলঙ্কাৰ গ্রন্থৰ ৰচয়িতা দণ্ডী আৰু গদকাব্য 'দশকুমাৰচৰিত'ৰ ৰচয়িতা একেজন ব্যক্তি হয়নে নহয় এই বিষয়ে মতভেদ আছে। বহুতো পণ্ডিতে মতপোষণ কৰে যে 'দশকুমাৰচৰিত' দণ্ডীৰ কম বয়সৰ ৰচনা আৰু 'কাব্যাদর্শ' পৰিণত বয়সৰ ৰচনা।

দণ্ডী বাণভট্টৰ পূর্বৰ নে পৰৱর্ত্তীকালৰ সেই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ আছে। পিটাৰচন (Piterson) আৰু জেকবী (Jekbi)ৰ মতে 'কাব্যাদর্শ'ৰ এটা শ্লোকত কাদম্বৰীৰ 'শুকনাসোপদেশ'ৰ কাহিনীৰ ছাঁ পৰিছে। এইফালৰ পৰা দণ্ডী বাণৰ পৰৱর্ত্তীকালৰ। আনফালে 'দশকুমাৰচৰিত'ৰ প্রাসাদোপম শৈলীৰ তুলনা বানৰ কঠিন শৈলীৰ লগত তুলনা কৰিলে দেখা যায় যে 'দশকুমাৰচৰিত'ত যি ভৌগোলিক

তথা ৰাজনৈতিক বর্ণনা পোৱা যায় সেয়া হৰ্ষবৰ্দ্ধনতকৈ পূৰ্বৰ ভাৰতবৰ্ষৰ চিত্ৰ। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় দণ্ডী বাণভট্টতকৈ পূৰ্ববৰ্ত্তী।

মেক্সমূলাৰ, ৱেবৰ, মেকডোনাল আদি পশ্চিমীয়া পণ্ডিতসকলৰ মতে দণ্ডী সপ্তম শতাব্দীৰ আৰম্ভণিৰ। আনহাতে আলঙ্কাৰিক বামনৰ দ্বাৰা ৰচিত 'কাব্যালঙ্কাৰ সূত্ৰবৃত্তি'ৰ ওপৰতো দণ্ডীৰ 'কাব্যাদৰ্শ'ৰ প্ৰচুৰ প্ৰভাৱ পৰা পণ্ডিতসকলে স্বীকাৰ কৰিছে। বামনৰ সময় ৮ম শতিকা। গতিকে, দণ্ডীৰ আৱিৰ্ভাৱ কাল সপ্তম শতিকাৰ আদিভাগ।

'দশকুমাৰ চৰিত' দহজন কুমাৰৰ কাহিনীৰ সংযোজন। গ্ৰন্থখন দুটা অংশত বিভক্ত— (১) পূৰ্ব পীঠিকা, (২) উত্তৰ পীঠিকা। পূৰ্ব পীঠিকাত পাঁচটা আৰু উত্তৰ পীঠিকাত আঠটা উচ্ছ্বাস আছে। উত্তৰপীঠিকাৰ শেষৰ চাৰিটা উচ্ছ্বাসৰ নাম 'শেষ'। চক্ৰপাণি দীক্ষিত নামে দাক্ষিণাত্যবাসী কোনো লিখকৰ দ্বাৰা ই পৰৱৰ্ত্তীকালত ৰচিত হৈছে। 'দশকুমাৰচৰিত'ৰ 'আৰম্ভ' আৰু 'শেষ' এই দুই অংশ অসংলগ্ন। বোধহয়, দণ্ডীয়ে 'দশকুমাৰচৰিত' সম্পূৰ্ণ কৰিব নোৱাৰিলে।

'দশকুমাৰ চৰিত'ৰ কাহিনীভাগ চমুকৈ এনেধৰণৰ—

মগধৰ ৰজা ৰাজহংসই এবাৰ মালৱৰাজ মানসাৰক যুদ্ধত পৰাভূত কৰে। পিছত মানসাৰে প্ৰতিশোধ ল'বলৈ ইচ্ছা কৰি কঠোৰ তপস্যা কৰে। তপস্যাত সিদ্ধি লাভ কৰি তেওঁ মগধৰ ৰাজধানী পাটলিপুত্ৰ আক্ৰমণ কৰে আৰু যুদ্ধত মহাৰাজ ৰাজহংসক পৰাস্ত কৰে। পৰাভূত ৰাজহংসই অৰণ্যত আশ্ৰয় লয়। সেই অৰণ্যতে তেওঁৰ পত্নীৰ এটি পুত্ৰ জন্ম হয় আৰু তেওঁৰ নাম থোৱা হয় ৰাজবাহন। ৰাজহংসৰ চাৰিজন অমাত্যৰো (মন্ত্ৰীৰো) চাৰিজন পুত্ৰ জন্ম হয়। তেওঁলোকৰ সৈতে আন পাঁচজন কোঁৱৰো তাত লগ হয়। এনেদৰে দহজন কুমাৰ একেলগে ডাঙৰ-দীঘল হয়। বনতে তেওঁলোক সকলো বিদ্যাত শিক্ষিত হয়। বয়সপ্ৰাপ্ত হোৱাত তেওঁলোকে দিগ্বিজয়ৰ বাবে মন মেলিলে। দিগ্বিজয় যাত্ৰা কৰি গৈ বিন্ধ্যাৰণ্যত ৰাজবাহনে মাতঙ্গ নামৰ ব্ৰাহ্মণক লগ পালে আৰু তেওঁ ৰাজবাহনক ক্ষুৎপিপাসা মণি প্ৰদান কৰে। ব্ৰাহ্মণসকলৰ উপকাৰৰ বাবে পাতাললৈ গমন, পাতাললৈ যোৱা ৰাজবাহনৰ সৈতে সোমদত্ত, পুষ্পোদ্ভৱৰ লগত সমাগম, তেওঁলোকৰ আত্মচৰিত কীৰ্তন, তাৰ পাছত ৰাজবাহন আৰু অৱন্তীসুন্দৰীৰ পৰিচয় কথন— এই আটাইবোৰৰ বৰ্ণনা পূৰ্বপীঠিকাত উল্লেখ আছে।

উত্তৰপীঠিকাৰ প্ৰথম উচ্ছ্বাসত ৰাজবাহনৰ চম্পানগৰলৈ গমন, তাত বন্ধন মুক্তি, সুৰতমঞ্জৰীৰ শাপ বৃত্তান্ত আৰু শেষত দহজন কুমাৰৰ মিলন আদি বিষয় বৰ্ণিত হৈছে। দ্বিতীয় উচ্ছ্বাসৰ পৰা অষ্টম উচ্ছ্বাসলৈকে উপহাৰ বৰ্মা, অপহাৰ বৰ্মা, অৰ্থপাল, প্ৰমতি, মিত্ৰগুপ্ত, মন্ত্ৰগুপ্ত আৰু বিশ্ৰুত ৰাজকুমাৰসকলৰ নিজ নিজ বৃত্তান্ত বৰ্ণনা আৰু শেষত ৰাজহংস ৰাজ্যপ্ৰাপ্তি ইত্যাদি বৰ্ণনা পোৱা যায়।

কবিত্ব প্ৰতিভা ঃ প্ৰাচীন সাহিত্যৰ বিদগ্ধ সমালোচক আৰু ৰসজ্ঞসকলে দণ্ডীৰ কবিকৃতিৰ

প্রশংসা কৰে আৰু তেওঁক মর্যাদাৰ আসনত প্রতিষ্ঠিত কৰিছে। এটি প্রসিদ্ধ শ্লোকত কালিদাস, ভাৰবি আৰু মাঘৰ বৈশিষ্ট্য এনেদৰে উল্লেখ কৰা হৈছে—

উপমা কালিদাসস্য ভাৰবের্থগৌৰৱম।
নৈষধে পদলালিত্যং মাঘে সন্তি ত্রয়োগুণাঃ।।

দশকুমাৰচৰিত'ত আধুনিক উপন্যাসসুলভ বহু উপাদান নিহিত আছে। দণ্ডীৰ **ৰচনাৰ প্রধান আকর্ষণ হৈছে তেওঁৰ ৰচনাধর্মীতা**। ৰজা, ৰাজপুত্র, ৰাজকন্যা, মন্ত্রী, মন্ত্রীপুত্র প্রভৃতি ৰাজকীয় চৰিত্রবোৰৰ সৈতে ধূতা, ৰাজগণিকা, বৌদ্ধভিক্ষু, সন্যাসী, পাতালপুৰীৰ ৰাজকুমাৰীৰ ৰোমাণ্টিক প্রেম, ৰাষ্ট্রদ্রোহ আদি ঘটনাসমূহ প্রতিফলিত হৈছে। শূদ্রকৰ দ্বাৰা বিৰচিত মৃচ্ছকটিকৰ দৰে দণ্ডীয়েও তেওঁৰ ৰচনাত নগৰজীৱনৰ অৱক্ষয়, বিলাসব্যসন, প্রমোদ, গণিকাসক্তি, ৰাজনীতিৰ কুটিল আৱর্ত্ত, নায়ক আৰু অন্যান্য প্রধান চৰিত্রসমূহৰ শৌর্য-বীর্য, বুদ্ধিমত্তা সুনিপুন কৌশলৰ মনোহাৰী ৰূপত চিত্তাকর্ষকভাৱে অঙ্কিত হৈছে। অর্থশাস্ত্র, কামশাস্ত্র, ব্যাকৰণ আৰু অলঙ্কাৰ শাস্ত্রত দণ্ডীৰ অসাধাৰণ পাণ্ডিত্য দেখা দিয়া যায়। গতানুগতিকতা বর্জিত, সাহিত্য গুণসমৃদ্ধ আৰু সৰল ৰচনা আৰু ৰোমাঞ্চকৰ কাহিনী সম্বলিত গদ্যকাব্য সংস্কৃত সাহিত্যত এয়ে প্রথম। কোনো কোনো ক্ষেত্রত প্রাচীন কথা সাহিত্যৰ কিঞ্চিৎ প্রভাৱ পৰিলেও ভাৱ-ভাষা আৰু কাহিনী গঠনত দণ্ডীৰ অনন্যসুলভ কৃতিত্ব সর্বজনস্বীকার্য। শৃঙ্গাৰ, বীৰ, বীভৎস, কৰুণ, হাস্য প্রভৃতি ৰসৰ সমাবেশ, সৰস বচনভঙ্গী, ওজস্বী ভাষা, বিচিত্র শব্দ ভাণ্ডাৰ প্রভৃতি গুণসমূহৰ বাবে দণ্ডীৰ 'দশকুমাৰৰ চৰিত' অতুলনীয় সৃষ্টি।

৬.৪.৩ বাণ আৰু তেওঁৰ প্রতিভা

বাণভট্ট ঃ সংস্কৃত সাহিত্যাকাশৰ অন্যতম উজ্জ্বল জ্যোতিষ্ক অসামান্য প্রতিভাধৰ লেখক হৈছে বাণভট্ট। বাণভট্টই দুখন গদ্যকাব্য ৰচনা কৰিছে। 'কাদম্বৰী' আৰু 'হর্ষিচৰিত'। হর্ষচৰিতৰ প্রথম আৰু দ্বিতীয় উচ্ছ্বাসত আৰু তৃতীয় উচ্ছ্বাসৰ প্রথমার্দ্ধত আত্মপৰিচয় দিছে। কান্যকুব্জৰ অন্তর্গত সোণ নদীৰ তীৰবর্ত্তী প্রীতিকূট নামৰ গ্রামত বাৎসায়ন গোত্রীয় ব্রাহ্মণ বংশত বাণভট্টৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল চিত্রভানু আৰু মাতৃ ৰাজ্যদেৱী। তেওঁ পিতৃপিতামহ পৰম্পৰা ক্রমে শাস্ত্রজ্ঞ বিদ্বান পণ্ডিতৰূপে সমাজত বিশেষ পতিপত্তি অর্জন কৰে। শিশুকালতেই তেওঁৰ মাতৃবিয়োগ হয়। পিতৃৰ দ্বাৰা পৰিপালিত হয় আৰু পিতৃৰ পৰা বেদাদি শাস্ত্র অধ্যয়ন কৰি পণ্ডিতবংশৰ যোগ্য মর্যাদাত অভিষিক্ত হয়। কিন্তু চৈধ্য বছৰ বয়সতে পিতৃৰো বিয়োগ হয়। ইয়াৰ পাছতে বাণ দেশ ভ্রমণৰ বাবে উদ্দেশ্যবিহীনভাবে ঘূৰিবলৈ ধৰে। এনেদৰে ঘূৰি ফুৰোতে কম বয়সতে জগত আৰু জীৱন সম্পর্কে বিচিত্র অভিজ্ঞতা হয়, লগতে বহুতো অন্তৰঙ্গ সুহৃদ লগ পালে। তেওঁলোকৰ সৈতে নানা ৰাজসভা

বিশ্ববিদ্যালয়, আলোচনা সভাত যোগ দিয়ে। ইয়াৰ কিছুদিনৰ পিছত তেওঁ স্বগৃহলৈ ঘূৰি যায়। কিন্তু হঠাতে থানেশ্বৰৰ ৰজা হৰ্ষবৰ্দ্ধনৰ আমন্ত্রণ ক্রমে ৰজা হৰ্ষবৰ্দ্ধনৰ সৈতে সাক্ষাৎ হয় আৰু ৰজাই তেওঁক ৰাজকবিৰূপে অভিষিক্ত কৰে। অলপ দিনৰ ভিতৰতে বাণভট্ট হৰ্ষবৰ্দ্ধনৰ প্রিয়পাত্র হৈ পৰে। সেইকাৰণে নিঃসন্দেহে ক'ব পাৰি যে বাণভট্ট সপ্তম শতিকাৰ প্রথমার্দ্ধত সাহিত্যানুৰাগী সম্রাট হৰ্ষবৰ্দ্ধনৰ অন্তৰঙ্গ সুহৃদ আৰু বিদগ্ধ সাহিত্যিকৰূপে প্রতিষ্ঠা লাভ কৰে। বাণভট্টই তেওঁৰ ৰচনাত পূৰ্বৱৰ্ত্তী আৰু সমসাময়িক খ্যাত কীৰ্ত্তি সাহিত্যিকসকলৰ প্রশংসা দাঙি ধৰিছে।

হৰ্ষচৰিত ঃ বাণভট্টৰ 'হৰ্ষচৰিত' গ্রন্থখন আখ্যায়িকা শ্রেণীৰ। ই আঠটা উচ্ছ্বাসত ৰচিত। প্রথম আঢ়ৈটা উচ্ছ্বাসত বাণে আত্মচৰিত লিপিবদ্ধ কৰিছে। তাৰ পাছতে ৰজা হৰ্ষবৰ্দ্ধনৰ কথা আৰম্ভ কৰিছে। থানেশ্বৰৰ ৰজা পুষ্পভূতি। সেই বংশত মহাপ্রতাপী ৰজা প্রভাকৰবৰ্দ্ধন। তেওঁৰ ৰাজ্যবৰ্দ্ধন আৰু হৰ্ষবৰ্দ্ধন নামেৰে দুজন পুত্র আৰু ৰাজ্যশ্রী নামেৰে এগৰাকী কন্যা আছিল। মৌখৰীৰ ৰজা গ্রহবর্মাৰ সৈতে ৰাজ্যশ্রীৰ বিবাহ হয়। প্রভাকৰবৰ্দ্ধনৰ মৃত্যুৰ সিংহাসন গ্রহণ কৰিবলৈ অস্বীকাৰ কৰে। কিন্তু হৰ্ষবৰ্দ্ধনক অভিষিক্ত কৰাৰ আগতে মালৰৰাজৰ দ্বাৰা গ্রহবর্মাৰ মৃত্যু হয় আৰু ৰাজ্যশ্রীৰ অপহৰণৰ সংবাদ আহে।



'হৰ্ষচৰিত' যিদৰে প্রসিদ্ধ গদ্যকাব্য তেনেদৰে প্রসিদ্ধ ঐতিহাসিক কাব্যও।

ৰাজ্যবৰ্দ্ধনে মালৰৰাজৰ বিৰুদ্ধে যুদ্ধ যাত্রা কৰে। কিন্তু গৌড়ৰাজৰ বিশ্বাসঘাটকতাত নিজেই নিহত হয়। প্রতিশোধ লোৱাৰ কাৰণে হৰ্ষবৰ্দ্ধনেও যুদ্ধ যাত্রা কৰে। কিন্তু বাটতে শুনিলে যে ৰাজ্যশ্রীয়ে মালৰৰাজৰ কাৰাগাৰৰ পৰা পলাই আত্মহত্যা কৰিবলৈ লওঁতেই এজন বৌদ্ধ ভিক্ষুৰে তেওঁক উদ্ধাৰ কৰে। হৰ্ষবৰ্দ্ধন আৰু ৰাজ্যশ্রীৰ মিলন দেখু�ৰাই ইয়াতে হৰ্ষচৰিত আখ্যায়িকাখন সমাপ্ত কৰে।

কাদম্বৰী ঃ বাণভট্টৰ 'কাদম্বৰী' কথা শ্রেণীৰ। কথাকাব্যৰ ভিতৰত কাদম্বৰী সংস্কৃত সাহিত্যৰ অন্যতম শ্রেষ্ঠ কীৰ্তি।

কাদম্বৰীৰ পূৰ্বার্দ্ধৰ আৰম্ভণিতে বাণে বিদিশাৰ ৰজা শূদ্রকৰ ৰাজসভাৰ যথার্থ বর্ণনা দিছে। শূদ্রকৰ ৰাজসভাত এগৰাকী চণ্ডালকন্যা উপস্থিত হৈ পিঞ্জৰাবদ্ধ এটা শুকপক্ষী উপহাৰ দিয়ে। সেই শুকপক্ষীটোৰ নাম বৈশম্পায়ন।

ৰজাই তাৰ বিষয়ে কৌতুহলবশতঃ নানা প্রশ্ন কৰাত শুক পক্ষীটোৱে নিজৰ সকলো কথা খৰচি মাৰি ক'লে। সেই শুকপক্ষীৰ জন্ম হৈছিল পম্পাসৰোবৰৰ পাৰৰ এজোপা শিমলুগছত। জন্মৰ পাছতে মাতৃৰ মৃত্যু হয় আৰু পিতৃয়ে বহু যত্নেৰে তাক ডাঙৰ-দীঘল কৰে। কিন্তু কোনো এদিন এটা শবৰৰ দল সেই অৰণ্যত প্রৱেশ কৰি বহুতো বন্যপক্ষী সংহাৰ কৰে। সেই শবৰদলৰ এজন বৃদ্ধ শবৰে সেই পক্ষী থকা খোৰোঙত হাত ভৰালে আৰু শুকপক্ষীৰ পিতৃক মুচৰি মাৰি মাটিত পেলাই দিয়ে। লগতে শুকপক্ষীটোও মাটিত পৰিল। ব্যাধে সকলো মৃত চৰাইক বান্ধি লৈ গ'ল। শুকপক্ষীটো চুচৰি চুচৰি তমাল গছৰ পাতৰ আঁৰত লুকাল। কিছু সময়ৰ পাছত

জাবালি মুনিৰ পুত্ৰ হাৰীতে শুকপক্ষীটোক বুটলি আশ্ৰমলৈ লৈ গ'ল। আশ্ৰমত জাবালি মুনিয়ে শুকপক্ষীটোক দেখা মাত্ৰকে ক'লে যে সি নিজে কৰা ভুলৰ বাবে ফল ভোগ কৰিছে। তাকে শুনি ঋষিসকলে জাবালি মুনিক শুকৰ পূৰ্বজন্মৰ কথা বিৱৰি ক'বলৈ অনুৰোধ কৰিলে।

পৰৱৰ্তী দিনত জাবালিয়ে শুকৰ পূৰ্বজন্মৰ কাহিনী ক'বলৈ ধৰিলে। অৱন্তী জনপদৰ উজ্জয়িনী নামে নগৰত তাৰাপীড় নামে এজন ৰজা আছিল। সকলো বিদ্যাত পাৰ্গত শুকনাস নামে তেওঁৰ এগৰাকী মন্ত্ৰী আছিল। তাৰাপীড়ৰ পত্নী বিলাসৱতীৰ গৰ্ভত সৰ্বগুণসম্পন্ন চন্দ্ৰাপীড়ৰ জন্ম হয়। যথাসময়ত তেওঁক (চন্দ্ৰাপীড়ক) যুৱৰাজ পদত অভিষিক্ত কৰে আৰু কিছুদিনৰ পিছত চন্দ্ৰাপীড়ে দিগ্বিজয় যাত্ৰা কৰে। বহু ঠাই অতিক্ৰম কৰি কৈলাশ পৰ্বত পাৰ হৈ তেওঁ অচ্ছোড় (অচ্ছোদ) সৰোবৰৰ পাৰত উপস্থিত হয়। তাতেই তেওঁ মহাশ্বেতাৰ সৈতে পৰিচয় হৈ জানিব পাৰিলে যে শ্বেতকেতু মুনিৰ পুত্ৰ পুণ্ডৰীক হ'ল মহাশ্বেতাৰ প্ৰণয়প্ৰাৰ্থী। কিন্তু হঠাতে এদিন পুণ্ডৰীকৰ মৃত্যু হয়। সেই দুখতে মহাশ্বেতাই বীণা বজাই মৃত্যুৰ বাবে অপেক্ষা কৰি আছে।

মহাশ্বেতাৰ অনুৰোধ অনুসৰি চন্দ্ৰাপীড় গন্ধৰ্বলোকলৈ গ'ল আৰু তাত তেওঁ কাদম্বৰীক লগ পালে। কাদম্বৰীক দেখি চন্দ্ৰাপীড় আকৃষ্ট হয় আৰু কাদম্বৰীয়ো চন্দ্ৰাপীড়ৰ প্ৰতি আকৃষ্ট হয়। তাত কিছুদিন থকাৰ পাছত পিতৃৰ আদেশত চন্দ্ৰাপীড় ঘৰলৈ উভতি যাবলগীয়া হয়। কাদম্বৰী বিৰহ বেদনাত ভুগিবলৈ ধৰিলে।

এইখিনিতে বাণভট্টৰ ৰচিত কাদম্বৰীৰ পূৰ্বাৰ্দ্ধসমাপ্ত হয়। ইয়াৰ পাছত বাণৰ পুত্ৰ ভূষণভট্টই উত্তৰাৰ্দ্ধ ৰচনা কৰে।

উত্তৰাৰ্দ্ধৰ আৰম্ভণিতে কাদম্বৰীৰ বিৰহাবস্থাৰ কথা বৰ্ণনা কৰা হৈছে। পত্ৰলেখাৰ মুখেৰে কাদম্বৰীৰ বিৰহাবস্থাৰ বাতৰি পঠিয়াই চন্দ্ৰাপীড় ব্যাকুল হৈ পৰে। পত্ৰলেখাৰ যোগেদি চন্দ্ৰাপীড়ে কাদম্বৰীলৈ বাতৰি পঠায় যে বৈশম্পায়নক লগ পাবলৈ তেওঁ দশপুৰলৈ যায়। তাত উপস্থিত হৈ মহাশ্বেতাৰ অভিশাপত বৈশম্পায়নৰ মৃত্যু হোৱাৰ কথা জানিব পাৰি চন্দ্ৰাপীড় দুখত অভিভূত হৈ পৰে। তেওঁ মহাশ্বেতাৰ সৈতে কথা পাতি বৈৰাগ্য জীৱন-যাপন কৰি থাকোতে এজন কপটীয়া ব্ৰাহ্মণে শিষ্টাচাৰ ভঙ্গ কৰা বাবে শুকৰ যোনিত জন্মলাভ কৰিবলৈ অভিশাপ পোৱা কথা শুনি চন্দ্ৰাপীড়ৰ হৃদয় বিদীৰ্ণ হয় আৰু মাটিত ঢলি পৰে। চন্দ্ৰাপীড় শোকত সন্তপ্ত হৈ থকা সময়ত কাদম্বৰী তালৈ আহে আৰু চন্দ্ৰাপীড়ৰ লগতে সহমৰণ ল'বলৈ সাজু হয়। হঠাতে আকাশবাণী হয় আৰু কাদম্বৰীৰৰ স্পৰ্শৰে চন্দ্ৰাপীড়ৰ দেহ ৰক্ষা কৰিবলৈ কোৱা হয়।

এনেদৰেই জাৱালি মুনিয়ে শুক পক্ষীৰ জন্ম বৃত্তান্ত শুনালে। সকলোৱে পূৰ্বজন্মৰ কথা স্মৰণ কৰিলে। চণ্ডাল কন্যা আছিল শুকৰ মাতা লক্ষ্মী। শূদ্ৰকেও

পূর্বজন্মৰ কথা স্মৰণ কৰিলে। তেওঁ পূর্বজন্মত চন্দ্রাপীড় আছিল, ইয়াৰ পাছত কাদম্বৰীৰ আলিঙ্গনক্রমে চন্দ্রাপীড় সুস্থ হৈ উঠিল। আকাশমার্গেৰে কপিঞ্জলেৰে সৈতে পুণ্ডৰীক আহি উপস্থিত হ'ল। সকলোৰে পূর্বৰ জন্ম ঘূৰাই পোৱাত এক আনন্দমুখৰ পৰিবেশত কাহিনীৰ সমাপ্তি ঘটে।

কাদম্বৰী কথাৰ উৎস ঃ বাণে সম্ভৱতঃ গুণাঢ্যৰ 'বৃহৎকথা'ৰ পৰা কাদম্বৰী ৰচনা কৰিবলৈ অনুপ্রেৰণা লাভ কৰিছিল। 'বৃহৎকথা'ৰ আধাৰত ৰচিত সোমদেৱৰ 'কথাসৰিৎসাগৰ' (দশম লম্বক, তৃতীয় তৰঙ্গ) আৰু ক্ষেমেন্দ্রৰ 'বৃহৎকথামঞ্জুৰী' (১৬/১৮৩-২৪৮) অধ্যায়ৰ সৈতে কাদম্বৰীৰ কাহিনীৰ মিল দেখা যায়।

বাণৰ শ্রেষ্ঠত্ব ঃ কাব্যাংশত 'কাদম্বৰী' শ্রেষ্ঠত্তৰ। 'কাদম্বৰী' শব্দৰ অর্থ 'সুৰা'। সুৰাৰ প্রভাবত মানুহ যেনেকৈ আত্মহাৰা হয় তেনেদৰে কাদম্বৰী পাঠ কৰিলেও পাঠকসকল আত্মবিভোৰ হৈ পৰে। এইফালৰপৰা নামাকৰণ সার্থক হৈছে বুলি পণ্ডিতসকলে মতপোষণ কৰে—

"কাদম্বৰীৰসজ্ঞানামাহাৰোহপি ন ৰোচতে।"

'কাদম্বীৰ' যে এসময়ত প্রভূত যশ আৰু জনপ্রিয়তাৰ অধিকাৰী হৈছিল প্রচলিত উক্তিসমূহেই তাৰ প্রমাণ।

বাণীপাণিপৰামৃষ্টবীণা নিক্কনহাৰিণীম্।

ভাৱয়ন্তি কথং বাণ্যে ভট্টবাণস্য ভাৰতীয়ম্।। ইত্যাদি।

পশ্চিমীয়া পণ্ডিত ৱেৰৰ (Weber) মহোদয়ে বাণভট্টক দৃঢ়ভাবে সমালোচনা কৰিছে। বাণৰ সমাসবদ্ধ দীর্ঘ সমাস, দ্ব্যর্থক শব্দচয়ন আদিৰ বিশাল বর্ণনাসমূহৰ বাবে ভাৰতীয় হাবি (Indian Wood) বুলি উল্লেখ কৰিছে। বাণে সকলোবোৰতে সীমা অতিক্রম কৰিছে। বাণ পাঞ্চালী ৰীতিৰ অধিকাৰী আছিল। তেওঁৰ নাম মহিলা কবি শীলাভট্টাৰিকাৰ সৈতে জড়িত আছিল। তেওঁৰ ৰচিত 'সূক্তিমুক্তাৱলী'ত এইদৰে পোৱা যায়—

শব্দার্থয়োঃ সমোগুম্ভো পাঞ্চালী ৰীতিৰিষ্যতে।

শীলাভট্টাৰিকাবাচি বণোক্তিযু চ মা যদি।।

বাণৰ শব্দভাণ্ডাৰ অতিশয় বিশাল আছিল। 'হর্ষচৰিত'ত যিবোৰ শব্দৰ ব্যৱহাৰ হৈছে অভিধানত তাৰ ব্যৱহাৰ কম। 'কাদম্বৰী'ত বাণে যি চিত্র অঙ্কণ কৰিছে সংস্কৃত কবিসকলৰ মাজত তেওঁৰ সমতুল্য কোনো নাই। সেইকাৰণে কোৱা হয়— 'বাণোচ্ছিষ্টং জগত্ সর্বম্।'

'কাদম্বৰী' কথা কাব্যখন এখন চিত্রশালা। সাধাৰণতে কবিসকলে ঘটনা বর্ণনা কৰি গল্প কৰে। বাণভট্টই মুহূর্তে মুহূর্তে চিত্র সজ্জিত কৰি গল্প কৈছিল। সেইকাৰণে তেওঁৰ গল্প গতিশীল নহয়। শ্লেষ, বক্রোক্তি আদিৰ সুপ্রয়োগ তেওঁৰ কাব্যৰ বৈশিষ্ট্য। যিহেতু 'ওজঃ সমাসভূয়স্তমেতদ্ গদস্য জীৱিতম্।' বুলি দণ্ডীয়ে 'কাব্যাদর্শ'ত উল্লেখ

কৰিছে।

কাদম্বৰীৰ প্ৰধান ৰস শৃঙ্গাৰ। সম্ভোগ আৰু বিপ্ৰলম্ভ দুয়োবিধ শৃঙ্গাৰৰ সমাবেশ হৈছে। অৱশ্যে কাব্যৰ ঠায়ে ঠায়ে কৰুণ, হাস্য, শান্ত, অদ্ভুত আদি ৰসৰো সমাবেশ ঘটিছে।

বাণভট্টক অনুসৰণ কৰি শ্বেতাম্বৰ জৈন ধনপালে ধাৰাৰাজ বাক্‌পতিৰ পৃষ্ঠপোষকতাত 'তিলকমঞ্জুৰী' কাব্য ৰচনা কৰে। 'তিলকমঞ্জুৰী' আৰু সমৰকেতুৰ প্ৰণয় কাহিনীয়েই এই কাব্যৰ বিষয়বস্তু। 'তিলকমঞ্জুৰী'ত 'কাদম্বৰী'ৰ দৰে চিত্ৰও দেখিবলৈ পোৱা যায়।

দিগম্বৰ জৈন সম্প্ৰদায়ৰ বাদীভসিংহই 'গদ্যচূড়ামণি' ৰচনা কৰে। গুণভদ্ৰকৃত উত্তৰপুৰাণৰ পৰা কথাবস্তু গ্ৰহণ কৰিছে।

সোড্‌ঢলৰ 'উদয়সুন্দৰী কথা' নামৰ গদ্য-কাব্যত নাগলোকৰ অধিপতি শিখণ্ডিলৰ কন্যা আৰু প্ৰতিষ্ঠানৰ ৰজা মলয়বাহনৰ প্ৰণয় কাহিনীক অৱলম্বন কৰি ৰচিত হৈছে।

বামন ভট্টবাণৰ 'বেমভূপাল চৰিত' পিছৰ যুগৰ এক উল্লেখনীয় গদ্য কাব্য।

৬.৫ শব্দাৰ্থ তালিকা

১) সাহিত্য দৰ্পণ ঃ বিশ্বনাথ কবিৰাজ বিৰচিত এখন অলঙ্কাৰ শাস্ত্ৰ। ইয়াত দহটা পৰিচ্ছেদ আছে।

২) অগ্নিপুৰাণ ঃ ব্যাসদেৱৰ বিৰচিত ওঠৰখন পুৰাণৰ ভিতৰত অন্যতম।

৩) ব্ৰাহ্মণ ঃ বেদৰ ভাগসমূহ

৪) আৰণ্যক ঃ বেদৰ ভাগসমূহ

৫) উপনিষদ ঃ বেদৰ ভাগসমূহ

৬) যজুৰ্বেদ ঃ চাৰিখন বেদৰ দ্বিতীয়খন

৭) অথৰ্ববেদ ঃ চাৰিখন বেদৰ অন্তিমখন

৮) মহাভাষ্য ঃ পতঞ্জলি বিৰচিত এখন ব্যাকৰণ শাস্ত্ৰ। পাণিনীয় ব্যাকৰণ শাস্ত্ৰৰ উদ্ভৱকালৰ অন্তিমগ্ৰন্থ। 'মহাভাষ্য'ত পতঞ্জলিৰ পৈণত ব্যাকৰণ চিন্তা, গভীৰ পাণ্ডিত্য দেখা যায়। গ্ৰন্থখন আঠটা অধ্যায়ত বিভক্ত।

৯) কাত্যায়ন ঃ কাত্যায়ন পাণিনিৰ পৰৱৰ্ত্তী ব্যাকৰণবিদ। কাত্যায়নে পাণিনিৰ ব্যাকৰণৰ ওপৰত 'বাৰ্ত্তিক' ৰচনা কৰিছে। বৃত্তিক লক্ষ্য কৰি ৰচিত গ্ৰন্থকেই বাৰ্ত্তিক বোলা হয়। কাত্যায়নৰ সময় খ্ৰীঃ পূঃ ৩য় শতাব্দী।

১০) লিপিসাহিত্য ঃ প্ৰাচীন ৰজাসকলে তেওঁলোকৰ ৰাজসভাত সংস্কৃত পণ্ডিত ৰাখিছিল। সেই পণ্ডিতসকলে স্তম্ভত, তামৰ ফলিত, শিলত ৰজাসকলৰ কৰ্মৰাজি বৰ্ণনা কৰাৰ

লগতে তেওঁলোকৰ যশস্যাসমূহ লিপিবদ্ধ কৰিছিল। সেইবোৰত কাব্যৰ উপাদান দেখা যায়। সেই ৰচনাসমূহক লিপিসাহিত্য বা প্রশস্তি কাব্য বোলে।



জানি থোৱা ভাল

- প্রাচীন ভাৰতীয় আলঙ্কাৰিকসকলৰ মতে গদ্য হৈছে কবি সাহিত্যিকৰ প্রতিভাৰ কষটি শিলা। কোৱা হয়— গদ্যং কবীনাং নিকষং বদন্তি।'
- সুৰন্ধুৰ 'বাসৱদত্তা' বর্ণনা প্রধান আৰু গৌড়ীৰীতি প্রধান। বাণভট্টই 'হর্ষচৰিত'ত সুৰন্ধুৰ ৰচনাক প্রশংসা কৰি কৈছে— 'কবীনামগলদ্দর্পো নুনং বাসৱদত্তয়া'

বাণভট্টৰ 'হর্ষচৰিত' গদ্যকাব্য আৰু প্রথম ঐতিহাসিক গ্রন্থৰূপেও প্রসিদ্ধ। 'কাদম্বৰী' শব্দৰ অর্থ 'সুৰা'। সুৰাৰ প্রভাৱত মানুহ যিদৰে আত্মহাৰা হয় তেনেদৰে 'কাদম্বৰী' পাঠ কৰিলেও পাঠকসকল আত্মবিভোৰ হৈ পৰে। কাদম্বৰীৰ বক্তা এটি শুকপক্ষী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কাব্য প্রধানকৈ কেইটা ভাগত বিভক্ত?

প্রশ্ন নং ২ঃ 'সাহিত্য দর্পণ' গ্রন্থৰ ৰচক কোন?

প্রশ্ন নং ৩ঃ গদ্যকাব্যৰ প্রধান ভাগ কেইটা আৰু কি কি?

প্রশ্ন নং ৪ঃ বিশ্বনাথ কবিৰাজৰ মতে গদ্যকাব্যৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ৫ঃ অগ্নিপুৰাণৰ মতে গদ্যকাব্য কেইপ্রকাৰৰ? কি কি?

প্রশ্ন নং ৬ঃ সুবন্ধু ৰচিত গদ্যকাব্যখনৰ নাম কি?

প্রশ্ন নং ৭ঃ বাসৱদত্তা গ্রন্থৰ লিখকৰ নাম কি?

প্রশ্ন নং ৮ঃ 'দশকুমাৰ চৰিত'ৰ ৰচক কোন?

প্রশ্ন নং ৯ঃ হর্ষবর্দ্ধন ক'ৰ ৰজা আছিল?

প্রশ্ন নং ১০ঃ কাদম্বৰী কোন শ্রেণীৰ কাব্য?

প্রশ্ন নং ১১ঃ তাৰাপীড় ক'ৰ ৰজা আছিল?

প্রশ্ন নং ১২ঃ 'কাদম্বৰী' কথাকাব্যৰ নায়ক কোন?



৬.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত গদ্যৰ প্রাচীনতা সম্পর্কে জানিব পাৰিলে। তৈত্তিৰীয় সংহিতা, কাঠক সংহিতা, আৰণ্যক, উপনিষদ, সূত্র সাহিত্য, পতঞ্জলিৰ 'মহাভাষ্য'ত প্রাচীনতম গদ্যৰ নিদর্শন পোৱা যায় বুলি গম পালে।
- গদ্যকাব্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিলে। যেনেঃ কথা আৰু আখ্যায়িকা। ইয়াৰ

লগতে 'কথা' কাব্যৰ লক্ষণ আৰু আখ্যায়িকাৰ লক্ষণসমূহ জানিব পাৰিলে।

- সংস্কৃত সাহিত্যত ৰচিত হোৱা প্ৰধান গদ্যকাব্য যেনে সুৱন্ধুৰ 'বাসৱদত্তা' বাণভট্টৰ 'হৰ্ষিচৰিত' আৰু 'কাদম্বৰী', দণ্ডীৰ 'দশকুমাৰ চৰিত'ৰ বিষয়ে জানিব পাৰিলে। তাৰোপৰি পৰৱৰ্ত্তীকালত ৰচিত হোৱা গদ্যকাব্যসমূহৰ বিষয়ে চমু আভাস পালে।
- 'কাদম্বৰী'ত দুটা প্ৰণয়কাহিনী সমান্তৰালভাৱে বৰ্ণনা কৰা হৈছে। এটা হৈছে কাদম্বৰী আৰু চন্দ্ৰাপীড় আৰু আনটো মহাশ্বেতা আৰু পুণ্ডৰীক। ইয়াৰ প্ৰধান ৰস শৃঙ্গাৰ। 'কাদম্বৰী' শব্দৰ অৰ্থ 'সুৰা'। সংস্কৃত সাহিত্যত কাদম্বৰী এখন প্ৰসিদ্ধ উপন্যাস। এই অধ্যায়ত এই সকলোবোৰ জানিব পাৰিলে।



৬.৭ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

২) গোস্বামী, হৰমোহন দেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Krishnamachariar, M. *History of Chassical Sanskrit Literature*, New Delhi : MLBD



৬.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ দুটা। (১) দৃশ্যকাব্য, (২) শ্ৰব্যকাব্য

২নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বনাথ কবিৰাজ

৩নং প্ৰশ্নৰ উত্তৰ ঃ দুটা। (১) কথা, (২) আখ্যায়িকা

৪নং প্ৰশ্নৰ উত্তৰ ঃ 'বৃত্তগন্ধোজ্ঝিতং গদ্যম্'

৫নং প্ৰশ্নৰ উত্তৰ ঃ অগ্নিপুৰাণৰ মতে গদ্যকাব্য পাঁচ প্ৰকাৰৰ

১। আখ্যায়িকা ২। কথা

৩। খণ্ডকথা ৪। পৰিকথা

৫। কথানিকা

৬নং প্ৰশ্নৰ উত্তৰ ঃ বাসৱদত্তা

৭নং প্ৰশ্নৰ উত্তৰ ঃ সুবন্ধু

৮নং প্ৰশ্নৰ উত্তৰ ঃ দণ্ডী

৯নং প্ৰশ্নৰ উত্তৰ ঃ থানেশ্বৰৰ

১০নং প্ৰশ্নৰ উত্তৰ ঃ কথা শ্ৰেণীৰ

১১নং প্ৰশ্নৰ উত্তৰ ঃ উজ্জয়িনীৰ

১২নং প্রশ্নৰ উত্তৰ ঃ চন্দ্রাপীড়

৬.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সংস্কৃত সাহিত্যৰ গদ্যকাব্যৰ বিষয়ে লিখক।

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গদ্যকাব্যৰ উৎসৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ বাণভট্টৰ ৰচনাৱলীৰ বিষয়ে লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গদ্যকাব্য কাক বোলে? ইয়াৰ লক্ষণসমূহ কি কি? সংস্কৃত সাহিত্যৰ গদ্যকাব্যৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৭ ঃ গল্পসাহিত্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ গল্পসাহিত্যৰ পৰিচয়
৭.৩.১ গল্পসাহিত্যৰ লক্ষণ
৭.৩.২ গল্পসাহিত্যৰ উৎস
৭.৩.৩ গল্পসাহিত্যৰ ৰচনাৰ উদ্দেশ্য
৭.৩.৪ গল্পসাহিত্যৰ ভাগ
৭.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গল্পসাহিত্যৰ উল্লেখ
৭.৫ শব্দার্থ তালিকা
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খাতিয়ান
৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গল্পসাহিত্যৰ পৰিচয় লাভ কৰিব পাৰিব
- গল্পসাহিত্যৰ উৎস আৰু লক্ষণ আদি বুজিবলৈ সমর্থ হ'ব
- গল্পসাহিত্যৰ ৰচনাৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব
- গল্পসাহিত্যৰ অন্তর্গত বিভিন্ন গ্রন্থৰ বিষয়ে জানিব পাৰিব
- গল্পসাহিত্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

গদ্যকাব্যৰ পিছত এতিয়া আপুনি গল্পসাহিত্যৰ বিষয়ে জানিব পাৰিব।

গল্পসাহিত্য হৈছে কোনো দেশ বা জাতিৰ সংস্কৃতিৰ বাহক। গল্পসাহিত্যক লোককথা বুলিও কোৱা হয়। ই সর্বসাধাৰণৰ মাজত প্রচলিত এক ৰমণীয় হৃদয়গ্রাহী ৰচনা। কোনো সংস্কৃতিৰ ভৌতিক, আধ্যাত্মিক তথা কলাত্মক মান্যতাৰ প্রভাৱ গল্পসাহিত্যত পোৱা যায়।

যি ৰচনাই মানুহৰ চিত্তক (মনক) আকর্ষণ কৰে, য'ৰ পৰা নীতিজ্ঞানৰ উদয় হয় তাকে গল্পসাহিত্য বোলে। ইংৰাজীত এই শ্রেণীৰ কাব্যক ফেবল্ (Fable) বোলা হয়। গল্প

সাহিত্যক 'কথাকাব্য' বুলিও কোৱা হয়।

এই অধ্যায়ত আপুনি গল্প সাহিত্যৰ চমু পৰিচয় লাভ কৰিব। ইয়াৰোপৰি গল্পসাহিত্যৰ লক্ষণ, ইয়াৰ উৎস, ভাগসমূহ, বিভিন্ন গল্পসাহিত্যৰ বিষয়েও জানিব পাৰিব।

৭.৩ গল্পসাহিত্যৰ পৰিচয়

আপুনি এতিয়া গল্প সাহিত্যৰ বিষয়ে জানিব পাৰিব—

কোনো সংস্কৃতিৰ ভৌতিক, আধ্যাত্মিক তথা কলাত্মক মান্যতাৰ প্ৰভাৱ আমি গল্পসাহিত্যত দেখিবলৈ পাওঁ। গল্প সাহিত্য এনে একপ্ৰকাৰ সাহিত্য য'ত মানৱজীৱনৰ কটূতা আৰু মধুৰতাৰ এক অপূৰ্ব মিলন দেখা পোৱা যায়। গল্প সাহিত্যত সাধাৰণতে দুটা শৈলী দেখা যায়—

১। গদ্যৰ নৈসৰ্গিক সৰল শৈলী

২। কৃত্ৰিম অলঙ্কৃত শৈলী

নৈসৰ্গিক সৰল শৈলীৰ ৰূপ সৰ্বপ্ৰথম আমি পঞ্চতন্ত্ৰত দেখা পাওঁ আৰু পাছত এনে নীতিবাদী কথাই সাহিত্যৰ মাৰ্গ তৈয়াৰ কৰে।

অলঙ্কৃত শৈলী শুকসপ্ততি, সিংহাসন, দ্বাত্ৰিংশৎপুত্তলিকা, বেতাল পঞ্চবিংশতিকা, ভোজপ্ৰৱন্ধ, পুৰুষ পৰীক্ষা আদিত দেখিবলৈ পোৱা যায়।

৭.৩.১ গল্পসাহিত্যৰ লক্ষণ

আপুনি এতিয়া গল্প সাহিত্যৰ লক্ষণৰ বিষয়ে জানিব পাৰিব—

সংস্কৃত গল্প সাহিত্যবোৰৰ কিছু অংশ তৎকালীন জীৱন প্ৰবাহৰ ওপৰত আধাৰিত। কিছু অংশ সামুদ্ৰিক যাত্ৰাৰ সৈতে সম্বন্ধ, কিছু অংশ আশ্চৰ্যপূৰ্ণ ঘটনাৰে পূৰ্ণ। কিছু স্বৰ্গলোক আৰু গন্ধৰ্ৱলোকৰ চিত্ৰণ, ধৰ্মৰ দ্বাৰা অনুপ্ৰাণিত, নীতিপৰক, অধিকাংশ শিক্ষাত্মক আৰু উপদেশাত্মক। এই উপদেশাত্মক কথা দুটা ৰূপত পোৱা যায়— কেতিয়াবা বাচ্যৰূপত আৰু কেতিয়াবা ব্যঙ্গৰূপত। নীতিবাদী কাহিনীৰ ভিতৰত কেতিয়াবা এইবোৰ স্পষ্টৰূপত প্ৰকাশ পায়। আৱহমান কালৰপৰাই মানুহৰ মুখে-মুখে এই লোককথা প্ৰচলিত হৈ আহিছে। ই এক অখণ্ড পৰম্পৰা, যি মৌখিক লোকসাহিত্যৰ পৰা লোকভাষাৰ সাহিত্যত স্থান লাভ কৰিছে। বৌদ্ধৰ 'জাতক কথা', গুণাঢ্যৰ 'বৃহৎ কথা' আৰু 'পঞ্চতন্ত্ৰ' এই প্ৰকাৰৰ ৰচনাৱলীৰ অন্তৰ্ভুক্ত।

৭.৩.২ গল্পসাহিত্যৰ উৎস

আপুনি এতিয়া গল্প সাহিত্যৰ উৎস সম্পৰ্কে জানিব পাৰিব—

জগতৰ প্ৰাচীনতম সাহিত্যৰ নিদৰ্শন বুলি প্ৰসিদ্ধ ঋগ্বেদৰ সংবাদ সূক্তসমূহৰ

মাজতো প্রাচীন গল্পৰ চানেকি বিচাৰি পোৱা যায়। ঋগ্বেদৰ যম-যমী সংবাদ, উৰ্বশী-পুৰুৰৱা সংবাদ আদি আখ্যানৰ ইয়াৰ উদাহৰণ। তেনেদৰে ব্ৰাহ্মণ সাহিত্যতো কথা-কাহিনী, গল্প বা সাধুৰ ৰম্য ৰচনা সঞ্চিত আছে। শতপথ ব্ৰাহ্মণোক্ত মনুমৎসৰ সংবাদ এক প্ৰসিদ্ধ লোককথাৰ প্ৰতিভূ। কিন্তু এই আখ্যানবোৰৰ যুগান্তৰৰ লগে লগে কিছুমান পৰিবৰ্তন হৈছে। পৰৱৰ্ত্তী যুগত ৰচিত যাস্কৰ **'নিৰুক্ত'**, শৌনকৰ 'বৃহদ্দেৱতা' আৰু পতঞ্জলিৰ 'মহাভাষ্য'ত সেই আখ্যানবোৰৰ প্ৰভাৱ পৰিছে।

ৰামায়ণ, মহাভাৰত আৰু অষ্টাদশ পু�ৰাণতো গল্পৰ প্ৰাচুৰ্য দেখা যায়। প্ৰাচীন মহাকাব্য ৰামায়ণ আৰু মহাভাৰতত ব্যাসে ৰাম-ৰাৱণ আৰু কৌৰৱ-পাণ্ডৱৰ কাহিনী লিপিবদ্ধ কৰে। এই কথাবোৰ তৎকালীন নট-নৰ্তক, সূত আৰু কুশীলৱৰ দ্বাৰা সমাজত প্ৰচলিত হৈ আহিছে। বাল্মীকি আৰু ব্যাসে সমাজত প্ৰচলিত এই আখ্যানবোৰ সংকলন কৰি ৰামকথা আৰু পঞ্চ-পাণ্ডৱ কথাৰ সাহিত্যিক ৰূপ দাঙি ধৰিছে। নীতি ধৰ্মৰ বাহনৰূপে এই গ্ৰন্থবোৰত অনেক লোকসাধু নিহিত আছে। মহাভাৰতত ইয়াৰ বাহুল্য বেছি।

নিৰুক্ত গ্ৰন্থৰ ৰচক হ'ল যাস্ক। ইয়াত তিনিটা বিভাগ আছে— (১) নৈঘণ্টুক কাণ্ড, (২) নৈগম কাণ্ড আৰু (৩) দৈৱতকাণ্ড। নৈঘণ্টুক কাণ্ডত পাঁচোটা অধ্যায়, নৈগমকাণ্ডত ছটা আৰু দৈৱত কাণ্ডত দুটা, সৰ্বমুঠ সোতৰটা অধ্যায় আছে।

৭.৩.৩ গল্পসাহিত্যৰ ৰচনাৰ উদ্দেশ্য

এতিয়া আপুনি গল্পসাহিত্য ৰচনাৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব—

গল্পসাহিত্য ৰচনাৰ মূল উদ্দেশ্য তিনিটা—

(১) অৱসৰ কালযাপন

(২) চিত্তবিনোদন বা মনোৰঞ্জন

(৩) শিশুসকলক লোকশিক্ষা দান

গোষ্ঠী বা সভাস্থ অৱসৰকাল নিয়াবলৈ কথকে এনেবোৰ জনপ্ৰিয় কথা বা গল্প শুনাইছিল। বৃহৎ কথা, কাদম্বৰী আদিত ইয়াৰ সঙ্কেত পোৱা যায়। ৰাজকুমাৰ, ৰাজকুমাৰী, ৰাণী প্ৰভৃতিৰ মনোৰঞ্জন বা চিত্তবিনোদনৰ কথাসমূহ বিৱৰি কোৱা হৈছিল। আনকি ব্ৰাহ্মণ্য যুগতো অশ্বমেধৰ ঘোঁৰা দিগ্বিজয়ার্থে এৰি দিয়া সময়চোৱাত যজ্ঞভূমিত সমবেত হোৱা লোকসকলৰ কাল যাপন আৰু চিত্তবিনোদন আৰু ধৰ্মচৰ্চাৰ লগতে চিত্তবিনোদনৰ বাবে কথাসমূহ কোৱা হৈছিল বুলি শতপথ ব্ৰাহ্মণত তাৰ সঙ্কেত পোৱা যায়।

একাগ্ৰতা চিত্তেৰে শিশুসকলক আৰু ৰাজকুমাৰসকলক বিভিন্ন শিক্ষা দিয়া হৈছিল। যাৰ ফলত তেওঁলোকে ৰাজনীতি আৰু অৰ্থনীতি আদিৰ জ্ঞান লাভ কৰিব পাৰিছিল। প্ৰাচীন ৰজাসকলে তেওঁলোকৰ ৰাজসভাত সৰ্ববিশাৰদ সুযোগ্য ব্ৰাহ্মণ পণ্ডিতৰ নিয়োগ কৰিছিল। পণ্ডিতসকলে মনোৰঞ্জক সৰস সুললিত গল্প ৰচনা কৰি তাৰ জৰিয়তে ৰাজকুমাৰসকলক যি শিক্ষা দিছিল সেই গল্পবোৰত ৰাজনীতি, অৰ্থনীতি, স্বাস্থ্যনীতি জ্ঞান বিষয়ক বহুতো কথা থকা দেখা যায়। পশু-পক্ষীক গল্পৰ চৰিত্ৰ

হিচাবে লৈ তাৰ জৰিয়তে ৰাজকুমাৰ আৰু শিশুসকলক নীতিশিক্ষা দিবৰ উদ্দেশ্যে অতি সহজ আৰু সুললিত ভাষাত গল্পবোৰ ৰচনা কৰে।

৭.৩.৪ গল্পসাহিত্যৰ ভাগ

আপুনি এতিয়া গল্পসাহিত্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব—

গল্পসাহিত্যৰ চৰিত্র বা লক্ষণসমূহ বিচাৰ কৰি পণ্ডিতসকলে গল্পবিলাকক দুটা সুনির্দ্দিষ্ট ভাগত ভাগ কৰিছে। এটা ভাগৰ চৰিত্রবিলাক মানুহ আৰু আন ভাগৰ চৰিত্রসমূহ পশু-পক্ষী। ব্যাপকভাবে উভয় শ্রেণীয়েই গল্প সাহিত্যৰ অন্তর্গত। যাক Popular Tales বোলা হয়।

দ্বিতীয়ভাগৰ গল্পবিলাকৰ এটা স্বাতন্ত্র্য থাকে। যিটো সকলো কালতে জনপ্রিয়। ইংৰাজীত ইয়াক Fables নামেৰে জনা যায়।

গল্পৰ আখ্যানভাগক শিশুসকলৰ বোধগম্য কৰাৰ কাৰণে সহজ আৰু অনাড়ম্বৰ ভাষাৰ ব্যৱহাৰ কৰা হয় আৰু গোটেই গল্পটো পঢ়ি শিশুৱে যাতে তাৰ নীতিটো সহজে মনত ৰাখিব পাৰে সেই উদ্দেশ্যে গল্পত শ্লোকবো সন্নিবেশ কৰা হয়। উদাহৰণ স্বৰূপে বাণভট্ট ৰচিত 'কাদম্বৰী'ৰ দৰে কথাকাব্য বিদ্বানসকলৰ বাবে মনোৰঞ্জনৰ কাহিনী হ'লেও তুলনামূলকভাবে কম বিদ্বান বা বিদ্যাহীনৰ বাবে সেয়া বোধগম্য নহয়। সেই কাৰণে কম বিদ্বান বা অনাক্ষৰীসকলে বৃহৎ কথাৰ কাহিনীসমূহ, বেতাল পঞ্চবিংশতি, শুকসপ্ততি আদি সহজে বুজিব পাৰে। এই কাহিনীসমূহ ৰামায়ণ-মহাভাৰতৰ কাহিনীৰ দৰেই জনপ্রিয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গল্প সাহিত্যৰ আন নাম কি?

.....

প্রশ্ন নং ২ঃ গল্প সাহিত্যত সাধাৰণতে কেইটা শৈলী ব্যৱহাৰ কৰা হয়?

.....

প্রশ্ন নং ৩ঃ গল্প সাহিত্য ৰচনা কৰাৰ উদ্দেশ্য কি?

.....

প্রশ্ন নং ৪ঃ গল্প সাহিত্যৰ কেইটা সুনির্দ্দিষ্ট ভাগ আছে?

.....

৭.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গল্পসাহিত্যৰ উল্লেখ

গল্পসাহিত্যৰ ভাগসমূহ জনাৰ পিছত এতিয়া আপুনি সংস্কৃত সাহিত্যত ৰচিত হোৱা বিভিন্ন গল্পসাহিত্যৰ বিষয়ে জানিব পাৰিব—

১) **পঞ্চতন্ত্র ঃ** গল্পসাহিত্যসমূহৰ ভিতৰত 'পঞ্চতন্ত্র' এখন প্রাচীন গল্প সাহিত্য। বর্তমান ইয়াৰ চাৰিটা ভিন্ ভিন্ সংস্কৰণ পোৱা গৈছে। প্রথম সংস্কৰণ পহ্লৱী অনুৱাদ। বর্তমান এই সংস্কৰণ লুপ্ত হৈছে। কিন্তু চিৰিয়াণ আৰু আৰৱী অনুবাদৰ সহায়ত ইয়াৰ সন্ধেদ পোৱা গৈছে।

দ্বিতীয় সংস্কৰণ গুণাঢ্যৰ 'বৃহৎকথা'ত সন্নিৱিষ্ট। এই বৃহৎকথা পৈশাচী ভাষাত লিখা। এই সংস্কৰণো অধুনা লুপ্ত। কিন্তু ১১শ শতাব্দীত ক্ষেমেন্দ্রৰ ৰচিত 'বৃহৎ কথামঞ্জৰী' আৰু সোমদেৱৰ ৰচিত 'কথাসৰিতসাগৰ' পঞ্চতন্ত্রৰ অনুবাদ বুলি জানিব পৰা গৈছে।

তৃতীয় সংস্কৰণ হৈছে 'তন্ত্রাখ্যায়িকা'। বর্তমান প্রচলিত পঞ্চতন্ত্র ইয়াৰেই আধুনিক সংস্কৰণ। ইংৰাজ পণ্ডিত হার্টেল (Hertel)ৰ মতে পঞ্চতন্ত্রৰ ৰচনাকাল খৃঃ পূঃ দ্বিতীয় শতাব্দী।

'পঞ্চতন্ত্র' পাঁচটা তন্ত্র বা ভাগত বিভক্ত— (১) মিত্রভেদ, (২) মিত্রলাভ, (৩) কাকোলূকীয়, (৪) লব্ধপ্রণাশ, (৫) অপৰীক্ষিত কাৰক।

প্রতিটো ভাগৰে মূলকথা একেটাই, কিন্তু তাৰ অঙ্গ পুষ্টিসাধনৰ বাবে অনেক গৌণ কথা সন্নিৱিষ্ট কৰা হৈছে। সদাচাৰ তথা নীতি শিক্ষাই পঞ্চতন্ত্রৰ মূলকথা।

কথিত আছে দাক্ষিণাত্যৰ মহিলাৰোপ্য নামৰ নগৰৰ ৰজা অমৰকীর্ত্তিয়ে, তেওঁৰ মূর্খ ৰাজকুমাৰসকলক বিদ্বান তথা নীতিজ্ঞ কৰি তুলিবৰ অর্থে বিষ্ণুশর্মা নামৰ এজন যোগ্যবান ব্যক্তিক গুৰু নিয়োগ কৰিলে। লোকশাস্ত্রবিশাৰদ বিষ্ণুশর্মাই পঞ্চতন্ত্রৰ গল্পসমূহ ৰচনা কৰি অতি কম দিনৰ ভিতৰতে ৰাজকুমাৰসকলক ব্যৱহাৰ কুশল, সদাচাৰসম্পন্ন তথা নীতিজ্ঞ কৰি তোলে। 'পঞ্চতন্ত্র'ৰ ভাষা ৰসময়ী আৰু সুললিত ইয়াৰ কথা অংশ গদ্যত ৰচিত আৰু ইয়াৰ মাজত থকা শ্লোকসমূহ ৰামায়ণ, মহাভাৰত আৰু আন আন প্রাচীন নীতিগ্রন্থৰ পৰা উদ্ধৃত। পঞ্চতন্ত্রই কেৱল ভাৰতীয় সাহিত্যতেই নহয়, বিশ্ব সাহিত্যতেই এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে।

২) **হিতোপদেশ ঃ** পঞ্চতন্ত্রৰ পিছত বঙ্গৰ ৰজা ধৱলচন্দ্রৰ ৰাজসভাৰ পণ্ডিত নাৰায়ণে ১৪ শতাব্দীৰ ভিতৰত 'হিতোপদেশ' ৰচনা কৰে। হিতোপদেশৰ মূল আধাৰ 'পঞ্চতন্ত্র' বুলি গ্রন্থকাৰে পাতনিত উল্লেখ কৰিছে। ইয়াৰ চাৰিটা খণ্ড বা ভাগ আছে— ১) মিত্রলাভ, ২) সুহৃদভেদ, ৩) বিগ্রহ, ৪) সন্ধি। ইয়াত সন্নিবেশিত হোৱা শ্লোকসমূহ উপদেশাত্মক আৰু কথা অংশ শিক্ষাপ্রদ।

৩) **গুণাঢ্যৰ বৃহৎকথা ঃ** 'বৃহৎকথা'ৰ ৰচক গুণাঢ্যৰ আৱির্ভাৱকাল সম্বন্ধে পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। নৱম শতিকাৰ কম্বোদিয়া লিপি এখনত উল্লেখ থকা গুণাঢ্যৰ নামৰপৰা জনা যায় যে তেওঁৰ আৱির্ভাৱকাল ৬ষ্ঠ শতাব্দীৰ আগত।

কথাসৰিৎসাগৰৰ প্রথমখণ্ডত গুণাঢ্যৰ বিষয়ে লিখা কথাৰপৰা জনা যায় যে তেওঁৰ পূর্বজন্ম নাম আছিল মাল্যৱান। লোকজীৱনৰ মনোৰঞ্জনকাৰী সর্বসুলভ তত্ত্বসমূহ সংগ্রহ কৰি লিখা বাবে বৃহৎকথাখন লোকসমাজৰ উপজীব্য হৈ উঠিছে। সুৱন্ধু, বাণ, দণ্ডী, হর্ষ, ত্রিবিক্রমভট্ট, ধনঞ্জয়, সোমদেৱ, গোৱর্দ্ধনাচার্য, প্রভৃতি কবি-নাট্যকাৰসকলে বৃহৎকথাৰ কথানক অংশৰপৰা

নিজ নিজ গ্ৰন্থৰ মূল কাহিনী গ্ৰহণ কৰে।

বৃহৎকথাৰ কথা-বস্তু ঃ এদিন পাৰ্বতীৰ অনুৰোধক্ৰমে মহাদেৱে সাতজন বিদ্যাধৰৰ কাহিনী শুনাই থাকোতে মহাদেৱৰ অনুচৰ পুষ্পদন্ত আৰু মাল্যৱানে মনে মনে শুনি থকা বাবে পাৰ্বতী তেওঁলোকৰ ওপৰত কুপিত হৈ অভিশাপ দিয়ে। ফলত এওঁলোকে কৌশম্বী নগৰত ক্ৰমে বৰৰুচি আৰু কাত্যয়ন নামেৰে জন্ম গ্ৰহণ কৰে।

গুণাঢ্য আছিল সাতবাহনসকলৰ ৰাজকবি। এদিন গুণাঢ্য বিন্ধ্যপৰ্বতলৈ যায় কাণভূতি নামৰ পিশাচ এজনৰ ওচৰত গৈ পৈশাচী ভাষাত পুষ্পদন্তৰ কথা শুনাবলৈ অনুৰোধ কৰে। কাণভূতিয়ে প্ৰথমে গুণাঢ্যৰ পূৰ্বজন্মৰ আত্মবৃত্তান্ত শুনাবলৈ ক'লে। কাণভূতিৰ বৃত্তান্তৰ পৰা গুণাঢ্যই যি শুনিলে তাৰ পৰা জানিব পাৰিলে যে তেওঁ সুপ্ৰতিষ্ঠিত নামৰ নগৰত জন্ম হৈছিল। গুণাঢ্যৰ জন্মৰ পিছত মাতৃৰ মৃত্যু হয়। গুণাঢ্যই দাক্ষিণাত্যত শিক্ষা-দীক্ষা লাভ কৰে। গুণাঢ্যৰ দুজন মোমায়েক আছিল। তেওঁলোকৰো মৃত্যু হয়। গুণাঢ্যই সাতবাহনৰ ৰাজসভাত থাকি তেওঁ বিদ্যাৰ্থীসকলক পঢ়াইছিল আৰু মন্ত্ৰীপদৰ কাৰ্যভাৰো সুকলমে চলাইছিল।

এদিন ৰজা সাতবাহন ৰাণীসকলৰ লগত জলক্ৰীড়া কৰি থাকোতে এগৰাকীয়ে ৰজাক পানী নামাৰিবলৈ ক'লে। কিন্তু সন্ধিৰ জ্ঞান নথকা ৰজাই বুজি নাপাই মিঠাই মাৰিবলৈ কোৱা বুলি বুজিলে। কিন্তু ৰাণীয়ে ৰজাক হাঁহি মাৰি ক'লে— 'মা উদকৈঃ পৰিতাজ্য'। অৰ্থাৎ নিজৰ মূৰ্খতাৰ বাবে ৰজাই বৰ লাজ পালে আৰু প্ৰতিজ্ঞা কৰিলে যে পঢ়ি-শুনি সংস্কৃতৰ জ্ঞান লাভ কৰিব নহ'লে প্ৰাণত্যাগ কৰিব।

এই প্ৰতিজ্ঞা কৰি ৰজা গুণাঢ্যৰ ওচৰলৈ গৈ ব্যাকৰণৰ জ্ঞান লাভ কৰিবলৈ বিচাৰিলে। গুণাঢ্যই ৰজাক ছয় বছৰৰ ভিতৰত ব্যাকৰণৰ পূৰ্ণজ্ঞান দিবলৈ আশ্বাস দিলে। কিন্তু গুণাঢ্যৰ বন্ধু ৰাজমন্ত্ৰী সৰ্ববৰ্মাই ৰজাক ছয়মাহৰ ভিতৰত সংস্কৃত ব্যাকৰণৰ পূৰ্ণজ্ঞান দিব পাৰিব বুলি ক'লে। তেতিয়া গুণাঢ্যই প্ৰতিজ্ঞা কৰিলে যে— যদি সৰ্ববৰ্মাই ছয়মাহৰ ভিতৰত ৰজাক ব্যাকৰণত পাৰদৰ্শী কৰি তুলিব পাৰে তেতিয়া তেওঁ সংস্কৃত, প্ৰাকৃত নাইবা কোনো দেশীয় ভাষা ক'বলৈ এৰি দিব।' সৰ্ববৰ্মাই কাৰ্ত্তিকক তপস্যা কৰি সিদ্ধি লাভ কৰিলে যাৰফলত তেওঁ নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ৰজাক সৰ্ববিশাৰদ কৰি তুলিলে। গুণাঢ্যই নিজ প্ৰতিজ্ঞা ৰক্ষা কৰি মৌনব্ৰত অৱলম্বন কৰি বিন্ধ্যাপৰ্বতলৈ গৈ পৈশাচী ভাষা অধ্যয়ন কৰে।

ইফালে কাত্যায়নৰূপী পুষ্পদন্ত আজীৱন নন্দৰাজবংশৰ সেৱা কৰি বৃদ্ধ বয়সত তীৰ্থভ্ৰমণ কৰিবলৈ ওলাল আৰু বিন্ধ্যপৰ্বতৰ ফালে অগ্ৰসৰ হয়। বিন্ধ্যপৰ্বতত পাৰ্বতীমন্দিৰত কাণভূতি নামৰ পিশাচক লগ পাই পূৰ্বজন্মৰ কাহিনী স্মৃতিপটত ভাঁহি উঠিল আৰু শিৱৰ মুখৰ পৰা শুনা সাতবিদ্যাধৰৰ কাহিনী স্মৃতিলৈ আহে। শিৱক সকলো কথা ব্যক্ত কৰিলে আৰু শাপমুক্ত হৈ নশ্বৰদেহ ত্যাগ কৰি স্বৰ্গগামী হয়।

বিন্ধ্যপৰ্বতত ঘূৰি ফুৰোঁতে কাণভূতী পিশাচৰ লগত গুণাঢ্যৰ দেখা-সাক্ষাৎ হয়। কাণভূতিৰ মুখৰপৰা শুনা কাহিনীবোৰ গুণাঢ্যই নিজৰ তেজেৰে একেৰাহে সাতবছৰ পৈশাচী ভাষাত সাতলক্ষ শ্লোক লিপিবদ্ধ কৰে। গুণাঢ্যৰ প্ৰিয়শিষ্য গুণদেৱ আৰু নন্দীদেৱৰ অনুৰোধমতে

সেই লিখনিসমূহ ৰজা সাতবাহনৰ ওচৰলৈ পঠালে। তেজেৰে লিখা কাৰণে ৰজাই সেয়া গ্ৰহণ নকৰি ওভোটাই পঠালে। সেইকথাত গুণাঢ্যই অতিশয় বেজাৰ পালে আৰু হাবিলৈ গৈ সেই মহান কৃতিবোৰ বনৰ পশু-পক্ষীক শুনাই জুইত পুৰিবলৈ ধৰিলে।

ইপিনে ৰজা সাতবাহন ৰোগশয্যাত পৰিল। শুকান মঙহ খোৱাৰ বাবে ৰজাৰ বেমাৰ হোৱা বুলি বৈদ্যসকলে ক'লে। পক্ষীবোৰৰ শুকান মঙহৰ কাৰণ সোধাত চিকাৰীয়ে কয় যে— এজন ব্ৰাহ্মণে পশু-পক্ষীবোৰক গল্প শুনাই থাকে। সেই গল্পবোৰ ইমান ৰুচিকৰ যে সেয়া শুনি পশু-পক্ষীবোৰে খোৱাৰ কথা পাহৰি গৈছে। এই কথা শুনি ৰজাই অতি সোনকালে বনলৈ গৈ বাকী গল্পবোৰ আনিবলৈ ক'লে। গুণাঢ্যই ৰজাৰ অনুৰোধক্ৰমে লক্ষ শ্লোকাত্মক অৱশিষ্ট কাহিনী সাতবাহনক দিয়ে। এই অৱশিষ্ট কাহিনীবোৰৰ নামেই বৃহৎকথা।

গুণাঢ্যৰ 'বৃহৎকথা'ক অৱলম্বন কৰি পৰৱৰ্তীকালত তিনিখন গ্ৰন্থ ৰচিত হৈছে। তাৰে ভিতৰত বুদ্ধস্বামী ৰচিত 'বৃহৎকথা শ্লোকসংগ্ৰহ' সকলোতকৈ প্ৰধান। এই গ্ৰন্থখন নেপালত ৰচিত হৈছিল। অসমাপ্ত অৱস্থাত ২৮টা সৰ্গত ৪৫৩৯টা শ্লোক পোৱা যায়।

তাৰ পিছত ক্ষেমেন্দ্ৰ ৰচিত 'বৃহৎকথা মঞ্জৰী'। ক্ষেমেন্দ্ৰৰ পাচত ১০৬৩-১০৮১ খ্ৰীষ্টাব্দৰ ভিতৰত কাশ্মীৰী ব্ৰাহ্মণ সোমদেৱে 'কথাসৰিৎসাগৰ' ৰচনা কৰে। ১৮টা লম্বক, ১২৪টা তৰঙ্গ আৰু ২৪,০০০ শ্লোকত 'কথাসৰিতসাগৰ' ৰচিত হয়। পৃথিৱীৰ প্ৰাচীনতম আৰু বৃহত্তম গল্পসঞ্চয়ন এই 'কথাসৰিৎসাগৰ'। সোমদেৱে নিজেই উল্লেখ কৰি কৈছে যে পৈশাচী ভাষাত ৰচিত গুণাঢ্যৰ বৃহৎকথাৰ সাৰ সংক্ষেপ কৰি তেওঁ সংস্কৃতত 'কথাসৰিৎসাগৰ' ৰচনা কৰে। মূলকথা যথাসাধ্য অনুসৰণ কৰি সহজে বোধগম্য কৰিবৰ কাৰণে সোমদেৱৰ এই প্ৰচেষ্টা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ পঞ্চতন্ত্ৰৰ ৰচয়িতাজনৰ নাম কি?

.....

প্ৰশ্ন নং ৬ঃ পঞ্চতন্ত্ৰত কেইটা ভাগ আছে আৰু কি কি?

.....

প্ৰশ্ন নং ৭ঃ হিতোপদেশৰ ৰচয়িতা কোন?

.....

প্ৰশ্ন নং ৮ঃ হিতোপদেশৰ ভাগসমূহৰ নাম লিখক।

.....

প্ৰশ্ন নং ৯ঃ বৃহৎ কথাৰ ৰচক কোন আৰু তেওঁ কোন শতিকাৰ?

.....

প্ৰশ্ন নং ১০ঃ বৃহৎ কথা কোন ভাষাত ৰচনা কৰা হৈছিল?

.....

প্রশ্ন নং ১১ঃ বৃহৎ কথাক অৱলম্বন কৰি পৰৱৰ্ত্তীকালত ৰচিত হোৱা গ্ৰন্থকেইখনৰ নাম লিখা।

.....

৪) **বেতালপঞ্চবিংশতি ঃ** বেতালপঞ্চবিংশতি পঁচিশটা মনোমোহা কাহিনীৰ সমষ্টি। প্ৰশ্ন কৰোঁতাজন বেতাল আৰু উত্তৰ দিওঁতাজন বিক্ৰমসেন বা বিক্ৰমাদিত্য।

ইয়াৰ কাহিনী ভাগ হৈছে— ৰজা বিক্ৰমাদিত্যই এজন সন্যাসীৰ কথামতে শ্মশানৰ এটা কোণত এজোপা গছৰ ডালত ওলমি থকা মানুহৰ মৰাশ এটা আনিবলৈ যায়। ৰজাই মৰাশটো নমাই লৈ সন্যাসীৰ ওচৰলৈ যাবলৈ ওলাওতেই সেই গছতে থকা এটা বেতালে এটা সাঁথৰৰ দৰে কাহিনী শুনায় আৰু শেষত কাহিনীত থকা সমস্যাৰ সমাধান দিবলৈ ৰজাক কয়। ৰজাই যথার্থ উত্তৰ দিলে মৰাশটো আকৌ গছৰ ডালত ওলমি থাকেগৈ। ৰজাই আকৌ শটো নমাই ল'লে আকৌ বেতালে কাহিনী কৈ প্ৰশ্ন কৰে। এনেদৰে পঁচিশবাৰ পঁচিশটা সাঁথৰৰ উত্তৰ ৰজাই দিয়াত বেতাল সন্তুষ্ট হৈ সন্যাসীৰ অভিপ্ৰায় ৰজাক জানিবলৈ দি বেতালসিদ্ধিৰ বাবে ৰজাক যথার্থ দিহা দিয়ে।

কাহিনীসমূহ অতিশয় কৌতুহলোদ্দীপক আৰু সৰস। ভাষা সৰল।

৫) **শুকসপ্ততি ঃ** চিন্তামণি ভট্ট নামৰ এজন ব্ৰাহ্মণে 'শুকসপ্ততি' নামেৰে ৭০টা কাহিনীৰ সংকলন এখন ৰচনা কৰে। শুকসপ্ততিৰ কথাবস্তু হৈছে— দেৱদাস নামৰ এজন সাউদৰ প্ৰভাৱতী নামেৰে এজনী অপৰূপা পত্নী আছিল। ৰজাই প্ৰভাৱতীৰ অতুলনীয় ৰূপ দেখি তেওঁক পাবলৈ ইচ্ছা কৰি ষড়যন্ত্ৰ কৰি দেৱদাসক বিদেশলৈ পঠায় দিয়ে। দেৱদাসৰ এটি পোহনীয়া ভাটৌ চৰাই আছিল। দেৱদাসে ঘৰৰ সকলো দায়িত্ব ভাটৌ চৰাইটোৰ ওপৰত ন্যস্ত কৰি বিদেশলৈ যাত্ৰা কৰিলে। দেৱদাসৰ অনুপস্থিতিত যেতিয়াই প্ৰভাৱতীয়ে ৰাতি বাহিৰলৈ ওলাই যাবলৈ ইচ্ছা কৰে তেতিয়াই ভাটৌটোৱেতেওঁৰ সতীত্ব নাশ হোৱাৰ আশঙ্কা কৰি প্ৰত্যেক ৰাতি একোটাকৈ গল্প কৈ তাৰ মাজেৰে সেই কুকৰ্মৰ ভয়াবহ ফলৰ কথা সোঁৱৰাই দিয়ে। প্ৰভাৱতীয়ে ভাটৌটোৰ গল্পত মুগ্ধ হৈ বাহিৰলৈ নোলাল। সেইদৰে ভাটৌটোৱে ৭০টা ৰাতি ৭০টা গল্পৰ দ্বাৰা প্ৰভাৱতীৰ চৰিত্ৰ ৰক্ষা কৰে।

৬) **সিংহাসনদ্বাত্ৰিংশিকা ঃ** সিংহাসন দ্বাত্ৰিংশিকাৰ ৰচক কোনোবা জৈন কবি। এইখন গ্ৰন্থ মহাৰাজ বিক্ৰমাদিত্যৰ গুণানুকীৰ্ত্তন কৰা ৩২টা কাহিনীৰ সংকলন। মহাৰাজ-বিক্ৰমাদিত্যৰ ইন্দ্ৰৰ পৰা লাভ কৰা ৩২টা পুতলা থকা এখন ৰাজসিংহাসন আছিল। বিক্ৰমাদিত্যৰ মৃত্যুৰ পিছত এই সিংহাসনখন মাটিৰ তলত পোত খাই থাকে। কালক্ৰমত ভোজৰজাই এই সিংহাসনখন মাটিৰ তলৰপৰা খান্দি উলিয়াই আৰু যেতিয়া তাত বহিবলৈ ইচ্ছা কৰে তেতিয়া সিংহাসনৰ গাত থকা ৩২টা পুতলা জীৱন্ত হৈ উঠে আৰু প্ৰত্যেকেই মহাৰাজ বিক্ৰমাদিত্যৰ গুণৰ বিষয়ে একোটাকৈ গল্প কয়। এই গল্পবোৰৰ সমষ্টিয়েই

সিংহাসনদ্বাত্রিংশিকা।

৭) **ভোজপ্রবন্ধ ঃ** 'ভোজপ্রবন্ধ' ৰচনা কৰে বল্লালসেনে। ধাৰাৰাজ্যৰ ৰজা ভোজৰ বিষয়ে কথিত এলানি সৰস সাধুৰ সংগ্রহেই 'ভোজপ্রবন্ধ'। ৰজা ভোজ এজন অতিশয় বিদ্বান আৰু বিদ্যোৎসাহী ৰজা আছিল। গ্রন্থখনত ভোজৰ ৰাজসভাৰ পণ্ডিত কবি কালিদাস, ভৰভূতি, দণ্ডী, বাণভট্ট, ময়ূৰ, মাঘ আদি কবিসকলৰ গুণবর্ণনা কৰা হৈছে।

৮) **পুৰুষ পৰীক্ষা ঃ** মৈথিলী কবি বিদ্যাপতিৰ ৰচিত পুৰুষপৰীক্ষা ৪২টা গল্পৰ সংকলন। গ্রন্থখন চাৰিটা পৰিচ্ছেদত বিভক্ত। গ্রন্থখনৰ ভাষা সৰল। বর্ণনাসমূহ ৰসপূর্ণ।

বৌদ্ধকথাসাহিত্যত বহুতো গল্পসাহিত্যৰ উল্লেখ আছে। তাৰে কিছুসংখ্যক তলত উল্লেখ কৰা হ'ল—

১) **অৱদানশতক ঃ** এশটা গল্পৰ সমষ্টিয়েই হ'ল অৱদানশতক। অৱদান বা বীৰগাথাসমূহকে বৌদ্ধ সাহিত্যৰ ভিতৰতে প্রাচীনতম কথা সাহিত্যৰ নিদর্শন বুলি কোৱা হয়। খ্রীষ্টীয় ৩য় শতিকাৰ প্রথমভাগত ই চীনা ভাষাত অনুদিত হয়। সর্বাস্তিবাদসকলৰ বিনয়পিটকৰ আধাৰতে অৱদানশতক ৰচিত হৈছে। গ্রন্থখন দহটা ভাগত বিভক্ত। গদ্য আৰু পদ্যত ৰচিত গল্পসমূহৰ ভাষা সৰল।

২) **দিব্যাৱদান ঃ** দিব্যাৱদানৰ কথাসমূহ বৌদ্ধসাহিত্যৰ পৰা সংগৃহীত। গ্রন্থৰ এভাগত মহাযান পন্থীসকলৰ মতবাদসমূহ আৰু আনভাগত হীনযান পন্থীসকলৰ মূলতত্ত্বসমূহ উদাহৰণসহ বর্ণিত হৈছে।

৩) **জাতকমালা ঃ** আর্যশূৰৰ জাতকমালা জাতকসমূহৰ এটা সমষ্টি। এই জাতকমালাত বোধিসত্ত্বৰ পূর্বজন্মৰ জীৱনী বর্ণনা কৰা হৈছে। পালি জাতকসমূহ আৰু চর্যাপিঠকৰপৰা সংগৃহীত চৌত্রিশটি কাহিনী সংস্কৃত গদ্য আৰু পদ্যত অনুবাদ কৰা হৈছে। ধর্মালোচনাৰ মাজে মাজে দৃষ্টান্ত দিবৰ কাৰণেই এই কাহিনীবিলাক এসময়ত একেলগে সন্নিবেশিত হয়। অশ্বঘোষৰ ৰচনাশৈলীৰ ছাপ ইয়াত সুস্পষ্ট। বহুতে অনুমান কৰে আর্যশূৰ অশ্বঘোষৰে নামান্তৰ মাত্র। জাতকমালাৰ গল্পসমূহে অজন্তাৰ প্রাচীন চিত্রত স্থান লাভ কৰিছে।

বৌদ্ধ ধর্মৰ এটা ভাগ হ'ল হীনযান। হীনযানীসকলে সর্বস্তিবাদ স্বীকাৰ কৰে।

জৈন কথাসাহিত্যত বৌদ্ধসাহিত্যৰ নিচিনা গল্পসাহিত্যৰ উল্লেখ পোৱা যায়।

বৌদ্ধ কথা সাহিত্যৰ দৰে জৈন কথা সাহিত্যও নীতিগর্ভ, জৈন কথাসাহিত্য ৰচনাৰ উদ্দেশ্য হৈছে জৈনধর্মৰ মতবাদ প্রচাৰ কৰা। তাৰে কেইখনমানৰ চমুকৈ উল্লেখ কৰা হ'ল—

১) **উপমিতি ভাৱ প্রপঞ্চ কথা ঃ** সিদ্ধর্ষিৰ দ্বাৰা কথাৰ আকাৰত ৰচিত মানুহৰ আত্মাবিষয়ক এইখন ৰূপক গ্রন্থ। খ্রীষ্টীয় দশম শতিকাত এই গ্রন্থখন ৰচনা কৰে। গদ্য পদ্য মিশ্রিত গ্রন্থখনৰ ভাষা সৰল।

২) **পৰিশিষ্ট পর্ব ঃ** পৰিশিষ্ট পর্ব গ্রন্থখন হেমচন্দ্রৰ দ্বাৰা ৰচিত। গ্রন্থখন প্রাচীন জৈন তীর্থঙ্কৰসকলৰ জীৱন গাথাৰ আধাৰত ৰচিত। কথাবোৰ সহজ-সৰল আৰু লোকপ্রিয়। লেখক ধর্মীয় মতবাদ আৰু ৰীতি-নীতিক লৈ অধিক ব্যস্ত।

বিনয় পিটকত বৌদ্ধভিক্ষুসকলৰ কাৰণে নৈতিকতাৰ আচৰণবিধি বর্ণনা কৰা আছে।



জানি থোৱা ভাল

সাধুকথা বা গল্প, কথা, উপকথা, কাহিনী আদি কোৱা আৰু শুনা প্রথা সকলো দেশৰ সকলো জাতিৰ মাজতে আছে। গল্প সাহিত্য কোনো দেশ বা জাতিৰ সংস্কৃতিৰ বাহন। গল্প সাহিত্যৰ তিনিটা উদ্দেশ্য আছে— ১) অৱসৰকাল যাপন, ২) চিত্ত বিনোদন বা মনোৰঞ্জন, ৩) লোকশিক্ষা আৰু ৰাজকুমাৰসকলক নীতিশিক্ষা প্রদান।

গল্প ৰচয়িতাসকলে মনুষ্যজগতৰ অনুকৰণত সৃষ্ট কাল্পনিক জগতৰ দেৱদেৱী, গন্ধর্ব অপ্সৰা প্রভৃতিক লৈ গল্প ৰচনা কৰাৰ অনুপ্রেৰণা পায়। গল্প সাহিত্যৰ অন্তর্গত গল্পবিলাকৰ দুটা সুনির্দ্দিষ্ট ভাগ আছে। এটা ভাগৰ চৰিত্রবিলাক মানুহ আৰু আনটো ভাগৰ চৰিত্রবিলাক পশু-পক্ষী। গল্পৰ আখ্যান ভাগক শিশুসকলৰ বোধগম্য কৰাৰ কাৰণে সহজ আৰু অনাড়ম্বৰ ভাষাৰ ব্যৱহাৰ কৰা হৈছে। গোটেই গল্পটো পঢ়ি শিশুৱে যাতে তাৰ নীতিটো সহজে মনত ৰাখিব পাৰে সেই উদ্দেশ্যে গল্পত শ্লোক সন্নিবিষ্ট কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ঃ কথাসৰিৎসাগৰৰ ৰচক কোন?

.....

প্রশ্ন নং ১৩ঃ বেতালপঞ্চবিংশতিত উল্লেখ কৰা ৰজাজনৰ নাম কি?

.....

প্রশ্ন নং ১৪ঃ শুকসপ্ততিৰ ৰচক কোন?

.....

প্রশ্ন নং ১৫ঃ ভোজপ্রবন্ধ কোনে ৰচনা কৰে?

.....

প্রশ্ন নং ১৬ঃ বৌদ্ধ আৰু জৈন কথাসাহিত্য দুখনৰ নাম লিখা।

.....

৭.৫ শব্দার্থ তালিকা

১) ঋগ্বেদ ঃ বেদ চাৰিখন— ঋগ্বেদ, যজুর্বেদ, সামবেদ আৰু অথর্ববেদ। ঋগ্বেদ প্রথম বেদ।

২) পতঞ্জলি ঃ এগৰাকী দার্শনিক আৰু ব্যাকৰণবিদ। তেওঁ ৰচনা কৰা গ্রন্থখনৰ নাম মহাভাষ্য।

৩) ব্রাহ্মণ ঃ বেদৰ এটা ভাগ।

৪) উপনিষদ ঃ বেদৰ অন্তিমভাগ। ইয়াক 'বেদান্ত' বুলিও কোৱা হয়।

৫) শতপথব্রাহ্মণ ঃ শুক্লযজুর্বেদৰ অন্তর্গত ব্রাহ্মণ।



৭.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত ৰচিত হোৱা গল্প সাহিত্য বা কথা সাহিত্যৰ উৎস আৰু বিকাশৰ বিষয়ে জানিব পাৰিলে।
- গল্প সাহিত্য ৰচনা কৰাৰ উদ্দেশ্য আৰু ভাগসমূহৰ বিষয়ে জানিব পাৰিলে।
- বিভিন্ন গল্প সাহিত্যৰ— যেনে পঞ্চতন্ত্র, হিতোপদেশ, বৃহৎকথা, বেতালপঞ্চবিংশতি, সিংহাসনদ্বাত্রিংশিকা, শুকসপ্ততি, বৌদ্ধ আৰু জৈন কথা সাহিত্যৰ পৰিচয়ৰ লগতে বিষয়বস্তুসমূহৰো চমু আভাস পোৱা গ'ল।
- গল্প সাহিত্য হৈছে সংস্কৃত সাহিত্যৰ পৰম ৰমণীয় হৃদয়গ্রাহী ৰচনা। ইংৰাজীত ইয়াক Fables বুলি কোৱা হয়।
- সংস্কৃত গল্প সাহিত্যবোৰৰ কিছু অংশ তৎকালীন জীৱন প্রবাহৰ ওপৰত আধাৰিত। কিছু অংশ সামুদ্রিক যাত্রাৰ সৈতে সম্বন্ধ; কিছু অংশ আশ্চর্যপূর্ণ ঘটনাৰে পৰিপূর্ণ, কিছু অংশ স্বর্গলোক আৰু গন্ধর্বলোকৰ চিত্রণ, ধর্মৰ প্রেৰণাৰ দ্বাৰা পূৰিত, নীতিপৰক আৰু অধিকাংশ শিক্ষাত্মক আৰু উপদেশাত্মক।



৭.৭ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

২) গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ পাণবজাৰ, বুকলেণ্ড।

৩) ভাগৱতী, কামাখ্যাচৰণ, *'সংস্কৃত সাহিত্যৰ জিলিঙনি'*, গুৱাহাটী ঃ গ্রন্থপীঠ, পাণবজাৰ।

৪) Krishnamachariar, M, *'History of Classical Sanskrit Literature*', New Delhi : MLBD.

৭.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ কথা সাহিত্য

২নং প্রশ্নৰ উত্তৰ ঃ গল্প সাহিত্যত দুটা শৈলী দেখা যায়—

১। গদ্যৰ নৈসর্গিক সৰল শৈলী

২। কৃত্রিম অলঙ্কৃত শৈলী

৩নং প্রশ্নৰ উত্তৰ ঃ গল্প সাহিত্য ৰচনা কৰাৰ মূল উদ্দেশ্য তিনিটা— ১) অৱসৰ যাপন, ২) চিত্তবিনোদন, ৩) লোকশিক্ষা আৰু ৰাজকুমাৰসকলক নীতি শিক্ষা প্রদান।

৪নং প্রশ্নৰ উত্তৰ ঃ গল্প সাহিত্যৰ চৰিত্র বা লক্ষণসমূহ বিচাৰ কৰি সেইবোৰক ব্যাপক অর্থত ঘাইকৈ দুটা ভাগত ভাগ কৰা হৈছে— ১) মানৱীয় চৰিত্র আৰু অনুভূতিময় গল্প, ২) মানৱেতৰ চৰিত্রসন্মত নীতিপৰক গল্প।

৫নং প্রশ্নৰ উত্তৰ ঃ বিষ্ণুশর্মা

৬নং প্রশ্নৰ উত্তৰ ঃ পঞ্চতন্ত্র পাঁচটা তন্ত্র বা ভাগত বিভক্ত— ১) মিত্রভেদ, ২) মিত্রলাভ, ৩) কাকোলূকীয়, ৪) লব্ধপ্রণাশ, ৫) অপৰীক্ষিত কাৰক।

৭নং প্রশ্নৰ উত্তৰ ঃ 'হিতোপদেশ'ৰ ৰচয়িতা বঙ্গৰ ৰজা ধৱলসেনৰ ৰাজসভাৰ পণ্ডিত নাৰায়ণ শর্মা।

৮নং প্রশ্নৰ উত্তৰ ঃ হিতোপদেশৰ ভাগসমূহ— ১) মিত্রলাভ, ২) সুহৃদভেদ, ৩) বিগ্রহ, ৪) সন্ধি

৯নং প্রশ্নৰ উত্তৰ ঃ 'বৃহৎকথা'ৰ ৰচক গুণাঢ্য তেওঁ ষষ্ঠ শতিকাৰ আগৰ।

১০নং প্রশ্নৰ উত্তৰ ঃ 'বৃহৎকথা' পৈশাচী ভাষাত ৰচিত।

১১নং প্রশ্নৰ উত্তৰ ঃ 'বৃহৎকথা'ক অৱলম্বন কৰি পৰৱর্তীকালত ৰচিত হোৱা গ্রন্থসমূহ হৈছে—
১) বুদ্ধস্বামীৰ— 'বৃহৎকথা শ্লোকসংগ্রহ'
২) ক্ষেমেন্দ্রৰ— 'বৃহৎকথামঞ্জৰী'
৩) সোমদেৱৰ— 'কথাসৰিতসাগৰ'

১২নং প্রশ্নৰ উত্তৰ ঃ সোমদেৱ

১৩নং প্রশ্নৰ উত্তৰ ঃ বেতালপঞ্চবিংশতিত উল্লেখ কৰা ৰজাজনৰ নাম বিক্রমাদিত্য

১৪নং প্রশ্নৰ উত্তৰ ঃ চিন্তামণি নামৰ এজন ব্রাহ্মণ

১৫নং প্রশ্নৰ উত্তৰ ঃ বল্লালসেন

১৬নং প্রশ্নৰ উত্তৰ ঃ ১) অৱদানশতক
২) উপমিতিভাব প্রপঞ্চ কথা



৭.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গল্পসাহিত্যত উল্লেখ কৰা গ্রন্থসমূহৰ পৰা যিকোনো এখন গল্পসাহিত্যৰ বিষয়ে লিখক।

খ) চুটিপ্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গল্পসাহিত্যৰ উৎসৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ 'বৃহৎকথা'ৰ বিষয়ে বহলাই লিখক।

গ) **ৰচনাধর্মী প্রশ্ন** (৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গল্পসাহিত্য বা কথাকাব্য কাক বোলে? ইয়াৰ ৰচনাৰ উদ্দেশ্য কি? গল্প সাহিত্যত উল্লেখ কৰা গ্রন্থসমূহৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৮ ঃ শতককাব্য

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ শতককাব্যৰ পৰিচয়
৮.৩.১ শতককাব্যৰ লক্ষণ
৮.৩.২ শতককাব্য ৰচনাৰ উদ্দেশ্য
৮.৩.৩ শতককাব্যৰ উৎস
৮.৩.৪ শতককাব্যৰ ভাগ
৮.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন শতককাব্যৰ উল্লেখ
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খাতিয়ান
৮.৮ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শতককাব্যৰ পৰিচয় লাভ কৰিব পাৰিব
- শতককাব্যৰ উৎস আৰু লক্ষণ বুজিবলৈ সমর্থ হ'ব
- শতককাব্য ৰচনাৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব
- সংস্কৃত সাহিত্যত ৰচিত হোৱা বিভিন্ন শতককাব্যৰ বিষয়ে জানিব পাৰিব
- শতককাব্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব

৮.২ পৰিচয়

গল্পসাহিত্য বা কথাকাব্যৰ পিছত এতিয়া আপুনি শতককাব্যৰ বিষয়ে জানিব পাৰিব—

অতি কম পৰিসৰতে অধিক সাৰগর্ভ আৰু নীতিব্যঞ্জক বিষয়বস্তু সম্বলিত কাব্যকে শতককাব্য বোলা হয়। 'শতক' শব্দৰ অর্থ 'এশ'। শতক বা এশটা শ্লোকত ব্যৱহাৰিক জীৱনত সততে কামত অহা, গভীৰ অর্থপ্রকাশক শ্লোকৰ সমষ্টিয়েই হৈছে শতককাব্য।

শতককাব্য হৈছে একপ্রকাৰৰ গীতিকাব্য। ই স্বয়ং সম্পূর্ণ মুক্তক শ্রেণীৰ চতুষ্পদী কবিতা। সংস্কৃত গীতি কবিতাত ভালেমান শতককাব্য পোৱা যায়। শতককাব্যসমূহত ত্রিবর্গৰ (ধর্ম, অর্থ, কাম) বিষয়েই আলোচনা আগবঢ়াইছে। মানৱ জীৱনে এই ত্রিবর্গ সাধনতেই

পৰিপূৰ্ণতা লাভ কৰে। ধৰ্ম, নীতি, শৃঙ্গাৰ আৰু বৈৰাগ্য এই সকলো বিষয়ৰ ওপৰত শতককাব্য ৰচিত হৈছে। অতীৱ উৎকণ্ঠাপূৰ্ণ আৱেগপ্ৰৱণ কাব্যই শতককাব্য।

এতিয়া আপুনি এই অধ্যায়ত শতককাব্যৰ পৰিচয়, ইয়াৰ লক্ষণ, ৰচনাৰ উদ্দেশ্য, উৎস, বিভিন্ন ভাগ তথা বিভিন্ন শতককাব্যৰ বিষয়ে জানিব পাৰিব।

৮.৩ শতককাব্যৰ পৰিচয়

আপুনি এতিয়া শতককাব্যৰ পৰিচয় জানিব পাৰিব। অতিশয় আৱেগ-অনুভূতিপূৰ্ণ আৰু সংবেদনশীল ভাৱযুক্ত অথচ মাধুৰ্যময় কবিতাকে শতককাব্য বোলা হয়। শতককাব্য একপ্ৰকাৰ গীতিকবিতা। শতককাব্য সংস্কৃত সাহিত্যৰ এক পৰম ৰমণীয় অঙ্গস্বৰূপ। এই কাব্যসমূহ মুক্তক শ্ৰেণীৰ। অৰ্থাৎ বাহ্য উপকৰণৰ পৰা মুক্ত হৈ স্বয়ং ৰসযুক্ত হোৱাটোৱেই মুক্তকৰ লক্ষ্য। ইয়াৰ ৰসপানত পাঠকৰ হৃদয় আনন্দত আপ্লুত হয়। আলঙ্কাৰিক **আনন্দবৰ্দ্ধনে** মুক্তক সম্বন্ধে এইদৰে কৈছে—

আনন্দবৰ্দ্ধনে ৰচনা কৰা গ্ৰন্থখনৰ নাম ধ্বন্যালোক।

'মুক্তকেষু হি প্ৰবন্ধেষু ইৱ ৰসৰন্ধাভিনিবেশিনঃ কবয়ো দৃশ্যন্তে।' ভৰ্ত্তৃহৰিৰ 'শতকত্ৰয়' আৰু অমৰুক'ৰ 'অমৰুশতক' মুক্তকৰ উত্তম উদাহৰণ। এনে কাব্য শৃঙ্গাৰ-ৰসাত্মক, নীতি বা উপদেশাত্মক আৰু বৈৰাগ্য ভাৱমিশ্ৰিত।

৮.৩.১ শতককাব্যৰ লক্ষণ

শতককাব্যৰ পৰিচয়ৰ পাছত আপুনি এতিয়া 'শতককাব্য'ৰ লক্ষণৰ বিষয়ে জানিব পাৰিব। শতককাব্যক লঘুকাব্য বোলে। মুক্তক শ্লোক, শতককাব্য, খণ্ডকাব্য, স্তোত্ৰকাব্য প্ৰভৃতি লঘুকাব্যৰ অন্তৰ্ভুক্ত। গীতি কবিতাৰ দৰেই স্বয়ংসম্পূৰ্ণ ক্ষুদ্ৰাকাৰৰ একক কবিতা। এই শতককাব্য সমূহ শৃঙ্গাৰাত্মক আৰু ভক্তিভাবনাপূৰ্ণ হয়। সুখ-দুঃখ, আশা-নিৰাশা আদিৰ পৰা যি বৈৰাগ্য ওপজে সেই বিষয়সমূহক অৱলম্বন কৰিও শতককাব্য ৰচিত হয়। জীৱনৰ ক্ষণিকতা, বিষয়ভোগৰ প্ৰতি আসক্তিশূন্য আদিয়েই বৈৰাগ্য শতকৰ প্ৰধান বিষয়বস্তু। 'উৎকণ্ঠাবিৰচিতং পদং গেয়ং' বুলি ইয়াৰ লক্ষণ নিৰূপিত হৈছে।

৮.৩.২ শতককাব্য ৰচনাৰ উদ্দেশ্য

আপুনি শতককাব্যৰ বিষয়ে জানিব পাৰিলে। এতিয়া শতককাব্য ৰচনাৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যত দৃশ্য আৰু শ্ৰব্য এই দুয়োবিধ ৰচনাৰ মাজত শ্ৰব্যকাব্যক তিনিটাভাগত ভাগ কৰা হৈছে। গদ্য, পদ্য আৰু মিশ্ৰ। শতককাব্য পদ্যকাব্যৰ অন্তৰ্গত। শতককাব্যসমূহ গীতিধৰ্মী। কম কথাতে বেছি ভাব প্ৰকাশ কৰি পাঠকক ৰসাভিভূত কৰাই হৈছে শতককাব্যৰ উদ্দেশ্য। ইয়াৰ দ্বাৰা মানুহে বাহ্য বিষয়মুখী

হ'লেও অন্তর্মুখী চেতনাত একাত্ম হৈ পৰে। শতককাব্যত মধুৰ পদাৱলীৰ লগত সঙ্গীতময় ছন্দৰ প্ৰয়োগ কৰা হয়। শৃঙ্গাৰ, নীতি, বৈৰাগ্য তথা প্ৰাকৃতিক দৃশ্যৱাজিৰ বহুল বৰ্ণনা শতক কাব্যত সন্নিবেশ কৰা থাকে। শতককাব্যত ৰমণীৰ সৌন্দৰ্য যিমান সুন্দৰ স্বাভাৱিক ৰূপত পোৱা যায়, আন সাহিত্যত দুৰ্লভ। শৃঙ্গাৰৰ ভিন্ ভিন্ অৱস্থাৰ মাৰ্মিক চিত্ৰণ প্ৰকাশ কৰা শতককাব্যৰ প্ৰধান উদ্দেশ্য। মূলতঃ হৃদয়ৰ ৰাগাত্মক ৰচনাক ছন্দোবদ্ধ ৰূপত প্ৰকাশ কৰোৱাটোৱেই শতককাব্যৰ মূল উদ্দেশ্য।

৮.৩.৩ শতককাব্যৰ উৎস

আপুনি এতিয়া শতককাব্যৰ উৎসৰ বিষয়ে জানিব পাৰিব। **ঋগ্বেদ**ৰ পাতত থকা ঊষা সূক্ত বা সূৰ্য সূক্তসমূহতে প্ৰথম শতককাব্যৰ চানেকি দেখা যায়। বেদৰ একক মন্ত্ৰ অথবা কিছুমান মন্ত্ৰ সম্বলিত সূক্তক লঘুকাব্যৰ লগত মিলাব পাৰি। ঋগ্বেদৰ অক্ষসূক্ত (১০,৩৪) ভিক্ষুসূক্ত (১০/১১৭), সংজ্ঞানসূক্ত (১০-৭১-৭২) আদিত শতককাব্যৰ ধ্বনি শুনিবলৈ পোৱা যায়। তেনেদৰে উপনিষদ সাহিত্যও নীতিসমৃদ্ধ। কল্পসূত্ৰৰ অন্তৰ্গত ধৰ্মসূত্ৰ, পাছৰ যুগৰ স্মৃতিসমূহ, পুৰুষাৰ্থ চতুষ্টয় সাধনৰ বাবে বিহিত ধৰ্মনীতি, সমাজনীতি, ৰাজনীতি আদিত নীতি, বৈৰাগ্য আদিৰ প্ৰবচনসমূহ দেখা যায়। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিতো নীতিগৰ্ভ শতককাব্যসম্ভাৰ সোমাই আছে। মহাভাৰতৰ শান্তিপৰ্ব আৰু অনুশাসনপৰ্ব দুটাক শতককাব্যৰ আধাৰ বুলিব পাৰি।

ঋগ্বেদ ঃ চাৰিখন বেদৰ ভিতৰত ঋগ্বেদ প্ৰথম।

৮.৩.৪ শতককাব্যৰ ভাগ

এতিয়া আপুনি শতককাব্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব—

শতককাব্যসমূহ সাধাৰণতে তিনিটা ভাগত বিভক্ত— (১) শৃঙ্গাৰমূলক, (২) নীতিমূলক, (৩) বৈৰাগ্যমূলক। এই শতককাব্যসমূহত বৈচিত্ৰপূৰ্ণ সমাহাৰ দেখা যায়। যেনেঃ সাংসাৰিক লোভ-মোহ, অভিমান, অহংকাৰ, মোহ আদিৰ পৰা হ'ব পৰা দুৰ্গতি, জীৱনৰ ক্ষণস্থায়িত্ব, নাৰীৰ মোহনীয় চৰিত্ৰ আৰু ৰূপৰ প্ৰলোভনৰ প্ৰতি সতৰ্কতা, আসক্তিহীনতা, বৈৰাগ্যৰ পৰা সুবিধা, শম-দমাদিৰ পৰা হোৱা লাভ, সৎসঙ্গৰ পৰা হোৱা লাভ, অসৎসঙ্গৰ পৰা হোৱা ক্ষতি, বিদ্যাৰ মহত্ব, বিদ্বানৰ মহত্ব আদি শতককাব্যৰ বিষয়বস্তু।

শতককাব্যত প্ৰেম বা শৃঙ্গাৰ নীতি আৰু বৈৰাগ্যক প্ৰাধ্যান দিয়া হয়।

অলংকাৰ আৰু ছন্দৰ বৈচিত্ৰও এই কাব্যসমূহত বিৰাজমান। শতককাব্যৰ ভাষা সংস্কৃত।

৮.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন শতককাব্যৰ উল্লেখ

এতিয়া আপুনি বিভিন্ন শতককাব্যৰ বিষয়ে জানিব পাৰিব—

১) **অমৰুশতক ঃ** অমৰুশতক নামৰ শতককাব্যখন অমৰু বা অমৰুক নামৰ কবিৰ দ্বাৰা ৰচনা বুলি প্রসিদ্ধি আছে। অমৰু অষ্টম শতাব্দীৰ পূর্বৰ কবি। কিম্বদন্তী অনুসাৰে জনা যায় যে— মণ্ডনমিশ্রৰ পত্নী ভাৰতীৰ সৈতে বিচাৰত প্রবৃত্ত শঙ্কৰাচার্য ৰতিশাস্ত্রবিষয়ক প্রশ্নৰ উত্তৰ দানত অসমর্থ হোৱাত শাস্ত্রজ্ঞান লাভ কৰিবলৈ নর্মদাৰ তীৰলৈ যায়। তাতে তেওঁ যোগৰ বলত দেহটো শিষ্যসকলক সংৰক্ষণ কৰিবলৈ দি ইতিমধ্যে মৃত কাশ্মীৰৰ ৰজা অমৰুকৰ পত্নীসকলেৰে সৈতে শৃঙ্গাৰ কেলি কৰি পুনঃ নিজ দেহত প্রৱেশ কৰে। এনেদৰে লব্ধজ্ঞানেৰে শতশ্লোকত অমৰুক কাব্য ৰচনা কৰিছিল। পৰৱর্তীকালত এইখন 'অমৰুশতক' নামেৰে প্রসিদ্ধি লাভ কৰে।

'অমৰুশতক'ৰ শ্লোকবোৰ মনোহৰ। ইয়াৰ ভাৱ-ভাষা ছন্দ অলংকাৰ সকলো দিশতে মনোহাৰিত্ব বিদ্যমান। দীর্ঘসমাসবদ্ধ পদ ব্যৱহাৰ কৰিছে। শার্দুলবিক্রীড়িত ছন্দত ৰচিত কাব্যখনৰ প্রধানৰস শৃঙ্গাৰ।

'অমৰুশতক'ৰ চাৰিটা আঞ্চলিক সংস্কৰণত শ্লোকসংখ্যা ৯৬ৰপৰা ১১৫টা পর্যন্ত দেখা যায়। অষ্টম শতিকাত বামনে অমৰুশতকৰ তিনিটা শ্লোক উদ্ধৃত কৰিছিল। খ্রীষ্টাব্দ ৮৫০ত আনন্দবর্দ্ধনে অমৰুক প্রথিতযশা কবিৰূপে উল্লেখ কৰিছিল। 'অমৰুশতক' খ্রীষ্টাব্দ ৭ম শতিকাৰ শেষভাগত ৰচিত হয় বুলি আনন্দবর্দ্ধনে উল্লেখ কৰিছে।

২) **শতকত্রয় ঃ** 'শতকত্রয়' ভর্ত্তৃহৰিয়ে ৰচনা কৰে। তেওঁ শৃঙ্গাৰ, নীতি আৰু বৈৰাগ্যশতক ৰচনা কৰে।

ভর্ত্তৃহৰিৰ জীৱনবৃত্তসম্বন্ধে সঠিককৈ একো জনা নাযায়। শতকত্রয়ৰ উপৰিও ৰাৱণবধ বা ভট্টিকাব্য আৰু 'বাক্যপদীয়' ৰচনা কৰে। ভর্ত্তৃহৰিয়ে শৃঙ্গাৰ, নীতি আৰু বৈৰাগ্য শতকত্রয়ৰ আদিতে ক্রমে কামদেৱ, ব্রহ্মা আৰু শিৱৰ স্তুতি কৰিছে। নীতিশতকৰ আদি শ্লোকে তেওঁক এজন অদ্বৈতবাদী ৰূপেহে চিনাকি দিয়ে। এতিয়া শতকত্রয়ৰ বিষয়ে আলোচনা কৰা হ'ল—

(ক) **নীতিশতক ঃ** নীতিশতকত কবিয়ে উদাত্ত গুণ গ্রহণ কৰিবলৈ আগ্রহ দেখুৱাইছে। যিবোৰৰ অনুশীলন সমগ্র মানৱ সমাজৰেই মঙ্গলকাৰক। এই শতকখনৰ এশটা শ্লোক দহটা পদ্ধতিত ভাগ কৰি তাৰ অনুশীলন লোকসমাজত দাঙি ধৰিছে। মঙ্গলাচৰণৰ পাছত ক্রমে— (১) মূর্খপদ্ধতি (২-১০), (২) বিদ্বৎপদ্ধতি (১১-২০), (৩) মান শৌর্য্য পদ্ধতি (২১-৩০), (৪) অর্থপদ্ধতি (৩১-৪০), (৫) দুর্জন পদ্ধতি (৪১-৫০), (৬) সজ্জন পদ্ধতি (৫১-৬০), (৭) পৰোপকাৰ পদ্ধতি (৬১-৭০), (৮) ধৈর্য্যপদ্ধতি (৭১-৮০), (৯) দৈৱপদ্ধতি (৮১-৯০), (১০) কর্মপদ্ধতি (৯১-১০০)।

ভর্ত্তৃহৰিয়ে কালিদাস, শূদ্রক আদিৰ গ্রন্থৰ পৰাও শ্লোকসমূহ সংগ্রহ কৰিছে।

নীতিশতকৰ শ্লোকসমূহ অতিশয় জনপ্রিয়। শ্লোকসমূহৰ মাজত কবিৰ সুষ্ঠনীতি তথা মানৱচৰিত্র সমীক্ষণৰ ছাপ দেখা যায়।

(খ) **শৃঙ্গাৰশতক ঃ** এই শতকখন বিষয়ানুসৰি পাঁচটা ভাগত বিভক্ত। (১) স্ত্রীপ্রশংসা (১-২০), (২) সম্ভোগবর্ণন (২১-৪০), (৩) কামিনীনিন্দা (৪১-৬০), (৪) সুবিৰক্ত দুর্বিৰক্ত পদ্ধতি (৬১-৮০), (৫) ঋতুবর্ণন (৮১-১০০)।

ইয়াত এশটা শ্লোকৰ মাজেৰে কবিজনে নাৰী প্রকৃতিৰ উপলব্ধি, কামুক ব্যক্তিৰ স্বৰূপোদ্‌ঘাটন, পৰিণতি আদি আঙুলিয়াই দেখুৱাইছে।

(গ) **বৈৰাগ্যশতক ঃ** 'বৈৰাগ্যশতক' হৈছে ভর্ত্তৃহৰিৰ তৃতীয় শতক। বিষয়ানুসৰি ইয়াৰ শতশ্লোক দহটা ভাগত বিভক্ত— (১) তৃষ্ণাদূষণম্ (১-১০), (২) বিষয় পৰিত্যাগ বিড়ম্বনা (১১-২০), (৩) খাঞ্চাদৈন্যদূষণম্ (২১-৩০), (৪) ভোগাস্থৈর্য্য বর্ণনম্ (৩১-৪০), (৫) কালমহিমানুবর্ণনম্ (৪১-৫০), (৬) যতিনৃপতি সংবাদবর্ণনম্ (৫১-৬০), (৭) মনঃ সম্বোধন নিয়মনম্ (৬১-৭০), (৮) নিত্যানিত্য বস্তুবিচাৰঃ (৭১-৮০), (৯) শিৱার্চনম্ (৮১-৯০) আৰু (১০) অবধূতচর্যা (৯১-১০০।)

ইয়াৰ প্রতিটো শ্লোক অনুভূতিপ্রবণ। ইয়াৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে ভর্ত্তৃহৰি এজন অদ্বৈতবাদী কবি আছিল আৰু অদ্বৈতধাৰণাক ফলৱতী কৰিবলৈ তেওঁ বৈৰাগ্যপথৰ প্রশংসাপৰক শতক ৰচনা কৰিছে।

(৩) **শান্তিশতক ঃ** ভর্ত্তৃহৰিৰ শতকত্রয়ৰ দ্বাৰা অনুপ্রাণিত হৈ পৰৱর্ত্তীকালত অনেক কবিয়ে শতককাব্য ৰচনা কৰিছে। ইয়াৰ ভিতৰত সিন্ধুনৰ 'শান্তিশতক' অন্যতম। তেওঁ ভর্ত্তৃহৰিৰ বৈৰাগ্যশতককে ধৰি অন্য বহুতৰ ওচৰত ঋণবদ্ধ হ'লেও কাব্যখনিৰ অনেকখিনি মৌলিক। কাব্যখনত ঐহিক সুখৰ প্রতি আকর্ষিত হৈ পৰমার্থিক আনন্দৰ প্রতি দেখুওৱা অৱজ্ঞা, শেষত ভগৱদ্‌ভাৱনাৰ দ্বাৰা পৰম শান্তি সেই কথা প্রকাশ পাইছে। সিন্ধুন দ্বাদশ শতিকাৰ কবি। ১২০৫ খ্রীষ্টাব্দত ৰচিত **সদুক্তিকর্ণামৃত**ত তেওঁৰ শ্লোকৰ উদ্ধৃতি পোৱা যায়।



সদুক্তিকর্ণামৃতৰ ৰচক শ্রীধৰদাস। ইয়াত ২৩৮০ টা শ্লোক আছে।

(৪) **দৃষ্টান্তশতক ঃ** কুসুমদেৱৰ ৰচিত 'দৃষ্টান্তশতক' এখন অনুপম শতককাব্য। ভর্ত্তৃহৰিৰ নীতিশতকৰ দৰে ইয়াৰ প্রতিটো শ্লোকৰ প্রথমার্দ্ধত একোটি নীতিৰ কথা কৈ দ্বিতীয়ার্দ্ধত তাৰ দৃষ্টান্ত কবিয়ে তুলি ধৰিছে। বল্লভদেৱৰ সুভাষিতাৱলীত তেওঁৰ শ্লোকৰ উদ্ধৃতি পোৱালৈ চাই তেওঁ পঞ্চদশ শতিকাতকৈ বেছি পিছৰ হ'ব নালাগে।

(৫) **ভল্লটশতক ঃ** কাশ্মীৰি কবি ভল্লটে 'ভল্লটশতক' ৰচনা কৰে। এই শতকত শ্লোকসংখ্যা এশৰো কম। আনন্দবর্দ্ধনে 'ধ্বন্যালোক'ত 'ভল্লটশতক'ৰ শ্লোক উদ্ধৃত কৰিছে। ভল্লটৰ মুক্তক শ্লোকসমূহত ন্যায়-নীতি, আদর্শ আৰু নানান বিদগ্ধ ভাৱনা প্রকাশিত হৈছে। ভাৱ আৰু ভাষাৰ প্রাচুর্য, অলঙ্কাৰৰ মাধুর্য, প্রসাদগুণ প্রভৃতি বৈচিত্র্য তথা ভল্লটৰ স্বকীয় বৈশিষ্ট্য বিদ্যমান যাৰ যাবে তেওঁ প্রাচীন বিদগ্ধ সমালোচকৰ দৃষ্টি আকর্ষণ কৰিছিল। শতককাব্যৰ ভিতৰত শৃঙ্গাৰাশ্রিত ৰচনাই অধিক।

(৬) **শৃঙ্গাৰশতক ঃ** জনার্দ্দনভট্টৰ 'শৃঙ্গাৰশতক'ত মুঠ ১০১টা শ্লোক পোৱা যায়। ৰচনাকাল

আনুমানিক ১৩০০ শতাব্দী। ৰচনাশৈলী আড়ম্বৰপূর্ণ আৰু অলঙ্কাৰমণ্ডিত। শ্লোকসমূহত কবিৰ পাণ্ডিত্যৰ পৰিচয় পোৱা যায়।

(৭) **শৃঙ্গাৰশতক ঃ** নৰহৰিৰ ৰচিত 'শৃঙ্গাৰশতক'ত ১১৫টা শ্লোক পোৱা যায়। কবিৰ ৰচনাপদ্ধতি কৃত্রিম আৰু ভাৱ গতানুগতিক। শৃঙ্গাৰৰ মাধুর্য আৰু ৰতিৰ বৈচিত্র্য পৰিবেশন কৰাই তেওঁৰ মুখ্য উদ্দেশ্য।

(৮) **ৰোমাৱলীশতক ঃ** ৰসিকৰঞ্জনৰ 'ৰোমাৱলীশতক' এখন শৃঙ্গাৰকাব্য। ১৩০টা শ্লোকত শৃঙ্গাৰ আৰু বৈৰাগ্য উভয় ভাৱধাৰা প্রকাশ কৰিছে। গ্রন্থৰ সমাপ্তিত কবিয়ে দ্ব্যর্থক শ্লোক ৰচনাৰ কথা নিজেই উল্লেখ কৰিছে। ৰচনাৰীতি অনাড়ম্বৰ হ'লেও সর্বত্রতে মাধুর্য আৰু সাৱলীল বাগ্‌ভঙ্গী প্রকাশিত হৈছে।

(৯) **ৰোমাৱলীশতক ঃ** বিশ্বেশ্বৰ পণ্ডিত নামৰ এজন কবিয়ে ১০০টা শ্লোকত সুন্দৰীনাৰীৰ ৰোমাৱলীৰ বর্ণনা কৰিছে। উপমা আৰু উৎপ্রেক্ষা অলঙ্কাৰৰ সহায়ত সহজ-সৰল ভাষাত নাৰী সৌন্দর্যৰ মনোৰম বর্ণনাত এইজন কবি অতিশয় নিপুন।

(১০) **সুন্দৰীশতক ঃ** উৎপ্রেক্ষাবল্লভৰ ৰচিত 'সুন্দৰীশতক' নামৰ শতককাব্যত ১১১টা শ্লোকত সুন্দৰীৰমণীৰ অঙ্গ-প্রত্যঙ্গ, ৰূপ-লাৱণ্যৰ বর্ণনা কৰিছে। কবিৰ প্রকৃত নাম গোকুল। ৰচনা নৈপুণ্যৰ বাবে তেওঁ উৎপ্রেক্ষাবল্লভ আখ্যা লাভ কৰিছে। কবিয়ে গ্রন্থত উল্লেখ কৰিছে যে তেওঁৰ পৃষ্ঠপোষক ৰজা মদন-মহীপালৰ অনুৰোধত এই কাব্য ৰচনা কৰিছে।

(১১) জগন্নাথৰ অন্যাপদেশ শতক, নীলকণ্ঠৰ অন্যাপদেশ-শতক আৰু মধুসুদনে 'অন্যাপদেশ-শতক' একে নামৰ তিনিখন শতক কাব্য ৰচনা কৰে।

(১২) **সূর্যশতক ঃ** 'সূর্যশতক' ৰচনা কৰে ময়ূৰভট্ট নামৰ কবিয়ে। ময়ূৰভট্ট আৰু বাণ শ্রীহর্ষৰ ৰাজসভাৰ কবি। কোনো কাৰণবশতঃ ময়ূৰভট্টৰ কুষ্ঠৰোগ হোৱাত, ৰোগ নিবাৰণৰ কাৰণে স্রগ্ধৰা ছন্দত সূর্যদেৱতাৰ স্তৱ ৰচনা কৰে। স্রগ্ধৰা ছন্দত লিখা কাব্যৰ ভিতৰত এইখনেই প্রথম। কবিয়ে সূর্যদেৱতাৰ ভিন্ ভিন্ অঙ্গ, ৰথ, ঘোঁৰা আদি সাধনৰ বর্ণনাত পূর্ণৰূপে সফল হৈছে।

(১৩) **চণ্ডীশতক ঃ** বাণভট্ট ময়ূৰভট্টৰ সমকালীন কবি। এওঁ 'চণ্ডীশতক' নামৰ স্রগ্ধৰা ছন্দত ভগৱতী দুর্গাক স্তুতি কৰি লিখা এখন প্রশস্তি কাব্য। চণ্ডীশতকত কবিয়ে দীঘল দীঘল সমাস, অনুপ্রাস, উৎপ্রেক্ষা আদি অলঙ্কাৰৰ ব্যৱহাৰ কৰি ৰচনাশৈলী চমৎকাৰ কৰি তুলিছে।



জানি থোৱা ভাল

সংস্কৃত সাহিত্যত পূর্ণাঙ্গ কাব্যৰ উপৰিও মুক্তক শ্লোক নিৱদ্ধ বহুতো শতককাব্য পোৱা যায়। 'মুক্তক' শ্লোক হ'ল স্বয়ংসম্পূর্ণ একক চতুষ্পদী কবিতা। নৰ-নাৰীৰ জীৱনৰ বিভিন্ন ভাৱসমৃদ্ধ কবিতাসমূহৰ সার্থক ৰূপ পোৱা যায় শতককাব্যসমূহত। কালিদাসৰ পৰৱর্তীকালত শতককাব্য

ভালেমান ৰচিত হৈছে। সেইবোৰৰ ভিতৰত অমৰুকৰ 'অমৰুশতক' কাব্যই প্ৰধান। পৰৱৰ্তী শতককাব্যসমূহত শৃঙ্গাৰৰ নানান অৱস্থা আৰু ভাবৰ বৰ্ণনা, মিলন-বিৰহ, ৰাগ-অনুৰাগ, সুখ-দুখ, আশা-নিৰাশা আদিৰ বৰ্ণনাই প্ৰাধান্য পোৱা দেখা যায়। ইয়াৰোপৰি বৈৰাগ্যৰ পৰা হ'ব পৰা সুবিধা, শম-দমাদিৰ পৰা হোৱা লাভ, সৎসঙ্গ আৰু অসৎসঙ্গৰ পৰা হোৱা লাভ-ক্ষতি আদি ভাবৰ বৰ্ণনা থকা বিভিন্ন শতককাব্য দেখা যায়। শতককাব্যসমূহত বাহ্য তথা অন্তঃপ্ৰকৃতিৰ চিত্ৰণ সুন্দৰভাৱে প্ৰকাশ কৰে। মুঠতে শতককাব্যত শৃঙ্গাৰ, নীতি আৰু বৈৰাগ্য তিনিটা ভাবধাৰা পৰিলক্ষিত হয়। ইয়াৰ ভিতৰত শৃঙ্গাৰ ৰসপ্ৰধান শতক কাব্যই অধিক। ধৰ্মীয় ভাৱনাৰে ৰচনা কৰা শতককাব্যৰ ভিতৰত ময়ূৰ কবিৰ সূৰ্যশতক আৰু বাণভট্টৰ চণ্ডীশতকেই প্ৰধান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'শতক' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ২ঃ 'শতককাব্য' কাক বোলে?

.....

প্ৰশ্ন নং ৩ঃ শতককাব্য কি কি বিষয়ত ৰচিত হৈছে?

.....

প্ৰশ্ন নং ৪ঃ শতককাব্যৰ লক্ষণ কি?

.....

প্ৰশ্ন নং ৫ঃ আলঙ্কাৰিক আনন্দবৰ্দ্ধনে মুক্তক কাব্যসম্বন্ধে কি অভিমত আগবঢ়াইছে?

.....

প্ৰশ্ন নং ৬ঃ ভৰ্ত্তৃহৰিয়ে ৰচনা কৰা শতককাব্য কেইখন কি কি?

.....

প্ৰশ্ন নং ৭ঃ শতককাব্য ৰচনাৰ উদ্দেশ্য কি?

.....

প্ৰশ্ন নং ৮ঃ শতককাব্যৰ উৎস ঋগ্বেদৰ কোন কোন সূক্তত পোৱা যায়?

.....

প্ৰশ্ন নং ৯ঃ শতককাব্যৰ ভাগ কেইটা?

.....

প্ৰশ্ন নং ১০ঃ শান্তিশতকৰ ৰচয়িতা কোন?

.....

প্ৰশ্ন নং ১১ঃ শৃঙ্গাৰ ৰসাশ্ৰিত কেইখনমান শতককাব্যৰ নাম উল্লেখ কৰা।

.....

প্রশ্ন নং ১২ঃ সূর্যশতক কোনে ৰচনা কৰিছিল?

.....

প্রশ্ন নং ১৩ঃ চণ্ডীশতকৰ ৰচয়িতা কোন?

.....



৮.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত ৰচিত হোৱা শতককাব্য কোন শ্রেণীৰ, ইয়াৰ উৎস আৰু লক্ষণৰ বিষয়ে জানিব পাৰিলোঁ।
- বিভিন্ন শতককাব্যৰ বিষয়ে জানিব পৰা গ'ল। যেনেঃ অমৰুশতক, ভর্ত্তৃহৰিৰ শতকত্রয়, বিভিন্ন শৃঙ্গাৰৰস প্রধান শতককাব্য, চণ্ডীশতক, সূর্যশতক আৰু পৰৱর্তীকালত ৰচিত হোৱা ভালেমান শতককাব্যৰ পৰিচয়ৰ লগতে বিষয়বস্তু সমূহৰো চমু আভাস পোৱা হ'ল।
- শতক কাব্যক লঘু কাব্য বোলা হয়। ই 'মুক্তক' শ্রেণীৰ ভাৱসমৃদ্ধ স্বয়ং সম্পূর্ণ একক চতুষ্পদী শ্লোকত ৰচিত।
- শতককাব্য অধিকাংশ শৃঙ্গাৰধর্মী হ'লেও বৈৰাগ্য তথা নীতিমূলক শতককাব্যও ৰচিত হৈছে।



৮.৬ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

২) গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Winternitz. M, *History of Indian Literature-Vol. III*. : MLBD, Delhi.

৮.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ এশ।

২নং প্রশ্নৰ উত্তৰ ঃ শতককাব্য হৈছে স্বয়ংসম্পূর্ণ ক্ষুদ্রাকাৰৰ 'মুক্তক' শ্রেণীৰ চতুষ্পদী কবিতা।

৩নং প্রশ্নৰ উত্তৰ ঃ শতককাব্য শৃঙ্গাৰ, নীতি আৰু বৈৰাগ্য বিষয়ত ৰচিত হৈছে।

৪নং প্রশ্নৰ উত্তৰ ঃ উৎকণ্ঠা বিৰচিতং পদং গেয়ং বুলি ইয়াৰ লক্ষণ নিৰূপিত হৈছে।

৫নং প্রশ্নৰ উত্তৰ ঃ "মুক্তকেষু হি প্রবন্ধেষু ইৱ ৰসবন্ধাভিনিবেশিনঃ কবয়ো দৃশ্যন্তে"— বুলি আলঙ্কাৰিক আনন্দবর্দ্ধনে মুক্তক কাব্যসম্বন্ধে অভিমত আগবঢ়াইছে।

৬নং প্রশ্নৰ উত্তৰ ঃ ১। শৃঙ্গাৰ শতক, ২। নীতিশতক, ৩। বৈৰাগ্য শতক।

৭নং প্রশ্নৰ উত্তৰ ঃ কম কথাতে বেছি ভাব প্রকাশ কৰি পাঠকক ৰসাভিভূত কৰাই হৈছে শতক কাব্যৰ উদ্দেশ্য। ইয়াৰ দ্বাৰা মানুহ বাহ্য বিষয়মুখী হ'লেও অন্তর্মুখী চেতনাত একাত্ম হৈ পৰে।

৮নং প্রশ্নৰ উত্তৰ ঃ ঋগ্বেদৰ পাতত থকা 'ঊষাসূক্ত', অক্ষসূক্ত (১০/৩৪), সংজ্ঞানসূক্ত (১০/১৯১) আদিত শতককাব্যৰ ধ্বনি শুনিবলৈ পোৱা যায়।

৯নং প্রশ্নৰ উত্তৰ ঃ শতককাব্য তিনিটা ভাগত ভগোৱা হৈছে।

১। শৃঙ্গাৰমূলক

২। নীতিমূলক

৩। বৈৰাগ্যমূলক

১০নং প্রশ্নৰ উত্তৰ ঃ 'সিন্ধুন'ৰ দ্বাৰা ৰচিত। এই শান্তিশতক পৰৱর্তীকালত ৰচিত শতকসমূহৰ ভিতৰত অন্যতম।

১১নং প্রশ্নৰ উত্তৰ ঃ শৃঙ্গাৰশতক—ভর্ত্তৃহৰি ৰচিত

শৃঙ্গাৰশতক—জনার্দ্দন ভট্ট ৰচিত

শৃঙ্গাৰশতক—নৰহৰি ৰচিত

ৰোমাৱলীশতক—ৰসিকৰঞ্জন ৰচিত ইত্যাদি

১২নং প্রশ্নৰ উত্তৰ ঃ ময়ূৰভট্ট নামৰ কবিয়ে।

১৩নং প্রশ্নৰ উত্তৰ ঃ বাণভট্টই ৰচনা কৰিছিল।



৮.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সংস্কৃত সাহিত্যৰ এখন শতককাব্যৰ বিষয়ে আলোচনা কৰক।

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ শতককাব্যৰ উৎস আৰু লক্ষণৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ ভর্ত্তৃহৰিৰ শতকত্রয়ৰ বিষয়ে লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ 'শতক' শব্দৰ অর্থ কি? শতককাব্য কাক বোলে? শতককাব্য কোনশ্রেণীৰ কাব্য। শতককাব্যৰ ভাগসমূহ কি কি? সংস্কৃত সাহিত্যত থকা শতককাব্যৰ বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ বিজ্ঞান ভিত্তিক সাহিত্য (Scientific Literature) আয়ুর্বেদ, বাস্তুবিদ্যা বা বাস্তুশাস্ত্র

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ আয়ুর্বেদ বা চিকিৎসা শাস্ত্র

৯.৩.১ আয়ুর্বেদ শাস্ত্ৰৰ উদ্দেশ্য আৰু ভাগ

৯.৩.২ আয়ুর্বেদ শাস্ত্ৰৰ উৎস

৯.৩.৩ বিভিন্ন আয়ুর্বেদ শাস্ত্ৰৰ উল্লেখ

৯.৪ বাস্তুশাস্ত্ৰৰ পৰিচয়

৯.৪.১ বাস্তুশাস্ত্ৰৰ উৎস

৯.৪.২ বিভিন্ন বাস্তুশাস্ত্ৰৰ উল্লেখ

৯.৫ শব্দার্থ তালিকা

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্রগতিৰ খাতিয়ান

৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আয়ুর্বেদ শাস্ত্ৰ কাক বোলে তথা ইয়াৰ লক্ষণৰ বিষয়ে জানিব পাৰিব
- আয়ুর্বেদ শাস্ত্ৰৰ অৱতৰণ আৰু উৎসৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন আয়ুর্বেদ শাস্ত্ৰৰ লগত পৰিচয় হ'ব পাৰিব
- 'বাস্তু' শব্দৰ অর্থ জানিব পাৰিব
- বাস্তুশাস্ত্ৰ কাক বোলে আৰু ইয়াৰ উৎসৰ বিষয়ে জানিব পাৰিব
- বাস্তুশাস্ত্ৰৰ অৱতৰণৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন বাস্তুশাস্ত্ৰৰ লগত পৰিচয় হ'ব পাৰিব।

৯.২ পৰিচয়

আগৰ অধ্যায়ত আপুনি শতককাব্যৰ বিষয়ে কিছু আভাস পালে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি আয়ুর্বেদ আৰু বাস্তুবিদ্যাৰ বিষয়ে সবিশেষ জ্ঞান লাভ কৰিব পাৰিব।

আপুনি জানিব পাৰিব যে সংস্কৃত কাব্য, নাটক আদি কাব্যসমূহৰ উপৰিও বিজ্ঞান ভিত্তিক সাহিত্যও কাব্যৰ অন্তর্ভুক্ত। বিজ্ঞানভিত্তিক সাহিত্য হৈছে—

যি সাহিত্যত বিজ্ঞান, শিল্পকলা, জ্যোতির্বিদ্যা, গণিতবিদ্যা, প্রযুক্তিবিদ্যা আদিৰ সন্নিবেশ হয় তাকেই বিজ্ঞানভিত্তিক সাহিত্য বা Scientific Literature বোলা হয়। বিজ্ঞানৰ বিবিধ বিভাগসমূহ হৈছে আয়ুর্বেদ বা চিকিৎসা শাস্ত্র, জ্যোতির্বিদ্যা বা নক্ষত্রবিদ্যা, গণিতবিদ্যা, শিল্প আৰু স্থপতি বা বাস্তুশাস্ত্র ইত্যাদি।

আয়ুর্বেদ শাস্ত্রই 'আয়ু' অর্থাৎ শৰীৰ সম্পর্কীয় জ্ঞান দিয়ে। মানুহে শৰীৰটোক কেনেকৈ নিৰোগী আৰু স্বাস্থ্যবান কৰি ৰাখিব পাৰে সেই সম্পর্কে বিবিধ জ্ঞান দিয়ে।

বাস্তুবিদ্যাৰ পৰিচয় বৈদিক কালতেই পোৱা যায়। বাস্তুবিদ্যাক স্থপতিবিদ্যাও বোলা হয়। দেৱতাসকলৰ প্রধান বাস্তুকাৰ বিশ্বকর্মাই অত্যন্ত সুপৰিকল্পিতভাবে গৃহ নির্মাণ, নগৰ, গাঁও আদি নির্মাণৰ নিয়ম আৰু বিধিনিষেধ আদি 'বিশ্বকর্মাবাস্তুশাস্ত্র'ত লিপিবদ্ধ কৰিছে। প্রাচীন ভাৰতীয় মন্দিৰ, চৈত্য প্রভৃতিৰ নির্মাণত স্থাপত্য আৰু ভাস্কর্যশিল্পৰ পৰাকাষ্ঠা পৰিলক্ষিত হয়।

এতিয়া এই অধ্যায়ত আপুনি আয়ুর্বেদ লক্ষণ, ভাগ, উৎস তথা বিভিন্ন আয়ুর্বেদ শাস্ত্রৰ বিষয়ে জানিব। ইয়াৰোপৰি বাস্তুশাস্ত্রৰ উৎস, লক্ষণ তথা বিভিন্ন বাস্তুশাস্ত্রৰ বিষয়ে জানিব পাৰিব।

৯.৩ আয়ুর্বেদ বা চিকিৎসা শাস্ত্র

এতিয়া আপুনি 'আয়ুর্বেদ' শাস্ত্র কাক বোলে সেই বিষয়ে জানিব পাৰিব—

যি শাস্ত্রৰ দ্বাৰা আয়ুৰ হিত আৰু অহিত তথা ৰোগসমূহৰ লক্ষণ আৰু নিৰাময়ৰ উপায় জানিব পাৰি সেই শাস্ত্রকে পণ্ডিতসকলে আয়ুর্বেদ বুলি অভিহিত কৰিছে। 'আয়ুর্বেদ' শব্দৰ ব্যুৎপত্তি 'চৰকসংহিতা'ত এনেদৰে পোৱা যায়—

হিতাহিতং সুখং দুঃখমায়ুস্তস্য হিতাহিতম্।

মানং চ তচ্চ যত্রোক্তমায়ুর্বেদঃ স উচ্যতে।। (চৰকসংহিতা ১/৪১)

যি শাস্ত্রত হিতময় বা উপকাৰী, অহিতময় বা অপকাৰী, সুখময়, দুঃখময় তথা আয়ুৰ বাবে হিতকৰ আৰু অহিতকৰ দ্রব্য, গুণ, কর্ম আৰু আয়ুৰ প্রমাণ আৰু লক্ষণৰ দ্বাৰা আয়ুৰ বর্ণনা কৰা হয় তাকেই আয়ুর্বেদ বোলে।

৯.৩.১ আয়ুর্বেদ শাস্ত্রৰ উদ্দেশ্য আৰু ভাগ

আয়ুর্বেদ শাস্ত্রৰ বিষয়ে জনাৰ পিছত এতিয়া আপুনি আয়ুর্বেদ শাস্ত্রৰ উদ্দেশ্য আৰু ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

শৰীৰ, ইন্দ্রিয়, মন তথা আত্মাক পৰস্পৰে সংযোগ কৰি ৰখা সময়খিনিক 'আয়ু' বুলি কোৱা হয়।

শৰীৰেন্দ্রিয়সত্বাত্মসংযোগোৰায়ুৰুচ্যতে। —চৰকসংহিতা ১/৪১

এই 'আয়ু' আৰু 'বেদ' (জ্ঞান) অর্থাৎ আয়ুর্বেদ বা আয়ুৰ জ্ঞান লাভ কৰা পৰম পুণ্যজনক বুলি বেদবিদ পুৰুষসকলে কয়। আয়ুর্বেদ শাস্ত্রৰ মূল উদ্দেশ্য হৈছে— সুস্থসকলৰ স্বাস্থ্য অটুত ৰখা আৰু ৰোগাক্রান্তসকলৰ ৰোগ নিৰাময় কৰা।

আয়ুর্বেদৰ মতে মানুহৰ কেৱল কায়িক উৎকর্ষ সাধন হ'লেই স্বাস্থ্যবান হ'ব নোৱাৰে। ইয়াৰ বাবে মানসিক উৎকর্ষ সাধনৰো বিশেষ প্রয়োজন। সেইবাবে মানসিক উৎকর্ষতা লাভৰ বাবে আয়ুর্বেদ গ্রন্থৰ ঠায়ে ঠায়ে সৎবাক্য, সদাচাৰ আদিৰ সন্নিবেশ হৈছে। 'চৰক সংহিতা'ত বর্ণনা কৰা আছে যিদৰে ৰসায়ন ঔষধ সেৱন কৰিলে মানুহৰ বল, পুষ্টি আদি সাধন হৈ মানুহৰ আয়ুস বাঢ়ে সেইদৰে আচাৰ, সদাচাৰ, সৎবাক্য অনুশীলনৰ পৰা মানুহৰ উৎকর্ষ সাধন হয়।

যদিও প্রধানকৈ শৰীৰক আৰোগ্য কৰাৰ বাবে ঔষধ প্রয়োগ কৰা হয়, তথাপি আত্মাই অৱশেষত উপকাৰ পায় বুলি ক'ব লাগিব। আয়ুর্বেদৰ মূল উদ্দেশ্য হৈছে স্বাস্থ্য ৰক্ষাৰ মূলনীতি বহন কৰি ৰখা।

আয়ুর্বেদ শাস্ত্রই মানৱৰ ৰোগ নিবাৰণ কৰাৰ উপৰিও জীৱ-জন্তু আৰু উদ্ভিদৰো নিৰাময়ৰ বিভিন্ন আলোচনা আগবঢ়াইছে।

অর্থাৎ আয়ুর্বেদ শাস্ত্রৰ মূল উদ্দেশ্য হৈছে কেৱল ৰোগ নির্মূল কৰোৱাটোৱেই নহয়, কেনেকৈ ৰোগত পীড়িত নোহোৱাকৈ স্বাস্থ্য ৰক্ষা কৰিব পাৰি।

আয়ুর্বেদ চিকিৎসা শাস্ত্রৰ আঠটা ভাগ আছে, সেয়া হৈছে—

১) শল্যতন্ত্র (Major Surgery)
২) শালাক্য তন্ত্র (Minor Surgery)
৩) কায় চিকিৎসা (Therapeutics)
৪) ভূতবিদ্যা (Demonology)
৫) কৌমাৰভৃত্য তন্ত্র (Paediatrics)
৬) অগদতন্ত্র (Taxicology)
৭) ৰসায়ন তন্ত্র (Elixir)
৮) বাজীকৰণ তন্ত্র (Aphrodisiacs)

উপৰোক্ত ভাগসমূহৰ ওপৰত প্রাচীন আচার্যসকলে ৰোগ নির্ণয় আৰু নিৰাময়ৰ ব্যৱস্থা কৰিছে।

৯.৩.২ আয়ুর্বেদ শাস্ত্রৰ উৎস

আয়ুর্বেদ শাস্ত্রৰ উদ্দেশ্য আৰু ভাগসমূহৰ বিষয়ে জনাৰ পিছত এতিয়া আপুনি আয়ুর্বেদশাস্ত্রৰ উৎস সম্পর্কে জানিব পাৰিব—

ভাৰতবর্ষত অতি প্রাচীন কালৰে পৰা আয়ুর্বেদৰ ব্যাপক অনুশীলন হৈ

আহিছে। অন্যান্য শাস্ত্ৰৰ নিচিনাকৈ এই শাস্ত্ৰবিশাৰদ আচাৰ্যসকলৰ নাম পোৱা যায়— ভৰদ্বাজ, আত্রেয়, অগ্নিবেশ, জাতুকর্ণ, ভেল, হাৰীত, ক্ষাৰপাণি, ধন্বন্তৰি প্রভৃতি। বৈদিক সূৰ্য আৰু ৰুদ্র দেৱতাসকল, অশ্বিনীকুমাৰদ্বয়, ব্রহ্মা, বিষ্ণু, নাৰায়ণ, শিৱ, প্রভৃতি দেৱতাসকল ৰোগনিৰাময়ৰ আধিকাৰিকৰূপে অভিনন্দিত। আনকি চিকিৎসাগ্রন্থৰ প্রণেতাৰূপেও দেৱতাসকলৰ নাম উল্লেখ পোৱা যায়—

১) প্রজাপতি ব্রহ্মাৰ— ব্রহ্মসংহিতা

২) অশ্বিনীকুমাৰদ্বয়ৰ ৰচনাৰূপে প্রচলিত অশ্বিনী কুমাৰ সংহিতা আৰু নাড়ীনিদান

৩) শিৱপ্রণীত 'কৈলাশকাৰক' আৰু 'বৈদ্যৰাজতন্ত্র' নামে দুখন গ্রন্থৰ উল্লেখ পোৱা যায়।

৪) চক্রুপাণিদত্তৰ 'শৈৱসিদ্ধান্ত' নামৰ গ্রন্থৰ উল্লেখ আছে।

৫) ব্রহ্মবৈৱর্ত্তপুৰাণত "চিকিৎসাসাৰতন্ত্র" নামৰ চিকিৎসা শাস্ত্রখন অশ্বিনীকুমাৰদ্বয়ৰ প্রণীত বুলি উল্লেখ আছে। এই পুৰাণতেই 'ভাস্কৰসংহিতা' নামৰ আন এখন গ্রন্থৰ নাম পোৱা যায়।

৬) 'বাহটসংহিতা' নামৰ গ্রন্থখন শিৱপুত্র কার্ত্তিকৰ নামত প্রচলিত।

বিশেষতঃ অথর্ববেদৰ ভৈষজ্যবিদ্যাৰ বহুমন্ত্রত গছ-গছনিৰ প্রয়োগৰ দ্বাৰা ৰোগ নিৰাময়ৰ বিধান আলোচনা কৰা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে ভাৰতত উৎপন্ন হোৱা অসংখ্য গছ-গছনিৰ বিবিধ অংশৰ প্রয়োগ তথা স্বাদ, গন্ধ, ক্রিয়া-বিক্রিয়াৰ দ্বাৰা ব্যাধি নিৰাময়। কালক্রমত অষ্টাঙ্গ আয়ুর্বেদ শাস্ত্র উদ্ভৱ হয় আৰু আয়ুর্বেদসন্মত চিকিৎসা পদ্ধতিৰ ওপৰত বহুগ্রন্থ প্রণীত হয়।

পুৰাণসমূহত আয়ুর্বেদ প্রণেতা আৰু গ্রন্থৰ নাম পোৱা যায়। সেয়া হৈছে—

১) ধন্বন্তৰি প্রণীত— চিকিৎসা 'তত্ত্ববিজ্ঞান'।

২) দিবোদাস প্রণীত— 'চিকিৎসা দর্শন'।

৩) নফুল প্রণীত— 'বৈদ্যকসর্বস্ব'।

৪) কাশীৰাজ প্রণীত— 'চিকিৎসা কৌমুদী'।

প্রাচীন আচাৰ্যসকলৰ মতামত সংৰক্ষণৰ উদ্দেশ্যে পৰৱর্তীকালত একাধিক সঙ্কলন গ্রন্থৰ উদ্ভৱ হয়।

৯.৩.৩ বিভিন্ন আয়ুর্বেদ শাস্ত্ৰৰ উল্লেখ

আয়ুর্বেদ শাস্ত্র উৎসৰ পিছত এতিয়া আপুনি বিভিন্ন আয়ুর্বেদ শাস্ত্ৰৰ বিষয়ে জানিব পাৰিব—

আটাইতকৈ প্রাচীন আৰু সমৃদ্ধ সংকলন হৈছে— 'চৰকসংহিতা'। এই গ্রন্থ চৰকৰ দ্বাৰা সংকলিত, আনুমানিক প্রথম শতিকা। ইয়াৰ পাছতে 'সুশ্রুত সংহিতা'

(সুশ্রুতৰ দ্বাৰা সংকলিত, আনুমানিক খ্ৰীষ্টাব্দ ৫ম আৰু ৬ষ্ঠ শতিকা)। কায় চিকিৎসাৰ প্ৰাচীন আচাৰ্য আত্ৰেয়। তেওঁৰ প্ৰৱৰ্ত্তিত চিকিৎসা পদ্ধতিত অভিজ্ঞ ছয়জন শিষ্য হৈছে— অগ্নিবেশ, ভেল, জাতুকৰ্ণ, পৰাশৰ, ক্ষাৰপাণি আৰু হাৰীত। এই শিষ্যসকলে প্ৰত্যেকেই নিজ নিজ নামেৰে পৃথকে সংহিতা ৰচনা কৰিছিল। কিন্তু সেই গ্ৰন্থসমূহ বৰ্তমান লুপ্ত।

১) **চৰকসংহিতা ঃ** অগ্নিবেশ ৰচিত সংহিতাৰ বিশুদ্ধ সংস্কৰণ হৈছে 'চৰকসংহিতা'। গ্ৰন্থখন শাস্ত্ৰবিধি অনুসাৰে ৰচিত। চৰকে প্ৰাচীন অগ্নিবেশৰ তন্ত্ৰক সংকলন কৰিছে। গ্ৰন্থখনৰ কোনো কোনো অংশত আত্ৰেয় আৰু অগ্নিবেশ যথাক্ৰমে বক্তা আৰু শ্ৰোতাৰূপে উপস্থাপিত হৈছে। মহাত্মা চৰকৰ সম্পৰ্কে এই গ্ৰন্থত কোনো তথ্য পোৱা নাযায়। মূল 'চৰকসংহিতা' চৰকৰ পৰৱৰ্ত্তী কপিলৰ পুত্ৰ দৃঢ়বলে সমাপ্ত কৰিছে। এই গ্ৰন্থৰ আঠটা ভাগ আছে। যেনে— ১) সূত্ৰস্থান, ২) নিদানস্থান, ৩) বিমানস্থান, ৪) শৰীৰস্থান, ৫) ইন্দ্ৰিয়স্থান, ৬) চিকিৎসাস্থান, ৭) কল্পস্থান, ৮) সিদ্ধিস্থান।

উক্ত প্ৰতিভাগৰে বিষয়বস্তুসমূহ হৈছে—

১) **সূত্ৰস্থান ঃ** সূত্ৰস্থানত খনিজ, উদ্ভিদ, প্ৰাণীজ এই প্ৰকাৰে দ্ৰব্য বিশ্লেষণ হৈছে। উদ্ভিদ— বনস্পতি, বৃক্ষ, বীৰুধ আৰু ঔষধি। প্ৰাণীজভেদে— জৰায়ুজ, অণ্ডজ, স্বেদজ। খনিজ আৰু উদ্ভিজ্জ দ্ৰব্যসমূহ ৰোগনিৰাময়ৰ কাৰণে প্ৰয়োগ কৰা হৈছে। আৰু ইয়াৰ নানা ক্ৰিয়া-প্ৰতিক্ৰিয়া আলোচিত হৈছে। প্ৰাণীজ বস্তুৰ জন্ম, প্ৰকৃতি, অৱস্থান তথা জীৱন্ত আৰু মৃত অৱস্থাত সেইবোৰৰ বিক্ৰিয়া আদি আলোচিত হৈছে।

২) **নিদানস্থান ঃ** নিদানস্থানত বিভিন্ন প্ৰকাৰৰ ৰোগৰ আলোচনা, ৰোগৰ মুখ্য আৰু গৌণকাৰণ, সংক্ৰমণ, প্ৰসাৰ, পৰিবৰ্তন প্ৰভৃতিৰ বিশদ বৰ্ণনা আছে।

৩) **বিমানস্থান ঃ** বিজ্ঞানস্থান মানৱদেহ আৰু মনস্তত্ত্বৰ আলোচনা, ভৌতিক দেহৰ উপাদান, মনৰ স্বৰূপ, পৰিবেশ, প্ৰকৃতি প্ৰভৃতিৰ ওপৰত দেহ আৰু মনৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া ইত্যাদিৰ আলোচনা আছে।

৪) **শৰীৰস্থান ঃ** শৰীৰস্থানত মানৱদেহৰ অঙ্গ-প্ৰত্যঙ্গৰ বিৱৰণ আৰু বৈশিষ্ট্য উল্লেখ কৰা হৈছে।

৫) **ইন্দ্ৰিয়স্থান ঃ** মানৱদেহ আৰু মনৰ লক্ষণ বিচাৰ কৰি ভৱিষ্যতৰ ব্যাধি বিষয়ক আশঙ্কা আৰু তাৰ ফল এই ইন্দ্ৰিয়স্থানত উল্লেখ কৰা হৈছে।

৬) **চিকিৎসাস্থান ঃ** মানৱ শৰীৰৰ বিবিধ ৰোগ, তাৰ উপশম, ভৈষজ্য চিকিৎসাৰ উপাদান, প্ৰস্তুত প্ৰণালী, ভৈষজ্য আৰু ধাতৰ উপাদানৰ মিশ্ৰণ ইত্যাদিৰ বিৱৰণ এই চিকিৎসাস্থানত পোৱা যায়।

৭-৮) **কল্পস্থান আৰু সিদ্ধিস্থান ঃ** চিকিৎসকৰ কৰ্ত্তব্য আৰু দায়িত্বৰ বিষয়ে আলোচনা সন্নিবিষ্ট আছে।

অগ্নিবেশ ৰচিত চৰকৰ দ্বাৰা সংকলিত চৰকসংহিতা কায়চিকিৎসাৰ শ্ৰেষ্ঠ গ্ৰন্থ। ই হৈছে প্ৰাচীন ভাৰতীয় চিকিৎসা শাস্ত্ৰৰ তত্ত্বদৰ্শন, ৰোগ আৰু আৰোগ্যবিষয়ক সম্পূৰ্ণ অনবদ্য ৰচনা। এই গ্ৰন্থৰ ওপৰত ভালেমান টীকা গ্ৰন্থ ৰচিত হৈছে—

ভট্টাৰহৰিচন্দ্ৰকৃত— 'চৰকন্যাস' (খ্ৰী-ষষ্ঠ শতিকা)

আষাঢ়বৰ্মাকৃত— 'পৰিহাৰ কৰ্তিকা (খ্ৰী-নৱম শতিকা)

চক্ৰপাণিদত্তৰ— 'আয়ুৰ্বেদদীপিকা' খ্ৰী. ১১শ শতিকা ইত্যাদিয়েই প্ৰধান।

২) **সুশ্ৰুতসংহিতা ঃ** শল্য চিকিৎসা পদ্ধতিৰ প্ৰৱৰ্ত্তক ধন্বন্তৰিৰ ৰচিত গ্ৰন্থক কাশীৰাজ দিবোদাসৰ শিষ্য সুশ্ৰুত 'সুশ্ৰুতসংহিতা'ৰ সংকলন। পৰৱৰ্তী কালত নাগাৰ্জুনৰ হাতত পৰিমাৰ্জিত আৰু সংশোধিত সংকলনটোৱেই বৰ্তমানৰ সুশ্ৰুতসংহিতা। এই গ্ৰন্থৰ ছটা অধ্যায় আছে—

১) সূত্ৰস্থান ঃ শল্য চিকিৎসাবিষয়ক শব্দাৱলীৰ অৰ্থ আৰু ভেষজৰ শ্ৰেণীভাগ।

২) নিদানস্থান ঃ ৰোগৰ কাৰণ আৰু লক্ষণ নিৰ্ণয়।

৩) শৰীৰস্থান ঃ মানৱদেহৰ বিৱৰণ আৰু ভ্ৰূণতত্ত্ব।

৪) চিকিৎসাস্থান ঃ ৰোগৰ চিকিৎসা পদ্ধতি।

৫) কল্পস্থান— বিবিধ বিষ, তাৰ প্ৰতিক্ৰিয়া আৰু চিকিৎসা।

৬) উত্তৰতন্ত্ৰ— পৰৱৰ্তী কালত এই অংশত বিবিধ বিষয় সংযোজিত।

সুশ্ৰুতসংহিতাৰ ওপৰত বহুতো টীকা গ্ৰন্থ ৰচিত হৈছে। ইয়াৰ ভিতৰত প্ৰাচীনতম টীকা জৈয়ট আৰু গয়াদাসৰ অধিক প্ৰসিদ্ধ। চক্ৰপাণিদত্তকৃত টীকাৰ নাম 'ভানুমতী'। খ্ৰীঃ ৮ম শতাব্দীত সুশ্ৰুতসংহিতা আৰবী ভাষালৈ অনুবাদ হয়।

সুশ্ৰুতে গ্ৰন্থৰ আৰম্ভণিতে চিকিৎসাবিদ্যা অৰ্জন কৰিবলৈ ওলোৱা ছাত্ৰসকলক বৈদিক উপনয়নৰ দৰে ধৰ্মীয় অনুষ্ঠান কৰিহে বিদ্যা অৰ্জন কৰিবলৈ আগবাঢ়িব লগে বুলি কৈছে। তাৰোপৰি কোৱা হৈছে যে চিকিৎসকসকলে সৎলোক, বন্ধু, চুবুৰীয়া, বিধবা, অনাথ, দুখীয়া, পৰ্যটক আদিক চিকিৎসা কৰিব লাগে বুলি কৈছে। আনহাতে, চিকাৰী, সমাজৰ পৰা বহিস্কাৰ কৰা লোক আৰু পাপীক চিকিৎসা কৰিব নালাগে বুলি কৈছে।

৩) **অষ্টাঙ্গহৃদয়, অষ্টাঙ্গসংগ্ৰহ ঃ** চৰক আৰু সুশ্ৰুতৰ পিছত বাগ্‌ভট্ট নামৰ দুজন প্ৰসিদ্ধ আয়ুৰ্বেদবিদৰ নাম পোৱা যায়। উভয়েই বৌদ্ধ আৰু সম্ভৱতঃ পিতা-পুত্ৰ। প্ৰথম বা বৃদ্ধ বাগ্‌ভট (খ্ৰী. ৬ষ্ঠ শতিকা) সিংহগুপ্তৰ পুত্ৰ তথা বৌদ্ধ

অৱলোকিতৰ শিষ্য আৰু গদ্য-পদ্যময় অষ্টাঙ্গহৃদয় গ্ৰন্থৰ প্ৰণেতা। দ্বিতীয় বাগ্‌ভট্ট প্ৰণীত গ্ৰন্থৰ নাম 'অষ্টাঙ্গসংগ্ৰহ'। অষ্টাঙ্গহৃদয় গ্ৰন্থৰ ওপৰত ৰচনা কৰা টীকাসমূহৰ ভিতৰত দুখন টীকা প্ৰসিদ্ধ।

ভগৱান বুদ্ধৰ সমসাময়িক তথা ৰজা বিম্বিসাৰৰ চিকিৎসক জীৱক কায় আৰু শল্যচিকিৎসাত দক্ষতা অৰ্জন কৰি প্ৰসিদ্ধি লাভ কৰে। বৌদ্ধ পৰম্পৰাৰ পৰা জনা যায় যে জীৱকে 'কৌমাৰভৃত্য' অৰ্থাৎ শিশুৰোগ বিশেষজ্ঞ হিচাবে খ্যাতি লাভ কৰিছিল। প্ৰখ্যাত বৌদ্ধ আচাৰ্য মহামতি নাগাৰ্জুন চিকিৎসা শাস্ত্ৰত সুপণ্ডিত আছিল। তেওঁ প্ৰৱৰ্ত্তিত চিকিৎসাপদ্ধতি 'ৰসবৈদ্যসম্প্ৰদায়' বা 'সিদ্ধসম্প্ৰদায়' নামে প্ৰসিদ্ধ আছিল। এই চিকিৎসাৰ প্ৰধান বৈশিষ্ট্য হ'ল— ঔষধত লোহা, পাৰদ প্ৰভৃতি ধাতুৰ মিশ্ৰণ।

শৰীৰতত্ত্বৰ চৰ্চ্চা অতিশয় সীমিত আছিল। এই সম্পৰ্কে 'শৰীৰ-পদ্মিনী' নামেৰে এখন মাত্ৰ গ্ৰন্থ পোৱা যায়। ইয়াৰ ৰচয়িতা ভাস্কৰ ভট্ট।

নিদান বিষয়ত দুখন শাস্ত্ৰ পোৱা যায়, তাৰে ভিতৰত মাধৱ প্ৰণীত 'ৰোগবিনিশ্চয়' বা মাধৱনিদান। গ্ৰন্থখন ৭ম শতিকাত ৰচিত হয় আৰু ৮ম শতিকাত আৰৱী ভাষালৈ অনুবাদ হয়। এই বিষয়ত ধন্বন্তৰি প্ৰণীত 'চিকিৎসা-সংগ্ৰহ' আৰু গণনাথ সেনৰ ৰচিত 'সিদ্ধান নিদান' নামৰ অন্য দুখন গ্ৰন্থও পোৱা যায়।

ভৈষজতত্ত্বৰ ওপৰত মধ্যযুগত দুখন গ্ৰন্থ চৰিত হয়। এখন হৈছে চক্ৰপাণি দত্ত প্ৰণীত 'দ্ৰব্য গুণ সংগ্ৰহ' আৰু আনখন ৰাজবল্লভৰ 'দ্ৰব্যগুণ'।

কায়চিকিৎসা ঃ অষ্টাঙ্গ চিকিৎসাৰ অন্যতম এই শাখাৰ আলোচ্য বিষয় হৈছে শাৰীৰিক ব্যাধিৰ যেনে— জ্বৰ, অতিসাৰ, কুষ্ঠ, মেহ প্ৰভৃতিৰ উপশমার্থে চিকিৎসা। এই কায়চিকিৎসাৰ গ্ৰন্থসমূহ মধ্যযুগৰ। নাগাৰ্জুনৰ ৰচিত 'যোগশতক' বা 'যোগসাৰ', চক্ৰপাণিদত্তকৃত চিকিৎসা 'সাৰসংগ্ৰহ', বঙ্গসেনকৃত 'চিকিৎসাসাৰ সংগ্ৰহ' (খ্ৰীঃ ১২শ শতিকা), শাৰ্ঙ্গধৰকৃত 'সাৰ্ঙ্গধৰ সংহিতা' (খ্ৰীঃ ১৪শ শতিকা), ভাৱমল্লৰ ৰচিত ভাৱপ্ৰকাশ (খ্ৰীঃ ১৬শ শতিকা), লোলিম্ব ৰাজৰ প্ৰণীত 'বৈদ্য জীৱন' এই বিষয়ৰ উল্লেখযোগ্য গ্ৰন্থ।

কায়চিকিৎসা পদ্ধতিত বনৌষধিৰ উপৰিও ৰসৌষধিৰ প্ৰয়োগ সম্পৰ্কে চৰ্চা কৰা হৈছে। ৰসৌষধি পদ্ধতিৰ প্ৰাচীন আচাৰ্য বৌদ্ধ নাগাৰ্জুন।

কৌমাৰভৃত্য ঃ 'কুমাৰ' শব্দৰ অৰ্থ সদ্যোজাত বা অল্পবয়স্ক শিশু। কৌমাৰভৃত্যৰ ওপৰত ২খন গ্ৰন্থ পোৱা যায়—

১) কুমাৰভৃত্য (জনৈক ৰাৱণৰ ৰচনাৰূপে জনা যায়।)

২) বালচিকিৎসা (লেখক অজ্ঞাত, মধ্যযুগৰ গ্ৰন্থ)

নাড়ীবিজ্ঞান ঃ প্ৰাচীন ভাৰতীয় আয়ুর্বেদ পদ্ধতিৰ অন্যতম বৈশিষ্ট্য হৈছে নাড়ী

পৰীক্ষাৰ দ্বাৰা ৰোগনির্ণয়। এই শাখাৰ নিম্নোক্ত গ্রন্থসমূহ পোৱা যায়—

১) কণাদ প্রণীত 'নাড়ী বিজ্ঞান'

২) ৰাৱণ প্রণীত 'নাড়ী পৰীক্ষা'

৩) গঙ্গাধৰ কবিৰাজ প্রণীত 'নাড়ী পৰীক্ষা'

৪) শঙ্কৰসেন প্রণীত 'নাড়ী পৰীক্ষা

৫) গোৰিন্দৰাম প্রণীত 'নাড়ী পৰীক্ষা'

৬) ৰামচন্দ্র সোমযাজীৰ 'নাড়ী পৰীক্ষা'

পশু চিকিৎসা ঃ মানৱ শৰীৰৰ ৰোগ নির্ণয় আৰু নিৰাময়ৰ উপৰিও অতি প্রাচীন কালৰে পৰা পশু চিকিৎসাৰ চর্চ্চা হৈছিল। ৰজাসকলৰ সামৰিক ব্যৱস্থাত সেনাবাহিনীৰ তিনিটা প্রধান ভাগ আছিল— পদাতিক, হস্তীবাহিনী আৰু অশ্ববাহিনী। সেইকাৰণে যুদ্ধত ব্যৱহাৰ কৰা হাতী আৰু ঘোঁৰাৰ চিকিৎসাৰ বিশেষ প্রয়োজন আছিল। পশুচিকিৎসাৰ তিনিটা শাখা— হস্তীচিকিৎসা, অশ্বচিকিৎসা, গবাদিপশুচিকিৎসা। পুৰাণাদিত তিনিজন প্রসিদ্ধ পশুচিকিৎসকৰ নাম পোৱা যায়। শালিহোত্র, নকুল আৰু পালকাপ্য।

পালকাপ্য প্রাচীন ব্যক্তি। তেওঁ পুৰাণপ্রসিদ্ধ ৰোমপাদ ৰজাৰ সমসাময়িক। কিন্তু মূল ৰচনা বর্তমান লুপ্ত। কিন্তু এই ৰচনাক অৱলম্বন কৰি মধ্যযুগত কোনো অজ্ঞাতনামা ব্যক্তিৰ ৰচিত গজায়ুর্বেদ বা গজশাস্ত্র পালকাপ্যৰ নামেৰেই পৰিচিত হয়। পশুচিকিৎসা বিষয়ক অন্যান্য গ্রন্থ—

১) নীলকণ্ঠ আৰু নাৰায়ণৰ ৰচিত— 'মাতঙ্গলীলা'

২) নাৰায়ণ দীক্ষিত ৰচিত— গজগ্রহণপ্রকাৰ।

অশ্বচিকিৎসাৰ প্রাচীন আচার্য শালিহোত্র। অমৰকোষৰ টীকাকাৰ ৰঘুনাথ চক্রৱর্তীয়ে তেওঁৰ টীকাত (অমৰকাব্যৰ টীকাত) শালিহোত্র প্রণীত গ্রন্থৰ পৰা উদ্ধৃতি দিছে। বর্তমান মূল গ্রন্থখন লুপ্ত। গজায়ুর্বেদ শাস্ত্রত অশ্বচিকিৎসাৰ উপৰিও বিভিন্ন বিষয় অন্তর্ভুক্ত হৈছে। অশ্বচিকিৎসা সম্পর্কে নিম্নলিখিত গ্রন্থসমূহ উল্লেখযোগ্য। (পৃষ্ঠা ৫৬১)

১) অশ্বশাস্ত্র

২) অশ্বতন্ত্র

৩) অশ্বচিকিৎসা

৪) অশ্বায়ুর্বেদ

৫) হয়লীলাৱতী

৬) অশ্ববৈদ্যক— জয়দত্তসুৰি

৭) অশ্বলক্ষণ শাস্ত্র

৮) তুৰগ পৰীক্ষা (শাৰ্ঙ্গধৰ প্ৰণীত)

চিকিৎসা শাস্ত্ৰৰ ওপৰত লিখা কেবাখনো অভিধান গ্ৰন্থ আছে। তাৰে ভিতৰত অজ্ঞাতকালীন 'ধন্বন্তৰীয়নিঘণ্টু', ১১শ শতিকাৰ সুৰেশ্বৰৰ 'শব্দপ্ৰদীপ', ১৩ শতিকাৰ নৰহৰিৰ 'ৰাজনিঘণ্টু' ইত্যাদি।

গছ-গছনিৰ ৰোগ নিৰাময়ৰ ওপৰত প্ৰাচীন আচাৰ্যসকলে অনেক গ্ৰন্থ ৰচনা কৰিছিল। তাৰ ভিতৰত সুৰপালৰ 'বৃক্ষায়ুর্বেদ' ৮ম শতিকাত ৰচিত হয়। উক্ত গ্ৰন্থত বৃক্ষৰ চিকিৎসা পদ্ধতি আৰু ঔষধাদি প্ৰয়োগৰ বিৱৰণ আছে।

উপৰোক্ত আয়ুর্বেদ শাস্ত্ৰসমূহৰ উপৰিও পৰৱৰ্ত্তীকালত ভালেমান আয়ুর্বেদ শাস্ত্ৰ ৰচিত হয়।



জানি থোৱা ভাল

বিজ্ঞানভিত্তিক সাহিত্যৰ ভিতৰত আয়ুর্বেদ অন্যতম। যদিও ঋগ্বেদ, যজুর্বেদ আদিত মানুহৰ ৰোগৰ চিকিৎসাৰ সম্পৰ্কে কিছু উল্লেখ পোৱা যায়। তথাপিও চিকিৎসাশাস্ত্ৰ সম্পৰ্কে বিস্তাৰিতভাৱে ভাৰতীয় সাহিত্যৰ ভিতৰত অথর্ববেদতেই আমি প্ৰথম নিদৰ্শন পাওঁ। ভৰদ্বাজ, আত্ৰেয়, কাশ্যপ, হাৰীত, অগ্নিবেশ ভেল আছিল প্ৰাচীন আয়ুর্বেদ শাস্ত্ৰৰ আচাৰ্য। এই ঋষিসকলে নিজ নিজ নামত আয়ুর্বেদশাস্ত্ৰ ৰচনা কৰে। এইসকলৰ ভিতৰত আত্ৰেয় ঋষিক আয়ুর্বেদ বিজ্ঞানৰ প্ৰতিষ্ঠাতা বুলি ঘোষণা কৰা হয়। মহামতি কৌটিল্যয়ো আয়ুর্বেদ সম্পৰ্কে কিছু কথা অর্থশাস্ত্ৰত উল্লেখ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ আয়ুর্বেদশাস্ত্ৰ নিদৰ্শন কোনখন বেদত পোৱা যায়?

.....

প্ৰশ্ন নং ২ঃ আয়ুর্বেদ শাস্ত্ৰৰ প্ৰধান অঙ্গ কেইটা?

.....

প্ৰশ্ন নং ৩ঃ চৰকে সংকলন কৰা আয়ুর্বেদ শাস্ত্ৰখন কাৰ ৰচনা?

.....

প্ৰশ্ন নং ৪ঃ চৰকৰ সংকলিত শাস্ত্ৰখন কোনে সমাপ্তি কৰিছে?

.....

প্ৰশ্ন নং ৫ঃ নাগার্জুনৰ ৰচিত আয়ুর্বেদশাস্ত্ৰখনৰ নাম কি?

.....

প্ৰশ্ন নং ৬ঃ 'অষ্টাঙ্গ' হৃদয় সংগ্ৰহ' কাৰ ৰচনা?

.....

প্রশ্ন নং ৭ঃ দুখন অশ্বায়ুর্বেদৰ নাম লিখক।

.....

৯.৪ বাস্তুশাস্ত্র/বাস্তুবিদ্যাৰ পৰিচয়

আয়ুর্বেদ শাস্ত্রৰ পিছত আপুনি এতিয়া বাস্তুশাস্ত্র বা বাস্তুবিদ্যাৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ বিজ্ঞানভিত্তিক সাহিত্যসমূহৰ ভিতৰত বাস্তুবিদ্যা অন্যতম। বাস্তুবিদ্যাক ইংৰাজীত Architecture বুলি জনা যায়। যি শাস্ত্রত গৃহ নির্মাণ বিষয়ক বিভিন্ন নিয়মসমূহৰ উল্লেখ থাকে তাকে বাস্তুবিদ্যা বোলে।

প্রাচীন আৰু মধ্যযুগত হিন্দু, বৌদ্ধ, জৈন তথা ইচ্লাম ধর্মৰ ৰাজন্যবর্গৰ বৃত্তিভোগী কলাবিদসকলে স্থাপত্য আৰু ভাস্কর্যশিল্পত উৎকৃষ্ট শিল্পকর্মৰ ভাণ্ডাৰ গঢ়ি তুলিছিল। শিল্পশাস্ত্রৰ প্রধান আলোচ্য বিষয়সমূহ হ'ল— চিত্রকলা (Painting), মূর্ত্তিশিল্প (Iconography), বাস্তুবিদ্যা (Civi Engineering), ভাস্কর্য (Sculpture) আৰু স্থাপত্য (Architecture)।

শিল্পশাস্ত্র বা বাস্তুবিদ্যা হৈছে বিভিন্ন প্রকাৰৰ গৃহ আদিৰ নির্মাণ পদ্ধতি তথা তেনে গৃহসমূহৰ সুফল-কুফল আদি বিষয়ক আলোচনা কৰা শাস্ত্র। প্রাচীনকালৰ পৰা ভাৰতবর্ষত বাস্তুবিদ্যাই উৎকর্ষ সাধন কৰি আহিছে। বিধিসন্মতভাৱে য'ত গৃহনির্মাণ হয়, তেনে গৃহক— মঙ্গলদায়ক বুলি কোৱা হয়। 'বাস্তু' শব্দৰ অর্থ হৈছে 'নিবাস কৰা'। শিৱপুৰাণৰ কাহিনী অনুসাৰে ভগৱান শিৱই অন্ধকাসুৰক বধ কৰোঁতে শিৱৰ কপালৰ ঘাম মাটিত পৰিছিল। তেতিয়া সেই ঘামৰ টোপালৰ পৰা এটা বিৰাটাকৃতিৰ পুৰুষৰ আৱির্ভাৱ হয়। কঠোৰ তপস্যা কৰি তিনিওলোককে গ্রাস কৰাৰ বাবে শিৱৰ পৰা বৰ লাভ কৰে। শিৱৰ পৰা বৰ লাভ কৰি সেই বিৰাটাকৃতিৰ পুৰুষে তিনিওলোকক অৱৰুদ্ধ কৰে। তেতিয়া ব্রহ্মাই অভিহিত কৰা বাস্তুপুৰুষক ব্রহ্মাৰ কথামতে দেৱতাসকলে সেইপুৰুষক তললৈ মূৰ কৰি পৃথিৱীত পেলাই দিওতে দেৱতাসকলে যি যি অঙ্গত ধৰিছিল তাতেই তেওঁলোকে নিবাস কৰিলে। দেৱতাসকলে নিবাস কৰা বাবে 'বাস্তু' অর্থাৎ নিবাস নামেৰে প্রসিদ্ধ হ'ল। (ভৱনভাস্কৰ- পৃ. ৯/ গীতা প্রেছ)

৯.৪.১ বাস্তুশাস্ত্রৰ উৎস

আপুনি এতিয়া বাস্তুশাস্ত্রৰ উৎস সম্পর্কে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ পুৰাণসমূহ ভাৰতীয় সাহিত্যশিল্প সংস্কৃতিৰ আকৰ গ্রন্থ। ভাৰতীয় বিদ্যাৰ বিবিধ শাখাৰ অনুশীলিত জ্ঞান-বিজ্ঞানৰ অৱদান পুৰাণসমূহতে পোৱা যায়। বাস্তুশাস্ত্রৰো প্রধান উৎস হ'ল পুৰাণসমূহ। ঋগ্বেদৰ যুগৰ পৰা আৰম্ভ কৰি ব্রাহ্মণ, উপনিষদসমূহতো বাস্তুশাস্ত্রৰ অধ্যয়নৰ কথা পোৱা যায়। ছান্দোগ্য উপনিষদত কোৱা হৈছে সনৎকুমাৰৰ ওচৰত নাৰদে বিভিন্ন শাস্ত্র অধ্যয়নৰ লগতে বাস্তুশাস্ত্রৰো অধ্যয়ন কৰিছিল। বৌদ্ধ আৰু জৈনসকলৰ বাস্তুশাস্ত্রৰ উন্নতিত যথেষ্ট অৱদান আছে। দক্ষিণ ভাৰতৰ মন্দিৰ,

স্তূপ, বিহাৰ, চৈত্য আদিয়ে প্ৰাচীন ভাৰতৰ বিখ্যাত গৃহনিৰ্মাণ কৰোঁতাসকলৰ বুদ্ধিমত্তা আৰু নৈতিক উৎকৰ্ষ সাধনৰ পৰিচয় দিয়ে।

৯.৪.২ বিভিন্ন বাস্তুশাস্ত্ৰৰ উল্লেখ

এতিয়া আপুনি বিভিন্ন বাস্তুশাস্ত্ৰৰ বিষয়ে জানিব পাৰিব—

বাস্তুশাস্ত্ৰৰ প্ৰাচীন আচাৰ্যৰূপে বিষ্ণু, সনৎ কুমাৰ, বিশ্বকৰ্মা, কাশ্যপ, ময় প্ৰভৃতিৰ নাম পোৱা যায়। অনুমান হয় বাস্তুশাস্ত্ৰৰ ওপৰত ৫০ খনতকৈয়ো অধিক গ্ৰন্থ ৰচিত হৈছিল। কিন্তু সকলো গ্ৰন্থ বৰ্তমানে পোৱা নাযায়। যেনে— ৰেখাচিত্ৰ বা অঙ্কণশাস্ত্ৰ বিষয়ক গ্ৰন্থ ৰেখাৰ্ণৱ, বাস্তুহৃদয়, সুখদানন্দবাস্তু, কলাকোষ; শয়ণশাস্ত্ৰ, প্ৰভৃতি গ্ৰন্থৰ নাম পোৱা যায়।

প্ৰধান প্ৰধান ৰচনাসমূহ হ'ল—

১) বাস্তুবিদ্যা

২) মনুষ্যালয়চন্দ্ৰিকা

৩) শ্ৰীজ্ঞানৰত্নকোষ

৪) ময়মতম্ (প্ৰাচীন আচাৰ্য ময়ৰ নামত প্ৰচলিত)

৫) অপৰাজিতা পৃচ্ছা

৬) প্ৰাসাদমঞ্জৰী

৭) বাস্তুমঞ্জৰী (শ্ৰীনাথৰ ৰচিত)

৮) প্ৰাসাদমণ্ডল (মণ্ডন ৰচিত, খ্ৰী. ১৫শ শতিকা)

৯) বাস্তুকৰ্ম বা বাস্তুশাস্ত্ৰ

১০) কাশ্যপসংহিতা (কাশ্যপৰ নামত প্ৰচলিত)

১১) কাশ্যপশিল্পশাস্ত্ৰ (কাশ্যপৰ নামত প্ৰচলিত)

১২) শিল্পৰত্ন (শ্ৰীকুমাৰ ৰচিত)

১৩) নাৰদ শিল্পশাস্ত্ৰ (নাৰদৰ নামত প্ৰচলিত)

১৪) প্ৰতিমালক্ষণ

১৫) দেৱতামূৰ্ত্তিপ্ৰকৰণ

১৬) ৰূপমণ্ডল (মণ্ডল ৰচিত)

১৭) বুদ্ধ প্ৰতিমালক্ষণ (ইয়াৰ টীকা-সম্বুদ্ধ-ভাষিত-প্ৰতিমালক্ষণ বিৱৰণী)

১৮) নগ্নজিৎ-চিত্ৰলক্ষণ (মৎস্যপুৰাণত ইয়াৰ উল্লেখ পোৱা যায়)

১৯) বিষ্ণুধর্মোত্তৰ পুৰাণ (শিল্পকলা বিষয়ক আলোচনা অন্তর্ভুক্ত)

বাস্তুশাস্ত্রবিষয়ক আন এখন গ্রন্থ হৈছে— ভোজদেৱৰ ৰচিত 'সমৰাঙ্গন সূত্রধাৰ'। গ্রন্থখনত মুঠ ৩৩টা পৰিচ্ছেদ আছে আৰু দুটা খণ্ডত বিভক্ত। গৃহনির্মাণৰ নিয়মসমূহৰ উপৰিও যন্ত্রনির্মাণৰ কৌশল 'যন্ত্রবিধান' নামৰ অধ্যায়ত বর্ণিত আছে। এই গ্রন্থৰ প্রধান বিষয়বস্তু হ'ল— নগৰ নির্মাণ, প্রাসাদ নির্মাণ আৰু বিভিন্ন ধৰণৰ অট্টালিকা নির্মাণৰ কথা বর্ণনা কৰা আছে।

'শিল্পৰত্নম্' মহামহোপাধ্যায় গণপতিশাস্ত্রীৰ দ্বাৰা ১৯২২ খ্রীষ্টাব্দত ৰচিত হয়। গ্রন্থখন দুটা খণ্ডত বিভক্ত। প্রথমখণ্ডৰ ৪৬টা অধ্যায়ত স্থাপতি বিদ্যা আৰু দ্বিতীয় খণ্ডৰ ৩৫টা অধ্যায়ত প্রতিমা নির্মাণ পদ্ধতিৰ আলোচনা আছে।

'যুক্তিকল্পতৰু'ৰ ৰচক ঈশ্বৰ চন্দ্রশাস্ত্রী। এই গ্রন্থৰ ২৩নং অধ্যায়ত বাস্তুনির্মাণৰ বিষয়সমূহ আলোচিত হৈছে।

ৰৰাহমিহিৰৰ ৰচিত 'বৃহৎসংহিতা' গ্রন্থৰ ৫৩নং অধ্যায়ত বাস্তুবিদ্যা আৰু ৫৬নং অধ্যায়ত প্রাসাদ লক্ষণ বর্ণিত আছে।

'মনুষ্যালয়চন্দ্রিকা' গ্রন্থখন গণপতি শাস্ত্রীৰ দ্বাৰা ১৯১৭ খ্রীষ্টাব্দত প্রকাশিত। গ্রন্থখনৰ সাতটা অধ্যায়ত গৃহনির্মাণৰ পদ্ধতি বর্ণিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ প্রাচীন ভাৰতবর্ষত ৰচিত হোৱা কেইখনমান বাস্তুশাস্ত্রৰ নাম লিখক।

.....

প্রশ্ন নং ৯ঃ 'বাস্তু' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ১০ঃ 'সমৰাঙ্গনসূত্রধাৰ' গ্রন্থখনৰ ৰচয়িতা কোন আৰু ইয়াত কেইটা পৰিচ্ছেদ আছে?

.....

প্রশ্ন নং ১১ঃ 'শিল্পৰত্নম্' গ্রন্থৰ ৰচক কোন?

.....

প্রশ্ন নং ১২ঃ 'যুক্তিকল্পতৰু' গ্রন্থত কেইটা অধ্যায় আছে?

.....



জানি থোৱা ভাল

প্রাচীন ভাৰতত স্থাপত্যবিদ্যা বা বাস্তুশাস্ত্ৰৰ চর্চ্চা হৈছিল। এই শাস্ত্ৰৰ ওপৰত অনেক গ্ৰন্থ ৰচিত হৈছিল। স্থপতিবিদ্যাৰ প্ৰধান উৎস হৈছে পু�ৰাণসমূহ। অধিকাংশ বাস্তুশাস্ত্ৰ খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পিছত ৰচিত। বাস্তুশাস্ত্ৰসমূহক প্ৰধানভাৱে তিনিভাগত বিভক্ত কৰিব পাৰি— ১) বাস্তুশাস্ত্ৰ, ২) শিল্পশাস্ত্ৰ বা মূৰ্ত্তিগঠন, ৩) চিত্ৰশাস্ত্ৰ।

৯.৫ শব্দার্থ তালিকা

আয়ুর্বেদ ঃ বেদসমূহৰ ভিতৰত অন্তিম বেদ

ৰসায়ন ঃ ৰোগ নাশ আৰু দীর্ঘজীৱী কৰা ঔষধ বিশেষ। (হেমকোষ-পৃ. ৮৫৭)

ব্ৰহ্মসংহিতা ঃ প্ৰজাপতি ব্ৰহ্মাৰ দ্বাৰা ৰচিত।

ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ ঃ অষ্টাদশ পুৰাণৰ অন্তৰ্গত দশম পুৰাণ

অশ্বিনীকুমাৰদ্বয় ঃ স্বৰ্গৰ বৈদ্য, দেৱতাসকলৰ বৈদ্য। ঘোঁৰাৰূপিনী অপ্সৰাৰ পৰা জন্ম দুই যমজ সন্তান।

ঋগ্বেদ ঃ বেদসমূহৰ ভিতৰত প্ৰথম।

ভৈষজবিদ্যা ঃ গছ-গছনিৰ বিবিধ অংশ প্ৰয়োগ কৰি ঔষধ বনোৱা। স্বাদ, গন্ধ, ক্ৰিয়া-বিক্ৰিয়াৰ দ্বাৰা ব্যাধি নিৰাময় আদিৰ বিষয়ে জ্ঞান।

ভাৰদ্বাজ ঃ দ্রোণাচার্য, কৌৰৱ আৰু পাণ্ডৱৰ শিক্ষাগুৰু।

আত্রেয় ঃ অত্রি ঋষিৰ পুত্ৰ।

ব্ৰাহ্মণ ঃ ক্লীৱলিঙ্গ 'ব্ৰহ্মণ্' শব্দৰ অর্থ 'মন্ত্ৰ'-বেদমন্ত্ৰ। তাৰে সৈতে সংশ্লিষ্ট যি সেয়ে 'ব্ৰাহ্মণ'। ব্ৰাহ্মণ বেদৰ দ্বিতীয় ভাগ। ব্ৰাহ্মণ সাহিত্যত বেদমন্ত্ৰসমূহৰ ব্যাখ্যা কৰা হৈছে।

উপনিষদ ঃ উপনিষদৰ আন নাম বেদান্ত। ই বেদৰ শেষ অর্থাৎ জ্ঞানকাণ্ডৰ অন্তৰ্গত আৰু বেদৰ শেষ লক্ষ্য বা সিদ্ধান্ত ইয়াত গৃহীত। সেইকাৰণে ইয়াৰ আন নাম বেদান্ত।

ছান্দোগ্যোপনিষদ ঃ সামবেদৰ অন্তৰ্গত। ছান্দোগ্যোপনিষদ— ছান্দোগ্যোব্ৰাহ্মণৰ অংশ। ইয়াৰ প্ৰথম অংশত উপাসনাৰ সমগ্ৰ তত্ত্বটো বিশ্লেষণ কৰা হৈছে। ইয়াত ওঙ্কাৰোপাসনা, সামোপাসনা, সূর্যোপাসনা আৰু প্ৰাণোপাসনা এই চাৰিবিধ উপাসনাৰ কথা পোৱা হৈছে।

মৎস্যপুৰাণ ঃ অষ্টাদশ পুৰাণৰ অন্তৰ্গত। মৎস্যপুৰাণ পঞ্চলক্ষণ সমন্বিত এখন প্ৰাচীন পুৰাণ। প্ৰবল পানীত যেতিয়া পৃথিৱী প্লাৱিত হয় বিষ্ণুৱে তেতিয়া মৎস্যৰূপ ধাৰণ কৰি নৌকাৰূঢ় মনুক উদ্ধাৰ কৰে আৰু হিমালয়ৰ উচ্চশৃঙ্গত নৌকা

বন্ধন কৰি তেওঁক প্লাৱনৰ পৰা ৰক্ষা কৰে। এই প্ৰাচীন কাহিনীৰ পৰাই মৎস্যপুৰাণ আৰম্ভ। মনু আৰু মৎস্যৰ কথোপকথনেই এই পুৰাণৰ বিষয়বস্তু। ইতিহাসৰ তথ্যসমূহ এই পুৰাণৰ পৰা যথেষ্ট পোৱা যায়।



৯.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত দৃশ্য আৰু শ্ৰব্য কাব্যসমূহৰ উপৰিও বিজ্ঞানভিত্তিক (Scientific Literature) সাহিত্য ৰচিত হৈছিল। আয়ুর্বেদ আৰু বাস্তুবিদ্যা Scientific Literature বা বিজ্ঞানভিত্তিক সাহিত্যৰ অন্তৰ্গত।
- 'আয়ুর্বেদ' শব্দৰ অর্থ জানিব পৰা গ'ল। আয়ুর্বেদৰ উৎস, লক্ষণ আৰু আয়ুর্বেদশাস্ত্ৰৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিলে।
- বিভিন্ন আয়ুর্বেদ শাস্ত্ৰৰ বিষয়ে চমু আভাস পোৱা গ'ল।
- বাস্তুশাস্ত্ৰৰ প্ৰাচীন আচার্যসকলৰ বিষয়ে জানিব পাৰিলে, 'বাস্তু' শব্দৰ অর্থৰ বিষয়ে অৱগত হ'ল।
- বাস্তুশাস্ত্ৰৰ উৎস আৰু বাস্তুশাস্ত্ৰৰ নাম আৰু কেইখনমান বাস্তুশাস্ত্ৰৰ চমু আভাস পোৱা হ'ল।
- বাস্তুশাস্ত্ৰৰ আভাস ব্ৰাহ্মণ, উপনিষদ আৰু পুৰাণসমূহত পোৱা যায়।
- চিত্ৰকলা, মূৰ্ত্তিশিল্প, বাস্তুবিদ্যা, ভাস্কর্য আৰু স্থাপত্যবিদ্যা এই সকলোবোৰ বাস্তুশাস্ত্ৰৰ অন্তৰ্গত।



৯.৭ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

২) গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Krishnamachariar. M. *'History of Classical Sanskrit Literature'*, New Delhi : MLBD।

৪) বন্দোপাধ্যায়, ধীৰেন্দ্ৰনাথ, দ্বিতীয় সংস্কৰণ (২০১৪); *'সংস্কৃত সাহিত্যৰ ইতিহাস'*, পশ্চিমবংগৰাজ্য পুস্তক পর্ষৎ ঃ কলকাতা।

৯.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ অথর্ববেদত।

২নং প্রশ্নৰ উত্তৰ ঃ আঠটা— (শল্য, শালাক্য, কায়চিকিৎসা, ভূতবিদ্যা, কৌমাৰভৃত্য, অগদতন্ত্র, ৰসায়নতন্ত্র, বাজীকৰণতন্ত্র)।

৩নং প্রশ্নৰ উত্তৰ ঃ অগ্নিবেশে ৰচনা কৰিছে।

৪নং প্রশ্নৰ উত্তৰ ঃ কপিলৰ পুত্র দৃঢ়বলে।

৫নং প্রশ্নৰ উত্তৰ ঃ যোগশতক বা যোগসাৰ, ৰসৰত্নাকৰ।

৬নং প্রশ্নৰ উত্তৰ ঃ বাগভট্ট।

৭নং প্রশ্নৰ উত্তৰ ঃ অশ্বশাস্ত্র, অশ্বায়ুর্বেদ।

৮নং প্রশ্নৰ উত্তৰ ঃ সমৰাঙ্গনসূত্রধাৰ, শিল্পৰত্নম্, যুক্তিকল্পতৰু।

৯নং প্রশ্নৰ উত্তৰ ঃ 'বাস্তু' শব্দৰ অর্থ 'নিবাস'।

১০নং প্রশ্নৰ উত্তৰ ঃ ভোজৰাজ, ৩৩টা পৰিচ্ছেদ আছে।

১১নং প্রশ্নৰ উত্তৰ ঃ গণপতি শাস্ত্রী।

১২নং প্রশ্নৰ উত্তৰ ঃ ২৩টা অধ্যায় আছে।



৯.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সংস্কৃত সাহিত্যত আয়ুর্বেদৰ ভূমিকা সম্পর্কে চমুকৈ লিখক।

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ আয়ুর্বেদ শাস্ত্র কাক বোলে? ইয়াৰ উৎস কি?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ আয়ুর্বেদ শাস্ত্র ৰচনা কৰাৰ উদ্দেশ্য কি? সংস্কৃত সাহিত্যত ৰচিত হোৱা আয়ুর্বেদ শাস্ত্রসমূহৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ সংস্কৃত সাহিত্যত ৰচিত হোৱা বাস্তুশাস্ত্রসমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ১০ ঃ বিজ্ঞানভিত্তিক সাহিত্য (Scientific Literature) জ্যোতির্বিদ্যা, গণিতবিদ্যা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ জ্যোতির্বিদ্যাৰ পৰিচয়

১০.৩.১ জ্যোতির্বিদ্যাশাস্ত্ৰ চৰ্চ্চাৰ উদ্দেশ্য আৰু ভাগ

১০.৩.২ জ্যোতির্বিদ্যাশাস্ত্ৰৰ উৎস

১০.৩.৩ বিভিন্ন জ্যোতির্বিদ্যাশাস্ত্ৰৰ উল্লেখ

১০.৪ শব্দাৰ্থ তালিকা

১০.৫ গণিতবিদ্যা/গণিতশাস্ত্ৰৰ পৰিচয়

১০.৫.১ গণিতবিদ্যাৰ উৎস

১০.৫.২ বিভিন্ন গণিতশাস্ত্ৰৰ উল্লেখ

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্ৰগতিৰ খাতিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জ্যোতির্বিদ্যাৰ বিষয়ে পৰিচয় লাভ কৰিব
- জ্যোতির্বিদ্যা কাক বোলে সেইবিষয়ে জানিব পাৰিব
- জ্যোতির্বিদ্যাৰ উৎস আৰু ভাগসমূহৰ বিশেষ তথ্য লাভ কৰিব লগতে ইয়াৰ উদ্দেশ্যৰ বিষয়েও জানিব পাৰিব
- বিভিন্ন জ্যোতির্বিদ্যা শাস্ত্ৰৰ বিষয়ে জানিব পাৰিব
- গণিতবিদ্যাৰ পৰিচয় লাভ কৰিব পাৰিব
- গণিতবিদ্যাৰ উৎসৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন গণিতশাস্ত্ৰ সম্পৰ্কে জানিব পাৰিব।

১০.২ পৰিচয়

আগৰ অধ্যায়ত আপুনি বিজ্ঞানভিত্তিক সাহিত্যত থকা আয়ুর্বেদ আৰু বাস্তুবিদ্যাৰ বিষয়ে চমু আভাস পালে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জ্যোতির্বিদ্যা আৰু গণিত বিদ্যাৰ বিষয়ে সবিশেষ জ্ঞান লাভ কৰিব পাৰিব। জ্যোতির্বিদ্যা আৰু গণিতৰ বিষয়ে প্ৰাচীন কালতেই চর্চ্চা হৈছে।

জ্যোতিষাং সূর্যাদিগ্রহণবোধকং শাস্ত্রম্।

অর্থাৎ সূর্যাদি গ্রহ, কাল (সময়) বুজোৱা শাস্ত্রকেই জ্যোতির্বিদ্যা বুলি কোৱা হয়। জ্যোতির্বিদ্যা বা জ্যোতিষ শাস্ত্রত প্রধানতঃ গ্রহ, নক্ষত্র, ধূমকেতু আদি জ্যোতিপদার্থৰ স্বৰূপ, সঞ্চাৰ, পৰিভ্রমণ, কাল, গ্রহণ, স্থিতি প্রভৃতি নভোমণ্ডলৰ বিবিধ বিষয়ত আলোচনা থকা বাবে ইয়াক জ্যোতির্বিদ্যা বুলি কোৱা হয়।

এতিয়া আপুনি জ্যোতির্বিদ্যাৰ পৰিচয়, জ্যোতির্বিদ্যা চর্চাৰ উদ্দেশ্য আৰু ভাগ, জ্যোতির্বিদ্যাৰ উৎস, বিভিন্ন জ্যোতির্বিদ্যাৰ নাম জানিব পাৰিব। ইয়াৰোপৰি গণিতশাস্ত্ৰৰ পৰিচয়, উৎস, বিভিন্ন গণিতশাস্ত্ৰৰ নাম জানিব পাৰিব।

১০.৩ জ্যোতির্বিদ্যাৰ পৰিচয়

প্রাচীন ভাৰতত জ্যোতির্বিদ্যাৰ চর্চ্চা টেলিস্কোপৰ আৱিষ্কাৰৰ আগতেই হৈছিল। বৈদিক-ক্রিয়াকাণ্ডৰ যথাযথ কাল নির্দ্ধাৰণৰ বাবে জ্যোতির্বিদ্যাৰ জ্ঞানৰ আৱশ্যক। ৰাশি, নক্ষত্র, অমাৱস্যা পূর্ণিমা, সংক্রান্তি, সংবৎসৰ প্রভৃতিৰ জ্ঞান নাথাকিলে বৈদিক যজ্ঞানুষ্ঠান কৰা অসম্ভৱ। বৈদিক যজ্ঞানুষ্ঠানৰ লগত জ্যোতির্বিদ্যাৰ (Astronomy) অত্যন্ত ওচৰ সম্বন্ধ। কাৰণ, বৈদিক যাগ-যজ্ঞৰ কাৰণে বিশেষ তিথি, নক্ষত্র, সংক্রান্তি আৰু সংবৎসৰৰ জ্ঞান অপৰিহার্য। উদাহৰণস্বৰূপে 'গবাময়ন' নামৰ যজ্ঞ এবছৰত শেষ হয়। 'অভিপ্লৱষড়হ' আদি যজ্ঞ ৬ দিনত সম্পাদন কৰিব লাগে। সেইকাৰণে, সংবৎসৰ, দিন, মাহ আৰু পক্ষ ইত্যাদিৰ জ্ঞান নাথাকিলে উক্ত যজ্ঞসমূহ কৰা অসম্ভৱ।

তাৰোপৰি, কিছুমান বৈদিক ক্রিয়া ঋতু বিশেষে সম্পাদিত হয়, যেনে তৈত্তিৰীয় ব্রাহ্মণত কোৱা হৈছে— বসন্ত ঋতুত ক্ষত্রিয়ই আৰু শৰৎ কালত বৈশ্যই অগ্নিস্থাপন বা আধান কৰিব লাগে।

১০.৩.১ জ্যোতির্বিদ্যাৰ উদ্দেশ্য আৰু ভাগ

এতিয়া আপুনি জ্যোতির্বিদ্যাৰ চর্চ্চাৰ উদ্দেশ্য আৰু ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

জ্যোতির্বিদ্যাত ভাৰতৰ গৌৰৱময় অৱদান বিশেষভাৱে স্মৰণীয়। জ্যোতির্বিদ্যাৰ ভাগ দুটা—

১) Astronomy — জ্যোতির্বিদ্যা (গণিতজ্যোতিষ)

২) Astrology — ফলিতজ্যোতিষ নামে অভিহিত। জ্যোতির্বিজ্ঞানত 'জ্যোতিষ' শব্দটো ব্যাপক অর্থত ব্যৱহৃত হয়। জ্যোতির্বিদ্যাৰ মূল বিষয় হৈছে— গ্রহ, নক্ষত্র প্রভৃতি জ্যোতিঃ পদার্থ সম্পর্কে তথ্য অনুসন্ধান কৰা। বৈদিক যাগ-যজ্ঞৰ বিবিধ অনুষ্ঠানত গ্রহ-নক্ষত্র আদিৰ অৱস্থান, দিন-ৰাতিৰ বিভাগ, অমাৱস্যা-পূর্ণিমা আদি তিথিৰ পর্যালোচনা প্রভৃতি প্রসঙ্গৰ পৰাই বেদাঙ্গ জ্যোতিষৰ উদ্ভৱ হয়। বেদৰ ছটা ব্যৱহাৰিক অঙ্গৰ অন্যতম হ'ল 'জ্যোতিষ'। 'বেদাঙ্গ-জ্যোতিষ'ত সূর্য-চন্দ্রৰ গতি, উত্তৰায়ণ-দক্ষিণায়নৰ বিভাগ, পূর্ণিমা-অমাৱস্যা নিৰূপণ, ঋতুবিভাগ, মাহ-পক্ষ-দিন-তিথি নির্ণয়, সূর্যগ্রহণ-চন্দ্রগ্রহণৰ নির্ণয় ইত্যাদি তথ্য আলোচিত।

সেইকাৰণে যাগ-যজ্ঞ আৰু বৈদিক বিবিধ অনুষ্ঠানৰ নিয়ম-পদ্ধতি প্রয়োগৰ উদ্দেশ্যে জ্যোতির্বিদ্যা চর্চ্চা কৰা হয়।

১০.৩.২ জ্যোতির্বিদ্যাৰ উৎস

এতিয়া আপুনি জ্যোতির্বিদ্যাৰ উদ্দেশ্য আৰু ভাগসমূহ জনাৰ পাছত জ্যোতির্বিদ্যাৰ উৎস সম্পর্কে জানিব পাৰিব।

বৈদিক যুগত ঋগ্বেদ আৰু যজুর্বেদৰ অন্তর্গত 'বেদাঙ্গজ্যোতিষ' নামৰ গ্রন্থখন হৈছে অর্বাচীন সংস্কৰণ। 'আর্থবন জ্যোতিষ' নামেৰে অথর্ববেদৰ পৃথক জ্যোতিষগ্রন্থৰ উল্লেখ আছে। উক্ত গ্রন্থসমূহৰ পাছত কেবা শতিকা ধৰি কোনো গ্রন্থ পোৱা নগ'লেও সেইসময়ৰ আচার্যসকলৰ নাম পোৱা যায়। তেওঁলোক হৈছে নাৰদ, পৰাশৰ, বৃদ্ধ গর্গ, গর্গ, পৌষ্কৰসাদী আদি উল্লেখযোগ্য। পৰৱর্ত্তীকালৰ গ্রন্থসমূহত উক্ত আচার্যসকলৰ ৰচনাংশ উদ্ধৃত হৈছে।

১০.৩.৩ বিভিন্ন জ্যোতির্বিদ্যাশাস্ত্রৰ উল্লেখ

জ্যোতির্বিদ্যাৰ উৎসৰ বিষয়ে জনাৰ পিছত এতিয়া আপুনি জ্যোতির্বিদ্যা বিষয়ক গ্রন্থৰ বিষয়ে জানিব পাৰিব।

বৈদিক যুগৰ পিছত অর্থাৎ পৰৱর্ত্তীকালত গ্রহ-নক্ষত্রৰ অৱস্থান আৰু প্রভাৱ আদিৰ বিচাৰত জ্যোতির্বিদ্যাই যথেষ্ট প্রসিদ্ধি অর্জন কৰিছিল। ভাৰতবর্ষৰ প্রধান জ্যোতির্বিজ্ঞানী আৰু তেওঁলোকৰ দ্বাৰা ৰচিত জ্যোতির্বিদ্যা বিষয়ক (Astronomy) গ্রন্থসমূহ হৈছে—

১) আর্যভট্ট প্রথম (৪৭৬ খ্রীঃ)—	১) আর্যভট্টীয় সিদ্ধান্ত
	২) আর্যাষ্টশতক
	৩) দশগীতিকাসূত্র
২) বৰাহমিহিৰ (৫০৫ খ্রীঃ)—	১) পঞ্চসিদ্ধান্তিকা
	২) বৃহৎসংহিতা
৩) ব্রহ্মগুপ্ত (৫৯৮ খ্রীঃ)—	১) ব্রহ্মস্ফুট সিদ্ধান্ত
	২) খণ্ডখাদ্যক
৪) ভাস্কৰ প্রথম (৬০০ খ্রীঃ)—	১) আর্যভট্টীয়
	২) মহাভাস্কৰীয়
	৩) লঘুভাস্কৰীয়
৫) বটেশ্বৰ (৮৮০ খ্রীঃ)—	১) বটেশ্বৰ সিদ্ধান্ত
৬) মঞ্জুল (৯৩২ খ্রীঃ)—	১) লঘুমানসম্
৭) আর্যভট্ট দ্বিতীয় (৯৫০ খ্রীঃ)—	১) মহাসিদ্ধান্ত
৮) ভাস্কৰ দ্বিতীয় (১১১৪ খ্রীঃ)—	১) সিদ্ধান্ত শিৰোমণি
	২) কর্ণকুটুহলম্
৯) পৰমেশ্বৰ (১৪০০ খ্রীঃ)—	১) দিগ্‌গণিতম্
	২) সূর্যসিদ্ধান্ত ৰিৱৰণম্
	৩) ভট্টদীপিকা
১০) নীলকণ্ঠ সোমযাজী (১৪৪৪ খ্রীঃ)—	১) তন্ত্রসংগ্রহ
	২) আর্যভট্টীয় ভাষ্য

উক্ত জ্যোতির্বিদ্যা বিষয়ক গ্রন্থসমূহ তথা গ্রন্থকাৰৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল—

১) **প্রথম আর্যভট্ট ঃ** প্রাচীন ভাৰতীয় জ্যোতির্বিদ্যাৰ (Scientific Astronomy)ৰ প্রকৃত প্রতিষ্ঠাতা প্রথম আর্যভট্ট। আলবেৰুণীৰ বিৱৰণ অনুসাৰে তেওঁ কুসুমপুৰৰ অধিবাসী। জ্যোতির্বিদ সমাজত তেওঁ 'বৃদ্ধ আর্যভট্ট' আৰু 'সর্বসিদ্ধান্তগুৰু' অভিধাৰে পৰিচিত। আর্যভট্ট প্রথমে 'ভূভ্রমণবাদ' অর্থাৎ দিন-ৰাতিৰ আবর্ত্তনৰ কাৰণস্বৰূপে পৃথিৱীৰ আহ্নিক গতিৰ তত্ত্ব প্রতিপাদন কৰে। তেওঁ পাশ্চাত্য জ্যোতির্বিদ কোপাৰনিকাসৰ অনুৰূপ সিদ্ধান্ত প্রতিষ্ঠা কৰি বিশ্ববিখ্যাত হয়। আর্যভট্ট প্রথমৰ নামত তিনিখন গ্রন্থ পোৱা যায়—

১) আর্যভট্টীয় সিদ্ধান্ত

২) আর্যাষ্টশতক (তিনিটা পৰিচ্ছেদত সমাপ্ত)

যেনে— ক) গণিত (Mathematics and Geometry)

খ) কালক্রিয়া (Measurement of time)

গ) গোল (Astronomy)

৩) দশগীতিকাসূত্র

আর্যভট্ট প্রথমে প্রাচীন বেদাঙ্গ জ্যোতিষৰ প্রচলিত পদ্ধতিৰ সংস্কাৰ সাধন কৰে আৰু স্বকীয় বিশুদ্ধ সিদ্ধান্ত প্রতিষ্ঠা কৰে। তেওঁৰেই প্রথমে কলিযুগৰ আৰম্ভকাল নির্ণয় কৰে। জ্যোতির্বিজ্ঞানত আর্যভট্ট প্রথমৰ বিশিষ্ট অৱদানৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য— সূর্য আৰু অন্যান্য গ্রহৰ আবর্ত্তন, সিহঁতৰ পৰিবৃত্ত, গ্রহগতিৰ ব্যাখ্যা, ত্রিকোণমিতি, মান, যোগফল, সংখ্যাৰ বর্গ আৰু ঘনসমূহৰ যোগফল নির্ণয় প্রভৃতি। আর্যভট্ট প্রথমে সংস্কৃত বর্ণমালাৰ আখৰবিলাকৰ নির্দ্দিষ্ট মান বিন্যাস কৰি তাৰদ্বাৰা সংখ্যা গণনাৰ এক অভিনৱ পদ্ধতি আৱিষ্কাৰ কৰে আৰু নিজ গ্রন্থত সেয়া প্রয়োগ কৰে। তেওঁৰ গ্রন্থৰ টীকাকাৰসকল হ'ল— লাটদেৱ, ১ম ভাস্কৰ আৰু লল্ল।

২) **বৰাহমিহিৰ ঃ** জ্যোতির্বিদ্যাৰ আন এজন প্রধান আচার্য হৈছে বৰাহমিহিৰ। খ্রীষ্টীয় ষষ্ঠ শতিকাত ৫০৫ খ্রীষ্টাব্দত কাম্পিল্য অর্থাৎ বর্ত্তমানৰ জলন্ধৰ জিলাৰ কাম্পী নামৰ স্থানত তেওঁ জন্মগ্রহণ কৰে। ৰজা বিক্রমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ ভিতৰত বৰাহমিহিৰ অন্যতম আছিল। তেওঁৰ ৰচিত 'পঞ্চসিদ্ধান্তিকা'ৰ পৰা আমি প্রাচীনতৰ পাঁচখন সিদ্ধান্তৰ কথা জানিব পাৰো।

১) পৌলিশ সিদ্ধান্ত

২) ৰোমক সিদ্ধান্ত

৩) বশিষ্ঠ সিদ্ধান্ত

৪) পিতামহ সিদ্ধান্ত

৫) সূর্য সিদ্ধান্ত

ইয়াৰোপৰি বৰাহমিহিৰে 'বৃহৎসংহিতা' নামৰ এখন জ্যোতিষ গ্রন্থৰ উপৰিও 'বৃহজ্জাতক', 'লঘুজাতক' নামৰ ফলিত জ্যোতিষ বিষয়ক গ্রন্থ ৰচনা কৰিছে।

পৌলিশ আৰু ৰোমক এই দুয়োখন সিদ্ধান্ত গ্রীক আৰু বেবিলনৰ এক উৎসৰ ওপৰত ভেটি কৰি ৰচিত হৈছে।

'বশিষ্ঠ সিদ্ধান্ত'ত নক্ষত্রৰ অৱস্থান সম্পর্কে আলোচনা আছে। ইয়াৰ শ্লোকসমূহ অনুষ্টুপ ছন্দত ৰচিত।

পিতামহ বা ব্রাহ্মসিদ্ধান্ত ঋষি লগধৰ ৰচিত 'বেদাঙ্গ-জ্যোতিষ' গ্রন্থৰ লগত মিল আছে।

'সূর্যসিদ্ধান্ত' খণ্ডত সূর্য আৰু চন্দ্রৰ আবর্ত্তনৰ কথা আছে। ইয়াত যুগ, বছৰ, মাহ, দিন আদিৰ বিষয়ে কোৱা হৈছে।

'পঞ্চসিদ্ধান্তিকা' গ্রন্থখনিৰ 'সূর্যসিদ্ধান্ত' আটাইতকৈ গুৰুত্বপূর্ণ। মল্লিকার্জুন সূৰিয়ে তেলেগু আৰু সংস্কৃত ভাষাত ইয়াৰ টীকা ৰচনা কৰে।

৩) **ব্রহ্মগুপ্ত ঃ** আর্যভট্ট প্রথম আৰু বৰাহমিহিৰৰ পাছত প্রাচীন ভাৰতত তৃতীয় এজন আগশাৰীৰ জ্যোতির্বিজ্ঞানী হৈছে— ব্রহ্মগুপ্ত। বর্তমান পাঞ্জাৱৰ মূলতান জিলাৰ অন্তর্গত ভিন্দমল নামৰ গাঁৱত ৫৯১ খ্রীষ্টাব্দত তেওঁৰ জন্ম হয়। ৬২৮ খ্রীষ্টাব্দত মাত্র ২০ বছৰ বয়সতে তেওঁ 'ব্রহ্মস্ফুটসিদ্ধান্ত' আৰু 'খণ্ডখাদ্যক' নামেৰে দুখন গ্রন্থ ৰচনা কৰে। এই গ্রন্থত তেওঁ জ্যোতির্বিজ্ঞানৰ উপৰিও গণিত শাস্ত্রৰ অনুশীলন কৰিছে। অমৰৰাজে 'ব্রহ্মস্ফুটসিদ্ধান্ত' গ্রন্থৰ টীকা ৰচনা কৰে।

৪) **ভাস্কৰ প্রথম ঃ** ভাস্কৰ প্রথম হৈছে জ্যোতির্বিজ্ঞানী আৰু গণিতজ্ঞ। তেওঁ আর্যভট্টৰ পথ প্রদর্শক। ৬০০ খ্রীষ্টাব্দত গুজৰাটৰ বলভীত তেওঁৰ জন্ম হয়। প্রথম ভাস্কৰে তিনিখন গ্রন্থ ৰচনা কৰে। 'মহাভাস্কৰীয়', 'লঘুভাস্কৰীয়' আৰু 'আর্যভট্ট ভাস্কৰীয়'। প্রথমখন গ্রন্থ আর্যভট্টৰ গ্রন্থৰ ওপৰত ভিত্তি কৰি ৰচিত হৈছে। ইয়াত আর্যভট্টৰ কর্মনিবন্ধৰ ওপৰত বিস্তৃত ব্যাখ্যা কৰে। আর্যভট্টীয় খনৰ দুটা খণ্ড—

১) দশগীতিকা সূত্র ব্যাখ্যা

২) আর্যভট্ট তন্ত্র ভাষ্য

৫) **আর্যভট্ট দ্বিতীয় ঃ** আর্যভট্ট দ্বিতীয় এজন প্রখ্যাত জ্যোতির্বিজ্ঞানী। তেওঁ ৰচনা কৰা গ্রন্থখন হৈছে— 'মহাসিদ্ধান্ত'। ইয়াৰ প্রথম ১২টা অধ্যায়ত জ্যোতির্বিদ্যা আৰু গণিত বিষয়ক কথাৰ উল্লেখ আছে। ইয়াত গ্রহ-নক্ষত্র, চন্দ্র, সূর্যৰ কথা বর্ণনা কৰা আছে। শেষৰ দুটা অধ্যায়ত জ্যামিতি, ভূগোল আৰু বীজগণিতৰ কথা আছে।

৬) **ভোজ ঃ** ধাৰা ৰাজ্যৰ ৰজা ভোজে 'বিদ্বজ্জনবল্লভ' আৰু 'ৰাজমার্তণ্ড' নামৰ জ্যোতির্বিদ্যা বিষয়ক গ্রন্থ ৰচনা কৰে।

৭) **ভাস্কৰ দ্বিতীয় ঃ (১১১৪)**

আর্যভট্ট, বৰাহমিহিৰ আৰু ব্রহ্মগুপ্তই ইতিমধ্যে চহকী কৰি থোৱা গণিত আৰু জ্যোতির্বিজ্ঞানৰ ভঁড়াল আৰু অধিক চহকী কৰি তুলিলে ভাস্কৰাচার্য দ্বিতীয়ই। ১১১৪ খ্রীষ্টাব্দত মহাৰাষ্ট্রত তেওঁৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল মহেশ্বৰ। তেওঁ শাণ্ডিল্য গোত্রীয় আছিল। ১১৫০ খ্রীষ্টাব্দত ৩৬ বছৰ বয়সত "সিদ্ধান্তশিৰোমণি" নামৰ গ্রন্থ ৰচনা কৰে। গ্রন্থখন চাৰিটা খণ্ডত বিভক্ত—

১) লীলাৱতী বা পাটীগণিত

২) বীজগণিত

৩) গ্রহগণিত

৪) গোলাধ্যায়

'সিদ্ধান্তশিৰোমণি'ত পূর্বৱর্তী জ্যোতির্বিদসকলৰ মতৰ সমালোচনা পোৱা যায়। প্রাচীন আচার্যসকলৰ মত খণ্ডন কৰি ভাস্কৰাচার্য দ্বিতীয়ই স্ব-মত প্রতিষ্ঠা কৰে। তেওঁ জ্যোতির্বিদ আৰু গণিতজ্ঞ হোৱাৰ লগতে এজন সুকবিও। শ্লোকসমূহৰ বর্ণনাত অনুপ্রাস, যমক আৰু শ্লেষৰ ব্যৱহাৰ কৰিছে। ইয়াৰ পদ্যখণ্ড সৰল আৰু সৰস। গণিত অংশত গণিতৰ বিভিন্ন সূত্রৰ ব্যাখ্যা কৰিছে।

'গ্রহগণিত' আৰু গোলাধ্যায়' খণ্ডত গ্রহ-নক্ষত্রৰ বিৱৰণ, আৱর্ত্তন আদিৰ বর্ণনা কৰিছে।

'লীলাৱতী' ভাস্কৰাচার্যৰ জীয়েকৰ নাম। তেওঁৰ নামত পাটীগণিত ৰচনা কৰিছে। ১৮৮৩ খ্রীষ্টাব্দত ভাস্কৰাচার্য দ্বিতীয়ৰ যেতিয়া ৬৯ বছৰ বয়স হৈছিল, তেতিয়া আন এখন জ্যোতির্বিদ্যা বিষয়ক গ্রন্থ 'কর্ণকুটুহল' ৰচনা কৰে। ইয়াত গ্রহসমূহৰ আলোচনা আছে। সিদ্ধান্ত শিৰোমণিৰ তিনিখন প্রসিদ্ধ টীকা গ্রন্থ ৰচিত হৈছে— বাসনা ভাষ্য, বাসনা বার্ত্তিক আৰু মৰিচিতিকা।

উক্ত গ্রন্থকাৰসমূহৰ গ্রন্থৰ উপৰিও পৰৱর্ত্তী গ্রন্থকাৰসকলৰ গ্রন্থসমূহ হৈছে—

৮) **লাল বা লল্লাচার্য ঃ** লল্ল বা লাল হৈছে এজন জ্যোতির্বিদ, তেওঁৰ বিখ্যাত গ্রন্থখন হৈছে— "শিষ্যধীতন্ত্র" ইয়াৰ দুটা ভাগ আছে। প্রথমভাগত নক্ষত্রৰ স্থিতি আৰু দ্বিতীয়ভাগত আকাশ মণ্ডলৰ কথা বর্ণনা আছে। তেওঁ আর্যভটক অনুসৰণ কৰিছিল। তেওঁ ব্রহ্মগুপ্তৰ গ্রন্থৰ ওপৰত 'খণ্ডখাদ্যক' নামৰ টীকা ৰচনা কৰে। তাৰোপৰি 'জ্যোতিষ ৰত্নাকৰ' নামৰ জ্যোতিষ বিষয়ক গ্রন্থ ৰচনা কৰে।

৯) **গোৱিন্দস্বামী ঃ** গোৱিন্দস্বামী এজন জ্যোতির্বিদ। তেওঁ ভাস্কৰ প্রথমৰ 'লঘুভাস্কৰীয়'ৰ ওপৰত টীকা ৰচনা কৰিছিল।

জ্যোতির্বিদ্যাৰ আন এটা ভাগ হৈছে— ফলিত জ্যোতিষ।

অতি প্রাচীন কালৰে পৰাই ভাৰতবর্ষত জ্যোতিষ শাস্ত্রৰ চর্চ্চা পৰিলক্ষিত হয়। ৰাজতন্ত্রত ৰাজন্যবর্গ আৰু উচ্চ শ্রেণীসমূহৰ মাজৰ প্রভাৱশালী ব্যক্তিসকলে জ্যোতিষৰ পৃষ্ঠপোষক আছিল। ফলিতজ্যোতিষৰ প্রধান আলোচ্য বিষয় হ'ল— গ্রহনক্ষত্রাদি জ্যোতিষ্ক পদার্থবিলাকৰ আৱর্ত্তন আৰু অৱস্থান ভেদে মানৱজীৱনত তথা পৃথিৱীৰ ওপৰত সিহঁতৰ প্রভাৱ অনুসন্ধান আৰু তাৰ উদ্দেশ্যে ফল গণনা। অন্যান্য শাস্ত্রৰ নিচিনাকৈ ফলিতজ্যোতিষৰ আচার্যসকলৰ নাম পোৱা যায়। যেনে— বিষ্ণুগুপ্ত, দেৱস্বামী, জীৱশর্মা, পৃথু, শক্তিপূর্ব, সিদ্ধসেন, যৱনাচার্য প্রভৃতি। বেদাঙ্গ-জ্যোতিষৰ সময়ত ফলিত জ্যোতিষৰ পৃথক অস্তিত্ব নাছিল। গণিতজ্যোতিষৰ সৈতে মিলি আছিল। ৰৰাহমিহিৰৰ গ্রন্থতেই ফলিত জ্যোতিষৰ অস্তিত্ব বিশদভাবে লক্ষ্য কৰা যায় আৰু তাৰ কিছুমান দিনৰ পিছতেই ৰাশিভিত্তিক জ্যোতিষ আৰু কোষ্ঠী গণনাৰ পদ্ধতি প্রচলিত হয়।

ফলিতজ্যোতিষৰ বহুতো গ্ৰন্থ পোৱা যায়। ইয়াৰ ভিতৰত বৰাহমিহিৰ সর্বশ্রেষ্ঠ আচার্য। তেওঁৰ ৰচিত পাঁচখন গ্ৰন্থ পোৱা যায়— (১) বৃহৎসংহিতা, (২) বৃহৎবিবাহপটল, (৩) পল্লববিবাহ পটল, (৪) বৃহজ্জাতক, (৫) লঘুজাতক

অন্যান্য গ্ৰন্থসমূহ হৈছে— (৬) যৱনজাতক, (৭) উৎপল পৰিমল, (৮) হোৰাশাস্ত্ৰ, (৯) ভৃগুসংহিতা, (১০) বিদ্যামাধৱীয়, (১১) সূর্যসিদ্ধান্ত, (১২) জ্যোতির্বিদ্যাকৰণ। এনেদৰে প্ৰাচীন ভাৰতত জ্যোতির্বিদ্যাৰ ওপৰত ভালেমান গ্ৰন্থ ৰচিত হৈছিল।



জানি থোৱা ভাল

বিজ্ঞানভিত্তিক সাহিত্যৰ ভিতৰত 'জ্যোতির্বিদ্যা' অন্যতম আৰু ভাৰতবর্ষৰ গৌৰৱময় অৱদান। বৈদিক কালত জ্যোতির্বিদ্যাৰ চর্চা হৈছিল যদিও সেই বিষয়ক কোনো গ্ৰন্থ পোৱা নগৈছিল। আর্যভট্ট প্ৰথমেই জ্যোতির্বিদ্যাৰ প্ৰতিষ্ঠাতা। পাশ্চাত্য জ্যোতির্বিদ ক'পাৰনিকাসৰ দৰে তেওঁ সিদ্ধান্ত প্ৰতিষ্ঠা কৰি বিশ্ববিখ্যাত হয়।

ভাস্কৰাচার্য দ্বিতীয় এজন প্ৰসিদ্ধ জ্যোতির্বিজ্ঞানী আৰু গণিতজ্ঞ। আর্যভট্ট প্ৰথমে বৰাহমিহিৰ আৰু ব্ৰহ্মগুপ্তই চহকী কৰি থৈ যোৱা জ্যোতির্বিদ্যাক অধিক চহকী কৰি তোলে।

১০.৪ শব্দার্থ তালিকা

১) অভিপ্লৱষড়হ ঃ এবিধ যজ্ঞৰ নাম, ছয় দিনত সম্পন্ন কৰা হয়।

২) গবাময়ন ঃ একপ্ৰকাৰ যজ্ঞ। এই যজ্ঞ এবছৰত শেষ হয়।

৩) বেদাঙ্গ ঃ বেদৰ ছটা অঙ্গ। শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ, জ্যোতিষ।

৪) বেদাঙ্গজ্যোতিষ ঃ জ্যোতির্বিদ্যা আৰু গণিত বিষয়ক গ্ৰন্থ। ঋষি লগধৰ দ্বাৰা ৰচিত।

৫) লীলাৱতী ঃ ভাস্কৰাচার্যৰ জীয়েকৰ নাম। ই এখনি পাটীগণিত। ভাস্কৰাচার্য দ্বিতীয়ৰ দ্বাৰা ৰচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ জ্যোতির্বিদ্যা কাক বোলে?

.....

প্ৰশ্ন নং ২ঃ আর্যভট্ট প্ৰথমে ৰচনা কৰা গ্ৰন্থ এখনৰ নাম লিখক।

.....

প্রশ্ন নং ৩ঃ আর্যভট্ট দ্বিতীয়ই ৰচনা কৰা গ্রন্থখনৰ নাম কি? ইয়াত কেইটা অধ্যায় আছে?

.....

প্রশ্ন নং ৪ঃ বৰাহমিহিৰে ৰচনা কৰা গ্রন্থ এখনৰ নাম লিখক।

.....

১০.৫ গণিত বিদ্যাৰ পৰিচয়

জ্যোতির্বিদ্যাৰ পাছত আপুনি এতিয়া গণিতবিদ্যাৰ বিষয়ে জানিব পাৰিব। সংখ্যা বা গণনাৰ দ্বাৰা যি পদ্ধতি প্রয়োগ হয় তাকে গণিতবিদ্যা বোলে। ভাৰতীয় গণিতৰ দুটা প্রধান শাখা হৈছে— (১) সংখ্যাগণিত (অর্থাৎ পাটীগণিত আৰু বীজগণিত), (২) আকৃতি গণিত (অর্থাৎ জ্যামিতি)।

'গণিত' শব্দৰ 'গণ' শব্দৰ আন অর্থ হ'ল— সমষ্টি। সেইকাৰণে সমষ্টিৰ দ্বাৰা নির্ণয় পদ্ধতিৰ নাম গণিত। প্রাচীন ভাৰতত পাটীগণিত আৰু জ্যামিতিৰ বিশেষ উৎকর্ষ পৰিলক্ষিত হয়। বৈদিক যাগ-যজ্ঞ অনুষ্ঠিত কৰিবলৈ নানা প্রয়োজনত বেদি নির্মাণ কৰিবলৈ লোৱাৰ লগে লগে জ্যামিতিৰ ধাৰণাৰ উদ্ভৱ হয়। অগ্নিৰ তিনিপ্রকাৰৰ বেদি দেখা যায়—

১) গার্হপত্যাবেদি— বৃত্তাকাৰ

২) আহ্বনীয়াবেদি— বর্গাকাৰ

৩) দক্ষিণাগ্নি— অর্ধবৃত্তাকাৰ

ইয়াৰ ফলতেই জ্যামিতি অঙ্কন প্রথাৰ প্রয়োজন হৈ পৰে। বর্তমান সমগ্র বিশ্বত যি পদ্ধতিত লিখা হয়, সেই পদ্ধতিৰ নাম দশমিক স্থানীয় মানপদ্ধতি বা সংক্ষেপে দশমিক পদ্ধতি।

১০.৫.১ গণিতবিদ্যাৰ উৎস

আপুনি গণিতবিদ্যাৰ পৰিচয়ৰ পাছত এতিয়া উৎসৰ বিষয়ে জানিব পাৰিব। আৱহমান কালৰে পৰাই ভাৰতবর্ষত গণিত-চর্চ্চাৰ নিদর্শন দেখিবলৈ পোৱা যায়। গণিত অবিহনে শিক্ষা সম্পূর্ণ নহয় বুলি ভবা হৈছিল। ছান্দোগ্যোপনিষদত উল্লেখ আছে যে নাৰদে সনত কুমাৰক সকলো বিদ্যা অধ্যয়ন কৰাৰ লগতে ৰাশি অর্থাৎ গণিতবিদ্যা অধ্যয়ন কৰাৰ কথা কৈছিল। ইয়াৰ পৰা এইটোৱেই প্রতীয়মান হয় যে অতীতত ভাৰতত গণিতৰ অনুশীলন হৈছিল। অকল অনুশীলন হোৱাই নহয়, গণিতক সকলো শাস্ত্রৰ ভিতৰত উচ্চস্থান দিয়া হৈছিল। 'বেদাঙ্গ জ্যোতিষ' গ্রন্থত কোৱা হৈছে যে 'ময়ূৰৰ শিখা (পাখি) সন্মুখৰ ফালে থাকে, সর্পৰ মণি সন্মুখৰ ফালে থাকে, তেনেদৰে বেদাঙ্গশাস্ত্রসমূহৰ শীর্ষত গণিতৰ অৱস্থিতি।'

শ্রৌতসূত্রসমূহত বৈদিক যজ্ঞ পদ্ধতিৰ পৰিচয় পোৱা যায়। ভাৰতবর্ষৰ গণিত চর্চ্চাক মূলতঃ তিনিটা পর্যায়ত ভাগ কৰা হয়। যেনে—

(ক) প্রাক্ আর্যযুগ

(খ) বৈদিক ও শুল্ব যুগ

(গ) খৃষ্টাব্দোত্তৰ যুগ

বৈদিক সভ্যতা যজ্ঞৰ ভিত্তিতেই সুপ্রতিষ্ঠিত। যাগ-যজ্ঞ কৰিবৰ বাবে যজ্ঞবেদি নির্মাণ একান্ত প্রয়োজন। যজ্ঞবেদি নির্মাণ আৰু তাৰ তত্ত্ব যি গ্রন্থত আলোচনা কৰা হৈছে তাক 'শুল্ব-সূত্র' বুলি কোৱা হয়। এই শুল্বসূত্রসমূহত জ্যামিতিৰ বিষয়ে আলোচনা আছে।

শূন্যৰ আৱিস্কাৰ আৰু দশমিক স্থানীয়মান পদ্ধতিৰ সহায়ত সংখ্যা লিখাৰ এই উপায় প্রাচীন ভাৰতীয় মনীষীৰ সুবিখ্যাত কীর্ত্তি। ফ্রান্সৰ গণিতজ্ঞ, দার্শনিক পিয়েৰ ছাইমঁ দ্য লাপ্লাছে (১৭৪৯ খ্রীষ্টাব্দ— ১৮২৭ খ্রীষ্টাব্দ) এই পদ্ধতিৰ বিষয়ে মন্তব্য কৰি গৈছে— "সকলো সংখ্যাকে দহোটা প্রতীকৰ সহায়ত প্রকাশ কৰা পদ্ধতি ভাৰতবর্ষই দান কৰিছে।"

প্রাচীন ভাৰতীয় সাহিত্যৰ বেদ, পুৰাণ, ৰামায়ণত স্থানীয় মান পদ্ধতিত লিখা সংখ্যাৰ ব্যৱহাৰ দেখা যায়। উদাহৰণস্বৰূপে— 'শুক্লযজুর্বেদ'ৰ সপ্তদশ (১৭) অধ্যায়ৰ দ্বিতীয় মন্ত্রত এক, দহ, শত, সহস্র, অযুত, নিযুত, প্রযুত, অর্বুদ, ন্যর্বুদ, সমুদ্র, মধ্য, অন্ত্য, পৰার্ধ আদি বৃহৎ সংখ্যাৰ উল্লেখ পোৱা যায়। 'বিষ্ণুপুৰাণ'ত মৈত্রেয় আৰু পৰাশৰৰ কথোপকথনৰ পৰা সংখ্যাৰ কথা জানিব পাৰি। তাত পৰাশৰে পৰার্ধৰ বিষয়ে উল্লেখ কৰিছে।

আদিকবি বাল্মীকিৰ 'ৰামায়ণ'তো দশমিক স্থানীয়মান পদ্ধতিৰ প্রয়োগ দেখা যায়।

ভাৰতীয় মনীষীয়ে যেতিয়া ডাঙৰ ডাঙৰ সংখ্যাৰ কল্পনা কৰিছিল, সেই সময়ত পৃথিৱীৰ কোনো স্থানত সংখ্যাৰ ধাৰণা নাছিল। নিঃসন্দেহে দশমিক স্থানীয় মান-পদ্ধতি প্রাচীন ভাৰতৰ অবিনশ্বৰ কীর্তি।

অতীতৰ ভাৰতবর্ষত যে উচ্চস্তৰৰ গণিতৰ চর্চ্চা হৈছিল, বাক্শালীৰ পাণ্ডুলিপিৰ আৱিষ্কাৰ তাৰ উজ্জ্বল চানেকি। এই লিপিত গণিতৰ উচ্চ প্রশংসা কৰা হৈছে আৰু কোৱা হৈছে যে সকলো শাস্ত্রৰ ভিতৰত গণিতৰ স্থান শীর্ষত। গণিতৰ ইতিহাসবেত্তাসকলে খ্রীষ্টীয় পঞ্চম শতিকাৰপৰা দ্বাদশ শতিকালৈ এই কালছোৱাক ভাৰতত গণিত-চর্চ্চাৰ সোণালী যুগ আখ্যা দিছে। এই সময়ছোৱাত ভাৰতভূমিত আৱির্ভাৱ হৈছিল কেবাজনো প্রতিভাধৰ গণিতজ্ঞৰ। এওঁলোকৰ কীর্ত্তি কেৱল ভাৰতবর্ষতেই সীমাৱদ্ধ নাছিল, বিদেশতো স্বীকৃত হৈছিল। আর্যভট্ট, বৰাহমিহিৰ, ব্রহ্মগুপ্ত, শ্রীধৰাচার্য, মহাবীৰাচার্য আৰু ভাস্কৰাচার্য— এই কেইগৰাকী নিষ্ণাত গণিতজ্ঞৰ গাণিতিক প্রতিভাই সংস্কৃত সাহিত্যত নিজৰ নাম উজ্জ্বল কৰি ৰাখিছে।

১০.৫.২ বিভিন্ন গণিতশাস্ত্ৰৰ উল্লেখ

গণিতবিদ্যাৰ উৎস জনাৰ পিছত এতিয়া আপুনি বিভিন্ন গণিতবিদ্যাৰ গ্ৰন্থৰ বিষয়ে জানিব পাৰিব।

১) বেদাঙ্গ-জ্যোতিষ ঃ (লগধ ঋষি)

'বেদাঙ্গজ্যোতিষ' হৈছে জ্যোতির্বিদ্যা আৰু গণিতবিদ্যা বিষয়ক প্ৰথম গ্ৰন্থ। বৈদিক যুগৰ শেষ সময়ত 'বেদাঙ্গ-জ্যোতিষ' ৰচিত হৈছিল। ঋষি লগধে ১২০০ শতিকাৰ পৰা ১৪০০ শতিকাৰ ভিতৰত এই গ্ৰন্থ ৰচনা কৰিছিল।

'বেদাঙ্গ জ্যোতিষে' ঋগ্বেদ, যজুৰ্বেদ আৰু অথৰ্ববেদ এই তিনিখন গ্ৰন্থ মানি লয়। ঋগ্বেদ জ্যোতিষত ৩৬টা শ্লোক, যজুৰ্বেদ জ্যোতিষত ৪৪টা শ্লোক আৰু অথৰ্ববেদ জ্যোতিষত ১৬২টা শ্লোক আছে। এই তিনিটা ভাগৰ ভিতৰত ফলিত দৃষ্টিৰে অথৰ্ব জ্যোতিষ মহত্বপূৰ্ণ বুলি মানি লয়।

বৈদিক ঋষিসকলে 'দশপূৰ্ণমাস' আৰু 'চাতুৰ্মাস' আদি পূৰ্ণচন্দ্ৰৰ ওপৰত নিৰ্ভৰ কৰি কৰে। এই গ্ৰন্থত 'যুগ', 'সৌৰবছৰ', 'চান্দ্ৰবছৰ', 'অয়ন', 'বিষুব' আদিৰ কথা উল্লেখ আছে। তাৰোপৰি আটাইতকৈ দীঘল দিন আৰু চুটি দিনৰ কথা উল্লেখ কৰিছে।

২) আৰ্যভট্ট প্ৰথম (৪৭৬ খ্ৰীঃ)

খ্ৰীষ্টীয় পঞ্চম শতিকাৰ প্ৰধান গণিতজ্ঞ আৰু জ্যোতির্বিজ্ঞানী হ'ল প্ৰথম আৰ্যভট্ট। তেওঁ আৰ্যসিদ্ধান্ত বা 'আৰ্যভট্ট সিদ্ধান্ত' নামৰ গ্ৰন্থ ৰচনা কৰিছিল। গ্ৰন্থখন চাৰিটা খণ্ডত বিভক্ত—

১) দশগীতিকা পাদ

২) গোলাধ্যায়

৩) গণিতপাদ

৪) কালক্ৰিয়াপাদ

গীতিকাপাদত তেৰটা শ্লোক আছে। দশ-গীতিকাত আৰ্যভট্টই বৰ্ণৰ সংখ্যকৰ ব্যৱহাৰ কৰে। আৰ্যভট্টই ই আৰ্যভট্টীয়ত আলোচনা কৰা বিষয়সমূহ হ'ল— বৰ্গ, বৰ্গমূল, ঘন, ঘনমূল ইত্যাদি।

৩) **বৰাহমিহিৰ** ঃ (আনুমানিক ৫০৫ খ্ৰীষ্টাব্দ— ৫৮৭ খ্ৰীষ্টাব্দ) আছিল অৱন্তীৰ অধিবাসী। তেওঁৰ পিতৃ আছিল আদিত্য দাস। তেঁৱো আছিল এজন জ্যোতির্বিদ। বৰাহমিহিৰ আছিল অগাধ জ্ঞানৰ অধিকাৰী, বিভিন্ন বিষয়ত তেওঁৰ দখল আছিল অগাধ। 'পঞ্চসিদ্ধান্তিকা' বৰাহমিহিৰৰ যুগজয়ী কীৰ্ত্তি। এই গ্ৰন্থত তেওঁ পাঁচখন প্ৰধান জ্যোতিষীয় গ্ৰন্থ পৌলিশ, ৰোমক, বশিষ্ঠ, সূৰ্য আৰু পৈতামহৰ আলোচনা কৰিছে। বৰাহমিহিৰৰ আন দুখন উল্লেখনীয় গ্ৰন্থ হ'ল বৃহৎসংহিতা, বৃহজ্জাতক।

৪) **ব্ৰহ্মগুপ্ত** সপ্তম শতিকাৰ এজন অতিশয় তীক্ষ্ণ গণিতজ্ঞ। তেওঁৰ জন্ম ৫৯৮ খ্ৰীষ্টাব্দত। আৰৱ সভ্যতা আৰু সংস্কৃতিত ব্ৰহ্মগুপ্তৰ অসামান্য অৱদান আছে।

সেই সময়ত বিশ্বৰ গণিতৰ ইতিহাসত ব্ৰহ্মগুপ্তৰ দৰে মৌলিক প্ৰতিভাৰ অধিকাৰী গণিতজ্ঞ নাই বুলি ক'লেও অত্যুক্তি কৰা নহয়।

'ব্ৰহ্মস্ফুটসিদ্ধান্ত' ব্ৰহ্মগুপ্তৰ জীৱনৰ যুগজয়ী কীৰ্ত্তি। ত্ৰিশ বছৰ বয়সত গণিতজ্ঞ আৰু জ্যোতিৰ্বিদসকলৰ আনন্দৰ বাবে ব্ৰহ্মস্ফুটসিদ্ধান্ত ৰচনা কৰে। তেওঁৰ আনখন গ্ৰন্থ হ'ল খণ্ডখাদ্যক। জ্যামিতি, বীজগণিত, জ্যোতিৰ্বিজ্ঞান ব্ৰহ্মগুপ্তই চৰ্চ্চা কৰিছিল। দুয়োখন গ্ৰন্থ আৰৱী ভাষালৈ অনুবাদ হয়।

৫) **শ্ৰীধৰ—** শ্ৰীধৰ এজন গণিতজ্ঞ। তেওঁ ৭৫০ খ্ৰীষ্টাব্দৰ পৰা ৯১০ খ্ৰীষ্টাব্দৰ ভিতৰত গণিতজ্ঞ বুলি গণিতৰ বুৰঞ্জী ৰচকসকলে মত প্ৰকাশ কৰিছে। তেওঁ 'পাটীগণিত সাৰ' আৰু 'ত্ৰিশতিকা' ৰচনা কৰিছিল। 'পাটীগণিতসাৰ' ৩০০ শ্লোকৰ সমষ্টি।

৬) **মহাবীৰাচাৰ্য** নৱম শতিকাৰ এজন জৈন গণিতজ্ঞ। ৮৫০ চনত তেওঁ 'গণিতসাৰসংগ্ৰহ' ৰচনা কৰে। প্ৰাচীন ভাৰতীয় গণিতজ্ঞসকলে গণিতৰ উপৰিও জ্যোতিৰ্বিজ্ঞানো চৰ্চ্চা কৰিছিল। আচাৰ্য মহাবীৰেই মাথোন ব্যতিক্ৰম। যিজনে অকল মৌলিক গণিতৰ অধ্যয়নত দিনে-ৰাতিয়ে নিজকে ব্যস্ত ৰাখিছিল।

৭) **ভাস্কৰ** দ্বিতীয়ৰ অনিৰ্বচনীয় নিৰ্মিত হৈছে 'সিদ্ধান্ত শিৰোমণি' এই গ্ৰন্থখন সংস্কৃত ভাষাত ৰচিত। ই চাৰিটা খণ্ডত বিভক্ত— লীলাৱতী, বীজগণিত, গোলাধ্যায়, গ্ৰহগণিত। 'লীলাৱতী'ত মূলতঃ গণিতৰ বিষয়ে চৰ্চ্চা হৈছে। ভাস্কৰাচাৰ্যৰ মতে গণিত দুই প্ৰকাৰৰ ঃ ব্যক্ত আৰু অব্যক্ত। পাটীগণিত হ'ল ব্যক্তগণিত আৰু অব্যক্ত গণিত।

ইয়াৰোপৰি শ্ৰীনিবাস ৰচিত 'গণিত চূড়ামণি', নাৰায়ণ পণ্ডিতৰ ৰচিত 'গণিতকৌমুদী' ইত্যাদিৰ উল্লেখ সংস্কৃত সাহিত্যত পোৱা যায়।

ভাস্কৰাচাৰ্যৰ পিছত মৌলিক প্ৰতিভাসম্পন্ন গণিতজ্ঞৰ সৃষ্টি ভাৰতবৰ্ষত হোৱা নাছিল এনে নহয় কিন্তু আৰ্যভট্ট, ব্ৰহ্মগুপ্তৰ দৰে বা ভাস্কৰাচাৰ্যৰ দৰে প্ৰতিভা চকুত নপৰে।

গাণিতিক চিন্তনত ভাৰতৰ হৃত গৌৰৱ উদ্ধাৰ কৰে শ্ৰীনিবাস ৰামানুজনে। নিঃসন্দেহে ৰামানুজন ভাস্কৰৰ সুযোগ্য উত্তৰাধিকাৰী।



জানি থোৱা ভাল

প্ৰাচীন ভাৰতত জ্যোতিৰ্বিদ্যা আৰু গণিতবিদ্যাৰ চৰ্চ্চা হৈছিল আৰু দুয়োবিধতে ভালেমান গ্ৰন্থ ৰচিত হৈছিল। উল্লেখযোগ্য যে প্ৰতিজন জ্যোতিৰ্বিদেই একোগৰাকী গণিতজ্ঞ। প্ৰতিখন গ্ৰন্থত জ্যোতিৰ্বিদ্যাৰ লগত গণিতশাস্ত্ৰৰ উল্লেখ থাকে। পৃথিৱী যে সূৰ্যৰ চাৰিওফালে ঘূৰে এই তথ্য আৰ্যভট্ট প্ৰথমে উদ্ভাৱন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ গাণিতিক পদ্ধতিৰ সূচনা প্রথমে ক'ত দেখা যায়?

.....

প্রশ্ন নং ৬ঃ ভাৰতীয় গণিতৰ প্রধান শাখা দুটা কি কি?

.....

প্রশ্ন নং ৭ঃ প্রাচীন ভাৰতীয় গণিতজ্ঞই প্রথমে কি আৱিষ্কাৰ কৰিছিল?

.....

প্রশ্ন নং ৮ঃ আর্যভট্টই প্রথমে ৰচনা কৰা গণিত বিষয়ক গ্রন্থখনৰ নাম কি?

.....

প্রশ্ন নং ৯ঃ মহাবীৰাচার্যই ৰচনা কৰা গণিত গ্রন্থখনৰ নাম কি?

.....

প্রশ্ন নং ১০ঃ 'সিদ্ধান্ত শিৰোমণি' গ্রন্থ কোনে ৰচনা কৰে? ইয়াৰ ভাগ কেইটা আৰু কি কি?

.....



১০.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- বিজ্ঞানভিত্তিক সাহিত্যৰ ভিতৰত জ্যোতির্বিদ্যা আৰু গণিতবিদ্যা অন্যতম। গণিতশাস্ত্রৰ ভিতৰত জ্যামিতিৰ উদ্ভৱ শুল্বসূত্রসমূহত দেখা যায়।
- জ্যোতির্বিদ্যা কাক বোলে জানিব পৰা গ'ল। জ্যোতির্বিদ্যাৰ উৎস, লক্ষণ আৰু বিভিন্ন জ্যোতির্বিদ্যা বিষয়ক গ্রন্থৰ বিষয়ে জানিব পাৰিলে।
- 'গণিত' শব্দৰ অর্থ জানিব পাৰিলে। গণিত বিদ্যাৰ উৎসৰ বিষয়ে জানিব পাৰিলে।
- সংখ্যাৰ উদ্ভৱ আৰু গণিতশাস্ত্রসমূহৰ বিষয়ে জানিব পাৰিলে।
- ভাস্কৰাচার্য দ্বিতীয় এজন জ্যোতির্বিদ আৰু গণিতজ্ঞ। তেওঁৰ 'লীলাৱতী' গ্রন্থখন পাটীগণিত। শ্লোকসমূহৰ বর্ণনাত অনুপ্রাস, যমক আৰু শ্লেষৰ বর্ণনা কৰিছে। তেওঁ এজন সুকবিও।



১০.৭ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

২) গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Krishnamachariar. M. *'History of Classical Sanskrit Literature'*, New Delhi : MLBD.



১০.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ যি গ্রন্থত গ্রহ, নক্ষত্র সম্পর্কীয় বিভিন্ন তথ্যৰ উল্লেখ থাকে তাকে জ্যোতির্বিদ্যা বোলে।

২নং প্রশ্নৰ উত্তৰ ঃ আর্যভট্টীয় সিদ্ধান্ত।

৩নং প্রশ্নৰ উত্তৰ ঃ মহাসিদ্ধান্ত, ১২টা অধ্যায়।

৪নং প্রশ্নৰ উত্তৰ ঃ পঞ্চসিদ্ধান্তিকা, ইয়াৰ চাৰিটা খণ্ড আছে।

৫নং প্রশ্নৰ উত্তৰ ঃ শুল্বসূত্র সমূহত।

৬নং প্রশ্নৰ উত্তৰ ঃ ১) সংখ্যা গণিত (পাটীগণিত আৰু বীজগণিত)
২) আকৃতি গণিত (জ্যামিতি)

৭নং প্রশ্নৰ উত্তৰ ঃ শূন্যৰ

৮নং প্রশ্নৰ উত্তৰ ঃ আর্যভট্ট সিদ্ধান্ত

৯নং প্রশ্নৰ উত্তৰ ঃ 'গণিত সাৰ সংগ্রহ'

১০নং প্রশ্নৰ উত্তৰ ঃ ভাস্কৰ দ্বিতীয়ই। ইয়াৰ চাৰিটা ভাগ আছে—
১) লীলাৱতী বা পাটীগণিত, ২) বীজগণিত, ৩) গ্রহগণিত, ৪) গোলাধ্যায়



১০.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ বিজ্ঞানভিত্তিক সাহিত্য হিচাবে জ্যোতির্বিদ্যাৰ উৎসৰ বিষয়ে লিখক।

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ জ্যোতির্বিদ্যা কাক বোলে? জ্যোতির্বিদ্যাৰ উদ্দেশ্য আৰু চর্চ্চাৰ বিষয়ে লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সংস্কৃত সাহিত্যত গণিত চর্চ্চা, উৎস আৰু গণিতশাস্ত্রসমূহৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ২ঃ চমুটোকা লিখক

(ক) আর্যভট্ট প্রথম, (খ) বৰাহমিহিৰ, (গ) ব্রহ্মগুপ্ত, (ঘ) ভাস্কৰ দ্বিতীয়।

*** ***** ***

অধ্যায় ১১ ঃ কালিদাস ঃ *ৰঘুবংশম্* (প্ৰথম আৰু দ্বিতীয় সৰ্গৰ আলোচনা)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ মহাকবি কালিদাস

১১.৪ *ৰঘুবংশম্*

- ১১.৪.১ মহাকাব্য হিচাপে *ৰঘুবংশম্*
- ১১.৪.২ *ৰঘুবংশ* মহাকাব্যৰ আধাৰ গ্ৰন্থ
- ১১.৪.৩ মহাকাব্যখনৰ নামকৰণ
- ১১.৪.৪ *ৰঘুবংশৰ* প্ৰথম সৰ্গৰ প্ৰত্যেকটি শ্লোকৰ বিষয়বস্তুৰ আভাস
- ১১.৪.৫ *ৰঘুবংশৰ* দ্বিতীয় সৰ্গৰ প্ৰত্যেকটি শ্লোকৰ বিষয়বস্তুৰ আভাস
- ১১.৪.৬ *ৰঘুবংশৰ* প্ৰথম সৰ্গৰ সাৰাংশ
- ১১.৪.৭ *ৰঘুবংশৰ* দ্বিতীয় সৰ্গৰ সাৰাংশ
- ১১.৪.৮ *ৰঘুবংশৰ* প্ৰথম আৰু দ্বিতীয় সৰ্গৰ নামকৰণ
- ১১.৪.৯ *ৰঘুবংশৰ* কাব্যিক সৌন্দৰ্য
- ১১.৪.১০ *ৰঘুবংশত* চিত্ৰিত হোৱা মনোমোহা প্ৰকৃতি

১১.৫ ৰঘুবংশীয় ৰজাসকলৰ সাধাৰণ গুণাৱলী

- ১১.৫.১ দিলীপৰ চৰিত্ৰ বিশ্লেষণ
- ১১.৫.২ সিংহ আৰু দিলীপৰ কথোপকথনত প্ৰকাশিত দিলীপৰ কৰ্তব্যপৰায়ণতা

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *ৰঘুবংশ* মহাকাব্যৰ এটি চমু আভাস পাব
- মহাকবি কালিদাসৰ বিষয়ে কিছু কথা জানিব পাৰিব
- *ৰঘুবংশৰ* প্ৰথম আৰু দ্বিতীয় সৰ্গৰ প্ৰত্যেকটি শ্লোকৰ বিষয়বস্তুৰ আভাস পাব
- প্ৰথম আৰু দ্বিতীয় সৰ্গৰ সাৰাংশ অধ্যয়ন কৰিব পাৰিব
- প্ৰথম আৰু দ্বিতীয় সৰ্গৰ নামকৰণৰ বিষয়ে জানিব পাৰিব

- মহাকাব্যখনৰ আধাৰ গ্ৰন্থৰ বিষয়ে জানিব পাৰিব
- মহাকাব্যখনৰ নামকৰণৰ বিষয়ে অৱগত হ'ব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা দ্বাদশ পাঠ্যবিষয় 'সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ'ৰ অন্তৰ্গত এইটো পঞ্চম অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'কালিদাস ঃ *ৰঘুবংশম্* (প্ৰথম আৰু দ্বিতীয় সৰ্গৰ আলোচনা)।

আপুনি ইতিমধ্যে সংস্কৃত কাব্য সাহিত্য অধ্যয়ন কৰিলে। তদুপৰি সংস্কৃত মহাকাব্য আৰু সংস্কৃত নাট্য সাহিত্য অধ্যয়নৰ উপৰিও গীতিকাব্য আৰু চম্পূ কাব্যও অধ্যয়ন কৰিলে। এতিয়া ইয়াত আপুনি সংস্কৃত মহাকাব্যৰ লক্ষণ অধ্যয়ন কৰিব। *ৰঘুবংশম্* মহাকাব্যখন সংস্কৃততে ৰচিত পাঁচখন মহাকাব্যৰ ভিতৰত অন্যতম। মহাকবি কালিদাসে এই মহাকাব্যখন ৰচনা কৰিছে। *ৰঘুবংশম্* মহাকাব্যখন ঊনৈশটা সৰ্গত সম্পূৰ্ণ হৈছে। সেইবোৰৰ ভিতৰত প্ৰথম আৰু দ্বিতীয় সৰ্গহে আপুনি এই পাঠত অধ্যয়ন কৰিব লাগিব। ৰঘুবংশীয় ৰজা দিলীপৰ ৰাণী সুদক্ষিণাক লগত লৈ কুলগুৰু বশিষ্ঠ মুনিৰ আশ্ৰমলৈ যোৱাৰ বৰ্ণনা প্ৰথম সৰ্গত অধ্যয়ন কৰিব। ৰজা দিলীপ আৰু সুদক্ষিণাই ব্ৰত পালন কৰি নন্দিনীক শুশ্ৰূষা কৰা আৰু নন্দিনীৰ বৰ লাভৰ কথা দ্বিতীয় সৰ্গত অধ্যয়ন কৰিবলৈ পাব।

১১.৩ কালিদাস

মহাকবি কালিদাস সংস্কৃত কবিসকলৰ ভিতৰত অগ্ৰণী। তেওঁক বিশ্বকবি বুলিহে জনা যায়। বহুতো পণ্ডিতে কালিদাসক ভাৰতৰ শ্বেইক্সপীয়েৰ বুলিহে অভিহিত কৰে।

মহাকবি কালিদাসৰ জন্ম উজ্জয়িনীত বুলি বহুতে ক'ব খোজে। বিক্ৰমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ ভিতৰত কালিদাস অন্যতম আছিল। পণ্ডিতসকলে অনুমান কৰে যে খ্ৰীষ্টাব্দ চতুৰ্থ শতিকাত কালিদাসৰ আৱিৰ্ভাব হৈছিল।

কালিদাস ৰচিত *ঋতুসংহাৰ* এখন সুন্দৰ কাব্য। তেওঁৰ ৰচিত *মেঘদূত* এখন খণ্ডকাব্য। *কুমাৰসম্ভৱ* আৰু *ৰঘুবংশ*—এই দুখন মহাবাক্য কালিদাসৰ দ্বাৰা ৰচিত। কালিদাসে *অভিজ্ঞানশকুন্তলম্, বিক্ৰমোৰ্বশীয়ম্* আৰু *মালবিকাগ্নিমিত্ৰম্* নামেৰে তিনিখন নাটকো ৰচনা কৰিছে। এইবোৰৰ উপৰিও *অম্বাস্তৱ, কল্যাণস্তৱ, কালীস্তোত্ৰ, ঘটকৰ্পৰ, নলোদয়, পুষ্পবাণবিলাস, শৃঙ্গাৰতিলক, শ্ৰুতবোধ* আদি কাব্যও কালিদাসে ৰচনা কৰিছিল বুলি বহুতো পণ্ডিতে ক'ব খোজে। তদুপৰি *মকৰন্দস্তৱ, গঙ্গাষ্টক, চণ্ডিকাদণ্ডকস্তোত্ৰ, নৱৰত্নমালা, চৰ্চাস্তৱ, দুৰ্ঘটকাব্য, জ্যোতিৰ্বিদাভৰণ, ৰাক্ষসকাব্য, শৃঙ্গাৰসাৰকাব্য, লক্ষ্মীস্তৱ, বিদ্বদ্বিনোদকাব্য, শ্যামলাদণ্ডক, শৃঙ্গাৰসাষ্টক, বৈদ্যমনোৰমা, ৰত্নকোশ* আদি কাব্যও কালিদাসৰ ৰচনা বুলি বহুতে ক'ব খোজে।

১১.৪ *ৰঘুবংশম্*

আপুনি জানিব পাৰিলে যে *ৰঘুবংশ* এখন মহাকাব্য। এই মহাকাব্যখন সংস্কৃত ভাষাত ৰচিত পাঁচখন মহাকাব্যৰ ভিতৰত অন্যতম মহাকাব্য। কালিদাসে 'বাক্' শব্দটিৰে *ৰঘুবংশ* মহাকাব্যখন আৰম্ভ কৰিছে। আপুনি জানিব যে কালিদাসে 'অস্তি' পদেৰে *কুমাৰসম্ভৱ*, 'কশ্চিৎ' পদেৰে *মেঘদূত* আৰু 'বিশেষং' পদেৰে *ঋতুসংহাৰ* কাব্য আৰম্ভ কৰিছে।

ৰঘুবংশ মহাকাব্যখন কবিয়ে ঊনৈশটা সৰ্গত সম্পূৰ্ণ কৰিছে। ইয়াত ৰঘুবংশৰ ৰজাসকলৰ বিৱৰণ পোৱা যায়। বৈৱস্বত মনুৰ বংশত ওপজা ৰজা দিলীপৰ কথাৰে কালিদাসে *ৰঘুবংশ* মহাকাব্যখনৰ শুভাৰম্ভ কৰিছে আৰু অগ্নিবৰ্ণ ৰজাৰ কথাৰে কাব্যখন সমাপ্ত কৰিছে। এই মহাকাব্যখনৰ আৰম্ভণিত আপুনি ৰঘুবংশীয় ৰজাসকলৰ সাধাৰণ গুণাৱলীৰ কথা জানিব পাৰিব। ৰজা দিলীপৰ পত্নী সুদক্ষিণাৰ কথাও জানিব পাৰিব। দিলীপে সুদক্ষিণাক লগত লৈ বশিষ্ঠ মুনিৰ আশ্ৰমলৈ যাত্ৰা কৰাৰ দৃশ্যও আপুনি অধ্যয়ন কৰিব পাৰিব। সুৰভিৰ কন্যা নন্দিনীক সেৱা-শুশ্ৰূষা কৰি দিলীপ আৰু সুদক্ষিণাই নন্দিনীৰ পৰা পুত্ৰ লাভৰ বৰ লাভ কৰাৰ বিষয়েও আপুনি অধ্যয়ন কৰিব পাৰিব।

১১.৪.১ মহাকাব্য হিচাপে *ৰঘুবংশম্*

আপুনি *ৰঘুবংশ*ৰ কথা জানিলে। এইখন এখন মহাকাব্য। আপুনি আগতে পাইছে মহাকাব্যৰ কিছুমান সাধাৰণ লক্ষণ আছে। আপুনি ইয়াত সেই লক্ষণসমূহ *ৰঘুবংশ*তো যে সুন্দৰকৈ ৰূপায়িত হৈছে সেইটো অধ্যয়ন কৰিব পাৰিব।

মহাকাব্যৰ বিষয়বস্তুৰ বৰ্ণনা সৰ্গত বিভক্ত হ'ব লাগে। সৰ্গ শব্দৰ অৰ্থটোৱেই হৈছে সৃষ্টি। কবিৰ কাব্য সৃষ্টিৰ অধ্যায়ক 'সৰ্গ' বুলি কোৱা হৈছে। আপুনি জানিব যে *ৰঘুবংশ* মহাকাব্যৰ বিষয়বস্তুৰ বিৱৰণ সৰ্গত বিভক্ত। এই মহাকাব্যখনত মুঠতে ঊনৈশটা সৰ্গ আছে।

ৰঘুবংশ মহাকাব্যখনত ৰঘু বা ইক্ষ্বাকু বংশীয় ঊনত্ৰিশজন ৰজাৰ বিৱৰণ আছে। এই আটাইকেইজন ৰজা একেটা প্ৰখ্যাত বংশৰ আৰু বিশেষ গুণেৰে বিভূষিত। তেওঁলোক ক্ষত্ৰিয়, বীৰ, ধীৰ-স্থিৰ, ন্যায়পৰায়ণ, উদাৰ, দয়াশীল আৰু যশস্বী। *ৰঘুবংশ* মহাকাব্যখনৰ মুখ্য ৰস শৃঙ্গাৰ আৰু পৰিৱেশৰ সাপেক্ষত বীৰ, কৰুণ ৰসৰো সমাবেশ ঘটোৱা হৈছে। মহাকাব্যৰ কাহিনীৰ অগ্ৰগতিত নাটকৰ দৰে পঞ্চসন্ধি থাকিব লাগে। *ৰঘুবংশ* মহাকাব্যৰ বিৱৰণ পাঁচবিধ সন্ধিৰ মাজেৰে ক্ৰমে পৰিণতিৰ ফালে আগবাঢ়ি গৈছে।

ৰঘুবংশ মহাকাব্যখনৰ মূল কাহিনী *ৰামায়ণ* আৰু বিভিন্ন পু�ৰাণৰ পৰা সংগ্ৰহ কৰা হৈছে। মহাকাব্যখনত মানুহৰ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ সাধনৰ প্ৰতি লক্ষ্য ৰখা হৈছে। সৰ্গত বৰ্ণনা কৰা বিষয়বস্তুৰ আধাৰত সৰ্গবোৰৰ নামকৰণ কৰা হৈছে। গোটেইখন মহাকাব্যৰ বৰ্ণনীয় মুখ্য বিষয়ৰ আধাৰত ইয়াৰ নাম ৰখা হৈছে *ৰঘুবংশ*। কাৰণ মহাকবি কালিদাসে কৈছে যে ৰঘুসকলৰ বংশৰ বৰ্ণনা পৰিবেশন কৰাটোৱেই হৈছে তেওঁৰ মুখ্য উদ্দেশ্য।

মহাকাব্যৰ প্ৰতিটো সৰ্গৰ শেষত পৰৱৰ্তী সৰ্গৰ বৰ্ণনীয় বিষয়ৰ আভাস দিব লাগে। আমি দেখিবলৈ পাওঁ যে *ৰঘুবংশ* মহাকাব্যখনৰ প্ৰত্যেক সৰ্গৰ অন্তত পৰৱৰ্তী সৰ্গৰ বিষয়বস্তুৰ আভাস দিয়া হৈছে। এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি যে প্ৰথম সৰ্গৰ শেষত স্পষ্ট আভাস পোৱা যায় যে দ্বিতীয় সৰ্গত ৰজা দিলীপে নন্দিনীক বন্দনা আৰু শুশ্ৰূষা কৰিব। ঠিক তেনেদৰে পঞ্চম সৰ্গৰ শেষত ষষ্ঠ সৰ্গত যে ইন্দুমতীৰ স্বয়ম্বৰৰ বৰ্ণনা কৰা হ'ব তাৰ স্পষ্ট আভাস পোৱা যায়।

আপুনি এইটো জানে যে মহাকাব্যৰ প্ৰত্যেক সৰ্গৰ অন্তত ছন্দৰ পৰিবৰ্তন থাকিব লাগে। আমি *ৰঘুবংশ* মহাকাব্যখনৰ প্ৰতিটি সৰ্গৰ শেষত ছন্দৰ পৰিবৰ্তন দেখিবলৈ পাওঁ। এই প্ৰসংগত প্ৰথম সৰ্গৰ প্ৰথম ৯৪টা শ্লোকৰ ছন্দ অনুষ্টুপ আৰু ৯৫ সংখ্যক শ্লোকটো প্ৰহৰ্ষিণী ছন্দত ৰচিত হোৱা কথাটোৰ উল্লেখ কৰিব পাৰি। তেনেদৰে মহাকাব্যখনৰ প্ৰত্যেকটো সৰ্গত ছন্দ প্ৰয়োগৰ এই নিয়ম মানি চলা হৈছে। আকৌ, মহাকাব্যত কেতিয়াবা একো একোটা সৰ্গ বিভিন্ন ছন্দতো ৰচিত হ'ব পাৰে বুলিও কোৱা হৈছে। *ৰঘুবংশ* মহাকাব্যত এই লক্ষণো আছে। উক্ত কাব্যৰ পঞ্চম সৰ্গৰ পদ্যসমূহ ইন্দ্ৰবজ্ৰা, উপেন্দ্ৰবজ্ৰা, বসন্ততিলক, মালিনী আৰু পুষ্পিতাগ্ৰা আদি বেলেগ বেলেগ ছন্দত ৰচিত। এতেকে ক'ব পাৰি যে সৰ্গবোৰত ছন্দ প্ৰয়োগৰ বৈশিষ্ট্য *ৰঘুবংশত* বিদ্যমান।

ৰঘুবংশৰ পঞ্চম সৰ্গত ৰাতিপুৱাৰ বৰ্ণনা, সপ্তম সৰ্গত ৰণ আৰু বিবাহ, নৱম সৰ্গত মৃগয়া, ষোড়শ সৰ্গত ঋতু, ঊনবিংশ সৰ্গত সম্ভোগশৃঙ্গাৰ আদিৰ বৰ্ণনাই সৌষ্ঠৱ বঢ়াইছে। তদুপৰি এনেকুৱা দৃশ্যৰ বিৱৰণ মহাকাব্যত থাকিব লাগে বুলিও কোৱা হৈছে।

ৰঘুবংশ মহাকাব্যৰ বিষয়বস্তু *ৰামায়ণ*, পুৰাণ আদি প্ৰসিদ্ধ গ্ৰন্থৰ পৰা গৃহীত হৈছে। মহাকাব্যখনৰ আৰম্ভণিত শিৱ আৰু পাৰ্বতীক প্ৰাৰ্থনা জনাই কালিদাসে *ৰঘুবংশৰ* মাহাত্ম্য বৰ্ণনা কৰিছে। মূল বিষয়বস্তুৰ আধাৰত মহাকাব্যখনৰ নামকৰণ কৰা হৈছে আৰু সৰ্গত বৰ্ণিত বিষয়ক কেন্দ্ৰ কৰি প্ৰত্যেকটো সৰ্গৰ নামকৰণ কৰা হৈছে। সকলো পিনৰ পৰাই দেখা যায় যে আলংকাৰিকসকলে নিৰ্দিষ্ট কৰি দিয়া মহাকাব্যৰ লক্ষণসমূহ *ৰঘুবংশ* মহাকাব্যত বিদ্যমান।



জানি থোৱা ভাল

- ছন্দ ঃ আৱৰণাৰ্থক 'ছদি' ধাতুৰ পৰা ছন্দ শব্দৰ উৎপত্তি হৈছে।
- অনুষ্টুপ, মালিনী, প্ৰহৰ্ষিণী, ইন্দ্ৰবজ্ৰা, উপেন্দ্ৰবজ্ৰা, বসন্ত তিলক, পুষ্পিতাগ্ৰা— এইবোৰ সংস্কৃতৰ একো একোটা ছন্দৰ নাম। পুষ্পিতাগ্ৰা ছন্দ অৰ্দ্ধসম আৰু বাকীবোৰ ছন্দ সমবৃত্তৰ। যি ছন্দৰ প্ৰথম আৰু তৃতীয় চৰণ; দ্বিতীয় আৰু চতুৰ্থ চৰণৰ বৰ্ণৰ সংখ্যা সমান তাক অৰ্দ্ধসমবৃত্ত বোলে। যি ছন্দৰ চাৰিওটা চৰণৰ বৰ্ণৰ সংখ্যা সমান সেইবোৰক সমবৃত্ত বোলে।

১১.৪.২ *ৰঘুবংশ* মহাকাব্যৰ আধাৰ গ্ৰন্থ

আপুনি ইয়াত *ৰঘুবংশ* মহাকাব্যখনৰ আধাৰ গ্ৰন্থৰ কথা জানিব পাৰিব। *ৰামায়ণ*ৰ পৰা *ৰঘুবংশ* মহাকাব্যৰ বিষয়বস্তু সংগ্ৰহ কৰিছে বুলি ক'ব পাৰি। কাৰণ, দশৰথৰ পুত্ৰ ৰাম-লক্ষ্মণৰ কাহিনী *ৰামায়ণ*ৰ পৰা সংগৃহীত। কিন্তু, আপুনি জানে যে *ৰঘুবংশ* মহাকাব্যত ৰঘু, দিলীপ, অজ আৰু দশৰথৰ কাহিনীও বৰ্ণিত হৈছে। কিন্তু মহাকাব্যখনত আদিত থকা কেইটামান সৰ্গৰ আৰু পাছৰ কেইটামান সৰ্গৰ কাহিনী *ৰামায়ণত* নাই। কালিদাসে সেইবোৰৰ বিষয়বস্তু বেলেগ বেলেগ পু�ৰাণৰ পৰা সংগ্ৰহ কৰিছে।

*ৰঘুবংশ*ৰ কাহিনী বিশ্লেষণৰ পৰা দেখা যায় যে প্ৰথমৰ পৰা অষ্টম সৰ্গলৈকে বৰ্ণিত বিষয় *পদ্মপুৰাণ*ৰ আধাৰত ৰচিত আৰু তাত পোৱা ইক্ষ্বাকু বংশৰ ৰজাসকলৰ কাহিনী *বিষ্ণুপুৰাণ, বায়ুপুৰাণ* আদিৰ পৰা সংগৃহীত। মহাকাব্যখনৰ নৱমৰ পৰা পঞ্চদশ সৰ্গৰ কাহিনী *ৰামায়ণ*ৰ চিত্ৰিত কাহিনীৰ অনুৰূপ। আকৌ, ষোড়শ সৰ্গৰ পৰা ঊনবিংশ সৰ্গৰ কাহিনী পুৰাণৰ আধাৰত চিত্ৰিত কৰিছে মহাকবিয়ে।

ৰঘুবংশ মহাকাব্যখনৰ প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ সৰ্গৰ কাহিনীৰ সৈতে *পদ্মপুৰাণ*ৰ পাতাল খণ্ডৰ কাহিনীৰ সাদৃশ্য থকা দেখিবলৈ পোৱা যায়। দিলীপৰ বিৱৰণ, সুদক্ষিণাৰ লগত তেওঁৰ বিবাহ, নন্দিনীৰ শুশ্ৰূষাত দিলীপৰ ব্ৰত, নন্দিনীৰ পৰা দিলীপৰ বৰ লাভ, ৰঘুৰ জন্ম, ৰঘুৰ বিজয় কাহিনী বিস্তৃতভাৱে *পদ্মপুৰাণ*ৰ উক্ত খণ্ডবোৰত বৰ্ণিত হৈছে। দিলীপৰ শাৰীৰিক অংগৰ বিৱৰণৰ প্ৰসংগতো *পদ্মপুৰাণ*ৰ লগত *ৰঘুবংশম্* মহাকাব্যৰ সাদৃশ্য দেখা যায়। দিলীপৰ অপুত্ৰকতাৰ কথাখিনিৰ লগতো *পদ্মপুৰাণ*ৰ বিষয়বস্তুৰ সাদৃশ্য বিচাৰি পোৱা যায়। মন্ত্ৰীসকলৰ ওপৰত ৰাজ্যৰ দায়িত্ব দি ৰজাৰ সুদক্ষিণাক লগত লৈ বশিষ্ঠ মুনিৰ আশ্ৰমলৈ গমন আৰু গধূলি আশ্ৰমত উপস্থিত হোৱা আদি কথাৰ লগতো *পদ্মপুৰাণ*ৰ বিষয়বস্তুৰ লগত মিল থকা দেখা যায়। আটাইতকৈ মন কৰিবলগীয়া কথা এয়ে যে স্বৰ্গ ৰাজ্যৰ পৰা ৰাজধানীলৈ উভতি আহোতে সুৰভিয়ে দিলীপক অভিশাপ দিয়াৰ কথা, দিলীপে সেই অভিশাপ নুশুনাৰ কাৰণ আদিৰ কথা *পদ্মপুৰাণ*ৰ পাতাল খণ্ডৰ পঞ্চম অধ্যায়ৰ ২৪-২৯ শ্লোকত বৰ্ণিত বিষয়ৰ লগত সম্পূৰ্ণকৈ মিলে। গতিকে ক'ব পাৰি যে, কালিদাসে *ৰঘুবংশ* মহাকাব্যখনৰ মূল বিষয়বস্তু *ৰামায়ণ* আৰু *পদ্মপুৰাণ* ৰ পৰা সংগ্ৰহ কৰিছে। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে ৰামৰ কাহিনীৰ লগত যুক্ত কথাবস্তু মহাকবি কালিদাসে *ৰামায়ণ*ৰ পৰা সংগ্ৰহ কৰি কাব্যৰূপ দান কৰিছে। গতিকে কোৱা হয় যে কালিদাসে বিভিন্ন পুৰাণ আৰু *ৰামায়ণ*ক আধাৰগ্ৰন্থ হিচাপে লৈ *ৰঘুবংশ* মহাকাব্যখন ৰচনা কৰিছে।

১১.৪.৩ মহাকাব্যখনৰ নামকৰণ

মহাকবি কালিদাস আদিকবি বাল্মীকিৰ কবিত্ব প্ৰতিভাৰ প্ৰতি বিশেষভাৱে

আকৃষ্ট। কালিদাসে তেওঁৰ ৰচনাত আদিকবিক সশ্ৰদ্ধ ভক্তি নিবেদন কৰাও দেখা যায়। বাল্মীকিৰ *ৰামায়ণত* 'ৰঘুবংশস্য চৰিতম্' অৰ্থাৎ ৰঘুৰ বংশৰ চৰিত বুলি *ৰামায়ণখনকে* বুজোৱা হৈছে। ৰজা দিলীপে অশেষ সাধনা আৰু ব্ৰত পালন কৰি ৰঘুক লাভ কৰিছিল। সেই ৰঘুৱেই সময়ৰ মূৰত ৰাজ্য বিস্তাৰ কৰি বিশাল কীৰ্তিৰ অধিকাৰী হৈছিল। *ৰঘুবংশ* মহাকাব্যত দিলীপৰ পৰা অগ্নিবৰ্ণলৈকে নৰপতিসকলৰ কীৰ্তিৰ বিৱৰণ পোৱা যায়। সেই ৰজাসকলৰ ভিতৰত ৰাজ্য অভিযান আৰু ৰাজকীয় কৰ্মৰ দিশৰ পৰা ৰঘুৱেই বিশেষ যশস্যাৰ অধিকাৰী। দিলীপৰ পুত্ৰ ৰঘু ক্ষত্ৰিয়ৰ গুণেৰে ভূষিত সৰ্বাগ্ৰণী নৰপতি। গতিকে শ্ৰেষ্ঠজনৰ নামেৰেই মহাকাব্যৰ নামকৰণ কৰাটো স্বাভাৱিক। ৰঘুৰ বংশত জন্ম লোৱাজনক ৰাঘৱ বোলা হয় আৰু ৰাঘৱ পদৰ দ্বাৰা আমি ৰামকহে বুজি পাওঁ।

বাল্মীকিয়ে 'ৰঘুবংশ' শব্দটো *ৰামায়ণত* কেইবাবাৰো ব্যৱহাৰ কৰিছে। বাল্মীকিৰ দ্বাৰা প্ৰভাৱিত হৈ কালিদাসে মহাকাব্যখনৰ *ৰঘুবংশ* এই নামকৰণ কৰিছে।

১১.৪.৪ *ৰঘুবংশৰ* প্ৰথম সৰ্গৰ প্ৰত্যেকটি শ্লোকৰ বিষয়বস্তুৰ আভাস

মহাকবি কালিদাসে *ৰঘুবংশৰ* প্ৰথম সৰ্গৰ প্ৰথম শ্লোকত পাৰ্বতী আৰু পৰমেশ্বৰক প্ৰণিপাত জনাইছে। কবিয়ে নিজৰ অহংকাৰ ত্যাগ কৰি পূৰ্বজ কবিসকলৰ বৰ্ণনাৰ পথ অনুসৰণ কৰি ৰঘুৰ বংশত ওপজা ৰজাসকলৰ বৰ্ণনা পৰিবেশন কৰিবলৈ হেঁপাহ প্ৰকাশ কৰিছে (২-৪ৰ্থ শ্লোক)।

পঞ্চমৰ পৰা নৱম শ্লোকত ৰঘুৰ বংশৰ পবিত্ৰতা, শুচিতা আৰু দণ্ডপ্ৰণয়নত ন্যায়পৰায়ণতাৰ কথা কোৱা হৈছে। কাব্যৰ দোষ-গুণ বিচাৰত জ্ঞানীসকলৰ ওপৰতেই দায়িত্ব ন্যস্ত কৰি মহাকবিয়ে কৈছে যে বিৱস্বৎ পুত্ৰ মনুৰ পৰাই ৰঘুকুলৰ উৎপত্তি আৰু সেই বংশতেই ৰজা দিলীপৰ আবিৰ্ভাৱ (১০-১২ শ্লোক)। ত্ৰয়োদশৰ পৰা পঞ্চদশ শ্লোকলৈকে ৰজা দিলীপৰ শাৰীৰিক বল-বীৰ্য, সুগঠন আৰু জ্ঞানৰ আভাস দিয়া হৈছে। ৰজা দিলীপৰ ৰাজ্য চালনাৰ দক্ষতা আৰু তেওঁৰ ৰাজ্যত পৰিচালিত কৰ-কাটলৰ ব্যৱস্থাৰ বিষয়ে ষোড়শৰ পৰা অষ্টাদশ শ্লোকৰ পৰা জানিব পাৰি। ৰজা দিলীপৰ বুদ্ধি আৰু ধনু-শৰেই ৰাজ্যত অৰ্থ সাধনৰ কাৰণে যথেষ্ট আছিল; সৈন্যবল তেওঁৰ ভূষণস্বৰূপহে আছিল— এয়ে ঊনবিংশ শ্লোকৰ বিষয়বস্তু।

ৰজা দিলীপে মন্ত্ৰণা নকৰাকৈ কোনো ৰাজকাৰ্য হাতত লোৱা নাছিল। কাৰ্য ফলৱতী নোহোৱালৈকে আনে ৰাজকাৰ্যৰ বিষয়ে একো বুজিব পৰা নাছিল— এয়ে একবিংশ শ্লোকৰ আলোচ্য বিষয়। দিলীপৰ আচৰণ, ব্যক্তিগত গুণৰাজি আৰু ৰাজ্য পৰিচালনাত তেওঁৰ দক্ষতা আৰু তেওঁৰ জ্ঞানৰ প্ৰশংসা আদি বিষয় আমি ২১-২৪ শ্লোক অধ্যয়ন কৰি জানিব পাৰো। ৰাজ্যত সুশাসন, প্ৰজাপালন আদিৰ বিষয়ে কবিয়ে ২৫শৰ পৰা ৩৩শ শ্লোকত বৰ্ণনা কৰিছে।

ৰজা দিলীপ অপুত্ৰক আছিল। ব্ৰত আদি পালন কৰি তেওঁ পুত্ৰ লাভৰ ইচ্ছা কৰি গুৰু বশিষ্ঠ মুনিৰ আশ্ৰমলৈ যাবলৈ ইচ্ছা কৰিলে। ৰাণী সুদক্ষিণাকো লগত লৈ যাবলৈ ৰথেৰে যাত্ৰা কৰিলে। ৩৪শ শ্লোকৰ পৰা ৪৮শ শ্লোকত এই বিষয়ৰ বৰ্ণনা পোৱা যায় আৰু সেই প্ৰসংগত ৰাজধানীৰ পৰা আশ্ৰমলৈ যোৱাৰ পথৰ বিশদ বিৱৰণো কবিয়ে সুন্দৰকৈ দিছে।

ইয়াৰ পিছত বশিষ্ঠ মুনিৰ আশ্ৰমৰ বিৱৰণ আৰু লগতে ৰজা দিলীপ আৰু সুদক্ষিণাৰ ৰথৰ পৰা অৱতৰণৰ কথা সুন্দৰকৈ বৰ্ণনা কৰা হৈছে। ৰজাই গধূলি পৰত বশিষ্ঠ মুনিক দৰ্শন কৰিলে আৰু মুনিয়ে ৰজাক ৰাজ্যৰ কুশল বাতৰি সোধাত ৰজাই সকলো কথা বিৱৰি ক'লে (শ্লোক সংখ্যা ৫৬-৬৪)। ৬৫-৭২ সংখ্যক শ্লোকবোৰত দিলীপে অপুত্ৰকতাৰ বাবে খেদ প্ৰকাশ কৰি পুত্ৰ লাভৰ উপায় বিচাৰি মুনিক প্ৰাৰ্থনা জনালে। ৭৩ শ্লোকৰ পৰা ৮০ সংখ্যক শ্লোকলৈকে মুনিয়ে ধ্যানত দিলীপৰ অপুত্ৰকতাৰ কাৰণ অৱগত হৈ ৰজাক জনালে। সুৰভিক তুষ্ট কৰিব পাৰিলে দিলীপে পুত্ৰ সন্তান লাভ কৰিব বুলিও ৰজাক ক'লে। সুৰভি তেতিয়া পাতালত থকাত মুনিয়ে সুৰভি কন্যা নন্দিনীক পত্নীৰে সৈতে দিলীপক সেৱা-অৰ্চনা কৰিবলৈ আদেশ দিলে। এই প্ৰসংগত নন্দিনীৰ বৰ্ণনা পোৱা যায় ৮১ৰ পৰা ৮৪ সংখ্যক শ্লোকত। ৮৫-৮৭ সংখ্যক শ্লোকত নন্দিনীৰ আগমনৰ বিৱৰণ পোৱা যায়। ৰজাই কেনেদৰে নন্দিনীক শুশ্ৰূষা কৰিব; নন্দিনীক কেনেদৰে দিলীপে অনুসৰণ কৰিব লাগিব এই আটাইখিনি কথা ৮৮ শ্লোকৰ পৰা ৯১ সংখ্যক শ্লোকত বৰ্ণিত হৈছে। দিলীপে সুদক্ষিণাৰে সৈতে মুনিৰ আদেশ শ্ৰদ্ধাৰে গ্ৰহণ কৰিলে আৰু মুনিৰ আদেশত নিশাটো কুশশয্যাত শয়ন কৰিলে— এই কথা ৯২ শ্লোকৰ পৰা ৯৫ সংখ্যক শ্লোকত বৰ্ণিত হৈছে।

১১.৪.৫ *ৰঘুবংশৰ* দ্বিতীয় সৰ্গৰ প্ৰত্যেকটি শ্লোকৰ বিষয়বস্তুৰ আভাস

এতিয়া আপুনি *ৰঘুবংশম্* মহাকাব্যৰ দ্বিতীয় সৰ্গৰ শ্লোকসমূহৰ বিষয়বস্তুৰ আভাস পাব।

ৰাতিপুৱা নন্দিনীয়ে পোৱালিক গাখীৰ খোৱালত পোৱালিটো বান্ধি থৈ ৰজাই গাইজনীক হাবিলৈ চৰাবলৈ লৈ গ'ল আৰু ৰাণী সুদক্ষিণাও বহুদূৰ বাট আগুৱাই থৈ গ'ল (১-২ শ্লোক)। ৰাণীক আশ্ৰমলৈ উভতাই পঠিয়াই ৰজাই নিজে নন্দিনীক ৰক্ষা কৰিবলৈ ধৰিলে। দিলীপ আত্মৰক্ষাত সক্ষম কাৰণেই তেওঁ দেহৰক্ষীবোৰকো বিদায় দিলে (৩-৪ শ্লোক)।

ৰজাই নন্দিনীক ছাঁৰ দৰে অনুসৰণ কৰিবলৈ ধৰিলে আৰু সুস্বাদু ঘাঁহ খাবলৈ দিয়াৰ উপৰিও গা ধুৱাই ডাঁহ-মহ আদি আঁতৰাই শুশ্ৰূষা কৰিবলৈ ধৰিলে। অক্লান্তভাৱে ৰজাই নন্দিনীৰ শুশ্ৰূষাত আত্মনিয়োগ কৰিলে। হাবিত নন্দিনীক শুশ্ৰূষা কৰাৰ সময়ছোৱাত

বনৰ শোভা, বনৰীয়া চৰাই, হৰিণাবোৰৰ দৃশ্য আৰু সুন্দৰ সুন্দৰ গছ-গছনিৰ ছাঁত ৰজাৰ দেহ জুৰ পৰাৰ কথা বৰ্ণনা কৰা হৈছে ৫-১৩ সংখ্যক শ্লোকত। বনাঞ্চলৰ শান্ত পৰিবেশ আৰু ৰজাই গাইজনীক গা ধুৱাই আহাৰ আদিৰে শুশ্ৰূষা কৰি গধূলিপৰত আশ্ৰমলৈ উভতি অহাৰ কথা ১৪ আৰু ১৫ সংখ্যক শ্লোকত পোৱা যায়। আশ্ৰমলৈ প্ৰত্যাবৰ্তন কৰোঁতে ৰজাই শ্যামল বননি, পুখুৰীৰ পৰা ওলাই অহা গাহৰি, ম'ৰা চৰাই আৰু হৰিণা আদিৰ দৃশ্য দেখি আনন্দ লাভ কৰাৰ কথা ১৭ সংখ্যক শ্লোকত পোৱা যায়। ভূষণবিহীন ৰজাৰ গুৰু-গম্ভীৰ খোজ আৰু নন্দিনীৰ ধীৰ গতিয়ে যেন বাটৰ শোভা বঢ়াইছিল— এনেদৰে মহাকবি কালিদাসে ১৮ সংখ্যক শ্লোকত বৰ্ণনা কৰিছে।

ইপিনে ধৰ্মপত্নী সুদক্ষিণা আশ্ৰমৰ প্ৰৱেশ পথত অপেক্ষা কৰি থকা আৰু নন্দিনীৰ আগমনত আখৈৰ পাত্ৰ লৈ নন্দিনীক প্ৰদক্ষিণ কৰি প্ৰণাম কৰা, শিং দুটাৰ মাজৰ কপালৰ অংশ শ্ৰদ্ধাৰে অৰ্চনা কৰা আৰু নন্দিনীয়েও ধীৰ-স্থিৰভাৱে সুদক্ষিণাৰ সেই পূজা গ্ৰহণৰ কথা ১৯-২২ সংখ্যক শ্লোকত পোৱা যায়। দিলীপেও বশিষ্টমুনিৰ চৰণ বন্দনা কৰি পোৱালিটোক গাখীৰ খুৱাই নন্দিনীক আকৌ প্ৰণাম কৰিছিল। সুদক্ষিণা আৰু দিলীপে গাইজনীলৈ বন্তিগছ জ্বলাই কাষত বহিছিল। নন্দিনী টোপনি যোৱাত তেওঁলোকো টোপনি গৈছিল আৰু ৰাতিপুৱা গাইজনী সাৰ পোৱাত তেওঁলোকো সাৰ পাইছিল। পুত্ৰ লাভৰ আশাত ৰজা আৰু ৰাণীয়ে এইদৰে একৈশদিন জুৰি নন্দিনীৰ শুশ্ৰূষা কৰিছিল— এই কথাখিনি বৰ্ণনা কৰা হৈছে ২৩-২৫ সংখ্যক শ্লোকত।

দিলীপৰ শ্ৰদ্ধা-ভক্তিৰ পৰীক্ষা লোৱাৰ বাবে নন্দিনীৰ পৰ্বতৰ গুহাত প্ৰৱেশ আৰু গাইজনীৰ ওপৰত অকস্মাৎ সিংহ এটাৰ আক্ৰমণত আৰ্তনাদ কৰি উঠা গাইজনীক বচাবলৈ দিলীপ সষ্টম হোৱাৰ কথা ২৬-২৯ সংখ্যক শ্লোকত পোৱা যায়।

ৰজা দিলীপে তূণীৰৰ পৰা শৰ উলিয়াই সিংহটোক প্ৰহাৰ কৰিবলৈ যাওঁতে ৰজাৰ হাত তূণীৰতেই লাগি ধৰিলে। তেতিয়াই সিংহ আৰু ৰজাৰ মাজত কথোপকথন আৰম্ভ হ'ল— এয়া ৩০-৫৭ সংখ্যক শ্লোকৰ মূল কথা। ৰজাই সিংহটোক প্ৰাৰ্থনা জনালে যাতে সিংহটো তেওঁৰ প্ৰতি দয়ালু হয় আৰু তেওঁক সংকটৰ পৰা উদ্ধাৰ কৰে। ৰজাৰ প্ৰাৰ্থনাত সিংহ সন্তুষ্ট হ'ল আৰু সিংহটোৱে 'তথাস্তু' বুলি কোৱাত ৰজাৰ হাতখন তূণীৰৰ পৰা মুক্ত হ'ল— এই কথা ৫৮ সংখ্যক শ্লোকত কোৱা হৈছে। নন্দিনীয়ে দিলীপৰ শ্ৰদ্ধা আৰু ভক্তিৰ পৰীক্ষা ৰজাৰ শুশ্ৰূষাত সন্তুষ্ট হৈ তেওঁক পুত্ৰ লাভৰ বাবে বৰ প্ৰদান কৰাৰ কথা বননিৰ পৰা উভতি আহি বশিষ্ঠ মুনিক বৰ দানৰ কথা জনোৱা, পিচদিনা ৰাতিপুৱা ৰজা আৰু ৰাণীৰ ৰাজধানীলৈ প্ৰত্যাবৰ্তনৰ বিৱৰণ আৰু দিলীপৰ আকৌ ৰাজ্য শাসনৰ দায়িত্ব গ্ৰহণৰ কথা ৫৮-৭৪ সংখ্যক শ্লোকত বৰ্ণিত হৈছে। ৰাণী সুদক্ষিণাৰ গৰ্ভধাৰণৰ কথা ৭৫ সংখ্যক শ্লোকত কোৱা হৈছে আৰু তাতেই দ্বিতীয় সৰ্গৰ ওৰ পৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মহাকবি কালিদাস আৰু তেওঁৰ কাব্যকৃতিৰ চমু পৰিচয় দিয়ক। (৭৫টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ২ ঃ মহাকাব্য হিচাপে *ৰঘুবংশৰ* সাৰ্থকতাৰ বিষয়ে চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৩ ঃ *ৰঘুবংশ* মহাকাব্যৰ প্ৰথম সৰ্গৰ বিষয়বস্তুৰ ওপৰত চমুকৈ টোকা এটি লিখক। (১৫০টা শব্দৰ ভিতৰত)

১১.৪.৬ *ৰঘুবংশৰ* প্ৰথম সৰ্গৰ সাৰাংশ

মহাকবি কালিদাসে মহাকাব্যখনৰ আৰম্ভণিত শিৱ আৰু পাৰ্বতীক প্ৰণিপাত জনাই সূৰ্যবংশীয় ৰজাসকলৰ গুণানুকীৰ্তন কৰিছে। এই প্ৰসংগত কোৱা হৈছে যে উক্ত বংশৰ আদিপুৰুষ হ'ল বৈবস্বত মনু। এই বংশত জন্মগ্ৰহণ কৰে দিলীপে। দিলীপ বৰ ধৰ্মপৰায়ণ আৰু আদৰ্শ নৰপতি আছিল। তেওঁ বৰ দয়ালু আৰু সুনিপুণ শাসক হিচাপে সকলোৰে শ্ৰদ্ধাভাজন আছিল। প্ৰজাসকলক নিজৰ পুত্ৰৰ দৰে মৰম কৰিছিল আৰু প্ৰজাৰ শিক্ষা-দীক্ষাৰ সকলো দায়িত্বও গ্ৰহণ কৰিছিল। দিলীপ সকলো গুণেৰে ভূষিত আছিল। তেওঁৰ সহধৰ্মিণী মগধ-ৰাজকুমাৰী সুদক্ষিণাও সৰ্বগুণ-সম্পন্না আছিল। কিন্তু ৰজা অপুত্ৰক হোৱা হেতুকেই বিশাল সাম্ৰাজ্যয়ো তেওঁৰ মনত শান্তি দিব পৰা নাছিল। তেওঁ তেওঁৰ অপুত্ৰকতাৰ কাৰণ জানিবলৈ কুলগুৰু বশিষ্ঠ মুনিৰ আশ্ৰমলৈ যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই কাৰণেই মন্ত্ৰীসকলৰ ওপৰত ৰাজ্যৰ দায়িত্ব অৰ্পণ কৰি ৰথেৰে ৰজা আৰু ৰাণী বশিষ্ঠ মুনিৰ আশ্ৰমলৈ যাত্ৰা কৰিছিল। আশ্ৰমলৈ গৈ থাকোতে বাটৰ দুইকাষে থকা গছ-পদূলি পোৱাৰ পিছত ঋষিৰ শিষ্যসকলে দিলীপ আৰু সুদক্ষিণাক সাদৰ-অভ্যৰ্থনা জনাই আশ্ৰমৰ ভিতৰলৈ আদৰি নিছিল। পিচত গধূলি পৰৰ আশ্ৰমৰ ক্ৰিয়া কলাপৰ পিছত ৰজা আৰু ৰাণীয়ে মুনিবৰক ভক্তিপূৰ্ণ প্ৰণাম নিবেদন কৰিছিল। মুনিয়ে ৰজাক ৰাজ্যৰ কুশল বাতৰি সুধিছিল। ৰজাই ৰাজ্যৰ সকলো কুশল বৃত্তান্ত মুনিক অৱগত কৰাইছিল। তাৰ পিছত ৰজাই মুনিক তেওঁৰ অনপত্যতাৰ কথা জ্ঞাপন কৰিছিল। তেতিয়া মুনিয়ে ধ্যানত জানিব পাৰিছিল যে ইন্দ্ৰৰ কাৰ্য সম্পাদন কৰি দিলীপ ৰাজ্যলৈ উভতি আহোতে বাটত সুৰভিক অৱহেলা কৰাৰ বাবেই গাইজনীয়ে ৰজাক অভিশাপ দিছিল। তেনেকুৱা অৱস্থাত সুৰভিক শুশ্ৰূষা কৰি সন্তুষ্ট নকৰিলে ৰজা পুত্ৰ লাভৰ পৰা বঞ্চিত থাকিব। বশিষ্ঠৰ পৰা ৰজাই জানিছিল যে সেই সময়ত সুৰভি পাতালত আৱদ্ধ থকাত সুৰভিৰ কন্যা নন্দিনীক যথাবিধি শুশ্ৰূষা কৰিলেহে ৰজাৰ পুত্ৰ লাভৰ আশা ফলৱতী হ'ব। এইদৰে কথা পাতি থাকোঁতে নন্দিনী হাবিৰ পৰা আশ্ৰমলৈ উভতিছিল

আৰু মুনিয়ে দিলীপক কৈছিল যে ৰজাৰ মনোৰথ পূৰ্ণ হ'ব। তাৰ পিছত মুনিয়ে ৰজা দিলীপক ব্ৰত পালন কৰি নন্দিনীক বন্দনা আৰু শুশ্ৰূষা কৰিবলৈ উপদেশ দিছিল। ৰজা আৰু ৰাণীৰ বাবে পৰ্ণকুটীৰত কুশশয্যা নিৰ্মাণ কৰাইছিল আৰু মুনিৰ আদেশত দিলীপ আৰু সুদক্ষিণা সেই শয্যাত ৰাতি শয়ন কৰিবলৈ প্ৰৱেশ কৰিছিল আৰু পুৱতি নিশা স্তুতি পাঠৰ ধ্বনিত শয্যা ত্যাগ কৰিছিল।

১১.৪.৭ *ৰঘুবংশৰ* দ্বিতীয় সৰ্গৰ সাৰাংশ

দিলীপে নন্দিনীৰ পোৱালিটোক গাখীৰ খুৱাই বান্ধি থৈ গাইজনীক পথাৰলৈ চৰাবলৈ বুলি লৈ গৈছিল। সুদক্ষিণাই গাইজনীক গন্ধ-মাল্য আদিৰে অৰ্চনা কৰিছিল। নন্দিনীৰ খোজত নিৰ্গত পবিত্ৰ ধূলিৰ মাজেৰে সুদক্ষিণাও গৈছিল। পিচত দিলীপে ধৰ্মপত্নী সুদক্ষিণাক উভতি যাবলৈ কৈছিল। ৰজাই নিজেই নন্দিনীৰ সুৰক্ষা আৰু শুশ্ৰূষাৰ দায়িত্ব গ্ৰহণ কৰিছিল। ৰজাই তেওঁৰ লগত যোৱা দেহৰক্ষীবোৰকো বিদায় দি সুৰভি কন্যাৰ অনুসৰণত আত্মনিয়োগ কৰিছিল।

ৰজাই গাইজনীক মিঠা-কোমল ঘাঁহ খুৱাবলৈ ধৰিছিল আৰু লগতে ডাঁহ-মহ আদি আঁতৰাই সেৱা কৰিবলৈ ধৰিছিল। হাতত ধনুঃশৰ লৈ ৰজাই একনিষ্ঠভাৱে নন্দিনীৰ অনুসৰণ কৰিছিল। নন্দিনীক হাবিলৈ লৈ যাওঁতে বননিৰ গছ-গছনিৰ বিতোপন শোভাই যেন ৰজাক আদৰণিহে জনাইছিল। বনৰ হৰিণাবোৰো বনভূমিত উলাহত বিচৰণ কৰিছিল। বনভূমিৰ লতাকুঞ্জসমূহ পাত আৰু ফুলেৰে সুশোভিত হৈছিল। সূৰ্য অস্তাচলমুখী হোৱাৰ লগে লগে নন্দিনী মুনিৰ আশ্ৰমলৈ বুলি খোজ লৈছিল আৰু ৰজায়ো গাইজনীক অনুসৰণ কৰিছিল। গধূলিপৰত বননিৰ শোভাত ৰজাৰ মন পুলকিত হৈছিল। উপবাস ব্ৰত পালন কৰি সুদক্ষিণা নন্দিনী আৰু ৰজাৰ বাবে বাট চাই আছিল। নন্দিনী আশ্ৰমৰ দুৱাৰমুখ পোৱাৰ লগে লগে সুদক্ষিণাই আখৈৰ পাত্ৰ হাতত ধাৰণ কৰি নন্দিনীক প্ৰদক্ষিণ কৰিছিল। তেতিয়া নন্দিনীয়ে সুদক্ষিণাৰ সেৱা অৰ্চনাত অতিকৈ তুষ্ট হৈছিল।

ৰজা দিলীপে বশিষ্ঠ আৰু অৰুন্ধতীক বন্দনা কৰিছিল আৰু নিজৰ কৰিব-লগীয়াখিনি সম্পন্ন কৰি আকৌ নন্দিনীৰ সকলো কৰ্ম বিধিমতে সম্পাদন কৰি সুদক্ষিণাই শয্যা গ্ৰহণ কৰিছিল আৰু প্ৰত্যুষতে নিয়ম অনুসৰি শোৱাপাটী এৰিছিল। এইদৰে ৰজা দিলীপে পুত্ৰলাভৰ আশাত একৈশ দিনলৈকে নন্দিনীক একেৰাহে নিয়মমতে সেৱা-শুশ্ৰূষা কৰিছিল।

দিলীপৰ ব্ৰত ধাৰণৰ দ্বাবিংশ দিৱসত মুনিৰ গাইজনীয়ে ৰজাৰ শ্ৰদ্ধা-ভক্তিৰ পৰীক্ষা ল'বলৈ হিমালয় পৰ্বতৰ গুহাত প্ৰৱেশ কৰিছিল। ৰজাই পৰ্বতৰ বিতোপন সৌন্দৰ্য চাই থাকোতে সিংহ এটাই মুনিৰ গাইজনীৰ ওপৰত জঁপিয়াই পৰিছিল। নন্দিনীৰ আৰ্তনাদতহে গাইজনীৰ জীৱন বিপদাপন্ন বুলি ৰজাই বুজিব পাৰিছিল। সিংহটোৰ পৰা নন্দিনীক বচাবলৈ দিলীপে তূণীৰৰ পৰা শৰ উলিয়াই নিক্ষেপ কৰিবলৈ খোজোতেই সিংহটোৱে মানুহৰ

দৰে মাতিবলৈ ধৰিছিল যে ৰজাৰ শৰ নিক্ষেপে সিংহটোক একোকে কৰিব নোৱাৰে। কাৰণ শিৱৰ ভৃত্য আৰু নিকুম্ভৰ মিত্ৰ কুম্ভোদৰক পাৰ্বতীপ্ৰিয় শিৱে সিংহৰূপত সেই গুহাত দেৱদাৰু গছজুপিৰ ৰক্ষক হিচাপে নিয়োগ কৰিছে। শিৱৰ আদেশত তাঁলৈ অহা জীৱ-জন্তুক সিংহটোৱে ভক্ষণ কৰি জীৱিকা নিৰ্বাহ কৰিব। গতিকে নন্দিনী সিংহৰ আহাৰ হিচাপে কল্পিত, ইয়াত ৰজাই একো কৰিব নোৱাৰে। দিলীপ শৰ নিক্ষেপৰ পৰা নিবৃত্ত হৈছিল। ৰজাই নিজৰ শৰীৰ সিংহটোৰ আহাৰ হিচাপে নিবেদন কৰিছিল আৰু নন্দিনীক এৰি দিবলৈ কাতৰ প্ৰাৰ্থনা জনাইছিল। সিংহটোৱে নিজৰ দেহ দানৰ পৰা নিবৃত্ত হ'বলৈ ৰজাক কৈছিল আৰু গাইজনীক আক্ৰমণ কৰিছিল। দিলীপে আত্মাহুতিৰে গাইজনীক বচাই বশিষ্ঠ মুনিৰ ধৰ্মাচৰণ অব্যাহত ৰাখিব বুলি কুম্ভোদৰক জনাইছিল। দিলীপে কৈছিল যে যদি সিংহটোৱে ৰজাৰ শৰীৰ দান কৰিব নালাগে বুলি ভাবে তেন্তে তেওঁ ৰজাৰ প্ৰতি কৃপালু হ'ব লাগে— এই বুলি কৈ ৰজাই নিজৰ শৰীৰ সিংহটোলৈ কল্পিত আহাৰৰ বাবে নিবেদন কৰিছিল। তেনেতে বিদ্যাধৰসকলে ৰজাৰ মূৰত পুষ্পবৃষ্টি কৰিবলৈ ধৰিছিল আৰু ৰজাই মূৰ দাঙি সুৰভিকন্যা নন্দিনীক দেখিছিল। তেতিয়া নন্দিনীয়ে যে ৰজাৰ শ্ৰদ্ধাৰ আৰু ভক্তিৰ পৰীক্ষাহে লৈছিল সেইটো দিলীপক কৈছিল। তাৰ পিছত নন্দিনীৰ কথা মতে ৰজাই পুত্ৰ লাভৰ বৰ প্ৰাৰ্থনা কৰিছিল। নন্দিনীয়ে ৰজাক গছৰ পাতেৰে তৈয়াৰ কৰা পাত্ৰত গাইজনীৰ গাখীৰ খীৰাই খাবলৈ উপদেশ দিছিল। ৰজাই বিনীতভাৱে নন্দিনীক জ্ঞাপন কৰিছিল যে পোৱালিটোৱে গাখীৰ খোৱাৰ পিছত আৰু মুনিৰ হোম সম্পাদনৰ অন্তত তেওঁ ঋষিৰ অনুমতি গ্ৰহণ কৰি গাখীৰ খাই ধন্য হ'ব। ৰজাৰ কথাত নন্দিনী অতিকৈ সন্তুষ্ট হৈছিল আৰু গুহাৰ পৰা দিলীপৰ লগত আশ্ৰমলৈ উভতি আহিছিল। আশ্ৰমত উপস্থিত হৈ পোৱালিটোৱে মাতৃৰ গাখীৰ খোৱাৰ পিছত আৰু মুনিৰ হোম আদি অনুষ্ঠানৰ শেষত ৰজাই পবিত্ৰ মনেৰে নন্দিনীৰ গাখীৰ পান কৰিছিল। এই গো-সেৱা ব্ৰত পালনৰ অন্তত পিছদিনাখন প্ৰত্যুষতে মুনিয়ে যথাৰীতি ৰজা-ৰাণীক আশীৰ্বাদ দি ৰাজধানীলৈ উভতি যাবলৈ অনুমতি প্ৰদান কৰিছিল। ৰজা দিলীপে অগ্নি, গুৰু বশিষ্ঠ, অৰুন্ধতী আৰু পোৱালিৰে সৈতে নন্দিনীক প্ৰদক্ষিণ কৰি আশ্ৰমৰ পৰা বিদায় গ্ৰহণ কৰি আনন্দেৰে ৰথত আৰোহণ কৰি ৰাজধানী অভিমুখে যাত্ৰা কৰিছিল। প্ৰজাসকলে ৰজাক ৰাজধানীত উভতি অহা দেখি অতিকৈ উৎফুল্লিত হৈ ৰজা-ৰাণীক অভিনন্দন জনাইছিল। ৰজাই আকৌ ৰাজ্য শাসনৰ দায়িত্ব গ্ৰহণ কৰিছিল আৰু ৰাণী সুদক্ষিণাই গৰ্ভ ধাৰণ কৰিছিল।

১১.৪.৮ *ৰঘুবংশৰ* প্ৰথম আৰু দ্বিতীয় সৰ্গৰ নামকৰণ

আপুনি ইতিমধ্যে জানিবলৈ পাইছে যে *ৰঘুবংশ* মহাকাব্যখন ঊনৈশটা সৰ্গত সম্পূৰ্ণ হৈছে। কালিদাসে প্ৰত্যেকটো সৰ্গৰ বিষয়বস্তুৰ আধাৰত সৰ্গবোৰৰ নামকৰণ কৰিছে। আপুনি ইয়াত নিৰ্বাচিত পাঠ্যাংশ অৰ্থাৎ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ নামকৰণৰ কথাহে অধ্যয়ন কৰিবলৈ পাব।

ৰঘুবংশৰ প্ৰথম সৰ্গৰ কথাখিনি অধ্যয়ন কৰি আপুনি জানিবলৈ পাইছে যে এই সৰ্গৰ মূল কথা হ'ল যে ৰজা দিলীপে সুদক্ষিণাৰ লগত বশিষ্ঠ মুনিৰ আশ্ৰমলৈ গৈছিল। আশ্ৰমলৈ যোৱাৰ প্ৰাক্কালত ৰাজ্য পৰিচালনাৰ ভাৰ তেওঁ মন্ত্ৰীৰ ওপৰত ন্যস্ত কৰি সুসজ্জিত ৰথেৰে যাত্ৰা কৰিছিল। ৰাজধানীৰ পৰা আশ্ৰমলৈ যোৱাৰ দৃশ্যৰ বিৱৰণ প্ৰথম সৰ্গত উপস্থাপিত। সেই কাৰণেই প্ৰথম সৰ্গটোৰ নামকৰণ কৰা হৈছে 'বশিষ্ঠাশ্ৰমাভিগমন'।

দ্বিতীয় সৰ্গত ৰজাই বশিষ্ঠ মুনিৰ উপদেশমতে যথাবিধি নন্দিনীৰ ব্ৰতোপাসনা আৰু শুশ্ৰূষা কৰিছিল। একৈশ দিনৰ পিছত নন্দিনী ৰজাৰ শুশ্ৰূষাত সন্তুষ্ট হৈ ৰজাক পুত্ৰ লাভৰ বৰ প্ৰদান কৰিছিল। নন্দিনীৰ বৰদানেই এই সৰ্গত মূল বিষয়বস্তু হিচাপে বৰ্ণিত হৈছে। সেই কাৰণেই দ্বিতীয় সৰ্গৰ নাম ৰখা হৈছে 'নন্দিনীবৰদান'।

১১.৪.৯ *ৰঘুবংশৰ* কাব্যিক সৌন্দৰ্য

আপুনি *ৰঘুবংশৰ* প্ৰথম আৰু দ্বিতীয় সৰ্গৰ বিষয়বস্তুৰ বিষয়ে অৱগত হৈছে। মহাকবি কালিদাসে *ৰঘুবংশ* মহাকাব্যত কাব্যৰস, গুণ, ৰীতি, অলংকাৰ আদি নানা কাব্যিক উপাদানেৰে বিষয়বস্তু বৰ্ণনাক মনোহৰ কৰিছে।

কালিদাসে মহাকাব্যখনত সমাসবদ্ধ পদৰ প্ৰয়োগ কম পৰিমাণে কৰিছে। সুন্দৰ সুন্দৰ পদৰ প্ৰয়োগে *ৰঘুবংশ*খনক অতি সমৃদ্ধ কৰি তুলিছে। কালিদাসৰ ৰচনাত থকা প্ৰসাদ গুণযুক্ত বৈদৰ্ভী ৰীতিৰ পৰাই তেওঁৰ কাব্যৰ উৎকৰ্ষতাৰ প্ৰমাণ পোৱা যায়। আপুনি জানিব যে, মধুৰতা প্ৰকাশক ললিতাত্মক ৰচনা বৈদৰ্ভী ৰীতিৰ ঘাই লক্ষণ। সহজ-সৰল আৰু সাৱলীল গতিয়েই হৈছে উক্ত ৰীতিৰ বিশেষ গুণ। তদুপৰি কালিদাসৰ ৰচনাত অভিধা অৰ্থৰ ওপৰত গুৰুত্ব দিয়াতকৈ ব্যঞ্জনাৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হৈছে। কালিদাসৰ ৰচনাত থকা পদ বিন্যাস, প্ৰসাদ গুণৰ প্ৰাচুৰ্য, মধুৰ ভাব-ব্যঞ্জনা আদিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

ৰঘুবংশ মহাকাব্যত মহাকবি কালিদাসে লঘু আৰু সুন্দৰ পদচয়নেৰে ভাব প্ৰকাশ কৰিছে। ৰজা দিলীপৰ অপুত্ৰকতাৰ কাৰণে হোৱা মানসিক যন্ত্ৰণাক দঁতাল হাতী বান্ধি থোৱা খুঁটিডালৰ লগত ইমান সুন্দৰভাৱে কবিয়ে ৰিজাইছে যে তাত ৰজাৰ মনৰ ভাব অতি কম কথাৰ মাজেৰে প্ৰকাশ পাইছে।

কালিদাসৰ বৰ্ণনা অতি নিখুঁত আৰু চিত্ৰধৰ্মী। *ৰঘুবংশৰ* দ্বিতীয় সৰ্গত থকা বননিৰ বিৱৰণ এই প্ৰসংগত উল্লেখযোগ্য। দিলীপে নন্দিনীক শুশ্ৰূষা কৰিবলৈ যাওঁতে পোৱা বাট-পথৰ বিৱৰণত কবিৰ কাব্যিক প্ৰতিভাৰ পৰিচয় পোৱা যায়।

মহাকবি কালিদাসৰ ৰচনাত অলংকাৰৰ প্ৰয়োগ বিশেষ মন কৰিবলগীয়া বিষয়। কালিদাসৰ ৰচনাত উপমা, অৰ্থান্তৰন্যাস, উৎপ্ৰেক্ষা, দৃষ্টান্ত আদি অৰ্থালংকাৰৰ প্ৰয়োগ

অতি মনোহৰ। কবিয়ে দুটা সাদৃশ্যব্যঞ্জক বস্তুক তুলনা কৰি বৰ্ণনীয় বিষয়ক অতি মনোৰম আৰু আকৰ্ষণীয় কৰিছে। কালিদাসৰ বিষয়ে কোৱা 'উপমা কালিদাসস্য' উক্তিটোৰ সাৰ্থকতা দেখিবলৈ পোৱা যায় মহাকবিয়ে *ৰঘুবংশম্* মহাকাব্যত ব্যৱহাৰ কৰা অলংকাৰসমূহত।

মহাকবি কালিদাসৰ কাব্য ৰচনাৰ ছন্দসজ্জা অতি বিচিত্ৰ। ছন্দশাস্ত্ৰত তেওঁৰ বিশেষ ব্যুৎপত্তি আছিল। মহাকাব্য ৰচনাৰ এটা সাধাৰণ বৈশিষ্ট্য এয়ে যে সৰ্গ এটাৰ স্তৱকসমূহ একেটা ছন্দতেই ৰচিত হ'ব লাগে। কিন্তু, সৰ্গটোৰ শেষত ছন্দৰ পৰিৱৰ্তন সাধিব লাগে। কালিদাসৰ ৰচনাত এই নীতিৰ অলপো ব্যতিক্ৰম হোৱা দেখা নাযায়। *ৰঘুবংশৰ* প্ৰথম সৰ্গত শেষৰ শ্লোক 'প্ৰহৰ্ষিণী' ছন্দত আৰু অৱশিষ্ট ৯৪টা শ্লোক অনুষ্টুপ ছন্দত ৰচিত। আকৌ, কবিয়ে নানা ছন্দৰ প্ৰয়োগেৰে একো একোটা সৰ্গৰ শ্লোক ৰচনা কৰি ছন্দৰ বৈচিত্ৰ্য সাধন কৰিছে।

মহাকবি কালিদাসৰ ৰচনাত সূক্ষ্ম পৰ্যবেক্ষণ শক্তিৰ পৰিচয় পোৱা যায়। ইয়াৰ উপৰি কল্পনাশ্ৰিত সুন্দৰ বৰ্ণনাত কবিৰ গভীৰ মনন শক্তি প্ৰমাণিত হৈছে। তদুপৰি তেওঁৰ বৰ্ণনা চিত্ৰধৰ্মী। পদৰ সহায়ত তেওঁ যি বিৱৰণ পৰিৱেশন কৰে সেইটো যেন চিত্ৰকৰে তুলিকাৰে চিত্ৰত কৰিব পাৰে। *ৰঘুবংশ*মহাকাব্যখনত তেনেকুৱা বহুতো বিৱৰণ পোৱা যায়। কাদম্বৰীৰ প্ৰণেতা কবি বাণভট্টই কালিদাসৰ ৰচনাৰ প্ৰশংসা কৰি কৈছে যে আমৰ মুকুলৰ দৰে ৰসাল আৰু মধুৰ বাণী শুনি সকলোৰে মন আনন্দত মতলীয়া হয়।

১১.৪.১০ *ৰঘুবংশত* চিত্ৰিত হোৱা মনোমোহা প্ৰকৃতি

কবি কালিদাসৰ অন্যতম কৃতি *ৰঘুবংশত* কবিজনাই তেওঁৰ অন্যান্য কৃতিত প্ৰদৰ্শন কৰাৰ দৰে প্ৰকৃতিক এক সজীৱ, স্বৰ্গীয় ৰূপত তুলি ধৰিছে। ৰজা দিলীপ আৰু ৰাণী সুদক্ষিণাই বনলৈ যোৱাৰ সময়ত প্ৰত্যক্ষ কৰা বন প্ৰান্তৰ শোভা কবিৰ বৰ্ণনাত মনোমোহা ৰূপত নিঃসৃত হৈছে।

ৰজা দিলীপ সুদক্ষিণাক লগত লৈ যিটো বাটেৰে বশিষ্ঠ মুনিৰ আশ্ৰমলৈ যাত্ৰা কৰিছিল তাৰ কাষে কাষে শালগছৰ শাৰীবোৰ দেখাত অতি ধুনীয়া আছিল। সেই শালগছবোৰৰ সুঘ্ৰাণে দিলীপ আৰু সুদক্ষিণাক অতিকৈ উৎফুল্লিত কৰিছিল। তেওঁলোকে বাটৰ দাঁতিত থিয় হৈ থকা ম'ৰা চৰাইবোৰ দেখিবলৈ পাইছিল। দিলীপ আৰু সুদক্ষিণা ৰথেৰে গৈ থাকোতে ওপৰলৈ চাই কলহংসৰ মধুৰ কলৰব শুনি বৰ তৃপ্তি পাইছিল। তেতিয়া মৃদু মলয়া বতাহ অনুকূল পৰিবেশত ধীৰে ধীৰে প্ৰবাহিত হৈছিল। সৰোবৰবোৰত ফুলি থকা পদুমৰ সৌন্দৰ্য উপভোগ কৰি তেওঁলোক বৰ আনন্দ লাভ কৰিছিল। দিলীপ আৰু সুদক্ষিণা ৰথেৰে গৈ থকা বাটৰ দুয়ো কাষে বননি আৰু গছৰ শোভা অতি বিতোপন আছিল। বাটৰ দাঁতিত থিয় দি থকা গুৱালবোৰৰ পৰা তেওঁলোকে গছ আৰু বননিৰ নাম

সুধি সেইবোৰৰ পৰিচয় লাভ কৰিছিল। এনেদৰে ৰজা দিলীপ বাটৰ দুয়োফালে থকা প্ৰাকৃতিক দৃশ্যৰাজি উপভোগ কৰি আশ্ৰমৰ ফালে যাত্ৰা কৰিছিল।

ৰজাই যি হাবিত নন্দিনীক চৰাবলৈ লৈ গৈছিল সেই বনাঞ্চল ডাঙৰ ডাঙৰ গছেৰে শোভিত আছিল। গছবোৰৰ ডালত চৰাইবোৰে কলৰৱ কৰি আছিল। কবিৰ ভাষাত যেন চৰাইৰ কুজন ধ্বনিয়ে ৰজাৰ প্ৰশস্তিহে গাইছিলে। ৰজাই নন্দিনীক শুশ্ৰূষা কৰিবলৈ হাবিলৈ লৈ যোৱাৰ সময়ত গছৰ লতাবোৰত ফুলি থকা ফুলবোৰ বায়ুপ্ৰবাহত তলত সৰি পৰিছিল। কবিয়ে সেই দৃশ্যটোক এনেদৰে বৰ্ণনা কৰিছে যে ৰজাৰ যাত্ৰাৰ সময়ত আখৈ ছটিয়াই বননিখনত ৰজাক যেন স্বাগত সম্ভাষণহে জনোৱা হৈছিলে। হাবিত বিচৰণ কৰি থকা আয়ত লোচনসম্পন্ন হৰিণাবোৰে একেথৰে যেন ৰজাকেই চাই আছিল। হাবিত থকা বাঁহৰ ফুটাত বতাহ সোমোৱাৰ কাৰণে যি শব্দৰ উৎপত্তি হৈছিল তাক কবিয়ে বাঁহীৰ সুৰৰ লগত তুলনা কৰি কৈছে যে ৰজা দিলীপক যেন বনদেৱীসকলে ৰজাৰ যশ গানেৰে সম্বৰ্ধনা জনাইছে।

পৰ্বতীয়া নিজৰাৰ শীতল জলেৰে সিক্ত আৰু বনৰীয়া গছ-গছনিৰ সুগন্ধি ফুলৰ গোন্ধত বনৰ বায়ু সুবাসিত হৈছিল। ৰজা দিলীপ বনভূমিত প্ৰৱেশ কৰাৰ লগে লগে হাবিৰ বনজুই উপশমিত হৈছিল। গোটেই বনভূমি ফুল আৰু ফলেৰে জাতিষ্কাৰ হৈ পৰিছিল। সেই হাবিত থকা জীৱ-জন্তুসমূহ হিংসা পৰিত্যাগ কৰি এটাই আনটোক আক্ৰমণ নকৰাকৈ শান্ত হৈ আছিল।

ৰজাই আশ্ৰমলৈ উভতি অহাৰ সময়ত সৰু সৰু জলাশয়ৰ পৰা উঠি অহা গাহৰি, ম'ৰা চৰাইবোৰে গছবোৰৰ ওপৰলৈ চাই থকাৰ সুন্দৰ দৃশ্য উপভোগ কৰিবলৈ পাই বৰ আনন্দ লাভ কৰিছিল। তেওঁ শ্যামল শস্যপূৰ্ণ পথাৰত হৰিণাবোৰ বিচৰণ কৰি থকা দেখিবলৈ পাইছিল। এইদৰে বননিৰ অপূৰ্ব শোভা চাই ৰজা আনন্দিত হৈছিল।

১১.৫ ৰঘুবংশীয় ৰজাসকলৰ সাধাৰণ গুণাৱলী

আপুনি *ৰঘুবংশ* মহাকাব্যৰ প্ৰথম সৰ্গৰ আৰম্ভণিত ইক্ষ্বাকু বংশৰ ৰজাসকলৰ গুণৰাজিৰ কথা জানিব পাৰিব। কালিদাসে প্ৰথম সৰ্গৰ পঞ্চমৰ পৰা নৱম শ্লোকত সেই গুণৰ বিৱৰণ পৰিৱেশন কৰিছে।

ৰঘুবংশীয় ৰজাসকল জন্মৰে পৰা শুদ্ধ আৰু পবিত্ৰ আছিল। তেওঁলোক অতি কৰ্মপৰায়ণ আছিল। কৰ্মৰ ফল নোপোৱালৈকে তেওঁলোকে কৰ্মসম্পাদন কৰিছিল। তেওঁলোকৰ ৰাজ্য সমুদ্ৰলৈকে বিয়পি আছিল আৰু তেওঁলোক সুশাসক আছিল। তেওঁলোকে যথাবিধি অগ্নিত আহুতি প্ৰদান কৰিছিল আৰু স্বৰ্গলৈকে তেওঁলোকৰ অবাধ গতি আছিল। সকলোৰে অভিলাষ পূৰণ কৰাটো তেওঁলোকৰ অভ্যাস আছিল। শাসক হিচাপেও তেওঁলোক অতি নিপুণ আছিল। ৰাজ্যত সদায় অপৰাধ অনুসৰিহে তেওঁলোকে দণ্ড বিহিছিল। যেতিয়া যিটো কাম কৰিব লাগে ঠিক সেই সময়ত তেওঁলোকে তাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। ইক্ষ্বাকু বংশৰ ৰজাসকল প্ৰয়োজন

অনুসৰি সঞ্চিত ধন ত্যাগ কৰাত অভ্যস্ত আছিল। তেওঁলোক সদায় মিতভাষী আছিল আৰু তেওঁলোক সত্যৰ পৰা কেতিয়াও বিচলিত হোৱা নাছিল। যশ ব্যাপ্তিৰ বাবেই তেওঁলোকে বিজয়াভিযান চলাইছিল। বংশৰ সতি-সন্ততিৰ বাবেই তেওঁলোকে পত্নী গ্ৰহণ কৰিছিল।

তেওঁলোকে শৈশৱত বিদ্যাৰ্জনত, যৌৱনত বিষয় সম্পত্তি ভোগত, বাৰ্ধক্যত মুনিবৃত্তি গ্ৰহণত আৰু পৰিশেষত যোগবলত দেহ ত্যাগত অভ্যস্ত আছিল। মহাকবি কালিদাসে *ৰঘুবংশীয়* নৰপতিসকলৰ গুণৰাশিৰ কথা মহাকাব্যখনৰ আৰম্ভণিতেই উল্লেখ কৰি কৈছে যে তেনেকুৱা গুণবিশিষ্ট ৰজাসকলৰ বিৱৰণ দিয়াটো তেওঁৰ বাবে চপলতাহে, কাৰণ, *ৰঘুবংশীয়* ৰজাসকলৰ গুণৰাশিৰ যথাযথ বিৱৰণ পৰিৱেশন কৰাটো অতি কঠিন কাম। তথাপিতো কবি কালিদাসে নৰপতিসকললৈ তেনেদৰে শ্ৰদ্ধা জ্ঞাপন কৰি ৰঘু কুলত ওপজা ৰজাসকলৰ বৰ্ণনা আগবঢ়াইছে।

১১.৫.১ দিলীপৰ চৰিত্ৰ বিশ্লেষণ

আপুনি জানিব যে *ৰঘুবংশ* মহাকাব্যখনৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ নায়ক হৈছে দিলীপ। বৈৱস্বত মনুৰ বংশতেই দিলীপৰ আৱিৰ্ভাব হৈছিল। সেই বংশতেই দিলীপ অতি শুদ্ধমতিসম্পন্ন নৰপতি আছিল। তেওঁ যেন ক্ষীৰসমুদ্ৰত আবিৰ্ভূত চন্দ্ৰৰ দৰে উজ্জ্বল আছিল।

ৰজা দিলীপৰ শাৰীৰিক গঠনো অতি আকৰ্ষণীয় আছিল। ৰজা দিলীপৰ বুকু বহল আৰু তেওঁৰ কান্ধ ষাঁড়ৰ দৰে বলিষ্ঠ আছিল। শালগছৰ দৰে তেওঁ উন্নত বাহুসম্পন্ন আৰু অতি দক্ষ কৰ্মসম্পাদক আছিল। নৰপতি দিলীপ কৰ্মসম্পাদনেৰে সকলোকে অতিক্ৰম কৰি মেৰু শিখৰৰ দৰেই বিৰাজ কৰিছিল।

নৃপতি দিলীপৰ ব্যক্তিত্ব আৰু প্ৰতিভাও কবি কালিদাসে সুন্দৰকৈ বৰ্ণনা কৰিছে। দিলীপ আকৃতিত যিমান বিশাল আছিল জ্ঞানতো সিমানেই গভীৰ আছিল। জ্ঞান অনুসৰি তেওঁ শাস্ত্ৰ চৰ্চাতো সমানে ব্যুৎপত্তি লাভ কৰিছিল। জ্ঞানৰ অনুৰূপ কৰ্মতো তেওঁ দক্ষ আছিল। তেওঁৰ কাৰ্যাৰম্ভ সদায় ফলনিষ্ঠ আছিল। তেওঁ দৈহিক কান্তি আৰু গুণৰাশিৰে সকলোকে অভিভূত কৰিলেও সকলোৱে অনায়াসে তেওঁৰ কাষ চাপিব পাৰিছিল। তেওঁৰ স্বভাৱ কেতিয়াও উগ্ৰ নাছিল বাবেই তেনেদৰে তেওঁ সকলোৰে শ্ৰদ্ধা আকৰ্ষণ কৰিছিল। তেওঁ অতি সংযমী আছিল। জিতেন্দ্ৰিয় আছিল বাবেই তেওঁ প্ৰজাসকলৰ কল্যাণত সদায় ৰাজধন ব্যয় কৰিছিল।

তেওঁ ৰাজ্যৰ কোনো কাৰ্যসম্পাদনত সেনাৰ বল নিয়োগ কৰিবলগীয়া নহৈছিল। শাস্ত্ৰত অগাধ জ্ঞান আৰু ধনুত জ্যা আৰোপণ— এই দুটাই তেওঁৰ অৰ্থ সাধনৰ মুখ্য উপায় আছিল—


ৰাজকাৰ্য পৰিচালনা, ৰাজ্যত ৰাজকাৰ্য সম্পাদন আদিত মন্ত্ৰণাৰ প্ৰয়োজনীয়তাত তেওঁ গুৰুত্ব আৰোপ কৰিহে কাম কৰিছিল। মন্ত্ৰণাৰ সংগোপনীয়তাৰ সংৰক্ষণ তেওঁ যেন পূৰ্বজন্মৰ পৰাহে সাধন কৰিছিল।

তেওঁৰ আচৰণত কেতিয়াও ভীতিগ্ৰস্ত ভাব প্ৰকাশ পোৱা নাছিল। তেওঁ কেতিয়াও আতুৰ হৈ ধৰ্ম সম্পাদন নকৰিছিল আৰু লোভৰ বশৱৰ্তী হৈ অৰ্থ সংগ্ৰহ কৰা নাছিল। আনকি, তেওঁৰ সুখ ভোগতো আসক্তি ভাব প্ৰকাশ পোৱা নাছিল। তেওঁ ইমান সংযমী আছিল যে পৰস্পৰবিৰুদ্ধ গুণবোৰো তেওঁৰ আচৰণত সমানভাৱে প্ৰকাশ পাইছিল।

ৰজা দিলীপ জ্ঞানী হোৱা সত্ত্বেও মৌন আছিল। তেওঁ অতি ক্ষমতাশালী আছিল যদিও অতি ক্ষমাশীল আছিল। তেওঁ ত্যাগী আছিল কিন্তু তেওঁৰ ত্যাগত কেতিয়াও অহংকাৰ প্ৰকাশ পোৱা নাছিল। তেওঁৰ সকলো গুণ আনৰ হিত সাধনৰ বাবেহে নিয়োজিত হৈছিল।

প্ৰজাসকলৰ লগতো তেওঁৰ সম্পৰ্ক অতি সৰল আৰু সৌহাৰ্দপূৰ্ণ আছিল। প্ৰজাৰ শিক্ষাৰ ব্যৱস্থা, ভৰণ-পোষণ আদি সকলো বিষয়ৰ প্ৰতি তেওঁ দৃষ্টি ৰাখিছিল। তেওঁ প্ৰজাসকলৰ কাৰণে পিতৃতুল্য আছিল।

তেওঁৰ ৰাজ্যত ধন অপহৰণ আদিৰ কোনো ঘটনা নঘটাৰ কাৰণে নামতহে চৌৰ্যবৃত্তি আছিল। জ্ঞানী আৰু সৎ লোকে তেওঁৰ পৰা সদায় সন্মান লাভ কৰিছিল। ক'বলৈ গ'লে ক্ষত্ৰিয়ৰ বিশেষ গুণেৰে ভূষিত ৰজা দিলীপ এজন নিষ্ঠাৱান নৰপতি আছিল। উপযুক্ত বয়সত দিলীপে পুত্ৰ ৰঘুক যুৱৰাজ পদত অভিষিক্ত কৰি প্ৰথা অনুসৰি বাণপ্ৰস্থ গ্ৰহণ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ আপুনি নিজৰ ভাষাত ৰজা দিলীপৰ চৰিত্ৰ চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

১১.৫.২ সিংহ আৰু দিলীপৰ কথোপকথনত প্ৰকাশিত দিলীপৰ কৰ্তব্যপৰায়ণতা

আপুনি এতিয়া শিৱৰ অনুচৰ সিংহ আৰু ৰজা দিলীপৰ মাজত হোৱা কথা-বতৰা অধ্যয়ন কৰিবলৈ পাব। এই কথোপকথনৰ মাজেদি প্ৰকাশিত হৈছে ৰঘুবংশীয় ৰজা দিলীপৰ কৰ্তব্যপৰায়ণতা।

ৰজা দিলীপে হাবিত নন্দিনীক শ্ৰদ্ধা আৰু ভক্তিৰে শুশ্ৰূষা কৰিছিল। এইদৰে একৈশ দিন অতিবাহিত হোৱাত তেওঁৰ ভক্তিৰ পৰীক্ষা কৰিবলৈ নন্দিনীয়ে পৰ্বতৰ গুহাত প্ৰৱেশ কৰিছিল আৰু তেতিয়া সিংহৰূপী কুম্ভোদৰে নন্দিনীক আক্ৰমণ কৰিছিল। ৰজাই নন্দিনীক বচাবলৈ শৰ নিক্ষেপৰ বাবে সোঁহাতখনেৰে শৰ তূণীৰৰ পৰা উলিয়াবলৈ ধৰোঁতে হাতখন তূণীৰতেই স্তব্ধ হৈ লাগি ধৰিছিল। তেতিয়া সিংহটোৱে ৰজাক কৈছিল যে তেওঁৰ শ্ৰম নিষ্ফল হ'ব আৰু সিংহৰ ওপৰত অস্ত্ৰ নিক্ষেপো অথলে যাব। সিংহটোৱে কৈছিল যে বায়ুৱে গছ উভালিব পাৰিলেও সেই শক্তি পৰ্বতৰ ক্ষেত্ৰত নিষ্ফল হয়। তেতিয়া সিংহটোৱে নিজৰ পৰিচয় দি কৈছিল যে তেওঁ নিকুম্ভৰ মিত্ৰ শিৱৰ ভৃত্য কুম্ভোদৰ।

সিংহটোৱে ৰজাক জনাইছিল যে সমুখত থকা দেৱদাৰু গছডালৰ ৰক্ষাৰ বাবেই শিৱই কুম্ভোদৰক তাত নিয়োগ কৰিছে। বনৰীয়া হাতী এটাই কপালেৰে ঘঁহি দেৱদাৰুডালৰ ছাল এৰুৱাই পেলোৱাত শিৱে সিংহটোক গছডালৰ ৰখীয়া হিচাপে তাত ৰাখিছে। সিংহটোৱে আৰু জনাইছিল যে তালৈ অহা জীৱ-জন্তুক সিংহটোৱে আহাৰ হিচাপে গ্ৰহণ কৰি তাত নিযুক্ত হৈছে। গতিকে গাইজনী সিংহটোৰ ভোজন হিচাপে তাত উপস্থিত হোৱাত সিংহই তাক ভক্ষণ কৰিব। সেয়েহে সিংহটোৱে কৈছিল যে ৰজাই লাজ পৰিহাৰ কৰি গাইজনীক ৰক্ষা কৰাৰ প্ৰচেষ্টাৰ পৰা নিবৃত্ত হ'ব লাগে; ৰক্ষণীয় বস্তু অস্ত্ৰেৰে ৰক্ষা কৰিব নোৱাৰিলে অস্ত্ৰধাৰীৰ যশস্যা ম্লান নহয়।

সিংহটোৰ মুখত কথাবোৰ শুনি দিলীপে সিংহটোক কৈছিল যে চেষ্টা বিফল হোৱাত ৰজাই যি ক'বলৈ বিচাৰিছে সেইটো উপহাসৰ কাৰণ হ'ব। কাৰণ, সিংহটোৱে প্ৰাণীৰ মনোভাৱ জানে। ৰজাই সিংহক কৈছিল যে স্থাৱৰ, জংগম, বিশ্বৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ হেতু শিৱ সকলোৰে মান্য আৰু অগ্নিপূজক গুৰুদেৱৰ ধেনুটিও সমুখতে নাশ হ'বলৈ দিব নোৱাৰি। গতিকে মিনতি জনাই ৰজাই কৈছিল যে সিংহই গাইজনীক এৰি দি ৰজাৰ দেহ ভক্ষণ কৰিয়েই প্ৰসন্ন হ'ব লাগে।

ৰজাৰ কথা শুনি সিংহটোৱে আকৌ ক'বলৈ ধৰিছিল যে জগতৰ একচ্ছত্ৰী সম্ৰাট, সুন্দৰ দেহত নতুন যৌৱন এই আটাইবোৰ সামান্য কাৰণত ত্যাগ কৰিবলৈ খোজা ৰজা দিলীপ কৰ্তব্য-অকৰ্তব্য জ্ঞানশূন্য। সিংহই আৰু কৈছিল যে ধেনুটি ৰজাৰ মৃত্যুত অকলে কুশলে থাকিব। কিন্তু, ৰজা যদি জীৱিত থাকে তেন্তে তেওঁ সকলো প্ৰজাক আপদ-আহুকালৰ পৰা ৰক্ষা কৰিব পাৰিব। এটি গাভীৰ মৃত্যুত হোৱা বশিষ্ঠৰ ক্ৰোধক ৰজাই অসংখ্য ধেনু দান কৰি শান্ত কৰিব পাৰিব। সেই কাৰণেই ৰজাই আনৰ কল্যাণৰ বাবে নিজৰ শৰীৰ ৰক্ষা কৰিব লাগে।

ৰজা দিলীপে সিংহটোক আকৌ কৈছিল যে হিংসাৰ পৰা ৰক্ষা কৰে কাৰণেই পৃথিৱীত ক্ষত্ৰিয় শব্দ খ্যাতি লাভ কৰিছে। এতেকে তাৰ বিপৰীত বৃত্তি পৰায়ণৰ ৰাজ্য বা নিন্দাকলুষিত প্ৰাণৰ কোনো প্ৰয়োজন নাই। ৰজাই আৰু কৈছিল যে সেই গাইজনী সুৰক্ষিতকৈ কোনো গুণে হীন নহয়। শিৱৰ প্ৰভাৱতহে সিংহটোৱে গাইজনীক আঘাত কৰিবলৈ সক্ষম হৈছে বুলি ৰজাই কৈছিল। তেনেকুৱা গাইক ৰজাই নিজৰ দেহৰ বিনিময়ত ৰক্ষা কৰিব; তেনেকুৱা কৰিলে সিংহৰ ভোজনৰ অসুবিধা নহ'ব আৰু মুনিৰ হোমৰ অনুষ্ঠানো লোপ নাপাব। ৰজাই কৈছিল যে দেৱদাৰুডালৰ প্ৰতি সিংহটোৰ মহৎ যত্ন। গতিকে ৰক্ষা কৰিবলগীয়া বস্তু বিনাশ কৰি নিজে অক্ষত থাকি প্ৰভুৰ সমুখত দেখা দিয়াটো অসম্ভৱ। ৰজাই সিংহক তেওঁৰ দেহ ভক্ষণ কৰিবলৈ প্ৰাৰ্থনা জনাইছিল। ৰজাই সিংহটোক ৰজাৰ দেহ গ্ৰহণ কৰি মিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈও অনুৰোধ জনাইছিল। সেইটোৱেই হওক এই বুলি সিংহটোৱে কোৱাৰ লগে লগে ৰজাৰ বাহু মুক্ত হৈ পৰিছিল আৰু বীৰ ৰজা দিলীপে নিজৰ শৰীৰ সিংহটোলৈ আগবঢ়াই দিছিল। সিংহটো চকুৰ পচাৰতে অন্তৰ্ধান হৈছিল।

এই কথোপকথনৰ পৰা ৰংঘুবংশীয় ৰজা দিলীপৰ কৰ্তব্যপৰায়ণতা প্ৰকাশ পাইছে। আত্মদান কৰি হ'লেও তেওঁ নিৰীহ গাইজনীক ৰক্ষা কৰিব বিচাৰিছে। ইয়াৰ কাৰণ হ'ল মুনি বশিষ্ঠই তেওঁক গাইজনীৰ ৰক্ষাৰ দায়িত্ব অৰ্পণ কৰিছিল। এই ঘটনাই চিত্ৰিত কৰি তুলিছে মহাবীৰ দিলীপৰ এটি অনুপম চাৰিত্ৰিক দিশ।



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কালিদাস আৰু কালিদাসৰ কাব্যকৃতিৰ চমু আভাস পালে।
- *ৰঘুবংশ* মহাকাব্যখনত মহাকাব্যৰ সকলো লক্ষণ থকাৰ কথা জানিলে।
- এই মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গৰ শ্লোকবোৰৰ বিষয়বস্তু জানিব পাৰিলে।
- *ৰঘুবংশ* মহাকাব্যখনৰ আধাৰ গ্ৰন্থৰ কথাও অৱগত হ'বলৈ পালে।
- মহাকাব্যখনৰ নামকৰণৰ কথা জানিলে।
- আপুনি প্ৰথম সৰ্গ আৰু দ্বিতীয় সৰ্গৰ সাৰাংশও অধ্যয়ন কৰিবলৈ পালে।
- উক্ত সৰ্গ দুটাৰ নামকৰণৰ কথাও জানিবলৈ পালে।
- কালিদাসৰ আত্মলঘিমা, ৰঘুবংশীয় ৰজাসকলৰ সাধাৰণ গুণ আৰু ৰজা দিলীপৰ চৰিত্ৰৰ বিশ্লেষণ আদিৰ বিষয়ে জানিলে।



১১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ভদ্ৰ, সুধেন্দু মোহন (২০০৪); *ৰঘুবংশম্;* (প্ৰথম ঃ সৰ্গো দ্বিতীয় ঃ সৰ্গশ্চ); গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

সংস্কৃত গ্ৰন্থ ঃ

২) ভট্টাচাৰ্য, জীৱানন্দ বিদ্যাসাগৰ (সম্পা ঃ) (১৯০২); *ৰঘুবংশম্;* কলিকতা ঃ সিদ্ধেশ্বৰ যন্ত্ৰ।

ইংৰাজী গ্ৰন্থ ঃ

৩) Devadhar, C. R. (Ed) (1946); *Raghuvamsham of Kalidasa* (Cantos VI-IX); Bombay : Shri Samarth Sadan Keshav Bhikaji.

৪) Karnik, H. R. & Deshpande, N. A. (Ed) (1953); *Raghuvamsham* (Cantos I-IV); Bombay : New & Second Hand Book Stall.

৫) Karandhikar, M. A. (Ed) (1958); *Raghuvamsham of Kalidasa*; Book Sellers' Publishing Co.

১১.৮ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ কালিদাসৰ বিষয়ে চমুকৈ লিখক।

২নং প্ৰশ্নৰ উত্তৰ ঃ '*ৰঘুবংশ* এখন মহাকাব্য' শীৰ্ষক আলোচনাখিনি চাওক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম সৰ্গৰ সাৰাংশখিনি চাই নিজৰ ভাষাত লিখক।

৪নং প্ৰশ্নৰ উত্তৰ ঃ 'দিলীপৰ চৰিত্ৰ বিশ্লেষণ' শীৰ্ষক কথাখিনি আপুনি নিজৰ ভাষাত লিখক।



১১.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ৰঘুবংশীয় ৰজাসকলৰ সাধাৰণ গুণৰ পৰিচয় দিয়ক।

প্ৰশ্ন ২ ঃ *ৰঘুবংশ* মহাকাব্যখনৰ নামকৰণৰ সম্পৰ্কত এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ সিংহ আৰু দিলীপৰ কথোপকথন আপুনি নিজৰ ভাষাত লিখক।

প্ৰশ্ন ৪ ঃ *ৰঘুবংশ* মহাকাব্যৰ প্ৰথম দুটা সৰ্গৰ কাব্যিক সৌন্দৰ্যৰ বৰ্ণনা পঢ়ি আপোনাৰ মনত কেনে ভাব জাগ্ৰত হৈছে বৰ্ণনা কৰক।

প্ৰশ্ন ৫ ঃ প্ৰকৃতিৰ জীৱন্ত আৰু নিৰ্জীৱ পদাৰ্থসমূহে মানুহৰ মনত কেনে অনাবিল আনন্দৰ স্ৰোত নিগৰাব পাৰে তাৰ আভাস *ৰঘুবংশ*ৰ প্ৰথম দুটা সৰ্গত মহাকবি কালিদাসে দিয়া বিৱৰণৰ আধাৰত বিচাৰ কৰক।

*** ***** ***

অধ্যায় ১২ ঃ কালিদাসৰ *অভিজ্ঞানশকুন্তলম্*

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ মহাকবি কালিদাসৰ পৰিচয়

১২.৩.১ কালিদাসৰ ৰচনাৱলী

১২.৪ নাটকৰ লক্ষণ

১২.৫ *অভিজ্ঞানশকুন্তলম্* নাটকৰ নামকৰণৰ তাৎপর্য

১২.৬ *অভিজ্ঞানশকুন্তলম্* নাটকৰ কথাবস্তু

১২.৬.১ *অভিজ্ঞানশকুন্তলম্* নাটকৰ বিষয়বস্তুৰ উৎস

১২.৬.২ নাটকখনৰ প্রস্তাৱনা আৰু প্রত্যেক অংকৰ সাৰাংশ

১২.৬.৩ *অভিজ্ঞানশকুন্তলম*ৰ চৰিত্র চিত্রণ

১২.৬.৪ *অভিজ্ঞানশকুন্তলম* নাটকৰ প্রকৃতি চিত্রণ

১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৮ অধিক জানিবলৈ

১২.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১২.১০ আর্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কালিদাসৰ বিষয়ে জানিব পাৰিব
- কালিদাসৰ ৰচনাৱলীৰ কথা জানিব পাৰিব
- *অভিজ্ঞানশকুন্তলম্* নাটকৰ বিষয়বস্তু অধ্যয়ন কৰিব পাৰিব
- *অভিজ্ঞানশকুন্তলম্* নাটকৰ বিষয়বস্তুৰ আধাৰ গ্রন্থৰ বিষয়ে জানিব পাৰিব
- সংস্কৃত নাটকৰ লক্ষণৰ কথা জানিব পাৰিব
- *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ নামকৰণৰ তাৎপর্যৰ কথা জানিব পাৰিব
- প্রস্তাৱনা আৰু প্রতিটো অংকৰ সাৰাংশ অৱগত হ'ব পাৰিব
- *অভিজ্ঞানশকুন্তলম*ৰ মূল চৰিত্রকেইটা বিশ্লেষণ কৰিব পাৰিব
- *অভিজ্ঞানশকুন্তলম*ৰ চতুর্থ অংকৰ তাৎপর্য বিচাৰ কৰিব পাৰিব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইয়া দ্বাদশ পাঠ্যবিষয়ৰ ষষ্ঠ তথা শেষ অধ্যায়। ইয়াৰ আগৰ অধ্যায়টোত আপুনি শূদ্রকৰ *মৃচ্ছকটিকম*ৰ বিষয়ে অধ্যয়ন কৰিছে। এই অধ্যায়টোত আপুনি মহাকবি কালিদাসৰ দ্বাৰা ৰচিত *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

অভিজ্ঞানশকুন্তলম্ এখন সংস্কৃত নাটক। এই নাটকখন সাতটা অংকত সম্পূর্ণ হৈছে। এই নাটকখনত হস্তিনাপুৰৰ ৰজা দুষ্যন্ত আৰু কণ্বৰ পালিত কন্যা শকুন্তলাৰ প্রণয় কাহিনী নাটকীয় ৰূপত উপস্থাপন কৰা হৈছে। নাটকখনৰ নায়ক ৰজা দুষ্যন্ত আৰু নায়িকা হৈছে শকুন্তলা। দুষ্যন্তই শকুন্তলাক গন্ধর্ব ৰীতিত কণ্ব ঋষিৰ অনুপস্থিতিত বিয়া কৰায়। পিছত কণ্বই সন্তুষ্টি প্রকাশ কৰে। ইপিনে দুর্বাসা ঋষিৰ অভিশাপত দুষ্যন্তই শকুন্তলাৰ কথা পাহৰি যায়। শকুন্তলাক কণ্ব ঋষিয়ে ৰাজকাৰেঙলৈ পঠালেও দুষ্যন্তই শকুন্তলাক প্রত্যাখ্যান কৰে। অদৃশ্য ৰূপত সানুমতীয়ে শকুন্তলাক আকাশলৈ লৈ যায় আৰু পিছত মাৰীচৰ আশ্রমত শকুন্তলাই সর্বদমনক জন্ম দিয়ে। ইপিনে ইন্দ্রৰ আমন্ত্রণত দুষ্যন্তই ৰাক্ষস বধ কৰি উভতি আহোঁতে মাৰীচৰ আশ্রমত প্রৱেশ কৰি সর্বদমনক দেখিবলৈ পায়। পিছত শকুন্তলাৰ লগত দুষ্যন্তৰ পুনর্মিলন ঘটে।

এই আলোচনাত সংস্কৃত নাটকৰ লক্ষণসমূহৰ লগতে মহাকবি কালিদাসে ৰচনা কৰা *অভিজ্ঞানশকুন্তলম্* নাটকত ফুটি উঠা সংস্কৃত নাটকৰ লক্ষণসমূহৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হৈছে। *অভিজ্ঞানশকুন্তলম্* নামটো তাৎপর্যপূর্ণ। তাৰ আলোচনা পাঠটোত সন্নিবিষ্ট কৰা হৈছে। মহাকবি কালিদাসৰ সম্পূর্ণ শিল্পী সত্তাটো *অভিজ্ঞানশকুন্তলম্*ৰ মাজেদি জাতিষ্কাৰ হৈ উঠিছে। আপুনি এই আলোচনাত এই নাটকখনৰ চৰিত্রাৱলী, ইয়াৰ যোগেদি অংকিত প্রকৃতিৰ ঐশ্বর্যময় ৰূপ আৰু অংকসমূহৰ সাহিত্যিক গুণৰ লগত পৰিচিত হ'ব পাৰিব।

১২.৩ মহাকবি কালিদাসৰ পৰিচয়

এতিয়া আপুনি কালিদাসৰ বিষয়ে কিছু কথা অধ্যয়ন কৰিবলৈ পাব। কালিদাস কোন আছিল, তেওঁৰ জন্ম ক'ত হৈছিল আৰু তেওঁৰ কেতিয়া আবির্ভাৱ হৈছিল, ইত্যাদি বিষয় এতিয়ালৈকে অমীমাংসিত হৈ আছে। বহুতে বহু ধৰণৰ তথ্যৰ ভিত্তিত বেলেগ বেলেগ মত আগবঢ়াইছে যদিও কোনোটোৱেই সর্বজনগ্রাহ্য হিচাপে স্বীকৃত হোৱা নাই।


কিছু সংখ্যক পণ্ডিতৰ মতে কালিদাস সিংহলৰ ৰজা কুমাৰদাসৰ হাতত নিহত হৈছিল। কুমাৰদাসে ষষ্ঠ শতিকাৰ আগভাগত সিংহলত ৰাজত্ব কৰিছিল। আন কিছুমান পণ্ডিতে তেওঁক ভোজৰ সমসাময়িক বুলি ক'ব খোজে। আন কিছুমানে কালিদাসক ভৰভূতি আৰু দণ্ডীৰ সমসাময়িক আছিল বুলি মত প্রকাশ কৰে। কুমাৰদাস ৰচিত *জানকীহৰণ* কাব্যত কালিদাসৰ প্রভাৱ সুস্পষ্ট। ৬৩৪ খ্রীষ্টাব্দত ৰচিত দ্বিতীয় পুলকেশীৰ *আইহোল (Aihole)* প্রত্নলেখত কালিদাসৰ উল্লেখ পোৱা যায়। আকৌ ৪৭২ খ্রীষ্টাব্দত ৰচিত *মান্দাচোৰ (Mandasore)* প্রত্নলেখত কালিদাসৰ *মেঘদূত*

আৰু *কুমাৰসম্ভৱৰ* কেইটামান শ্লোকৰ সাদৃশ্য পোৱা যায়। ইয়াৰ পৰা ক'ব পৰা যায় যে কালিদাসৰ আবির্ভাৱ পঞ্চম শতিকাৰ পূর্বতেই হৈছিল। কিছুমান পণ্ডিতে দ্বিতীয় শতিকাৰ পৰা ষষ্ঠ শতিকাৰ ভিতৰত কালিদাসৰ আবির্ভাৱ হৈছিল বুলি ভাবে। সম্ভৱতঃ দ্বিতীয় চন্দ্রগুপ্তৰ শাসন কালতেই কালিদাসৰ আবির্ভাৱ হৈছিল। এই সম্পর্কত বিক্রমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ ভিত্তিত মেক্সমুলাৰৰ মত অনুসৰি কালিদাসৰ আবির্ভাৱৰ সময় ষষ্ঠ শতিকাৰ মাজভাগ বুলি ঠাৱৰ কৰা হৈছে। কালিদাসৰ ৰচনাত মহাকাল, শিপ্রা নদী আৰু উজ্জয়িনী নগৰীৰ বিৱৰণ বিস্তৃত ৰূপত পোৱা যায়। কালিদাসে আগবঢ়োৱা উজ্জয়িনীৰ বর্ণনালৈ চাই তেওঁৰ জন্মস্থান উজ্জয়িনী বুলি ক'ব পাৰি।

১২.৩.১ কালিদাসৰ ৰচনাৱলী

আপুনি জানে যে মহাকবি কালিদাসে নাটক আৰু কাব্য ৰচনা কৰি সংস্কৃত সাহিত্যৰ ভঁৰাল চহকী কৰি থৈছে। তেওঁ *অভিজ্ঞানশকুন্তলম্, মালৱিকাগ্নিমিত্রম্* আৰু *বিক্রমোর্বশীয়ম্* নমেৰে তিনিখন নাটক ৰচনা কৰিছে। তদুপৰি তেওঁ *কুমাৰসম্ভৱম্* আৰু *ৰঘুবংশম্* নামৰ দুখন মহাকাব্য ৰচনা কৰি গৈছে। *মেঘদূতম্* তেওঁৰ দ্বাৰা ৰচিত এখন খণ্ডকাব্য। ভাৰতবর্ষৰ ছটা ঋতুৰ বর্ণনাৰে তেওঁৰ *ঋতুসংহাৰ* নামেৰে আন এখন কাব্যও ৰচনা কৰিছে।

এইবোৰৰ বাহিৰেও কালিদাসে *অম্বাস্তৱ, কল্যাণস্তৱ, কালীস্তোত্র, ঘটকর্পৰ, নলোদয়, পুষ্পবাণবিলাক, শৃঙ্গাৰতিলক, শ্রুতবোধ* আদি ৰচনা কৰিছিল। তদুপৰি *মকৰন্দস্তৱ, গঙ্গাষ্টক, চণ্ডিকাদণ্ডকস্তোত্র, নৱৰত্নমালা, চর্চাস্তৱ, দুর্ঘটকাব্য, জ্যোতির্বিদাভৰণ, ৰাক্ষসকাব্য, শৃঙ্গাৰসাৰকাব্য, লক্ষ্মীস্তৱ, বিদ্বদ্বিনোদকাব্য, শ্যামলাদণ্ডক, শৃঙ্গাৰৰসাষ্টক, বৈদ্যমনোৰমা, ৰত্নকোষ* আদি কাব্যও কালিদাসৰ ৰচনা বুলি বহুতো পণ্ডিতে ক'ব খোজে।



জানি থোৱা ভাল

- কিম্বদন্তিমতে কালিদাস মহামূর্খ আছিল। ঘৈণীয়েকে তেওঁক ভৎর্সনা কৰি ঘৰৰ পৰা উলিয়াই দিছিল। পিছত তেওঁ কালীদেৱীক তপস্যা কৰি সিদ্ধি লাভ কৰি কবিত্ব শক্তি লাভ কৰে।
- তপস্যাত সিদ্ধি লাভ কৰি ঘৰলৈ উভতি আহি তেওঁ ঘৈণীয়েকক সম্বোধন কৰি 'অস্তি কশ্চিৎ বাক্ বিশেষ ঃ' অর্থাৎ কিবা এটা বিশেষ কথা আছে বুলি কয়।
- পিছত কালিদাসে 'অস্তি' ক্রিয়া পদেৰে *কুমাৰসম্ভৱ* মহাকাব্য ৰচনা কৰিলে (অস্ত্যুত্তৰস্যাং দিশি...)। 'কশ্চিৎ' পদেৰে তেওঁ *মেঘদূত* খণ্ডবাক্য ৰচনা কৰিলে (কশ্চিৎকান্তা বিৰহগুৰুণা...)। তেওঁ 'বাক্' শব্দেৰে *ৰঘুবংশ* মহাকাব্য ৰচনা কৰিলে (ৰাগার্থাবিব সম্পৃক্তৌ বাগর্থৌ প্রতিপত্তয়ে...)। 'বিশেষঃ' পদেৰে তেওঁ *ঋতুসংহাৰ* কাব্য ৰচনা কৰিলে।

- আপুনি ওপৰত উল্লিখিত চাৰিখন কাব্যৰ প্ৰথম শব্দ হিচাপে ক্ৰমে 'অস্তি', 'কশ্চিৎ', 'বাক্' আৰু 'বিশেষঃ' এই চাৰিটা পদৰ প্ৰয়োগ পাব।

১২.৪ নাটকৰ লক্ষণ

আপুনি ইতিমধ্যে আগৰ অধ্যায়ত প্ৰকৰণৰ লক্ষণৰ বিষয়ে অধ্যয়ন কৰিছে। আপুনি জানিছে যে সংস্কৃত ভাষাত ৰচিত সকলো শ্ৰেণীৰ নাটকক বুজাবলৈ ৰূপক শব্দটো ব্যৱহাৰ কৰা হয়। ইতিমধ্যে আপুনি দশবিধ ৰূপক আৰু ওঠৰ প্ৰকাৰ উপৰূপকৰ বিষয়েও অৱগত হৈছে। এতিয়া আপুনি ৰূপকৰ ভিতৰত থকা নাটকৰ লক্ষণৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

নাটকৰ কাহিনী কোনো বিখ্যাত গ্ৰন্থৰ পৰা গ্ৰহণ কৰিব লাগে যাতে দৰ্শক বা পাঠকে অনায়াসে সেই কাহিনী বুজিব পাৰে। নাটকৰ কাহিনী পাঁচটা সন্ধিৰ মাজেৰে পৰিণতিৰ ফালে আগবাঢ়িব লাগে। সেই কাহিনী নানা বিভূতিযুক্ত হ'ব লাগে। সুখ-দুখ সম্বলিত নানা ৰসেৰে কাহিনী পুষ্ট হ'ব লাগে। নাটকত পাঁচৰ পৰা দহটা অংক থাকিব লাগে। নাটকৰ নায়কজন কোনো বিখ্যাত বংশত ওপজা হ'ব লাগে। নায়কজন ধীৰ-স্থিৰ আৰু প্ৰতাপশালী হ'ব লাগে। নায়কজন দিব্য অৰ্থাৎ দেৱতা বা অদিব্য অৰ্থাৎ শ্ৰেষ্ঠ মানুহো হ'ব পাৰে। নাটকত সদায় শৃংগাৰ বা বীৰৰসেই মুখ্য ৰস হিচাপে নাটকত থাকিব লাগে আৰু আন আন ৰসো কাহিনীৰ সাপেক্ষত থাকিব লাগে। নায়কজনৰ মুখ্য কাৰ্যৰ লগত সম্পৰ্ক থকা চাৰিটা বা পাঁচটা মুখ্য চৰিত্ৰ থাকিব লাগে। নাটকৰ কাহিনী শেষৰফালে ক্ৰমে সৰু হৈ যাব লাগে আৰু মুখ্য ফল প্ৰাপ্তিত নাটক সমাপ্ত হ'ব লাগে।



জানি থোৱা ভাল

সংস্কৃত নাটকত যুদ্ধ-বিগ্ৰহ, হত্যা, আঁতৰৰ পৰা আহ্বান কৰা— মতা, ৰাষ্ট্ৰ-বিপ্লৱ, শয়ন, চুম্বন, ভোজন, বিবাহ, অভিশাপ, মৃত্যু, নগৰ আদি অৱৰোধ, স্নান, প্ৰসাধন আদি মঞ্চত দেখুৱাব নালাগে। সেই কাৰণেই দুৰ্বাসাৰ অভিশাপৰ কথা নেপথ্যত ঘটোৱা হৈছে।

১২.৫ *অভিজ্ঞানশকুন্তলম্* নাটকৰ নামকৰণৰ তাৎপৰ্য

আপুনি আগৰ অধ্যায়ত শূদ্রকে ৰচনা কৰা *মৃচ্ছকটিক* প্ৰকৰণ অধ্যয়ন কৰিলে। আপুনি জানিলে যে প্ৰকৰণো ৰূপক। কিন্তু নাটকৰ দৰে ইয়াৰ বিষয়বস্তু কবিৰ কল্পনাপ্ৰসূত নহয়। আপুনি এতিয়া কালিদাস ৰচিত *অভিজ্ঞানশকুন্তলম্* নাটকৰ নামকৰণৰ তাৎপৰ্যৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। অভিজ্ঞান শব্দটোৰ অৰ্থ হৈছে 'চিহ্ন' যাৰ দ্বাৰা কোনো এজনক স্মৰণ কৰিব পৰা যায়। শকুন্তলা নাটকত ৰজা দুষ্যন্তৰ নাম অংকিত আঙঠিক অভিজ্ঞান বোলা হৈছে। অভিজ্ঞান প্ৰধান শকুন্তলাৰ কাহিনীক উপজীব্য হিচাপে গ্ৰহণ কৰি নাটকখন ৰচিত হৈছে। সেই কাৰণেই তাৰ

নামকৰণ কৰা হৈছে *অভিজ্ঞানশকুন্তলম্*। বাস্তৱিকতে *শকুন্তলা* নাটকৰ কাহিনীলৈ চালেও আপুনি বুজিব পাৰিব যে কালিদাস ৰচিত এই নাটকখনত দুষ্যন্তই শকুন্তলাক নিজৰ নামাংকিত আঙঠিটো দিয়া বিষয়টোৱে যথেষ্ট তাৎপর্য বহন কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মহাকবি কালিদাস আৰু তেওঁৰ ৰচনাৰাজিৰ বিষয়ে এটি চমুটোকা লিখক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ২ ঃ সংস্কৃত নাটকৰ লক্ষণৰ ওপৰত এটি সংক্ষিপ্ত টোকা যুগত কৰক। (৭৫টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৩ ঃ *অভিজ্ঞানশকুন্তলম্* নামটিৰ তাৎপর্য নিৰূপণ কৰক। (৭৫টা শব্দৰ ভিতৰত)

১২.৬ *অভিজ্ঞানশকুন্তলম্* নাটকৰ কথাবস্তু

আপুনি শকুন্তলা নাটকৰ চমু পৰিচয় লাভ কৰিলে। এতিয়া এই শাখাত নাটকখনৰ মূল কাহিনীৰ বিষয়ে অধ্যয়ন কৰিব। আপুনি গম পালে যে দুষ্যন্ত আৰু শকুন্তলাৰ প্রণয় কাহিনীয়েই হৈছে শকুন্তলা নাটকৰ মুখ্য বিষয়বস্তু। কাহিনীভাগ এনেকুৱা—

হস্তিনাপুৰৰ ৰজা দুষ্যন্ত মৃগয়ালৈ গৈ মালিনী নদীৰ পাৰত অৱস্থিত কণ্ব মুনিৰ আশ্রমত উপস্থিত হয়। কণ্ব মুনি আশ্রমত নথকা অৱস্থাত ৰজাই শকুন্তলাৰ ৰূপত মুগ্ধ হৈ গন্ধর্ব প্রথা অনুসৰি শকুন্তলাক বিয়া কৰায়। পিছত কণ্বই তপস্যাৰ বলত সেই কথা গম পাই শকুন্তলাক দুষ্যন্তৰ প্রাসাদলৈ শার্ঙ্গৰব, শাৰদ্বত আৰু গৌতমীৰ লগত পঠায়। দুর্বাসাৰ অভিশাপৰ কাৰণে ঘটনাক্রমে ৰজাই শকুন্তলাক পাহৰি যায়। প্রত্যাখ্যানত শকুন্তলাক সানুমতীয়ে অদৃশ্য ৰূপত আকাশলৈ লৈ যায়। ইপিনে শক্রাৱতাৰৰ মাছমৰীয়াৰ হাতত আঙঠিটো পাই ৰজাই শকুন্তলাৰ লগত তেওঁৰ প্রণয়ৰ সকলো কথা স্মৰণ কৰে। তেতিয়া ৰজাই শকুন্তলাক পাবলৈ অতিকৈ ব্যগ্র হৈ পৰে। শকুন্তলাৰ চিন্তাত ৰজা ক্ষীণাই যায়। ইপিনে মাতলিয়ে বিদূষকক আক্রমণ কৰে আৰু তেতিয়া ৰজাৰ পৰাক্রম জাগ্রত হৈ উঠে। মাতলিয়ে ৰজাক সাক্ষাৎ কৰি সকলো কথা বিৱৰি কয় আৰু দেৱৰাজ ইন্দ্রৰ আদেশত যে তেওঁ তালৈ আহিছে তাকো ব্যক্ত কৰে। ইন্দ্রই দুষ্যন্তক ৰাক্ষসক বধ কৰিবলৈ আমন্ত্রণ জনাইছে বুলি মাতলিয়ে ৰজাক জানিবলৈ দিয়ে। দেৱৰাজ ইন্দ্রৰ সেই আমন্ত্রণত ৰজা দুষ্যন্তই নিজকে ধন্য মানে আৰু লগে লগে মাতলিৰ লগত ৰথত আৰোহণ কৰি স্বর্গৰাজ্যলৈ যায়। ৰাক্ষস নিধন কৰি উভতি আহোঁতে ৰজাই বাটত মাৰীচৰ আশ্রম দেখা পাই তাত অৱতৰণ কৰে। আশ্রমত কণমানি বালক সর্বদমনক দেখি ৰজাৰ মনত বাৎসল্য ভাবৰ সঞ্চাৰ হয়। পিছত শকুন্তলাৰ লগতো ৰজাৰ সাক্ষাৎ হয় আৰু মাৰীচৰ আশ্রমত দুষ্যন্ত আৰু শকুন্তলাৰ পুনর্মিলন হয়। এয়াই হৈছে কালিদাস ৰচিত *অভিজ্ঞানশকুন্তলম্* নাটকৰ বিষয়বস্তুৰ সাৰাংশ।

১২.৬.১ *শকুন্তলা* নাটকৰ বিষয়বস্তুৰ উৎস

আপুনি *শকুন্তলা* নাটকৰ মূল কাহিনী অধ্যয়ন কৰিলে। এতিয়া ইয়াত কাহিনীৰ উৎসৰ কথা অধ্যয়ন কৰিবলৈ পাব।

পণ্ডিতসকলে শকুন্তলা নাটকৰ উৎসৰ সম্পৰ্কত মহাভাৰতৰ আদিপৰ্বত থকা দুষ্যন্ত আৰু শকুন্তলাৰ কাহিনীকেই ঠাৰৰ কৰিছে। *মহাভাৰতৰ* আদিপৰ্বৰ ৬৭-৭৪ অধ্যায়ত দুষ্যন্ত আৰু শকুন্তলাৰ কাহিনী বৰ্ণিত হৈছে। তাত থকা কাহিনী এনেকুৱা— প্ৰতিষ্ঠানৰ ৰজা দুষ্যন্ত চন্দ্ৰবংশৰ ৰজা। তেওঁ এদিনা মৃগয়া কৰিবলৈ গৈ কণ্ব মুনিৰ আশ্ৰমত উপস্থিত হৈছিল। ঋষি কণ্ব তেতিয়া আশ্ৰমত নাছিল; ফল-মূল সংগ্ৰহ কৰিবলৈ তেওঁ ওলাই গৈছিল। কণ্ব মুনিৰ পালিতা কন্যা শকুন্তলাৰ ওপৰত তেতিয়া অতিথি সৎকাৰৰ দায়িত্ব অৰ্পিত হৈছিল। ৰজাই শকুন্তলাক দেখি বৰকৈ মোহিত হৈছিল। শকুন্তলাৰ জন্ম-বৃত্তান্ত সোধাত শকুন্তলাই তেওঁৰ জন্মৰ সকলো কথা ৰজাক কৈছিল। তেতিয়া ক্ষত্ৰিয়ৰ কাৰণে শকুন্তলা গ্ৰহণযোগ্য ভাবি দুষ্যন্তই শকুন্তলাক গন্ধৰ্ব প্ৰথা অনুসৰি বিয়া কৰাইছিল। শকুন্তলাৰ পুত্ৰক যুৱৰাজ পাতিব বুলিও ৰজাই শকুন্তলাক প্ৰতিশ্ৰুতি দিছিল। কণ্ব মুনিৰ অনুমতি নোলোৱাকৈয়ে শকুন্তলাক বিয়া কৰাই ৰজাই তৎক্ষণাত তাৰ পৰা প্ৰস্থান কৰিছিল।

অলপ পিছতেই কণ্ব মুনি আশ্ৰমলৈ উভতি আহিছিল আৰু দৈৱবলত সকলো কথা অৱগত হৈ শকুন্তলাক অভিনন্দন জনাইছিল। ইপিনে ৰাজধানীলৈ উভতি গৈ ৰজাই ঋষি কণ্বৰ ভয়ত শকুন্তলাক নিবলৈ মানুহ পঠাবলৈ সাহস কৰা নাছিল। কেইদিনমান পিছত শকুন্তলাই পিতৃ কণ্বৰ আশ্ৰমতেই পুত্ৰ সন্তানৰ জন্ম দিছিল আৰু ছবছৰ বয়স হোৱা শিশুটি বৰ দুৰ্দান্ত হৈ পৰিছিল। আশ্ৰমৰ বনৰীয়া জন্তুক সি অত্যাচাৰ কৰিবলৈ লৈছিল আৰু সেইকাৰণেই শিশুটিৰ নাম সৰ্বদমন ৰখা হৈছিল। ঋষিয়ে দুষ্যন্তৰ ৰাজপ্ৰাসাদলৈ মাতৃ আৰু পুত্ৰক পঠিয়াবৰ সেইটোৱেই উপযুক্ত সময় বুলি বিবেচনা কৰিছিল যাতে সি উপযুক্ত সময়ত যুৱৰাজ পদত অভিষিক্ত হ'ব পাৰে। ঋষিয়ে কিছুমান তপস্বীক লগত দি শকুন্তলাক সৰ্বদমনৰ সৈতে দুষ্যন্তৰ প্ৰাসাদলৈ পঠাইছিল। কিন্তু ৰজাই শকুন্তলাক চিনি পোৱা সত্ত্বেও জন অপবাদৰ ভয়ত অস্বীকাৰ কৰিছিল। তেনেতে দৈৱবাণী যোগে জনোৱা হৈছিল যে শকুন্তলা ৰজাৰ বৈধ পত্নী। এতেকে দুষ্যন্তই শকুন্তলাক গ্ৰহণ কৰিব লাগে। তেতিয়া ৰজাই শকুন্তলাক গ্ৰহণ কৰি সৰ্বদমনক যুৱৰাজ পাতিছিল। *মহাভাৰতৰ* বৰ্ণনা মতে এইখিনিয়েই হৈছে দুষ্যন্ত আৰু শকুন্তলাৰ মূল কাহিনী। কবি কালিদাসে নাটকীয় ৰূপ দিবলৈ আৰু লগতে কালিদাসৰ প্ৰেমৰ দৰ্শন ৰূপায়িত কৰিবলৈ বহুতো কথা ইয়াত নতুনকৈ সংযোজন কৰিছে। সেই পৰিৱৰ্তনবোৰ তলত উল্লেখ কৰা হ'ল। আপুনি জানিবলৈ পাব যে নাটকত বৈখানসৰ নিমন্ত্ৰণ পাইহে ৰজা দুষ্যন্ত কণ্ব ঋষিৰ আশ্ৰমলৈ গৈছিল আৰু শকুন্তলাক অনসূয়া আৰু প্ৰিয়ম্বদাৰ লগত গছত পানী সিঁচি থকা অৱস্থাত দেখিবলৈ পাইছিল। মূল কাহিনীত এনেকুৱা বৰ্ণনা নাই।

অভিজ্ঞানশকুন্তলম্ নাটকত অনসূয়া আৰু প্ৰিয়ম্বদাৰ চৰিত্ৰ কবি কালিদাসৰ নিজা সংযোজন।

এইবোৰৰ উপৰিও আপুনি জানিব যে *মহাভাৰতৰ* কাহিনীত শকুন্তলাৰ জন্ম-বৃত্তান্ত শকুন্তলাই প্ৰথমতেই ৰজাক নিজে কৈছে। কিন্তু নাটকত শকুন্তলাৰ জন্ম-বৃত্তান্ত অনসূয়াৰ মুখেৰে ব্যক্ত কৰোৱা হৈছে।

নাটকত গন্ধৰ্ব প্ৰথামতে ৰজাই নিজেই শকুন্তলাক বিয়া কৰালে। কিন্তু নাটকত অনসূয়া আৰু প্ৰিয়ম্বদাৰ মতৰ সাপেক্ষত গন্ধৰ্ব বিবাহ সম্পন্ন হোৱা দেখুৱা হ'ল। তদুপৰি নাটকত কণ্ব মুনিক শকুন্তলাৰ দৈৱ উপশমৰ বাবে কণ্ব মুনিয়ে সোমতীৰ্থলৈ যোৱাৰ কথা কোৱা হৈছে। কিন্তু মূল কাহিনীত ফল-মূল সংগ্ৰহৰ বাবেহে কণ্ব ঋষিয়ে আশ্ৰমৰ বাহিৰলৈ গৈছে বুলি কোৱা হৈছে।

নাটকখনত শকুন্তলাৰ প্ৰত্যাখ্যান আৰু সানুমতীৰ অদৃশ্য ৰূপত শকুন্তলাক ৰাজপ্ৰাসাদৰ পৰা লৈ যোৱা আদি ঘটনা কবিৰ নিজা কল্পনাৰে সংযোজিত কৰা হৈছে। মাৰীচৰ আশ্ৰমৰ বৃত্তান্ত সম্পূৰ্ণকৈ কালিদাসৰ নিজা সৃষ্টি।

নাটকখনৰ চতুৰ্থ অংকত সংযোজিত দুৰ্বাসাৰ আগমন আৰু শকুন্তলাক অভিশাপ দিয়াৰ কথাটো কবি কালিদাসৰ নিজা সংযোজন। *মহাভাৰতৰ* মূল কাহিনীত এইটো নাই।

এইদৰে দেখা যায় যে কালিদাসে নাটকখনৰ কাহিনীত বহুতো কথা নিজাকৈ যোগ দি কাহিনীক বেছি মনোৰম কৰিছে। তাতেই কালিদাসৰ কৃতিত্ব নিহিত বুলি ক'ব পাৰি।

১২.৬.২ নাটকৰ প্ৰস্তাৱনা আৰু প্ৰত্যেক অংকৰ সাৰাংশ

শকুন্তলা নাটকখনৰ আৰম্ভণিত নান্দীশ্লোক পাঠ কৰা হয়। নান্দী শ্লোক পাঠৰ অন্তত সূত্ৰধাৰে মঞ্চত প্ৰৱেশ কৰে আৰু নটীক মঞ্চলৈ আহিবলৈ আহ্বান কৰে। সূত্ৰধাৰে নটীক কয় যে কালিদাস ৰচিত *অভিজ্ঞানশকুন্তলম্* নাটকখনৰ অভিনয়েৰে দৰ্শকবৃন্দক সন্তুষ্ট কৰা হ'ব। এতেকে নটীয়ে অভিনেতাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ অনুৰোধ জনাইছে। নটীয়ে ক'লে যে, সূত্ৰধাৰৰ তত্ত্বাৱধানত কোনো বিষয়তেই ত্ৰুটি নহ'ব। সূত্ৰধাৰে জনালে যে নাটকৰ অভিনয় শেষ নোহোৱালৈকে অভিনয় সাৰ্থক হোৱা বুলি ক'ব নোৱাৰি। তাৰপিছত সূত্ৰধাৰৰ আদেশ অনুসৰি নটীয়ে গ্ৰীষ্ম ঋতুৰ অৱলম্বনত এটি গীত পৰিবেশন কৰিলে। সূত্ৰধাৰে নটীৰ গীতৰ যথেষ্ট প্ৰশংসা কৰিলে আৰু কোনখন নাটকৰ অভিনয়েৰে দৰ্শকবৃন্দক সন্তুষ্ট কৰা হ'ব বুলি নটীক সুধিলে। তেতিয়া নটীয়ে সূত্ৰধাৰে পূৰ্বতে কালিদাস ৰচিত *অভিজ্ঞানশকুন্তলম্* নাটক অভিনীত হ'ব বুলি কৰা ঘোষণাৰ কথা জনালে। ৰজা দুষ্যন্তক হৰিণা পহুটোৱে আকৰ্ষণ কৰি লৈ যোৱাৰ দৰে নটীৰ সুললিত কণ্ঠস্বৰত সূত্ৰধাৰেও পূৰ্বতে কৰা সেই ঘোষণা বিস্মৃত হৈছে।



প্ৰস্তাৱনা ঃ সংস্কৃত নাটকৰ এটি পৰিভাষা। প্ৰত্যেক নাটকৰ প্ৰথম অংক আৰম্ভ হোৱাৰ ঠিক পূৰ্বতে নটী, বিদূষক বা পাৰিপাৰ্শ্বিকে সূত্ৰধাৰৰ লগত আলাপৰ জৰিয়তে নাট্যকাৰৰ পৰিচয় আৰু নাটকৰ মূল কথা-বস্তুৰ আভাস যি অংশত দিয়ে তাক প্ৰস্তাৱনা বোলা হয়। প্ৰস্তাৱনাক আমুখ বুলিও কোৱা হয়।

এইখিনিতেই প্রস্তাৱনাৰ ওৰ পৰে আৰু ধনু-শৰ হাতত লৈ দৌৰি পলাই যাবলৈ লোৱা হৰিণা পহুটোক অনুসৰণ কৰি মঞ্চত ৰজাৰ প্ৰৱেশ সূচিত হয়।

সাৰথিয়ে চলোৱা ৰথত ধনু-শৰধাৰী ৰজাৰ প্ৰৱেশেৰে প্রথম অংক আৰম্ভ হয়। ৰজাই সাৰথিক ক'লে যে সেই খেদি ফুৰা হৰিণা পহুটোৱে তেওঁক (ৰজাক) বহুদূৰলৈ আকর্ষণ কৰি আনিলে। ৰজাই সাৰথিক ভয়চকিত হৰিণাটোক চাবলৈ ক'লে। ৰাস্তাটো খলা-বমা থকাৰ বাবেই হৰিণাটো কেতিয়াবা ওচৰত আৰু কেতিয়াবা বহু দূৰত আছে বুলি প্রতীয়মান হৈছিল। সমতল ভূমি পোৱাত ৰজাই সাৰথিক দ্রুত গতিত ৰথ চলাবলৈ ক'লে। ৰথৰ গতিৰ প্রশংসা কৰাৰ লগে লগে ৰজাই হৰিণাটোলৈ শৰ মাৰিবলৈ ওলাল। তেতিয়া নেপথ্যৰ পৰা আশ্রমৰ হৰিণাটোক বধ নকৰিবলৈ ৰজাক কোৱা কথাফাঁকি ৰজাই শুনিবলৈ পালে। তেতিয়া সাৰথিয়ে দেখিবলৈ পোৱা তপস্বীলৈ ৰজাৰ দৃষ্টি আকর্ষণ কৰিলে। ৰজাৰ আদেশত সাৰথিয়ে ৰথখন ৰখালে আৰু তেতিয়া বৈখানস আৰু আন দুজন তপস্বী মঞ্চত প্রৱেশ কৰিলে। বৈখানসে ক'লে যে ৰজাই মাৰিবলৈ খেদি ফুৰা হৰিণাটো আশ্রমৰ পালিত পহু। এতেকে তাক মাৰিব নালাগে। বৈখানসে ৰজাক ক'লে যে আর্তক ত্রাণ কৰিবলৈকেহে ৰজাই বাণ প্রয়োগ কৰিব লাগে, দুর্বল হৰিণাক বধ কৰিবলৈ নহয়। বৈখানসৰ কথা শুনাৰ লগে লগে ৰজাই শৰ সংবৰণ কৰিলে। ৰজাক বৈখানসে প্রশংসা কৰি ক'লে যে পুৰুবংশত ওপজাৰ বাবেই নিক্ষেপ কৰিবলৈ লোৱা বাণ সংবৰণ সম্ভৱ আৰু উপযুক্ত হৈছে। এইখিনিতেই বৈখানসে ৰজাক চক্রৱর্তী লক্ষণযুক্ত পুত্র লাভৰ আশীর্বাদ কৰিলে। দুষ্যন্তই ঋষিক প্রণাম কৰিলে। বৈখানসে ক'লে যে তেওঁলোক সমিধ সংগ্রহৰ বাবে ওলাইছে। এতেকে মালিনী পাৰত থকা কাশ্যপ ঋষিৰ আশ্রম দর্শন কৰিবলৈ বৈখানসে ৰজাক আমন্ত্রণ জনালে। ঋষিজনাই আৰু ক'লে যে তেওঁ আশ্রম দর্শন কৰিলে বুজিব পাৰিব যে ৰজাই সুশৃংখলভাৱে ৰাজ্য শাসন কৰিছে। বৈখানসৰ পৰা ৰজাই জানিব পাৰিলে যে অতিথি অভ্যর্থনাৰ ভাৰ শকুন্তলাৰ ওপৰত ন্যস্ত কৰি ঋষি কাশ্যপ শকুন্তলাৰ প্রতিকূল-দৈৱ উপশমৰ বাবে সোমতীর্থলৈ গমন কৰিছে। দুষ্যন্তই বৈখানস ঋষিৰ আমন্ত্রণত কাশ্যপৰ আশ্রম দর্শন কৰিবলৈ ইচ্ছা প্রকাশ কৰিলে আৰু শকুন্তলাৰ জৰিয়তে কাশ্যপলৈ শ্রদ্ধা নিবেদন কৰিব বুলি ক'লে। তাৰ পিছত বৈখানসে শিষ্য দুজনৰ লগত প্রস্থান কৰিলে।

তাৰ পিছত ৰজাই সাৰথিক আশ্রমৰ পিনে ৰথ চলাবলৈ আদেশ দিলে। খন্তেকতে তেওঁলোক আশ্রমৰ পদুলি পালে। ৰজাই সখী দুগৰাকীৰে সৈতে শকুন্তলাক গছপুলিত পানী সিঁচি থকা অৱস্থাত দেখিবলৈ পালে। অনসূয়াৰ কথাৰ পৰা ৰজাই শকুন্তলাক চিনি পালে। কাৰণ, দুষ্যন্তই আমগছ এডালৰ পাছফালে আত্মগোপন কৰি আশ্রম বালিকাসকলৰ সকলো কর্ম আৰু বিশেষকৈ শকুন্তলাক চাই আছিল। সখী অনসূয়া আৰু প্রিয়ম্বদাৰ চপলতাসুলভ কথা-বতৰা শুনি ৰজা শকুন্তলাৰ প্রতি বেছিকৈ আকৃষ্ট হয়। তেনেতে ভোমোৱা এটাৰ উৎপাত সহ্য কৰিব নোৱাৰি অনসূয়া আৰু প্রিয়ম্বদাক শকুন্তলাই চিঞৰি

মাতিলে। এই সুযোগতে দুষ্যন্তই আত্মপ্রকাশ কৰিবলৈ গৈয়ো ৰৈ গ'ল। নিজৰ পৰিচয় লুকাই ৰাখি তেওঁ শকুন্তলাৰ সমুখত উপস্থিত হ'ল। প্রথম দর্শনতেই দুষ্যন্ত শকুন্তলাৰ ৰূপ-লাৱণ্যত বাৰুকৈয়ে আকৃষ্ট হ'ল আৰু শকুন্তলাৰ বিষয়ে কথা জানি ল'লে। ৰজাই জানিলে যে, কণ্ব ঋষিয়ে উপযুক্ত পাত্র পালে শকুন্তলাক বিয়া দিব। অনসূয়া আৰু প্রিয়ম্বদাই সেইজনেই যে ৰজা দুষ্যন্ত সেইটো বুজি পালে। তেনেতে আশ্রমৰ আনফালে বনৰীয়া দঁতাল হাতীৰ আবির্ভাৰ হোৱা বুলি শুনি ৰজাই তাপসীসকলক আশ্রমলৈ যাবলৈ দি তেওঁ ছাউনীলৈ বুলি উভতি গ'ল।

দ্বিতীয় অংক ঃ বিষণ্ণ বিদূষকৰ প্ররেশেৰে দ্বিতীয় অংকৰ আৰম্ভ সূচিত হয়। মৃগয়াবিহাৰী ৰজাৰ লগত থাকি বিদূষক অতি শ্রান্ত আৰু ক্লান্ত হৈ পৰিছিল। বিদূষকে কাঠৰ দণ্ড এডাল অৱলম্বন কৰি অৱস্থান কৰি থাকিল। সেই সময়ত পৰিচাৰিকাৰে বেষ্টিত অৱস্থাত ৰজা দুষ্যন্তই মঞ্চত প্ররেশ কৰিলে। মৃগয়ালৈ আহি ৰজাৰ লগত থাকি অতিপাত কাতৰ হৈ পৰা বিদূষকে সেনাপতিৰ লগত যুক্তি কৰি মৃগয়া বাতিল কৰিবলৈ পৰামর্শ কৰিলে। শেষত ৰজা দুষ্যন্তয়ো তাত সন্মতি জনালে। ৰজাই আশ্রমত শকুন্তলাক দেখাৰে পৰা তেওঁৰ মনত হোৱা প্রতিক্রিয়াৰ কথা বিদূষকক ব্যক্ত কৰিলে। শকুন্তলাৰ বিষয়ে কথা পাতি থাকোতেই আশ্রমৰ পৰা দুজন তাপসকুমাৰ আহি অনুৰোধ কৰিলে যে ৰজাই আশ্রমৰ যজ্ঞ যাতে বিঘিনি নোহোৱাকৈ সম্পাদিত হয় তাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ তপস্বীৰ যজ্ঞ ৰক্ষা কৰাটো ৰজাৰ কর্তব্য। এতেকে ৰজা আশ্রমলৈ গৈ যজ্ঞ ৰক্ষা কৰিব লাগে। দুষ্যন্তই সেই আমন্ত্রণ গ্রহণ কৰিলে। এইদৰে ৰজাই দ্বিতীয়বাৰ আশ্রমলৈ যোৱাৰ সুযোগ পালে। সেই সময়ত ৰাজধানীৰ পৰা দূত এজন আহি পুত্র-পিণ্ড-যজ্ঞত ৰজাই উপস্থিত থাকিব লাগে বুলি ৰাজমাতৃৰ আদেশ নিবেদন কৰিলে। ৰজাই আশ্রমক উপদ্রৱৰ পৰা ৰক্ষা কৰিবলৈ নিজে তাত থাকিব লাগে বুলি কৈ বিদূষকক ৰাজধানীলৈ পঠিয়াই দিলে।

পুত্র-পিণ্ড-যজ্ঞ ঃ মাতৃয়ে পুত্রৰ মঙ্গল কামনা কৰি উপবাসে থাকি পালন কৰা ব্রত।

তৃতীয় অংক ঃ তৃতীয় অংকৰ আৰম্ভ হয় বিষ্কম্ভকেৰে। তাত শকুন্তলাৰ মানসিক অৱস্থাৰ কথা শিষ্য এজনে জানিবলৈ দিয়ে। শিষ্যজনে প্রিয়ম্বদাৰ পৰা শকুন্তলাৰ বৃত্তান্তৰ বিষয়ে অৱগত হয়। গৌতমীৰ হাতত শান্তিপানী শকুন্তলাৰ বাবে পঠিয়াই দিব বুলি কৈ শিষ্যই মঞ্চৰ পৰা প্রস্থান কৰে। এইখিনিতেই বিষ্কম্ভকৰ অন্ত পৰে।

বিষ্কম্ভক ঃ বিষ্কম্ভক সংস্কৃত নাটকৰ এটি পৰিভাষা। নাটকৰ ঘাই কাহিনীৰ ঘটি যোৱা ঘটনা আৰু ঘটিবলগীয়া ঘটনাৰ আভাস য'ত দিয়া হয় তাক বিষ্কম্ভক বোলা হয়।

বিষ্কম্ভকৰ পিছতেই ৰজা দুষ্যন্তই মঞ্চত প্ররেশ কৰে। ৰজাই নানা ধৰণে তেওঁৰ মনৰ কামজর্জৰিত ভাব ব্যক্ত কৰে। সেই অৱস্থাতেই সখী দুই গৰাকীৰে সৈতে শকুন্তলাৰ প্ররেশ দেখুওৱা হয়। শকুন্তলাক দেখি দুষ্যন্তই শকুন্তলাৰ তেনেকুৱা অৱস্থাৰ কাৰণনো কি সেইটো ভাবিবলৈ ধৰে। অনসূয়া আৰু প্রিয়ম্বদাৰ কথাৰ পৰা আৰু লগতে শকুন্তলাৰ শাৰীৰিক অৱস্থাৰ পৰা শকুন্তলা যে দুষ্যন্তৰ প্রতি বাৰুকৈয়ে আসক্তা সেইটো ৰজাই ভালকৈ বুজিব পাৰিলে। সখী দুগৰাকীৰ কথামতে শকুন্তলাই পদুমৰ পাতত নখেৰে ৰজালৈ প্রণয়পত্র লিখিলে। ৰজা দুষ্যন্তই সেই সকলো কথা শুনি বৰ ভাল পালে।

শকুন্তলাই চিঠিখন সখী দুগৰাকীক পঢ়ি শুনাওঁতে ৰজাই কথাবোৰ শুনি শকুন্তলাৰ কাষ চাপি তেওঁৰো অনুৰূপ মনোভাৱ প্ৰকাশ কৰিলে। ৰজাক দেখি শকুন্তলা উঠিবলৈ ইচ্ছা কৰোঁতে ৰজাই তেওঁক বাৰণ কৰি নিজে শিলাখণ্ডৰ ওপৰত বহিল। অনসূয়া আৰু প্ৰিয়ম্বদাই হৰিণাৰ পোৱালিটোক তাৰ মাকৰ লগত লগ লগাই দিবলৈ বুলি সেই কুঞ্জ বনৰ পৰা আঁতৰি গ'ল। দুষ্যন্তই শকুন্তলাক গান্ধৰ্বমতে বিবাহ কৰে। গৌতমী কুঞ্জ বনলৈ আহি শকুন্তলাক লগত লৈ প্ৰস্থান কৰিলে। ৰজা দুষ্যন্ত কুঞ্জ বনতেই বহি শকুন্তলাৰ কথা ভাবি থাকোতে গধূলি হ'ল। তেনেতে ঋষিয়ে আৰম্ভ কৰা যজ্ঞত বিঘিনি ঘটাবলৈ ৰাক্ষসৰ আগমন হৈছে বুলি ৰজাক যজ্ঞ অক্ষত ৰাখিবলৈ আহ্বান জনোৱা হ'ল। দুষ্যন্তই ঋষিসকলক অভয় দান কৰি ৰাক্ষস নিধন কৰিবলৈ প্ৰস্থান কৰিলে।

চতুৰ্থ অংক ঃ অনসূয়া আৰু প্ৰিয়ম্বদাই ফুল বুটলি থকা অৱস্থাত চতুৰ্থ অংকৰ আৰম্ভ হয়। ৰজা দুষ্যন্তই আশ্ৰমৰ পৰা ৰাজধানীলৈ উভতি গৈ আশ্ৰমৰ কথা মনত ৰাখিব নে নাই সেইটোৱেই চিন্তাৰ বিষয় বুলি অনসূয়াই ক'লত প্ৰিয়ম্বদাই ক'লে যে ৰজা দুষ্যন্তই আশ্ৰমৰ কথা পাহৰিব নোৱাৰে। কিন্তু কণ্বইহে শকুন্তলা আৰু দুষ্যন্তৰ কথা জানিব পাৰি কি কৰিব সেইটোহে বিশেষ চিন্তাৰ বিষয়। অনসূয়াই ক'লে যে উপযুক্ত পাত্ৰত কন্যা সম্প্ৰদান কৰাই কণ্বৰ অভিলাষ। সেইকাৰণে শকুন্তলা আৰু দুষ্যন্তৰ প্ৰণয়ৰ কথা জানি কণ্বই কোনো আপত্তি নকৰে বুলি অনসূয়াই ক'লে। এইদৰে সখী দুগৰাকীয়ে কথা পাতি ফুল বুটলি থাকোঁতে আশ্ৰমত অতিথিৰ মাত শুনিবলৈ পালে। নেপথ্যত শকুন্তলাক অতিথিয়ে অভিশাপ দিয়াটো তেওঁলোক দুয়োয়ে শুনিবলৈ পালে। অনসূয়াই ঋষি দুৰ্বাসাক প্ৰাৰ্থনা কৰি ক্ৰোধ উপশম কৰিবলৈ অনুৰোধ কৰিলে তথা প্ৰিয়ম্বদাই অৰ্ঘ্য আৰু ভৰি ধুবলৈ পানী আনিবলৈ বুলি প্ৰস্থান কৰিলে। অনসূয়াই বহুতো কাকুতি-মিনতি কৰি ঋষিক সন্তুষ্ট কৰিলে। দুৰ্বাসা ঋষিয়ে ক'লে যে শকুন্তলাই যদি ৰজাৰ কোনো স্মৃতিচিহ্ন দেখুৱাব পাৰে, তেন্তে ৰজাই শকুন্তলাক আকৌ চিনি পাব। ৰজাই দিয়া আঙঠিপাত শকুন্তলাৰ হাতত আছে জানিয়েই অনসূয়া আৰু প্ৰিয়ম্বদাৰ চিন্তা বহু পৰিমাণে লাঘব হ'ল। দুৰ্বাসা ঋষিৰ অভিশাপৰ কথাটো তেওঁলোকে শকুন্তলাক জানিবলৈ নিদিলে। এইদৰেই অনসূয়া আৰু প্ৰিয়ম্বদাৰ প্ৰস্থানৰ পিছত মঞ্চত শিষ্য এজনে মঞ্চত প্ৰৱেশ কৰি আশ্ৰমলৈ ঋষি কণ্বৰ প্ৰত্যাগমনৰ কথা জনালে। অনসূয়াই দুষ্যন্ত আৰু শকুন্তলাৰ প্ৰণয়ৰ কথা ভাবি তাৰ পৰিণাম কেনেকুৱা হ'ব এইটো চিন্তা কৰি থকা অৱস্থাত প্ৰিয়ম্বদা মঞ্চত উপস্থিত হৈ শকুন্তলাৰ বিদায়যাত্ৰাৰ যা-যোগাৰ কৰিব লাগে বুলি অনসূয়াক জনালে। প্ৰিয়ম্বদাই জনালে যে দুষ্যন্ত আৰু শকুন্তলাৰ গন্ধৰ্ব বিবাহত পিতৃ কাশ্যপ আনন্দিত হৈছে। কাশ্যপে সেই বৃত্তান্ত হোমগৃহত প্ৰৱেশ কৰাত দৈৱবাণীৰ পৰা জানিব পাৰিলে। কাশ্যপে শকুন্তলাক হস্তিনাপুৰলৈ পঠাবলৈ মন কৰিলে। গৌতমীয়ে শকুন্তলাক লৈ যাবলৈ শাৰ্ঙ্গৰৱক আদেশ দিলে। শকুন্তলাক বিদায় দিবলৈ সকলো প্ৰস্তুতি চলিবলৈ ধৰিলে। শকুন্তলাই প্ৰাতঃস্নান কৰি বহিছে আৰু নীবাৰ ধানৰ পাত্ৰ হাতত লৈ তাপসীসকলে স্বস্তিবচন উচ্চাৰণ কৰি

অৰ্ঘ্য ঃ ফুলেৰে সৈতে এৰা গাখীৰ, দৈ, ঘি আদি উপকৰণেৰে সৈতে অতিথিক অভ্যৰ্থনা কৰিবলৈ অনা পানীক অৰ্ঘ্য বোলে।

সম্বর্ধনা জ্ঞাপন কৰিবলৈ ধৰিলে। শকুন্তলাই অনসূয়া আৰু প্ৰিয়ম্বদাক ওচৰত বহুৱালে। তেওঁলোকে শকুন্তলাক নানা প্ৰসাধন সামগ্ৰীৰে সজাবলৈ ধৰিলে। সকলোৱে শকুন্তলাক আশীৰ্বাদ কৰিলে। সমাপ্ত হোৱা হোমৰ বেদী প্ৰদক্ষিণ কৰিবলৈ কাশ্যপ মুনিয়ে শকুন্তলাক ক'লে। অগ্নি প্ৰদক্ষিণৰ পিছত হস্তিনাপুৰলৈ যাবলৈ সকলো শিষ্য প্ৰস্তুত হ'ল আৰু শকুন্তলাক বাট দেখুৱাই লৈ যাবলৈ কাশ্যপে আদেশ দিলে। বিদায়ৰ সময়ত আশ্ৰমৰ তৰু-লতিকা, পশু-পক্ষী শোকত ম্ৰিয়মান হ'ল। হৰিণাটোৱে শকুন্তলাৰ কাপোৰৰ আঁচলত কামুৰি ধৰিলে। শকুন্তলাই বনজ্যোৎস্নাক আলিংগন কৰি বিদায় ল'লে। কাশ্যপ মুনিয়ে জলাশয়ৰ কাষলৈকে শকুন্তলাৰ লগত গ'ল আৰু শকুন্তলাক বিভিন্ন উপদেশ প্ৰদান কৰি বিদায় দি আশ্ৰমলৈ উভতি আহিল। গোটেই আশ্ৰম শূন্য যেন লাগিবলৈ ধৰিলে। কাশ্যপ মুনিয়ে শকুন্তলাক পতিগৃহলৈ পঠাই নিশ্চিন্ত হ'ল।

পঞ্চম অংক ঃ আসনত বহি থকা ৰজা, বিদূষক আৰু পৰিজনৰ প্ৰৱেশেৰে নাটকখনৰ পঞ্চম অংক আৰম্ভ হয়। বিদূষকে নেপথ্যত শুনিবলৈ পোৱা হংসপদিকাৰ কণ্ঠস্বৰলৈ ৰজাৰ মনোযোগ আকৰ্ষণ কৰিলে। হংসপদিকাক সান্ত্বনা দিবলৈ ৰজাই বিদূষকক পঠাই দিলে। দুষ্যন্ত অকলে বহি থাকোঁতে কঞ্চুকী ৰজাৰ ওচৰলৈ আহি ঋষি কণ্বৰ আশ্ৰমৰ পৰা তপস্বীসকল আৰু লগতে তিৰোতা মানুহো যে ৰজাক লগ ধৰিবলৈ আহিছে সেইটো ৰজাক জনালে। ৰজাই তপস্বীসকলক লগ ধৰিবলৈ অগ্নিগৃহলৈ গ'ল। ইতিমধ্যে ৰাজপুৰোহিতে তাপসীসকলক আদৰণি জনাইছে। ৰজাই আশ্ৰম আৰু তপস্বীসকলৰ কুশল-মংগলৰ বুজ ল'লে। তাৰ পিছত ৰজাই কণ্ব মুনিৰ কথা সুধিলত শাৰ্ঙ্গৰৱে ৰজাক ক'লে যে তেওঁলোকৰ কুলপতি কণ্বই শকুন্তলাক ৰজাই গ্ৰহণ কৰিব লাগে বুলি ৰাজপ্ৰাসাদলৈ পঠিয়াইছে। ৰজাই শকুন্তলাৰ কথা সমূলি পাহৰি গৈছে। সেইকাৰণে শাৰ্ঙ্গৰৱৰ কথা ৰজাই একোৱেই বুজিব নোৱাৰিলে। ঋষি দুৰ্বাসাৰ অভিশাপেই এইটোৰ মূল কাৰণ। শাৰ্ঙ্গৰৱ, গৌতমী আৰু শাৰদ্বতই শকুন্তলাক তাতেই এৰি থৈ আশ্ৰমলৈ বুলি উভতি গ'ল। ইপিনে শকুন্তলাই সন্তান প্ৰসৱ নকৰালৈকে পুৰোহিতৰ ঘৰতেই থাকিব বুলি সিদ্ধান্ত লোৱা হ'ল। শকুন্তলাই নিজৰ ওৰণি আঁতৰাই সকলো বৃত্তান্ত কোৱা সত্ত্বেও ৰজাৰ একো মনত নপৰিল। ইপিনে ৰজাৰ নামাংকিত আঙঠিটোও দেখুৱাব নোৱাৰাত শকুন্তলাই নিজৰ ভাগ্যক দোষাৰোপ কৰিলে। ইতিমধ্যে অকস্মাৎ এক দিব্যজ্যোতিয়ে শকুন্তলাক ৰাজপ্ৰাসাদৰ পৰা বোকোচাত লৈ অন্তৰ্ধান হ'ল। সেই দৃশ্যত সকলোৱে স্তম্ভিত হ'ল।

হংসপদিকা ঃ ৰজা দুষ্যন্তৰ মহিষী।

কঞ্চুকী ঃ সংস্কৃত নাটকৰ এটি চৰিত্ৰ। কঞ্চুকী জাতিত ব্ৰাহ্মণ আৰু ৰজাৰ অন্তঃপুৰত থাকে। অন্তঃপুৰৰ সকলো বাতৰি ৰজাক জ্ঞাপন কৰে। কঞ্চুকী সকলো কাৰ্যত কুশল, তেওঁ জৰা আৰু বৈক্লব্যযুক্ত।

ষষ্ঠ অংক ঃ নগৰৰক্ষক, ৰজাৰ খুলখালিয়েক আৰু হাতবন্ধা অৱস্থাত এজন মানুহক দুজন চিপাহীৰ প্ৰৱেশেৰে ষষ্ঠ অংকৰ আৰম্ভ হোৱা দেখা যায়।

হাতত বান্ধি অনা মানুহজনৰ হাতত ৰজাৰ নাম লিখা উজ্জ্বল আঙঠিটো পোৱাত চিপাহীয়ে নামানে। মানুহজন এজন মাছমৰীয়া, সি শক্ৰাৱতাৰৰ বাসিন্দা। এদিন ৰৌ মাছ এটা জালত পৰাত তাক কাটিলত মাছৰ পেটত সেই আঙঠিটো সি পালে বুলি

জনালে। তেতিয়া ৰজাৰ খুলখালিয়েকে আঙঠিটো লৈ ৰজাক দেখুৱাবলৈ গ'ল। ৰজাৰ খুলখালিয়েকে মাছমৰীয়াজনক ৰজাৰ নিৰ্দেশ মতে পুৰস্কাৰ প্ৰদান কৰিলে। কঞ্চুকীৰ পৰা অৱগত হোৱা মতে আঙঠি দেখাৰে পৰা শকুন্তলাৰ লগত দুষ্যন্তৰ পূৰ্বৰ সকলো বৃত্তান্ত ৰজাৰ মনত পৰিল। শকুন্তলাৰ বিচ্ছেদত ৰজা কাতৰ হৈ পৰিল (আনকি তেওঁ তেতিয়াৰে পৰা নিদ্ৰাবিহীন নিশা অতিবাহিত কৰিবলৈ ধৰিলে)। বিদূষকে সকলো কথা জানিও ৰজাক একো কোৱা নাছিল এইকাৰণেই যে দুষ্যন্তই শকুন্তলাৰ বিষয়ে কোৱা বৃত্তান্তখিনি পৰিহাসহে, সঁচা নহয় বুলি নাটকৰ দ্বিতীয় অংকতেই কৈছিল। বিদূষকে দুষ্যন্তৰ সেই কথাকেই সঁচা ভাবি শকুন্তলা ৰাজপ্ৰাসাদত উপস্থিত হোৱাত সেইবোৰ নোকোৱাকৈ মনে মনে আছিল। বিদূষকে ৰজাক বহু ধৰণে বুজনি দিছিল আৰু কৈছিল যে আকাশত বিচৰণ কৰা কোনোৱে হয়তো শকুন্তলাক লৈ গৈছে। আনকি, মেনকা নিজেই হয়তো শকুন্তলাক অদৃশ্য কৰি লগত লৈ গৈছে। বিদূষকে আৰু কৈছিল যে সম্ভৱতঃ দুষ্যন্তৰ লগত শকুন্তলাৰ পুনৰ্মিলন ঘটিব। কাৰণ, শকুন্তলাৰ মাতৃ মেনকাই কেতিয়াও নিজৰ কন্যাক পতিৰ পৰা আঁতৰাই নাৰাখে। অদৃশ্য ৰূপত অৱস্থান কৰি মেনকাই দুষ্যন্ত আৰু বিদূষকৰ কথা-বতৰা শুনি হৰ্ষিত হৈছিল। তদুপৰি চতুৰিকা চিত্ৰফলকখন লৈ দুষ্যন্তৰ ওচৰ চাপিল। বিদূষকে তাত থকা তিনিগৰাকী নাৰীৰ ভিতৰত শকুন্তলাৰ চিত্ৰ নিৰ্ধাৰণ কৰাত ৰজাই মনত আনন্দ পালে। ৰাজমহিৰীযী বসুমতীৰ আগমন বাৰ্তা চতুৰিকাই শুনালত চিত্ৰফলকখন লুকাই ৰখা হ'ল। তেনেতে ৰজাই প্ৰতিহাৰীৰ মাধ্যমেৰে মৃত বণিক ধনমিত্ৰৰ ধন-সম্পত্তি আৱণ্টনৰ ব্যৱস্থা জ্ঞাপন কৰিলে। শকুন্তলাৰ কথা স্মৰণ কৰি ৰজা মূৰ্ছা গ'ল। তেনেতে নেপথ্যত আৰ্তৰ কণ্ঠস্বৰ শুনা গ'ল। ৰজাই সম্বিত ঘূৰাই পাই বিদূষকৰ স্বৰ বুলি বুজিব পাৰিলে আৰু ধনুশৰ আনিবলৈ আদেশ কৰিলে। যৱনীয়ে ধনুশৰ লৈ ৰজাৰ হাতত দিয়াত ৰজাই ধনুত শৰ সংযোজন কৰিলে। তেনেতে মাতলি আৰু বিদূষকৰ প্ৰৱেশ সূচিত হ'ল। মাতলিয়ে ৰজাক ইন্দ্ৰই ৰাক্ষস নিধনৰ বাবে আমন্ত্ৰণ জনাইছে বুলি ক'লে। সেয়েহে মাতলিৰ লগত দুষ্যন্তই স্বৰ্গৰাজ্যলৈ গৈ ৰাক্ষস বধৰ সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ সাজু হ'ল আৰু মাতলিৰ ৰথত আৰোহণ কৰিলে।

যৱনী ঃ পাৰস্য দেশৰ তিৰোতা।

মাতলি ঃ ইন্দ্ৰৰ ৰথৰ সাৰথি।

সপ্তম অংক ঃ ৰজা দুষ্যন্তই মাতলিয়ে চলোৱা ৰথেৰে ৰাজধানীলৈ উভতি আহোতে নানা দৃশ্য উপভোগ কৰি শেষত মাৰীচৰ আশ্ৰমত উপস্থিত হ'ল।

আশ্ৰমৰ পৰিচাৰিকাসকলৰ লগত এটি শিশুৱে সিংহৰ পোৱালি এটাৰ লগত খেলি থকা দেখি দুষ্যন্ত আচৰিত হ'ল। শিশুটিক দেখাৰ লগে লগেই ৰজাৰ মনত নিজৰ পুত্ৰ বুলি বাৎসল্যপ্ৰেমৰ সঞ্চাৰ হ'ল। ল'ৰাটোৰ লগত কথা পাতিও তেওঁৰ অন্তৰত আপোন ভাব জাগ্ৰত হ'ল। শিশুটিৰ কথাৰ পৰাই দুষ্যন্তই জানিব পাৰিলে যে দুষ্যন্তহে বালকৰ পিতৃ। শেষত শকুন্তলাই যে শিশুটিৰ মাতৃ তাকো ৰজাই জানিব পাৰি আশ্বস্ত হ'ল। তাপসীৰ কথাৰ পৰাও ৰজা দুষ্যন্তই সম্পূৰ্ণৰূপে জানিব পাৰিলে যে তেওঁহে শিশুটিৰ পিতৃ। শিশুটিৰ জাতকৰ্মৰ সময়ত মাৰীচে দিয়া অপৰাজিতা নামৰ ৰক্ষা কবচটি

দুষ্যন্তৰ হাতত লগা সত্ত্বেও কবচটিৰ কোনো পৰিৱৰ্তন নঘটাত পৰিচাৰিকাসকলো আচৰিত হ'ল। শকুন্তলাও সেই ঘটনাত অতি আচৰিত হ'ল।

শেষত শকুন্তলাৰ লগত দুষ্যন্ত সাক্ষাৎ হ'ল। ৰজাই শকুন্তলাক প্ৰত্যাখ্যানৰ বেদনা পাহৰি যাবলৈ অনুৰোধ কৰিলে আৰু ভৰিত দীঘল দি পৰিলে। শকুন্তলাই আৰ্যপুত্ৰ দুষ্যন্তক উঠিবলৈ কৈ শকুন্তলাৰেই পূৰ্বজন্মৰ পাপৰ ফলত এনেকুৱা হৈছিল বুলি ৰজাক সান্ত্বনা প্ৰদান কৰিলে। শকুন্তলাই ৰজাৰ হাতত নামাংকিত আঙঠিটো দেখা পালে আৰু শকুন্তলাই সেইটো নোপোৱাত দুষ্যন্তই তেওঁক চিনিব পৰা নাছিল বুলি ক'লে। তেতিয়া ৰজাই আঙঠিটো আকৌ শকুন্তলাক প্ৰদান কৰা সত্ত্বেও শকুন্তলাই আঙঠিটো গ্ৰহণ নকৰি দুষ্যন্তৰ লগতহে ৰাখিবলৈ ক'লে। মাতলিয়েও দুষ্যন্ত আৰু শকুন্তলাৰ লগত শিশুটিৰ মিলনত সন্তুষ্টি প্ৰকাশ কৰিছিল। মাৰীচে দুষ্যন্তক আশীৰ্বাদ কৰিলে। মাৰীচে কণ্ব মুনিকো দুষ্যন্ত আৰু শকুন্তলাৰ শুভমিলনৰ বাতৰি পঠিয়ালে। ৰজা দুষ্যন্তই শকুন্তলা আৰু শিশুটিক লগত লৈ ইন্দ্ৰৰ ৰথত আৰোহণ কৰিলে আৰু ঋষিক প্ৰাৰ্থনা জনালে যাতে ৰাজ্যৰ মংগল সাধনত ৰজাই আত্মনিয়োগ কৰিব পাৰে। এয়াই সপ্তম তথা অন্তিম অংকৰ সাৰাংশ।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৪ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ কাহিনীৰ উৎসৰ কথাখিনি আপুনি নিজৰ ভাষাত লিখক।

(১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৫ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ প্ৰস্তাৱনাৰ কথাখিনি আপুনি নিজৰ ভাষাত লিখক। (১০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৬ ঃ *অভিজ্ঞানশকুন্তলম্*নাটকৰ চতুৰ্থ অংকৰ সাৰাংশ আপোনাৰ নিজৰ ভাষাত পৰিৱেশন কৰক। (১৫০টা শব্দৰ ভিতৰত)।

১২.৬.৩ *অভিজ্ঞানশকুন্তলমৰ* চৰিত্ৰ চিত্ৰণ

আপুনি *শকুন্তলা* নাটকৰ প্ৰত্যেকটো অংকৰ সাৰাংশ অধ্যয়ন কৰিলে। ইয়াত নাটকখনৰ কেইটামান মুখ্য চৰিত্ৰৰ বিষয়ে অৱগত হ'ব পাৰিব।

দুষ্যন্ত ঃ আপুনি জানিব পাৰিছে যে নাটকখনৰ নায়ক হৈছে ৰজা দুষ্যন্ত। তেওঁ হস্তিনাপুৰৰ ৰজা। ৰজা দুষ্যন্ত ধীৰোদাত্ত শ্ৰেণীৰ নায়ক। মহাকবি কালিদাসে দুষ্যন্তক এজন আদৰ্শ ব্যক্তি আৰু নৰপতি হিচাপে চিত্ৰিত কৰিছে। আত্ম-সংযম, উদাৰতা, বীৰত্ব, সাহস, ন্যায়পৰায়ণতা আদি গুণ দুষ্যন্তৰ কাৰ্য-কলাপত প্ৰকাশ পাইছে। ৰজা দুষ্যন্ত স্বভাৱতে অতি ধীৰ প্ৰকৃতিৰ।

দুষ্যন্তৰ শাৰীৰিক গঠন আৰু তাৰ লগতে শান্ত-সৌম্য ৰূপ সকলোৰে বাবে আকর্ষণীয়। ৰজাৰ সাৰথিয়ে তেওঁক পিনাকি বুলি নাটকৰ প্রথম অংকতেই প্রশংসা কৰিছে। তদুপৰি নাটকত দেৱমাতৃ অদিতিয়েও দুষ্যন্তৰ শাৰীৰিক গঠনৰ প্রশংসা কৰা দেখা যায়। প্রিয়ম্বদাই দুষ্যন্তক গম্ভীৰাকৃতিসম্পন্ন আৰু এজন মধু�ৰভাষী পুৰুষ বুলি অনসূয়াক কৈছে। প্রকৃতিৰ সুন্দৰ পৰিবেশ দুষ্যন্তৰ অতি প্রিয়। নাটকখনৰ নায়ক দুষ্যন্ত এজন অতি সূক্ষ্ম পর্যবেক্ষকৰূপেও চিত্রিত হৈছে। আশ্রমলৈ যাওঁতে তপোবনৰ গছ-গছনি দৃশ্য চাই আশ্রমখন যে বেছি দূৰত নহয় সেইটো ঠাৱৰ কৰাৰ পৰাই তাৰ প্রমাণ পোৱা যায়। তদুপৰি নাটকখনত আশ্রমৰ জলাশয়ৰ পথৰোৰ তাপসীসকলে পৰিধান কৰা বাকলিৰ আগেৰে নিগৰি পৰা পানীৰ টোপালেৰে ভিজা মাটিৰ কথাটোও দুষ্যন্তৰ চকুত ধৰা পৰিছে। তাৰ বাহিৰেও নাটকখনৰ তৃতীয় অংকত শকুন্তলা যে লতাকুঞ্জত আছে সেইটো দুষ্যন্তই লতাকুঞ্জৰ দুৱাৰমুখত থকা বালিৰ ওপৰত পৰা ভৰিৰ খোজ দেখিয়েই অনুমান কৰিব পৰা কথাৰ পৰাই দুষ্যন্তৰ সূক্ষ্ম পর্যবেক্ষণ ক্ষমতাৰ প্রমাণ পোৱা যায়।

পুৰুবংশীয় ৰজা দুষ্যন্তৰ নৃপতিসুলভ গুণ বংশৰ পৰম্পৰা হিচাপে তেওঁৰ কার্যত প্রকাশ পাইছে। নাটকখনৰ প্রথম অংকত বৈখানসৰ উক্তিত তাৰ প্রমাণ পোৱা যায়। ঋষিসকলৰ প্রতি তেওঁ শ্রদ্ধাপৰায়ণ আছিল। বৈখানসে কণ্বৰ আশ্রম দর্শনৰ বাবে আমন্ত্রণ কৰাত তেওঁ ৰজাক আশ্রম দর্শন পুণ্যৰ কাম বুলি এই আমন্ত্রণ গ্রহণ কৰিছিল। আনকি আশ্রমত অনুপস্থিত থকা কণ্ব মুনিলৈকেও তেওঁ শ্রদ্ধা নিবেদন কৰিছিল। তপোবনত প্রৱেশ কৰাৰ আগেয়ে ৰাজআভৰণ ত্যাগ কৰি ৰথত নগৈ খোজ কাঢ়ি গৈছিল। এনেকুৱা কার্যত তেওঁৰ শ্রদ্ধা, ভক্তি, আত্মসংযম আৰু বিনয় ভাব প্রকাশ পাইছে।

ৰাজ্যৰ সকলো দায়িত্ব পালনত ৰজা দুষ্যন্তৰ নিষ্ঠা প্রকাশ পাইছে। প্রজাৰ পৰা কৰ সংগ্রহ কৰোঁতে তেওঁ ঋষি-মুনিসকলৰ পৰা কৰ সংগ্রহ নকৰিছিল। প্রজাক তেওঁ নিজৰ পুত্রৰ দৰে পালন কৰিছিল। দুষ্যন্তৰ সুশাসনৰ ফলতেই তপস্বীসকলে ৰাক্ষস বা আন কোনো উৎপাতৰ সন্মুখীন নোহোৱাকৈ হোম আদি সকলো কর্ম কৰিবলৈ সক্ষম হৈছিল। নাটকখনৰ প্রথম অংকত বৈখানসৰ আমন্ত্রণত তাৰ প্রমাণ পোৱা যায়। এই প্রসঙ্গত ঋষিজনৰ কথাফাঁকি প্রণিধেয়— 'জ্ঞাস্যসি কিয়দ্ভূজো মে ৰক্ষতি মৌর্বী-কিণাঙ্ক ইতি' (১/১৩)— অর্থাৎ আপোনাৰ বাহুৱে কেনেকৈ প্রজাক ৰক্ষা কৰিছে এইটো জানিব পাৰিব। তেওঁ এজন সুবিচাৰক। সদাগৰৰ মৃত্যুৰ পিচত তেওঁৰ সম্পত্তিৰ আৱণ্টনৰ পৰাই এই কথাৰ প্রমাণ পোৱা যায়।

ৰজা দুষ্যন্ত এজন আদর্শ প্রেমিক। শকুন্তলাক তেওঁ গন্ধর্ব প্রথামতে বিয়া কৰাইছিল। কিন্তু সময়ৰ মূৰত চিনিব নোৱাৰাৰ অন্তৰালত দুর্বাসা ঋষিৰ অভিশাপ। মাছমৰীয়াৰ পৰা তেওঁৰ নামাংকিত আঙঠি দেখাৰ লগে লগেই ৰজাৰ সকলো কথা মনত পৰিল আৰু আত্মগ্লানিত ভুগিবলৈ ধৰিলে। মাৰীচ মুনিৰ আশ্রমত ৰজাই নিজৰ পুত্র সর্বদমন আৰু ধর্মপত্নী শকুন্তলাক তেওঁ লাভ কৰিলে। দুষ্যন্তই শকুন্তলাক যে

প্ৰত্যাখ্যান কৰিছিল তাৰ কাৰণ শকুন্তলাক জ্ঞাপন কৰি দোষ স্বীকাৰ কৰিছিল। মাৰীচ মুনিক তেওঁ দুৰ্বাসাৰ অভিশাপৰ সকলো কথা জনালে। এনেকুৱা কাৰ্যৰ পৰা দুষ্যন্তৰ আদৰ্শ, ন্যায়পৰায়ণতা আৰু নিষ্ঠাৰ কথা অৱগত হ'ব পাৰি।

ৰজা দুষ্যন্ত এজন আদৰ্শ ৰজা, সত্যবাদী, স্পষ্ট বক্তা আৰু শ্ৰদ্ধাশীল ৰজা আছিল। প্ৰজাৰ মংগলজনক কামত তেওঁ সদায় আত্মনিয়োগ কৰিছিল। বেদজ্ঞসকলৰ সমাদৰ আৰু প্ৰজাৰ মংগল সাধনত ৰজাই যেন আত্মনিয়োগ কৰে বোলা কথাৰ পৰা দুষ্যন্তৰ নিষ্ঠাশীলতাৰ আভাস পোৱা যায়।

শকুন্তলা ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ নায়িকা শকুন্তলাৰ ৰূপ-লাৱণ্য অতুলনীয়। নাট্যকাৰ কালিদাসে শকুন্তলাক 'দিব্য-তৰল-জ্যোতি' বুলিহে অভিহিত কৰিছে 'ন প্ৰভা তৰলং জ্যোতিৰুদেতি বসুধাতলাৎ'— অৰ্থাৎ এনেকুৱা সুন্দৰ তলৰ জ্যোতি পৃথিৱীত সৃষ্টি হ'ব নোৱাৰে। স্বৰ্গৰ অপেশ্বৰী মেনকাৰ গৰ্ভত শকুন্তলাৰ জন্ম। নাটকৰ প্ৰথম অংকত দুষ্যন্তই শকুন্তলাক দেখি কোৱা কথাটোত শকুন্তলাৰ অসামান্য ৰূপৰ উমান পোৱা যায়। দুষ্যন্তই শকুন্তলাৰ সৌন্দৰ্যক ফুলৰ সৌন্দৰ্যৰ লগত তুলনা কৰি কৈছে যে শকুন্তলাৰ প্ৰত্যেক অংগ অতি মনোমোহা। বিখ্যাত জাৰ্মান কবি গাঠে (Goethe) শকুন্তলাক বসন্ত কালৰ ফুল আৰু শৰতৰ ফল বুলি অভিহিত কৰিছে। প্ৰথম অংকত শকুন্তলাৰ দৈহিক ৰূপ-লাৱণ্য আৰু তাৰ মাদকতা, সপ্তম অংকত তেওঁৰ ধীৰ-স্থিৰ, শান্ত-সমাহিত ৰূপৰ ছবি আৰু লগতে সৰ্বদমনৰ কথালৈ চাই শকুন্তলাৰ দুটা বেলেগ বেলেগ ৰূপৰ তাৎপৰ্য অনুভৱ কৰিব পাৰি।

দুষ্যন্তই শকুন্তলাক দেখাৰ লগে লগেই তেওঁৰ মনত প্ৰণয়ৰ সঞ্চাৰ হ'ল। তাৰ মূলতেই শকুন্তলাৰ অপূৰ্ব লাৱণ্যমূৰ্তি আৰু পিছত অনুৰাগৰঞ্জিত শকুন্তলাৰ লাজুক লাজুক ভাব দেখি দুষ্যন্ত আৰু বেছিকৈ আকৃষ্ট হোৱা বুলি আমি ক'ব পাৰো। তেওঁ ইমান লাৱণ্যময়ী যে গছৰ বাকলি পিন্ধি থকাতো তেওঁৰ ৰূপে দুষ্যন্তৰ মন মোহিত কৰিলে। প্ৰসাধন অবিহনেই শকুন্তলা দুষ্যন্তৰ দৃষ্টিত অপৰূপ সুন্দৰী।

শকুন্তলা অতি দয়াশীল আৰু মৰমিয়াল। প্ৰকৃতিৰ লগত তেওঁৰ আন্তৰিক সম্পৰ্ক অতি নিবিড়। নাটকত আশ্ৰমৰ তৰু-লতিকাৰ প্ৰতিও শকুন্তলাৰ সোদৰপ্ৰতিম ভাব প্ৰকাশ পাইছে। তেওঁৰ পতিগৃহলৈ যাত্ৰাৰ সময়ত প্ৰকৃতিৰ ভিন্ ভিন্ উপাদানেৰে তেওঁক সজোৱা হৈছে। বনজ্যোৎস্নাক শকুন্তলাই নিজৰ ভনী বুলি আলিংগন কৰিছে। আশ্ৰমৰ হৰিণা পহুৰেও শকুন্তলাৰ বিদায়পৰত চকুলো টুকিছে।

আশ্ৰমত ডাঙৰ-দীঘল হোৱা শকুন্তলা কপট আচৰণত অনভিজ্ঞ। তেওঁৰ আচৰণ সহজ-সৰল আৰু ছলনাবৰ্জিত। দুষ্যন্তই তেওঁক প্ৰত্যাখ্যান কৰাত তেওঁ নিজৰ ভাগ্যকহে তাৰ বাবে দায়ী বুলি ভাবিলে; দুষ্যন্তক কোনো বেয়া কথা নুশুনালে। নাটকখনৰ সপ্তম অংকত দুষ্যন্ত আৰু শকুন্তলাৰ পুনৰ্মিলনৰ সময়তো শকুন্তলাই কোনো অভিযোগসূচক কথা দুষ্যন্তক নক'লে। ভাৰতীয় নাৰীৰ আদৰ্শ তেওঁৰ চৰিত্ৰত প্ৰকাশ পাইছে।

অনসূয়া ঃ শকুন্তলাৰ সখী দুগৰাকীৰ ভিতৰত অনসূয়া অতি ধীৰ-স্থিৰ আৰু চিন্তাশীল ৰূপত অৱতীর্ণ হৈছে। যি কোনো কথাৰ কাৰণ বিচাৰ কৰি তাৰ প্রতিবিধান কৰাটো অনসূয়াৰ বিশেষ গুণ। অনসূয়াই শকুন্তলাৰ হিতৈষিণী আৰু সকলো অৱস্থাত সুপৰামর্শ দি শুদ্ধ পথ দেখুৱাইছে। আশ্রমত অতিথি শুশ্রূষাৰ দায়িত্ব শকুন্তলাৰ ওপৰত থাকিলেও অনসূয়াই আগন্তুক অতিথি দুষ্যন্তক অভ্যর্থনাৰ সকলো সামগ্রী যোগাৰৰ ব্যৱস্থা কৰিছিল।

অনসূয়া এগৰাকী মিষ্টভাষী সখীৰ ৰূপত চিত্রিত হৈছে। দুষ্যন্তৰ পৰিচয় জানিবলৈ অনসূয়াই কোৱা কথাৰ পৰাই তাৰ প্রমাণ পোৱা যায়। আশ্রমলৈ আহোতে দুষ্যন্তৰ দৰে ব্যক্তিজনৰ যে কষ্ট হৈছে তাকে অতি মিঠা মাতেৰে দুষ্যন্তক কৈ তেওঁনো কোন তাকে অনসূয়াই জানিবলৈ বিচাৰিছে। আশ্রমলৈ বা কিয় দুষ্যন্ত আহিছে তাকো জানিবলৈ অনসূয়াই অতি সুন্দৰকৈ সুধিছে। তদুপৰি শকুন্তলাৰ জন্মবৃত্তান্তও অনসূয়াই অতি নিপুণভাৱে দুষ্যন্তক অৱগত কৰোৱাইছে। এনেবোৰ কথাৰ পৰা অনসূয়াৰ চোকা বুদ্ধিৰ পৰিচয় পোৱা যায়। যিকোনো কথাৰ আঁতিগুৰি নজনাকৈ অনসূয়াই সিদ্ধান্ত নলয়।

অনসূয়া নামটোতেই তাৎপর্য নিহিত হৈ আছে। আনৰ প্রতি কেতিয়াও ঈর্ষান্বিত নহয় কাৰণেই তেওঁৰ নাম অনসূয়া। সঁচাকৈয়ে অনসূয়া কাৰো প্রতি কেতিয়াও ঈর্ষা ভাব পোষণ নকৰে। সখী শকুন্তলাৰ যাতে কোনো ধৰণৰ অনিষ্ট নহয় তাৰ প্রতি অনসূয়াই চোকা নজৰ ৰাখে। ঋষি দুর্বাসাৰ ক্রোধৰ উপশম ঘটাবলৈ অনসূয়াই কাকুতি-মিনতি কৰাৰ পৰাই এই কথাযাৰৰ প্রমাণ পোৱা যায়। আকৌ, দুর্বাসাৰ অভিশাপৰ কথাটো শকুন্তলাক নক'বলৈ প্রিয়ম্বদাক কোৱাৰ পৰাও অনসূয়াৰ সুবুদ্ধিৰ পৰিচয় পোৱা যায়। এফালে দুর্বাসাৰ অভিশাপ আনফালে দুষ্যন্তই এবাৰো শকুন্তলাৰ খা-খবৰ নোলোৱাত অনসূয়াই চিন্তা কৰি ওৰ পেলাব পৰা নাই। শকুন্তলাৰ বিদায়ৰ সময়ত অনসূয়াই শকুন্তলাক সজাই-পৰাই নানাবিধ মাংগলিক দ্রব্যৰ যোগাৰ কৰাৰ পৰাও এই নাৰীগৰাকীৰ আন্তৰিকতাৰ পৰিচয় পোৱা যায়। সখী শকুন্তলাৰ বিদায়ৰ কথা ভাবি অনসূয়া অতি চিন্তান্বিত হোৱা পৰিলক্ষিত হয়। শকুন্তলা হস্তিনাপুৰলৈ যোৱাৰ সময়ত অনসূয়াই শকুন্তলাক সান্ত্বনা দিওঁতেও অনসূয়াৰ সহৃদয়া ভাব প্রকাশ পাইছে।

প্রিয়ম্বদা ঃ প্রিয়ম্বদা হৈছে শকুন্তলাৰ অতি প্রিয় সখী। অনসূয়া আৰু প্রিয়ম্বদা নলেগলে লগা সখী। দুয়ো শকুন্তলাৰ প্রাণৰ লগৰী। শকুন্তলাৰ মনৰ কথা যেন অনসূয়া আৰু প্রিয়ম্বদাই অনায়াসে বুজিব পাৰে আৰু সেইমতেই তেওঁলোক দুয়ো শকুন্তলাৰ সকলো কথাত সহায় কৰে। প্রিয়ম্বদা স্বভাৱতে অলপ চঞ্চল আৰু ৰাংঢালি স্বভাৱৰ। যি কোনো বিষয় গহীনকৈ চিন্তা কৰিবলৈ তেওঁ নিবিচাৰে। সেয়েহে তেওঁ দুর্বাসাৰ ওচৰলৈ নিজে নগৈ অনসূয়াকহে পঠাইছিল।

আশ্রমৰ বাগিচাত থকা শকুন্তলাই নৱমল্লিকাৰ প্রশংসা কৰাত প্রিয়ম্বদাই তাৰ কাৰণ ব্যাখ্যা কৰি কোৱা কথাত তেওঁৰ ৰাংঢালি ভাব প্রকাশ পাইছে। আনহাতে আত্মপৰিচয় নিদিয়াকৈ সপ্তপর্ণ গছৰ বেদীত বহি থাকোঁতে প্রিয়ম্বদাই দুষ্যন্তক পর্যবেক্ষণ কৰি কোৱা কথাত তেওঁৰ চোকা পর্যবেক্ষণ-শক্তিৰ পৰিচয় পোৱা যায়।

প্রিয়ম্বদা নামটোতেই তেওঁৰ চৰিত্রৰ তাৎপর্য নিহিত হৈ আছে। যিয়ে সদায় প্রিয় অর্থাৎ ভাললগা কথা কয়, তেৱেঁই প্রিয়ম্বদা। নাটকৰ সংলাপত প্রিয়ম্বদাৰ এই মিঠা মাত মতা স্বভাৱটো অতি সুন্দৰকৈ প্রকাশ পাইছে। ৰজা দুষ্যন্ত যে শকুন্তলাৰ প্রতি বাৰুকৈয়ে আকর্ষিত হৈছে সেইটো প্রিয়ম্বদাই ব্যক্ত কৰিছে। শকুন্তলাৰ প্রতি দুষ্যন্তৰ প্রেমভাব যে গভীৰ সেইটো প্রিয়ম্বদাইহে বুজিবলৈ অনসূয়াক কৈছিল। শকুন্তলাক প্রণয়-পত্র লিখিবলৈ পৰামর্শ দি প্রিয়ম্বদাই সেই চিঠি নিজে দুষ্যন্তক আশ্রমৰ নির্মাল্য বুলি ৰজাক দি আহিব বুলি কৈছিল। দুষ্যন্ত আৰু শকুন্তলাৰ প্রেম বাস্তৱায়িত কৰাত প্রিয়ম্বদাৰ প্রচেষ্টা যথেষ্ট প্রশংসনীয় বুলি ক'ব লাগিব।

প্রিয়ম্বদাইহে শকুন্তলাক পদুমৰ পাতত নখেৰে চিঠিখন লিখিবলৈ বুদ্ধি দিছিল। তদুপৰি শকুন্তলাৰ মনৰ ভাব প্রিয়ম্বদাইহে বুদ্ধি কৰি সুন্দৰভাবে দুষ্যন্তক ব্যক্ত কৰিছিল। শকুন্তলাৰ মনৰ ভাব ব্যক্ত কৰি তেওঁ অনুৰূপ ব্যৱস্থা গ্রহণৰ সিদ্ধান্ত দিছিল।

বিদূষক ঃ সংস্কৃত নাটকৰ এটি চৰিত্র হৈছে বিদূষক। বিদূষক নামৰ চৰিত্রটো নায়কৰ নলেগলে লগা বন্ধু। *অভিজ্ঞানশকুন্তলম্* নাটকৰ বিদূষকে ৰজাক বয়স্য বুলি সম্বোধন কৰিছে। বিদূষকৰ আচল নামটো হৈছে সোমৰাট।

ৰজা দুষ্যন্তই বিদূষকক সুখ-দুখৰ সকলো কথা কয়। বিদূষকে ৰজাক লঘু হাস্যৰসৰ কথাৰে মনত আনন্দ দিয়ে। মৃগয়ালৈ ৰজাৰ লগত গৈ বিদূষকো কষ্ট ভোগ কৰিবলগীয়া হোৱাত বিদূষকে কথাবোৰ কওঁতে নাটকখনত এটি খুহুতীয়া পৰিবেশৰ সৃষ্টি হৈছে। ৰজাই শকুন্তলাক ভাল পোৱাৰ কথাটো কৈ পিছত ধেমালিতহে তেনেকুৱা কথা কৈছে বুলি বিদূষকক কৈছিল। যদি ৰজাই তেনেদৰে নক'লেহেঁতেন তেন্তে পঞ্চম অংকত ৰজাই শকুন্তলাক প্রত্যাখ্যান কৰিবলগীয়া নহ'লহেঁতেন। কাৰণ, বিদূষকে ভাবিছিল যে ৰজাই মৃগয়ালৈ গৈ শকুন্তলাৰ কথাটো তেওঁক এনেয়ে কৈছিল। সেই কাৰণেই শকুন্তলা ৰাজপ্রাসাদলৈ অহাত সকলো ঘটনা দেখি ৰজাৰ অপবাদ হ'ব পাৰে বুলি ভাবি বিদূষক নীৰৱ আছিল।

নাটকখনৰ ষষ্ঠ অংকত বিদূষকে অতি যুক্তিপূর্ণ আৰু আশাব্যঞ্জক কথাৰে দুষ্যন্তৰ মনত সান্ত্বনা দিছিল। এইদৰে বিদূষকক কবিয়ে ৰজাৰ সকলো অৱস্থাত আচল সখাৰ ৰূপত নাটকখনত চিত্রিত কৰিছে।

কণ্ব ঃ কণ্বৰ চৰিত্রটো কালিদাসে পিতৃৰ ৰূপত নাটকখনত প্রতিফলিত কৰিছে। কণ্ব অতি নিষ্ঠাৰে পিতৃৰ দায়িত্ব পালন কৰা আমি দেখিবলৈ পাওঁ।

মালিনী নদীৰ দাঁতিত থকা আশ্রমৰ কুলপতি হিচাপে কণ্বৰ চৰিত্রই নাটকখনত চিত্রিত হৈছে। অনসূয়া, প্রিয়ম্বদা, অতি চেনেহৰ শকুন্তলা— এই তিনিওগৰাকী তাপসীৰ প্রতি কণ্বৰ সমব্যৱহাৰ দেখা যায়। ঋষিয়ে অনসূয়া আৰু প্রিয়ম্বদাৰ লগত শকুন্তলাকো আশ্রমৰ তাপসীসুলভ কামৰ দায়িত্ব দিছিল। ঋষিৰ অনুপস্থিতিত আশ্রমৰ অতিথি শুশ্রূষাৰ দায়িত্ব শকুন্তলাৰ ওপৰতহে ন্যস্ত কৰিছিল। পিতৃ নহ'লেও পিতৃৰ দায়িত্ব পালন কৰিবলৈ

গৈ শকুন্তলাৰ ভৱিষ্যত সুখ-শান্তিৰ সকলো চিন্তা ঋষি কণ্বৰ আছল। সোমতীর্থলৈ গৈ তেওঁ শকুন্তলাৰ প্রতিকূল অৱস্থাৰ বিধান কৰিছিল। উপযুক্ত পাত্রত তেওঁ শকুন্তলাক গতাই দি স্বস্তিৰ নিশ্বাস পেলাইছিল।

পতিগৃহলৈ শকুন্তলা যাওঁতে কণ্ব মুনিৰ হৃদয় কন্যাৰ বিচ্ছেদত কাতৰ হৈ পৰিছিল। শকুন্তলা পতিগৃহত কেনেদৰে সকলোৰে মৰম আৰু সন্মানৰ পাত্র হিচাপে পৰিগণিত হ'ব পাৰিব সেই বিষয়ে তেওঁ সুন্দৰ উপদেশ দিছিল। যাত্রাৰ সময়ত ঋষিয়ে মাংগলিক অনুষ্ঠান সম্পাদন কৰি শকুন্তলাক দুষ্যন্তৰ কাৰেঙলৈ পঠাইছিল। গৃহী নোহোৱা সত্ত্বেও কন্যাৰ বিদায়ত পিতৃৰ হৃদয়ৰ অৱস্থা কেনেকুৱা হয় তাৰ অভিব্যক্তি কণ্ব মুনিৰ মানসিক অৱস্থাত প্রকাশ পাইছে।

নাটকখনত বৈখানস, শার্ঙ্গৰৱ, শাৰদ্বত, হাৰীত আৰু গৌতম আদি শিষ্যসকল কণ্ব মুনিৰ আশ্রমৰ নিত্যসহচৰ। এই সকলো শিষ্য আৰু তাপসীসকলৰ সকলো দায়িত্ব কণ্বই সুচাৰুৰূপে পালন কৰা দেখিবলৈ পোৱা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ *অভিজ্ঞানশকুন্তলমৰ* নায়ক ৰজা দুষ্যন্তৰ চৰিত্রটোৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৮ ঃ *অভিজ্ঞানশকুন্তলমৰ* নায়িকা শকুন্তলাৰ চৰিত্রটো চিত্রণ কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৯ ঃ অনসূয়া আৰু প্রিয়ম্বদা চৰিত্রৰ মহত্ত্ব কোনখিনিত? (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১০ ঃ *অভিজ্ঞানশকুন্তলমত* বিদূষক চৰিত্রই কি ভূমিকা গ্রহণ কৰিছে? (১৫০টা শব্দৰ ভিতৰত)

১২.৬.৪ *অভিজ্ঞানশকুন্তলম্* নাটকৰ প্রকৃতি চিত্রণ

আপুনি জানে যে মহাকবি কালিদাস প্রকৃতিৰ বর্ণনা দিওঁতে প্রকৃতিক চিকুণকৈ পৰিৱেশন কৰিছে। সূক্ষ্ম পর্যবেক্ষণৰ কাৰণেই প্রকৃতিৰ অতি সৰুসুৰা কথাবোৰো কালিদাসৰ বর্ণনাত বাদ পৰা নাই। প্রকৃতিৰ ভিন্ ভিন্ ঋতুৰ বর্ণনা পৰিৱেশনত কালিদাসৰ দৃষ্টিত ঋতুৰ প্রভাৱৰ কথাও পোৱা যায়। আপুনি ইয়াত প্রকৃতি সহজ-সৰল বিৱৰণৰ অধ্যয়ন কৰিবলৈ পাব। *অভিজ্ঞানশকুন্তলম্* নাটকখন প্রকৃতিৰ কথাৰেই আৰম্ভ হৈছে। সূত্রধাৰে নটীক গান এটি গাবলৈ কোৱাত নটীয়ে গ্রীষ্মকালৰ সুন্দৰ বর্ণনা তেনেই কম পৰিসৰত পৰিৱেশন কৰিছে। তদুপৰি নাটকখনৰ প্রথম অংকতেই মৃগয়াৰ দৃশ্য। তাত খলা-বমা ভূমি আৰু সমতল ভূমিত ৰথৰ গতিৰ বর্ণনা, হৰিণা পহুৰ দৃশ্য আদিত প্রকৃতিৰ

কথাকে পোৱা যায়। আশ্রমৰ গছ-গছনিৰ খোৱোঙত চৰাইৰ বর্ণনাতো আপুনি প্রকৃতিৰ কথাকেই উপলব্ধি কৰিব পাৰিব।

অভিজ্ঞানশকুন্তলম্ নাটকখনৰ চতুর্থ অংকত প্রকৃতিক কবিয়ে বিতোপন ৰূপত পৰিৱেশন কৰিছে। প্রথমতে শিষ্য এজনে ৰাতিপুৱাৰ বিৱৰণ দিওঁতে চন্দ্রমাৰ অস্তাচল গমন আৰু অৰুণদেৱৰ উদয়াচলত আগমনৰ কথা অতি শুৱলাকৈ পৰিৱেশিত হৈছে। মহাকবিৰ বর্ণনাত দোকমোকালিৰ সময়ছোৱাক অতি মনোহৰ ৰূপত উপলব্ধি কৰিব পাৰি। নাটকৰ দ্বিতীয় অংকৰ আৰম্ভণিতেই বিদূষকৰ উক্তিত হাবিত থকা বিভিন্ন জীৱ-জন্তু, পার্বত্য নদীৰ পানীৰ গুণ আৰু বৰ্ণৰ কথায়ো প্রকৃতিৰ বহিঃ ৰূপৰ বর্ণনালৈ আঙুলিয়াই দিয়ে। তৃতীয় অংকত লতা-কুঞ্জেৰে শোভিত মালিনী নদীৰ কথাতো প্রকৃতিৰ চিত্র পৰিৱেশন কৰা হৈছে। তাত প্রবাহিত মৃদু বায়ু প্রবাহৰ কথাও কবিয়ে বাদ দিয়া নাই। তাত বেত-লতাৰে আগুৰি থকা কুঞ্জৰ কথাও পোৱা যায়।

কবিয়ে মানুহৰ মনৰ অবিচ্ছেদ্য সম্পর্কৰ কথাও নাটকত সুন্দৰকৈ প্রকাশ কৰিছে। চতুর্থ অংকত কোৱা হৈছে যে শকুন্তলাই গছ-গছনিত পানী নিদিয়াকৈ আহাৰ গ্রহণ কৰা নাছিল আৰু শকুন্তলাই নিজৰ প্রসাধনৰ কাৰণে কেতিয়াও ফুল এপাহিও নিছিঙিছিল। আশ্রমৰ তৰু-লতিকাৰ লগত শকুন্তলাৰ আত্মীয় ভাৱৰ ছবিটি কবিয়ে অতি সৰল ভাষাত প্রকাশ কৰিছে। সেয়েহে শকুন্তলাৰ বিদায় পৰত কণ্বই প্রকৃতিৰ তৰু-লতিকাৰ অনুমোদন বিচাৰিছে। শকুন্তলা পতিগৃহলৈ গমনৰ পথৰ বর্ণনাতো প্রকৃতিৰ বর্ণনা অতি চিত্তাকর্ষক। সেই বাটৰ দাঁতিত পদুমৰ পাতেৰে শোভিত অনেক সৰোৱৰৰ শোভাই পথক মনোৰম কৰি তুলিছে। সেই পথটি ডাঙৰ ডাঙৰ গছেৰে শোভিত আৰু তাৰ ফলত ছাঁ থকাৰ কাৰণে সেই পথ সূর্যৰ তাপৰ পৰা মুক্ত। তদুপৰি ধীৰে ধীৰে প্রৱাহিত বায়ুত পদুমৰ ৰেণুৰ গোন্ধে গোটেই পথ মনোৰম হৈছে। প্রকৃতিৰ বহিঃ সৌন্দর্যৰ বর্ণনাত কালিদাস যিমান সিদ্ধহস্ত, তেনেদৰে মানুহৰ মনৰ সুখ-দুখৰ লগতো প্রকৃতিৰ সংবেদনশীলতাৰ বর্ণনাও কবি সমানে নৈপুণ্য দেখুৱাইছে। শকুন্তলাৰ বিয়োগত হৰিণাই ঘাঁহ পাগুলিবলৈ এৰা, ম'ৰা চৰায়ে নাচিবলৈ এৰা আদি কথাই তাৰ প্রমাণ। আনকি আশ্রমৰ চৌপাশে থকা তৰু-লতিকায়ো যেন শকুন্তলাৰ বিয়োগত ম্রিয়মান হৈ চকুলো টুকিছে। শকুন্তলাই বনজ্যোৎস্না লতাটিক নিজৰ ভনী বুলি ভবা কথাষাৰৰ পৰাও প্রকৃতিৰ লগত মানৱ মনৰ সৌহার্দৰ পৰিচয় পোৱা যায়। প্রকৃতি বহিঃ সৌন্দর্য আৰু লগতে মানুহৰ লগত প্রকৃতিৰ আত্মীয় ভাব— এই দুয়োটা দিশ কালিদাসৰ *অভিজ্ঞানশকুন্তলম্* নাটকত অতি স্পষ্টকৈ প্রকাশ পাইছে।



জানি থোৱা ভাল

● কাব্যসুলভ বর্ণনাত চতুর্থ অংক যথেষ্ট তাৎপর্যপূর্ণ। চতুর্থ অংকত শকুন্তলাৰ বিদায়ৰ মুহূর্তৰ কৰুণ দৃশ্য হৃদয়স্পর্শী। কবিয়ে সেই দৃশ্য অতি সুন্দৰকৈ পৰিৱেশন কৰিছে। চতুর্থ অংকতেই দুর্বাসাৰ অভিশাপ নেপথ্যত শুনোৱা হৈছে। এই অভিশাপে প্রণয় আৰু প্রণয়িনীৰ মনত কঠোৰ সংঘাতৰ সৃষ্টি কৰিছে।

নাটকখনৰ পঞ্চম অংক নাটকীয় কলা-কৌশলৰ অতি চহকী। পঞ্চম অংকৰ আৰম্ভণিত হংসপদিকাৰ সংগীতৰ অৱতাৰণা কৰা হৈছে। নাটকখনত উক্ত সংগীতৰ তাৎপর্য বিশেষ মন কৰিবলগীয়া বিষয়। নাটকীয় কলা-কৌশলৰ পিনৰ পৰা পঞ্চম অংক যথেষ্ট গুৰুত্বপূর্ণ। হংসপদিকাৰ গানে দুর্বাসাৰ অভিশাপ যে ফলিয়াব সেইটো বুজাইছে। শার্ঙ্গৰৱ, শাৰদ্বতৰ লগত শকুন্তলাক ৰজাই কেনেকুৱা ব্যৱহাৰ কৰিব সেইটো হংসপদিকাৰ গানৰ পৰা আভাস পাব পাৰি। হংসপদিকাৰ গানটো শুনি ৰজাই বিদূষকক তাৰপৰাই হংসপদিকাক শান্ত কৰিবলৈ পঠাই দিলে। এইদৰেই নাটকত বিদূষকক তাৰপৰাই পঠাই দি নাটকখনত এটা অবাঞ্ছিত পৰিস্থিতিৰ শাম কটালে। গতিকে পঞ্চম অংকৰ গুৰুত্ব নাটকীয় কলা-কৌশলৰ দৃষ্টিত গুৰুত্বপূর্ণ।

● ৰজা দুষ্যন্তই শকুন্তলাক দেখাৰে পৰা প্রণয়াসক্ত হৈছিল। শকুন্তলাৰ ৰূপ-লাৱণ্যত আকৃষ্ট হৈ দুষ্যন্ত বাৰুকৈয়ে শকুন্তলাৰ প্রণয়প্রার্থী হৈছিল। শেষত কণ্ব মুনিৰ অনুমতি নোলোৱাকৈয়ে ৰজাই গন্ধর্ব প্রথামতে শকুন্তলাক বিবাহ কৰাইছিল। নাটকখনৰ প্রথম অংকত শকুন্তলা আৰু দুষ্যন্তৰ মনত প্রেমৰ মাদকতা আৰু ইজনে সিজনৰ প্রতি গভীৰভাৱে আকৃষ্ট হোৱাটো আপুনি জানিব পাৰিছে। নাটকখনৰ চতুর্থ অংকত শকুন্তলাই অতিথি দুর্বাসাৰ উপস্থিতিকো গম নাপালে দুষ্যন্তৰ কথা ভাবি থাকোঁতে। সেই দুর্নিবাৰ কামনা-বাসনা শেষত স্তব্ধ হৈ পৰিল নাটকখনৰ সপ্তম অংকত। মাৰীচ মুনিৰ আশ্রমত ৰজা দুষ্যন্ত প্রৱেশ কৰি সর্বদমনক দেখি তেওঁৰ অপত্য স্নেহৰ সঞ্চাৰ হ'ল। সেই ল'ৰাটোৱেই যে দুষ্যন্তৰ ঔৰসজাত সন্তান সেইটো ৰজাই নাজানিলেও ৰজাৰ অৱচেতন মনত তাৰ অনুৰণনৰ সৃষ্টি হ'ল। সদৌ শেষত সর্বদমন যে দুষ্যন্তৰেই পুত্র সেইটো ৰজাই সম্পূর্ণকৈ বুজিলে।

শকুন্তলা দুষ্যন্তৰ ওচৰলৈ অহাৰ পিছতো দুষ্যন্তৰ পূর্বানুৰাগৰ সলনি শান্ত-সমাহিত ভাব দেখা দিলে আৰু শকুন্তলাৰো মনত প্রথম অংকত প্রকাশ পোৱাৰ দৰে বিকাৰ ভাব প্রকাশ নাপালে। দুষ্যন্তই শকুন্তলাৰ ওচৰত ক্ষমাভিক্ষা কৰিলে। শকুন্তলাই নিজৰ ভাগ্যক ধিয়াই সকলো কথাত অতি আত্মসংযমৰ পৰিচয় দিলে। মাৰীচ মুনিয়ে দুষ্যন্ত আৰু শকুন্তলাক সকলো বৃত্তান্ত কৈ তেওঁলোকৰ পৰম কল্যাণ

কামনা কৰিলে। এইদৰে দেখা যায় যে নাটকখনৰ প্ৰথম অংকত দেখিবলৈ পোৱা নায়ক দুষ্যন্ত আৰু নায়িকা শকুন্তলাৰ প্ৰেমোন্মাদনা সপ্তম অংকত ধীৰ-স্থিৰ আৰু শান্ত ভাবত পৰিণত হৈছে। প্ৰেমৰ উত্তাল তৰংগ সপ্তম অংকত উৰ্মিহীন স্থবিৰ অৱস্থাগ্ৰস্ত হৈ পৰিছে। এয়ে স্বৰ্গ আৰু মৰ্ত্যৰ মিলন সূচিত কৰিছে। মৰ্ত্যৰ প্ৰেম দিব্য ভাবত উদ্ভাসিত হৈছে নাটকখনৰ সপ্তম অংকত। এইদৰে ই 'বসন্তৰ ফুল আৰু পৰিণত বয়সৰ ফল'; 'স্বৰ্গ আৰু মৰ্ত্যৰ মিলন' *অভিজ্ঞানশকুন্তলম্* নাটকত সাধিত হৈছে।



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *অভিজ্ঞানশকুন্তলম্* নাটকখন যে কালিদাসৰ ৰচিত নাটক সেইটো জানিলে।
- *অভিজ্ঞানশকুন্তলম্* নাটকখন যে সাতটা অংকত সম্পূৰ্ণ হৈছে সেইটো জানিলে।
- নাটকখনৰ মূল কাহিনীৰ লগত অৱগত হ'ব পাৰিলে।
- নাটকখনৰ উৎসৰ বিষয়ে অধ্যয়ন কৰিলে।
- নাটকৰ উৎস-কাহিনীত কালিদাসৰ নিজাকৈ সংযোজনৰ কথা অধ্যয়ন কৰিবলৈ পালে।
- সংস্কৃত নাটকৰ লক্ষণৰ কথা জানিবলৈ পালে।
- নাটকখনৰ নামকৰণৰ কথাও জানিলে।
- নাটকখনৰ প্ৰস্তাৱনা আৰু লগতে প্ৰত্যেক অংকৰ সাৰাংশও অধ্যয়ন কৰিবলৈ পালে।



১২.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) Kale, M. R. (ed.) (Reprint-1998) *The Abhigna-nas'akuntalam of Kalidasa;* Delhi : Motilal Banarsidass.

২) Keith, Barriedal A. (Reprint-1998) *The Sanskrit Drama;* Delhi : Motilal Banarsidass.

৩) Bose R. M. (ed.) (1969) *Abhigna-nas'akuntalam;* Delhi : Motilal Banarsidas.



১২.৯ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ মহাকবি কালিদাস আৰু কালিদাসৰ ৰচনা অধ্যয়ন কৰি লিখিলেই হ'ব।

২নং প্রশ্নৰ উত্তৰ ঃ নাটকৰ লক্ষণ শীৰ্ষক কথাখিনি নিজৰ ভাষাত লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ 'নামকৰণৰ তাৎপর্য' শীৰ্ষক কথাখিনি নিজৰ ভাষাত লিখিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ *শকুন্তলা* নাটকৰ বিষয়বস্তুৰ উৎস শীৰ্ষক কথাখিনি লিখিলেই হ'ব।

৫নং প্রশ্নৰ উত্তৰ ঃ প্রস্তাৱনা আৰু প্রত্যেক অংকৰ সাৰাংশ শীৰ্ষক অংশৰ পৰা প্রস্তাৱনাৰ কথাখিনি আপুনি নিজৰ ভাষাত লিখক।

৬নং প্রশ্নৰ উত্তৰ ঃ প্রস্তাৱনা আৰু প্রত্যেক অংকৰ সাৰাংশ শীৰ্ষক অংশত থকা চতুর্থ অংকৰ সাৰাংশখিনি আপুনি নিজৰ ভাষাত লিখিলেই হ'ব।

৭নং প্রশ্নৰ উত্তৰ ঃ দুষ্যন্তৰ পৰিচয়... তেওঁৰ চৰিত্রত ফুটি উঠা গুণাৱলীৰ লেখ।

৮নং প্রশ্নৰ উত্তৰ ঃ শকুন্তলাৰ চমু পৰিচয়... শকুন্তলাৰ চৰিত্রত ফুটি উঠা গুণাৱলী।

৯নং প্রশ্নৰ উত্তৰ ঃ অনসূয়া আৰু প্রিয়ম্বদা চৰিত্রৰ চমু পৰিচয়... সখীয়েক শকুন্তলাৰ প্রতি তেওঁলোকৰ দায়িত্ববোধ আৰু সহায়কাৰী মনোভাবৰ কথাবোৰ লিখিব লাগিব।

১০ নং প্রশ্নৰ উত্তৰ ঃবিদূষক চৰিত্রৰ চমু পৰিচয়... নাটকখনত বিদূষক চৰিত্রই কেনে ভূমিকা পালন কৰিছে সেয়া লিখিব লাগিব।

১২.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ প্রথম অংকৰ কথাখিনি নিজৰ ভাষাত লিখক।

প্রশ্ন ২ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকত পৰিবেশিত কাহিনী চমুকৈ লিখক।

প্রশ্ন ৩ ঃ *অভিজ্ঞানশকুন্তলম্* নাটকৰ নামকৰণৰ তাৎপর্য বিচাৰ কৰক।

প্রশ্ন ৪ ঃ ৰজা দুষ্যন্ত আৰু শকুন্তলাৰ প্রণয়ৰ স্বৰূপ কি?

প্রশ্ন ৫ ঃ অনসূয়া আৰু প্রিয়ম্বদাৰ তেওঁলোকৰ সখীয়েক শকুন্তলাৰ প্রতি যি সহৃদয়তা আৰু দায়িত্ববোধ ফুটি উঠিছে সেয়া মিত্রতাৰ মনোৰম দৃষ্টান্ত কেনেকৈ? —বিচাৰ কৰক।

প্রশ্ন ৬ ঃ *অভিজ্ঞানশকুন্তলমত* বিদূষক চৰিত্রৰ ভূমিকা কি?

*** ***** ***

অধ্যায় ১৩ ঃ শূদ্রক ঃ *মৃচ্ছকটিকম্*

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ শূদ্রক

- ১৩.৩.১ শূদ্রকৰ জীৱন
- ১৩.৩.২ শূদ্রকৰ কাব্য প্ৰতিভা

১৩.৪ ৰূপক আৰু তাৰ শ্ৰেণীবিভাগ

- ১৩.৪.১ প্ৰকৰণৰ সাধাৰণ লক্ষণ
- ১৩.৪.২ প্ৰকৰণ হিচাপে *মৃচ্ছকটিক*

১৩.৫ *মৃচ্ছকটিকৰ* সাধাৰণ আলোচনা

- ১৩.৫.১ *মৃচ্ছকটিকৰ* নামকৰণ
- ১৩.৫.২ *মৃচ্ছকটিকৰ* কথাবস্তু
- ১৩.৫.৩ *মৃচ্ছকটিকৰ* প্ৰতিটো অংকৰ বিষয়বস্তু
- ১৩.৫.৪ *মৃচ্ছকটিকৰ* চৰিত্ৰ চিত্ৰণ
- ১৩.৫.৫ *মৃচ্ছকটিকত* উপস্থাপিত সমাজ
- ১৩.৫.৬ *মৃচ্ছকটিকৰ* ৰস

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৩.৯ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শূদ্রকৰ জীৱন, কৃতি আৰু তেওঁৰ কাব্য প্ৰতিভা সম্পৰ্কে অৱগত হ'ব পাৰিব
- ৰূপক আৰু তাৰ শ্ৰেণীবিভাগ সম্বন্ধে জানিব পাৰিব
- প্ৰকৰণৰ সাধাৰণ লক্ষণসমূহ আলোচনা কৰিব পাৰিব
- *মৃচ্ছকটিকৰ* নামকৰণৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- *মৃচ্ছকটিকৰ* মূল কাহিনীভাগৰ লগত পৰিচিত হ'ব
- *মৃচ্ছকটিকৰ* প্ৰত্যেকটো অংকৰ বিষয়বস্তুৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- *মৃচ্ছকটিক* প্ৰকৰণত চিত্ৰিত হোৱা চৰিত্ৰ বিশ্লেষণ কৰিব পাৰিব

- এই প্রকৰণখনত প্রতিফলিত সমাজখনৰ কথা জানিবলৈ পাব
- প্রকৰণখনৰ ৰসৰ বিষয়ে আলোচনা কৰিবলৈ পাব।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এয়া দ্বাদশ পাঠ্যবিষয় 'সংস্কৃত সাহিত্যৰ নির্বাচিত পাঠ'। এইটো পাঠ্যবিষয়ৰ সপ্তম তথা শেষ অধ্যায়। অধ্যায়টোৰ শিৰোনাম *শূদ্রক ঃ মৃচ্ছকটিকম্*। ইতিমধ্যে ইয়াৰ পূর্বৱর্তী ছটা অধ্যায়ত সংস্কৃত কাব্য, সংস্কৃত মহাকাব্য, সংস্কৃত নাটক, গীতিকাব্য আৰু চম্পুকাব্য, কালিদাসৰ ৰঘুবংশম্ আৰু অভিজ্ঞান শকুন্তলমৰ বিষয়ে বহুতো কথা জানিলে। এই বিশেষ অধ্যায়টোত সংস্কৃত ৰূপকৰ অন্তর্গত প্রকৰণৰ লগত আপোনাক চিনাকি কৰি দিয়াৰ লগতে সংস্কৃত প্রকৰণৰ ভিতৰত এখন লেখত ল'বলগীয়া প্রকৰণ শূদ্রকৰ *মৃচ্ছকটিকৰ* বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। ইয়াত প্রকৰণৰ সাধাৰণ লক্ষণসমূহৰ বিষয়ে আলোচনা কৰাৰ লগতে সংস্কৃত সাহিত্যত উৎকৃষ্ট প্রকৰণৰ শাৰী প্রতিষ্ঠিত হোৱা শূদ্রকৰ *মৃচ্ছকটিক*খনৰ সকলো দিশ সামৰি এটা আলোচনা যুগুত কৰা হৈছে।

১৩.৩ শূদ্রক

১৩.৩.১ শূদ্রকৰ জীৱন



আমুখ ঃ নাটকৰ মুখ্য বিষয় আৰম্ভ হোৱাৰ আগেয়ে নটী, বিদূষক বা সূত্রধাৰে যি আমোদজনক কথাৰে নাটকৰ মুখ্য বিষয়ৰ আভাস দিয়ে তাক আমুখ বোলা হয়। আমুখৰ আন এটি নাম প্রস্তাৱনা।

সংস্কৃত সাহিত্য জগতত কবি বা নাট্যকাৰসকলৰ সম্পূর্ণ আৰু সঠিক পৰিচয় পোৱাটো বৰ কঠিন। শূদ্রকৰ বেলিকাও ইয়াৰ ব্যতিক্রম দেখা নাযায়। *মৃচ্ছকটিক* প্রকৰণৰ *আমুখত* শূদ্রকৰ শাৰীৰিক বর্ণনা আৰু লগতে কবিজনৰ শিক্ষাগত অর্হতাৰ আভাস পোৱা যায়। প্রকৰণখনৰ পৰা জানিব পৰা যায় যে কবি শূদ্রক এজন ৰজা আছিল। তেওঁ ক্ষত্রিয়ৰ ভিতৰত শ্রেষ্ঠ আৰু কাব্য প্রণয়নত অতি নিপুণ আৰু অমিত শক্তিসম্পন্ন আছিল। শূদ্রক ঋগ্বেদ, সামবেদ, গণিতশাস্ত্র, কৃষিবিদ্যা, নাট্যশাস্ত্র আৰু হস্তিবিদ্যাত অতি পাৰদর্শী আছিল। তেওঁ এশ দহ বছৰলৈকে ৰাজ্য শাসন কৰিছিল আৰু পিছত নিজৰ পুত্রক ৰাজ্যত অভিষিক্ত কৰি অগ্নিহোত্র আদি যজ্ঞ অনুষ্ঠানত মনোনিবেশ কৰিছিল।

পুৰণি কালত কেইবাজনো শূদ্রকৰ নাম পোৱা যায়। তাৰ ভিতৰত অন্ধ্রবংশীয় ৰজা শূদ্রক খ্রীষ্টপূর্ব ২৩৫-৩০০-ত আবির্ভাৱ হৈছিল। কিছুমান পাশ্চাত্য পণ্ডিতেও অন্ধ্রবংশীয় ৰজা শূদ্রকক *মৃচ্ছকটিকৰ* ৰচক বুলি কৈছে। আকৌ ভাসৰ অনুকৰণত বা ভাসৰ চাৰুদত্ত প্রকৰণক শূদ্রকে সম্পূর্ণ কৰিছে বুলি প্রচলিত মতৰ পৰিপ্রেক্ষিতত ক'বলৈ গ'লে শূদ্রক ভাসৰ সমসাময়িক বা অলপ পৰৱর্তী কালত আবির্ভাৱ হোৱা বুলি ক'ব লাগিব। যিয়েই নহওক, শূদ্রক নামৰ কোনোবা এজন ৰজা যে এই *মৃচ্ছকটিক* প্রকৰণৰ প্রণেতা ইয়াত সন্দেহ কৰিবলগীয়া একোৱেই নাই।

শূদ্রকৰ জন্ম ক'ত হৈছিল সেইটো সঠিককৈ নির্ধাৰণ কৰাটো টান। সৰহভাগ পণ্ডিতে ক'ব খোজে যে তেওঁ উজ্জয়িনীৰ বাসিন্দা আছিল। কিছুমানে তেওঁক দাক্ষিণাত্যৰ বুলিও কয়। আনহাতে কিছুমান পণ্ডিতে শূদ্রকক মহাৰাষ্ট্ৰৰ মানুহ বুলি ক'ব খোজে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শূদ্রকৰ চমু পৰিচয় আগবঢ়াওক। (৭৫টা শব্দৰ ভিতৰত)

১৩.৩.২ শূদ্রকৰ কাব্য প্রতিভা

আপুনি নাট্যকাৰ শূদ্রকৰ বিষয়ে জানিলে। এতিয়া আপুনি নাট্যকাৰজনৰ কৃতিত্বৰ বিষয়ে অৱগত হ'ব পাৰিব।

শূদ্রক এজন ব্যতিক্রমধর্মী নাট্যকাৰ। তেওঁৰ ৰচিত *মৃচ্ছকটিকত* সংস্কৃত নাটকৰ গতানুগতিক বৈশিষ্ট্যবোৰ সিমান সক্রিয় নহয়। *মৃচ্ছকটিক* এখন প্রকৰণ শ্রেণীৰ ৰূপক। সমাজৰ সাধাৰণ শ্রেণীৰ লোকৰ ঘটনাক লৈ শূদ্রকে এই প্রকৰণখন ৰচনা কৰিছে। ৰজা-মহাৰজা আৰু আঢ্যৱন্ত শ্রেণীক তেওঁ প্রকৰণখনত প্রাধান্য দিয়া নাই। প্রকৰণখনত ওঁ অতি সুন্দৰকৈ সমাজৰ সাধাৰণ নিম্ন খাপৰ চৰিত্রসমূহক উপস্থাপন কৰিছে। তেওঁৰ ৰণত গদ্যাত্মক সংলাপৰ উপৰিও শ্লোকৰ প্রাচুর্য পোৱা যায়। সেইপিনৰ পৰা এই গ্রন্থত তেওঁৰ কবিত্ব প্রতিভাৰ পৰিচয়ো প্রকাশ পাইছে। *মৃচ্ছকটিক*খনৰ গদ্য সংলাপত প্রয়োগ কৰা সংস্কৃত ভাষা সহজ আৰু সৰল। তেওঁৰ কাব্য গঠন পদ্ধতিও সম্পূর্ণ বেলেগ। সমাসৰ আড়ম্বৰশূন্য চুটি চুটি বাক্যেৰে সংলাপ ৰচিত হৈছে। তাৰ ফলতেই *মৃচ্ছকটিক*ৰ ভাষা বুজিবলৈ কষ্ট নহয়। সংস্কৃতৰ উপৰি বিভিন্ন প্রকাৰৰ প্রাকৃতৰ ব্যৱহাৰ ইয়াত পোৱা যায়। শৌৰসেনী, প্রাচ্যা, মাগধী আদি প্রাকৃতৰ ব্যৱহাৰেও শূদ্রকৰ কৃতিত্বৰ পৰিচয় দিছে।

প্রকৰণখনৰ বিভিন্ন দৃশ্যৰ বিৱৰণত কবিয়ে ঠাই বিশেষে একোটা বিষয়ৰ বর্ণনা অতি সুন্দৰকৈ পৰিবেশন কৰিছে। এই প্রসংগত দ্বিতীয় অংকত থকা জুৱা খেলৰ দৃশ্যৰ কথা ক'ব পাৰি। জুৱাত হাৰি সংবাহক মন্দিৰত লুকাই থকা আৰু সংবাহকক বিচাৰি মাথুৰ আৰু জুৱাৰী (দ্যূতকৰ) আহি মন্দিৰত সোমাই তাতেই জুৱা খেলিবলৈ ধৰা দৃশ্যৰ বিৱৰণ বৰ আমোদজনক। তেতিয়া সংবাহকে জুৱা খেলৰ লোভ সামৰিব নোৱাৰি আকৌ জুৱা খেলিবলৈ প্রবৃত্ত হোৱাত মাথুৰ আৰু জুৱাৰীয়ে তাক ধৰিবলৈ খেদি ফুৰা দৃশ্যটো কবিয়ে বাস্তৱ ৰূপত চিত্রিত কৰিছে। তেনেদৰে প্রকৰণখনৰ প্রথম অংকত বসন্তসেনাৰ পিছে পিছে খেদি যোৱা শকাৰ, বিট আৰু চেটৰ দৃশ্য আৰু বসন্তসেনা গৈ চাৰুদত্তৰ ঘৰত প্রৱেশ কৰাৰ বর্ণনাও অতি মনোহৰ ৰূপত পৰিবেশিত হৈছে। নাট্যকাৰে বিচাৰালয়ৰ দৃশ্যও অতি নিখুঁতভাৱে উপস্থাপন কৰিছে। চাৰুদত্তৰ ঘৰৰ পৰিবেশ বর্ণনাত

কবিয়ে এটি কৰুণ দৃশ্যৰ অৱতাৰণা কৰি সকলোৰে দৃষ্টি আকর্ষণ কৰিবলৈ সফল প্রয়াস কৰিছে বুলি স্বীকাৰ কৰিব লাগিব।

চৰিত্র চিত্রণত নাট্যকাৰে পাৰদর্শিতা দেখুৱাইছে। বিদূষকৰ চৰিত্রটো চাৰুদত্তৰ এজন ঘনিষ্ঠ শুভাকাংক্ষীৰ ৰূপত চিত্রিত কৰিছে। ধূতাৰ চৰিত্রটোৰ মাজেদি কবিয়ে তেনেই কম কথাৰ মাজেৰে সহধর্মিণীৰ আচল ৰূপ প্রকাশ কৰিবলৈ সক্ষম হৈছে। নাট্যকাৰৰ বিৱৰণত প্রত্যেকটো চৰিত্রই সজীৱ হৈ উঠিছে? সমাজত প্রচলিত ৰীতিসমূহ চৰিত্রবোৰৰ মাজেৰে জীৱন্ত ৰূপত প্রতিফলিত হৈছে।

নাটকত বেলেগ বেলেগ চিত্তবৃত্তি সম্পন্ন লোকৰ মনোৰঞ্জনৰ বাবে বেলেগ বেলেগ ৰসৰ পৰিবেশৰ প্রয়োজন। পৰিবেশ্য কলাত এইটো এটা বিশেষ মন কৰিবলগীয়া কথা যে নাট্যকাৰে একেটা ৰসৰ জৰিয়তে কাহিনী প্রৱাহক আগুৱাই নিব বিচাৰিলে সেইটোৱে সকলো শ্রেণীৰ লোকৰ মনত আনন্দ নিদিয়ে। সেইবাবেই বিভিন্ন ধৰণৰ ৰসৰ সমাৱেশ ঘটোৱাটো নাট্যকাৰৰ উদ্দেশ্য হ'ব লাগে। শূদ্রকে এই দিশটোতো যথেষ্ট সচেতনতা অৱলম্বন কৰিছে। *মৃচ্ছকটিকত* নাট্যকাৰে শৃংগাৰ ৰসৰ আঁৰে আঁৰে হাস্য, কৰুণ, বাৎসল্য আৰু বীভৎস ৰসৰ অৱতাৰণা কৰি উপস্থাপ্য বিষয় মনোহৰ কৰি তুলিছে।

কবিয়ে উপমা, উৎপ্রেক্ষা, ৰূপক আদি অলংকাৰ প্রয়োগ কৰি শ্লোকবোৰৰ সৌষ্ঠৱ বঢ়াইছে। তদুপৰি কবিয়ে অনুষ্টুপ, ইন্দ্রবজ্রা, উপেন্দ্রবজ্রা, মালিনী, বসন্ততিলক, শিখৰিণী, বংশস্থৱিল, বিদ্যুন্মালা আদি বিভিন্ন ছন্দৰ প্রয়োগ কৰি তেওঁৰ কবিত্ব প্রতিভাৰ পৰিচয় দিছে।

শূদ্রকে প্রকৰণখনৰ আমুখ অংশটো যথেষ্ট দীঘল কৰিছে। আমুখত নাট্যকাৰৰ উল্লেখ, নাটকৰ বিষয়বস্তু আদি সামান্যভাৱে থাকিলেই চলে। কিন্তু, শূদ্রকে *মৃচ্ছকটিকত* নিজৰ বিদ্যা-চর্চা, জ্ঞান-গৰিমাৰ কথা বৰ বেছিকৈ কৈছে আৰু তাৰ ফলতেই ইয়াৰ প্রস্তাৱনা বা আমুখৰ দৈর্ঘ যথেষ্ট বাঢ়িছে। শূদ্রকে প্রকৰণখনত পদ্যৰ প্রতি বেছি আকৃষ্ট হৈছে। প্রকৰণখনৰ প্রত্যেকটো অংকতেই শ্লোক সংখ্যা যথেষ্ট বেছি। এইদৰে শ্লোকৰ ৰচনাত ছন্দৰ প্রয়োগ এটা মন কৰিবলগীয়া বিষয়। শূদ্রকে ৰুচিৰা, ইন্দ্রবজ্রা, বংশস্থ, শিখৰিণী, বসন্ততিলক, বিদ্যুন্মালা, পুষ্পিতাগ্রাকে আদি কৰি সম, অর্দ্ধসম আৰু বিষম বৃত্তৰ ছন্দ ব্যৱহাৰ কৰিছে। শব্দ প্রয়োগৰ ক্ষেত্রত নাট্যকাৰ শূদ্রকে *মৃচ্ছকটিকত* বিভিন্নতাৰ আশ্রয় লৈছে। তেওঁৰ ৰচনাত 'বোডিকাম্' (৮/৪০), 'ৰৰণ্ডলম্বুক' (১ম অংক), 'মহল্লক (৪র্থ অংক), 'কোষ্ঠক' (৮ম অংক) শব্দকেইটা বিশেষ উল্লেখ কৰিব পাৰি। 'গৃহ' শব্দৰ ঠাইত তেওঁ 'গেহ' শব্দৰ প্রয়োগো কৰিছে (গেহদ্বাৰম্—৪র্থ অংক)। 'কুক্কুৰায়তে', 'সমুদ্রায়তে', 'কলুষায়তে', 'প্রদীপায়তে' আদি নামধাতুৰ ব্যৱহাৰ কৰি তেওঁ পদৰ লঘুত্ব সম্পাদন কৰিছে। নাটকৰ সংলাপত শূদ্রকে মাজে মাজে দীঘল দীঘল বাক্য পৰিৱেশন কৰিছে। সেইবোৰ সন্ধি-সমাসেৰে ভৰা। প্রকৰণখনৰ চতুর্থ অংকত পোৱা বসন্তসেনাৰ পদূলিমুখৰ বর্ণনালৈ চাব পাৰি। ৰূপকৰ সংলাপৰ বাক্য দীঘলীয়া আৰু সন্ধি-সমাসেৰে

ভাৰাক্রান্ত হ'লে ভাষাৰ শ্রুতিমধুৰতা কিমান অক্ষত থাকে সেইটো কোৱা টান। কিন্তু শূদ্রকে কোনো কোনো ঠাইত তেনেই চুটি চুটি বাক্যৰ অর্থ প্রকাশ কৰিও পাণ্ডিত্যৰ পৰিচয় দিছে। এই প্রসংগত চাৰুদত্তৰ গুণৰাশিৰ বিৱৰণ দিয়া সুন্দৰ শ্লোক এটিৰ উল্লেখ কৰিব পাৰি। শ্লোকফাঁকি হ'ল—

'গুণপ্রৱালং বিনয়প্রশাখং
বিশ্রম্ভমূলং মহনীয়পুষ্পম্।
তং সাধুবৃক্ষং স্বগুণৈঃ ফলাঢ্যং
সুহৃদ্বিহঙ্গাঃ সুখমাশ্রয়ন্তি।।' (৪।৩২)

অর্থাৎ, দয়া-দাক্ষিণ্য গুণসমূহ পাত, বিনয় গুণ শাখা, বিশ্বাস শিপা, গৌৰৱ ফুল আৰু পৰোপকাৰ আদি ফল এনেকুৱা বৃক্ষৰূপ চাৰুদত্তক সজ্জনসকলে আশ্রয় কৰি আছে। এই শ্লোকটিৰ ছন্দ উপজাতিআৰু ইয়াত ৰূপক অলংকাৰ হৈছে। এনেকুৱা আন বহুতো শ্লোক *মৃচ্ছকটিকত* আছে যিবোৰৰ শব্দসম্ভাৰ সহজ-সৰল। আকাশত মেঘৰ আগমন হওক, ৰাতি হওক, বৰষুণৰ ধাৰা পতিত হওক— 'উদয়ন্ত নাম মেঘাঃ ভৱতু নিশা বর্ষমৰিৰতং পততু' (৪।৩৩) শ্লোকফাঁকিও উল্লেখযোগ্য। এই শ্লোকটি আর্য্যা ছন্দত ৰচিত। এনেকুৱা শ্লোক আৰু আছে য'ত শূদ্রকৰ কোমল পদৰ ব্যৱহাৰ দেখা যায়। শূদ্রকৰ ৰচনাৰীতি বৈদর্ভী ৰীতিৰ। টীকাকাৰ হৰিদাস সিদ্ধান্তবাগীশে 'বাহুল্যেন বৈদর্ভীৰীতি', অর্থাৎ শূদ্রকৰ ৰচনাত বাহুল্য বৈদর্ভী ৰীতিৰ বুলি অভিমত প্রকাশ কৰিছে।

শূদ্রকৰ ৰচনাত সন্নিবিষ্ট কিছুমান প্রৱাদসূচক বাক্যই ৰচনাক সুন্দৰ কৰি তুলিছে। তেনেকুৱা বাক্যত বিশ্বজনীন সত্য নিহিত হৈ আছে। এনেবোৰ বাক্য প্রয়োগৰ ফলত তেওঁৰ ৰচনাৰ উৎকর্ষ সাধন হৈছে।

শূদ্রকৰ প্রকৰণখনত শ্লোকত বিভিন্ন অর্থালংকাৰৰ প্রয়োগ পোৱা যায়। শ্লোকবোৰত কাব্যলিংগ, অপ্রস্তুতপ্রশংসা, বিশেষোক্তি, মালোপমা, জাত্যুৎপ্রেক্ষা, পৰিসংখ্যা, পূর্ণোপমা, দীপক, বিভাৱনা আদি সুন্দৰ সুন্দৰ অলংকাৰৰ প্রয়োগে তেওঁৰ ৰচনাৰ সৌষ্ঠৱ বঢ়াইছে।

মৃচ্ছকটিকত পোৱা বাৰিষাকালৰ ৰাতিৰ বিৱৰণ অতি নিখুঁত। তাত ভেকুলীৰ মাতকে ধৰি ৰাতি ক'লা ডাৱৰে ঢাকি ৰখা জোনৰ বিৱৰণ অতি মনোহৰ। লগতে মেঘৰ আঁৰত বিজুলীৰ চিক্‌মিকনিৰ বিৱৰণ বৰ ধুনীয়াকৈ প্রকাশ পাইছে। কবিয়ে মেঘৰ গাজনিক ডবাৰ শব্দৰ লগত আৰু বিজুলীৰ সঞ্চালনক বিজয় পতাকাৰ লগত তুলনা কৰি বর্ণনাক সুন্দৰ কৰি তুলিছে।

শূদ্রকে প্রকৰণখনৰ কাহিনী পৰিৱেশন আৰু লগতে চৰিত্র অংকনো অতি নিয়াৰিকৈ সম্পাদন কৰিছে। কিছুমান চৰিত্র মঞ্চত উপস্থিত নহ'লেও সেইবোৰৰ ভূমিকা যেন তেনেই কম নহয় সেইটো কবিয়ে আন চৰিত্রৰ সংলাপ আৰু কার্যৰ জৰিয়তে ফুটাই তুলিবলৈ সক্ষম হৈছে। ধূতাৰ কম কথাই তেওঁৰ চৰিত্রৰ গাম্ভীর্য সম্পাদন কৰিছে।

মূর্খ ব্রাহ্মণ শর্বিলকৰ চৌর্যবৃত্তি যে প্রকৰণখনৰ কাহিনীৰ প্রয়োজনৰ সাপেক্ষতহে উপস্থাপিত হৈছে সেইটো বুজিবলৈ টান নালাগে।

প্রকৰণত ব্যৱহৃত শৌৰসেনী, অবন্তী, মাগধী, অপভ্রংশ, চাণ্ডালী আদিকে ধৰি প্রাকৃত ভাষাৰ বিভিন্ন শ্রেণীৰ শব্দ প্রয়োগৰ পৰাও ক'ব পৰা যায় যে শূদ্রকে তেতিয়াৰ সমাজখনক সুন্দৰকৈ প্রতিফলিত কৰিবলৈকেহে তেনেকুৱা পন্থা অৱলম্বন কৰিছিল। সেইপিনৰ পৰা শূদ্রক এজন প্রতিভাশালী নাট্যকাৰ আৰু তেওঁৰ *মৃচ্ছকটিক*খন এখন গতানুগতিক ৰীতিৰ বিপৰীতে ব্যতিক্রমী প্রকৰণ হিচাপে স্বীকৃত হৈছে।

১৩.৪ ৰূপক আৰু তাৰ শ্রেণীবিভাগ

আপুনি ইতিমধ্যে শূদ্রকৰ বিষয়ে ধাৰণা লাভ কৰিছে। শূদ্রকেই যে *মৃচ্ছকটিক* নামৰ প্রকৰণখন ৰচনা কৰিছে সেইটোও জানিবলৈ পাইছে। কিন্তু, এই *মৃচ্ছকটিক*খন কোন শ্রেণীৰ ৰূপক তাকো জনাটো আৱশ্যক। কাৰণ, সংস্কৃতত ৰচিত নাটকসমূহ বেলেগ বেলেগ শ্রেণীত ভাগ কৰা হৈছে। আপুনি জানিব যে নাটক শব্দই সংস্কৃতত ৰচিত সকলো নাটকক নুবুজায়। সকলো দৃশ্যকাব্যক বুজাবলৈ 'ৰূপক' শব্দটোহে ব্যৱহাৰ কৰা হয়। ৰূপক বুলিলে সংস্কৃতত ৰচিত আটাইকেইবিধ দৃশ্য কাব্যক বুজায়।

বিভিন্ন চৰিত্রৰ মাজেৰে এটা বিষয় ৰূপায়িত হয় বাবেই তাক ৰূপক বুলি কোৱা হয়। উদাহৰণ এটাৰে কথাটো এইদৰে বুজাব পাৰি। ৰামৰ চৰিত্রত অভিনয় কৰাজন দৰাচলতে ৰাম নহয়; কিন্তু ৰামৰ গুণৰ অনুৰূপত সংলাপ, কার্য, ভাব-অনুভাৱ আৰু প্রসাধনেৰে তেওঁক নির্দিষ্ট সময়ৰ বাবে ৰামৰ ৰূপত-ৰূপায়িত কৰা হয়। সেই পিনৰ পৰা দৃশ্যকাব্যক ৰূপক বুলি কোৱা হৈছে।

ৰূপক দহ প্রকাৰৰ। সেই দহ প্রকাৰ ৰূপকৰ নাম এনেকুৱা— নাটক, প্রকৰণ, ভাণ, ব্যায়োগ, সমৱকাৰ, ডিম, ঈহামৃগ, অংক, বীথী আৰু প্রহসন।

এই দহবিধ ৰূপকৰ বাহিৰেও ওঠৰবিধ উপৰূপক আছে। সেই উপৰূপকবোৰৰ নাম এনেকুৱা নাটিকা, ত্রোটক, গোষ্ঠী, সট্টক, নাট্যৰাসক, প্রস্থান, উল্লাপ্য, কাব্য, প্রেংখন, সংলাপক, ৰাসক, শ্রীগদিত, শিল্পক, বিলাসিকা, দুর্মল্লিকা, প্রকৰণী, হল্লিশ আৰু ভাণিকা। ওপৰত উল্লিখিত দহবিধ ৰূপক আৰু ওঠৰবিধ উপৰূপক অভিনয়ৰ যোগ্য। এইখিনিতেই এটা কথা উল্লেখ কৰিব পাৰি যে *মৃচ্ছকটিক* নামৰ দৃশ্যকাব্যখন ৰচনাৰীতিৰ পিনৰ পৰা প্রকৰণ শ্রেণীৰ ৰূপক।

১৩.৪.১ প্রকৰণৰ সাধাৰণ লক্ষণ

আপুনি ইতিমধ্যে ৰূপকৰ কথা জানিছে আৰু লগতে ইয়াৰ প্রকাৰভেদৰ বিষয়েও অৱগত হৈছে। দহবিধ ৰূপকৰ ভিতৰত প্রকৰণো একপ্রকাৰৰ ৰূপক বুলিও জানিছে। এতিয়া ইয়াত আপুনি প্রকৰণৰ সাধাৰণ লক্ষণৰ বিষয়ে অধ্যয়ন কৰিব।

দহ প্রকাৰ ৰূপকৰ ভিতৰত প্রকৰণৰ স্থান অন্যতম। প্রকৰণৰ বিষয়বস্তু নাট্যকাৰৰ নিজা অর্থাৎ ইয়াত নাট্যকাৰে কল্পনাৰ সহায়ত বিষয়বস্তু প্রস্তুত কৰি উলিয়ায়। প্রকৰণৰ কাহিনী সদায় লৌকিক বা কবিৰ কল্পনাপ্রসূত হ'ব লাগে। তাত শৃংগাৰ ৰসকেই ঘাই ৰস হিচাপে পৰিৰেশন কৰা হয়। প্রকৰণৰ নায়ক সদায় ব্রাহ্মণ, অমাত্য বা বণিক শ্রেণীৰ যিকোনো এজন হ'ব লাগে। নায়কজন ধীৰ প্রশান্ত গুণসম্পন্ন হ'ব লাগে আৰু নানা বাধা-বিপত্তিৰ মাজতো তেওঁ ধর্ম, অর্থ, কামৰ পৰা বিৰত থাকিব নালাগে।

প্রকৰণৰ নায়িকা সাধাৰণতে কুলস্ত্রী অথবা গণিকা হ'ব লাগে। কেতিয়াবা কেতিয়াবা কোনো কোনো প্রকৰণত দুয়ো প্রকাৰৰ নায়িকা থকাও আপুনি দেখিবলৈ পাব। আপুনি জানিব যে নায়িকাৰ ভিত্তিতহে প্রকৰণৰ শ্রেণী বিভাজন কৰা হয়। আপুনি তিনি প্রকাৰৰ প্রকৰণ দেখিবলৈ পাব। সেই তিনি প্রকাৰ প্রকৰণ হৈছে— শুদ্ধ প্রকৰণ, মিশ্র প্রকৰণ আৰু সংকীর্ণ প্রকৰণ। প্রকৰণত ধূর্ত, বিট, চেট আৰু জুৱাৰী আদি চৰিত্রও সংযোজিত কৰা হয়।

আপুনি জানে যে প্রকৰণো এখন ৰূপকহে। সেইকাৰণেই ৰূপকৰ আন সকলো লক্ষণ নাটকৰ দৰেই থাকিব লাগে। প্রকৰণত শৃংগাৰ অংগীৰস হিচাপে থাকিলেও তাত কৰুণ, হাস্য আৰু বীভৎস আদি ৰসো অংগৰসৰ ৰূপত থাকে।

আপুনি জানিব যে প্রকৰণ নাটকৰেই এটি পৰিবর্তিত ৰূপ। সেইকাৰণেই প্রকৰণতো নাটকৰ প্রয়োজনীয় পঞ্চ সন্ধি থাকিব লাগে। গতিকে নাটকৰ দৰে পাঁচটি অৱস্থা আৰু পাঁচটি অর্থপ্রকৃতিও ইয়াত থাকে। কাৰণ, সেইবোৰ অবিহনে পঞ্চসন্ধিৰ উৎপত্তি হ'ব নোৱাৰে।




জানি থোৱা ভাল

- পাঁচটা সন্ধিৰ জৰিয়তে নাটকৰ কাহিনী পুষ্ট হয় আৰু শেষত নাটক এখনৰ মুখ্য ফল ৰূপায়িত হয়। সেই পাঁচটা সন্ধিৰ নাম এনেকুৱা— মুখ, প্রতিমুখ, গর্ভ, বিমর্শ আৰু নির্বহণ বা উপসংহাৰ।
- একো একোটা অৱস্থা আৰু অর্থপ্রকৃতিৰ সংযোগত একোটাকৈ সন্ধিৰ সৃষ্টি হয়।
- নাটকীয় কাহিনীৰ গতিপ্রৱাহক আমি অৱস্থা বুলি ক'ব পাৰো। আনহাতে, নাটকীয় মূল বিষয়ৰ প্রয়োজন সিদ্ধিৰ বাবে যি উপায় তাক আমি অর্থপ্রকৃতি বুলি ক'ব পাৰো। তলত সন্ধিৰ উৎপত্তি দেখুৱা হ'ল—

সন্ধি		**অৱস্থা**		**অর্থপ্রকৃতি**
মুখ	=	আৰম্ভ	+	বীজ
প্রতিমুখ	=	যত্ন	+	বিন্দু
গর্ভ	=	প্রত্যাশা	+	পতাকা

বিমর্শ	=	নিয়তাপ্তি	+	প্রকৰী
নির্বহন বা উপসংহাৰ	=	ফলাগম	+	কার্য



১৩.৪.২ প্রকৰণ হিচাপে *মৃচ্ছকটিক*

আপুনি প্রকৰণ শ্রেণীৰ ৰূপকৰ সাধাৰণ লক্ষণৰ বিষয়ে অধ্যয়ন কৰিলে। এতিয়া আপুনি *মৃচ্ছকটিক*খন যে এখন প্রকৰণ সেইটো অধ্যয়ন কৰিবলৈ পাব।

শূদ্রকৰ ৰচিত *মৃচ্ছকটিক* এখন প্রকৰণ। এইখনত প্রকৰণৰ সাধাৰণ লক্ষণসমূহ ৰূপায়িত হৈছে। পোন প্রথমতে প্রকৰণখনৰ কাহিনীলৈ চালে দেখা যায় যে ইয়াৰ কথা-বস্তু সমাজত ঘটি থকা কাহিনীৰ লগত মিলি যোৱা বিধৰ আৰু সেইটো নাট্যকাৰে কল্পনা কৰি উলিয়াইছে। ইয়াত চাৰুদত্ত আৰু বসন্তসেনাৰ প্রণয় কাহিনী কবিৰ কল্পনাপ্রসূত।

মৃচ্ছকটিক প্রকৰণৰ মুখ্য ৰস শৃংগাৰ। চাৰুদত্ত আৰু বসন্তসেনাৰ কাহিনীতেই সম্ভোগ-শৃংগাৰৰ সম্পূর্ণ আভাস পোৱা যায়।

এই প্রকৰণখনৰ নায়ক হৈছে চাৰুদত্ত। তেওঁ এজন ব্রাহ্মণ। চাৰুদত্ত অতি ধীৰ-স্থিৰ আৰু প্রশান্ত গুণসম্পন্ন। নৃত্যগীত আদিৰ প্রতিও চাৰুদত্তৰ আকর্ষণ বৰ তীব্র। চাৰুদত্ত বৰ কলাপ্রেমী। চেটই চাৰুদত্তৰ কলাবিদ্যাত থকা অনুৰাগক স্বাভাৱিক দোষ বুলি অলপ অসন্তুষ্টি প্রকাশ কৰা আমি তৃতীয় অংকৰ দ্বিতীয় শ্লোকত দেখিবলৈ পাওঁ। তদুপৰি বীণাৰ সুৰ চাৰুদত্তই বৰ ভাল পায়। ৰেভিলৰ ঘৰত সংগীত শুনাৰ বহুতো পৰলৈকে চাৰুদত্তৰ মনত তাৰ অনুভূতি প্রকাশ পোৱা দেখা যায়।

প্রকৰণৰ আন এটি লক্ষণ এয়ে যে ইয়াৰ নায়কজন প্রতিকূল অৱস্থা বা পৰিস্থিতিতো ধর্ম, অর্থ আৰু কামৰ পৰা নিবৃত্ত হ'ব নালাগে। চাৰুদত্তৰ দৈনন্দিন কর্ম বিশ্লেষণ কৰিলে দেখা যায় যে জীৱনৰ চৰম দুর্যোগৰ দিনতো ধর্মাচৰণৰ পৰা তেওঁ আঁতৰি থকা নাই। তেওঁ দেৱ-দেৱীৰ বন্দনা, পূজা-অর্চনা আদিক নিত্যকর্ম বুলি সদায় পালন কৰা দেখিবলৈ পোৱা যায়। বিদূষকে চাৰুদত্তৰ ধর্মাচৰণৰ কথা আলোচনা কৰোঁতে চাৰুদত্তই সেইটো গৃহস্থৰ নিত্যকর্ম বুলি বুজনি দিয়া আমি দেখা পাওঁ।

প্রকৰণৰ নায়িকা কুলস্ত্রী বা গণিকা হ'ব লাগে; কেতিয়াবা কোনো কোনো প্রকৰণত দুয়ো প্রকাৰৰ নায়িকাও থাকিব পাৰে। *মৃচ্ছকটিক* প্রকৰণৰ কুলস্ত্রী ধূতা আৰু গণিকা বসন্তসেনা হৈছে নায়িকা। সেই কাৰণেই *মৃচ্ছকটিক*খনক সংকীর্ণ শ্রেণীৰ প্রকৰণ বুলি গণ্য কৰা হৈছে। এইখন প্রকৰণত বিট, চেট, ধূর্ত, জুৱাৰী আদি চৰিত্রও চিত্রিত হৈছে।

মৃচ্ছকটিক প্রকৰণত শৃংগাৰ ৰসৰ উপৰিও কৰুণ, হাস্য আৰু বীভৎস ৰস আনুষংগিক ৰস হিচাপে উপস্থাপন কৰা হৈছে। ৰোহসেনক প্রথমবাৰ দেখাৰ লগে লগে বসন্তসেনাৰ মনত সঞ্চাৰ হোৱা বাৎসল্য ভাবৰ কথা অতি সুন্দৰকৈ কবিয়ে চিত্রিত কৰিছে। প্রকৰণখনত বিপ্রলম্ভ শৃংগাৰৰ পৰিৱেশো নাট্যকাৰে অংকন কৰিছে। কবিয়ে শকাৰৰ চৰিত্রৰ মাজেৰে হাস্য ৰসৰ সৃষ্টি কৰিছে। শকাৰ ৰজাৰ খুলশালি হোৱাৰ কাৰণেই দম্ভত উফন্দি জধেমধে কথা কৈ দর্শকক আনন্দ দিয়া দেখিবলৈ পোৱা যায়।

আপুনি জানে যে প্রকৰণ হৈছে নাটকৰেই এটা পৰিবর্তিত ৰূপ। সেইকাৰণেই নাটকৰ আন লক্ষণবোৰো প্রকৰণত বিদ্যমান থাকে। সেইবোৰৰ ভিতৰত সন্ধি আদিয়েই প্রধান।

মৃচ্ছকটিক প্রকৰণত নায়ক চাৰুদত্ত আদিৰ পৰা অন্তলৈকে মঞ্চত উপস্থিত নাথাকে। আনহাতে ধূতা আৰু বসন্তসেনাও মুখামুখিভাৰে মঞ্চত উপস্থিত হোৱা দেখা যায়। এনেকুৱা নিয়ম সকলোৱে মানি নলয়। প্রকৰণৰ সৰু-সুৰা লক্ষণ কটকটীয়াকৈ আলোচ্য প্রকৰণত মানি চলা হোৱা নাই যদিও *মৃচ্ছকটিক* প্রকৰণখনক সংকীর্ণ প্রকৰণৰ প্রকৃষ্ট উদাহৰণ হিচাপে বিদ্বৎ সমাজত গ্রহণ কৰা হয়।

১৩.৫ *মৃচ্ছকটিক*— সাধাৰণ আলোচনা

আপুনি ইতিমধ্যে *মৃচ্ছকটিকৰ* ৰচক শূদ্রকৰ বিষয়ে জানিছে। *মৃচ্ছকটিকত* যে প্রকৰণশ্রেণীৰ ৰূপকৰ প্রায়বোৰ লক্ষ্যণ আছে তাকো জানিলে। এইখিনিত *মৃচ্ছকটিকৰ* বিভিন্ন দিশ সামৰি লৈ এটি সাধাৰণ আলোচনা আগবঢ়োৱা হ'ব। এইটো অধ্যয়ন কৰি আপুনি *মৃচ্ছকটিক* প্রকৰণৰ নামকৰণৰ সার্থকতা, ইয়াৰ বিষয়বস্তু। ইয়াৰ প্রধান চৰিত্রসমূহ ইয়াত থকা অঙ্গীৰস আদিৰ বিষয়ে বিস্তৃতভাৰে জানিব পাৰিব।

১৩.৫.১ *মৃচ্ছকটিকৰ* নামকৰণ

আপুনি প্রকৰণৰ সাধাৰণ লক্ষণ অধ্যয়নৰ পিছত শূদ্রকৰ ৰচিত *মৃচ্ছকটিক* প্রকৰণৰ নামকৰণৰ বিষয়ে জানিব পাৰিব। প্রকৰণ বা নাটকৰ নাম সদায় কাহিনীৰ অর্থ গহীনকৈ প্রকাশ কৰিব পৰা হ'ব লাগে আৰু তাতেই নামটোৰ সার্থকতা নির্ভৰ কৰে। কাব্য বা আন যিকোনো গ্রন্থৰ নাম আকর্ষণীয় হ'ব লাগে। তেতিয়াহে পাঠকৰ মনত সি বিশেষ প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়।

'মৃচ্ছকটিক' শব্দটো 'মৃৎ' আৰু 'শকটিক' এই দুটা শব্দৰ যোগত নিষ্পন্ন হৈছে আৰু সন্ধিৰ নিয়ম অনুসৰি 'মৃচ্ছকটিক' শব্দটো সিদ্ধ হৈছে। 'মৃৎ' শব্দই মাটিক বুজায় আৰু 'শকটিক' শব্দই গাড়ীক বুজায়। এতেকে 'মৃচ্ছকটিক' শব্দটিৰ অর্থ হৈছে মাটিৰ গাড়ী।

শূদ্রকৰ দ্বাৰা ৰচিত *মৃচ্ছকটিক* প্রকৰণখন কাহিনীৰ ফালৰ পৰা যথেষ্ট অর্থপূর্ণ। প্রকৰণখনত মাটিৰ গাড়ীৰ সম্পর্কত থকা দৃশ্যটোত চাৰুদত্তৰ প্রতি বসন্তসেনাৰ গভীৰ অনুৰাগ প্রকাশ পাইছে আৰু লগতে ৰোহসেন যে কেবলমাত্র আকৃতিত চাৰুদত্তৰ নিচিনা এনে নহয়, গুণতো ল'ৰাজন পিতৃৰ দৰেই এই বুলি ৰদণিকাৰ কথাত প্রকাশ পাইছে। চাৰুদত্তৰ দৰে ৰোহসেনৰো আনৰ ঐশ্বর্যৰ প্রতি থকা নির্লোভ ভাব প্রকাশ পোৱা যায়। চকুলো টুকি থকা ৰোহসেনক বসন্তসেনাই সোণৰ হাৰডাল যাচিলত ৰোহসেনে গ্রহণ কৰিবলৈ অস্বীকাৰ কৰাৰ পৰাই এই কথাষাৰৰ প্রমাণ পোৱা যায়। সেই পিনৰ পৰা উক্ত প্রকৰণখনত উচ্চ আদর্শ এটা উপস্থাপনত মাটিৰ গাড়ীৰ প্রসংগটো বিশেষ উল্লেখযোগ্য বুলি ক'ব পাৰি।

বহুতে ক'ব খোজে যে *মৃচ্ছকটিক*, প্রকৰণ ভাসৰ ৰচিত 'চাৰুদত্ত' নাটকৰ পৰিবর্ধিত সংস্কৰণ। *চাৰুদত্ত* নাটকখন চতুর্থ অংকত সমাপ্ত হৈছে। চাৰুদত্তৰ প্রতি বসন্তসেনাৰ অনুৰাগ ব্যঞ্জনাতেই *চাৰুদত্ত* নাটক শেষ হৈছে। শূদ্রকে বাকীখিনি কাহিনী তাৰ লগত যোগ দি প্রকৰণখন সম্পূর্ণ কৰিছে। *মৃচ্ছকটিকৰ* ষষ্ঠ অংকত থকা মাটিৰ গাড়ীৰ প্রসংগক ভিত্তি কৰিয়েই শূদ্রকে তাৰ নাম ৰাখিছে *মৃচ্ছকটিক*। ভাসে *চাৰুদত্তৰ* চতুর্থ অংকত বাৰিষাৰ অৱতাৰণা কৰিছে। কিন্তু শূদ্রকে বসন্তসেনাৰ মুখেৰে বাৰিষাৰ বৰষুণৰ স্পষ্ট উল্লেখ কৰি প্রেমাস্পদক লগ পোৱাত বাৰিষাৰ ধাৰাসাৰ বৰষুণে বাধা দিব নোৱাৰে বুলি কৈছে। *মৃচ্ছকটিকৰ* চতুর্থ অংকৰ পিছৰ পৰাই বাকী অংশ অর্থাৎ পঞ্চমৰ পৰা দশম অংকলৈকে যি কাহিনী পৰিবেশিত হৈছে। সেইয়া শূদ্রকৰ নিজা আৰু চাৰুদত্তৰ ঘটনাৰ লগত সংযোজিত। যদি সেইটোৱেই হয়, তেন্তে শূদ্রকে *চাৰুদত্তৰ* পৰা *মৃচ্ছকটিকৰ* স্বতন্ত্রতা দেখু�ৱাবলৈ ষষ্ঠ অংকত থকা মাটিৰ গাড়ীৰ প্রসংগৰ অৱতাৰণা কৰি তাৰ ভিত্তিতেই প্রকৰণখনৰ নাম ৰাখিছে *মৃচ্ছকটিক*।

ৰোহসেনে ওচৰৰ ঘৰৰ ল'ৰাৰ লগত সোণৰ গাড়ীৰে খেলি ঘৰলৈ আহি তাৰ সোণৰ গাড়ীখনহে লাগে বুলি জেদ ধৰিলে। ৰদণিকাই সোণৰ গাড়ীৰ সলনি তাক মাটিৰ গাড়ী তৈয়াৰ কৰি দিলেও সেইটোৰে সি নেখেলে বুলি সোণৰ গাড়ীৰ কাৰণেই জেদ কৰিবলৈ ধৰিলে। ৰদণিকাৰ পৰা বসন্তসেনাই সকলো কথা জানিব পাৰিলে। বসন্তসেনাই পিন্ধা অলংকাৰ ৰোহসেনক দি তাৰেই সোণৰ গাড়ী তৈয়াৰ কৰি দিবলৈ কোৱা কথাষাৰো ইয়াত যথেষ্ট তাৎপর্যপূর্ণ। শূদ্রকে মাটিৰ গাড়ীৰ প্রসংগটোৰে চাৰুদত্তৰ প্রতি বসন্তসেনাৰ প্রণয়ৰ গাঢ়তা প্রকাশ কৰিছে। এইখিনিতেই উল্লেখ কৰিব পাৰি যে মাটিৰ গাড়ীৰ প্রসংগটোত তেনেই কম কথাৰ মাজেৰে প্রকৰণখনত কৰুণ ৰসৰ অতি মর্মস্পর্শী পৰিবেশ সৃষ্টি কৰা হৈছে। সেই কৰুণ দৃশ্যই সকলোৰে অন্তৰ স্পর্শ কৰি যায়। প্রকৰণখন অধ্যয়ন কৰিলে বুজিব পাৰি যে ষষ্ঠ অংকৰ মাটিৰ গাড়ীৰ কাহিনীতেই নাট্যকাৰে বাৎসল্য ৰসো সুষম ৰূপত প্রকাশ কৰিছে। প্রকৰণখনত শৃংগাৰ ৰসৰ বাহিৰেও অন্য ৰসৰ সমাবেশ ঘটাবলৈ *মৃচ্ছকটিকত* সংযোজিত মাটিৰ গাড়ীৰ প্রসংগ যথেষ্ট

মহত্ত্বপূর্ণ বুলি ভাবিব পাৰি। বসন্তসেনা আৰু চাৰুদত্তৰ প্রণয়কাহিনীয়েই প্রকৰণখনৰ ঘাই উপজীব্য। মাটিৰ গাড়ীৰ বৃত্তান্তত উক্ত উপজীব্য বিষয়ৰ গভীৰতাৰ বীজ ৰূপায়িত হৈছে। তদুপৰি মাটিৰ গাড়ীয়ে সমাজত থকা সাধাৰণ শ্রেণীৰ প্রতিবিম্ব হিচাপেও অংকিত হোৱা বুলি ক'ব পৰা যায়। প্রকাশক হিচাপেও *মৃচ্ছকটিক* নামটো যথেষ্ট প্রাসংগিক আৰু মহত্ত্বপূর্ণ। গতিকে ক'ব পাৰি প্রকৰণখনৰ নায়ক বা নায়িকাৰ নাম অনুসৰি যদি নামকৰণ কৰিলেহেঁতেন, তেন্তে নামটো সিমান উৎকণ্ঠাজনক নহ'লহেঁতেন। সেইপিনৰ পৰাও *মৃচ্ছকটিক* নামটো যথেষ্ট গুৰুত্বপূর্ণ আৰু সম্পূর্ণভাবে সার্থক।

১৩.৫.২ *মৃচ্ছকটিকৰ* কথা-বস্তু

মৃচ্ছকটিকৰ নামকৰণৰ বিষয়ে অধ্যয়ন কৰাৰ পিছত আপুনি ইয়াত উক্ত প্রকৰণখনৰ কথা-বস্তু অধ্যয়ন কৰিবলৈ পাব। এই ৰূপকখনৰ বিষয়বস্তু এইধৰণৰ— চাৰুদত্ত উজ্জয়িনীৰ এজন বিশিষ্ট নাগৰিক। এসময়ৰ ধনী চাৰুদত্ত ধন-ঐশ্বর্য দান কৰি নির্ধন হৈ পৰে। তেওঁ এই প্রকৰণৰ নায়ক। গণিকা বসন্তসেনা চাৰুদত্তৰ গুণত আকৃষ্ট হৈ প্রণয়াসক্ত হয়। আনহাতে ৰজা পালকৰ খুলশালি শকাৰে বসন্তসেনাক ভাল পায়। বসন্তসেনাই উদ্ধত শকাৰক অলপো ভাল নাপায়। শকাৰে চাৰুদত্তক শেলঠেকত পেলাবলৈ চাৰুদত্তই বসন্তসেনাক হত্যা কৰা বুলি আদালতত গোচৰ তৰে। কিন্তু সময়ত বসন্তসেনাই চাৰুদত্তক মিছা অভিযোগৰ পৰা মুক্ত কৰে। ইপিনে চাৰুদত্তৰ পত্নী ধূতাই বসন্তসেনাক চাৰুদত্তৰ পত্নী বুলি স্বীকৃতি দিয়ে। আর্য্যকে উজ্জয়িনীত বিদ্রোহ কৰি পালকক সিংহাসনচ্যুত কৰি ৰাজপাটত বহে। আর্য্যকে কুশাৱতী নদীৰ দাঁতিত থকা ৰাজ্য চাৰুদত্তক অর্পণ কৰে।

১৩.৫.৩ *মৃচ্ছকটিকৰ* প্রত্যেকটো অংকৰ বিষয়বস্তু

মৃচ্ছকটিক প্রকৰণত দুটা নান্দী শ্লোকত শিৱক স্তুতি কৰা হৈছে। সভাত উপস্থিত থকা সমূহ দর্শকক ***সূত্রধাৰে***প্রণিপাত জনাই শূদ্রকৰ ৰচিত *মৃচ্ছকটিক* প্রকৰণ অভিনীত হ'ব বুলি সদৰী কৰিছে। সূত্রধাৰে শূদ্রকৰ শাৰীৰিক বিৱৰণৰ লগতে কবি গৰাকীৰ জ্ঞান-গৰিমা আৰু তাৰ লগে লগে স্বভাৱ, পৰাক্রম আদিৰো উল্লেখ কৰিছে। প্রকৰণখনত দৰিদ্র চাৰুদত্ত আৰু তেওঁৰ গুণত আকৃষ্ট হোৱা গণিকা বসন্তসেনাৰ প্রণয় কাহিনী বিবৃত হৈছে। চাৰুদত্ত আৰু বসন্তসেনাৰ প্রণয়ৰ পবিত্রতাৰ কথাও সূত্রধাৰে প্রকাশ কৰিছে। সূত্রধাৰে কৈছে যে চাৰুদত্ত নির্দোষ স্বভাৱৰ লোক আৰু তেওঁ অতি নীতিপৰায়ণ। সূত্রধাৰ আৰু নটীৰ কথোপকথনৰ মাজেৰে সূত্রধাৰৰ ভোজনপ্রিয়তাৰ কথাও প্রকাশ পাইছে। তেওঁলোকৰ কথাৰ মাজত পৰিহাসৰ বাতাবৰণো সৃষ্টি কৰা হৈছে। প্রকৰণখনৰ 'আমুখ' অংশত পৰিহাসৰ বাতাবৰণ সৃষ্টি কৰা হৈছে। এই অংশত 'অভিৰূপ পতি'



সূত্রধাৰ ঃ নাটকৰ মঞ্চত প্রৱেশ কৰি যিজনে নাটকীয় কথা-বস্তুৰ চমুকৈ সূত্রপাত কৰে তেওঁক সূত্রধাৰ বুলি কোৱা হয়।

নামৰ ব্রত উপবাসৰ কথাৰেও সূত্রধাৰে হাস্যৰসৰ অৱতাৰণা কৰিছে। নটীয়ে কৈছে যে তেওঁ যেন পৰজনমতো সূত্রধাৰকেই পতি হিচাপে পায়। তাৰ পিছত ব্রাহ্মণ ভোজন কৰাবলৈ সূত্রধাৰৰ দৰে নির্ধন ব্রাহ্মণক নিমন্ত্রণ কৰিবলৈ মনত ভাবি বিদূষক মৈত্রেয়ক নিমন্ত্রণ জনালে। নেপথ্যৰ পৰা মৈত্রেয়ই জনালে যে তেওঁ আন কামত ব্যস্ত থকাৰ কাৰণেই আন কোনোবা এজনকে নিমন্ত্রণ কৰিব লাগে। এইদৰে নটী আৰু সূত্রধাৰৰ কথা-বতৰাৰ অন্তত আমুখৰ ওৰ পৰে।

ইয়াৰ পিছত হাতত চাদৰ এখন লৈ মঞ্চত মৈত্রেয়ৰ প্ৰৱেশ সূচিত হয়। চাৰুদত্তৰ মিত্র মৈত্রয়ই চাৰুদত্তৰ পূৰ্বৰ আৰ্থিক অৱস্থা ভাবি দুখ কৰি থকা অৱস্থাত মঞ্চত প্ৰৱেশ কৰে। চূৰ্ণবৃদ্ধই চাৰুদত্তক দিবলৈ অনা চাদৰ এখন হাতত লৈ মৈত্রেয় চাৰুদত্তৰ ওচৰলৈ যায়। চাৰুদত্তই বিদূষকক সাদৰ-সম্ভাষণ জনায় আৰু বিদূষকে চাৰুদত্তক চাদৰখন উপহাৰ দিয়ে। চাৰুদত্তই নিজৰ দৰিদ্রতাৰ কথা সুঁৱৰি বিষণ্ণ হোৱা দেখা যায়। চাৰুদত্তই বিদূষকক মাতৃদেৱীৰ পূজা-অৰ্চনা কৰিবলৈ কোৱাত বিদূষক অমান্তি হয় আৰু চাৰুদত্তই নিজেই সেই কাম সম্পাদন কৰে। ঠিক তেনেতে মঞ্চত বিট, চেট আৰু শকাৰৰ প্ৰৱেশ সূচিত হয়। বিট, চেট আৰু শকাৰে বসন্তসেনাক খেদি খেদি মঞ্চত প্ৰৱেশ কৰে আৰু সেই অৱস্থাতেই শকাৰে বসন্তসেনাক প্ৰেম নিবেদন কৰে। বিটেও শকাৰক ভাল পাবলৈ বসন্তসেনাক খাটনি ধৰে। কিন্তু বসন্তসেনাই শকাৰৰ ভাল পোৱালৈ কাণ নিদি উধাতু খাই লৰিবলৈ ধৰে আৰু সেই অৱস্থাতেই বিটে বসন্তসেনাক চাৰুদত্তৰ ঘৰ ওচৰতেই বুলি ক'লে। বিটৰ কথা শুনি বসন্তসেনাই মনত বৰ ভাল পালে। তেনেতে এন্ধাৰৰ চেলু লৈ বসন্তসেনা অদৃশ্য হ'ল আৰু চাৰুদত্তৰ ঘৰৰ কাষ পালেগৈ। তেতিয়া চাৰুদত্তৰ ঘৰৰ দুৱাৰ বন্ধ আছিল। ঠিক তেনেতে চাৰুদত্ত আৰু বিদূষক সন্মুখলৈ ওলাই আহে আৰু চাৰুদত্তই জঁপ-তপ সমাপ্ত কৰি বিদূষকক দেৱতালৈ ভোগ-উপহাৰ দিবলৈ কয়। কিন্তু বিদূষক মান্তি নোহোৱাত চাৰুদত্ত দুঃখিত হয়। তেতিয়া বিদূষকে ৰদণিকাক লগত লৈ মন্দিৰলৈ যাব বুলি কোৱাত চাৰুদত্তই দুৱাৰখন খুলি দিয়ে। বাহিৰত ৰৈ থকা বসন্তসেনাই কাপোৰৰ আঁচলেৰে চাকিটো নুমুৱাই দিয়ে। বিদূষকে ৰদণিকাক বাহিৰলৈ যাবলৈ কৈ নিজে চাকিটো জ্বলাই আনিবলৈ ভিতৰলৈ সোমাই যায়। এই ছেগতে বসন্তসেনা ভিতৰলৈ সোমাই আহে। ঠিক সেই মুহূৰ্তত শকাৰ, বিট আৰু চেটও তাত আহি উপস্থিত হয়। শকাৰে ৰদণিকাকেই বসন্তসেনা বুলি ভাবি চুলিত ধৰি লয়। ৰদণিকাই ঘোৰ আপত্তি কৰি থাকোতেই বিদূষকে চাকিটো জ্বলাই ভিতৰৰ পৰা বাহিৰলৈ ওলাই আহে আৰু শকাৰক তীব্র ভাষাৰে গালি পাৰিবলৈ ধৰে। পিছত বিটে নানা ধৰণে কাকুতি-মিনতি কৰাত বিদূষক শান্ত হয়। শকাৰে বসন্তসেনাক লগত নোলোৱাকৈ তাৰপৰা নলৰে বুলি কোৱাত বিটে তাক বৰকৈ বুজনি দিবলৈ ধৰে আৰু বিদূষকে ৰদণিকাক বুজাই ঘৰৰ ভিতৰলৈ লৈ যায়। ইপিনে ঘৰৰ ভিতৰত থকা চাৰুদত্তই বসন্তসেনাক ৰদণিকা ভাবি ৰোহসেনক চাদৰখনেৰে মেৰাই লৈ ভিতৰলৈ লৈ যাবলৈ কয়। কিন্তু বসন্তসেনা মনে

মনে থকা দেখি চাৰুদত্তই নিজৰ দৰিদ্রতাৰ কাৰণে আকৌ দুখ কৰিবলৈ ধৰে। এইদৰে থকাত বিদূষক আৰু ৰদণিকা ভিতৰলৈ সোমাই আহে আৰু তেতিয়াহে বসন্তসেনাৰ গোটেই বৃত্তান্ত চাৰুদত্তই জানিবলৈ পায়। তেতিয়া বসন্তসেনাই গহনাৰ টোপোলাটো চাৰুদত্তৰ হাতত ন্যস্ত কৰে। তাৰ পিছত চাৰুদত্ত আৰু বিদূষকে বসন্তসেনাক তেওঁৰ ঘৰত থৈ আহে। চাৰুদত্তই দিনৰ ভাগত বৰ্দ্ধমানক গহনাৰ টোপোলাটো ৰক্ষা কৰিবৰ দায়িত্ব সঁপে আৰু ৰাতিৰ ভাগত তাৰ দায়িত্ব বিদূষকক দিয়ে।

দ্বিতীয় অংকত বসন্তসেনাৰ ঘৰুৱা দৃশ্যত কাহিনীৰ পাতনি মেলা হয়। বসন্তসেনা আৰু মদনিকাৰ প্ৰৱেশেৰে দ্বিতীয় অংক আৰম্ভ হয়। বসন্তসেনাক গা-পা ধুবলৈ চেটীয়ে বসন্তসেনাৰ মাতৃৰ আদেশ নিবেদন কৰিলে। কিন্তু বসন্তসেনাই গা নুধুৱে বুলি কৈ চেটীক ওভতাই পঠিয়ালে। বসন্তসেনাই চাৰুদত্তক যে ভাল পায় সেইটো মদনিকাক ব্যক্ত কৰিলে। মদনিকাই চাৰুদত্তৰ নিঃকিন অৱস্থাৰ কথা কোৱা সত্ত্বেও বসন্তসেনাই তেওঁৰ নিৰ্লোভ প্ৰেমৰ কথাকেই বাৰে বাৰে প্ৰকাশ কৰিলে।

দ্বিতীয় অংকত সংবাহক জুৱাত হাৰি দহটা সোণৰ মুদ্রা দিব নোৱাৰি লৰি আহি বিগ্রহ নথকা দেৱমন্দিৰত নিশ্চল মূৰ্তিৰ দৰে থিয় হৈ থাকিল। ইপিনে সংবাহকক বিচাৰি বিচাৰি মাথুৰ আৰু জুৱাৰীজনো আহি মন্দিৰত উপস্থিত হ'ল। সিহঁত দুটা জুৱাত হানি হোৱা কথাটোকেই চিঞৰি চিঞৰি ক'বলৈ ধৰে আৰু পিছত মন্দিৰটোত কোনো নাই দেখি তাতেই আকৌ জুৱা খেলিবলৈ ধৰে। জুৱাৰ নিচা এৰিব নোৱাৰা সংবাহকে মাথুৰ আৰু জুৱাৰীৰ খেল দেখিয়েই সিও এইটো তাৰ ভাগত এই বুলি চিঞৰ এটা মাৰিলে। তেতিয়াই মাথুৰ আৰু জুৱাৰীয়ে সংবাহকক ধৰি পেলালে আৰু ধাৰলৈ লোৱা দহটা সোণৰ মোহৰ আদায় কৰিবলৈ মাৰ-ধৰ কৰিবলৈ ধৰিলে। ঠিক তেনেতে দৰ্দুৰক নামেৰে ধূর্ত এটা তাত উপস্থিত হ'লহি। সি সংবাহকৰ ফলীয়া হ'ল। মাথুৰ আৰু দৰ্দুৰকৰ মাজত কাজিয়া লাগিল। ছেগ চাই দৰ্দুৰকে মাথুৰৰ চকুত ধূলি ছটিয়াই দিলে আৰু সংবাহকক তাৰ পৰা পলাবলৈ চকুৰে ইংগিত দিলে।

সংবাহক গৈ বসন্তসেনাৰ ঘৰ পালে আৰু তাৰ পাছে পাছে মাথুৰ আৰু জুৱাৰীজনো তাত উপস্থিত হ'ল। সংবাহকে বসন্তসেনাক চাৰুদত্তৰ পুৰণি সেৱক বুলিহে পৰিচয় দিলে। বসন্তসেনাই সেই কথা শুনি নিজে সেৰিকাৰ হতুৱাই গহনাপাতি মাথুৰ আৰু জুৱাৰীজনক দিয়ালে আৰু সংবাহকক সিহঁতৰ ভয়ৰ পৰা বচালে। তাৰ পিছত সংবাহকে জুৱাত হাৰি আত্মগ্লানিত ভুগি বৌদ্ধ সন্ন্যাসী হ'বলৈ থিৰাং কৰি তাৰপৰা বিদায় ল'লে। ইপিনে কৰ্ণপূৰকে দঁতাল হাতী এটাৰ আক্রমণৰ পৰা সন্ন্যাসী এজনক বচাবলৈ গৈ তেওঁৰ দুঃসাহসৰ কথা বসন্তসেনাক বৰ্ণনা কৰি আত্মপ্রশংসা কৰাৰ দৃশ্য দেখা যায়। তেওঁক কোনোবাই দিয়া চাদৰ এখনো বসন্তসেনাক দেখুৱায়। সেই চাদৰখন চাৰুদত্তই দিয়া বুলি বসন্তসেনাই খাটাংকৈ বুজিলে আৰু কৰ্ণপূৰকক আভূষণ উপঢৌকন দি বিদায় দিলে। চাৰুদত্তক চাবলৈ বুলি সেৰিকাক লগত লৈ বসন্তসেনা ঘৰৰ ছাদলৈ গ'ল।

চেটৰ প্ৰৱেশেৰে তৃতীয় অংকৰ সূচনা হয়। সংগীত শুনি মাজনিশালৈকে ঘৰলৈ উভতি নহা দেখি চেটই চাৰুদত্তৰ এনেকুৱা দোষৰ নিন্দা কৰি শুবলৈ বুলি গুচি যায়। ইয়াৰ পিছত বিদূষকৰ লগত চাৰুদত্ত মঞ্চত প্ৰৱেশ কৰে। চাৰুদত্তই ৰেভিলৰ গানৰ প্ৰশংসা কৰাত বিদূষকে মৃদু প্ৰতিবাদ কৰে আৰু ঘৰলৈ উভতি আহে। ঘৰ পাই বৰ্ধমানকক দুৱাৰ খুলিবলৈ কয়। তেওঁলোক দুয়ো ভিতৰলৈ সোমাই আহে। হাত-ভৰি ধুই থাকোতে বিদূষক আৰু বৰ্ধমানকৰ মাজত অলপ বাক্-বিতণ্ডা হয়। চাৰুদত্ত আৰু বিদূষক দুয়ো হাত-ভৰি ধুই শুবলৈ যায়। ৰাতিটোৰ বাবে সোণৰ ভাণ্ডটো বিদূষকে ৰাখিব লাগে বুলি সেইটোৰ দায়িত্ব বিদূষকক দিয়া হয়। সোণৰ ভাণ্ডটো লৈ বিদূষক আৰু চাৰুদত্ত শুবলৈ যায়।

তৃতীয় অংকতেই শৰ্বিলকৰ চৌৰ্যবৃত্তিৰ দৃশ্য পোৱা যায়। শৰ্বিলক চাৰুদত্তৰ ঘৰত সিন্ধি খান্দি সোমাই বিদূষকৰ হাতত থকা সোণৰ ভাণ্ডটো চুৰি কৰে। চুৰি হোৱা সোণৰ ভাণ্ডটো বসন্তসেনাৰ বুলি জানিবলৈ পাই চাৰুদত্ত দুখ আৰু বেদনাত ভাগি পৰে। ধূতাই সেই ঘটনাটো গম পাই মাকৰ ঘৰৰ পৰা ধূতাক দিয়া ৰত্নমালা হাৰডাল বিদূষকৰ হাতত দি বসন্তসেনাক দিবলৈ কয়। চুৰিৰ নিন্দাৰ পৰা আঁতৰি থাকিবলৈ চাৰুদত্তই বৰ্ধমানকক সিন্ধিটো বন্ধ কৰিবলৈ কৈ গা-পা ধুই তেওঁ পূজা-অৰ্চনা কৰিবলৈ প্ৰস্থান কৰে।

বসন্তসেনা আৰু মদনিকাই চাৰুদত্তৰ ছবি চাই থকা দৃশ্যৰে চতুৰ্থ অংক আৰম্ভ হয়। তেনেতে বসন্তসেনাৰ মাতৃয়ে চেটিৰ হতুৱাই খবৰ পঠিয়ালে যে ৰজাৰ খুলশালি সংস্থানকে বসন্তসেনাক নিবলৈ গাড়ী পঠিয়াইছে আৰু লগতে দহ হেজাৰ সোণৰ মোহৰো দিছে। শকাৰৰ নাম শুনিয়েই বসন্তসেনা খঙত জ্বলিপকি উঠিলে আৰু নাযায় বুলি খাটাংকৈ কৈ পঠিয়ালে।

ইপিনে শৰ্বিলকে চুৰি কৰি নিয়া গহনাবোৰ মদনিকাই চিনি পাই সেইবোৰ বসন্তসেনাক গতাই দিব লাগে বুলি শৰ্বিলকক অনুৰোধ কৰিলে। শৰ্বিলকে পোনতে মান্তি নহ'ল যদিও অৱশেষত মদনিকাৰ কথা পেলাব নোৱাৰি মদনিকাৰ বুদ্ধিমতেই শৰ্বিলক চাৰুদত্তৰ কোনোবা আত্মীয় বুলি পৰিচয় দি গহনাবোৰ গতাই দিয়ে। মদনিকা আৰু শৰ্বিলকৰ এই সকলো কথা বসন্তসেনাই কাণ পাতি শুনি সকলো বৃত্তান্ত অৱগত হৈ গহনাবোৰ বসন্তসেনাই বোৱাৰী বুলি মদনিকাক উপহাৰ হিচাপে দিলে আৰু নিজৰ গাড়ীৰে মদনিকাক ঘৰলৈ পঠাই দিলে।

চতুৰ্থ অংকতেই নেপথ্যৰ পৰা জানিব পৰা যায় যে ভীত ৰজা পালকে আৰ্য্যকক ঘৰৰ পৰা বন্দী কৰি বন্দীশালাত ভৰাই থৈছে। শৰ্বিলকে সেইটো শুনিয়েই আৰ্য্যকক মোকলাবলৈ বুলি ওলাই গ'ল আৰু গাৰোৱানক সকলো কথা বুজাই দি মদনিকাক ৰেভিলৰ ঘৰলৈ পঠাই দিলে। তাৰ পিছত বিদূষকে বসন্তসেনাৰ ঘৰলৈ গৈ বসন্তসেনাক লগ ধৰি গহনাবোৰ যে চাৰুদত্তই জুৱাখেলত হাৰিছে আৰু সেই গহনাবোৰৰ বিনিময়ত ৰত্নাৱলী হাৰডাল পঠাই দিছে সেইটো ক'লে। বসন্তসেনাই ৰত্নাৱলী হাৰডাল গ্ৰহণ কৰি বিদূষকক বিদায় দি চাৰুদত্তক লগ ধৰিবলৈ ওলাই গ'ল।

প্রকৰণখনৰ পঞ্চম অংকত বিদূষকে চাৰুদত্তক ৰত্নাৱলী হাৰ বসন্তসেনাই গ্রহণ কৰা বুলি বাতৰি দিলে আৰু আবেলি পৰত বসন্তসেনাই চাৰুদত্তক লগ ধৰিব বুলিও ক'লে। তাৰ পিছত বিটৰ লগত বসন্তসেনাই লগ ধৰিলে। তেতিয়া বিটে ইংগিতেৰে বিদূষকক আঁতৰাই পঠিয়ালে। পিছত লাহে লাহে বিট আৰু ছত্রধাৰিণীও আঁতৰি গ'ল। পঞ্চম অংকতেই ৰত্নাৱলীৰ সলনি বসন্তসেনাই তেওঁৰ সোণৰ ভাণ্ড চাৰুদত্তক গ্রহণ কৰিবলৈ ক'লে। চাৰুদত্ত আৰু বিদূষকে সোণৰ ভাণ্ড দেখি অতিকৈ আচৰিত হ'ল আৰু তেতিয়া চেটীয়ে ওভতাই পোৱাৰ সকলো বৃত্তান্ত বিদূষকক বিৱৰি ক'লে। মৈত্রেয়ই সোণৰ ভাণ্ড পোৱাৰ সকলো কথা চাৰুদত্তকো ক'লে। এইদৰে বসন্তসেনাৰ সোণৰ ভাণ্ড ওভতাই পোৱাৰ কথা সকলোৱে অৱগত হৈ অতি আনন্দিত হ'ল। এনেতে ধাৰাসাৰে বৰষুণ দিবলৈ ধৰিলে আৰু বসন্তসেনা সেই ৰাতিটো চাৰুদত্তৰ ঘৰতেই কটালে।

শুই থকা বসন্তসেনাক জগাবলৈ চেটিৰ প্রৱেশেৰে ষষ্ঠ অংক আৰম্ভ হৈছে। চেটিয়ে বসন্তসেনাক জনায় যে চাৰুদত্তই জীর্ণোদ্যানত বসন্তসেনাক গাড়ীৰে যাবলৈ কৈছে। চেটিৰ মুখত এই কথা শুনি বসন্তসেনা অতি উৎফুল্লিত হ'ল। বসন্তসেনাই ৰত্নাৱলী হাৰডাল চেটিৰ হাতত গতাই দি ধূতাক প্রত্যর্পণ কৰিবলৈ পঠিয়াই দিলে। কিন্তু ধূতাই সেই হাৰডাল গ্রহণ নকৰি বসন্তসেনাক ওভতাই দিলে।

ষষ্ঠ অংকতেই ৰদণিকাই ৰোহসেনক কোলাত তুলি লৈ মঞ্চত প্রৱেশ কৰে। ৰদণিকাই ৰোহসেনক মাটিৰ গাড়ীৰে খেলিবলৈ দিয়াত ল'ৰাজনে সোণৰ গাড়ীৰেহে খেলিব বুলি জেদ কৰিবলৈ ধৰে। ৰদণিকাই ৰোহসেনক বসন্তসেনাৰ ওচৰলৈ লৈ যায়। তেতিয়া বসন্তসেনাই ৰোহসেন যে চাৰুদত্তৰ পুত্র সেইটো জানিবলৈ পাই আনন্দ লাভ কৰে আৰু তেওঁৰ সোণৰ অলংকাৰবোৰেৰে সোণৰ গাড়ী তৈয়াৰ কৰি দিবলৈ কয়।

বসন্তসেনাক জীর্ণোদ্যানলৈ লৈ যাবলৈ বর্ধমানকে গাড়ী সজাই দুৱাৰমুখত অপেক্ষা কৰিছে। বসন্তসেনাৰ প্রসাধনৰ কাম শেষ নোহোৱালৈকে গাড়ীখন অপেক্ষা কৰিব লাগে বুলি বসন্তসেনাই কৈ পঠিয়ালে। ইপিনে ভুলতে গাড়ীখনত বিছনা অনা নাই বুলি তাকে আনিবলৈ বর্ধমানক গাড়ীখন লৈ গুচি গ'ল। এই ছেগতেই গাৰোৱান স্থাৱৰক চেটই শকাৰৰ গাড়ীখন লৈ আহি চাৰুদত্তৰ দুৱাৰমুখত ৰাখি আন এখন গাড়ীৰ গাৰোৱানক সহায় কৰিবলৈ খন্তেকৰ কাৰণে তাৰ পৰা আঁতৰি গ'ল। বসন্তসেনাই সেইখনেই চাৰুদত্তৰ গাড়ী বুলি ভুল কৰি স্থাৱৰকৰ গাড়ীত উঠি বহিল। তেতিয়া গুৱালৰ পুত্র আর্য্যক বন্দীশালাৰ পৰা পলাই নিজক বচাবলৈ চাৰুদত্তৰ বাগিচাত সোমালহি। ইতিমধ্যে বর্ধমানকে গাড়ীখনত বিছনা পাৰি আকৌ চাৰুদত্তৰ নঙলামুখত ৰ'লহি আৰু আর্য্যক তাতেই উঠি বহিল। গাড়ীখনত বসন্তসেনাইহে উঠি বহিছে বুলি ভাবি বর্ধমানকে গাড়ী চলাই জীর্ণোদ্যানলৈ বুলি যাবলৈ ধৰিলে। বাটত বীৰক আৰু চন্দনকে গাড়ীখন ৰখাবলৈ ক'লে। গাড়ীৰ ভিতৰত আর্য্যক বহি আছিল। চন্দনকে গাড়ীখনত তালাচ কৰিলে আৰু তাত বসন্তসেনা বহি আছে বুলি জনালে। পিছত বীৰকে নিজে তালাচী

ল'বলৈ যাওঁতে চন্দনকে বীৰকক ভৰিৰে আঘাত কৰিলে আৰু আর্য্যকৰ আত্মৰক্ষাৰ বাবে নিজৰ তৰোৱালখন দি দিলে। বর্ধমানকে তেতিয়া গাড়ীখন চলাই লৈ গ'ল।

চাৰুদত্ত আৰু বিদূষকে বসন্তসেনাক অপেক্ষা কৰি আছে এনেকুৱা দৃশ্যৰে সপ্তম অংক আৰম্ভ হয়। গাড়ীখন আহি পোৱাত চাৰুদত্তৰ নির্দেশ অনুসৰি বিদূষকে বসন্তসেনাক নমাই আনিবলৈ গৈ আর্য্যকক দেখি ভয় খায়। পিছত চাৰুদত্ত নিজে গাড়ীখনত উঠি আর্য্যকক দেখিবলৈ পায় আৰু সকলো বৃত্তান্ত জানিবলৈ পাই তেওঁ অভয় দান কৰে। আর্য্যকৰ হাতৰ হাতকেৰেয়া খুলি তেওঁক ঘৰলৈ যাবলৈ কয়। ৰজা পালকৰ ভয়ত চাৰুদত্ত আৰু বিদূষকে হাতকেৰেয়াটো অন্ধকাৰাচ্ছন্ন নাদ এটাত পেলাই দিয়ে।

প্রকৰণখনত অষ্টম অংক বৌদ্ধ সন্ন্যাসীৰ দৃশ্যৰে আৰম্ভ হয়। সন্ন্যাসীজনে ধর্মৰ উপদেশ দি থাকোতে বিট আৰু শকাৰ তাত উপস্থিত হয়হি আৰু শকাৰে সন্ন্যাসীজনক মাৰধৰ কৰে। বিটে সন্ন্যাসীজনক বচায়। শকাৰে বসন্তসেনাৰ অপেক্ষা কৰিবলৈ ধৰে। পিছত গাড়ীখনত থকা বসন্তসেনা শকাৰৰ মুখামুখি হয়। শকাৰৰ হাতৰ পৰা বসন্তসেনাক বচাবলৈ চেষ্টা কৰিও বিটে একো কৰিব নোৱাৰিলে। তাৰ পিছত শকাৰে বসন্তসেনাক মাৰি গছৰ শুকান পাতেৰে ঢাকি থৈ তাৰপৰা গুচি গ'ল। চেটকক শকাৰে ঘৰত বন্দী কৰি থৈ বসন্তসেনাক চাৰুদত্তই হত্যা কৰিছে বুলি আদালতত গোচৰ তৰিবলৈ গ'ল। তাৰ পিচত বৌদ্ধ সন্ন্যাসীয়ে বসন্তসেনাক তেনেকুৱা অৱস্থাত লগ পায় আৰু বৌদ্ধ বিহাৰলৈ লৈ গৈ ধর্মভগ্নীৰ ওচৰলৈ যাবলৈ কয়। এই সন্ন্যাসীজনেই হৈছে সংবাহক। বসন্তসেনাই পূর্বতে জুৱাৰীৰ পৰা সংবাহকক ঋণমুক্ত কৰিছিল।

মৃচ্ছকটিকৰ নৱম অংকটো ন্যায়ালয়ৰ দৃশ্য। শকাৰে বসন্তসেনাক মাৰি বিচাৰালয়লৈ গৈ গোচৰ তৰিলে যে শকাৰে পুষ্পকৰণ্ডকত এগৰাকী মহিলা মৰি থকা দেখি আহিছে আৰু সেইগৰাকীয়েই বসন্তসেনা। ধনৰ লোভত কোনোবাই তেওঁক হত্যা কৰিছে। আদালতত বসন্তসেনাৰ মাতৃৰ কথাৰ পৰাও প্রমাণিত হৈছে যে বসন্তসেনাই চাৰুদত্তকহে লগ ধৰিবলৈ গৈছিল। ন্যায়ালয়ত চাৰুদত্তকো মাতি অনা হৈছিল আৰু চাৰুদত্তক দোষী সাব্যস্ত কৰা হৈছিল। আদালতৰ মজিয়াত বিদূষকৰ লগত টনা-আঁজোৰা হওঁতে বিদূষকৰ হাতৰ পৰা গহনাবোৰ মাটিত পৰি গৈছিল। শকাৰে তেতিয়া আদালতক জনাইছিল যে সেই গহনাবোৰৰ লোভত চাৰুদত্তই বসন্তসেনাক হত্যা কৰিছে। গহনাবোৰ যে বসন্তসেনাৰেই হয় সেইটো চাৰুদত্তই স্বীকাৰ কৰিছিল। কিন্তু বসন্তসেনাক তেওঁ যে বধ কৰা নাছিল সেইটো স্পষ্টকৈ আদালতক জনালেও আদালতে প্রমাণৰ সাপেক্ষে চাৰুদত্তক দোষী বুলি কৈ ধন-বস্তুৰে সৈতে তেওঁক ৰাজ্যৰ পৰা বহিষ্কাৰ কৰিবলৈ ৰায় দিয়ে। কিন্তু ৰজা পালকে চাৰুদত্তক মৃত্যুদণ্ডেৰে দণ্ডিত কৰে।

মৃচ্ছকটিকৰ দশম অংক চাৰুদত্তক চণ্ডাল দুজনে বধ্যস্থানলৈ লৈ যোৱাৰ দৃশ্যৰে আৰম্ভ হয়। মৃত্যুদণ্ডৰ পোছাক পিন্ধাই চাৰুদত্তক বধ্যভূমিলৈ লৈ যোৱা হৈছিল। অসংখ্য প্রজাই চাৰুদত্তক চাবলৈ ওলাই আহিছিল। স্থাৱৰক চেটে ভৱনৰ ওপৰৰ পৰা চাৰুদত্তই

বসন্তসেনাক হত্যা কৰা নাই বুলি কোৱা কথা দূৰত্বৰ বাবে কাৰো কাণত নপৰিছিল। পিছত স্থাৱৰকে ভৱনৰ ওপৰৰ পৰা জাঁপ মাৰি তলত পৰিছিল আৰু চণ্ডালক সকলো কথা বিৱৰি কৈছিল। স্থাৱৰকৰ হাতৰ বন্ধন সুলকি গৈছিল। শকাৰে যে স্থাৱৰক চেটকক ঘৰত বন্দী কৰি থৈছিল তাকো তেওঁ জনাইছিল।

বসন্তসেনা আৰু ভিক্ষুজনো চাৰুদত্তৰ ঘৰলৈ যাবলৈ ওলাইছিল যদিও সেই দৃশ্য দেখি তালৈ ঢাপলি মেলিছিল আৰু সেই মুহূৰ্ততেই চাৰুদত্তৰ মৃত্যুদণ্ডৰ সন্দৰ্ভত শেষ ঘোষণা চণ্ডালে শুনিবলৈ পাইছিল। দৈৱক্রমে প্রথম চণ্ডালৰ প্রয়াস ব্যর্থ হোৱাত দ্বিতীয় চণ্ডালে ৰাজ আজ্ঞা পালন কৰিবলৈ উঠিপৰি লাগিছিল। ঠিক তেনেতে বসন্তসেনাই নিজৰ পৰিচয় দিছিলহি আৰু সেই কথাখিনি শুনি বধ কৰিবলৈ উদ্যত হোৱা চণ্ডালেও ভাবিবলৈ ধৰিছিল। ইপিনে বসন্তসেনা উধাতু খাই লৰি গৈ চাৰুদত্তৰ বুকুত সোমাই পৰিছিল। ভীক্ষুজনো চাৰুদত্তৰ ভৰিত দীঘল দি পৰিছিল। চণ্ডাল দুজন চাৰুদত্তক বধ কৰাৰ পৰা নিবৃত্ত হৈছিল আৰু ৰজা পালকক বসন্তসেনা জীৱিত থকাৰ কথা জ্ঞাপন কৰিছিল। চাৰুদত্তই বসন্তসেনাক জীৱিত দেখি আনন্দত আপ্লুত হৈছিল আৰু বধ্য পোছাককেই মিলনৰ পোছাক বুলি ভাবিছিল। ইপিনে শর্বিলকে সেই দৃশ্যত প্রৱেশ কৰি আর্য্যকে পালকক বধ কৰাৰ বাতৰি শুনাইছিল। আর্য্যকে চাৰুদত্তক কুশাৱতী নগৰীৰ দায়িত্ব অর্পণ কৰিছিল। আর্য্যকৰ নির্দেশ অনুসৰি শকাৰক ধৰি আনি উপস্থিত কৰোৱা ছিল। শর্বিলকে শকাৰক মৃত্যুদণ্ড বিহিবলৈ বিচাৰিলত চাৰুদত্তই তেওঁক ক্ষমা কৰিছিল।



কী চন্দনকে জনাইছিল যে চাৰুদত্তৰ ধর্মপত্নী ধূতাই চাৰুদত্তৰ মৃত্যুদণ্ডৰ কথা শুনি অগ্নিত জাঁপ দি প্রাণ ত্যাগ কৰিবলৈ ওলাইছিল। চাৰুদত্ত তাত গৈ উপস্থিত হোৱাতহে ধূতাই প্রাণত্যাগ কৰাৰ পৰা নিবৃত্ত হৈছিল। ৰোহসেনে চাৰুদত্তক সাবটি ধৰিছিল। বিদূষকে ধূতাৰ সতীত্বৰ কথা বর্ণনা কৰিবলৈ ধৰিছিল আৰু বসন্তসেনায়ো ধূতাক বুকুত সাবটি ধৰিছিল। শর্বিলকে বসন্তসেনাক কৈছিল যে ৰজা আর্য্যকে তেওঁক 'বধূ' শব্দেৰে সম্মান জনাইছে। ভিক্ষুকক বিহাৰৰ কুলপতি আৰু স্থাৱৰকক দাসত্বৰ পৰা মুক্তি দিয়াৰ সিদ্ধান্ত লোৱা হ'ল। চণ্ডাল দুজনক সকলো চণ্ডালৰ ভিতৰত মুখীয়াল পদবীৰে ভূষিত কৰা হ'ল আৰু শকাৰক পূর্বৰ পদবীতে ৰখা হ'ল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ *মৃচ্ছকটিক* প্রকৰণখনৰ গোটেইকেইটা অংকৰ আধাৰত প্রকৰণখনৰ কাহিনীভাগ চমুকৈ বর্ণনা কৰক।

(১৫০টা শব্দৰ ভিতৰত)

১৩.৫.৪ *মৃচ্ছকটিক*ৰ চৰিত্ৰ চিত্ৰণ

অৱস্থাৰ অনুকৰণেই হৈছে অভিনয়। অৱস্থা সদায় নাটক বা প্ৰকৰণৰ চৰিত্ৰৰ মাজেৰেহে প্ৰকাশ পায়। চৰিত্ৰবোৰ আকৌ কাহিনীৰ আধাৰতহে নিৰ্বাচিত হয়। নাট্যকাৰে নাটকৰ চৰিত্ৰসমূহ ভিন্ ভিন্ অৱস্থাৰ মাজেৰে উপযুক্ত সংলাপ, অংগ-প্ৰত্যংগৰ সঞ্চালন, ভাব আদিৰ সহযোগত ৰূপায়িত কৰে। নাট্যকাৰে চৰিত্ৰ ৰূপায়িত কৰোঁতে সংলাপৰ প্ৰতি সচেতনতা অৱলম্বন কৰিব লাগে। সংলাপৰ শব্দ চয়ন পৰিবেশৰ অনুকূল নহ'লে চৰিত্ৰৰ মুখত কথাবোৰ দৰ্শকৰ ভাল নালাগে। শূদ্রকে *মৃচ্ছকটিক* প্ৰকৰণখনৰ সংলাপ সকলোৱে বুজিব পৰাকৈ সহজ ভাষাত ৰচনা কৰিছে।

নাট্যকাৰে চৰিত্ৰ নিৰ্বাচন কৰোঁতে কাহিনীৰ কাৰণে প্ৰয়োজনীয় চৰিত্ৰবোৰহে ল'ব লাগে। আকৌ নাটকত মুখ্য চৰিত্ৰৰ সহায়ক হিচাপেও আন কেতবোৰ চৰিত্ৰও গ্ৰহণ কৰিব লাগে। তেনে ধৰণৰ চৰিত্ৰই নাটক বা প্ৰকৰণত ঠাই বিশেষে ৰস আদিৰ পৰিবৰ্তন ঘটোৱাত সহায় কৰে। শূদ্রকে *মৃচ্ছকটিক*ত বহুতো চৰিত্ৰৰ অংকন কৰিছে। প্ৰকৰণখনত সমাজৰ বিভিন্ন দিশ প্ৰতিফলিত কৰিবলৈ হয়তো নাট্যকাৰে বিভিন্ন চৰিত্ৰৰ আশ্ৰয় লৈছে।

*মৃচ্ছকটিক*ত চাৰুদত্ত আৰু তেওঁৰ সখা বিদূষকৰ উপৰিও শক্তিশালী খলচৰিত্ৰ শকাৰৰ ভূমিকা পোৱা যায়। শকাৰৰ সেৱক স্থাৱৰক চেট, বিট আদিৰো মঞ্চত আগমন আৰু কাৰ্যৰ কথা আমি দেখা পাওঁ। সংবাহকৰ চৰিত্ৰটো নাট্যকাৰে চাৰুদত্তৰ পূৰ্বভৃত্যৰ ৰূপত চিত্ৰিত কৰিলেও শেষত এই চৰিত্ৰটো বৌদ্ধভিক্ষু হিচাপে ৰূপায়িত হৈছে। প্ৰকৰণখনত মাথুৰ আৰু দৰ্দুৰক নামৰ দুটা চৰিত্ৰই জুৱাখেলৰ দৃশ্য ৰূপায়ণ কৰিছে। প্ৰকৰণখনত বীৰক আৰু চন্দনকৰ চৰিত্ৰ নগৰ ৰক্ষকৰ ভূমিকাত অংকিত কৰা হৈছে। ন্যায়ালয়ৰ দৃশ্যত অধিকৰণিক, শ্ৰেষ্ঠী, কায়স্থৰ চৰিত্ৰ পোৱা যায়। ইয়াত চণ্ডালৰ চৰিত্ৰও ন্যায়ালয়ৰ সম্পৰ্কত দেখিবলৈ পোৱা যায়। গুৱালবংশৰ আৰ্যকৰ চৰিত্ৰও এটা উল্লেখযোগ্য চৰিত্ৰ। এইবোৰৰ বাহিৰেও বন্ধুল, কঞ্চুলিক, শোধনকৰ চৰিত্ৰও মন কৰিবলগীয়া। চোৰৰ চৰিত্ৰত শৰ্বিলকৰ কথা উল্লেখযোগ্য। কাৰণ, শৰ্বিলক চৌৰ্যবৃত্তিত অতি নিপুণ। শৰ্বিলকে সিন্ধি খান্দোতে উপযুক্ত জোখ-মাখ কৰিহে কাম কৰি দৰ্শকক হুঁহুৱাবলৈ সক্ষম হৈছে। তদুপৰি এই চৰিত্ৰটোৱে লণ্ডণডাল সিন্ধি জোখা কামত কেনেদৰে ব্যৱহাৰ কৰিছে তালৈ চালেও দৰ্শকে নহঁহাকৈ থাকিব নোৱাৰে।

এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল যে শূদ্রকে কিছুমান চৰিত্ৰ মঞ্চত উপস্থাপন কৰা নাই। কিন্তু সেইবোৰৰ প্ৰাধান্য দৰ্শক বা পাঠকে অনুভৱ কৰিবলৈ বাধ্য হৈ পৰে। আমি এই প্ৰসংগত উজ্জয়িনীৰ অত্যাচাৰী ৰজা পালকৰ কথা উল্লেখ কৰিব পাৰো। ৰজাৰ খুলশালী শকাৰৰ কীৰ্তিৰ মাজেৰেই পালকৰ উদ্ধত স্বভাৱৰ কথাটো নাট্যকাৰে সুন্দৰকৈ প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। তেনেদৰে ৰেভিলৰ কথাও নাট্যকাৰে

মঞ্চত নেদেখুৱালেও ৰেভিলৰ ঘৰত যে সংগীত আদিৰ মজলিছৰ আয়োজন হৈছিল সেই বিষয়ে আমি অৱগত হ'ব পাৰোঁ।

নাৰী চৰিত্ৰৰ ভূমিকাত ধূতা, বসন্তসেনা, নটী, বসন্তসেনাৰ দাসী চেটী, বসন্তসেনাৰ সেৰিকা আৰু শর্বিলকৰ প্ৰেয়সী মদনিকাৰ কথা বিশেষ উল্লেখযোগ্য। চাৰুদত্তৰ লিগিৰী ৰদনিকাৰ কথাও ইয়াত বিশেষ মন কৰিবলগীয়া। এই ৰদনিকাই *মৃচ্ছকটিক* নামকৰণৰ অন্তৰালত থকা আচল শিল্পী। কাৰণ, ৰোহসেনে সোণৰ গাড়ীৰ কাৰণে জেদ ধৰোঁতে ৰদনিকাইহে মাটিৰ গাড়ীৰ প্ৰসংগটো দৰ্শক বা পাঠকক অৱগত কৰোৱালে। তদুপৰি ৰোহসেনক বসন্তসেনাৰ ওচৰলৈ পোন প্ৰথমবাৰৰ বাবে এইগৰাকী লিগিৰীয়েই লৈ যায়। ৰোহসেনক দেখি বসন্তসেনা তেতিয়া চাৰুদত্তৰ প্ৰতি আৰু বেছিকৈ আকৰ্ষিত হয়। শূদ্রকৰ চৰিত্ৰ অংকন পদ্ধতি অতি চিত্তাকৰ্ষক এইবাবেই যে তেওঁ তেনেই কম কথাৰ মাজেৰে চৰিত্ৰ এটাক সমুজ্জ্বল কৰি তুলিছে। এই প্ৰসংগত ধূতাৰ চৰিত্ৰ বিশেষভাৱে উল্লেখযোগ্য।

চৰিত্ৰ এটা মঞ্চত উপস্থাপন নকৰাই আন পাত্ৰ বা পাত্ৰীৰ মুখেৰে সেই চৰিত্ৰৰ কার্য-কলাপৰ বিষয়ে উল্লেখ কৰি নেদেখা চৰিত্ৰটোক দৰ্শক বা পাঠকৰ মনত উদ্ভাসিত কৰাটো শূদ্রকৰ এটা বিশেষত্ব। ৰজা পালকৰ চৰিত্ৰটোত আমি তেনেকুৱা প্ৰমাণ পাওঁ। ৰজাজনৰ নিজৰ জীৱন আৰু শাসনত স্বেচ্ছাৰিতাৰ স্পষ্ট আভাস পোৱা যায়। কিন্তু পালক নিজে কোনো নাটকীয় দৃশ্যত অৱতীর্ণ হোৱা আমি দেখিবলৈ নাপাওঁ।

এতিয়া আমি প্ৰকৰণখনৰ উল্লেখযোগ্য চৰিত্ৰকেইটা বিশ্লেষণ কৰো আহক—

চাৰুদত্ত ঃ চাৰুদত্ত *মৃচ্ছকটিক* প্ৰকৰণখনৰ নায়ক। তেওঁ জাতিত ব্ৰাহ্মণ। প্ৰকৰণখনৰ নায়কজন ব্ৰাহ্মণ, অমাত্য বা সদাগৰো হ'ব পাৰে বুলি কোৱা হৈছে। *মৃচ্ছকটিক* প্ৰকৰণখনত চাৰুদত্তক পুৰুষৰ সদ্‌গুণেৰে ভূষিত কৰি চিত্ৰিত কৰা হৈছে। চাৰুদত্ত দেখাত যেনেকুৱা সুঠাম, গুণতো তেনেকুৱাই। তেওঁ ব্ৰাহ্মণ কুলত উপজিলেও বেহা-বেপাৰ কৰি প্ৰচুৰ ধন উপার্জন কৰিছিল। এইদৰেই তেওঁ সমাজত প্ৰতিষ্ঠা লাভ কৰিছিল। কিন্তু কালৰ কুটিল গতিত তেওঁ নির্ধন হৈছিল। তেওঁৰ তেনেকুৱা ধনহীন অৱস্থাতো গুণাৱলীৰ কাৰণেই তেওঁ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ বুলি বিবেচিত হৈছিল।

চাৰুদত্ত এজন সুঠাম পুৰুষ আছিল। সংবাহকে বসন্তসেনাক চাৰুদত্তৰ পৰিচয় দিওঁতে কোৱা কথাৰ পৰাই তাৰ প্ৰমাণ পোৱা যায়। সংবাহকৰ কথাৰ পৰাই চাৰুদত্তৰ চৰিত্ৰৰ মহানুভৱতাৰ স্পষ্ট আভাস পোৱা যায়। তেওঁ দেখাত সৌম্য, কান্তিময় আৰু তেওঁৰ মাত-কথাও বৰ প্ৰিয়; তেওঁ দান কৰি গোপনে থাকে অর্থাৎ দান কৰি তাক কেতিয়াও আনৰ আগত প্ৰকাশ নকৰে। কোনোবাই তেওঁৰ অপকাৰ কৰিলেও সেইটো তেওঁ পাহৰি যায়। তেওঁ অতি উদাৰ ভাবৰ আছিল। সেই কাৰণেই সকলোকে তেওঁ নিজৰ দৰেই ভাবিছিল। তেওঁ শৰণাগতক কেতিয়াও প্ৰত্যাখ্যান কৰা নাছিল।

চাৰুদত্তৰ শাৰীৰিক গঠনৰ বিষয়ে প্ৰকৰণখনৰ নৱম অংকত বসন্তসেনাৰ মাকে চাৰুদত্তক পোনপ্ৰথমবাৰ দেখি কোৱা কথাৰ পৰাই অৱগত হ'ব পাৰি। নৱম অংকত বিচাৰপতিয়ে চাৰুদত্তক দেখিয়েই কৰা মন্তব্যটোতে তেনেদৰেই নায়ক চাৰুদত্তৰ সুকুমাৰ দেহাবয়ৱৰ উল্লেখ পোৱা যায়।

চাৰুদত্ত যে কেৱল দেখাতহে সুঠাম আছিল এনে নহয়, তেওঁ অতি ধীৰ-স্থিৰ আৰু প্ৰশান্ত চিত্তসম্পন্ন পুৰুষ আছিল। তেওঁ ভাগ্য বিপৰ্যয়ৰ চৰম মুহূৰ্ততো ধৈৰ্য হেৰুৱা নাছিল। সেইপিনৰ পৰা তেওঁ প্ৰকৃতাৰ্থত ধীৰ পুৰুষ আছিল। কাৰণ মন বিকাৰগ্ৰস্ত হোৱা পৰিস্থিতিতো যিসকলৰ মন বা চিত্ত সমাহিত থাকে তেওঁলোককেই ধীৰ বুলি কোৱা হয়। নায়ক চাৰুদত্তৰ মন ললিতকলাৰ প্ৰতিও বিশেষভাৱে আকৃষ্ট হোৱা দেখা যায়। সংগীতৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগ প্ৰকৰণখনত প্ৰকাশ পাইছে।

চাৰুদত্ত শৰণাগতবৎসল। কাৰাগাৰৰ পৰা পলাই অহা আৰ্য্যকক আশ্ৰয়দান কৰাৰ পৰাই ইয়াৰ প্ৰমাণ পোৱা যায়। প্ৰকৰণখনত তেওঁ শকাৰৰ প্ৰতিও সেই একে ধৰণৰ ব্যৱহাৰেৰে মহানুভৱতা আৰু দয়াৰ পৰিচয় দিছে। নায়কজনৰ এনেকুৱা কাৰ্যত তেওঁৰ দয়াশীল স্বভাৱৰ প্ৰমাণ পোৱা যায়।

চাৰুদত্ত এজন ধৰ্মপৰায়ণ ব্যক্তি আছিল। দেৱ-দেৱীৰ পূজা-অৰ্চনা আৰু তেনেকুৱা কামত তেওঁ কেতিয়াও অৱহেলা কৰা নাছিল। গৃহী হিচাপে তেওঁ নিত্য-নৈমিত্তিক কৰ্ম আৰু আচৰণ পালনত অলপো অৱহেলা নকৰিছিল। দেৱতাৰ মন্দিৰলৈ গৈ পূজা-অৰ্চনা কৰা আৰু মন্দিৰৰ চোতালত গোট খোৱা চৰাই আদিক আহাৰ দিয়াটো তেওঁৰ নিত্যকৰ্ম বুলিয়েই বিবেচনা কৰিছিল। ধৰ্মত তেওঁৰ গভীৰ আস্থা আৰু বিশ্বাস আছিল। তেওঁ ভাগ্যত বিশ্বাসীও আছিল। ভাগ্যত যি আছে সেইটো কোনেও ৰোধ কৰিব নোৱাৰি। সেই কাৰণেই মৃত্যুদণ্ডৰ কথা শুনিও তেওঁ অলপো বিচলিত হোৱা নাছিল।

আদৰ্শ পতি হিচাপে চাৰুদত্তৰ নাম বিশেষ উল্লেখযোগ্য। ধূতাৰ প্ৰতি তেওঁৰ ব্যৱহাৰেই তাৰ প্ৰমাণ। পুত্ৰ ৰোহসেনৰ প্ৰতিও তেওঁৰ স্নেহ অতি গভীৰ আছিল। প্ৰকৰণখনৰ প্ৰথম অংকত শীতকালৰ প্ৰচণ্ড শীতৰ পৰা ৰোহসেনক ৰক্ষা কৰিবলৈ নিজৰ গাৰ চাদৰখনেৰে মেৰিয়াই লোৱাৰ কথা পোৱা যায়। দশম অংকতো চাৰুদত্তৰ অকপট বাৎসল্য প্ৰেমৰ আভাস পোৱা যায়। মৃত্যুদণ্ডৰ ৰায়ত চাৰুদত্তই ৰোহসেনক আপডাল কৰি ৰখাৰ দায়িত্ব বিদূষকক অৰ্পণ কৰাৰ পৰাই তেওঁৰ সন্তানপ্ৰীতিৰ স্পষ্ট প্ৰমাণ পোৱা যায়।

প্ৰকৰণখনৰ নায়ক চাৰুদত্তই নিষ্ঠাৰে ধৰ্ম-কৰ্ম সম্পাদন কৰাটোকেই জীৱনৰ ব্ৰত বুলি ভাবিছিল। মুঠতে চাৰুদত্তৰ চৰিত্ৰটো এজন উদাৰ, দানশীল, শৰণাগতবৎসল, আদৰ্শ পতি আৰু প্ৰেমিকৰ ৰূপত প্ৰকৰণখনত চিত্ৰিত হৈছে। তেওঁৰ ন্যায়পৰায়ণতাও বিশেষ প্ৰশংসনীয়।



জানি থোৱা ভাল

● চাৰুদত্তৰ সুন্দৰ দেহাৱয়ৰ কথা বিচাৰকৰ উক্তিত—

'ইদানীং সুকুমাৰেহস্মিন্ নিঃশঙ্কং কর্কশাঃ কশাঃ।
তব গাত্রে পতিষ্যন্তি সহাস্মাকং মনোৰথৈঃ।। (৯।৩৬)

অর্থাৎ এতিয়া তোমাৰ এই সুকোমল দেহত আমাৰ মনৰ ইচ্ছা অনুসৰি অতি কর্কশ আঘাত পৰিব।

● পৰম উদাৰতাৰ প্রকাশ পোৱা চাৰুদত্তৰ কথা এনেকুৱা—

বৈদেশ্যেন কৃতো ভরেন্মমা গৃহে ব্যাপাৰমভ্যস্যতা
নাসৌ বেদিতবান্ 'ধনৈৰিৰহিতং বিস্রব্ধসুপ্তং জনম্।
দৃষ্ট্বা প্রাঙ্মহতীং নিৱাসৰচনামস্মাকমাশান্বিতঃ
সন্ধিচ্ছেদনখিন্ন এব সুচিৰং পশ্চান্নিৰাশো গতঃ।। (৩।২৩)

অর্থাৎ কোনোবা সিন্ধি খান্দিব পাৰে এনেকুৱা লোকে সিন্ধি খান্দি ঘৰত সোমাই যেতিয়া একোকে নাপালে, তেতিয়া সেইজন নিৰাশ হৈ গুচি গ'ল। চাৰুদত্তৰ এই উক্তিৰ পৰা জনা যায় যে বিশাল ভৱনটোৰ আকৃতি দেখি ধন নাপাই খেদ কৰি চোৰটো গুচি গ'ল দেখি চাৰুদত্তৰ মনত কষ্ট হৈছে। এই উক্তিয়ে নায়কজনৰ উদাৰ মনোভাৱৰ পৰিচয় দিয়ে।

● চাৰুদত্তৰ দয়ালু স্বভাৱসন্দর্ভত তৃতীয় অংকৰ প্রথম শ্লোকটোত কোৱা কথা মন কৰিবলগীয়া—

সুজনঃ খলু ভৃত্যানুকম্পকঃ স্বামী নির্দ্ধনকোহপি শোভতে। (৩।১)

অর্থাৎ ভৃত্যনুকম্পক প্রভু নির্ধন হৈয়ো শোভা পাইছে।

● প্রকৰণখনৰ দশম অংকৰ ৫৫ সংখ্যক শ্লোকত চাৰু দত্তই শর্বিলকক কোৱা কথাৰ পৰা নায়কজনৰ শৰণাগতবৎসলতাৰ প্রমাণ পোৱা যায়। চাৰুদত্তই কৈছে—

শত্রুঃ কৃতাপৰাধঃ শৰণমুপেত্য পাদয়োঃ পতিতঃ।
শস্ত্রেণ ন হন্তব্য উপকাৰহতস্তু কর্ত্তব্যঃ। (১০।৫৫)

অর্থাৎ অপৰাধ কৰা শত্রুৱে ভৰিত পৰি শৰণ ল'লে অস্ত্রেৰে আঘাত নকৰি উপকাৰহে কৰিব লাগে।

● টোপোলাত বসন্তসেনাৰ গহনা নে কি আছে সেইটো চাৰুদত্তই জনা নাছিল কিন্তু সেই টোপোলাটো যে চাৰুদত্তৰ ঘৰৰ পৰা অনা হৈছিল সেই বিষয়ে বিচাৰালয়ত চাৰুদত্তৰ ইতিবাচক উক্তিয়ে তেওঁৰ সত্যবাদিতাৰ প্রমাণ দিয়ে। চাৰুদত্তই কৈছে—

আভৰণানি আভৰণানি ইতি ন জানে, কিন্তু অস্মদ্গৃহাৎ আনীতানি ইতি জানে।'

অর্থাৎ সেইবোৰ গহনা নে কি নাজানো; কিন্তু সেইবোৰ আমাৰ ঘৰৰ পৰাই অনা হৈছে এইটো জানো (৯ম অংক)

- গৃহস্থৰ নিত্যকর্মৰ পৰা চাৰুদত্ত কেতিয়াও আঁতৰি থকা নাছিল। বিদূষকক কোৱা কথাৰ পৰাই তাৰ প্রমাণ পোৱা যায়—
  বয়স্য ! মা মৈৱম্, গৃহস্থস্য নিত্যোহয়ং বিধিঃ (১ম অংক)
  অর্থাৎ হে বয়স্য ! এনেকুৱা নহয়, গৃহস্থৰ বাবে এইটোৱেই নিত্য বিধি।
  এইদৰে চাৰুদত্তৰ গুণৰাশিৰ বিষয়ে আপুনি *মৃচ্ছকটিক* প্রকৰণখন অধ্যয়ন কৰিলে অৱগত হ'ব পাৰিব।

বসন্তসেনা ঃ *মৃচ্ছকটিক* প্রকৰণত বসন্তসেনাৰ চৰিত্র নানা গুণেৰে ভূষিত হৈছে। নাট্যকাৰে তেওঁক অপূর্ব সুন্দৰীৰ ৰূপত চিত্রিত কৰিছে। নাৰীসুলভ সকলো গুণেৰে বসন্তসেনাৰ চৰিত্র উজ্জ্বল আৰু প্রেমিকাৰ সকলো গুণ তেওঁৰ কার্যৰ মাজেৰে প্রকাশ পাইছে। প্রকৰণখনত বসন্তসেনা সম্ভ্রান্ত গণিকাৰ ৰূপতহে চিত্রিত হৈছে।

বসন্তসেনা ৰূপৱতী আৰু নৱযৌৱনসম্পন্না এগৰাকী নাৰী আৰু তেওঁৰ আচৰণ আৰু ব্যক্তিত্বই সকলোৰে দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছে। চাৰুদত্তৰ ভাষাত শৰতৰ শুকুলা মেঘে ঢাকি ৰখা চন্দ্রমাৰ দৰেই বসন্তসেনা শোভা পাইছে। *মৃচ্ছকটিক* প্রকৰণত বসন্তসেনা অতি সমৃদ্ধ গণিকাৰ ৰূপত চিত্রিত হৈছে। প্রকৰণখনৰ চতুর্থ অংকত বিদূষকে বসন্তসেনাৰ ভৱনৰ বিৱৰণ দিওঁতে তাক কুবেৰৰ প্রাসাদ বুলিহে কৈছে।

বসন্তসেনা ইমান ধন-সম্পত্তিৰ অধিকাৰী হ'লেও ধনৰ প্রতি তেওঁৰ লোভ বা লালসা নাই। ধন-সম্পত্তিৰ প্রতি আসক্তি থকাহেঁতেন দৰিদ্র চাৰুদত্তৰ প্রতি তেওঁ প্রণয়াসক্তা নহ'লহেঁতেন। চাৰুদত্তক ধনহীন বুলি জানিও বসন্তসেনাই তেওঁকেই ভাল পায় আৰু দহ হাজাৰ মুদ্রাৰ বিনিময়ত বসন্তসেনাৰ প্রিয়পাত্র হ'বলৈ যোৱা শকাৰক প্রত্যাখ্যান কৰে। বলেৰে বসন্তসেনাৰ প্রণয় পাবলৈ বিচৰা শকাৰৰ ইচ্ছাক বলাৎকাৰ বুলিহে বসন্তসেনাই প্রত্যাখ্যান কৰা আমি দেখা পাওঁ। আনহাতে চাৰুদত্তৰ গুণৰ কাৰণেই দৰিদ্র হোৱা সত্ত্বেও চাৰুদত্তৰ প্রতিহে বসন্তসেনা আকৃষ্ট হ'ল। প্রকৰণখনৰ দ্বিতীয় অংকত মদনিকাৰ কথা শুনি বসন্তসেনাই কোৱা কথাৰ পৰাও বসন্তসেনাই যে গুণকহে সমাদৰ কৰে এই কথা প্রমাণিত হয়। ৰত্নাৱলী হাৰডাল ধূতাক প্রত্যর্পণ কৰিবলৈ যোৱা বৃত্তান্তৰ পৰাও বসন্তসেনাৰ সহৃদয়তা আৰু অকপট সৰল অন্তৰৰ পৰিচয় পোৱা যায়। তেনেদৰে প্রকৰণখনৰ দ্বিতীয় অংকত সংবাহকক ঋণমুক্ত কৰা ঘটনাৰ পৰাও বসন্তসেনাৰ মহানুভৱতা আৰু হৃদয়ৰ বিশালতাৰ পৰিচয় পোৱা যায়।

প্রকৰণখনৰ ষষ্ঠ অংকৰ কাহিনীৰ পৰা জানিব পাৰি যে বসন্তসেনাৰ অন্তৰ ৰোহসেনক দেখি মৰমত উথলি উঠিছিল। চাৰুদত্তৰ পুত্র ৰোহসেনৰ বাবে তেওঁৰ অন্তৰত বাৎসল্য প্রেমৰ সঞ্চাৰ হৈছিল। ৰোহসেনে মাটিৰ গাড়ীৰ সলনি সোণৰ গাড়ীৰে খেলিবলৈ জেদ ধৰাত বসন্তসেনাই আগবঢ়োৱা টোপোলাটোত থকা সোণেৰে সোণৰ গাড়ী তৈয়াৰ কৰি ল'বলৈ কোৱা কথাৰ পৰা এফালে তেওঁৰ উদাৰতা আৰু আনফালে মাতৃসুলভ হৃদয়ৰ পৰিচয় পোৱা যায়।

বসন্তসেনা অতি প্রতিভাসম্পন্ন ৰমণী। বিভিন্ন কলাত তেওঁ নিপুণ। যিকোনো কথাৰ তাৎপর্য তেওঁ সহজতে তৎক্ষণাৎ বুজিব পাৰে। প্রকৰণখনৰ প্রথম অংকত শকাৰে তেওঁক আগুৰি লোৱা অৱস্থাত বিটৰ কথাৰ ধৰণৰ তাৎপর্য বুজিবলৈ বসন্তসেনাৰ অলপো সময় নালাগিছিল আৰু সেইমতে তেওঁ কথাৰে নিজৰ বিচক্ষণতাৰ পৰিচয় দিছিল। শর্বিলক আৰু মদনিকাৰ গোপন কথা শুনি বসন্তসেনাই শর্বিলকে ওভতাই দিয়া গহনাৰ টোপোলাটো মদনিকাক অর্পণ কৰাৰ পৰাও বসন্তসেনাৰ চোকা বুদ্ধি আৰু সহৃদয় ভাবৰ আভাস পোৱা যায়। ৰোহসেনক দেখিয়েই বাৎসল্য ভাবৰ সঞ্চাৰ হোৱা ঘটনাৰ পৰা বসন্তসেনাৰ মনত থকা অপত্য স্নেহৰ প্রমাণ পোৱা যায়। দৈনন্দিন জীৱনত তেওঁ গা-পা ধুই নিয়মিতভাবে পূজা-অর্চনা আদি সম্পাদন কৰিছিল। সেইপিনৰ পৰা শূদ্রকৰ লেখনীত তেওঁ আদর্শ নাৰী হিচাপে প্রতিষ্ঠিত হৈছে। আনকি চাৰুদত্তৰ প্রতি থকা তেওঁৰ প্রেমত আদর্শ নাৰীপ্রেমৰ পৰিচয় পোৱা যায়। বসন্তসেনাৰ একমাত্র দোষ এয়ে যে তেওঁ গণিকা। গণিকা হোৱা সত্ত্বেও তেওঁৰ লোভহীনতা, গুণীৰ প্রতি থকা তেওঁৰ সন্মান আৰু শ্রদ্ধা, ধূতাৰ প্রতি থকা তেওঁৰ মান্যতা, সকলোৰে প্রতি থকা তেওঁৰ দয়াশীল মনোভাব আদি গুণে বসন্তসেনাক সমাজত সাধাৰণ গণিকাতকৈ উচ্চতৰ আসন প্রদান কৰিছে।



জানি থোৱা ভাল

বসন্তসেনাৰ চৰিত্র আলোচনাৰ সময়ত *মৃচ্ছকটিকৰ* পৰা কিছুমান উদ্ধৃতি দিব পাৰিলে ভাল হয়।

- বসন্তসেনাৰ কলাবিদ্যাত থকা নিপুণতাৰ কথা বিটৰ উক্তিত পোৱা যায়— সকলকলাভিজ্ঞায়াঃ ন কিঞ্চিদপি তব, উপদেষ্টব্যমস্তি— (পঞ্চম অংক)। অর্থাৎ সকলো কলাত অভিজ্ঞ তোমাক উপদেশ দিবলৈ একো নাই।
- চাৰুদত্তৰ গুণতহে বসন্তসেনা চাৰুদত্তৰ প্রতি আকৃষ্ট, সেইটো বসন্তসেনাৰ কথাত প্রকাশ পাইছে— গুণঃ খলু অনুৰাগস্য কাৰণম্ ন পুনর্বলাৎকাৰ ঃ —(প্রথম অংক) অর্থাৎ— গুণেই অনুৰাগৰ কাৰণ, বলপ্রয়োগ নহয়।
- চাৰুদত্তৰ প্রতি মান্যতা প্রকাশ পাইছে বসন্তসেনাৰ কথাত। সংলাপটি এনেকুৱা— এতেন অনুচিতভূমিকাৰোহনেন অপৰাদ্ধা অহং শীর্ষেণ প্রণম্য প্রসাদয়ামি— (প্রথম অংক) অর্থাৎ এই ঠাইত অনুচিতভাবে প্রৱেশ কৰাত মই অপৰাধী হ'লেও আপোনাক নতশিৰে প্রণাম নিবেদন কৰিছো।
- বিটেও বসন্তসেনাক অতি চৰিত্রৱতী আৰু গুণৱতী বুলি প্রশংসা কৰাৰ লগতে গণিকাকুলত জন্ম হোৱাৰ বাবে দুখ প্রকাশ কৰিছে। বিটৰ কথা এই ধৰণৰ— অনস্যামপি জাতৌ মা বেশ্যা ভূস্ত্বং হি সুন্দৰি!

চাৰিত্র্যগুণসম্পন্নে! জায়েথা বিমলে কুলে।। (৮।৪৩)
অর্থাৎ, হে সুন্দৰী, পৰজন্মত তুমি বেশ্যা নহ'বা। হে চাৰিত্রিকগুণসম্পন্না! পবিত্র বংশত তুমি জন্মগ্রহণ কৰিবা।

শকাৰ ঃ শূদ্রকৰ ৰচিত *মৃচ্ছকটিক* প্রকৰণত শকাৰৰ চৰিত্রটো খণ্ড চৰিত্রৰ ভাওত অৱতীর্ণ হৈছে। শকাৰ অত্যন্ত কুটিল আৰু জড়বুদ্ধিসম্পন্ন ব্যক্তি। ৰজা পালকৰ খুলশালিয়েক হোৱাটোৱেই তেওঁৰ একমাত্র সম্বল। পালকৰ উপপত্নীৰ ভাতৃ হোৱাৰ সূত্রত শকাৰ পালকৰ খুলশালিয়েক। শকাৰৰ সহচৰ বিটই তেওঁক 'কানেলীমাত' বুলি মাতে। বিদূষকে তেওঁৰ বিষয়ে 'কাণেলীপুত্র', 'কুট্টিনীসুত', ইত্যাদি বুলি ঘৃণাবাচক শব্দ ব্যৱহাৰ কৰে। শকাৰৰ চৰিত্রৰ লক্ষণৰ সম্পর্কত কোৱা হৈছে যে অহংকাৰী, মূর্খ, অভিমানী আৰু হীন বংশত ওপজা হ'ব লাগে শকাৰ আৰু সি ৰজাৰ খুলশালি হ'ব লাগে। *মৃচ্ছকটিক* প্রকৰণত থকা শকাৰৰ চৰিত্রত এই আটাইকেইটা লক্ষণ বিৰাজমান। ৰজাৰ খুলশালি হোৱাৰ কাৰণেই শকাৰৰ মদমত্ততা চৰম সীমাত উপনীত হোৱা আমি দেখা পাওঁ।

শকাৰ অত্যন্ত উদ্ধত আৰু অত্যাচাৰীৰ ৰূপত *মৃচ্ছকটিকত* উপস্থাপিত হৈছে। প্রকৰণখনৰ অষ্টম অংকত শকাৰে বৌদ্ধ ভিক্ষু এজনক শাৰীৰিক প্রহাৰ কৰাও আমি দেখিবলৈ পাওঁ। ইয়াৰ পৰাই শকাৰৰ হীন বুদ্ধি আৰু নীচ বংশত ওপজাৰ পৰিচয় পোৱা যায়। নিজৰ বিষয়ে অতি উচ্চ ধাৰণা পোষণ কৰা শকাৰ হৈছে প্রকৃতার্থত জধামূর্খ। কণ্ঠস্বৰ নথকা সত্ত্বেও গান গাই সুমধুৰ কণ্ঠত গান হোৱা গায়কৰ ভূমিকা গ্রহণ কৰিছে এই শকাৰে। দৰাচলতে নির্গুণৰ ভঁৰাল হোৱা সত্ত্বেও গুণেৰে ভূষিত বুলি অহংকাৰত মতলীয়া হোৱা শকাৰ বৰ দুষ্ট চৰিত্রসম্পন্ন।

মৃচ্ছকটিক প্রকৰণত শকাৰৰ চৰিত্রটো অতি নিষ্ঠুৰ আৰু হঠবুদ্ধিপৰায়ণ হিচাপে দেখুওৱা হৈছে। চাৰুদত্তৰ পুত্র ৰোহসেনৰ প্রতিও শকাৰৰ লেশমানো অনুকম্পা নথকাৰ পৰাই শকাৰক নিষ্ঠুৰ বুলি এক কথাতেই ক'ব পাৰি। ইমানতেই শকাৰৰ হঠকাৰিতাৰ ওৰ নপৰে। প্রকৰণখনৰ অষ্টম অংকত স্থাৱৰক চেটে গাড়ীখন কেনেকৈ কোনফালে চলাই লৈ আহিব লাগে বুলি কোৱা কথা প্রসংগত শকাৰৰ ধিতিঙালি আৰু অপৰিণামদর্শিতাৰ প্রমাণ পোৱা যায়। আনৰ অনিষ্ট কৰিও নিজৰ স্বার্থ পূৰণ কৰাত শকাৰ প্রস্তুত। গাড়ীখন যেনেদৰে চলাবলৈ কৈছিল, তেনেদৰে চলালে যে গাড়ীখন ভাঙিব, চেটৰ মৃত্যু হ'ব পাৰে, আনকি গাড়ীখন টানি লৈ যোৱা বলধৰো যে মৰণ ঘটিব পাৰে তালৈ শকাৰৰ অলপো কাণসাৰ নাই। এনেকুৱা ঘটনাৰ পৰা শকাৰক আমি নিঃসন্দেহে অপৰিণামদর্শী বুলি আখ্যা দিব পাৰো।

বসন্তসেনাক হত্যা কৰিবলৈকো কুণ্ঠিত হোৱা নাছিল শকাৰ। পাপ কাম কৰিও মদমত্ততাত বুৰ গৈছিল আৰু নিজক সদায় অতি শক্তিশালী, প্রতাপী আৰু পৰাক্রমী ভাবি আত্মতুষ্টিত আপোন পাহৰা হৈছিল এইটো চৰিত্রই। গাড়ীখনত উঠি ক'ৰবালৈ

যাওঁতে মানুহে শকাৰক ৰজাৰ খুলশালিয়েক বুলি ভাবিব বুলি চিন্তা কৰি দম্ভত ওফন্দি উঠা কাণ্ডৰ পৰা শকাৰৰ দুর্মতিপৰায়ণতাৰ স্পষ্ট আভাস পোৱা যায়।

শকাৰ ইমান উদ্ধত যে সি যিকোনো ধৰণৰ হীন কর্ম কৰিবলৈকো শংকাবোধ নকৰিছিল। চৰম মূর্খ হোৱা সত্ত্বেও নিজকে অতি বুদ্ধিমান বুলি ভাবি গর্ববোধ কৰাটো শকাৰৰ এটা স্বাভাৱিক অৱস্থা আছিল। বসন্তসেনাক টেঁটুত চেপি আধামৰা কৰি পেলাই থৈ তাৰ দোষটো চাৰুদত্তৰ গাত জাপি দিবলৈ অলপো সংকোচ কৰা নাছিল শকাৰে। বসন্তসেনাক চাৰুদত্তই ভালপোৱাৰ প্রতিশোধ ল'বলৈ শকাৰ ইমান তললৈ নামি গৈছিল যে আত্মতুষ্টিৰ বাবে চাৰুদত্তক মৃত্যুদণ্ড বিহালে। তদুপৰি ৰোহসেনকো পিতাকৰ লগতেই মৃত্যুদণ্ড দিয়াৰ সিদ্ধান্ত ল'বলৈ আবেদন জনোৱাৰ পৰাই শকাৰক আমি অতি অবিবেকী, নির্দয় আৰু ঈর্ষাপৰায়ণ বুলি থিৰাং কৰিব পাৰো। সেয়েহে 'কাণেলীপুত্র', 'কানেলীসুতঃ', 'কুট্টুনীপুত্র' আদি শব্দ শকাৰৰ বেলিকা প্রযুক্ত হোৱাত শকাৰ যে প্রকৰণখনৰ তেনেই ঘৃণ্য আৰু অৱহেলিত চৰিত্র এইটো আমি ক'ব পাৰো।

প্রকৰণখনত শকাৰক দুষ্ট, মূর্খ, ধূর্ত আৰু দম্ভৰ মূর্তিমান ৰূপ বুলিব পাৰি। অৱশ্যে এই চৰিত্রটোৰ মূর্খতাৰ লগতে অজ্ঞানপ্রসূত কথাৰ পৰা দর্শকৰ হৃদয়ত হাস্যৰসৰ সঞ্চাৰ হোৱাটোতহে শকাৰৰ চৰিত্রৰ সার্থকতা। ভিক্ষুৰ লগত হোৱা শকাৰৰ কথা-বতৰাৰ পৰা খুহুতীয়া ভাব প্রকাশ পাইছে। শকাৰে নিজৰ কণ্ঠস্বৰৰ প্রশংসা কৰিবলৈ গৈ কোৱা কথাটোত হাস্যৰসৰ অভিব্যক্তি পোৱা যায়। মূর্খতাপ্রসূত কথাৰ আঁৰে আঁৰে প্রকৰণখনত হাস্য ৰস সৃষ্টি কৰাত শকাৰে কিছু সফলতা লাভ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ এগৰাকী ধীৰ পুৰুষৰূপে চাৰুদত্ত চৰিত্রটোৰ চমু পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৪ ঃ এগৰাকী গণিকা হোৱা সত্ত্বেও শূদ্রকে বসন্তসেনাক গুণৱতী নাৰীৰূপে আখ্যা দিয়াৰ কাৰণ কি? (১৫০টা শব্দৰ ভিতৰত)

১৩.৫.৫ *মৃচ্ছকটিকত* উপস্থাপিত সমাজ

আপুনি জানিব যে শূদ্রক এজন ব্যতিক্রমধর্মী নাট্যকাৰ। তেওঁ কালিদাস বা ভৱভূতিৰ দৰে ৰাজবংশীয় ব্যক্তিৰ জীৱন বা আদর্শক ৰূপকখনত ৰূপায়িত কৰা নাই। সমাজৰ ধনী, দুখীয়াকে আদি কৰি সকলো শ্রেণীৰ লোকৰ চৰিত্র *মৃচ্ছকটিকত* চিত্রিত হোৱা দেখা যায়। এই প্রকৰণখন কবিৰ স্বকল্পিত কাহিনীৰ আধাৰত ৰচিত আৰু সমাজত ঘটি থকা বিষয়বোৰ ইয়াত ৰূপায়ণ কৰা হৈছে। সেয়েহে চাৰুদত্তৰ পৰা জুৱাৰী, দুখীয়া চোৰ আদিৰ চৰিত্রয়ো উক্ত প্রকৰণত ঠাই পাইছে। শূদ্রকে সেই সময়ৰ সমাজৰ ৰীতি-নীতি, শাসন ব্যৱস্থা আদিৰো স্পষ্ট আভাস দিছে।

- **সমাজত প্রচলিত বর্ণ-ব্যৱস্থা ঃ** *মৃচ্ছকটিকৰ* সময়ছোৱাত সমাজত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র এই চাৰি প্রকাৰ বর্ণৰ লোকৰ বসতি আছিল। জাতি প্রথা জন্মগত আছিল। বাহ্মণসকলৰ মুখ্য কাম যজন, যাজন, যজ্ঞৰ বাহিৰেও তেওঁলোকে বেহা-বাণিজ্যও কৰিছিল। চাৰুদত্ত নিজে ব্রাহ্মণ আছিল আৰু বাণিজ্য কৰি ধনী সদাগৰ হিচাপে প্রতিষ্ঠা লাভ কৰিছিল। তেতিয়াৰ সমাজত অধম ব্রাহ্মণৰো উল্লেখ পোৱা যায়। শর্বিলক এজন ব্রাহ্মণ; কিন্তু ভ্রষ্টাচাৰী আছিল। ব্রাহ্মণৰ বংশত জন্মগ্রহণ কৰি চুৰি কৰাত নিজৰ লগুণডাল সিন্ধি খান্দোতে জোখ-মাখৰ ফিটাৰ দৰেহে ব্যৱহাৰ কৰিছিল। তেতিয়াৰ সমাজত বৃত্তিৰ আধাৰতো কিছুমান উপজাতিৰ স্থিতিৰ কথা আমি অৱগত হ'ব পাৰো। উদাহৰণ হিচাপে কায়স্থ, শোধনক, চণ্ডাল, ইত্যাদিৰ কথা বিশেষভাৱে উল্লেখযোগ্য। সমাজত দাস-দাসীৰ প্রচলন আছিল। এই প্রকৰণৰ পৰা জানিব পাৰি যে সমাজত তেতিয়া গোপ অর্থাৎ গুৱালৰ প্রচলনো আছিল। গুৱালৰ চুবুৰিক সাধাৰণতে গোপপল্লী বুলি কোৱা হৈছিল। তেতিয়াৰ সমাজত 'বন্ধুল' নামেৰে আন এটা শ্রেণীৰ লোকৰ উল্লেখ পোৱা যায়। ওপৰত উল্লেখ কৰি অহা চাৰিটা বর্ণৰ বাহিৰে এই শ্রেণীৰ লোকৰ কথাৰ পৰা ক'ব পৰা যায় যে, সেই কালত কর্মৰ ভিত্তিতো কেতবোৰ শ্রেণী বিভাজনৰ সৃষ্টি হৈছিল। উদাহৰণ হিচাপে আমি 'শোধক' (শোধনক)ৰ কথা উল্লেখ কৰিব পাৰো।

  সমাজত বৈশ্য শ্রেণীৰ লোকে দেশ-বিদেশত বেহা-বেপাৰ কৰি ধনী হোৱাৰ আভাস পোৱা যায়। তেওঁলোকে নৌকাৰে বহুদূৰলৈ গৈ বাণিজ্য কৰিছিল। শিক্ষা আৰু গুণৰ ফলত শূদ্রও উচ্চ পদবীত নিযুক্ত হোৱাৰ কথা আমি প্রকৰণখনত পাওঁ। এই সন্দর্ভত বীৰক আৰু চন্দনকৰ কথা উল্লেখ কৰিব পাৰি।

  তেতিয়াৰ সমাজখনত শিক্ষাৰ প্রচাৰ আৰু প্রসাৰ কম আছিল। ব্রাহ্মণসকলেহে বেদ আদি শাস্ত্র অধ্যয়ন কৰিছিল আৰু প্রাকৃতসকলৰ বেদাধ্যয়নত অধিকাৰ নাছিল। সমাজত স্ত্রী-শিক্ষাৰ অভাৱ আছিল। কিন্তু তেওঁলোক চিত্রবিদ্যা আদিত নিপুণ আছিল।

  মৃচ্ছকটিকৰ যুগত সমাজত জুৱাখেলৰ প্রচলন আছিল। জুৱা খেলৰ কিছুমান নীতি-নিয়মো প্রচলিত আছিল। জুৱাৰ পণত হাৰিলে ঋণ পৰিশোধ কৰাটো নিয়মৰ ভিতৰত গণ্য হৈছিল। তেতিয়া 'সীধু', 'সুৰা' আৰু 'আসৱ' এই তিনি প্রকাৰৰ মদৰ প্রচলনৰ কথা পোৱা যায়।

- **সাজ-পোছাক আৰু প্রসাধন ঃ** প্রকৰণখনত পোৱা যায় যে পুৰুষে ধূতি জাতীয় কাপোৰ পৰিধান কৰিছিল গাত চাদৰ লোৱাৰ প্রথা প্রচলিত আছিল। বৌদ্ধ ভিক্ষু সংবাহকৰ গেৰুৱা কাপোৰৰ স্পষ্ট উল্লেখ আছে। তিৰোতা মানুহে ধুনীয়াকৈ সাজ-পাৰ কৰিছিল। বসন্তসেনাই ধুনীয়াকৈ সাজ-পাৰ কৰিহে উদ্যানলৈ যাবলৈ ওলাইছিল।
- **জীৱিকা আৰু খাদ্য ঃ** *মৃচ্ছকটিকৰ* যুগত সাধাৰণ মানুহে কৃষিকার্য কৰিয়েই জীৱিকা নির্বাহ কৰিছিল। তেওঁলোকে ধান, মাহ, সৰিয়হ আৰু ধান উৎপাদন কৰিছিল।

তদুপৰি শাক, কোমোৰা আদিৰো স্পষ্ট উল্লেখ পোৱা যায়। প্ৰকৰণখনত কৃষকৰ কোনো চৰিত্ৰ নাথাকিলেও কৃষিজাত সামগ্ৰীৰ উল্লেখৰ পৰাই কৃষিকৰ্ম প্ৰচলনৰ কথা আমি ক'ব পাৰো।

বেহা-বাণিজ্যৰ জৰিয়তেও তেতিয়াৰ মানুহে জীৱিকা অৰ্জন কৰিছিল। বেহা-বেপাৰত গৰুৰ গাড়ী আৰু জলপথত নৌকাৰে যাতায়াত কৰা হৈছিল। সমাজত চাকৰিজীৱীও আছিল। ৰাজআলিৰ তালাচী বিষয়া, শোধনক, অধিকৰণিক আৰু চণ্ডাল আদিৰ চৰিত্ৰৰ পৰাই উক্ত চাকৰিজীৱী লোকৰ প্ৰমাণ পোৱা যায়। সমাজত দাস-দাসীৰ কাম কৰিও দুখীয়া শ্ৰেণীৰ লোকে জীৱিকা নিৰ্বাহ কৰিছিল।

খাদ্য সামগ্ৰীৰ ভিতৰত সম্ভৱতঃ ভাতেই প্ৰধান আহাৰ হিচাপে পৰিগণিত হৈছিল। দৈ, ঘিউ, পায়স, পিঠা, মিঠালাৰু আৰু নানা প্ৰকাৰৰ খাদ্যবস্তুৰ উল্লেখ পোৱা যায় এইখন প্ৰকৰণত। শকাৰৰ উক্তিত মাটিমাহৰ উল্লেখো পোৱা যায়। তেওঁলোকে সৰিয়হৰ ব্যৱহাৰো জানিছিল।

- **পোহনীয়া জীৱ-জন্তু ঃ** *মৃচ্ছকটিক* প্ৰকৰণত নানা ধৰণৰ জীৱ-জন্তুৰ উল্লেখ পোৱা যায়। সেইবোৰৰ ভিতৰত পাৰ, ভাটৌ, কুকুৰ, হাঁহ আদিৰ কথা স্পষ্টকৈ ক'ব পাৰি। গৰু, ঘোঁৰা, ম'হ, ভেৰা আদি পোহনীয়া জন্তুৰ উল্লেখ পোৱা যায় *মৃচ্ছকটিকত*। তেতিয়া বলধ গৰুৰে গাড়ী টনোৱাৰ ব্যৱস্থা থকাৰ কথাও আমি ক'ব পাৰো।
- **তিৰোতা মানুহে ব্যৱহাৰ কৰা গহনা ঃ** *মৃচ্ছকটিকত* বহু ধৰণৰ অলংকাৰৰ উল্লেখ পোৱা যায়। সেইবোৰৰ ভিতৰত হাতত পিন্ধা বলয়, ভৰিত পিন্ধা নূপুৰ, মণিখচিত চন্দ্ৰহাৰ আদি বিশেষ উল্লেখযোগ্য। এইবোৰৰ উপৰিও মণি-মুকুতা, মৰকত আদিৰ প্ৰচলনো আছিল। সমাজত লো, কাঁহৰ ব্যৱহাৰ প্ৰচলিত আছিল। লোৰ শিকলিৰে হাতী বন্ধা, কাঁহৰ তাল আদিৰে শব্দ কৰা আদি মন কৰিবলগীয়া। কঁহাৰ, কমাৰ, সোণাৰী আদি শ্ৰেণীৰ লোকো যে সেই সময়ৰ সমাজত আছিল সেইটোও আমি ক'ব পাৰো।
- **অৰ্থনৈতিক অৱস্থা ঃ** *মৃচ্ছকটিকত* চিত্ৰিত সমাজখনৰ অৰ্থনীতি উন্নত আছিল। অৱশ্যে সমাজত সাধাৰণ দুখীয়া শ্ৰেণীৰ লোকো আছিল। তেতিয়াৰ সমাজত সোণৰ মোহৰৰ প্ৰচলন আছিল, সোণৰ মোহৰৰ উপৰি কড়িৰ প্ৰচলনো আছিল। সোণৰ গাড়ীৰে খেলা কৰা কথাযাৰৰ পৰা তেতিয়াৰ সমাজখনৰ আৰ্থিক স্বচ্ছলতা প্ৰমাণিত হয়।
- **ধৰ্মীয় ৰীতি-নীতি ঃ** প্ৰকৰণখনত ধৰ্মীয় ৰীতি-নীতিও পৰিৱেশৰ সাপেক্ষত উল্লেখ কৰা দেখা যায়। ঘৰৰ গৃহিণীয়ে উপবাস ব্ৰত পালন কৰি ব্ৰাহ্মণক দান-দক্ষিণা কৰাৰ প্ৰথা তেতিয়াৰ সমাজত প্ৰচলিত আছিল। তেনেদৰে 'অভিৰূপ পতি উপবাস' ব্ৰত পালন কৰি ব্ৰাহ্মণক ভোজন কৰোৱাৰ উল্লেখো প্ৰকৰণখনৰ আমুখত পোৱা যায়। নাৰীয়ে গা-পা ধুই ইষ্ট দেৱতাক পূজা-অৰ্চনা কৰাটো নিত্য কৰণীয় কৰ্ম হিচাপে পৰিগণিত হৈছিল। সেই যুগৰ সময়ছোৱাত গৃহদেৱতাৰ উদ্দেশ্যে চাউল

আদিৰে পূজা-উপহাৰ আগবঢ়োৱা হৈছিল। চাৰিআলি (চতুৰপথ) অর্থাৎ চাৰিটা পথৰ মিলনস্থলত মাতৃদেৱতালৈ পূজা-উপহাৰ আগবঢ়োৱাটোও এটা নিয়মৰ ভিতৰত ধৰা হৈছিল। চাৰুদত্তই সন্ধ্যা-উপাসনা, জঁপ আদি নিত্য-নৈমিত্তিক কর্মখিনি চৰম দুর্যোগৰ মুহূর্ততো সম্পাদন কৰিছিল। আমি ক'ব পাৰো যে তেতিয়াৰ কালত মানুহে ধর্মীয় আচাৰ-নীতি সদায় অতি নিষ্ঠাৰে পালন কৰিছিল। বসন্তসেনাৰ মাতৃয়ে গা-পা ধুই দেৱতাক পূজা-বন্দনা কৰিব লাগে বুলি কোৱা কথাৰ পৰাও ইয়াৰ প্রমাণ পোৱা যায়।

- **শাসন ব্যৱস্থা ঃ** *মৃচ্ছকটিকৰ* যুগত শাসন ব্যৱস্থা ন্যায়ালয়ৰ হাতত আছিল। ন্যায়ালয়ত অপৰাধীৰ স্বপক্ষ আৰু বিপক্ষৰ সাক্ষী লোৱা হৈছিল। উভয় পক্ষৰ সাক্ষী লোৱাৰ পিচত ন্যায়াধীশে বিচাৰৰ ৰায় দান কৰিছিল। কেতিয়াবা কেতিয়াবা ন্যায়াধীশৰ ৰায় নামানি ৰজাই নিজে দোষীক প্রাণদণ্ড বিহিছিল। ন্যায়ালয়ত বিচাৰকে চাৰুদত্তক ৰাজ্যৰ পৰা খেদাই আন ঠাইলৈ পঠিয়াবলৈ সিদ্ধান্ত দিলেও, ৰজাই নিজাকৈ তেওঁক প্রাণদণ্ডেৰে দণ্ডিত কৰিছিল। পানী, বিষ আৰু তুলাচনীৰে দণ্ড বিহাৰ ব্যৱস্থাও সেই কালৰ সমাজত প্রচলিত আছিল।
- **বিবাহ ব্যৱস্থা ঃ** এই প্রকৰণখনৰ নায়ক চাৰুদত্ত। চাৰুদত্তই ধূতা নামেৰে এগৰাকী পত্নী থকা সত্ত্বেও বসন্তসেনাক পত্নী হিচাপে গ্রহণ কৰাৰ পৰা সেই সময়ত বহু বিবাহৰ প্রচলন থকাৰ প্রমাণ পোৱা যায়। প্রায় সময়তেই পুৰুষ আৰু নাৰীয়ে নিজৰ নিজৰ পছন্দমতেই বিবাহপাশত আবদ্ধ হৈছিল। মদনিকা আৰু শর্বিলকৰ প্রণয় আৰু পিচত বসন্তসেনাই শর্বিলকৰ হাতত মদনিকাক সমর্পণ কৰা ঘটনাৰ পৰা ইয়াৰ প্রমাণ পোৱা যায়। সমাজত অসবর্ণ বিবাহৰ প্রচলনো আছিল বুলি ক'ব পাৰি। শর্বিলকে মদনিকাক বিয়া কৰোৱাৰ পৰা এইটো অনুমান কৰিব পাৰি। কাৰণ দাসীৰ কামত নিযুক্ত ছোৱালী ব্রাহ্মণ বংশৰ হ'ব নোৱাৰে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্টকৈ ক'ব পৰা যায় যে শূদ্রকে তেওঁৰ ৰচিত প্রকৰণখনত সেই যুগৰ সমাজত ঘটি থকা ঘটনাক নাট্যৰূপ দিছিল। তেওঁৰ প্রকৰণত সামাজিক চিত্র সজীৱ ৰূপত পাঠক বা দর্শকৰ দৃষ্টিত ধৰা পৰিছে।

১৩.৫.৬ *মৃচ্ছকটিকৰ* ৰস

ৰস অবিহনে কাব্যকৃতি চিত্তাকর্ষক নহয়। আপুনি জানে যে প্রত্যেক মানুহৰ মন বেলেগ বেলেগ। এটা সময়ত যিটো ভাল লাগে, বেলেগ সময়ত সেইটো হয়তো বেয়াও লাগিব পাৰে। কাৰণ মানুহৰ চিত্তবৃত্তি বেলেগ বেলেগ আৰু ৰুচিও বেলেগ। এইটো ক'ব পাৰি যে মানুহে একে ধৰণৰ ৰস সদায় ভাল নাপায়। মহাকবি কালিদাসে সম্ভৱতঃ সেই কাৰণেই কৈছে যে নাটকেই হৈছে একমাত্র উপায় যিয়ে ভিন্ন ৰুচিসম্পন্ন মানুহৰ

মনত আনন্দ দিব পাৰে। সেই কাৰণেই নাটকত বহুকেইটা ৰসৰ সমাবেশ ঘটিব লাগে। এইটোৰ বাবেই আপুনি দেখিবলৈ পাব যে শৃংগাৰ, বীৰ, হাস্য, কৰুণ, বীভৎস আদি বিভিন্ন ৰস নাটকত বেলেগ বেলেগ পৰিবেশত প্ৰকাশ পায়। নাটক বা ৰূপকত নাট্যকাৰে ৰসাভিব্যক্তি যিমান চিকুণকৈ সাধিব পাৰিছে, তেওঁৰ নাটক সিমানেই হৃদয়স্পৰ্শী আৰু ৰসাল হৈছে।

মানুহক শিক্ষা দিয়াৰ মাধ্যম হিচাপে নাটক উত্তম। নাটক বা ৰূপকৰ কাহিনী প্ৰবাহ ভিন্ন ভিন্ন ৰসৰ মাজেৰে আগুৱাই যায়। কিন্তু তাত শৃংগাৰ বা বীৰ ৰসৰ প্ৰাধান্য থাকিব লাগে বুলি অলঙ্কাৰশাস্ত্ৰত কোৱা হৈছে। আনহাতে কৰুণ, হাস্য, বাৎসল্য, বীভৎস আদিও কাহিনীৰ গতিৰ পথত সহায়ক ৰস হিচাপে প্ৰকাশ পাব লাগে। মুঠতে ক'ব পাৰি যে নাটকত বিভিন্ন ৰসৰ বাতাৱৰণ সৃষ্টি হোৱাৰ ফলতেই সকলো শ্ৰেণীৰ লোকে নাটকৰ অভিনয় চাই আমোদ লাভ কৰে।

মৃচ্ছকটিক প্ৰকৰণত মুখ্যতঃ শৃংগাৰ ৰস ৰূপায়িত হৈছে। শৃংগাৰ দুই প্ৰকাৰৰ— সম্ভোগশৃংগাৰ আৰু বিপ্ৰলম্ভশৃংগাৰ। শৃংগাৰ ৰসৰ পৰিপন্থী অৱস্থাৰ পৰাই বিপ্ৰলম্ভ শৃংগাৰৰ সৃষ্টি হয়। ৰূপকত ৰূপায়িত প্ৰণয় কাহিনীত বিৰহ থাকিবই লাগিব। কাৰণ বিৰহ অবিহনে সম্ভোগ শৃংগাৰৰ পুষ্টি সাধন নহয়। *মৃচ্ছকটিক* প্ৰকৰণত দুয়োবিধ শৃংগাৰৰ প্ৰকাশ দেখা যায়। ইয়াত বসন্তসেনাই কামদেৱায়তন উদ্যানত চাৰুদত্তক দেখাৰ পিছৰে পৰা তেওঁৰ প্ৰতি ৰৰকৈ আসক্ত হয়। চাৰুদত্তৰ মনতো বসন্তসেনাৰ প্ৰতি অনুৰাগৰ সঞ্চাৰ হয়। শূদ্রকে বৰ্ষা ঋতুৰ সহায়ত নায়ক চাৰুদত্ত আৰু নায়িকা বসন্তসেনাৰ মনত উদ্দীপনা ভাবৰ সঞ্চাৰ কৰাত সম্ভোগ শৃংগাৰৰ বাট বেছি সুগম হৈ পৰিছে। প্ৰকৰণখনৰ পঞ্চম অংকৰ শেষৰ ফালে বাৰিষাৰ বতৰত সম্ভোষ শৃংগাৰৰ স্পষ্ট আভাস পোৱা যায়। প্ৰকৰণখনৰ ষষ্ঠ আৰু সপ্তম অংকত বসন্তসেনা আৰু চাৰুদত্তৰ মনত মিলনৰ বাসনা আপেক্ষিকভাৱে তীব্ৰ হোৱা দেখা যায়। এইটো দেখা যায় যে চাৰুদত্তৰ মন বসন্তসেনাৰ প্ৰতি ইমান আকৰ্ষিত হৈছে যে চাৰুদত্তই বসন্তসেনা অবিহনে খন্তেকৰ বাবেও ৰ'ব নোৱাৰা হৈছে। বসন্তসেনাই চাৰুদত্তক আলিংগন কৰা কথাটোৰ পৰাও সম্ভোগ শৃংগাৰৰ পুষ্টত প্ৰকাশিত হৈছে। প্ৰকৰণখনত দেখা যায় যে বিৰহ বা বিপ্ৰলম্ভৰ পিচতহে সম্ভোগ শৃংগাৰ বেছি গভীৰ ভাবত প্ৰকাশ পাইছে।

প্ৰকৰণখনৰ দ্বিতীয় অংকত বসন্তসেনাৰ উৎকণ্ঠা বঢ়া দেখা যায়। চাৰুদত্তক লগ পাবলৈ বসন্তসেনা অতিকৈ ব্যাকুল হোৱাৰ পৰাই তেওঁৰ মন চাৰুদত্তৰ কায চাপে। নায়ক-নায়িকাৰ মাজত থকা দূৰত্বই বিপ্ৰলম্ভ শৃঙ্গাৰৰ সূচনা কৰে। প্ৰকৰণখনত থকা বিপ্ৰলম্ভ শৃংগাৰে সম্ভোগ শৃংগাৰক গাঢ় ৰূপ দিয়াত সহায় কৰিছে বুলি ক'ব লাগিব কাৰণ, বিৰহ বা বিচ্ছেদে প্ৰণয়ী আৰু প্ৰণয়িনীৰ মনত উৎকণ্ঠা বঢ়ায় আৰু তেনেকুৱা অৱস্থাত পাৰস্পৰিক অনুৰাগ আৰু বেছি ঘনীভূতহে হয়। প্ৰকৰণখনৰ নৱম অংকত বিচাৰালয়ত চাৰুদত্তক ফাঁচী দিবলৈ ওলোৱাৰ লগে লগে বসন্তসেনাই চাৰুদত্তৰ কায

চাপি তেওঁক বুকুত সাবটি ধৰাৰ দৃশ্যটোতো সম্ভোগ শৃংগাৰৰ আৱেশ ফুটি উঠিছে। অৱশ্যে সেই মুহূর্তৰ শৃংগাৰ ৰস কিছু পৰিমাণে কৰুণ ৰসসিক্ত।

মৃচ্ছকটিকত যে কেৱল শৃংগাৰ ৰসেই ঠাই দখল কৰিছে এনে নহয়; তাত হাস্যৰসৰ পৰিৱেশো কেইবা ঠাইত পোৱা যায়। নাট্যকাৰে নাটকীয় চৰিত্রৰ মাজেৰে ভুল তথ্য, ভুল শব্দৰ প্রয়োগ বা উচ্চাৰণ কৰি বা উচ্চাৰণত বিজুতি ঘটাই হাস্য ৰসৰ সৃষ্টি কৰিছে। *মৃচ্ছকটিক* প্রকৰণত উদ্ধত শকাৰৰ সংলাপত লঘু হাস্য ৰসৰ আভাস পোৱা যায়। ৰজা পালকৰ উপপত্নীৰ ভাতৃ হোৱাৰ বাবেই প্রকাশ পোৱা শকাৰৰ দম্ভ আৰু মদমত্ত কথাত দর্শকৰ মনত হাস্যৰসৰ সঞ্চাৰ হয়। আকৌ ভোজনৰ প্রতি লালায়িত বিদূষকৰ কথাতো দর্শকে হাঁহিৰ সমল পায়। প্রকৰণখনত থকা জুৱাৰীৰ দৃশ্যতো হাস্যৰসৰ উপাদান পোৱা যায়। তেনেদৰে বীৰক আৰু চন্দনকৰ কথা-বতৰাতো দর্শকে আমোদ-উপভোগ কৰে। বসন্তসেনাৰ মাতৃক দেখি বিদূষকে কোৱা কথাতো দর্শকে নহঁহাকৈ থাকিব নোৱাৰে।

হাস্যৰসৰ দৰে এই প্রকৰণত থকা কৰুণ ৰসৰ আৱেশেও দর্শকৰ মন ছুই যায়। নির্ধন চাৰুদত্তৰ বর্ণনাত সকলোৰে মন বিষাদগ্রস্ত হয়। এসময়ৰ ধনী চাৰুদত্তৰ পুত্র ৰোহসেনে মাটিৰ গাড়ীৰে উমলিবলৈ যোৱা দৃশ্যত ৰদনিকাৰ মনৰ অৱস্থাত কৰুণ ৰসৰ আভাস পোৱা যায়। বিচাৰালয়ৰ দৃশ্যত চাৰুদত্তৰ মৌনতাৰ আঁৰত থকা কৰুণ ৰসৰ আৱেশে সকলোৰে মন ছুই যায়। এইদৰে প্রকৰণখনত কৰুণ ৰসৰো যথেষ্ট আভাস পোৱা যায়। মুঠতে শৃংগাৰ, হাস্য আৰু কৰুণ ৰস এই প্রকৰণত পৰিৱেশ সাপেক্ষে বিভিন্ন দৃশ্য তথা ঘটনাৰ মাজেদি ৰূপায়িত হোৱা বুলি ক'ব পাৰি।



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিলে যে *মৃচ্ছকটিক*খন এখন প্রকৰণ শ্রেণীৰ ৰূপক। শূদ্রক নামৰ এজন কবিয়ে এই ৰূপকখন ৰচনা কৰিছে।
- আপুনি জানিলে যে এই প্রকৰণখনৰ নায়ক হৈছে চাৰুদত্ত আৰু নায়িকা হৈছে গণিকা বসন্তসেনা। তেওঁলোক দুজনৰ লগতে অন্যান্য চৰিত্রৰ বিষয়েও জানিলে।
- আপুনি এই অধ্যায়টি অধ্যয়ন কৰি প্রকৰণৰ সাধাৰণ লক্ষণৰ বিষয়ে জানিব পাৰিলে আৰু লগতে *মৃচ্ছকটিক*খনত প্রকৰণৰ লক্ষণসমূহ প্রতিফলিত হৈছে বুলিও জানিলে। প্রকৰণ বা নাটকৰ প্রয়োজনীয় পাঁচবিধ সন্ধিৰ কথাও কিছু পৰিমাণে অৱগত হ'ব পাৰিলে।
- *মৃচ্ছকটিক*খনৰ নামকৰণৰ কথাও অধ্যয়ন কৰিলে। আপুনি *মৃচ্ছকটিক*খনৰ মূল কাহিনী আৰু লগতে প্রকৰণখনৰ দহটা অংকৰ বিষয়বস্তুৰ চমু আভাস পালে।
- এই অধ্যায়টি অধ্যয়ন কৰি আপুনি *মৃচ্ছকটিক*ৰ ৰসৰ বিষয়ে জানিলে।



৭.৭ অধিক জানিবলৈ

বাংলা গ্রন্থ ঃ

১) কর্মকাৰ, আৰ. ডি; *মৃচ্ছকটিকম্।*

২) সিদ্ধান্ত বাগীশ, হৰিদাস (সম্পাদক) (১৮৭৮); *মৃচ্ছকটিকম্;* কলকাতা।

ইংৰাজী গ্রন্থ ঃ

৩) Kale, M. R. (1962) : *The Micchakatika of Sudraka*; Motilal Banarsidas.

৪) Pandurang, Kashinath (1990); *The Micchakatika of Sudraka*; Bombay : Parab.

৭.৮ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন লিখিত তথ্যৰ আধাৰত শূদ্রকৰ বিষয়ে কবি-সাহিত্যিকসকলে যি কৈ গৈছে তাৰ চমু লেখ আগবঢ়াব লাগিব... ...পাঠ্যত থকা শূদ্রক বিষয়ক পৰিচয়জ্ঞাপক টোকাটোৰ সহায় ল'ব। প্রয়োজন হ'লে প্রসংগ পুথিৰো।

২নং প্রশ্নৰ উত্তৰ ঃ *মৃচ্ছকটিক* প্রকৰণখনৰ আটাইকেইটা অংক আঁতিগুৰি মাৰি পঢ়ি কাহিনীৰ আকাৰত গোটেই ঘটনাৰাজি সামৰি তাক চমুকৈ লিখক।

৩নং প্রশ্নৰ উত্তৰ ঃ *মৃচ্ছকটিক* প্রকৰণখনৰ আধাৰত ধীৰ পুৰুষৰ চাৰিত্রিক বৈশিষ্ট্যকেইটা চিনাক্ত কৰি চাৰুদত্ত চৰিত্রটোৰ আচৰণত সেই ধীৰ গুণ কেনেদৰে প্রতিভাত হৈছে তাৰ উল্লেখ কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ *মৃচ্ছকটিক* প্রকৰণখনৰ আধাৰত বসন্তসেনা চৰিত্রটোৰ আচৰণ আৰু কার্যৰ চমু বিশ্লেষণৰ মাজেদি তেওঁ গুণৱতী নাৰীৰূপে ভাস্বৰ হোৱা কথাটো দর্শাব লাগিব।



৭.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *মৃচ্ছকটিক* প্রকৰণৰ আমুখ অংশত পোৱা শূদ্রকৰ পৰিচয় আপোনাৰ নিজৰ ভাষাত লিখক।

প্রশ্ন ২ঃ শূদ্রকৰ ৰচনাৰীতিৰ বিষয়ে এটি চমুটোকা লিখক।

প্রশ্ন ৩ ঃ প্রকৰণ শ্রেণীৰ ৰূপকৰ লক্ষণসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ শূদ্রকৰ কৃতিত্বৰ বিষয়ে এটি চমুটোকা লিখক।

প্রশ্ন ৫ ঃ '*মৃচ্ছকটিক*'ৰ আমুখ অংশৰ এটি আলোচনা কৰক।

প্রশ্ন ৬ ঃ *মৃচ্ছকটিক* নামকৰণৰ সার্থকতা বিচাৰ কৰক।

প্রশ্ন ৭ ঃ চাৰুদত্ত আৰু বসন্তসেনাৰ প্রণয়কাহিনীটো চমুকৈ আলোচনা কৰক।

প্রশ্ন ৮ ঃ বিদূষকৰ চৰিত্রটো বিশ্লেষণ কৰক।

প্রশ্ন ৯ ঃ *মৃচ্ছকটিকত* চিত্রিত হোৱা সমাজখন কেনেকুৱা আছিল?

প্রশ্ন ১০ ঃ *মৃচ্ছকটিক* প্রকৰণখনৰ ৰস বিচাৰ কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ অসমত সংস্কৃত-চর্চা (প্রাচীন যুগৰ পৰা শংকৰদেৱলৈকে)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ অসমত সংস্কৃত-চর্চাৰ ইতিহাস

১৪.৪ শাসনাৱলী

১৪.৫ তন্ত্রাদি নানা শাস্ত্র আৰু টীকা-ভাষ্য

১৪.৬ প্রাক্ শংকৰী যুগত সংস্কৃত-চর্চা

১৪.৭ মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ সংস্কৃত-চর্চা

১৪.৮ শংকৰদেৱৰ সংস্কৃত ৰচনাৱলী

১৪.৯ শংকৰদেৱৰ সমগ্র ৰচনাৱলীৰ এটি পৰিচয়

১৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.১১ অধিক জানিবলৈ

১৪.১২ অগ্রগতিৰ খতিয়ান

১৪.১৩ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রাগ্জ্যোতিষ-কামৰূপ অর্থাৎ পুৰণি অসম ৰাজ্যত সংস্কৃত-চর্চা কেতিয়াৰ পৰা কি ধৰণে হৈছিল তাক জানিব পাৰিব
- প্রাচীন যুগৰ শাসনাৱলীৰ বিষয়ে অৱগত হ'ব
- তন্ত্র আদি অসমত ৰচিত নানা শাস্ত্রৰ বিষয়ে জানিব পাৰিব
- প্রাক্ শংকৰীযুগৰ সংস্কৃত-চর্চাৰ বিষয়ে অৱগত হ'ব
- মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ ৰচনাৱলী তথা তেখেতৰ সংস্কৃত-চর্চাৰ বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

ইতিমধ্যে আপুনি জানিব পাৰিছে যে ভাৰতবর্ষৰ পূর্বোত্তৰ প্রান্তত অৱস্থিত প্রাগ্জ্যোতিষ বা কামৰূপ নামেৰে পুৰণিকালত প্রসিদ্ধ আমাৰ এই অসম ৰাজ্যত পুৰণি কালৰে পৰা সংস্কৃত ভাষা-সাহিত্যৰ চর্চা আৰু অনুশীলন হৈ আহিছে। প্রাচীনযুগ, মধ্যযুগ আৰু সাম্প্রতিক কাল— এই তিনিযুগতে সংস্কৃতৰ যি চর্চা হৈছে, সেয়া একে পর্যায়ৰ নহয়। প্রাচীনযুগৰ অসমত নানা

তাম্রলেখ-শিলালেখৰ ৰচনাৰ যোগেদি সংস্কৃত ভাষা সাহিত্যই বিকাশ লাভ কৰিছিল। তাৰ পিছত তন্ত্র আদি শাস্ত্র আৰু টীকা-ভাষ্য আদি ৰচিত হ'ল। তাৰ পৰৱৰ্তী পর্যায়ত সংস্কৃত শাস্ত্রসমূহৰ অসমীয়ালৈ ভাঙনি হ'বলৈ ধৰিলে। তথাপি সংস্কৃততো কিছু গ্রন্থৰ ৰচনা অব্যাহত থাকিল। এই অধ্যায়টিত প্রাচীন যুগৰ পৰা মহাপুৰুষ শ্রীমন্ত শংকৰদেৱলৈকে সংস্কৃতৰ যি চর্চা হৈছিল, তাৰ এটি পৰিচয় লাভ কৰিব।

১৪.৩ অসমত সংস্কৃত-চর্চাৰ ইতিহাস

প্রাচীন আৰু মধ্য যুগত আমাৰ ৰাজ্যখন প্রাগ্‌জ্যোতিষ বা কামৰূপ নামে জনাজাত আছিল আৰু ইয়াৰ আয়তনো বর্তমানৰ তুলনা বহুত বিস্তৃত আছিল। এই ৰাজ্যত সংস্কৃত ভাষা-সাহিত্যৰ চর্চা কেতিয়া আৰম্ভ হৈছিল, তাক সঠিককৈ কোৱা টান যদিও শতপথ ব্রাহ্মণৰ এটা উক্তিৰ পৰা পণ্ডিতসকলে ক'ব খোজে যে উত্তৰ-বৈদিক যুগৰ খৃষ্টপূর্ব দশম শতিকামানতে বৈদিক যজ্ঞীয় সংস্কৃতৰ চর্চা প্রাগ্‌জ্যোতিষলৈও প্রসাৰিত হৈছিল। অসমত সংস্কৃত-চর্চাৰ নির্ভৰযোগ্য ঐতিহাসিক চিত্র এটি আংশিকভাৱে হ'লেও খৃষ্টীয় পঞ্চম শতিকাৰ পৰাহে পোৱা যায়। ত্রয়োদশ শতিকালৈকে এই সময়ছোৱাত অলেখ শিলালেখ আৰু তাম্রলেখ অসমত ৰচিত হৈছিল। ইয়াৰ পৰৱৰ্তী কালতো তন্ত্রাদি নানা শাস্ত্র, কাব্য, নাটক, টীকা-ভাষ্য আদি গ্রন্থ ৰচিত হয়। প্রাপ্ত তথ্যসমূহৰ ভিত্তিত অসমত প্রাচীন কালৰ পৰা শ্রীমন্ত শংকৰদেৱলৈকে হোৱা সংস্কৃত-চর্চাৰ এটি ইতিবৃত্ত সংক্ষেপে তলত ডাঙি ধৰা হ'ল।

১৪.৪ শাসনাৱলী

ভাৰতবর্ষৰ অন্যান্য প্রান্তৰ দৰে প্রাগ্‌জ্যোতিষ-কামৰূপ ৰাজ্যৰো ৰজাসকলে নিজৰ যশ-কীর্তিৰাশি যুগমীয়া কৰি ৰাখিবলৈ উপযুক্ত পণ্ডিতসকলৰ দ্বাৰা সেইসমূহ সংস্কৃত ভাষাত তাম্রলিপি বা শিলালিপিত খোদিত কৰাইছিল। এতিয়ালৈকে উপলব্ধ হোৱা এনে লিপিসমূহৰ ভিতৰত সুৰেন্দ্র বর্মাৰ উমাচল প্রশস্তিয়েই আটাইতকৈ পুৰণি। ৰজা মহেন্দ্র বর্মাৰ শিলা-শাসনত এই ৰজাজনে অনেক যজ্ঞ কৰাৰ উল্লেখ কৰা হৈছে। তাৰ পৰা প্রমাণ হয় যে খৃষ্টীয় পঞ্চম শতিকাত অসমত বৈদিক সংস্কৃতৰ চর্চা হৈছিল। ধর্মপালৰ পুষ্পভদ্রা শাসনত পোৱা যায় যে (পুৰণি অসমৰ) খ্যাতিপল্লী নামৰ গাঁওখন বেদধ্বনিৰে সততে মুখৰিত হৈ আছিল। ভাস্কৰবর্মাৰ নিধানপুৰ শাসনৰ ভূমিদান পাওঁতা ব্রাহ্মণসকলৰ প্রত্যেকেই বেদজ্ঞ পণ্ডিত আছিল। আনকি ৰজা আৰু ৰাজকুমাৰসকলো বেদ, নীতিশাস্ত্র আদিত নিষ্ণাত আছিল। ভাস্কৰবর্মাৰ ডুবি শাসন অনুসৰি মহাৰাজ সুষ্ঠ বর্মা ব্যাকৰণ, ৰাজনীতি, সাংখ্য, ন্যায়, মীমাংসা আদি শাস্ত্রত নিপুণ আছিল। ভাস্কৰ বর্মা নিজেও বিচক্ষণ কবি আছিল। মহাৰাজ ইন্দ্রপালে ব্যাকৰণ, তন্ত্র আদি শাস্ত্রৰো অধ্যয়ন কৰিছিল। কেইবাখনো শাসনত বৃহস্পতি, উশনা আৰু কৌটিল্যৰ অর্থশাস্ত্রৰো উল্লেখ আছে। এনে অসংখ্য উদাহৰণৰ পৰা ক'ব পাৰি যে খৃষ্টীয় পঞ্চমৰ পৰা ত্রয়োদশ শতিকাৰ এই সময়ছোৱা

পুৰণি অসমৰ বাবে সংস্কৃত-চর্চা আৰু অনুশীলনৰ এক সোণালী যুগ আছিল। উল্লেখযোগ্য যে এই শাসনসমূহ সংস্কৃত কাব্যৰ ৰীতিত লিখা হৈছে। উচ্চ মানৰ গদ্য আৰু পদ্যৰ সংমিশ্রণত ৰচিত এই ৰচনাসমূহ সংস্কৃত চম্পূকাব্যবোৰৰ দৰেই উপাদেয় আৰু উপভোগ্য। সুন্দৰ শব্দচয়ন, ৰস, গুণ, ৰীতি, অলঙ্কাৰ ছন্দ, চিত্রকল্পনা আদি কাব্যগুণৰ অপূর্ব সমাহাৰেৰে ৰচিত এই শাসনসমূহ কালিদাস, বাণভট্ট আদি শ্রেষ্ঠ সংস্কৃত কবিসকলৰ ৰচনাৰ সমকক্ষ বুলি ক'ব পাৰি। সেয়েহে এই শাসনসমূহ ঐতিহাসিকসকলৰ বাবে যিদৰে গুৰুত্বপূর্ণ, সেইদৰে সংস্কৃত-অনুৰাগী বা কাব্যতত্ত্বজ্ঞসকলৰ বাবেও সমানেই আদৰণীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ পুৰণি অসমত সংস্কৃত চর্চাৰ প্রথম প্রমাণ কোনখন গ্রন্থত পোৱা যায়।

.....

প্রশ্ন নং ২ঃ অসমৰ শাসনসমূহৰ ভিতৰত কোনখন আটাইতকৈ পুৰণি বুলি কোৱা হৈছে?

.....

১৪.৫ তন্ত্রাদি নানা শাস্ত্র আৰু টীকা-ভাষ্য

মধ্যযুগৰ আদি ভাগৰ পৰা অসমত নানা তন্ত্র, স্মৃতি, জ্যোতিষ, ধর্মশাস্ত্র, আয়ুর্বেদ, ব্যাকৰণ আদি শাস্ত্রৰ ৰচনা হ'বলৈ ধৰে। দ্বাদশ শতিকাৰ পৰা ক্রমাগতভাৱে গ্রন্থকাৰৰ নামসহ স্মৃতিগ্রন্থ, সেইসমূহৰ ওপৰত ৰচিত টীকা-ভাষ্য আদিও ৰচিত হোৱা দেখা যায়। দ্বাদশ শতিকাত ধৱলেশ্বৰ আৰু বিশ্বেশ্বৰ নামৰ দুজন স্মৃতিকাৰে যথাক্রমে ধৱলসংগ্রহ আৰু স্মৃতিসমুচ্চয় নামৰ দুখন স্মৃতিশাস্ত্র ৰচনা কৰে। এই সময়তে পণ্ডিত নাৰায়ণ সর্বজ্ঞই মন্বর্থবিবৃত্তি নামৰ মনুস্মৃতিৰ টীকাখনি প্রণয়ন কৰে। ইয়াৰ পিছত বিশেষভাৱে উল্লেখযোগ্য স্মৃতিকাৰ হৈছে পঞ্চদশ শতিকাৰ দামোদৰ মিশ্র আৰু ষোড়শ শতিকাৰ স্মার্ত শিৰোমণি পীতাম্বৰ সিদ্ধান্ত বাগীশ। দামোদৰ মিশ্রৰ তিনিখন গ্রন্থ হৈছে— বৃহদ্‌গঙ্গাজল, স্মৃতিসাগৰ আৰু দশকর্মপদ্ধতি। পীতাম্বৰেও তীর্থ কৌমুদী, প্রেত কৌমুদী আদি কেইবাখনো স্মৃতিগ্রন্থ প্রণয়ন কৰি অসমৰ স্মৃতিশাস্ত্রৰ ধাৰালৈ বিশেষ অৱদান আগবঢ়ায়।

কামৰূপ ৰাজ্যখন তন্ত্র-মন্ত্রৰ দেশ বুলি এটি প্রসিদ্ধিয়েই আছে। এই প্রসংগত কালিকাপুৰাণ (খৃঃ নৱম শতিকা) যোগিনী তন্ত্র (খৃঃ ষোড়শ শতিকা), কামাখ্যা তন্ত্র, ধর্মপুৰাণ আৰু হৰগৌৰী সংবাদৰ দৰে তন্ত্রশাস্ত্র বিশেষভাৱে উল্লেখযোগ্য। একাদশ শতিকাত মীননাথ নামৰ তান্ত্রিক বৌদ্ধজনে কৌলজ্ঞান নির্ণয়, অকুলবীৰ তন্ত্র আৰু কামাখ্যা গুহ্যসিদ্ধি নামৰ তিনিখন তন্ত্রশাস্ত্র ৰচনা কৰে। সেইদৰে জ্যোতিষশাস্ত্রৰ ক্ষেত্রতো কামৰূপ নিবন্ধনীয় খণ্ডসাধ্য নামৰ ষষ্ঠ-সপ্তম শতিকাতে ৰচিত গ্রন্থখনিয়ে কামৰূপ ৰাজ্যত পঞ্জিকা গণনাৰ পৃথক্ পদ্ধতিৰ সাক্ষ্য ডাঙি

ধৰে। চতুর্দশ শতিকাৰ দামোদৰ মিশ্ৰৰ জ্যোতিষসাৰ সংগ্ৰহ, ষোড়শ শতিকাৰ পীতাম্বৰ সিদ্ধান্ত বাগীশৰ গ্ৰহণ কৌমুদী, শম্ভুনাথ মিশ্ৰৰ বর্ষভাস্কৰ আদি গ্ৰন্থও এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখ্য।

পুৰণি অসমৰ চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰখনিও সমৃদ্ধ কৰি তোলে আয়ুর্বেদ কল্পতৰু, আয়ুর্বেদ দর্শন আদি গ্ৰন্থৰ ৰচনাই। কেৱল মানুহৰ চিকিৎসাই নহয়, পশুৰ চিকিৎসাৰ ক্ষেত্ৰতো পুৰণি অসমত খৃঃ প্ৰথম শতিকামানতে পালকাপ্য মুনিয়ে হস্ত্যায়ুর্বেদ বা গজসূত্ৰ ৰচনা কৰিছিল। মুঠ চাৰিটা খণ্ড আৰু ১৬০টা অধ্যায়ত ৰচিত এই গ্ৰন্থত হাতীৰ নানাৰোগৰ শল্য-চিকিৎসা, ঔষধ বিধান আদি বিষয়ৰ বিস্তৃত আলোচনা আছে।

সংস্কৃত ব্যাকৰণৰো চর্চা হৈছিল কামৰূপ ৰাজ্যত। কোচৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত পুৰুষোত্তম বিদ্যাবাগীশে প্ৰয়োগৰত্নমালা নামৰ ব্যাকৰণ গ্ৰন্থ ৰচনা কৰি ব্যাকৰণৰ এক স্বতন্ত্ৰ বা মৌলিক ধাৰাৰ প্ৰৱর্তন কৰে পঞ্চদশ শতিকাত।



জানি থোৱা ভাল

পুৰুষোত্তম বিদ্যাবাগীশে অসমত প্ৰৱর্তন কৰা ব্যাকৰণৰ ধাৰাটি 'ৰত্নমালা' সম্প্ৰদায় নামে জনাজাত।

ৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভ্ৰাতৃ শুক্লধ্বজ বা চিলাৰায় দুয়োজনেই সংস্কৃত শাস্ত্ৰজ্ঞ আছিল। নৰনাৰায়ণৰ আদেশতে কবি কর্ণপূৰে বৃত্তমালা নামৰ সংস্কৃত ছন্দৰ এখনি পুথি ৰচনা কৰিছিল। আনহাতে শুক্লধ্বজে কবি জয়দেৱ ৰচিত গীতগোৱিন্দম্ নামৰ খণ্ড কাব্যৰ ওপৰত সাৰৱতী নামৰ এটি টীকা প্ৰণয়ন কৰিছিল। ভাৱৰ গাম্ভীর্য, শব্দ চয়ন, ৰচনা-ৰীতি আদিৰ ক্ষেত্ৰত এই টীকা মল্লিনাথ প্ৰভৃতি পণ্ডিতসকলৰ টীকাৰ সমকক্ষ বুলিব পাৰি। নৰনাৰায়ণৰ ৰাজসভাৰ পণ্ডিতসকলে আনকি সংস্কৃততে যাতে কথা কয়, তাৰ কাৰণে ৰজাই নিয়ম কৰি দিছিল। মহাপুৰুষ শংকৰদেৱৰ চৰিত্ৰকাৰ ভূষণদ্বিজে লিখিছে—

সংস্কৃত বিনে কেহো কথা নকৱয়। সামান্য কথাক সবে সংস্কৃতে কহয়।।

দ্বিজভূষণ, পৃঃ ১৬৮



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ মধ্যযুগৰ অসমত কি কি বিষয়ৰ ওপৰত শাস্ত্ৰ ৰচিত হৈছিল?

.....

প্ৰশ্ন নং ৪ঃ পীতাম্বৰ সিদ্ধান্তবাগীশে ৰচনা কৰা দুখন স্মৃতিশাস্ত্ৰৰ নাম লিখক।

.....

প্ৰশ্ন নং ৫ঃ কালিকাপুৰাণৰ ৰচনা কাল কি?

.....

প্রশ্ন নং ৬ঃ পুৰণি অসমত ৰচিত হোৱা চিকিৎসা বিজ্ঞান বিষয়ক দুখন গ্রন্থৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৭ঃ পুৰণি অসমত পশু চিকিৎসাৰ পুথি কোনে ৰচনা কৰিছিল? তেওঁ লিখা পুথিখনিৰ নাম কি?

.....

প্রশ্ন নং ৮ঃ চিলাৰায়ে ৰচনা কৰা গীতাগোবিন্দৰ টীকাটিৰ নাম কি?

.....

১৪.৬ প্রাক্ শঙ্কৰী যুগত সংস্কৃত-চর্চা

সংস্কৃত গ্রন্থসমূহ সর্বসাধাৰণ লোকৰ বাবে সহজবোধ্য নাছিল। সেয়েহে দেখা যায়, চতুর্দশ শতিকাৰ কামৰূপ-প্রাগ্‌জ্যোতিষ ৰাজ্যৰ ৰজাসকলে সংস্কৃত শাস্ত্র তথা কাব্যসমূহ প্রান্তীয় ভাষা অসমীয়ালৈ ভাঙনি কৰিবলৈ পণ্ডিতসকলক নিযুক্ত কৰে। সেই পৃষ্ঠপোষক ৰজা বা ৰাজপুৰুষকেইজন আছিল কমতাপুৰনৃপতি দুর্লভ নাৰায়ণৰ পুত্র ইন্দ্রনাৰায়ণ, তাম্রধ্বজ আৰু তেওঁৰ অনুজ তথা বৰাহ ৰজা শ্রীমহামাণিক্য। তেওঁলোকৰ অনুপ্রেৰণাত কবি হেমসৰস্বতী, ৰুদ্র কন্দলী, হৰিহৰ বিপ্র, কবিৰত্ন সৰস্বতী আৰু মাধৰ কন্দলীয়ে সংস্কৃতত ৰচিত ৰামায়ণ মহাকাব্য ভাগৱত আদি পুৰাণ মন্থন কৰি অসমীয়ালৈ অনুবাদ কৰে।

হেম স্বৰস্বতী ঃ এইজনা কবিয়ে কমতাপুৰৰ ৰজা দুর্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত প্র!াদ চৰিত্র আৰু হৰগৌৰী সম্বাদ নামৰ দুখনি গ্রন্থ প্রণয়ন কৰে। কবিজনাই বামন পুৰাণৰ আলমত গ্রন্থখন ৰচনা কৰিছে বুলি কৈছে যদিও বর্তমান উপলব্ধ বামন পুৰাণত তেওঁ বর্ণনা কৰা প্র!াদ হিৰণ্যকশিপুৰ আখ্যান পোৱা নাযায়। সি যি কি নহওক, সেই সময়ত হয়তো বামন-পুৰাণ নামৰ অন্য কোনো এখন পুৰাণ বা উপ পুৰাণ অসমত আছিল। প্র!াদ চৰিত্রত কবিয়ে বিষ্ণুৰ মহিমা প্রতিপন্ন কৰিছে।

হৰগৌৰী সম্বাদ ঃ এই সম্বাদ হৈছে কালিকাপুৰাণ আৰু নৃসিংহ পুৰাণৰ আলমত বিৰচিত ৮৯৯ পদযুক্ত এখনি কাব্য। বিষ্ণুৰ অন্যতম অৱতাৰ নৰসিংহই হিৰণ্যকশিপুক বধ কৰা প্রথম অধ্যায়ৰ বিষয়বস্তুখিনি কবিয়ে নৃসিংহ পুৰাণৰ পৰা লৈছে আৰু পৰৱর্তী অধ্যায়ত বর্ণিত তাৰকাসুৰ বধ আদি কথাখিনি কালিকাপুৰাণৰ পৰা গ্রহণ কৰিছে।

এই গ্রন্থখনিয়ে হেমসৰস্বতীৰ সংস্কৃত শাস্ত্রত থকা বিদগ্ধতাৰ কথা নিশ্চিতভাৱে সূচিত কৰে। হেমসৰস্বতীৰ পিতৃ ৰুদ্র সৰস্বতী 'সর্বশাস্ত্র পণ্ডিত' আছিল বুলিও উল্লেখ পোৱা যায়।

কবিৰত্ন সৰস্বতী ঃ হেমসৰস্বতীৰ প্রায় সমসাময়িক এই কবিজনাই মহাভাৰতৰ দ্রোণপর্বৰ জয়দ্রথ বধৰ আখ্যানটো অসমীয়ালৈ ভাঙে। এওঁৰ পৃষ্ঠপোষক আছিল ৰজা ইন্দ্রনাৰায়ণ।

ৰুদ্রকন্দলী ঃ শ্রীমন্ত তাম্রধ্বজৰ অনুপ্রেৰণাত ৰুদ্রকন্দলীয়ে মহাভাৰতৰ দ্রোণপর্বৰ অন্তর্গত শিনিপুত্র সাত্যকিৰ যুদ্ধযাত্রা আৰু বীৰত্বব্যঞ্জক কথাখিনি অনুবাদ কৰে।

হৰিবৰ বিপ্ৰ ঃ কবি হৰিবৰ বিপ্ৰই কমতাপুৰৰ ৰজা দুর্লভনাৰায়ণৰ অনুপ্ৰেৰণাত জৈমিনীয় মহাভাৰতৰ আশ্বমেধিক পর্বত থকা আখ্যানৰ আধাৰত বভ্রুবাহনৰ যুদ্ধ আৰু লৱ-কুশৰ যুদ্ধ নামৰ কাব্য দুখনি ৰচনা কৰে।

মাধৱকন্দলী ঃ চতুর্দশ শতিকাৰ পৰাহী ৰজা মহামাণিক্যৰ ৰাজকবি মাধৱকন্দলী প্ৰাক্ শঙ্কৰী যুগৰ সর্বশ্রেষ্ঠ কবি। তেওঁ বাল্মীকিৰ সপ্তকাণ্ড ৰামায়ণখনি অসমীয়ালৈ ভাঙে। তেওঁ উল্লেখ কৰিছে যে তেওঁ সংস্কৃত শাস্ত্রত বিদগ্ধ হৈও সর্বসাধাৰণে বুজিব পৰাকৈ পয়াৰত অর্থাৎ অসমীয়া পদত ৰামায়ণৰ ভাঙনি কৰে।

শ্লোক সংস্কৃতে আমি
পঢ়িবাক ভাল জানি
কৰিলোহো সর্বজন বোধে।
ৰামায়ণ সুপয়াৰ
শ্রীমহামাণিক্য যে
পৰাহ ৰজাৰ অনুৰোধে।।

অৱশ্যে মাধৱ কন্দলীয়ে যদিও ৰামায়ণৰ সাতটা কাণ্ডকে ৰচনা কৰিছিল বুলি নিজে উল্লেখ কৰিছে, তথাপি আদি আৰু শেষ কাণ্ড দুটা পাবলৈ নাই। মহাপুৰুষ মাধৱদেৱ আৰু শঙ্কৰদেৱেহে ক্ৰমে আদি কাণ্ড আৰু উত্তৰাকাণ্ড ৰচনা কৰি ৰামায়ণখন সম্পূর্ণ কৰে। তেওঁলোকে আন পাঁচটা কাণ্ডতো ভক্তিমূলক উপদেশ সংযোজন কৰি ৰামায়ণক বৈষ্ণৱ সমাজৰ বাবে গ্রহণযোগ্য কৰি তোলে। মাধৱকন্দলীয়ে বাল্মীকি ৰামায়ণখনি সংক্ষিপ্ত কৰিহে অনুবাদ কৰিছে বুলি নিজেই উল্লেখ কৰিছে— 'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো লম্ভা পৰিহৰি সাৰোদ্ধৃতে।' উল্লেখযোগ্য যে উত্তৰ ভাৰতৰ প্রান্তীয় ভাষাত বিৰচিত ৰামায়ণকেইখনৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণেই প্রাচীনতম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ঃ মাধৱকণ্ডলীৰ ৰামায়ণৰ কেইটা কাণ্ড বর্তমান উপলব্ধ হয়? বাকী দুটা কাণ্ড কোনে ৰচনা কৰে?

.....

.....

১৪.৭ মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ সংস্কৃত-চর্চা

ইতিমধ্যে আপুনি প্রাক্ শংকৰী যুগৰ কবিসকলে আৰম্ভ কৰা সংস্কৃতমূলক ধাৰাটিৰ বিষয়ে জানিব পাৰিলে। এই ধাৰাটিয়ে মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ আৰু তেওঁৰ প্রধান শিষ্য মহাপুৰুষ মাধৱদেৱৰ অনবদ্য ৰচনাৰাজিৰ যোগেদি এক পৰিপক্ক অৱস্থা লাভ কৰে। খৃষ্টীয় পঞ্চদশ-ষোড়শ শতিকাত সমগ্র উত্তৰ ভাৰত বৈষ্ণৱ আন্দোলনেৰে বিধৌত হোৱা সময়ত

অসমতো শ্রীমন্ত শংকৰদেৱে গীতা-ভাগৱত আদি শাস্ত্রৰ সাৰ সংগ্রহ কৰি 'একশৰণ হৰি নাম ধর্ম' প্রৱর্তন কৰে। সংস্কৃত ভাষা-সাহিত্যত মহাপুৰুষজনা যে পৰম নিষ্ণাত আছিল, সেই কথা গুৰুচৰিতত বিস্তৃতভাৱে পোৱা যায়। গুৰু মহেন্দ্র কন্দলীৰ টোলতে শংকৰদেৱে বেদ-বেদান্ত, পুৰাণ-ভাৱত, ৰামায়ণ, ব্যাকৰণ, দর্শন আদি নানা শাস্ত্র অধ্যয়ন কৰি 'ওজা ছাতৰ' হৈ এক চমকপ্রদ প্রতিভাৰ পৰিচয় দিছিল।

একশৰণ হৰিনাম ধর্ম জনসমাজত ব্যাপকভাৱে প্রচাৰ আৰু প্রসাৰ কৰিবলৈ শংকৰদেৱে সৃষ্টি কৰা বিশাল আৰু বর্ণাঢ্য সাহিত্যৰাজিৰ মাজত গুৰুজনাৰ অগাধ পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। তেখেতে ৰচনা কৰা পুথিসমূহৰ মাধ্যম প্রধানতঃ পুৰণি অসমীয়া আৰু ব্রজবুলি বা ব্রজাৱলী আছিল যদিও সংস্কৃত ভাষাতো তেখেতে কিছু ৰচনা প্রণয়ন কৰিছিল। তেখেতৰ সংস্কৃত ৰচনাসমূহ হৈছে ঃ

(১) কৰতল কমল শীর্ষক কবিতাটি,
(২) তোটয় নামৰ প্রশস্তিটি,
(৩) ভক্তি ৰত্নাকৰ গ্রন্থ, আৰু
(৪) অংকীয়া নাটৰ শ্লোকসমূহ।

গুৰুজনাৰ অন্যান্য ৰচনাৰাজিৰো মূল উৎস প্রধানতঃ সংস্কৃত শাস্ত্রসমূহেই। এই ৰচনাসমূহৰ এটি সংক্ষিপ্ত পৰিচয় তলত দিয়া হৈছে। প্রথমে ওপৰত উল্লেখ কৰা গুৰুজনাৰ সংস্কৃত ৰচনাৱলীৰ এটি চমু আলোচনা কৰা হৈছে।

১৪.৮ শংকৰদেৱৰ সংস্কৃত ৰচনাৱলী

(১) **কোমল গীত ঃ** চৰিত পুথিমতে শংকৰদেৱে টোলত অধ্যয়ন কৰি থাকোতেই আকাৰ-ইকাৰ আৰু যুক্তাক্ষৰ নথকা বাৰেমতৰাবিহীন, অথচ ভগৱানৰ মহিমা প্রকাশক এটি কবিতা বা স্তোত্র ৰচনা কৰে, যাৰ ভাষা হৈছে সংস্কৃত। ইয়াক কোমল গীত বুলিও জনা যায়। গীতটি হৈছে—

কৰতল কমল কমল দলনয়ন।
ভৱদৱ দহন গহন বনশয়ন।। ইত্যাদি

ইয়াত প্রভু ভগৱন্তৰ ৰূপ-বর্ণনাৰ অন্তত তেওঁৰ কৃপাবস্ত লাভ কৰি যে ভক্তসকলে জন্ম-মৃত্যুৰ চক্রৰ পৰা পৰিত্রাণ পাব পাৰে, তাক সুন্দৰকৈ প্রতিপাদন কৰা হৈছে। শিশু কালতে এনে ভাৱগভীৰ স্তোত্র এটি ৰচনা কৰা কথাই গুৰুজনাৰ অসামান্য প্রতিভাৰ পৰিচয় বহন কৰে।

(২) **তোটয় ঃ** সংস্কৃত ত্রোটক ছন্দত ৰচিত ভগৱান বিষ্ণু-কৃষ্ণৰ স্তুতি স্বৰূপ এই কবিতাটি শংকৰদেৱৰ অপূর্ব সৃষ্টি। কথিত আছে যে মহাপুৰুষ শংকৰদেৱ স্মার্তকর্মৰ বিৰোধী বুলি ৰুষ্ট হৈ ৰজা নৰনাৰায়ণে যেতিয়া তেওঁক বন্দী কৰাই নিছিল, তেতিয়া তেওঁ স্বৰচিত এই স্তোত্রটিৰে নিজৰ ইষ্ট দেৱতা কৃষ্ণক স্তুতি কৰি ৰাজসিংহাসনৰ ফালে আগুৱাই গৈছিল।

কবিতাটিৰ বৈশিষ্ট্য এয়ে যে আগৰ শাৰীৰ অন্তিম বৰ্ণটি পিছৰ শাৰীৰ আদ্য বৰ্ণৰূপে বিন্যাস কৰা হৈছে— 'অন্ত্যাক্ষৰী' ৰূপত। অসমীয়া বৈষ্ণৱ সমাজত প্রচলিত চৈধ্য প্রসংগত এই তোটয়টিও পৰিৱেশন কৰা হয়।

(৩) **ভক্তি ৰত্নাকৰ ঃ** শ্রীমন্ত শংকৰদেৱৰ সংস্কৃত ৰচনাৰাজিৰ ভিতৰত ভক্তি ৰত্নাকৰ গ্রন্থখনি আকাৰ আৰু প্রকাৰ, এই দুয়োটা ক্ষেত্রতে শ্রেষ্ঠ। স্বপ্রৱর্তিত একশৰণ হৰিনাম ধর্মৰ সকলো তত্ত্ব এই গ্রন্থতে সন্নিৱিষ্ট হৈ আছে। সেয়েহে গ্রন্থখনিক 'প্রকৰণ গ্রন্থ' বা নির্ণয়াত্মক গ্রন্থ বুলিব পাৰি। ইয়াত মুঠতে ৩৮-টা অধ্যায় আছে। শ্রীমদ্ভাগৱতকে মুখ্য কৰি নানা ভক্তি-প্রতিপাদক গ্রন্থৰ প্রয়োজনীয় শ্লোকসমূহ সংকলন কৰি গ্রন্থখনি প্রস্তুত কৰা হৈছে। তথাপি ভাগৱতেই যে গ্রন্থখনিৰ প্রধান উপজীব্য, সেই কথা গুৰুজনাই এনেদৰে উল্লেখ কৰিছে— ভাগৱতস্বৰূপ ক্ষীৰসমুদ্রৰ পৰা মাখনৰ দৰে সাৰভাগ সংগ্রহ কৰি অচ্যুতৰ কিঙ্কৰ শঙ্কৰে তীক্ষ্ণধী ভক্তসকললৈ আগবঢ়াইছে; তেওঁলোকে যেন তাক সাদৰে পান কৰে।

ভাগৱতৰ বাহিৰে আন যিসমূহ গ্রন্থৰ পৰা শ্লোক সংগ্রহ কৰা হৈছে, সেইসমূহ হৈছে— ভাৱার্থদীপিকা (শ্রীধৰস্বামীকৃত ভাগৱতৰ ভাষ্য), বৃহন্নাৰদীয় পুৰাণ, বৈষ্ণৱানন্দলহৰি, শ্রীমদ্ভগৱদ্গীতা, বিষ্ণুপুৰাণ, যোগসাৰ, পদ্মপুৰাণ, নৰসিংহপুৰাণ, মৎস্যপুৰাণ, কূর্মপুৰাণ, বামনপুৰাণ, শান্তিশতক, পাণ্ডৱীগীতা ইত্যাদি।

সমগ্র গ্রন্থখনিত থকা মুঠ শ্লোকত সংখ্যা ৫৭১। তাৰ ভিতৰত ৪৫৬টা শ্লোকেই মূল সংস্কৃত ভাগৱতৰ পৰা সংগৃহীত। শংকৰদেৱে নিজে ৰচনা শ্লোক মাত্র তিনিটিহে। কিন্তু এই কথাই গ্রন্থখনিৰ মৌলিকতা ম্লান কৰা নাই। গ্রন্থখনিত প্রতিপাদন কৰা প্রধান বিষয়সমূহ হৈছে ভক্তিজ্ঞানদাতা গুৰুৰ পৰম পূজনীয়তা, নৰদেহৰ মহিমা, সৎসঙ্গৰ মহিমা, ন বিধ বিষ্ণুভক্তিৰ ভিতৰত শ্রৱণ, কীর্তন, স্মৰণ আৰু অর্চন ভক্তিৰ মাহাত্ম্য, ভক্তিযোগ নিৰূপণ, ভগৱদ্ ভক্তিৰ উত্তম, অন্তৰংগ, নির্গুণ আৰু সপ্রেম, এই চতুর্বিধৰ নিৰূপণ, ভক্তসকললৰো উত্তম, মধ্যম আৰু প্রাকৃতভেদে তিনিপ্রকাৰৰ লক্ষণ নিৰূপণ, কলিৰ ধর্ম, ভাৰতভূমিৰ প্রশংসা, মায়াতৰণৰ উপায়, ভাগৱতৰ মাহাত্ম্য ইত্যাদি। ভাগৱতৰ শ্লোকসমূহৰ ক্ষেত্রত শঙ্কৰদেৱে শ্রীধৰস্বামীৰ ভাৱার্থ-দীপিকাকে আধাৰ স্বৰূপে গ্রহণ কৰিছে যদিও নিজৰ মতেই টীকাখিনি সজাই পৰাই লৈছে।

সমস্ত শাস্ত্রসৎসাৰমুদ্ধত্য বিদধেইধুনা।
ভক্তিৰত্নাকৰাখ্যং তৎ সংগ্রহং শঙ্কৰঃ কিল।।
ভক্তিৰত্নাকৰ (ভ. ৰ.), ১/৩
সমুদ্ধৃতং ভাগৱতাভিধান দুগ্ধাম্বুধের্মন্নৱনীতপিণ্ডম্।
শ্রীশঙ্কৰেণাচ্যুতকিঙ্কাৰণ বুদ্ধ্যা জুষধ্বং শিতয়া সুধীৰাঃ ভ. ৰ. ১/২

(৪) **অঙ্কীয়া নাট ঃ** মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱেই অসমীয়া নাট্য সাহিত্যৰ জনক। হৰি নাম ধর্মৰ বহুল প্রচাৰৰ অর্থে তেখেতে সংস্কৃত নাটকৰ আর্হিত নাট্যবিধান অনুসৰণ কৰি নিম্নোক্ত ছখন অংকীয়া নাট ৰচনা কৰে ঃ

(১) ৰুক্মিণী হৰণ
(২) পাৰিজাত হৰণ
(৩) কালিয়দমন
(৪) কেলিগোপাল
(৫) পত্নীপ্রসাদ আৰু

(৬) ৰামবিজয়।

এই নাটকেইখনৰ ভিতৰত ৰামবিজয় নাটৰ বিষয়বস্তু মূল সংস্কৃত ৰামায়ণৰ আদিকাণ্ড। বাকী পাঁচখন নাটৰ কাহিনী ভাগৱত পুৰাণৰ পৰা লোৱা হৈছে। অৱশ্যে পাৰিজাত হ�ৰণত হৰিবংশৰ আখ্যানো যোগ দিয়া হৈছে।

এই নাটকেইখনত গুৰুজনাই মুঠতে ১৮০টা সংস্কৃত শ্লোক ব্যৱহাৰ কৰি নাট্যবস্তুৰ মূল জঁকাটো নির্মাণ কৰিছে। লগতে সূত্ৰ, সংলাপ, গীত আৰু পদৰ আকাৰত থকা জনসাধাৰণৰ সুখবোধ্য ব্ৰজাৱলী ভাষাটি প্ৰয়োগ কৰি মূল জঁকাটিত ৰক্ত-মাংসৰ সংযোজন ঘটাই একেখিনি নাট্যবস্তুকে কিছু বিস্তৰ ৰূপত দোহাৰিছে। আনকথাত শ্লোকত থকা কথাখিনিকে সূত্ৰধাৰৰ ব্যাখ্যাত, চৰিত্ৰসমূহৰ সংলাপত আৰু গীতৰ মাধ্যমেদি বহলাই প্ৰকাশ কৰা হৈছে।

অংকীয়া নাটসমূহত সংস্কৃত নাট্যকলাৰ প্ৰত্যক্ষ প্ৰভাৱ লক্ষ্য কৰা যায়। সংস্কৃত ৰূপক আৰু অংকীয়া নাটসমূহৰ মাজত থকা কেইটামান প্ৰধান সাদৃশ্য এনেধৰণৰ—

(ক) **সূত্ৰধাৰ ঃ** সংস্কৃত ৰূপকৰ দৰে অংকীয়া নাটো সূত্ৰধাৰেই আৰম্ভ কৰে। অৱশ্যে সংস্কৃত ৰূপকত সূত্ৰধাৰে নান্দী পাঠ কৰিয়েই প্ৰস্থান কৰে, কিন্তু অংকীয়া নাটত সূত্ৰধাৰজনে আৰম্ভৰ পৰা শেষলৈকে মঞ্চত থাকি নাটখনৰ পৰিচালনা কৰে।

(খ) **নান্দী শ্লোক আৰু ভৰতবাক্য ঃ** সংস্কৃত ৰূপকৰ দৰে অংকীয়া নাটো নান্দী শ্লোকেৰেই আৰম্ভ কৰা হয়। ঠিক সেইদৰে সংস্কৃত ৰূপক শেষ হয় ভৰতবাক্যৰে অর্থাৎ এটি মঙ্গলজনক শ্লোকেৰে। অংকীয়া নাটৰ শেষতো তাৰেই অনুৰূপ মুক্তিমঙ্গল বা মঙ্গল ভটিমা থাকে।

(গ) **গীতিপ্ৰধানতা ঃ** সংস্কৃত ৰূপকৰ দৰে অংকীয়া নাটো গীতিপ্ৰধান। সংস্কৃত ৰূপকৰ চৰিত্ৰবোৰৰ মুখৰ সংলাপ-বিধি ছন্দত নিবদ্ধ শ্লোকতে বেছিকৈ থাকে। অংকীয়া নাটৰো আদিৰ পৰা অন্তলৈকে থকা পদ, পয়াৰ, ভটিমা আদি শাস্ত্ৰসম্মত ৰাগ-তালত নিবদ্ধ।

(ঘ) **প্ৰৰোচনা ঃ** সংস্কৃত ৰূপকৰ দৰে অংকীয়া নাটতো সূত্ৰধাৰে নাটকৰ আৰম্ভণিতে দর্শক শ্ৰোতাক অভিনয়ৰ পিনে আকৃষ্ট কৰিবলৈ আহ্বান কৰে। নাট্যশাস্ত্ৰত ইয়াকে প্ৰৰোচনা বোলে। উদাহৰণস্বৰূপে শ্ৰীমন্ত শংকৰদেৱৰ ৰুক্মিণী হৰণ নাটত সূত্ৰধাৰে সামাজিকৰ মন আকর্ষণ কৰিবলৈ এই শ্লোক উচ্চাৰণ কৰিছে—

ভোঃ ভোঃ সদাসদঃ যূয়ং শৃণুধ্বংশ্ৰদ্ধয়াধুনা।
ৰুক্মিণীহৰণং নাম নাটকং মুক্তিসাধকম্।।

(ঙ) **ৰস ঃ** সংস্কৃত ৰূপকৰ দৰে অংকীয়া নাটৰো মূল লক্ষ্য ৰসসৃষ্টি। অৱশ্যে অংকীয়া নাটত শৃঙ্গাৰ আৰু বীৰ ৰসৰ পৰিৱর্তে ভক্তিৰসৰহে অভিব্যঞ্জনা কৰা হয়। সংস্কৃত অলংকাৰশাস্ত্ৰৰ মতে ভক্তি হৈছে শান্তৰসৰ অন্তর্গত এটি ভাৱহে। কিন্তু বংগীয় বৈষ্ণৱ আলঙ্কাৰিকসকলৰ মতে ভক্তি কেৱল এটা ৰসেই নহয়, ই সর্বশ্ৰেষ্ঠ ৰস। শঙ্কৰদেৱ আৰু মাধৱদেৱেও জনসাধাৰণক কৃষ্ণ-ভক্তিৰ প্ৰতি সহজে আকর্ষণ কৰিবলৈ অংকীয়া নাটসমূহ ৰচনা কৰে।

এইদৰে অংকীয়া নাটসমূহত সংস্কৃত ৰূপকৰ গভীৰ প্ৰভাৱ পৰিলক্ষিত হয়।

১৪.৯ শ্রীমন্ত শংকৰদেৱৰ সমগ্র ৰচনাৱলীৰ এটি চমু পৰিচয়

ৰচনাৰ গঠন আৰু বিষয়বস্তুৰ বৈচিত্র্য অনুসৰি মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ ৰচনাৱলীক এইকেইটা প্রধান শ্রেণীত ভাগ কৰিব পাৰি—

(১) **কাব্য ঃ** (ক) হৰিশ্চন্দ্র উপাখ্যান, (খ) ৰুক্মিণী হৰণ, (গ) বলিছলন, (ঘ) অমৃতমথন, (ঙ) অজামিল উপাখ্যান আৰু (চ) কুৰুক্ষেত্র।

(২) **ভক্তিতত্ত্ব প্রকাশক গ্রন্থ ঃ** (ক) ভক্তিপ্রদীপ, (খ) ভক্তি ৰত্নাকৰ (সংস্কৃত), (গ) নিমিনৰসিদ্ধ সংবাদ আৰু (ঘ) অনাদিপাতন।

(৩) **অনুবাদমূলক ঃ** (ক) ভাগৱত ১ম, ২য়, ৬ষ্ঠ (অজামিল উপাখ্যান মাত্র), ৮ম (বছিলন, অমৃত মথন) ১০ম (আদি আৰু শেষৰ অংশবিশেষ), ১১শ আৰু ১২শ স্কন্ধ আৰু (খ) উত্তৰাকাণ্ড ৰামায়ণ।

(৪) **নাম প্রসংগ ঃ** (ক) কীর্তন আৰু (খ) গুণমালা।

(৫) **অংকীয়া নাট ঃ** (ক) পত্নীপ্রসাদ, (খ) কালিয়দমন, (গ) কেলিগোপাল, (ঘ) ৰুক্মিণীহৰণ, (ঙ) পাৰিজাত হৰণ আৰু (চ) ৰামবিজয়।

(৬) **গীত ঃ** (ক) ৰৰগীত, (খ) ভটিমা, (গ) তোটয় আৰু (ঘ) চপয়।

(১) **হৰিশ্চন্দ্র উপাখ্যান আৰু ৰুক্মিণী হৰণ কাব্য ঃ** হৰিশ্চন্দ্র উপাখ্যান শঙ্কৰদেৱৰ প্রথম ৰচনা। এই কাব্যৰ আধাৰ হৈছে মার্কণ্ডেয় পুৰাণৰ ৭ম-৮ম অধ্যায়। ইয়াত ভগৱান বিষ্ণুৰ শ্রেষ্ঠত্ব কীর্তন কৰা হৈছে। কৰুণ আৰু হাস্যৰসেৰে কাব্যখনি উপভোগ্য হৈ পৰিছে।

ৰুক্মিণী হৰণ কাব্যৰ বিষয়বস্তু মূলতঃ হৰিবংশৰ পৰা গ্রহণ কৰিলেও ভাগৱতৰ কথাও তাত সুমুৱাই দিয়া হৈছে। কুণ্ডিল নগৰৰ ভীষ্মক ৰজাৰ কন্যা ৰুক্মিণীক শ্রীকৃষ্ণই হৰণ কৰি বিবাহ কৰা ঘটনাই কাব্যখনিৰ মূল প্রতিপাদ্য বিষয়। শৃংগাৰ আৰু বীৰৰসৰ প্রাধান্য ঘটিছে কাব্যখনিত।

অন্যান্য আখ্যানমূলক কাব্য ঃ অজামিল উপাখ্যান ভাগৱতৰ ষষ্ঠ স্কন্ধৰ প্রথম তিনিটা অধ্যায়ৰ বিষয়বস্তু লৈ ৰচিত। হৰি নামৰ মাহাত্ম্য প্রতিপাদনেই ইয়াৰ মূল উদ্দেশ্য। গ্রাহ-গজেন্দ্র যুদ্ধ, অমৃত মথন আৰু বলিছলন হৈছে ভাগৱতৰ অষ্টম স্কন্ধৰ প্রধান আখ্যান। আনহাতে ভাগৱতৰ দশম স্কন্ধৰ ৮২-৮৫ অধ্যায়ৰ বর্ণনীয় বিষয়বস্তুক লৈ গুৰুজনাই কুৰুক্ষেত্র কাব্য ৰচনা কৰিছে।

(২) **ভক্তিতত্ত্বপ্রধান গ্রন্থ ঃ** ভক্তিৰত্নাকৰৰ বিষয়ে ইতিপূর্বে আলোচনা কৰা হৈছে। ভগৱান কৃষ্ণ আৰু মধ্যম পাণ্ডৱ অর্জুনৰ কথোপকথনক বিষয়বস্তুৰূপে লৈ ৰচনা কৰা ভক্তিপ্রদীপ গ্রন্থত গুৰুজনাই ভক্তিৰ তত্ত্ব আৰু মহিমা সুন্দৰকৈ বর্ণনা কৰিছে। ভাগৱতৰ তৃতীয় স্কন্ধ আৰু বামন পুৰাণৰ বিষয়বস্তুলৈ তেখেতে অনাদি-পাতন ৰচনা কৰিছে। আকৌ ভাগৱতৰ একাদশ স্কন্ধত উপলব্ধ ৰজা নিমি আৰু নজন সিদ্ধৰ কথোপকথনক লৈ নিমি নৰসিদ্ধ সংবাদ প্রণয়ন কৰিছে।

(৩) **অনুবাদমূলক গ্ৰন্থ ঃ** আগতে উল্লেখ কৰাৰ দৰে ভাগৱতৰ ১ম, ২য়, ১১শ আৰু ১২শ স্কন্ধ গুৰুজনাই সম্পূৰ্ণভাৱে অসমীয়ালৈ অনুবাদ কৰে। তদুপৰি ৬ষ্ঠ, ৮ম আৰু ১০ম স্কন্ধৰো আংশিক অনুবাদ কৰে। অনুবাদ কৰোতে মূলৰ ফালে সততে তেখেতে দৃষ্টি ৰাখিছিল আৰু কল্পনাৰ ক্ষেত্ৰতো তেখেত সংযত আছিল। ভাগৱতৰ সকলো স্কন্ধৰ ভিতৰত গুৰুজনাই ৰচনা কৰা 'দশম' খনিয়েই সৰ্বপ্ৰধান। মূল ভাগৱতৰ দশম স্কন্ধৰ ৯০টা অধ্যায়ৰ ভিতৰত প্ৰথমৰ পৰা ৪৯ সংখ্যক অধ্যায়লৈকেহে শঙ্কৰদেৱে অনুবাদ কৰিছিল। এই খণ্ডক আদ্য বা আদি দশম বুলি জনা যায়। অসমৰ মহাপুৰুষীয়া ধৰ্মৰ পৰম্পৰাত চাৰিপুথিৰ ভিতৰত দশম ভাগো অন্যতম। এই খণ্ডটিত কৃষ্ণৰ জন্মৰ পৰা কংসবধৰ পিছত গোপী-উদ্ধৱ সংবাদলৈকে ঘটনাৰাশি বৰ্ণিত হৈছে।

আদি দশমত কৃষ্ণৰ বিচিত্ৰ বাল্যলীলাৰ মাজেদি ভগৱৎসত্তা প্ৰতিপাদিত হৈছে। অদ্ভুত ৰস আৰু বাৎসল্যভাৱৰ লগতে ভক্তিৰ সুন্দৰ অভিব্যঞ্জনা ঘটিছে ইয়াত। ৰাসক্ৰীড়া আৰু গোপী উদ্ধৱ সংবাদত সম্ভোগ আৰু বিপ্ৰলম্ভ শৃঙ্গাৰ ৰসৰ সুন্দৰ প্ৰকাশ ঘটিছে। নানা ঋতুৰ বৰ্ণনা, নানা অলংকাৰৰ সুন্দৰ প্ৰয়োগ আৰু চিত্ৰকল্পনাই গ্ৰন্থখনিৰ কাব্যিক মূল্য বঢ়াই তুলিছে।

ভাগৱতৰ একাদশ আৰু দ্বাদশ স্কন্ধ ভক্তি আৰু দাৰ্শনিক তত্ত্বসমূহৰ সুন্দৰ প্ৰকাশ দেখা যায়। যোগ, ধ্যান, তপ আদিতকৈ ভক্তিযে সৰ্বোত্তম পথ, তাক একাদশস্কন্ধত সুন্দৰকৈ প্ৰতিপাদন কৰা হৈছে।

উত্তৰাকাণ্ড ৰামায়ণ ঃ মাধৱকন্দলীৰ ৰামায়ণৰ আদি আৰু উত্তৰাকাণ্ড শঙ্কৰদেৱৰ সময়ত উপলব্ধ হোৱা নাছিল। সেয়েহে শঙ্কৰদেৱে উত্তৰাকাণ্ড আৰু মাধৱদেৱে আদিকাণ্ড যোগ দি মাধৱকন্দলিৰ ৰামায়ণখনি সম্পূৰ্ণ কৰি তোলে। অনুবাদৰ ক্ষেত্ৰত শঙ্কৰদেৱে মাধৱ কন্দলীৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা এনেদৰে বিনম্ৰভাৱে প্ৰকাশ কৰিছে—

পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলী আদি
তেহে বিৰচিলা ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাড়ে মাৰ্গ
মোৰ ভিল তেহ্ন্য অৱস্থা।।

উল্লেখযোগ্য যে গুৰুজনাই বাল্মীকি ৰামায়ণৰ পৰা ৰাম-সীতাৰ প্ৰসংগ থকা মূল অধ্যায়খিনিহে অনুবাদ কৰিছে। সেই কাৰণেই তেখেতে ইয়াক 'উত্তৰ কাণ্ডৰ কথাসাৰ' বুলি অভিহিত কৰিছে।

(৪) **নাম প্ৰসংগৰ গ্ৰন্থ ঃ** কীৰ্তন মহাপুৰুষজনাৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিৰ্দশন আৰু অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ দ্বাৰা স্বীকৃত চাৰি পুথিৰ ভিতৰত প্ৰথম পুথি। কীৰ্তনত থকা ২৭টা স্বয়ংসম্পূৰ্ণ খণ্ডৰ ভিতৰত শেষৰ দুটা খণ্ড শঙ্কৰদেৱৰ ৰচনা নহয়। মুঠ পাঁচটা খণ্ডৰ বাহিৰে আন খণ্ডকেইটাৰ আধাৰ গ্ৰন্থ হৈছে ভাগৱত পুৰাণ। সেয়েহে কীৰ্তনক ভাগৱতৰ সাৰাংশ বুলিবও পাৰি। কীৰ্তনত বিষ্ণু-কৃষ্ণৰ নবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনৰ শ্ৰেষ্ঠত্ব

প্রতিপাদন কৰা হৈছে নানা আখ্যানৰ ছলেৰে।

গুণমালা ঃ কুসুমমালা ছন্দত ৰচিত এখনি ক্ষুদ্র গ্রন্থ হৈছে গুণমালা। ইয়াত থকা প্রথম খণ্ডটো ভগৱান বিষ্ণু-কৃষ্ণৰ সাধাৰণ স্তুতিসূচক। বাকী পাঁচটা খণ্ড ভাগৱতৰ দশম আৰু একাদশ স্তন্ধৰ সংক্ষিপ্ত আভাস। চৈধ্য প্রসংগত গুণমালাও গোৱা হয়।

(৫) **ৰৰগীত, ভটিমা, চপয় ঃ** মহাপুৰুষ শঙ্কৰদেৱে ৰচনা কৰা ৰৰগীতসমূহো অনবদ্য সাহিত্য আৰু উচ্চাঙ্গ সঙ্গীতো। এই গীতসমূহত ভগৱান ৰামচন্দ্র অথবা কৃষ্ণৰ গুণ-মাহাত্ম্য বর্ণিত হৈছে। এতেকে বিষয়বস্তুৰ ফালৰ পৰা এই গীতবোৰৰ প্রধান আধাৰ গ্রন্থ হৈছে ৰামায়ণ আৰু ভাগৱত পুৰাণ। ৰৰগীতৰ লগতে চপয় আৰু ভটিমাকেইটিও সংস্কৃত তৎসম আৰু তদ্ভৱ শব্দৰে ভৰা।

এইদৰে দেখা যায়, শ্রীমন্ত শঙ্কৰদেৱৰ সমগ্র ৰচনাৱলীতে সংস্কৃত ভাষা আৰু সাহিত্যৰ প্রাধান্য বিদ্যমান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ঃ শঙ্কৰদেৱৰ ৰচনাৱলীক কোনকেইটা বহল ভাগত ভাগ কৰিব পাৰি?

.....

প্রশ্ন নং ১৪ঃ শঙ্কৰদেৰে বাল্মীকি ৰামায়ণৰ কোনটো কাণ্ড অসমীয়াত ৰচনা কৰিলে?

.....



১৪.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলোঁ ঃ

- পুৰণি অসমত উত্তৰ বৈদিক কালৰ পৰা অর্থাৎ শতপথ ব্রাহ্মণৰ ৰচনাৰ সময়ৰ পৰাই সংস্কৃত ভাষা সাহিত্যৰ চর্চা চলিছিল।
- প্রাচীন অসমৰ ৰজাসকল সংস্কৃত ভাষা-সাহিত্যৰ পৃষ্ঠপোষক আছিল আৰু তেওঁলোকৰ আদেশ আৰু অনুপ্রেৰণাতে এই ৰাজ্যত অলেখ শিলালেখ আৰু তাম্রলেখ ৰচিত হৈছিল।
- তন্ত্র আদি নানাবিধ শাস্ত্র আৰু টীকা-ভাষ্য ৰচনাৰ যোগেদিও সংস্কৃতৰ বিস্তৃত অনুশীলন হৈছিল প্রাচীন আৰু মধ্যযুগৰ অসমত।
- সংস্কৃত ভাষা সকলোৰে বাবে বোধগম্য নোহোৱাত ৰজা-প্রজা সকলোৱে বুজিব পৰাকৈ সংস্কৃত শাস্ত্রসমূহ প্রান্তীয় ভাষা অসমীয়ালৈ ভাঙণি কৰিবলৈ প্রাক্ শঙ্কৰীযুগৰ পৰা এটা বিস্তৃত প্রয়াস চলিল।
- মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱে একশৰণ হৰিনাম ধর্ম প্রচাৰৰ কাৰণে গীতা-ভাগৱত আদি

শাস্ত্র মন্থন কৰি নানা পুথি প্রণয়ন কৰিলে। তেখেতে সংস্কৃত ভাষাতো কিছু সাহিত্য প্রণয়ন কৰিলে।

- শব্দসমূহৰ অর্থৰ জ্ঞান লাভ কৰিলে।



১৪.১১ অধিক জানিবলৈ

১) *মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱ বাক্যামৃত*, শ্রীমন্ত শঙ্কৰদেৱ সংঘ, নগাঁও, ১৯৯৮।

২) *শ্রীমদ্ভাগৱত*, শ্রীমন্ত শঙ্কৰদেৱ সংঘ, নগাঁও, ২০০০।

৩) দেৱশর্মা, আচার্য ৰজনীকান্ত, *প্রাচীন আৰু মধ্যযুগত অসমত সংস্কৃত চর্চা*। (দ্রষ্টব্য, শর্মা, ড° বাণীকান্ত, আচার্য ৰজনীকান্ত দেৱশর্মা ৰচনাৱলী), গুৱাহাটী, ২০০৭।

৪) শর্মা, ড° সত্যেন্দ্র নাথ, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* (১০ম সংস্কৰণ), গুৱাহাটী, ২০১৭।

৫) Shastri, Dr. Biswanarayan, Sanskrit Studies in Assam (Vide, Sanskrit Studies in India) Rashtriya Sanskrit Sansthan, New Delhi, 1997.

৫) দাস, কৈলাস আৰু কলিতা মৰল, ড° ৰঞ্জিতা, *অসমীয়া ভক্তি সাহিত্য* (সম্পাদিত), শ্রীমন্ত শঙ্কৰদেৱ সংঘ, নগাঁও, ২০০৬।



১৪.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ শতপথ ব্রাহ্মণৰ নাম ক'ব লাগিব।

২ নং প্রশ্নৰ উত্তৰঃ সুৰেন্দ্র বর্মাৰ উমাচল প্রশস্তিৰ।

৩ নং প্রশ্নৰ উত্তৰঃ তন্ত্র, স্মৃতি, জ্যোতিষ, ধর্মশাস্ত্র, আয়ুর্বেদ, ব্যাকৰণ, টীকা-ভাষ্যৰ কথা ক'ব লাগিব।

৪ নং প্রশ্নৰ উত্তৰঃ তীর্থকৌমুদী, প্রেতকৌমুদীৰ নাম লিখিব লাগিব।

৫ নং প্রশ্নৰ উত্তৰঃ খৃষ্টীয় নৱম শতিকা।

৬ নং প্রশ্নৰ উত্তৰঃ চিকিৎসা বিজ্ঞানৰ প্রসংগত আছে।

৭ নং প্রশ্নৰ উত্তৰঃ পালকাপ্যৰ গ্রন্থখনৰ নাম লিখিব লাগিব।

৮ নং প্রশ্নৰ উত্তৰঃ শুক্লধ্বজ বা চিলাৰায়ে গীতগোৱিন্দৰ সাৰৱতী টীকা লিখে।

৯ নং প্রশ্নৰ উত্তৰঃ মাধৱকন্দলীৰ প্রসংগত উল্লেখ কৰা হৈছে। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ অনুবাদমূলক ৰচনাক প্রসঙ্গ চাওক।

১০ নং প্রশ্নৰ উত্তৰঃ শঙ্কৰদেৱৰ সংস্কৃত ৰচনাৰ প্রসঙ্গত চাওক।

১১ নং প্রশ্নৰ উত্তৰঃ ভাগৱতৰ পৰা।

১২ নং প্রশ্নৰ উত্তৰঃ শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ প্রসংগত স্পষ্টভাৱে উল্লেখ কৰা হৈছে।

১৩ নং প্রশ্নৰ উত্তৰঃ গঠন আৰু বিষয়বস্তু অনুসৰি ৬টা বহল ভাগৰ কথা উল্লেখ কৰা হৈছে।

১৪ নং প্রশ্নৰ উত্তৰঃ উত্তৰাকাণ্ড।

১৪.১৩ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ প্রাচীন অসমত সংস্কৃত চর্চাৰ প্রমাণ প্রথমে কোন গ্রন্থত পোৱা যায়? প্রাচীন অসমৰ বাবে সংস্কৃত চর্চাৰ সোণালী যুগ বুলি কোনটো সময়ক ক'ব পাৰি? প্রাচীন অসমৰ পাঁচখন শাসনৰ নাম উল্লেখ কৰক।

প্রশ্ন ২ঃ প্রাক্ শঙ্কৰী যুগৰ যিকোনো তিনিজন কবি আৰু তেওঁলোকৰ কাব্যৰ নাম লিখক। এই যুগৰ শ্রেষ্ঠ কবি কোন? তেখেত সংস্কৃতত বিদগ্ধ হৈও প্রান্তীয় ভাষাত কিয় কাব্য ৰচনা কৰিলে?

প্রশ্ন ৩ঃ বিষয়বস্তু আৰু গঠন অনুসৰি মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ ৰচনাৱলীক কোনকেইটা বহল ভাগত ভগাব পাৰি?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ দ্বাৰা ৰচিত ভক্তিৰত্নাকৰৰ এটি পৰিচয় ডাঙি ধৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অসমত মধ্যযুগত ৰচিত তন্ত্র আদি শাস্ত্রৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

প্রশ্ন ২ঃ মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ দ্বাৰা ৰচিত অঙ্কীয়া নাট কেইখন আৰু কি কি? এই নাট কেইখন কিমান দূৰ সংস্কৃতমূলক সেই বিষয়ে আলোচনা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, হৰমোহন দেৰ (১৯৯২) ঃ *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ বুকলেণ্ড।

২) ভদ্ৰ, সুধেন্দু মোহন (২০০৪); *ৰঘুবংশম্;* (প্ৰথম ঃ সৰ্গো দ্বিতীয় ঃ সৰ্গশ্চ); গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) ভাগৱতী, কামাখ্যাচৰণ (২০০৩); *সংস্কৃত সাহিত্যৰ জিলিঙনি;* গুৱাহাটী ঃ গ্ৰন্থপীঠ।

বাংলা গ্ৰন্থ ঃ

৪) কৰ্মকাৰ, আৰ. ডি; *মৃচ্ছকটিকম্।*

৫) সিদ্ধান্ত বাগীশ, হৰিদাস (সম্পাদক) (১৮৭৮); *মৃচ্ছকটিকম্;* কলকাতা।

সংস্কৃত গ্ৰন্থ ঃ

৬) ভট্টাচাৰ্য, জীৱানন্দ বিদ্যাসাগৰ (সম্পা ঃ) (১৯০২); *ৰঘুবংশম্;* কলিকতা ঃ সিদ্ধেশ্বৰ যন্ত্ৰ।

ইংৰাজী গ্ৰন্থ ঃ

৭) Bose R. M. (ed.) (1969) *Abhigna-nas᷇akuntalam;* Delhi : Motilal Banarsidas,

৮) Deka, I (2010) : *Sriharsha's Naisadhacaritam;* Delhi : New Bharatiy Book Corporation.

৯) Devadhar, C. R. (Ed) (1946); *Raghuvamsham of Kalidasa* (Cantos VI-IX); Bombay : Shri Samarth Sadan Keshav Bhikaji.

১০) Kale, M. R. (1962) : *The Micchakatika of Sudraka*; Motilal Banarsidas.

১১) Kale, M. R (Ed.) (1969) : *The Abhijnana Sakuntalam of Kalidasa*, Delhi : MBD, et al.

১২) Kale, M. R (1988) : *The Kiratarjumyam of Bharavi;* Delhi : Motilal Banarsidass Publishers Private Limited.

১৩) Kale, M. R. (ed.) (Reprint-1998) *The Abhigna-nas᷇akuntalam of Kalidasa;* Delhi : Motilal Banarsidass.

১৪) Karnik, H. R. & Deshpande, N. A. (Ed) (1953); *Raghuvamsham* (Cantos I-IV); Bombay : New & Second Hand Book Stall.

১৫) Karandhikar, M. A. (Ed) (1958); *Raghuvamsham of Kalidasa*; Book

Sellers' Publishing Co.

১৬) Keith, A. B. (1973) : *A History of Sanskrit Literature*, Delhi : Oxford UP, et al.

১৭) Keith, Barriedal A. (Reprint-1998) *The Sanskrit Drama;* Delhi : Motilal Banarsidass.

১৮) Krishnamacharior (2004) : *History of Classical Sanskrit Literature*; Delhi : Motilal Banarsidass Publishers Pvt. Ltd.

১৯) Pandurang, Kashinath (1990); *The Micchakatika of Sudraka*; Bombay : Parab.

২০) Radhakrishnan, C. S. (2005) : *Kalidasa New Perspective*; Delhi : New Bharatiya Book Corporation.